স্মৃতিগ্রন্থ
CROSS IS THE CROWN
সোণালী জয়ন্তী সমাৰোহ
গোৱালপাৰা মহাবিদ্যালয়
১৯৫৫-২০০৫
Mubin

স্মৃতিগ্ৰন্থ

সোণালী জয়ন্তী সমাৰোহ, ২০০৫
গোৱালপাৰা মহাবিদ্যালয়

গোৱালপাৰা মহাবিদ্যালয়
গোৱালপাৰা - ৭৮৩১০১
অসম

আহ্বায়ক
ধর্মেন্দ্র নাথ

SOUVENIR

Golden Jubilee Celebration
Goalpara College
Goalpara
2005

Smritigrantha, A souvenir published on the occasion of Golden Jubilee Celebration of Goalpara College, Goalpara - 783101, Published by : Golden Jubilee Celebration Committee, Goalpara College.

Date of Publication
6th August, 2005

Souvenir Sub-Committee
Convener
Mr. Dharmendra Nath
Members
Dr. R. Choudhury
Mr. R. Bhattacharya
Mr. S. K. Roy
Mr. D. J. Abedin
Mr. G. Talukdar
Mr. S. K. Mishra
Mr. H. K. Kalita
Dr. D. Sarma
Mr. Y. Ray
Mr. D. Barman (Secy, Magazine, GCSU)

Cover page
Mubin Rabha

Designed & Printed at
Abhinava Printers
Goalpara
Ph.: 03663-242261

G.N.Talukdar, M.Sc., D.Phil
Vice-Chancellor

☎ 2570412 (O) 2570408 (R)
Fax : 0361-2570133
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
Guwahati - 781014
Assam :: India

MESSAGE

I am glad to learn that the Goalpara College, established in 1955, is celebrating its Golden Jubilee this year with a year long programme, 2005 and publishing a "Souvenir" to commemorate the occasion.

I take the opportunity to convey my best wishes to the members of the Organizing Committee, Students, teachers and other employees of the College.

I wish the Golden Jubilee Celebration a grand success and bright future for the College.

(G.N. Talukdar)
Vice-Chancellor
Gauhati University

22.7.2005

e-mail : kkhlgul.in.vegau2002@yahoo.co.in. gntalukdar@rediffmail.com

অসম সাহিত্য সভা

কেন্দ্রীয় কার্যালয় ঃ চন্দ্রকান্ত সন্দিকৈ ভৱন, যোৱহাট - ৭৮৫০০১ ☐ ☎ (০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কার্যালয় ঃ ভগৱতীপ্রসাদ বৰুৱা ভৱন, গুৱাহাটী - ৭৮১০০১ ☐ ☎ (০৩৬১) ২৫২১৮৩০
ডিফু কার্যালয় ঃ বাংছিনা ভৱন, ডিফু - ৭৮২৪৬০ ☐ ☎ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কার্যালয়, ধুবুৰী - ৭৮৩৩০১ ☐ ☎ (০৩৬৬২) ২৩২৫২৮

কনকসেন ডেকা
সভাপতি

শুভ-কামনা

ঐতিহ্যমণ্ডিত গোৱালপাৰা জিলাৰ গোৱালপাৰা মহাবিদ্যালয়ে বর্ষমোৰা প্রস্তুতিৰে পালন কৰা সোণালী জয়ন্তী মহোৎসৱৰ সামৰণি অনুষ্ঠান অগেষ্টৰ প্রথম সপ্তাহত অনুষ্ঠিত হ'ব বুলি জানিব পাৰি সুখী হ'লো। মহাবিদ্যালয় এখনে পঞ্চাশে বছৰত ভৰি দিয়াটো গৌৱৱৰ বিষয়। বিগত পাঁচটা দশকত এই বিদ্যালয়ৰ পৰা উত্তীর্ণ হোৱা বহুতো ছাত্র-ছাত্রী এতিয়া সাহিত্য-সংস্কৃতি, ৰাজনীতি তথা অর্থনীতি জগতৰ লেখত লৈগণ্যিয়া ব্যক্তি। সোণালী জয়ন্তী মহোৎসৱৰ উপলক্ষে প্রকাশ পাবলগীয়া স্মৃতিগ্রন্থখনিত প্রাক্তন ছাত্র-ছাত্রীৰ লেখাত মহাবিদ্যালয়খনিৰ গৌৱৱময় পঞ্চাশটা বছৰৰ খতিয়ান প্রকাশ পোৱাৰ লগতে অঞ্চলটোৰ আর্থ-সামাজিক দিশসমূহৰ প্রতিফলন হ'ব বুলি আশা ৰাখিছো।

সোণালী জয়ন্তী মহোৎসৱ সাৰ্থ্যমণ্ডিত হোৱাৰ লগতে স্মৃতিগ্রন্থখনিও যাতে সর্বাঙ্গসুন্দৰ হয় তাকেই কামনা কৰিলো।

১৫৮
২০-৭-'০৮

ব্যক্তিগত ঠিকনা ঃ অগ্রদূত ভৱন, দিছপুৰ, গুৱাহাটী - ৬ দূৰভাষ (০৩৬১) ২২৬৭২১২

সূচীপত্র

আগকথা ■ ধর্মেন্দ্র নাথ, আহ্বায়ক, স্মৃতিগ্রন্থ ■ ১
সম্পাদনা সমিতিৰ টোকা ■ ২
From the Principal's Desk ■ ৪

উভতি চাওঁ

শ্রদ্ধাঞ্জলী ■ জননেতা খগেন্দ্র নাথ নাথ ■ ৭
A Message ■ Amal Roy ■ ৯
অতীত ৰোমন্থন ■ খগেন্দ্র প্রসাদ ডেকা ■ ১০
গোৱালপাৰা মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যক্ষ স্বর্গীয় ওৱাজুদ্দিন আহমেদ ■ এম. চজীমুদ্দিন আহমেদ ■ ১৪
পৰিন ৰাভাৰ চোতাল ■ শৈলেন দাস ■ ১৬
Down Memory Lane ■ Amal Kr. Das ■ ২২
গোৱালপাৰা মহাবিদ্যালয় (এক সংক্ষিপ্ত ইতিহাস) ■ মোজাম্মিল হক ■ ২৫
Fond Memories of Goalpara College ■ Dr. Prabin Sarma ■ ৩৪
৫০, এখন ভিন্নসুৰী বচনা ■ অতনু ভট্টাচার্য ■ ৩৫
গোৱালপাৰা মহাবিদ্যালয়ৰ প্রাক্তন অধ্যক্ষ, সুসাহিত্যিক ড° মহেন্দ্র বৰা আৰু স্মাৰক বক্তৃতা ■ সুভাষ বর্মন ■ ৩৭
বোটলা পাতৰ কৰণি ■ গীতা দাস ■ ৪০
সুবিধাবাদীৰ স্বীকাৰোক্তি ■ থানেশ্বৰ দাস ■ ৪৩
প্রয়াত মাখন চন্দ্র শালৈ ঃ স্মৃতিত দুআষাৰ ■ দীনেশ চন্দ্র বৰুৱা ■ ৪৫
গোৱালপাৰা কলেজ আলোচনীৰ ৰেঙণি ■ ৰতন চন্দ্র ভট্টাচার্য ■ ৪৭
গোৱালপাৰা মহাবিদ্যালয়ত 'নাক'ৰ পৰিদর্শন ■ সিদ্ধিনাথ শর্মা ■ ৫১
'গোৱালপাৰা মহাবিদ্যালয়ত 'নাট অভিনয়' স্মৃতিৰ মণিকোঠাৰ পৰা ■ উত্তম শর্মা ■ ৫৩

চৌদিশৰ ৰেঙণি

গুৱালপাৰ জিল্লাৰ পুৰণি তথ্য ■ সুৰেন্দ্র মোহন দাস ■ ৫৬
গোৱালপৰীয়া লোকগীতত সামাজিক প্রতিচ্ছবি ■ ড° বীৰেন্দ্র নাথ দত্ত ■ ৬১
Physical features of some Populations of South-Goalpara : A Profile ■ Prof. B. M. Das ■ ৬৫
বিহঙ্গম দৃষ্টিত অর্দ্ধশতিকা পূর্বৰ গোৱালপাৰা ■ শ্যামাপ্রসাদ নাথ ■ ৬৮
গোৱালপাৰা জিলাৰ সাংস্কৃতিক পৰম্পৰা ■ জয়ন্তী দাস ■ ৭১
শ্রীসূর্য্যপাহাৰৰ প্রাচীন কীর্তিচিহ্ন আৰু ইয়াৰ ভৱিষ্যত ■ যশোৱন্ত ৰায় ■ ৭৪
গোৱালপাৰা জিলাৰ প্রত্নতত্ত্বৰ পটভূমি ■ অম্বিকাচৰণ চৌধুৰী ■ ৭৭
গোৱালপৰীয়া লোক-সংস্কৃতি - এটি আভাস ■ খর্গেশ্বৰ নায়ক ■ ৮২
উনবিংশ শতিকাত অবিভক্ত গোৱালপাৰা জিলা ঃ ভূ-প্রকৃতি আৰু প্রশাসনিক সংগঠন ■ ড° মহম্মদ তাহেৰ ■ ৮৭
কোম্পানীৰ আমোলত গোৱালপাৰা চহৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চল ■ ড° মনোজ কুমাৰ চক্রৱর্ত্তী ■ ৯৯
A brief sketch of Jinjiram Basin ■ Siva Prasad Deka ■ ১০৫

অসম সাহিত্য সভা

কেন্দ্রীয় কার্যালয় ঃ চন্দ্রকান্ত সন্দিকৈ ভৱন, যোৱহাট - ৭৮৫০০১ ☎ (০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কার্যালয় ঃ ভগৱতীপ্রসাদ বৰুৱা ভৱন, গুৱাহাটী - ৭৮১০০১ ☎ (০৩৬১) ২৫২১৮৩০
ডিফু কার্যালয় ঃ ৱাংছিনা ভৱন, ডিফু - ৭৮২৪৬০ ☎ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কার্যালয়, ধুবুৰী - ৭৮৩৩০১ ☎ (০৩৬৬২) ২৩২৫২৮

কনকসেন ডেকা
সভাপতি

শুভ-কামনা

ঐতিহ্যমণ্ডিত গোৱালপাৰা জিলাৰ গোৱালপাৰা মহাবিদ্যালয়ে বর্ষমোৰা প্রস্তুতিৰে পালন কৰা সোণালী জয়ন্তী মহোৎসৱৰ সামৰণি অনুষ্ঠান আগষ্টৰ প্রথম সপ্তাহত অনুষ্ঠিত হ'ব বুলি জানিব পাৰি সুখী হ'লো। মহাবিদ্যালয় এখনে পঞ্চাশে বছৰত ভৰি দিয়াটো গৌৰৱৰ বিষয়। বিগত পাঁচটা দশকত এই বিদ্যালয়ৰ পৰা উত্তীর্ণ হোৱা বহুতো ছাত্র-ছাত্রী এতিয়া সাহিত্য-সংস্কৃতি, ৰাজনীতি তথা অর্থনীতি জগতৰ লেখত ল'ৰলগীয়া ব্যক্তি। সোণালী জয়ন্তী মহোৎসৱ উপলক্ষে প্রকাশে পাৰলগীয়া স্মৃতিগ্রন্থখনিত প্রাক্তন ছাত্র-ছাত্রীৰ লেখাত মহাবিদ্যালয়খনিৰ গৌৰৱময় পঞ্চাশটা বছৰৰ খতিয়ান প্রকাশ পোৱাৰ লগতে অঞ্চলটোৰ অর্থ-সামাজিক দিশসমূহৰ প্রতিফলন হ'ব বুলি আশা ৰাখিছো।

সোণালী জয়ন্তী মহোৎসৱ সাফল্যমণ্ডিত হোৱাৰ লগতে স্মৃতিগ্রন্থখনিও যাতে সর্বাঙ্গসুন্দৰ হয় তাকেই কামনা কৰিলো।

১৫ই
২০-৭-'০৮

ব্যক্তিগত ঠিকনা ঃ অগ্রদূত ভৱন, দিহপুৰ, গুৱাহাটী - ৬ দূৰভাষ (০৩৬১) ২২৬৭২১২

সূচীপত্র

আগকথা ■ ধর্মেন্দ্র নাথ, আহ্বায়ক, স্মৃতিগ্রন্থ ■ ১
সম্পাদনা সমিতিৰ টোকা ■ ২
From the Principal's Desk ■ ৪

উভতি চাওঁ

শ্রদ্ধাঞ্জলী ■ জননেতা খগেন্দ্র নাথ নাথ ■ ৭
A Message ■ Amal Roy ■ ৯
অতীত ৰোমন্থন ■ খগেন্দ্র প্রসাদ ডেকা ■ ১০
গোৱালপাৰা মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যক্ষ স্বর্গীয় ওৱাজুদ্দিন আহমেদ ■ এম. চজীমুদ্দিন আহমেদ ■ ১৪
পবিন ৰাভাৰ চোতাল ■ শৈলেন দাস ■ ১৬
Down Memory Lane ■ Amal Kr. Das ■ ২২
গোৱালপাৰা মহাবিদ্যালয় (এক সংক্ষিপ্ত ইতিহাস) ■ মোজাম্মিল হক ■ ২৫
Fond Memories of Goalpara College ■ Dr. Prabin Sarma ■ ৩৪
৫০, এখন ভিন্নসুৰী ৰচনা ■ অতনু ভট্টাচার্য ■ ৩৫
গোৱালপাৰা মহাবিদ্যালয়ৰ প্রাক্তন অধ্যক্ষ, সুসাহিত্যিক ড° মহেন্দ্র বৰা আৰু স্মাৰক বক্তৃতা ■ সুভাষ বর্মন ■ ৩৭
বোটলা পাতৰ কৰণি ■ গীতা দাস ■ ৪০
সুবিধাবাদীৰ স্বীকাৰোক্তি ■ থানেশ্বৰ দাস ■ ৪৩
প্রয়াত মাখন চন্দ্র শালৈ ঃ স্মৃতিত দুআষাৰ ■ দীনেশ চন্দ্র বৰুৱা ■ ৪৫
গোৱালপাৰা কলেজ আলোচনীৰ ৰেঙণি ■ ৰতন চন্দ্র ভট্টাচার্য ■ ৪৭
গোৱালপাৰা মহাবিদ্যালয়ত 'নাক'ৰ পৰিদর্শন ■ সিদ্ধিনাথ শর্মা ■ ৫১
'গোৱালপাৰা মহাবিদ্যালয়ত 'নাট অভিনয়' স্মৃতিৰ মণিকোঠাৰ পৰা ■ উত্তম শর্মা ■ ৫৩

চৌদিশৰ ৰেঙণি

গুৱালপাৰা জিল্লাৰ পুৰণি তথ্য ■ সুৰেন্দ্র মোহন দাস ■ ৫৬
গোৱালপৰীয়া লোকগীতত সামাজিক প্রতিচ্ছবি ■ ড° বীৰেন্দ্র নাথ দত্ত ■ ৬১
Physical features of some Populations of South-Goalpara : A Profile ■ Prof. B. M. Das ■ ৬৫
বিহঙ্গম দৃষ্টিত অর্দ্ধশতিকা পূর্বৰ গোৱালপাৰা ■ শ্যামাঃ ৰণ নাথ ■ ৬৮
গোৱালপাৰা জিলাৰ সাংস্কৃতিক পৰম্পৰা ■ জয়ন্তী দাস ■ ৭১
শ্রীসূর্য্যপাহাৰৰ প্রাচীন কীর্তিচিহ্ন আৰু ইয়াৰ ভৱিষ্যত ■ যশোৱন্ত ৰায় ■ ৭৪
গোৱালপাৰা জিলাৰ প্রত্নতত্ত্বৰ পটভূমি ■ অম্বিকাচৰণ চৌধুৰী ■ ৭৭
গোৱালপৰীয়া লোক-সংস্কৃতি - এটি আভাস ■ খর্গেশ ৰ নায়ক ■ ৮২
উনবিংশ শতিকাত অবিভক্ত গোৱালপাৰা জিলা ঃ ভূ-প্রকৃতি আৰু প্রশাসনিক সংগঠন ■ ড° মহম্মদ তাহেৰ ■ ৮৭
কোম্পানীৰ আমোলত গোৱালপাৰা চহৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চল ■ ড° মনোজ কুমাৰ চক্রৱর্ত্তী ■ ৯৯
A brief sketch of Jinjiram Basin ■ Siva Prasad Deka ■ ১০৫

কবিতাৰ কাকলি

স্বৰ্ণজয়ন্তী (এটি গীত) ■ অমিয় কুমাৰ বড়ো ■ ১০৮
প্ৰাপ্তি ■ অতনু ভট্টাচাৰ্য ■ ১০৯
চছ্মা পিন্ধি কি চাই আছা ■ জগবন্ধু কলিতা ■ ১১০
অনুৰাগ ■ জয়ন্তী দাস ■ ১১১
প্ৰত্যাশা ■ ৰাধেশ্যাম নাথ ■ ১১১
আলাপ ■ নয়নমণি দত্ত ■ ১১২
শৰতক যাবলৈ বাধা কৰিলো ■ মৃণাল নাথ ■ ১১৩
দাপোন চালেই কঁপি উঠে ■ আব্দুল অহাব ■ ১১৩
যদি জানিলোহেঁতেন ■ দীপক শৰ্মা মেধী ■ ১১৪
হে সৈনিক হাঁহি হাঁহি কান্দিছো ■ গৌতম সোম ■ ১১৪
অনন্যা ■ অহিদু জামান ■ ১১৫
হিয়াৰ বতৰা ■ হবিদাস ৰাভা ■ ১১৫
A death after ■ Santosh K Mishra ■ ১১৬
My college ■ Ms Nusrat Rafique ■ ১১৭

বিবিধা

নিম্নবৰ্গৰ বুৰঞ্জী চৰ্চা ■ ডঃ হীৰেণ গোহাঁই ■ ১১৮
Higher Education in India and its Role for a Knowledge Society ■ Arun Chandra Sarma ■ ১৩০
সমন্বয়ত অসমীয়া সংস্কৃতি ■ আবেদুৰ ৰহমান শইকীয়া ■ ১৩২
Emerging Scenario in Higher Education ■ Akhil Ranjan Dutta ■ ১৩৭
Economic Development of Assam - Myth to Reality ■ Monimala Devi & Devashis Bose ■ ১৪১
অসমীয়া ভাষালৈ অসমৰ জনজাতীয় ভাষাসমূহৰ অৱদান ■ উপেন ৰাভা হাকাচাম ■ ১৪৫
Some Threatened Plants and Animals Species of Assam and Meghalaya ■ Dr. M. Ahmed & S.K. Basumatary ■ ১৫১
2005, The International Year of Physics ■ Prasad K. Saha ■ ১৫৮
সামাজিক দায়ৱদ্ধতা বুদ্ধিজীৱিৰ ভূমিকা ■ আবুল হুছেইন ■ ১৬০
Indian Economy : Back on Track Toward Growth ? ■ D. K. Chakraborty ■ ১৬২
The Role of Higher Education in Improving the National Productive Potential ■ Mrs Chintamayee Sarangi ■ ১৬৪
Value and Ethics in the Economics of Management ■ Abdul Hussain ■ ১৬৭
অনুভৱ ■ দিৱাকৰ দাস ■ ১৭২
Indian Diespora and Foreign Policy, Mapping the role of Indian-Americans ■ Jayanta Kr. Brahma ■ ১৭৪
অসমীয়া সংস্কৃতিৰ গৰাখহনীয়া আৰু আজিৰ যুৱ-প্ৰজন্ম ■ মিচ্ নন্দিতা দাস ■ ১৭৮
Community Based Habitat Restoration of Wetland with Special Reference to Goalpara District ■ Dr. Dandadhar Sarma ■ ১৮১
A Report, From Secretary's Desk ■ Rafique Zaman ■ ১৮৩
Principals of Goalpara College since Establishment ■ ১৮৫
Golden Jubilee Celebration Committee ■ ১৮৬

আগকথা

ধৰ্মেন্দ্ৰ নাথ
আহ্বায়ক, স্মৃতিগ্ৰন্থ
উপ-সমিতি

১৯৫৫ চনত কেইজনমান শিক্ষানুৰাগী দূৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টাত জন্ম লভা গোৱালপাৰা মহাবিদ্যালয়ে পঞ্চাশ বছৰ পূৰ্ণ কৰিলে। গুৱাহাটীৰ পৰা মানকাচাৰলৈ ব্যাপ্ত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ এই বিশাল অঞ্চলটিত উচ্চ শিক্ষা প্ৰসাৰত এই অনুষ্ঠানটিয়ে বিগত পঞ্চাশ বছৰে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৫৫ চনত মাত্ৰ ২২ জন ছাত্ৰ-ছাত্ৰীৰ নৈশ কলেজ হিচাবে আৰম্ভ হোৱা অনুষ্ঠানটিয়ে আজি পূৰ্ণাঙ্গ ৰূপ লৈছে। মহাবিদ্যালয়খনিয়ে আজি প্ৰায় সকলো দিশতে পৰিপক্কতা লাভ কৰিছে। প্ৰায় দুই হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে গিজ-গিজাই থকা মহাবিদ্যালয়ৰ বাৰাণ্ডাবোৰ আজি ঠেক হৈ গ'ল। ক্লাচলৈ গ'লে বা ক্লাচৰ পৰা উভতি আহোতে শিক্ষকৰ বিৰ দি বাট নোপোৱা অৱস্থা হয়। শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যাও বাঢ়ি-বাঢ়ি বৰ্তমান ৮০ জনৰো অধিক হৈছে। সন্মুখত থকা ধুনীয়া খেলপথাৰৰে সৈতে মহাবিদ্যালয়খনি অসমৰ ভিতৰতে এখনি বৃহৎ আৰু দেখনিয়াৰ শিক্ষানুষ্ঠান হিচাবে প্ৰতিভাত হৈছে। এই মহাবিদ্যালয়খনিয়ে বৰ্তমানো সকলো দিশতে পিচপৰা আমাৰ গোৱালপাৰা জিলাখনত মানৰ সম্পদ বিকাশত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আছে। আমাৰ মহাবিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰা ব্যক্তি আজি দশোদিশে বিয়পি সমাজৰ বৃহত্তৰ সেৱাত নিয়োজিত হৈছে। মহাবিদ্যালয়খনিয়ে যোৱা পঞ্চাশ বছৰে অকল যে শিক্ষাৰ প্ৰসাৰতে ব্যস্ত আছে তেনে নহয়, সাহিত্য-সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰতো মহাবিদ্যালয়ৰ অৱদান উল্লেখনীয়। অসম সাহিত্য সভাৰ দুগৰাকী প্ৰাক্তন সভাপতিৰ কৰ্মথলী আছিল এই মহাবিদ্যালয়। শিক্ষাৰ ক্ষেত্ৰত এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰী দিগন্ত ভূষণ দাসে যেনেকৈ বিশ্বশ্ৰেষ্ঠ 'Oxford University' ত অধ্যাপনা কৰি আছে, মহাবিদ্যালয়ৰ আন এজন প্ৰাক্তন ছাত্ৰ আদিল হুচেইনে চেক্সপীয়েৰৰ 'Othelo' নাটৰ নাম ভূমিকাত অভিনয় কৰি গোটেই বিশ্বতে প্ৰশংসা বুটলিছে। মহাবিদ্যালয়ৰ লগত সংলগ্ন হৈ আছে বিজ্ঞান সমিতি, NSS, NCC, Scouts and Guide আদি বিভিন্ন সংগঠন আৰু সেৱা। এইবোৰৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-শিক্ষকে নিজকে নিয়োজিত কৰি সমাজ আৰু জাতি উন্নয়ণত ব্ৰতী হৈছে। আজি সোণালী জয়ন্তী উৎসৱত আমি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা সকলৰ লগতে যোৱা পাঁচটা দশকত মহাবিদ্যালয়ৰ উৎকৰ্ষ সাধনৰ লগত জড়িত সমূহ ব্যক্তি, সংগঠন, অনুষ্ঠান, ছাত্ৰ, শিক্ষক আটাইকে শ্ৰদ্ধাৰে সুঁৱৰিছো।

সোণালী জয়ন্তী 'স্মৃতিগ্ৰন্থ'খনি প্ৰকাশ কৰিবলৈ গঠন কৰা উপ-সমিতিৰ আহ্বায়ক ৰূপে মোক দায়িত্ব দিয়াত মই সকলোলৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো। স্মৃতিগ্ৰন্থখনিৰ সমুদায় কাম মাত্ৰ বিশদিনৰ ভিতৰত সম্পূৰ্ণ কৰা হৈছে। কেইজনমান ব্যক্তিৰ অকৃত্ৰিম সহায়ৰ অবিহনে এই কাম সম্ভৱপৰ নহ'লহেঁতেন। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু সোণালী জয়ন্তী সমাৰোহ সমিতিৰ সম্পাদকে বিভিন্ন সময়ত যোগোৱা উপদেশ, উদ্গনি আৰু সহায়ৰ বাবে তেওঁলোকক মোৰ আন্তৰিক ধন্যবাদ জনালো। সম্পাদনা সমিতিৰ সদস্যসকল ক্ৰমে ডঃ ৰবীন চৌধুৰী, ৰতন চন্দ্ৰ ভট্টাচাৰ্য, সুশীল কুমাৰ ৰায়, সন্তোষ কুমাৰ মিশ্ৰ, ডঃ দণ্ডধৰ শৰ্মা, যশোৱন্ত ৰায় আৰু ধননজ্যোতি বৰ্মনৰ উপদেশ, সহায় আৰু শ্ৰমৰ অবিহনে স্মৃতিগ্ৰন্থখনি সময়মতে উলিওৱাত বৰ কষ্ট হ'লহেঁতেন। তেখেতসকললৈ এই ছেগতে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। স্মৃতিগ্ৰন্থখনিৰ লগত সংলগ্ন বিভিন্ন কামত মোৰ অনুৰোধ ৰক্ষা কৰি সহায় কৰা বাবে মই উপাধ্যক্ষ এ. এচ. আৰ. আহমেদ, প্ৰৱক্তাদ্বয় সুভাষ বৰ্মন আৰু জয়ন্ত ব্ৰহ্মলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জনালোঁ। মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰবক্তা জোৎস্না দাসে কেইবাটাও প্ৰবন্ধৰ Proof reading কৰি সম্পাদনা সমিতিৰ সদস্যসকলৰ বহু কষ্ট লাঘৱ কৰিছে। তেখেতলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। শেষত অভিনৱ প্ৰিন্টাৰ্চৰ পংকজ আৰু প্ৰদীপ বৰমুদৈলৈ সম্পাদনা সমিতিৰ তৰফৰ পৰা অলেখ শলাগ জ্ঞাপন কৰিলো।

স্মৃতিগ্ৰন্থৰ কেইটামান প্ৰৱন্ধৰ প্ৰাসঙ্গিকতা থকা বাবে পুনৰ মুদ্ৰণ কৰা হৈছে। এই ক্ষেত্ৰত ° সুৰেন্দ্ৰ মোহন দাসৰ প্ৰবন্ধটোৰ কথা বিশেষভাৱে উনুকিয়াব পাৰি। প্ৰায় ৮০ বছৰ আগতে লিখা এই প্ৰবন্ধটো পুৰণি গোৱালপাৰাৰ দলিল বুলিব পাৰি।

ভুল নাৰাখিবলৈ পাৰ্যমানে চেষ্টা কৰা হৈছে যদিও স্মৃতিগ্ৰন্থত কিছু ভুল থাকি যোৱাটো স্বাভাৱিক। অনভিপ্ৰেত এই ভুল-ভ্ৰান্তিবোৰৰ বাবে সম্পাদনা সমিতিৰ হৈ মই ক্ষমা বিচাৰিলো। শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বদিশত উত্তৰোত্তৰ উন্নতি কামনা কৰি সকলোলৈ পুনৰ আন্তৰিক ধন্যবাদ জনাই সামৰিলো।

সম্পাদনা সমিতিৰ টোকা

গোৱালপাৰা মহাবিদ্যালয়ৰ আঢ়ৈ কুৰি বছৰ পুৰ্তিৰ পৰিপ্ৰেক্ষিতত সোণালী জয়ন্তী উৎসৱ বৰ্ষজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হৈছে। ১৯৫৫ খৃষ্টাব্দত এই মহান অনুষ্ঠানটি ভূমিষ্ঠ হৈ নানা পৰিৱৰ্ত্তন, পৰিবৰ্দ্ধনৰ মাজেদি আহি সাম্প্ৰতিক অৱস্থা পাইছেহি। সকলো সৎ অনুষ্ঠানৰ সৃষ্টিত অনেকজনৰ ত্যাগ, পৰিশ্ৰম, ভৱিষ্যৎ আশা আৰু দায়বদ্ধতা নিহিত হৈ থাকে। গোৱালপাৰা চহৰ পুৱণি আৰু তদানীন্তন গোৱালপাৰা জিলাৰ মহকুমাৰ সদৰ হোৱা স্বত্বেও একমাত্ৰ পৃথিৱীম চৰকাৰী ল'ৰাৰ হাইস্কুলৰ বাহিৰে আন কোনো উচ্চ শিক্ষানুষ্ঠান নাছিল। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত এই অঞ্চলৰ ছাত্ৰ সকলে বিভিন্ন স্থানত উচ্চ শিক্ষা লাভ কৰিবলগীয়া হৈছিল। স্ত্ৰী শিক্ষাৰ বিশেষ ব্যৱস্থা প্ৰায় নাছিলেই। স্বাধীনোত্তৰ কালত অসমৰ বিভিন্ন চহৰ, উন্নত গাওঁ সমূহত উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি নতুন নতুন মহাবিদ্যালয় স্থাপনৰ প্ৰৱনতা আৰম্ভ হয়। তদানীন্তন গোৱালপাৰা সমষ্টিৰ বিধায়ক প্ৰবীন কংগ্ৰেছ নেতা খগেন্দ্ৰ নাথ নাথ ডাঙৰীয়াৰ নেতৃত্বত এই মহাবিদ্যালয়খনি জন্ম লাভ কৰে। কটন কলেজৰ বসায়ন বিভাগৰ প্ৰাক্তন অধ্যাপক আৰু প্ৰবীন আইনজীৱি ওৱাজুদ্দিন আহমেদ ডাঙৰীয়াক প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে মকৰল কৰা হয়। প্ৰথম অৱস্থাত নৈশ শ্ৰেণীতহে ছাত্ৰ ভৰ্তি কৰা হৈছিল। মহাবিদ্যালয়ৰ স্থায়ী গৃহ নিৰ্মাণ নোহোৱাত স্থানীয় মাদ্ৰাছা আৰু গৱৰ্ণমেণ্ট স্কুলত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। প্ৰথম অৱস্থাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই সীমিত আছিল। বিভিন্ন চাকৰীজীৱি সকলেহে মহাবিদ্যালয়ত ভৰ্তি হৈছিল। মহীউদ্দিন শেখ (কাল্‌থা বুঢ়া) নামৰ মানুহ এজনে ভোগ-দখল কৰি থকা শ্যাম সুন্দৰ সত্ৰৰ মাটি প্ৰায় বাৰন্ন বিঘা অধিগ্ৰহণ কৰি মহাবিদ্যালয়ৰ স্থায়ী ভৱন নিৰ্মাণ কৰা হয়। মহাবিদ্যালয়ত প্ৰথমতে কলা শাখাহে প্ৰৱৰ্তন কৰা হৈছিল। ১৯৬৫-৬৬ খৃঃ ৰ পৰাহে বিজ্ঞান শাখা প্ৰৱৰ্তন কৰা হয়।

শৈক্ষিক দিশত মহাবিদ্যালয়খনিয়ে এক বিশেষ ভূমিকা লৈ আহিছে। বিভিন্ন বিষয়ৰ সন্মান/প্ৰধান আদি শ্ৰেণী প্ৰৱৰ্তনৰ ফলত অনেক মেধাবী ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয় পৰ্যায়ত সুনাম অৰ্জন কৰি মহাবিদ্যালয় খনিলৈ গৌৰৱ কঢ়িয়াই আনিছে। অকল পাঠ্যক্ৰমৰ মাজতে আৱদ্ধ নাথাকি সাহিত্য-সংস্কৃতিৰ চিন্তা চৰ্চাও মহাবিদ্যালয়ত হৈ আছে। শিক্ষাৰ্থী সকলৰ বাৰ্ষিক আলোচনীৰ পাততে অনেক কেইজন ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ অ-আ, ক-খ আৰম্ভ হয় আৰু বহুকেইজন কবি-সাহিত্যিকে অসমীয়া সাহিত্যৰ বিভিন্ন দিশত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। স্বনামধন্য সঙ্গীত শিল্পী শ্ৰীমতী বাণু দাস বৈশ্য আৰু শ্ৰী জিতেন ডেকা এইখন মহাবিদ্যালয়ৰে প্ৰাক্তন শিক্ষাৰ্থী। সেই তাহানিৰ পৰা আজিলৈ গুৱাহাটী বিশ্ববিদ্যালয় সপ্তাহত যোগদান কৰি এই অনুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী সকলে সঙ্গীত-নাটক-চিত্ৰকলা আদিত পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে। পঞ্চাশ বছৰৰ দীঘলীয়া ইতিহাসৰ সকলোবোৰ কৃতি ছাত্ৰ-ছাত্ৰীৰ অৰ্হতাৰ তালিকা দাঙি ধৰা কঠিন। থোৱতে মাথো এইখিনিৰে মোখনি মাৰিব পাৰি যে শিক্ষা-সাহিত্য-সংস্কৃতি-ক্ৰীড়া-ৰাজনীতি আদি বিভিন্ন দিশত গোৱালপাৰা মহাবিদ্যালয়ৰ এক বিশেষ স্থান আছে।

গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ সকলৰ বিষয় দু'যাৰ নেলেখিলে এই সম্পাদকীয় অসম্পূৰ্ণ হৈ ৰ'ব। প্ৰতিষ্ঠাপক অধ্যক্ষ ওৱাজুদ্দিন আহমেদৰ কাৰ্যকাল আছিল তেনেই সীমিত। তেখেতৰ পিচত শ্ৰী অমল ৰায় মহাবিদ্যালয়খনিৰ অধ্যক্ষ হিচাপে নিয়োজিত হয়। ইংৰাজী সাহিত্যৰ ছাত্ৰ হিচাপে আৰু সুদক্ষ প্ৰশাসক হিচাপে অনুষ্ঠানৰ উৎকৰ্ষ সাধনত তেখেতৰ অৱদান স্মৰণযোগ্য। তেখেতৰ পৰৱৰ্তী অধ্যক্ষ ডঃ মহেন্দ্ৰ ৰবা। স্বনামধন্য কবি-সাহিত্যিক, সমালোচক, গৱেষক ৰবাদেৱে সুদীৰ্ঘ এযুগৰো অধিক কাল অধ্যক্ষতা কৰি মহাবিদ্যালয়ৰ সাম্প্ৰতিক ভৱনৰ একাংশ নিৰ্মাণ, বিজ্ঞান শাখাৰ প্ৰৱৰ্তন, বিভিন্ন কলা শাখাত সন্মান শ্ৰেণী আৰম্ভণ, সৰ্বতোপৰি বৌদ্ধিক বাতাবৰণ সৃষ্টিয়ে ৰবা দেৱ মহাবিদ্যালয় ইতিহাসৰ অন্যতম নায়ক হিচাপে স্বীকৃত হৈ থাকিব। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ সফলতা, তেখেতৰ দিনতে আৰম্ভ হয়। ৰবাদেৱৰ উত্তৰ সুৰী ড° বীৰেন্দ্ৰ নাথ দত্ত এগৰাকী সুদক্ষ প্ৰশাসক হোৱাৰ উপৰিও নিয়মানুবৰ্তিতা, অধ্যয়নশীলতা, লোক সংস্কৃতিৰ বিদগ্ধ পাণ্ডিত্য আদি অনেক সজগুণৰ অধিকাৰী আছিল। তেখেতৰ তত্বাৱধানতে দুগৰাকী অধ্যাপকে লোক সংস্কৃতি বিষয়ক গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। ড° প্ৰবীন শৰ্মাৰ অধ্যক্ষ হিচাপে কাৰ্যকাল তাকৰীয়া হ'লেও তেখেতৰ নেতৃত্বত মহাবিদ্যালয়ৰ গৃহৰ সম্প্ৰসাৰণ ঘটে। শ্ৰীখগেন্দ্ৰ প্ৰসাদ ডেকা প্ৰায় তেৰ বছৰ কাল অধ্যক্ষতা সুকলমে কৰে। ড° সুৰেন্দ্ৰ নাথ শৰ্মাই গতানুগতিকতাৰে মহাবিদ্যালয়ত অধ্যক্ষতা কৰে। প্ৰয়াত লুৎফুৰ ৰহমানে উপাধ্যক্ষ হিচাপে সুদীৰ্ঘকাল সেৱা আগবঢ়ায়।

মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ অক্ষুন্ন ৰখাত অধ্যাপক-অধ্যাপিকা সকলৰ ভূমিকাও প্ৰনিধান যোগ্য। ইংৰাজীৰ অধ্যাপক এ, ডি, ৰাম্মায়া আৰু এচ, ডি, আপ্পায়াৰ কথা পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মুখে-মুখে। বুৰঞ্জী, অসমীয়া, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, ভূগোল, গণিত আদিৰ বিষয় শিক্ষক সকলো একো একোজন অভিজ্ঞ অধ্যয়ণশীল শিক্ষক। সেইদৰে বিজ্ঞান শাখাতো শিক্ষক সকলৰ শিক্ষানুষ্ঠানৰ প্ৰতি অৱদান প্ৰশংসাযোগ্য। আধুনিক বিজ্ঞানৰ গতিশীলতাৰ সতে শিক্ষক সকল পৰিচিত হোৱা বাবে ছাত্ৰ-ছাত্ৰীৰ অনুসন্ধিৎসা নিৰসনৰ বাবে উপযুক্ততা অৰ্জন কৰা দেখা যায়। ইতিমধ্যে ডক্টৰেট ডিগ্ৰী লাভ কৰা আৰু বৰ্তমান গৱেষণা কাৰ্য চলাই থকা কেবাজনো বিজ্ঞান আৰু কলা শাখাৰ শিক্ষক মহাবিদ্যালয়ত আছে।

গোৱালপাৰা মহাবিদ্যালয়ৰ শিক্ষক সকলৰ সামাজিক দায়বদ্ধতা উলাই কৰিব নোৱাৰি। পৰিবৰ্তন কামী সমাজত শিক্ষকৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। ৰাজনৈতিক সচেতনতা নিৰক্ষৰ জনগণৰ মাজত আনিব লাগিলে শিক্ষিত চামৰ সক্ৰিয়তা নিতান্ত প্ৰয়োজন। সেয়ে বিভিন্ন ৰাজনৈতিক মতাদৰ্শৰ কেবাজনো শিক্ষকে মন্ত্ৰী/বিধায়ক পৰ্যন্ত হ'বলৈ সক্ষম হৈছে। প্ৰায় আৰম্ভনীৰ পৰা গোৱালপাৰা মহাবিদ্যালয়ৰ শিক্ষক গোটৰ পৰা কেবাজনো শিক্ষকে মাতৃ অনুষ্ঠান অসম কলেজ শিক্ষক সংস্থাৰ কাৰ্যনিৰ্বাহক সদস্য পদ অলঙ্কৃত কৰাৰ উপৰিও প্ৰায়াত্ত মাখন শালৈ দেৱে মাতৃ অনুষ্ঠানটিৰ সাধাৰণ সম্পাদক আৰু সভাপতিৰ পদত অধিষ্ঠিত হৈ দক্ষতাৰে সংস্থাক সেৱা আগবঢ়ায়। মহাবিদ্যালয়ৰ আন এজন প্ৰবক্তা দেৱান জয়নাল আবেদিনো সংস্থাৰ সভাপতিৰ পদ অলঙ্কৃত কৰিছিল।

বৰ্তমান প্ৰায় আশীজন শিক্ষক-শিক্ষয়িত্ৰী মহাবিদ্যালয়খনত কৰ্মৰত অৱস্থাত আছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও প্ৰায় দুই হেজাৰ। আন্তঃ গাঠনিও যথেষ্ট উন্নত। বাহ্যিক আৰু আভ্যন্তৰীণ উৎকৰ্ষৰ বাবে নাকৰ পৰা 'বি+' গ্ৰেডৰ অৰ্হতা লাভ কৰিছে। বিজ্ঞান প্ৰযুক্তিৰ অভাৱনীয় সাফল্যৰ লগত ৰজিতা খুৱাই নতুন বিষয় প্ৰৱৰ্তন কৰিব পাৰিলে এই পিচপৰা জিলাখনৰ ছাত্ৰ-ছাত্ৰীৰ মহৎ উপকাৰ সাধন হ'ব।

সময়ৰ জোখেৰে কোনো এক অনুষ্ঠান-প্ৰতিষ্ঠানৰ মূল্যায়ণ কৰা নহয়। প্ৰকৃত মূল্যায়ণ হয় উৎকৰ্ষতাৰ ভিত্তিতহে। গোৱালপাৰা মহাবিদ্যালয়ে পঞ্চাশ বছৰ অতিক্ৰম কৰিলে যদিও যুগৰ লগত খোজ মিলাই আগবাঢ়িবলৈ বহুত কিবা-কিবিৰ এতিয়াও প্ৰয়োজন। এই প্ৰয়োজন পূৰাব পাৰি ছাত্ৰ-শিক্ষক-সমাজৰ সমন্বিত প্ৰচেষ্টাৰ দ্বাৰাহে। আজিৰ ক্ৰমক্ষয়মান সমাজক শুদ্ধ পথৰ সন্ধান এনে উচ্চ অনুষ্ঠানেহে দিব পাৰে। শিক্ষাৰ মূল উদ্দেশ্য হৈছে সকলো বন্ধন তুচ্ছতাৰ পৰা মুক্তি - "সা বিদ্যা যা বিমুক্তিয়ে"। অনাগত দিনবোৰত গোৱালপাৰা মহাবিদ্যালয়ে পূৰ্বৰ সুনাম অক্ষুন্ন ৰাখি সমস্ত জিলাখনৰ অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে লুইতৰ পাৰ জিলিকাই ৰাখিব বুলি আশা কৰিলোঁ। সদৌ শেষত প্ৰাৰ্থনা - সৰ্ব দিশৰ পৰা সকলো শুভ চিন্তা একত্ৰিত হৈ এই শুভ বৰ্ষৰ শুভ ক্ষণত থিতাপি লওঁকহি -

"আনো ভদ্ৰাঃ কতবো যন্তু বিশ্বতঃ"। ■

From the Principal's desk ....

A Report

Till the Independence and a few years after Assam had only a handful of Colleges. There was not a single college in the southern bank of the Brahmaputra from Mankachar to the eastern part of Kamrup (a stretch of about 300 Km) and the adjoining Garo Hills in the colonial period. Although B.N.College had been established in 1946 at Dhubri in the northern Bank, it was also not accessible to the majority of the aspirants of higher education for obvious communication bottleneck and other economic reasons. Although Goalpara has the distinction of being the State's second municipal board (established in 1878) and was the district headquarter until 1879, it lacked facility of collegiate education.

At the initiative of a few far-sighted personalities of the locality, a public meeting was held on 2nd April, 1955 with Late Mojibar Rahman (a leading businessman of the town) in the chair where late Khagendra Nath Nath, the then local MLA proposed for opening a college at Goalpara Town. Dr. Mehdi Ali, Wazuddin Ahmed, Khirod Mohan Sen, Dr. Annada Charan Das. S. N. Sengupta, Dhiraj Mohan Das, Deben Kachari were among others present. This meeting while resolving to start a college named **GOALPARA COLLEGE** from the next academic session constituted a 36-member **Fund Raising Committee** with Khagendra Nath Nath as the president, Wazuddin Ahmed as the secretary and Mojibar Rahman as the treasurer. People from all walks of life, by and large, responded to the call of this committee for necessary initial help and cooperation.

The new college started functioning initially from P R Govt H S & M P School on August 8,1955 through a public meeting presided over by Bishnuram Medhi, the then Chief Minister of Assam. On Sept.1, 1955 Wazuddin Ahmed joined Goalpara College as the founder Principal.

In the first year, 83 students got admitted in I. A. class, of whom 9 were girl students. The founder teachers were Wazuddin Ahmed, Mohini Mohan Saikia, Syed A Wahid, J Das and S Roy Choudhury.

Foundation stone of the college building at the present site was laid on Oct. 4, 1957 by Hareswar Das, the then Revenue Minister of Assam. It has a compound of approximately 52 bighas of land in the heart of the town which was earlier in the name of Sri Sri Shyam Sunder Bigraha. We express our gratitude to a benevolent donor Md. Easin Ali Molla of Sutarpara, Habraghat who donated nearly 30 bighas of land to Goalpara College in 1959 and the said outstation land was disposed off later on by the college authority.

Admission of students for B.A. class was started in 1958, although permission for the same from Gauhati University was obtained in the next year. Science stream was opened in the college during the dynamic principal-ship of Dr. Mahendra Bora. Mention may be made that Arts steam of the college was brought under deficit grants-in aid system in 1962 while that for the science section came in 1974. We also recollect the

selfless dedication of the erstwhile G.B. members late Dinendra Narayan Sinha, late Lutfur Rahman and Sri Binoy Krishna Ghose and young enthusiastic social worker late Shisir Kumar Medhi as well as late Shahadat Ali Jodder, the then local MLA who met with a tragic motor accident in 1972 while returning from Shillong after impressing upon the C.M of Assam for the welfare of the college.

During the last five decades, the college made the foundation of a good number of doctors, engineers, academicians, artists, lawyers, politicians, businessmen and dignitaries in other walks of life who are rendering their services throughout India and abroad. It is a pleasant experience for us and good fortune for the Goalparians to note that eminent personalities like Dr Mahendra Bora and Dr. Birendra Nath Dutta, both of whom were elected president of the prestigious Asom Sahitya Sabha once stewarded this college as principal and left their marks. We fondly acknowledge the sacrifices of our teachers and employees who rendered their dedicated services for a meagre amount of salary in those days. We cannot imagine today that the honorarium of the founder principal was Rs. 100.00 only per month. The teachers and employees, in those incipient days, went door to door with other well-wishers for collecting contributions to meet the minimum need of the nascent college. Our gratitude also goes to those generous people of this region who never lagged behind in extending financial help and support to the college since its inception to see their dreams translated into reality.

Present position of the college :

The college has two faculties (Science & Arts) in degree level having 18 departments and two vocational subjects in addition to the other subjects. The Higher Secondary section in Arts & Science is the additional burden for the college. It has two shifts in Arts faculty both in H.S & Degree courses. There are Major Courses in 15 departments and each department has its own departmental room with separate library facility and audio-visual facilities. The college has facility for doing Post Graduate Courses through PGCS (Post Graduate Correspondence School) centre of Gauhati University.

We have about 2000 students in the college roll including H.S. section and 117 number of employees (77 teachers) are engaged in the management of academic affairs of the college. The well-qualified teachers have sincerely devoted themselves to the academic upliftment of the students and some teachers are associated with the university works as member in different committees. Dedicated efforts of these teachers make it possible to maintain a good academic standard of the college. Our students pursuing P.G. have received Gold Medals from different universities. Some are carrying out active research in different prestigious institutions. Some are serving as teachers in Universities.

There is a provision for helping poor students through BOOK BANK and STUDENTS' AID FUND. On the other hand meritorious students are given free studentship from the college in addition to the Govt scholarships. Our teachers' association is also extending Cash Awards to the best graduates every year.

The college has 6 big buildings of Assam Type having 65 number of rooms for classes and administrative works. Extension of buildings is also in progress for three more rooms including one room from the benevolent donor Mr. Abdur Rahim. The college maintains two well-furnished hostels with requisite facilities. One building is used for Canteen and the other is used as residence of the Principal. There are two rooms for NCC, NSS and Scouts & Guides. We have another provision for Health Care for the college community in two other separate rooms. Construction of stage, part of a modern Auditorium has been recently completed with financial assistance from Dr. Arun Sarma, the Rajya Shabha M.P. Recently, the major part of the Boundary Wall of the college land of 52 bighas is completed with the financial assistance of Assam Govt. under Buniad Scheme. We are hopefully

শ্রদ্ধাঞ্জলী

জননেতা

খগেন্দ্র নাথ নাথ

১৯৫৫ চনত গোৱালপাৰা মহাবিদ্যালয় প্রতিষ্ঠা কৰাত যি কেইজন ব্যক্তিৰ আশাসুধীয়া প্রচেষ্টা জড়িত আছিল, সেইসকলৰ ভিতৰত এজন অন্যতম আছিল বিধায়ক খগেন্দ্র নাথ নাথ। স্বর্গীয় নাথৰ জন্ম হৈছিল ১৯০৪ চনৰ ৪ চেপ্তেম্বৰ তাৰিখে। দেউতাক আছিল লোক নাথ নাথ আৰু মাক কঠবালা দেৱী। স্বাধীনতা সংগ্রামত নেতৃত্ব দিয়া খগেন্দ্র নাথ ছাত্রৱস্থাতে আন্দোলনত জপিয়াই পৰিছিল। ১৯২১ চনত গান্ধীজীৰ অহিংস অসহযোগ আন্দালনৰ প্রতি সঁহাৰি জনাই মেধাবী ছাত্র খগেন্দ্রই পি. আৰ. চৰকাৰী হাইস্কুলৰ পৰা পঢ়া এৰি দি ধর্মঘটত যোগ দিছিল। এই ক্ষেত্রত কলিকতাৰ ল' কলেজৰ পৰা পঢ়া বাদ দি আহি আন্দোলনৰ নেতৃত্ব দিয়া ঁ যোগেন্দ্র নাথে তেখেতক প্রভাবান্বিত কৰিছিল। ঁখগেন্দ্র নাথে গোৱালপাৰা 'তৰুণ সংঘ' প্রতিষ্ঠা কৰিছিল। এই তৰুন সংঘত ব্যায়াম, লাঠিখেল, ঘোঁৰা চলোৱা আদি প্রশিক্ষণ দিয়া হৈছিল। ১৯৩২ চনৰ আইন অমান্য আন্দোলনতো খগেন্দ্র নাথে গোৱালপাৰাত নেতৃত্ব বহন কৰি কাৰাবৰণ কৰিবলগীয়া হৈছিল। ১৯৩৭ চনত তেখেতৰ হেঁচাতে জৱাহৰলাল নেহৰুয়ে গোৱালপাৰাত পদার্পন কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ সময়তো ঁ নাথে গোৱালপাৰাত 'শান্তি সেনা' গঠন কৰি যুদ্ধ ভগনীয়াবোৰক সেৱা কৰিছিল। যুদ্ধৰ বিভিষীকাৰ মাজতে ১৯৪২ চনত আৰম্ভ হয় বিখ্যাত ভাৰত ত্যাগ আন্দোলন। খগেন্দ্র নাথে সেই সময়চোৱাত আত্মগোপন কৰি আন্দোলনৰ নেতৃত্ব দিছিল যদিও তেওঁক গ্রেপ্তাৰ কৰি চৰকাৰে কাৰাদণ্ড বিহিছিল। ১৯৪৫ চনত তেখেতৰ প্রচেষ্টাতেই মহাত্মা গান্ধী গোৱালপাৰালৈ আহিছিল আৰু বিৰাট জনসভাক সম্বোধন কৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ প্রথম স্বাধীনতা দিৱসৰ ত্রিৰঙ্গ পতাকা ঁখগেন্দ্র নাথ ডাঙৰীয়াই চৰকাৰী পি. আৰ. চৰকাৰী হাইস্কুলৰ খেলপথাৰত উত্তোলন কৰিছিল। ইতিমধ্যে গোৱালপাৰাৰ প্রিয় নেতা যোগেন্দ্র নাথৰ দেহ ৱসান হোৱা বাবে কংগ্রেছৰ সকলো দায়িত্ব খগেন্দ্র নাথৰ ওপৰতেই পৰিছিল। তেখেত সুদীর্ঘ কাল গোৱালপাৰা কংগ্রেছৰ সভাপতি হৈ আছিল। তেখেতৰ কাপৰ পৰা ওলোৱা 'স্বাধীনত সংগ্রামত গোৱালপাৰাৰ অৱদান' এখন অমূল্য ইতিহাস আৰু পুথিখনে দেশপ্রেম আৰু ব্যক্তিত্বৰ বিশালতা উদ্ভাষিত কৰিছে।

শ্ৰদ্ধাঞ্জলী

জননেতা
খগেন্দ্ৰ নাথ নাথ

১৯৫৫ চনত গোৱালপাৰা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত যি কেইজন ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টা জড়িত আছিল, সেইসকলৰ ভিতৰত এজন অন্যতম আছিল বিধায়ক খগেন্দ্ৰ নাথ নাথ। স্বৰ্গীয় নাথৰ জন্ম হৈছিল ১৯০৪ চনৰ ৪ চেপ্তেম্বৰ তাৰিখে। দেউতাক আছিল লোক নাথ নাথ আৰু মাক কঠবালা দেৱী। স্বাধীনতা সংগ্ৰামত নেতৃত্ব দিয়া খগেন্দ্ৰ নাথ ছাত্ৰৱস্থাতে আন্দোলনত জপিয়াই পৰিছিল। ১৯২১ চনত গান্ধীজীৰ অহিংস অসহযোগ আন্দালনৰ প্ৰতি সঁহাৰি জনাই মেধাবী ছাত্ৰ খগেন্দ্ৰই পি. আৰ. চৰকাৰী হাইস্কুলৰ পৰা পঢ়া এৰি দি ধৰ্মঘটত যোগ দিছিল। এই ক্ষেত্ৰত কলিকতাৰ ল' কলেজৰ পৰা পঢ়া বাদ দি আহি আন্দোলনৰ নেতৃত্ব দিয়া ঁ যোগেন্দ্ৰ নাথে তেখেতক প্ৰভাবান্বিত কৰিছিল। ঁখগেন্দ্ৰ নাথে গোৱালপাৰা 'তৰুণ সংঘ' প্ৰতিষ্ঠা কৰিছিল। এই তৰুন সংঘত ব্যায়াম, লাঠিখেল, ঘোঁৰা চলোৱা আদি প্ৰশিক্ষণ দিয়া হৈছিল। ১৯৩২ চনৰ আইন অমান্য আন্দোলনতো খগেন্দ্ৰ নাথে গোৱালপাৰাত নেতৃত্ব বহন কৰি কাৰাবৰণ কৰিবলগীয়া হৈছিল। ১৯৩৭ চনত তেখেতৰ হেঁচাতে জৱাহৰলাল নেহৰুয়ে গোৱালপাৰাত পদার্পন কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ সময়তো ঁ নাথে গোৱালপাৰাত 'শান্তি সেনা' গঠন কৰি যুদ্ধ ভগনীয়াবোৰক সেৱা কৰিছিল। যুদ্ধৰ বিভিষীকাৰ মাজতে ১৯৪২ চনত আৰম্ভ হয় বিখ্যাত ভাৰত ত্যাগ আন্দোলন। খগেন্দ্ৰ নাথে সেই সময়চোৱাত আত্মগোপন কৰি আন্দোলনৰ নেতৃত্ব দিছিল যদিও তেওঁক গ্ৰেপ্তাৰ কৰি চৰকাৰে কাৰাদণ্ড বিহিছিল। ১৯৪৫ চনত তেখেতৰ প্ৰচেষ্টাতেই মহাত্মা গান্ধী গোৱালপাৰালৈ আহিছিল আৰু বিৰাট জনসভাক সম্বোধন কৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ প্ৰথম স্বাধীনতা দিৱসৰ ত্ৰিৰঙ্গ পতাকা ঁখগেন্দ্ৰ নাথ ডাঙৰীয়াই চৰকাৰী পি. আৰ. চৰকাৰী হাইস্কুলৰ খেলপথাৰত উত্তোলন কৰিছিল। ইতিমধ্যে গোৱালপাৰাৰ প্ৰিয় নেতা যোগেন্দ্ৰ নাথৰ দেহ ৱসান হোৱা বাবে কংগ্ৰেছৰ সকলো দায়িত্ব খগেন্দ্ৰ নাথৰ ওপৰতেই পৰিছিল। তেখেত সুদীৰ্ঘ কাল গোৱালপাৰা কংগ্ৰেছৰ সভাপতি হৈ আছিল। তেখেতৰ কাপৰ পৰা ওলোৱা 'স্বাধীনতা সংগ্ৰামত গোৱালপাৰাৰ অৱদান' এখন অমূল্য ইতিহাস আৰু পুথিখনে দেশপ্ৰেম আৰু ব্যক্তিত্বৰ বিশালতা উদ্ভাষিত কৰিছে।

খগেন্দ্র নাথে ১৯৫১ চনত অনুষ্ঠিত স্বাধীন ভাৰতৰ প্ৰথম গণতান্ত্রিক নিৰ্বাচনত গোৱালপাৰাৰ পৰা বিধায়ক হিচাবে নিৰ্বাচিত হৈছিল। ১৯৫৬ আৰু ১৯৬২ চনতো তেখেত অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। বিধানসভাত তেখেত সৎ সাহসী আৰু দায়িত্ব নিষ্ঠাৰ বাবে সকলোৰে প্ৰিয় হ'ব পাৰিছিল। শিক্ষানুৰাগী নাথে নিজে বৰ বেছি আনুষ্ঠানিক শিক্ষা নল'লেও শিক্ষাৰ প্ৰসাৰৰ বাবে গাৱেঁ ভূঞে অলেখ স্কুল স্থাপন কৰিছিল। ১৯৫৫ চনৰ ২ এপ্ৰিল তাৰিখে যেতিয়া গোৱালপাৰাত এখনি মহাবিদ্যালয় স্থাপনৰ বাবে ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল, তাত বিধায়ক নাথে মহকুমাটোত তেতিয়ালৈকে এখনো মহাবিদ্যালয় নথকা কথাটোত আক্ষেপ কৰিছিল। সেই সভাতেই তেখেতক সভাপতি আৰু ওৰাজুদ্দিন আহমেদক সম্পাদক হিচাবে লৈ এখনি মহাবিদ্যালয় সমিতি গঠন কৰা হৈছিল। পিছলৈ একে বছৰতে আৰম্ভ হোৱা মহাবিদ্যালয়খনিৰ পৰিচালনা সমিতিৰ সভাপতিও হৈছিল বিধায়ক নাথ ডাঙৰীয়া। একমাত্ৰ তেখেতৰ অনুৰোধতেই সেই সময়ৰ মুখ্যমন্ত্রী বিষ্ণুৰাম মেধি ডাঙৰীয়া ১৯৫৫ চনৰ ৮ আগষ্ট তাৰিখে মহাবিদ্যালয় প্ৰতিষ্ঠাৰ মূহুৰ্ত্তত উপস্থিত আছিল।

একেৰাহে বহুবছৰ ধৰি সভাপতিৰ দায়িত্ব বহন কৰা খগেন্দ্র নাথ ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত মহাবিদ্যালয়খনে ক্ষীপ্র গতিৰে আগবাঢ়িছিল। ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত নাথে নিৰ্দলীয় প্রার্থী শ্রী বিনয় কৃষ্ণ ঘোষৰ হাতত পৰাজিত হৈছিল। নিৰ্বাচনত পৰাজিত হ'লেও খগেন্দ্র নাথ কিন্তু ৰাজহুৱা কাম-কাজত পিছপৰি যোৱা নাছিল। বৰং পার্টি আৰু ৰাইজৰ কামত অধিক মনোনিবেশহে কৰিছিল। কিন্তু কিছুদিন পিছতে দুৰাৰোগ্য ককর্ট ৰোগত তেওঁ আক্রান্ত হয়। মূখ্যমন্ত্রী মহেন্দ্র মোহন চৌধুৰীৰ পৰামর্শমতে বোম্বেত চিকিৎসা কৰি কিছু আৰোগ্য পাইছিল যদিও গোৱালপাৰালৈ ঘূৰি অহাৰ পিছত, ৰোগে পুনৰ উক দিয়ে আৰু শেহত ১৯৭২ চনৰ ৯ জানুৱাৰী তাৰিখে সকলোকে কন্দুৱাই চিৰকুমাৰ খগেন্দ্র নাথ নাথে ইহলীলা সম্বৰণ কৰে। আজি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহত এই জনা মহান দেশপ্রেমিক, শিক্ষানুৰাগী তথা সমাজসেৱীৰ কথা আমি শ্রদ্ধাৰে স্মৰণ কৰিছো। তেখেত আমাৰ মনত চিৰস্মৰণীয় হৈ ৰ'ব।■

Members of the first Governing Body of Goalpara College formed on 16th august 1955:

1.	Sri khagendra Nath Nath, MLA	- President
2.	Md Wazzuddin Ahmed	- Principal/ Secretary
3.	Sri Hakim Chandra Rabha, MLA	- Member
4.	Sri Manikanta Das	- Mamber
5.	Sri Charu Mohan Das	- Member
6.	Sri Rajani Kanta Das	- Member
7.	Md Mojibor Rahman (Donor)	- Member
8.	Sri Rautmall Bothra (Donor)	- Member
9.	Sri B N Choudhury - Member	
10.	Md Mohiuddin Ahmed (Guardian)	- Member
11.	S.D.M.O. Goalpara	- Member
12.	Executive Engineer (PWD)	- Member
13.	S.D.O. (Civil)	- Member

A Message

Prof. Amal Ch. Roy, Kolkata
Former Principal,
Goalpara College

I am extremely happy to learn that Goalpara College, Assam, is going to celebrate its Golden Jubilee very shortly.

I have had the privilege of serving this institution as its principal for four years (1957-60) when this institution was passing through its initial stages. There were then only intermediate classes, a small number of students, a handful of teachers and only one member of the non-teaching staff. The college was then housed in a very dilapidated building, probably an abondoned Library Building, by the side of a small pond. Inspite of all the handicaps there was perfect co-operation among members of the Teaching staff themselves, between teachers and students, and the Public as a whole. All sections of people were extending their helping hands in all matters of the college.

During the latter part of my stay there, a new college building was constructed, not very far from the old one and development went on by leaps and bounds. Nubmers of departments was increased enormously, and along with the number of students, teachers and the members of the Non-teaching staff too grew abundantly. Arrangements for various extra-curricular activities were also provided for.

After I left Goalpara College, Professor Mahendra Bora, a well known scholar took the responsibilities of the Principal and in his able hands the college made an all-round development. I was extremely pained when I recently heard about his demise.

I have every reason to hope that the college, with the present principal at the helm of affairs, will move from prosperity to prosperity.

I wish every one concerned with the college, a grand success.■

The more purely intellectual aim of education should be the endeavour to make us see and imagine the world in an objective manner as far as possibleas it really isin itself, and not merely through the distorting medium of personal desires.

- Bertrand Russell

অতীত ৰোমন্থন

খগেন্দ্ৰ প্ৰসাদ ডেকা
প্ৰাক্তন অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয়

১৯৫৫ চনতে প্ৰতিষ্ঠিত গোৱালপাৰা মহাবিদ্যালয়ত যে কেতিয়াবা অধ্যক্ষ হিচাপে কাম কৰিব লাগিব তেনে কথা আগতে কোনোদিন চিন্তা কৰা নাছিলো। মহাবিদ্যালয়খনৰ নামহে শুনিছিলো কিন্তু দেখা নাছিলো। আগতে গোৱালপাৰা চহৰখন দেখাৰ সুবিধা পোৱা নাছিলো। মানুহে আগতে নভবা কামো কেতিয়াবা কৰিব লগা হয়। যিখন ঠাই আগতে দেখা নাছিলো যিখন ঠাইৰ মানুহক ভালদৰে চিনি-জানি নাপাইছিলো সেইখন ঠাইতে প্ৰতিষ্ঠিত গোৱালপাৰা মহাবিদ্যালয়ত ১৯৮৩ চনৰ ১ ডিচেম্বৰ তাৰিখৰ পৰা ১৯৯৬ চনৰ ৩১ মে' তাৰিখলৈকে সুদীৰ্ঘ ১২ বছৰ ৫ মাহকাল অধ্যক্ষ হিচাপে কাম কৰি অৱসৰ গ্ৰহণ কৰিলো। কেতিয়া যে ইমান বছৰ শেষ হ'ল গমকে নাপালো। এতিয়াও গোৱালপাৰাৰ সকলো কথা, গোৱালপাৰা মহাবিদ্যালয়ৰ সকলো ঘটনা মোৰ মানস পটত জিলিকি আছে। সঁচাকৈ গোৱালপাৰাৰ আৰু তাৰ বাসিন্দাসকলৰ এটা আকৰ্ষণীয় গুণ আছে যাৰ বাবে মানুহে সেই ঠাইখন এৰি আহিবলৈ টান পায়।

মই গোৱালপাৰা মহাবিদ্যালয়ত যোগদান কৰাৰ সময়ত মহাবিদ্যালয়খনৰ মাত্ৰ কেইজনমান অধ্যাপককহে সাধাৰণ ভাবে আগৰ পৰা জানিছিলো। তেওঁলোকৰ ভিতৰত অৰ্থনীতিৰ মূৰব্বী অধ্যাপক বন্ধুবৰ প্ৰয়াত মাখন চন্দ্ৰ শালৈক ১৯৫৬ চনৰ পৰাই ভালদৰে জানিছিলো। আমি একেসময়তে একেটা বিষয়তে এম. এ. পঢ়িছিলো। তাৰোপৰি আমি দুয়ো বহু বছৰ আগৰ পৰাই কলেজ শিক্ষক সংস্থাৰ লগত জড়িত আছিলো। যি বছৰ মই অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি আছিলো সেই বছৰ মাখন চন্দ্ৰ শালৈ আছিল সাধাৰণ সম্পাদক। গতিকে দুয়োজনৰ মাজত ঘনিষ্ঠতা আছিল আৰু আমি সকলো কথা মুকলি মনেৰে আলোচনা কৰিছিলো। আন শিক্ষক বন্ধুসসকলৰ ভিতৰত শ্ৰীশিৱ নাথ শৰ্মা, শ্ৰী বীৰেন্দ্ৰ নাথ চৌধুৰী, শ্ৰী উত্তম চন্দ্ৰ শৰ্মা, শ্ৰী ভুপেন্দ্ৰ নাথ পাটগিৰি, শ্ৰী আবেদুৰ ৰহমান শইকীয়া আৰু শ্ৰী অৰুণ চন্দ্ৰ শৰ্মাক অসম কলেজ শিক্ষক সংস্থাৰ জৰিয়তে জানিবলৈ পাইছিলো।

আগতে গোৱালপাৰাৰ কোনো মানুহৰ লগত মোৰ পৰিচয় নাছিল। কেৱল ১৯৮৩ চনৰ অক্টোবৰ মাহত (তাৰিখটো মনত পৰা নাই) অধ্যক্ষ পদৰ বাবে সাক্ষাৎকাৰ দিবলৈ আহি এডভোকেট শ্ৰী গুৰু চৰণ দাস, প্ৰয়াত ডাঃ অন্নদা চৰণ দাস, প্ৰয়াত মেহবুব আলী আদিৰ লগত চা-চিনাকী হৈছিলো। কলেজ পৰিচালনা সমিতিৰ সদস্য হিচাপে তেখেত সকলে মোক যথেষ্ট সহযোগিতা কৰিছিল।

সেই সময়ত গোৱালপাৰাত মই তেনেই নতুন মানুহ আছিলো। তাৰোপৰি অধ্যক্ষৰ বাসগৃহটোৰ চুণ তেল দিয়া কাম সমাপ্ত হোৱা নাছিল। সেইবাবে মই কেইদিনমান বন্ধু মাখন চন্দ্ৰ শালৈৰ ঘৰত অতিথি হ'ব লগাত পৰিছিলো। শালৈৰ পৰিবাৰ শ্ৰীমতী কবিতা শালৈৰ আতিথ্যৰ কথা সদাই মনত থাকিব। শালৈৰ পৰাই গোৱালপাৰাৰ বিষয় কিছু জ্ঞান আয়ত্ব কৰি লৈছিলো। সেই সময়ত গোৱালপাৰা মহাবিদ্যালয়ত মোতকৈ জ্যেষ্ঠ কেইবাজনো অধ্যাপক আছিল। তেওঁলোক আছিল উপাধ্যক্ষ প্ৰয়াত লুটফুৰ ৰহমান, অধ্যাপক প্ৰয়াত মনোজ কুমাৰ চক্ৰৱৰ্ত্তী, অধ্যাপক এ. ভি. ৰামায়া, অধ্যাপক শ্ৰী কিৰণ চন্দ্ৰ চৌধুৰী, অধ্যাপক শ্ৰী ৰোহিত কুমাৰ শৰ্মা, অধ্যাপক শ্ৰী অৰুন চন্দ্ৰ দাস ইত্যাদি। প্ৰথমতে মই এই জ্যেষ্ঠ অধ্যাপক সকলৰ মনোভাব ভালদৰে জনা নাছিলো সেইবাবে মনত সন্দেহ ভাব আছিল জানোচা তেখেতসকলে মোৰ লগত সহযোগিতা নকৰে। মই তাত নতুন হ'লেও সকলোৱে মোৰ লগত মিলি জুলি সহায়ৰ হাত আগ বঢ়োৱা বাবেহে সুদীৰ্ঘ কাল সুখ্যাতিৰে কাম কৰিবলৈ সমৰ্থ হৈছিলো। সকলো ক্ষেত্ৰতে বৰ্তমানৰ অধ্যক্ষ আবুল মাছুমৰ সুচিন্তিত পৰামৰ্শ, অধ্যাপক অৰুণ চন্দ্ৰ শৰ্মা, থানেশ্বৰ শৰ্মা, গোবিন্দ

কলিতা, নন্দ দুলাল অধিকাৰী, উত্তম চন্দ্ৰ শৰ্মা, ৰোহিত কুমাৰ শৰ্মা, মাখন চন্দ্ৰ শালৈ, ৰতন ভট্টাচাৰ্য্য, বীৰেন্দ্ৰ নাথ চৌধুৰী, এ,এছ, আৰ আহমেদ আৰু অন্যান্য সকলৰ সহায় সহযোগিতাৰ কথা পাহৰিব নোৱাৰো। সেইদৰে অফিচৰ কৰ্মচাৰীবৃন্দৰ কৰ্মনিষ্ঠা আৰু সেৱাৰ কথাও সদায় মনত থাকিব। আমি সকলো মিলি একেখন ঘৰৰ নিচিনাকৈ থাকি সকলো কাম কৰিছিলো। সেইবাবে কাম কৰাত কোনো অসুবিধা পোৱা নাছিলো।

মই গোৱালপাৰা মহাবিদ্যালয়ত যোগদান কৰাৰ দুদিনমান পিচত অধ্যাপক শ্ৰীউত্তম চন্দ্ৰ শৰ্মাৰ লগত ফুৰিবলৈ গৈ তেতিয়াৰ এম. এম. শ' মিলৰ স্বত্বাধিকাৰ প্ৰয়াত মহম্মদ হুচেইনৰ ঘৰ পাইছিলো। হুচেইন চাহাবে গোৱালপাৰা মহাবিদ্যালয়লৈ এটি কোঠা দান কৰিছিল। তেখেত তেতিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ দাঁতা সদস্য আছিল। অধ্যাপক শৰ্মাই মোক হুচেইন চাহাবৰ লগত চিনাকী কৰি দিলে তেখেতৰ ঘৰত চাহ-মিঠাই খাই মহাবিদ্যালয়খনৰ বিষয়ে বহুত কথা পাতিলো। ১৯৭৯ চনত সদৌ অসম ছাত্ৰ সস্থাই আৰম্ভ কৰা বিদেশী বহিস্কাৰ আন্দোলনৰ বাবে বহু কাম আধৰুৱা হৈ পৰি আছিল। মহাবিদ্যালয়খনৰ বিজ্ঞানাগাৰৰ বাবে নিৰ্মাণ কৰা দুটা কোঠা আৰু শিক্ষক জিৰণি কোঠা এটা অৰ্ধনিৰ্মিত অৱস্থাত কেইবাবছৰ পৰি থকা বুলি আমাক জনাইছিল। মই অধ্যক্ষৰ দায়িত্বভাৰ লোৱাৰ সময়ত মহাবিদ্যালয়ৰ বিত্ত বৰ পুতৌজনক আছিল। হুচেইন চাহাবৰ আগত আৰ্থিক দুৰৱস্থাৰ বাবে আধৰুৱা কামবোৰ কৰিব পৰা নাই বুলি কোৱাত তেখেতে মোক ২৫ বেগ চিমেন্ট দি সহায় কৰিলে। তাৰ পৰা ঘুৰি আহি বাটতে বক্কৰ নামৰ মানুহ এজনৰ লগত চিনাকী হলো। তেতিয়া তেখেতৰ দুখন ট্ৰাক থকা বুলি জানিবলৈ পাই মই কেইগাড়ীমান ব্ৰহ্মপুত্ৰৰ বালিৰ আৱশ্যকতাৰ কথা কলো। তেখেতে পিচদিনাখনে দুয়োখন ট্ৰাকেৰে কেইবা গাড়ী বালি দিলে কিন্তু কোনো দাম নল'লে। এই সাহায্যৰে কোঠা দুটাৰ নিৰ্মাণ কাৰ্য্য সমাধা কৰা হ'ল।

গোৱালপাৰা মহাবিদ্যালয় পৰিচালনা সমিতিৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতাৰ কথা কেতিয়াও পাহৰিব নোৱাৰো। বিশেষকৈ পৰিচালনা সমিতিৰ সভাপতি হিচাপে গোৱালপাৰা জিলাৰ উপায়ুক্ত সকলৰ সহায়-সহযোগিতাৰ কথা আজিও মোৰ মানস পটত জল্ জ্বল, পট্ পট্‌কৈ জিলিকি আছে। মিঃ এল ৰিঞ্জা, মিঃ নৰ কুমাৰ ভট্টাচাৰ্য্য, মিঃ প্ৰফুল্ল মহন্ত, শ্ৰীমতী স্মিতা চভলোক, মিঃ কৃপাল দাস আৰু মিঃ মুনিষ চন্দ্ৰ জৌহৰী আদিৰ সু-পৰামৰ্শ আৰ সহায় সহযোগিতাৰ কথা অৰণীয় হৈ আছে। বিশেষকৈ মিঃ কৃপাল দাসৰ কথা সদাই মনত থাকিব। মিঃ কৃপাল দাসৰ দিনতে গোৱালপাৰা মহাবিদ্যালয়ৰ সাহায্যাৰ্থে লটাৰী খেল অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো। তেখেতে অতিৰিক্ত উপায়ুক্ত ডঃ অনুপম ৰয় আৰু জিলা জন-সংযোগ বিষয়া শ্ৰী গিৰিন দাস দেৱক লটাৰীৰ টিকট বিক্ৰীৰ কামত লাগিবলৈ এনেদৰে এৰি দিছিল যে আমি অবিভক্ত গোৱালপাৰা জিলাত লটাৰীৰ বহী বিলি কৰা আৰু টিকট বিক্ৰী কৰাত অলপো অসুবিধা পোৱা নাছিলো। এই লটাৰী খেল অনুষ্ঠিত কৰাত উক্ত দুয়ো গৰাকী বিষয়াই যি কষ্ট কৰিছিল সেই কথা মই কেতিয়াও পাহৰিব নোৱাৰো। লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক বন্ধু সকলেও মোক যথেষ্ট সহায় কৰিছিল।

মিঃ কৃপাল দাসৰ দিনতে বঙ্গাইগাওঁৰ বি, আৰ, পি, এলৰ পৰা গোৱালপাৰা কলেজৰ স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰাৰ বাবে আৱশ্যক হোৱা কলেজ ভৱন নিৰ্মাণৰ বাবে তিনি লাখ টকাৰ সাহায্য লাভ কৰিবলৈ সক্ষম হৈছিলো। এই ক্ষেত্ৰত বি, আৰ, পি, এলৰ জন সংযোগ বিষয়া শ্ৰী অমল দাসৰ দিহা পৰামৰ্শ আৰু চেষ্টা আজিও মনত আছে। উক্ত দানৰ সহায়ত বৰ্ত্তমানৰ ছাত্ৰী জিৰণী কোঠা আৰু কাষৰ কোঠাকেইটা নিৰ্মাণ কৰা হৈছিল।

মই গোৱালপাৰা মহাবিদ্যালয়ত যোগদান কৰাৰ সময়ত সুকীয়া শিক্ষক জিৰণী কোঠা, ছাত্ৰী জিৰণী কোঠা বা ছাত্ৰ জিৰণী কোঠা নাছিল, কেৱল ছাত্ৰ সকলৰ বাবে দুটা প্ৰস্ৰাৱখানাহে আছিল। অধ্যক্ষৰ কোঠাত সংলগ্ন এটা পায়খানা আৰু প্ৰস্ৰাৱখানা আছিল। আনকি লেৱেটৰী চৌহদত শৌচ-প্ৰশ্ৰাব কৰাৰ বাবে কোনো সুবিধা নাছিল। এই অসুবিধাবোৰ দেখি মই বৰ আচৰিত হৈছিলো। কাৰণ শিক্ষক-শিক্ষয়িত্ৰী বা ছাত্ৰ-ছাত্ৰীৰ বাবে এইবোৰ সুবিধা অতি আৱশ্যক। এই অসুবিধাবোৰ দূৰ কৰাৰ বাবে মই চিন্তিত হৈ পৰিছিলো আৰু কলেজ ভৱন নিৰ্মাণ কৰাৰ সময়ত এটা এটাকৈ উক্ত অসুবিধাবোৰ দূৰ কৰিছিলো।

মই আগতে উল্লেখ কৰিছো যে আগতে মহাবিদ্যালয়খনৰ আৰ্থিক অৱস্থা বৰ পুতৌজনক আছিল। সেই সময়ত অৰ্থাৎ পঞ্চম আৰু ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত অসমৰ ভালেকেইখন কলেজে বিভিন্ন শিতানত লাখ লাখ টকাৰ অনুদান বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰি কলেজৰ উন্নতি সাধন কৰিছিল। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদান অবিহনে কলেজৰ উন্নয়ন সম্ভৱপৰ নহয়। গোৱালপাৰা মহাবিদ্যালয়ে এই বিষয়ে কি ব্যৱস্থা

লৈছিল সেইটো জানিবলৈ চেষ্টা কৰিছিলো কিন্তু কোনো ফাইল আদি উদ্ধাৰ কৰিব নোৱাৰি এক প্ৰকাৰ হতাশ হৈ পৰিছিলো।

কেইদিনমান পিচতে মহাবিদ্যালয় পৰিচালনা সমিতিৰ এখন সভা আহ্বান কৰি এই বিষয়ে আলোচনা কৰা হ'ল। সভাৰ সিদ্ধান্ত মতে মই আৰু অধ্যাপক মাখন চন্দ্ৰ শালৈ গুৱাহাটী বিশ্ববিদ্যালয়লৈ গৈ সেই সময়ৰ কলেজ উন্নয়ন কাউন্সিলৰ সভাপতি তথা কলেজ সমূহৰ পৰিদৰ্শক শ্ৰী হেমেন্দ্ৰ বৰঠাকুৰক লগ ধৰি সকলো কথা আলোচনা কৰিলো। শ্ৰী বৰঠাকুৰ ডাঙৰীয়াক মই আগৰে পৰা জানিছিলো। তেখেতৰ পৰামৰ্শ মতে মই নতুনকৈ বিশ্ববিদ্যালয় অনুদান আয়োগলৈ দৰ্খাস্ত কৰিলো। কিছুদিন পিচতে আয়োগৰ পৰা সহাঁৰি পালো। সেই পৰিকল্পনা ১৯৮৫ চনৰ ৩১ মাৰ্চত অন্ত পৰিব। তাৰ আগতে মঞ্জুৰ হোৱা বিষয় কেইটা প্ৰয়োগ নকৰিলে অনুদান বন্ধ হ'ব। গতিকে দৌৰাদৌৰিকে দুজন শিক্ষক বন্ধুক- শ্ৰীআবেদুৰ ৰহমান শইকীয়াক গুৱাহাটী বিশ্ববিদ্যালয়লৈ আৰু শ্ৰী ৰতন ভট্টাচাৰ্যক জিৰাজি বিশ্ববিদ্যালয়লৈ এম ফিল অধ্যয়ণৰ বাবে পঠোৱা হ'ল। সময়ৰ অভাব কাৰণে বাকী ৪ টা এম ফিল ব্যৱহাৰ কৰিব নোৱাৰিলে।

১৯৮৪ চনৰ ডিচেম্বৰ মাহত গুৱাহাটী বিশ্ববিদ্যালয়ে মোক এমাহৰ ট্ৰেইনিং ল'বলৈ দিল্লীৰ NIEPA (National Institute of Educational Planning and Administration) লৈ পঠাইছিল। সেই সময়তে মই বিশ্ববিদ্যালয় অনুদান আয়োগৰ অফিচলৈ কেইবাদিনো গৈ কলেজ ভৱন নিৰ্মাণ, লাইব্ৰেৰীৰ কিতাপ পত্ৰ ক্ৰয় কৰা, লেবৰেটৰীৰ উন্নয়ন আৰু এটা পি এইচ ডিৰ অনুদান আদায় কৰিবলৈ সক্ষম হৈছিলো। কমলেশ্বৰ গোস্বামীয়ে সেই অনুদানৰ সহায়ত গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ উত্তৰ দিশত থকা মিনি অডিটৰীয়াম আৰু ক্লাছৰুম কেইটা উক্ত অনুদানৰ সহায়ত নিৰ্মান কৰা হৈছিল। উক্ত কলেজ ভৱন নিৰ্মাণ কাৰ্যত গোৱালপাৰা গড় কণ্ট্ৰানী বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু ইবিগেচন বিভাগৰ বিষয়া সকলৰ সহায় সদায় মনত থাকিব। শ্ৰী শঙ্কৰ দাসৰ সহায় পাহৰিব নোৱাৰো। তেখেতে আৱশ্যকীয় চিমেন্ট যোগাৰ কৰি দিয়াৰ উপৰি বিনা পাৰিশ্ৰমিকে নিৰ্মান কাৰ্য চুপাৰভাইজ কৰি দিছিল। শ্ৰী বিৰাজ মোহন দাস, শ্ৰী কনক সাউদ, শ্ৰী মহেশ নাথৰ সহায় সদাই মনত থাকিব।

মহাবিদ্যালয় পৰিচালনা সমিতিৰ সিদ্ধান্ত অনুসৰি ভ্ৰাম্যমাণ থিয়েটাৰ দল আমন্ত্ৰণ কৰিবলৈ মন কৰি অধ্যাপক অৰুণ চন্দ্ৰ শৰ্মাক চামতালৈ পঠালো শ্ৰী ধৰণী বৰ্মণৰ বংঘৰ থিয়েটাৰ বন্দৰস্ত কৰিবলৈ। এই উদ্দেশ্যে এখন পৰিচালনা সমিতি গঠন কৰা হ'ল। অধ্যাপক শ্ৰী অৰুন চন্দ্ৰ শৰ্মা এই সমিতিৰ সম্পাদক হ'ল। প্ৰথমতে অধ্যাপক শ্ৰী উত্তম চন্দ্ৰ শৰ্মা আদি কেইজনমান শুভাকাঙ্খীয়ে থিয়েটাৰৰ পৰা একো লাভ নহব বুলি কৈছিল কিন্তু পিচত আটায়ে আগবাঢ়ি আহি আমাক সহায় কৰিছিল আৰু আমি তিনি ৰাতিত সকলো খৰচ বাদ দি প্ৰায় ত্ৰিশ হাজাৰ টকা লাভ কৰিবলৈ সক্ষম হৈছিলো। একেৰাহে তিনিবছৰ কাল থিয়েটাৰৰ দল অনা হৈছিল মহাবিদ্যালয়ৰ সাহায্যাৰ্থে। সেই থিয়েটাৰৰ পৰা পোৱা লাভাংশৰে বৰ্ত্তমানৰ ছাত্ৰ জিৰণী কোঠা নিৰ্মাণ কৰা হৈছিল।

গোৱালপাৰা মহাবিদ্যালয়ত নিযুক্তি পোৱা শিক্ষক কৰ্মচাৰী সকলক যি ভিত্তিত বাছনি কৰা হৈছিল তাত মই বৰ সুখী হৈছিলো। ইয়াত প্ৰাৰ্থীৰ অৰ্হতা আৰু যোগ্যতাৰ ভিত্তিতে বাছনি কৰা হৈছিল। এই ক্ষেত্ৰত বাছনি সমিতিৰ সদস্য শ্ৰী গুৰুচৰণ দাসৰ অৱদান সদায় মনত থাকিব, কাৰণ তেখেতে সদাই প্ৰাৰ্থীৰ অৰ্হতা আৰু যোগ্যতাৰ ওপৰত গুৰুত্ব দিছিল যাতে উপযুক্ত প্ৰাৰ্থী বাছনি কৰা হয়।

আমাৰ কাৰ্যকালৰ ভিতৰতে কেইবাখনো অধিবেশন আৰু কৰ্মশালা গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। উল্লেখযোগ্য অধিবেশন কেইখন আছিল অসম কলেজ শিক্ষক সংস্থাৰ ৩৭ তম বাৰ্ষিক অধিবেশন ১৯৮৮ চনত, ভূগোল বিভাগৰ অধিবেশন, প্ৰাণী বিজ্ঞান বিভাগৰ অধিবেশন আৰু কামৰূপ অনুসন্ধান সমিতিৰ বাৰ্ষিক অধিবেশন। এই অধিবেশন কেইখনত ভালে কেইজন গণ্য-মান্য বিদ্যান লোকে যোগদান কৰিছিল। গোৱালপাৰা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী সকলোৱে কষ্ট স্বীকাৰ কৰি যি সেৱা আগবঢ়াইছিল তাতে সকলো প্ৰতিনিধি সন্তুষ্ট হৈ ভূয়সী প্ৰশংসা কৰিছিল। গোৱালপাৰা সাহিত্য সভাৰ সৌজন্যত অসম সাহিত্য সভাই এবাৰ চুটি গল্পৰ কৰ্মশালা আৰু এবাৰ নাটকৰ কৰ্মশালা গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত কৰিছিল। ইয়াৰ ফলত বহুত ছাত্ৰ-ছাত্ৰীৰ উপকাৰ হৈছিল।

মই এই মহাবিদ্যালয়ত যোগদান কৰাৰ পিচতে শিক্ষক সকলৰ লগত আলোচনা কৰি পৰীক্ষাৰ ফলাফল উন্নত কৰাৰ বাবে চেষ্টা কৰা হৈছিল। ইয়াৰ ফলত গোৱালপাৰা মহাবিদ্যালয় পৰীক্ষা কেন্দ্ৰত নকলৰ প্ৰকোপ হ্ৰাস হৈছিল। ইয়াৰ ফলত পৰীক্ষাৰ ফলাফল সন্তোষজনক হৈছিল। আগতেওঁ দুই এটা বিষয়ত মাজে সময়ে বি এছ চি পৰীক্ষাত প্ৰথম শ্ৰেণী পাইছিল

কিন্তু ১৯৯০ চনৰ পৰা ধাৰাবাহিক ভাবে কেইটামান বিষয়ত প্ৰথম শ্ৰেণী লাভ কৰা দেখি অভিভাৱক সকলে তথা গোৱালপৰীয়া ৰাইজে সন্তোষ প্ৰকাশ কৰিছিল আৰু আমি গৌৰৱবোধ কৰিছিলো। ১৯৯০ চনত গণিত, বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিষয়ত একোজনকৈ পৰীক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণী লাভ কৰিছিল। ১৯৯১ চনত গণিত বিজ্ঞান, প্ৰাণী বিজ্ঞানত দুজনকৈ পৰীক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণী লাভ কৰি বি. এছ. চি. পৰীক্ষাত উত্তীৰ্ণ হৈছিল।১৯৯৩ চনত গোৱালপাৰা মহাবিদ্যালয় ৭ জন পৰীক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হৈছিল, ইয়াৰ ভিতৰত গণিত বিজ্ঞানত ৬ জনে আৰু ৰসায়ন বিজ্ঞানত এজনে প্ৰথম শ্ৰেণী পাইছিল। সেই বছৰৰ বি. এছ. চি. পৰীক্ষাত কটন কলেজৰ পৰা গণিত বিজ্ঞানত ৮ জন পৰীক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণী লাভ কৰিছিল। গোৱালপাৰা মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল উন্নত হোৱা বাবে আমি সকলোৱে আনন্দিত হৈছিলো আৰু শিক্ষকসকলক ধন্যবাদ জনাইছিলো। বিশেষকৈ গণিত বিজ্ঞান বিষয়ত প্ৰতি বছৰে প্ৰথম শ্ৰেণী পাই থকা বাবে সকলোৱে শিক্ষকসকলক প্ৰশংসা কৰিছিল। অধ্যক্ষ হিচাপে আমি ছাত্ৰ-ছাত্ৰীসকলৰ উন্নতিৰ বাবে চেষ্টা কৰিছিলো আৰু তেওঁলোকৰ অভাৱবোৰ দূৰ কৰিবলৈ যত্ন কৰিছিলো যাতে তেওঁলোকৰ অধ্যয়নত ব্যাঘাত নজন্মে। ছাত্ৰ-ছাত্ৰীসকলৰ কথা চিন্তা কৰি আৰু ৰাইজৰ পৰা পোৱা উৎসাহে আমাক অসমীয়া আৰু অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিবলৈ সাহস দিছিল কিন্তু আমি অৱসৰ লোৱাৰ পিচত উক্ত পাঠ্যক্ৰম বন্ধ কৰা বুলি শুনি দুখ পাইছো।

গোৱালপাৰা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে আমি সেইসকল শিক্ষানুৰাগী ব্যক্তি-যিসকল অশেষ কষ্ট স্বীকাৰ কৰি ১৯৫৫ চনতে এই কলেজ প্ৰতিষ্ঠা কৰিছিল সেইসকল নমস্য ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিছো। গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো। ■

Sradhanjali

Late Prof Sudhalakanti Venkata Appayya (1935 - 1998) joined Goalpara College as a lecturer in the Dept of English in 1963, became the Head of the Dept in 1987 and finally retired in 1995. He was a man of few words, very softspoken and had a very lively sense of humour. He was quite religious at heart but unorthodox in attitude and temperament. In a very short time from his retirement Prof Appayya breathed his last in his village namely Kavuluru leaving behind his wife and two daughters. He is very fondly remembered by his innumerable loving students, colleagues and the employees of this college that came in his direct or indirect contact.

We pray to God for the rest of his soul in peace.

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ

স্বৰ্গীয় ওৱাজুদ্দিন আহমেদ

এম. চজীমুদ্দিন আহমেদ
প্ৰাক্তন ছাত্ৰ

স্ৰষ্টাৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি হ'লেও ব্যক্তি জন্ম সূত্ৰে মহান হ'ব নোৱাৰে। ভাগ্যৰ লিখনৰ উপৰিও স্বকীয় প্ৰচেষ্টা, কঠোৰ সাধনা আৰু উচ্চ অভিলাষে মানুহৰ জীৱন গঢ়াত সহায় কৰে। মানুহৰ মেধা আৰু উচ্চাদৰ্শ কোনো গৰীব-ধনী নাইবা স্থান কালৰ ওপৰত নিৰ্ভৰ নকৰে। চাকি ক্ষুদ্ৰ হ'লেও তাৰ প্ৰজ্বলিত প্ৰভা চৌদিশ উজ্বলাবই। পৃথিৱীৰ বেছিভাগ মহাপুৰুষ বা মহান প্ৰতিভাৰ কোনো বংশ গৌৰৱ বা চহৰৰ উন্নত বতাবৰণ লাভৰ গৌৰৱ নাই।

অসমৰ অন্যান্য জিলাৰ তুলনাত গোৱালপাৰা জিলাৰ অৱস্থা সকলো ক্ষেত্ৰতে চকুত লগা ধৰণে দুখ লগা। প্ৰায় এশ বছৰৰ আগত অবিভক্ত গোৱালপাৰা জিলাৰ অৱস্থা কেনেকুৱা হ'ব পাৰে সেয়া সহজেই অনুমেয়। ইং ১৯১৬ চনত বৰ্তমান বঙাইগাওঁ জিলাৰ চলন্তপাৰা গাঁৱত সাধাৰণ দুখীয়া কৃষকৰ পৰিয়ালত জন্ম হৈছিল এক মহান বিদ্বানৰ। অসমৰ প্ৰথম ৰসায়ণ বিজ্ঞানৰ স্নাতকত্তোৰ অৰ্হতা সম্পন্ন, নামনি অসমৰ প্ৰথম পৰ্য্যায়ৰ এল, এল, বি, অৰ্হতা সম্পন্ন আৰু কটন কলেজৰ অধ্যাপক আৰু গোৱালপাৰা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ গৰাকীৰ নামেই হ'ল মৰহুম ওৱাজুদ্দিন আহমেদ।

ধন, নাম, প্ৰেৰণা একো নাথাকিলেও তেখেতে মনপুত চাকৰি নোপোৱাত কিছুদিন জাগীৰোডত ঠিকা কৰিবলৈ লয়। সেই সময়ৰ পৰাধীন ভাৰতত ইংৰাজে কৰ্মসংস্থানৰ বিপৰীতে শোষণ হে কৰিছিল। পিছত ইং ১৯৪৬ চনত তেখেতে কটন কলেজৰ প্ৰবক্তা পদত নিযুক্ত হয়। অধ্যাপনাকালীন সময়তে ইং ১৯৫০ চনত Earl Law College ৰ পৰা এল, এল, বি, ডিগ্ৰী লাভ কৰে। পিছলৈ তেখেতে স্পষ্টবাদিতা, আদৰ্শ আৰু নীতি বিশ্বাসৰ বাবেই ১৯৫২ চনত চাকৰি ইস্তাফা দিয়ে আৰু গোৱালপাৰা আদালতত ওকালতি আৰম্ভ কৰে। স্বাধীনতাৰ প্ৰাক মুহূৰ্ত্তত এজন অতি উচ্চ শিক্ষা আৰু চিন্তাবিদ হিচাবে তেখেতে কংগ্ৰেছ দলক সমৰ্থন জনাইছিল। কিন্তু সেই সময়ত মুচলিম লীগ দলে অসমত প্ৰাধান্য লাভ কৰা সত্বেও গোৱালপাৰা লোকেল বোৰ্ড নিৰ্বাচনত তেখেতে নানা প্ৰলোভন নেওচি নিজৰ মতত অটল আছিল। সেই সময়ত কংগ্ৰেছ কৰ্ম পৰিষদৰ সভাপতি খগেন্দ্ৰ নাথ নাথদেৱে তেখেতৰ "স্বাধীনতা সংগ্ৰামত গোৱালপাৰাৰ অবদান" গ্ৰন্থত এনেদৰে লিখিছে 'কংগ্ৰেছ পক্ষ সমৰ্থনৰ বাবে ওঁৱাজুদ্দিন আহমেদ B.L. আৰু আজাহাৰ আলী মিঞাক লিগ প্ৰাৰ্থী আৰু সমৰ্থক সকলে বৰ বেয়াকৈ অপমান কৰিছিল। ইং ১৯৪৪ চনত জৱাহাৰলাল নেহৰুৰ চাপৰ আৰু অভয়াপুৰী ভ্ৰমণত তেখেতে দেহে কেহে যোগদান কৰিছিল। বন্ধু-বান্ধৱৰ অনুৰোধত তেখেতে অভয়াপুৰী সমষ্টিৰ পৰা বিধান সভাৰ নিৰ্বাচনত নিৰ্দ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

অতি সহজ সৰল জীৱন যাপন কৰা আহমেদ চাহাব আছিল সৎ, মৃদুভাষী আৰু সমাজসেৱী। পৰিশ্ৰমে আনে অৰ্হতা, অৰ্হতাই দিয়ে যোগ্য পদবী। ১৯৫৬ চনত তেখেতে গোৱালপাৰা মহকুমাৰ Local Board ৰ Chairman হয়। সেই সময়ত গোৱালপাৰাতেই নহয় গোটেই নামনি অসমতেই উচ্চ শিক্ষাৰ কোনো শিক্ষানুষ্ঠান নাছিল। সেয়ে তেখেতে স্থানীয় বিধায়ক স্বৰ্গীয় খগেন্দ্ৰ নাথ নাথ আৰু কিছু বাইজৰ প্ৰচেষ্টাত ১৯৫৫ চনৰ ৮ আগষ্টত গোৱালপাৰা মহাবিদ্যালয় স্থাপন কৰে। সকলোৰে একান্ত অনুৰোধত তেখেতেই গোৱালপাৰা কলেজৰ অবৈতনিক প্ৰতিষ্ঠাপক অধ্যক্ষৰ গুৰভাৰ দক্ষতাৰে বহন কৰিবলগীয়া হৈছিল। বহু ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি কলেজখনৰ উন্নতিৰ হ'কে নিজকে তেখেতে উৎসৰ্গা কৰিছিল।

পৃথিৱাম চৰকাৰী বিদ্যালয়ত স্থাপন কৰি পিছত জয়তুন নেছা মাদ্ৰাছা আৰু শেষত মহাবিদ্যালয়ৰ নিজা মাটিত পদাৰ্পণ লৈ মহাবিদ্যালয়ৰ উন্নতিত জীৱন্ত সাক্ষী আছিল আহমেদ চাহাব। কিন্তু ১৯৫৮ চনৰ ৯ আগষ্টত মাত্ৰ ৪৩ বছৰ বয়সতে দূ�ৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ এইজনা মহান মনিষীৰ দেহাৱসান ঘটে।

ধন, নাম প্ৰেৰণা একো নাথাকিলেও কেৱল স্বকীয় প্ৰতিভা, দৃঢ় মন আৰু অক্লান্ত শ্ৰমৰ বলত মানুহ যে জ্ঞানৰ হিমালয় বগাব পাৰে তেনে এজন দুঃ সাহসী আজীৱন যোদ্ধাৰ জলন্ত উদাহৰণ হ'ল স্বৰ্গীয় আহমেদ চাহাব। বাল্য কালতেই তেখেতে দৰিদ্ৰ পিতৃ ৰিয়াজুদ্দিন আহমেদ আৰু স্কুল পঢ়ি থাকোতেই মাতৃ ৰহীমা বেগমক হেৰুৱাই ঘাট মাউৰা হয়। চলন্তাপাৰাতে প্ৰাথমিক শিক্ষা সাং কৰি নানা ঘাত প্ৰতিঘাতৰ মাজতে ইং ১৯৩৭ চনত অভয়াপুৰীৰ অভয়েশ্বৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ সকলোৰে চকুত পৰে। অভয়াপুৰীত তেখেতে তেতিয়াৰ বিজনীৰ জমিদাৰৰ মেনেজাৰ নায়েব আলী চাহাবৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল। ছাত্ৰ বৃত্তি আৰু সেইজন উদাৰমনা ব্যক্তিৰ কৃপাত কটন কলেজত অধ্যয়ন কৰে। ১৯৩৯ চনত আই, এচ, চি, পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰপৰা অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক লাভ কৰে। ১৯৪১ চনত কটন কলেজৰ পৰা ৰসায়ণ বিজ্ঞান বিষয়ত অনাৰ্চ লৈ উত্তীৰ্ণ হয়।

দৰিদ্ৰতা মানুহৰ অভিশাপ। ইয়াৰ প্ৰকোপত বহু মেধাৰ হয় অবলুপ্তি ঘটে নহয় অভিজাত্যৰ হাতৰ পুতলা হয়। অতি মেধাবী আৰু উচ্চ শিক্ষাৰ আকাঙ্খী আহমেদ চাহাবে বিশ্ব[illegible]ালয় অধ্যয়নৰ বাবে বাধ্য হৈ B.Sc. পাচ কৰাৰ পিছত চামচুন নেহাৰক বিয়া কৰায়। চাপৰৰ তেখেতৰ শহুৰেক চৈয়দ আলী জোদ্দাৰে তেখেতৰ পৰৱৰ্তী অধ্যয়ণৰ ব্যয় বহন কৰে। ১৯৪৩ চনত আলিগড় মুচলীম বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন বিজ্ঞান বিষয়ত M.Sc.ডিগ্ৰী লয়।

অতীতে ভৱিষ্যতৰ বুনিয়াদ গঢ়ে। তেখেতে জ্বলোৱা গোৱালপাৰা মহাবিদ্যালয়ৰ জ্ঞানৰ শলিতাডাল হয়তো কিয়ামতলৈ পোহৰাই তুলিব বহুতো অমূল্য জীৱন। তেখেতৰ সততা, নিষ্ঠা, ধৈৰ্য্য, মনোবল আজিৰ নৱ-প্ৰজন্মৰ প্ৰতি স্মৰণীয় হোৱা উচিত। কিন্তু দূৰ্ভাগ্যৰ বিষয় মহাবিদ্যালয়খনত ডঃ মহেন্দ্ৰ বৰা, ডঃ প্ৰবিন শৰ্মা আৰু গোৱালপাৰাৰ আবহাৱাত ডাঙৰ দীঘল হোৱা ডঃ বীৰেন্দ্ৰ নাথ দত্ত আৰু ডঃ ৰত্ন কান্ত বৰুৱাৰ দৰে অধ্যক্ষও কাৰ্য্যসম্পাদন কৰিলে, কিন্তু নামনি অসমত মহাবিদ্যাল.খনে যি অগ্ৰনী ভূমিকা ল'ব লাগিছিল তাৰ কিছু অভাৱ যেন এতিয়াও বিদ্যমান। অৱশ্যে 'নাক'ৰ পৰ্য্যাবেক্ষণৰ বাবে বৰ্তমান মহাবিদ্যালয়খনে এক নতুন ৰূপ লৈছে। এতিয়াও মহাবিদ্যালয়খনৰ চৌদিশ উন্নতিৰ যথেষ্ট অবকাশ আছে। প্ৰশাসন আৰু ৰাইজৰ গভীৰ আস্থাভাজন লগতে মহান ব্যক্তিত্বৰ অধিকাৰী আছিল আহমেদ চাহাব। মৃত্যুৰ দিনলৈ Local Board ৰ Chairman হৈ থকাটোৱে ইয়াৰ উৎকৃষ্ট প্ৰমান। তাৰোপৰি তেখেত যে অতি নিষ্ঠাবান, সু-শিষ্টাচাৰী, মৰমীয়াল ব্যক্তি আছিল সেই গুণাৱলী নয়াপাৰা মচজিদৰ ওচৰতে থকা বাসগৃহৰ তেখেতৰ পুত্ৰ মঃ ছামছুল আলম (বৰ্তমান কলেজৰ নিদেৰ্শক) আৰু কণ্যাৰ আচাৰ ব্যৱহাৰৰ স্বভাৱ লক্ষ্য কৰিলেই প্ৰণিধান যোগ্য হ'ব। মৰহুম আহমেদ চাহাবক জীৱন্ত কালত ৰাইজে যিদৰে বিচাৰিছিল, নতুন প্ৰজন্মই তদ্ৰুপ পাহৰিছে। কলেজ কৰ্ত্তৃপক্ষই তেখেতৰ নামত সময়ে সময়ে স্মাৰক বক্তৃতা, তেখেতৰ তিথি আদিত বিশেষ আলোচনা চক্ৰ আয়োজন কৰিব পাৰে। আনকি এই মহান ব্যক্তি গৰাকীৰ নামত ছাত্ৰ বৃত্তি ঘোষণা আৰু ভাল ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা, লগতে কোনো ভৱন তেখেতৰ নামত নামকৰণ কৰি সন্মান যাছিব পৰা যায়। হায় ! আমি গুণীৰ মোল নুবুজা কিমান দায়িত্বহীন আৰু অকৃতজ্ঞ। ভাৰতৰ স্বাধীনতাৰ সময়ত এনে এজন মহান ব্যক্তি গোৱালপাৰাত বসবাস কৰিছিল ভাবিলে শ্ৰদ্ধা আৰু ভক্তিত মুৰ দো খাই পৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ ইতিহাসত তেখেতৰ নাম, শ্ৰম আৰু ত্যাগ সদায় সোণালী আখৰেৰে লিখা থাকিব।

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ

স্বৰ্গীয় ওৱাজুদ্দিন আহমেদ

এম. চজীমুদ্দিন আহমেদ
প্ৰাক্তন ছাত্ৰ

স্ৰষ্টাৰ সৰ্বশেষ্ঠ সৃষ্টি হ'লেও ব্যক্তি জন্ম সূত্ৰে মহান হ'ব নোৱাৰে। ভাগ্যৰ লিখনৰ উপৰিও স্বকীয় প্ৰচেষ্টা, কঠোৰ সাধনা আৰু উচ্চ অভিলাষে মানুহৰ জীৱন গঢ়াত সহায় কৰে। মানুহৰ মেধা আৰু উচ্চাদৰ্শ কোনো গৰীৱ-ধনী নাইবা স্থান কালৰ ওপৰত নিৰ্ভৰ নকৰে। চাকি ক্ষুদ্ৰ হ'লেও তাৰ প্ৰজ্বলিত প্ৰভা চৌদিশ উজ্বলাবই। পৃথিৱীৰ বেছিভাগ মহাপুৰুষ বা মহান প্ৰতিভাৰ কোনো বংশ গৌৰৱ বা চহৰৰ উন্নত বতাবৰণ লাভৰ গৌৰৱ নাই।

অসমৰ অন্যান্য জিলাৰ তুলনাত গোৱালপাৰা জিলাৰ অৱস্থা সকলো ক্ষেত্ৰতে চকুত লগা ধৰণে দুখ লগা। প্ৰায় এশ বছৰৰ আগত অবিভক্ত গোৱালপাৰা জিলাৰ অৱস্থা কেনেকুৱা হ'ব পাৰে সেয়া সহজেই অনুমেয়। ইং ১৯১৬ চনত বৰ্তমান বঙাইগাওঁ জিলাৰ চলন্তপাৰা গাঁৱত সাধাৰণ দুখীয়া কৃষকৰ পৰিয়ালত জন্ম হৈছিল এক মহান বিদ্বানৰ। অসমৰ প্ৰথম ৰসায়ণ বিজ্ঞানৰ স্নাতকত্তোৰ অৰ্হতা সম্পন্ন, নামনি অসমৰ প্ৰথম পৰ্য্যায়ৰ এল, এল, বি, অৰ্হতা সম্পন্ন আৰু কটন কলেজৰ অধ্যাপক আৰু গোৱালপাৰা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ গৰাকীৰ নামেই হ'ল মৰহুম ওৱাজুদ্দিন আহমেদ।

ধন, নাম, প্ৰেৰণা একো নাথাকিলেও তেখেতে মনপুত চাকৰি নোপোৱাত কিছুদিন জাগীৰোডত ঠিকা কৰিবলৈ লয়। সেই সময়ৰ পৰাধীন ভাৰতত ইংৰাজে কৰ্মসংস্থানৰ বিপৰীতে শোষণ হে কৰিছিল। পিছত ইং ১৯৪৬ চনত তেখেতে কটন কলেজৰ প্ৰবক্তা পদত নিযুক্ত হয়। অধ্যাপনাকালীন সময়তে ইং ১৯৫০ চনত Earl Law College ৰ পৰা এল, এল, বি, ডিগ্ৰী লাভ কৰে। পিছলৈ তেখেতে স্পষ্টবাদিতা, আদৰ্শ আৰু নীতি বিশ্বাসৰ বাবেই ১৯৫২ চনত চাকৰি ইস্তাফা দিয়ে আৰু গোৱালপাৰা আদালতত ওকালতি আৰম্ভ কৰে। স্বাধীনতাৰ প্ৰাক মুহূৰ্ত্তত এজন অতি উচ্চ শিক্ষা আৰু চিন্তাবিদ হিচাবে তেখেতে কংগ্ৰেছ দলক সমৰ্থন জনাইছিল। কিন্তু সেই সময়ত মুচলিম লীগ দলে অসমত প্ৰাধান্য লাভ কৰা সত্ত্বেও গোৱালপাৰা লোকেল বোৰ্ড নিৰ্বাচনত তেখেতে নানা প্ৰলোভন নেওচি নিজৰ মতত অটল আছিল। সেই সময়ত কংগ্ৰেছ কৰ্ম পৰিষদৰ সভাপতি খগেন্দ্ৰ নাথ নাথদেৱে তেখেতৰ "স্বাধীনতা সংগ্ৰামত গোৱালপাৰাৰ অবদান" গ্ৰন্থত এনেদৰে লিখিছে 'কংগ্ৰেছ পক্ষ সমৰ্থনৰ বাবে ওঁৱাজুদ্দিন আহমেদ B.L. আৰু আজাহাৰ আলী মিঞাক লিগ প্ৰাৰ্থী আৰু সমৰ্থক সকলে বৰ বেয়াকৈ অপমান কৰিছিল। ইং ১৯৪৪ চনত জৱাহাৰলাল নেহৰুৰ চাপৰ আৰু অভয়াপুৰী ভ্ৰমণত তেখেতে দেহে কেহে যোগদান কৰিছিল। বন্ধু-বান্ধৱৰ অনুৰোধত তেখেতে অভয়াপুৰী সমষ্টিৰ পৰা বিধান সভাৰ নিৰ্বাচনত নিৰ্দ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

অতি সহজ সৰল জীৱন যাপন কৰা আহমেদ চাহাব আছিল সৎ, মৃদুভাষী আৰু সমাজসেৱী। পৰিশ্ৰমে আনে অৰ্হতা, অৰ্হতাই দিয়ে যোগ্য পদবী। ১৯৫৬ চনত তেখেতে গোৱালপাৰা মহকুমাৰ Local Board ৰ Chairman হয়। সেই সময়ত গোৱালপাৰাতেই নহয় গোটেই নামনি অসমতেই উচ্চ শিক্ষাৰ কোনো শিক্ষানুষ্ঠান নাছিল। সেয়ে তেখেতে স্থানীয় বিধায়ক স্বৰ্গীয় খগেন্দ্ৰ নাথ নাথ আৰু কিছু বাইজৰ প্ৰচেষ্টাত ১৯৫৫ চনৰ ৮ আগষ্টত গোৱালপাৰা মহাবিদ্যালয় স্থাপন কৰে। সকলোৱে একান্ত অনুৰোধত তেখেতেই গোৱালপাৰা কলেজৰ অবৈতনিক প্ৰতিষ্ঠাপক অধ্যক্ষৰ গুৰুভাৰ দক্ষতাৰে বহন কৰিবলগীয়া হৈছিল। বহু ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি কলেজখনৰ উন্নতিৰ হ'কে নিজকে তেখেতে উৎসৰ্গা কৰিছিল।

পৃথিৱাম চৰকাৰী বিদ্যালয়ত স্থাপন কৰি পিছত জয়তুন নেছা মাদ্ৰাছা আৰু শেষত মহাবিদ্যালয়ৰ নিজা মাটিত পদাৰ্পণ লৈ মহাবিদ্যালয়ৰ উন্নতিত জীৱন্ত সাক্ষী আছিল আহমেদ চাহাব। কিন্তু ১৯৫৮ চনৰ ৯ আগষ্টত মাত্ৰ ৪৩ বছৰ বয়সতে দূ�ৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হে এইজনা মহান মনিষীৰ দেহাৱসান ঘটে।

ধন, নাম প্ৰেৰণা একো নাথাকিলেও কেৱল স্বকীয় প্ৰতিভা, দৃঢ় মন আৰু অক্লান্ত শ্ৰমৰ বলত মানুহ যে জ্ঞানৰ হিমালয় বগাব পাৰে তেনে এজন দুঃ সাহসী আজীৱন যোদ্ধাৰ জলন্ত উদাহৰণ হ'ল স্বৰ্গীয় আহমেদ চাহাব। বাল্য কালতেই তেখেতে দৰিদ্ৰ পিতৃ ৰিয়াজুদ্দিন আহমেদ আৰু স্কুল পঢ়ি থাকোতেই মাতৃ ৰহীমা বেগমক হেৰুৱাই ঘাট মাউৰা হয়। চলন্তাপাৰাতে প্ৰাথমিক শিক্ষা সাং কৰি নানা ঘাত প্ৰতিঘাতৰ মাজতে ইং ১৯৩৭ চনত অভয়াপুৰীৰ অভয়েশ্বৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হে সকলোৱে চকুত পৰে। অভয়াপুৰীত তেখেতে তেতিয়াৰ বিজনীৰ জমিদাৰৰ মেনেজাৰ নায়েব আলী চাহাবৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল। ছাত্ৰ বৃত্তি আৰু সেইজন উদাৰমনা ব্যক্তিৰ কৃপাত কটন কলেজত অধ্যয়ন কৰে। ১৯৩৯ চনত আই, এচ, চি, পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰপৰা অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক লাভ কৰে। ১৯৪১ চনত কটন কলেজৰ পৰা ৰসায়ণ বিজ্ঞান বিষয়ত অনার্চ লৈ উত্তীৰ্ণ হয়।

দৰিদ্ৰতা মানুহৰ অভিশাপ। ইয়াৰ প্ৰকোপত বহু মেধাৰ হয় অবলুপ্তি ঘটে নহয় অভিজাত্যৰ হাতৰ পুতলা হয়। অতি মেধাবী আৰু উচ্চ শিক্ষাৰ আকাঙ্খী আহমেদ চাহাবে বিশ্ব[illegible]ালয় অধ্যয়নৰ বাবে বাধ্য হৈ B.Sc. পাচ কৰাৰ পিছত চামছুন নেহাৰক বিয়া কৰায়। চাপৰৰ তেখেতৰ শহুৰেক চৈয়দ আলী জোদ্দাৰে তেখেতৰ পৰৱৰ্তী অধ্যয়ণৰ ব্যয় বহন কৰে। ১৯৪৩ চনত আলিগড় মুচলীম বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন বিজ্ঞান বিষয়ত M.Sc.ডিগ্ৰী লয়।

অতীতে ভৱিষ্যতৰ বুনিয়াদ গঢ়ে। তেখেতে জ্বলোৱা গোৱালপাৰা মহাবিদ্যালয়ৰ জ্ঞানৰ শলিতাডাল হয়তো কিয়ামতলৈ পোহৰাই তুলিব বহুতো অমূল্য জীৱন। তেখেতৰ সততা, নিষ্ঠা, ধৈৰ্য্য, মনোবল আজিৰ নৱ-প্ৰজন্মৰ প্ৰতি স্মৰণীয় হোৱা উচিত। কিন্তু দূৰ্ভাগ্যৰ বিষয় মহাবিদ্যালয়খনত ডঃ মহেন্দ্ৰ বৰা, ডঃ প্ৰবিন শৰ্মা আৰু গোৱালপাৰাৰ আবহাৱাত ডাঙৰ দীঘল হোৱা ডঃ বীৰেন্দ্ৰ নাথ দত্ত আৰু ডঃ ৰত্ন কান্ত বৰুৱাৰ দৰে অধ্যক্ষও কাৰ্য্যসম্পাদন কৰিলে, কিন্তু নামনি অসমত মহাবিদ্যাল.খনে যি অগ্ৰনী ভূমিকা ল'ব লাগিছিল তাৰ কিছু অভাৱ যেন এতিয়াও বিদ্যমান। অৱশ্যে 'নাক'ৰ পৰ্য্যাবেক্ষণৰ বাবে বৰ্তমান মহাবিদ্যালয়খনে এক নতুন ৰূপ লৈছে। এতিয়াও মহাবিদ্যালয়খনৰ চৌদিশ উন্নতিৰ যথেষ্ট অবকাশ আছে। প্ৰশাসন আৰু ৰাইজৰ গভীৰ আস্থাভাজন লগতে মহান ব্যক্তিত্বৰ অধিকাৰী আছিল আহমেদ চাহাব। মৃত্যুৰ দিনলৈ Local Board ৰ Chairman হৈ থকাটোৱেই ইয়াৰ উৎকৃষ্ট প্ৰমান। তাৰোপৰি তেখেত যে অতি নিষ্ঠাবান, সু-শিষ্টাচাৰী, মৰমীয়াল ব্যক্তি আছিল সেই গুণাৱলী নয়াপাৰা মচজিদৰ ওচৰতে থকা বাসগৃহৰ তেখেতৰ পুত্ৰ মঃ ছামছুল আলম (বৰ্তমান কলেজৰ নিদেৰ্শক) আৰু কণ্যাৰ আচাৰ ব্যৱহাৰৰ স্বভাৱ লক্ষ্য কৰিলেই প্ৰণিধান যোগ্য হ'ব। মৰহুম আহমেদ চাহাবক জীৱন্ত কালত ৰাইজে যিদৰে বিচাৰিছিল, নতুন প্ৰজন্মই তদ্ৰুপ পাহৰিছে। কলেজ কৰ্ত্তৃপক্ষই তেখেতৰ নামত সময়ে সময়ে স্মাৰক বক্তৃতা, তেখেতৰ তিথি আদিত বিশেষ আলোচনা চক্ৰ আয়োজন কৰিব পাৰে। আনকি এই মহান ব্যক্তি গৰাকীৰ নামত ছাত্ৰ বৃত্তি ঘোষণা আৰু ভাল ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা, লগতে কোনো ভৱন তেখেতৰ নামত নামকৰণ কৰি সন্মান যাচিব পৰা যায়। হায় ! আমি গুণীৰ মোল নুবুজা কিমান দায়িত্বহীন আৰু অকৃতজ্ঞ। ভাৰতৰ স্বাধীনতাৰ সময়ত এনে এজন মহান ব্যক্তি গোৱালপাৰাত বসবাস কৰিছিল ভাবিলে শ্ৰদ্ধা আৰু ভক্তিত মুৰ দো খাই পৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ ইতিহাসত তেখেতৰ নাম, শ্ৰম আৰু ত্যাগ সদায় সোণালী আখৰেৰে লিখা থাকিব।

পবিন ৰাভাৰ চোতাল

- শৈলেন দাস

সিদিনাখন বনগাওঁৰ পবিন ৰাভাৰ চোতালখনৰ কথা ৰৰকৈ মনত পৰাত, তাকেই সেই সময়ৰ পৰিবেশটোৰ পৰিস্থিতিটোক স্থায়ী ভাৱে লিপিৱদ্ধ কৰি ৰখাৰ মানসেৰে লেখিবলৈ ললোঁ।

কিন্তু ১৯৬৮ চনৰ পৰিস্থিতিটোক বহু বছৰ পিছত লেখিবলৈ লোৱা হেতুকে বহু ক্ষেত্ৰত তাৰতম্য হ'ব পাৰে। তথাপিতো সম্ভৱ হোৱা খিনিকেই স্থায়ীভাৱে লিপিৱদ্ধ কৰি ৰাখিবলৈ চেষ্টা এটা লৈছো। বৰ্ত্তমান পবিন ৰাভা আমাৰ মাজত নাই। তেখেতে কাহানিবাই আমাক এৰি গুছি গৈছে। কিন্তু স্মৃতি হিচাবে পৰি আছে তেখেতৰ চোতালখন, ঘৰ-দুৱাৰ, পৰিয়াল, বন্ধু-বান্ধৱ আদি। পবিন ৰভাৰ সেই চোতালখনত আমাৰ কম দিনৰ দিন কেইটা কি কাৰণত আৰু কেনেকৈ অতিবাহিত হৈছিল তাৰেই থুলমুল সোঁৱৰণী এটি দাঙি ধৰিব খুজিছোঁ।

অধ্যক্ষ মহেন্দ্ৰ বৰা চাৰে মোক (লেখক) আৰু বন্ধু মদন ৰায়ক তেখেতৰ বামুনপাৰাত ভাড়া কৰি থকা বাসভৱনটোলৈ মাতিলে। বৰ্তমান মদন ৰায়ো আমাৰ মাজত নাই। নিষ্ঠুৰ নিয়তিয়ে বন্ধু ৰায়ক উপযুক্ত সময়লৈকে থাকিবলৈ নিদি ইং ১৯৭৫ চনৰ ১৬ ডিচেম্বৰ তাৰিখত আমাৰ মাজৰ পৰা হঠাতেই কাঢ়িলে যায়। নিষ্ঠুৰ নিয়তিয়ে ৰায়ক আমাৰ মাজৰ পৰা কাঢ়ি নিব পাৰে সেইটো ঠিক। কিন্তু নিব হ'লে পৰা নাই ৰায়ৰ সেই সময়ত চিন স্বৰূপে ৰাখি যোৱা কৰ্ম্মৰাজিক। ৰায় সেই সময়ত গোৱালপাৰা কলেজৰ সাধাৰণ সম্পাদক আছিল। অকল সেইটো বছৰতেই যে ৰায় সাধাৰণ সম্পাদক আছিল সেয়া নহয় আগৰটো বছৰতোটো ছাত্ৰ-ছাত্ৰী সকলে ৰায়ক সাধাৰণ সম্পাদকৰ পদত জয়যুক্ত কৰিছিল। মুঠতে ৰায় একেলগে দুটা বছৰৰ কাৰণেই কলেজখনত সাধাৰন সম্পাদকৰ ভাৰ গ্ৰহণ কৰি বন্ধু-বান্ধৱৰ সহায় সহযোগত কলেজখনৰ উন্নতিৰ কাৰণে চেষ্টা কৰিছিল। ৰায় অলপ আঁকোৰ গোজ মনোভাৱৰ আছিল। সেই কাৰণে কথাৰ মেৰপাকবোৰত আনৰ লগত কিছু তাৰতম্য ঘটিছিল। সেই বুলি মনতো কিন্তু বেয়া নাছিল। একেবাৰে দিল খোলা বিধৰ আছিল। কিবা এটা দায়িত্ব দিলে বা ল'লে তাক সম্পূৰ্ণ নকৰাকৈ এৰি দিয়া নাছিল। ৰায় সাহিত্য চৰ্চ্চাৰ উপৰিও সমাজৰ কাম ৰ'জত জড়িত আছিল। মৃত্যুৰ আগমুহূৰ্ত্তলৈকে ৰায় ভাৰতীয় কমিউনিষ্ট পার্টীৰ এজন সক্ৰিয় সদস্য আছিল।

যি নহওঁক, আমি আহি পোৱাত ৰৰা চাৰে আমাক বহি ৰলৈ দিলে। কাৰণটো সোধাত চাৰে ক'লে - "তোমালোকক কাৰণ এটাত মাতিছোঁ। তোমালোকে জানা আমাৰ কলেজখনত নতুনকৈ বিজ্ঞানৰ শাখা এটা খোলা হৈছে। কিন্তু শাখাটো চলাবৰ বাবে যি পুঁজিৰ আৱশ্যক সেই পুঁজিৰ ৰৰ অভাৱ হৈছে। পুঁজি সংক্ৰান্তত কি কৰিব পৰা যায় তাকেই আলোচনা কৰিবৰ বাবে মাতিছো।" ৰৰা চাৰে কথাখিনি ক'ৰলৈহে পালে। বন্ধু মদন ৰায়ে বগা দাঁত কেইটা উলিয়াই দি ধেক্ ধেককৈ হাঁহি এটা মাৰি ক'লে - "কালিয়েই ওলাওক চাৰ। আমাৰ কৃষ্ণাইৰ ফালে যাম। সেইফালে গ'লে আমি নিশ্চয় কিছু টকা পইছা সংগ্ৰহ কৰিব পাৰিম। বৰ্ত্তমান খেতি বাতি উঠিছে। আমি কলেজৰ পুঁজিৰ বাবে গ'লে মানুহে কেতিয়াও আপত্তি নকৰিব। কিন্তু আপুনি হ'লে আমাৰ লগত দুই এদিন থাকিব লাগিব চাৰ। তেতিয়া দেখিব আমি কিমান টকা পইচা সংগ্ৰহ কৰিছোঁ।" ৰৰা চাৰে মদনৰ আকস্মিক প্ৰস্তাৱটোত অকনমান চিন্তা কৰি ক'লে- "প্ৰথমতে আমি চাহ খাই লওঁ। তাৰ পিছত কিবা এটা সিদ্ধান্ত ল'ম।"

এনেতে টেবুলখনত বাইদেউয়ে চাহ আনি দিলে। তাকে দেখি ৰৰা চাৰে মিছিকৈ হাঁহি এটা মাৰি বাইদেউলৈ চাই ক'লে - "তোমাৰ দোখোন শৈলেন, মদনৰ প্ৰতি বৰ মৰমহে। চাহৰ খবৰ নিদিয়াতেই চাহ আহিল। মই কেতিয়াৰ পৰাই চাহ একাপৰ বাবে চিঞৰি থাকিলো চাহ হ'লে নাহিল। এতিয়া কিন্তু চাহে বিস্কুটে বেচ আহিল।" হাঁহি এটা মাৰি বাইদেউও কৈ উঠিল - "মৰম আছে কাৰণেই আনিছো। পিছে আপোনাৰ বাবেও আনিছো।" চাৰ আৰু বাইদেউৰ কথাত আমি দুয়ো হাঁহি দিয়াত চাৰ আৰু বাইদেউও আমাৰ হাঁহিৰ লগত যোগ দিছিল। তাৰ পিছত বাইদেউয়ে দুই এটা কথা সোধ পোচ কৰি পুনৰ সিটো কোঠালৈ গুচি গ'ল।

হাঁহি ধেমালিৰ মাজেৰে চাহ খোৱাৰ পৰ্ব শেষ কৰিলো, এনেতে চাৰে সুধিলে - "মদন তোমালোকৰ ফালে গ'লে খোৱাবোৱা বা থকা মেলাৰ কোনো অসুবিধা নহবতো।" ৰৰা চাৰৰ কথাত হাঁহি এটা মাৰি মদনে কৈছিল - "আপুনি খোৱা বোৱা আৰু থকা মেলাৰ কথা চিন্তাই নকৰিব চাৰ। যাৰ ঘৰত গৈ উঠিম। সেই ঘৰত মুৰ্গীৰ মাংসৰ বাহিৰে ভাতেই নাখাম চাৰ।" মদনৰ মনোবল দেখি চাৰে মিচিকৈকে হাঁহি এটা মাৰি ক'লে - "ঠিক আছে, তোমালোকৰ লগত মই যাম। পিছে কালি নহয়, পৰহিলে যোৱা হওঁক।" ৰৰা চাৰে সেইদৰে মত পোষণ কৰাত আমাৰ ভালেই লাগিল। লগে লগে গোহাৰি এখন ছপা কৰাৰ কথাও আলোচনা কৰিলো। আনকি গোহাৰি এখন লেখি উলিয়ালোয়েই। পিছে গোহাৰিখনত কলেজৰ সম্পাদকৰ চহীৰ প্ৰয়োজন হোৱাত আমি দুয়ো ৰৰা চাৰৰ পৰা বিদায় লৈ পোনে পোনে সম্পাদক ৰজনীকান্ত দাস (এড্ভোকেট) দেৱৰ ঘৰ পালো। দুঃখ আৰু পৰিতাপৰ কথা বৰ্ত্তমান দাস দেৱো আমাৰ মাজত নাই। যি নহওঁক, ঘৰতেই দাসদেৱক লগ ধৰি আমাৰ উদ্দেশ্যৰ কথা বুজাই কোৱাত তেখেতে বৰ ভাল পালে। আনকি আমাৰ প্ৰচেষ্টাক শলাগ গৈ গোহাৰিখনত অকণমান সময় চকু ফুৰাই লগে লগে তাত চহীটো মাৰি দিলে।

সেইদৰে দাস দেৱৰ চহী লোৱাৰ পিছত, তেখেতৰ ঘৰৰ পৰা বাহিৰে বাহিৰে আমি দুয়ো মডার্ণ প্ৰিন্টার্চ পালো। প্ৰেছৰ গৰাকী অৱসৰ প্ৰাপ্ত স্কুল সমূহৰ উপ-পৰিদর্শক মহবুব আলীদেৱক লগ ধৰি আমাৰ কাৰণটোৰ কথা বুজাই কলো। লগতে পিছদিনাই যেন গোহাৰিখন ছপা কৰি উলিয়াই দিয়ে তাৰ বাবেও অনুৰোধ জনালো। আমাৰ অনুৰোধ তেখেতে ৰাখিলে। বৰ্ত্তমান মহবুৰ আলীদেৱো আমাৰ মাজত নাই।

পিছদিনা দুপৰীয়া ভাগত গোহাৰিখন ছপাশালৰ পৰা উলিয়াই লৈ আমি দুয়ো পোনে পোনে কলেজ পালো। ৰৰা চাৰক কার্য্যালয়তে লগ ধৰি গোহাৰিখন দেখুৱালো।

গোহাৰিখনৰ হুবহু নকল তলত উল্লেখ কৰা হ'ল -

গোহাৰি

শ্ৰদ্ধেয় ৰাইজ,

আপোনালোকে জানে, এই চলিত বছৰৰ পৰা গোৱালপাৰা কলেজত বি-এচ-চি শ্ৰেণী খোলা হৈছে। আজিৰ এই দুর্মূল্যৰ দিনত এখন কলেজত বিজ্ঞান শাখা মুকলি কৰিবলৈ হ'লে বহু ধনৰ যে প্ৰয়োজন সেই কথা নকলেও হব। আনহাতে, এই কামৰ বাবে চৰকাৰৰ পৰা যিখিনি সাহায্য পোৱা যায়, তাৰে কেৱল মাত্ৰ বিজ্ঞান শাখাৰ জকাটোহে তৈয়াৰ কৰিব পাৰি।

গতিকে, ৰাইজৰ পৰা যদি বে-চৰকাৰী সাহায্য আৰু সহানুভূতি পোৱা নাযায়, বিজ্ঞান শাখাটো জীয়াই ৰাখিবলৈ কঠিন হৈ পৰে। সেই বাবে আমি ৰাইজৰ ওচৰত বিনীত নিবেদন জনাওঁ, প্ৰত্যেকেই যেন নিজৰ সাধ্য অনুসৰি এই মহৎ কামত ধনে-ধানে সহায় আগবঢ়াই গোৱালপাৰা কলেজৰ বিজ্ঞান শাখাৰ অৱস্থা টনকিয়াল কৰি তোলে। ইতি -

বিনয়াবনত -

(স্বাঃ) শ্ৰী ৰজনী কান্ত দাস এড্ভোকেট

চেক্ৰেটাৰী, গোৱালপাৰা কলেজ।

মডার্ণ প্ৰিন্টার্চ, গোৱালপাৰা।

সিদ্ধান্ত অনুসৰি তাৰ পিছদিনা মই, মদন ৰায়, কৰুণা নাথ, তৰুণ নাথ আৰু ভৱতৰণ ৰায়, পাচোজনে ৰৰা চাৰৰ নেতৃত্বত আবেলি দুটা বজাত কৃষ্ণাইলৈ যোৱা বেচৰকাৰী বাচখনত লক্ষ্যত উপনীত হোৱাৰ বাবে উঠিলো।

এইখিনিতেই বন্ধু কেইজনৰ থুল-মুল পৰিচয় তলত উল্লেখ কৰা হ'ল -

ইতিমধ্যে মদন ৰায়ৰ পৰিচয় আগতেই উনুকিয়াই অহা হৈছে। গতিকে ৰায়ৰ পৰিচয় ব্যাখ্যা নিদিলেও হ'ব।

কৰুণা নাথ - নাথ এজন ভাল লোকগীত গায়ক আছিল। নাথে লোকগীত পৰিৱেশন কৰি শ্ৰোতা দর্শকক মুগ্ধ কৰিব পাৰিছিল। গায়কৰ উপৰিও নাথ এজন ভাল সমাজ কর্ম্মীও আছিল। ভাৰতীয় কমিউনিষ্ট পার্টীৰ সদস্যও আছিল। কিন্তু দুঃখেৰে জনাবলগীয়া হ'ল বর্ত্তমান শ্ৰোতা দর্শকে নাথৰ শুৱলা লোকগীত শুনাৰ পৰা সম্পূৰ্ণ বঞ্চিত। অর্থাৎ নাথো আমাৰ মাজত নাই।

তৰুণ নাথ - তৰুণ নাথে ছাত্ৰ অৱস্থাৰ পৰাই সমাজৰ কাম-কাজত জড়িত আছিল। বর্ত্তমানো সমাজৰ কামৰ উপৰিও প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতাৰ কামো কৰি আছে।

ভৱতৰণ ৰায় - ৰায়ো ছাত্ৰ অৱস্থাৰ পৰাই সমাজৰ

উন্নয়ণমূলক কাম-কাজত জৰিত আছিল আৰু বৰ্ত্তমান ৰায় হাইস্কুলৰ শিক্ষকতাৰ কামো কৰি আছে।

যি নহওঁক অনুমান চাৰিটামান বজাত আমি কৃষ্ণাই পালো। বাচখনৰ পৰা নামি তাতেই ৰৈ থকা টেক্সী এখন ঠিক কৰি লৈ জীৱাগাওঁলৈ ৰাওনা হলো। গাওঁখন পোৱাত টেক্সীখনে আমাক বাটতেই নমাই থৈ মেন্দিপথাৰলৈ গুছি গ'ল। বাটৰ পৰা আমি বিচনাপাতিবোৰ হাতে-হাতে লৈ একেবাৰে প্ৰজেন ৰাভাৰ ঘৰ ওলালো। সন্ধিয়া পৰত আমাৰ আকস্মিক উপস্থিতিত ৰাভা আচৰিত হৈ পৰিছিল। পৰিৱেশটোত ৰাভাই কি কৰিব কি নকৰিব সেই লৈ হুলস্থুলখন লগাই দিলে। এইখিনিতেই দুঃখেৰে উনুকিয়াব খুজিছো - বৰ্তমান প্ৰজেন ৰাভা দেৱো আমাৰ মাজত নাই।

হাত-মুখ ধুই উঠাৰ পিছত ৰাভাৰ পৰিবাৰে বাটি ভৰ্ত্তি চাহ আনি আমাৰ প্ৰত্যেকৰে সন্মুখত দিলে। চাহৰ পৰ্ব শষ কৰি উঠাৰ পিছত আমি আমাৰ আগমনৰ কথা ৰাভাক কলো। লগতে আন আন দিশতো কথা পাতিলো।

ৰাতিৰ সাজ মূৰ্গীৰ মাংসৰে খাই ৰাতিটোৰ বাবে পৰি থাকিলো। পিছদিনা সেইখন গাওঁতেই ৰাভাৰ নেতৃত্বত দুই এজনৰ ঘৰলৈ গৈ কিছু পুঁজী সংগ্ৰহ কৰিলো। সেই দিনাও ৰাতিটো প্ৰজেন ৰাভাৰ ঘৰতেই কটালো।

পিছদিনা দুপৰীয়া সাজ খাই লৈ গৰুৰ গাড়ী এখনত আমাৰ বিছনা পাতিবোৰ বোজাই দি গাওঁলীয়া ভিতৰুৱা বাটটোৰে গাড়ীখনৰ পিছে পিছে আমিও খোজ ললো। প্ৰজেন ৰাভাও কিছু দূৰলৈ আমাক আগবঢ়াই দি উভতি গ'ল।

আহি আহি এটা সময়ত বনগাওঁৰ পৰিন ৰাভাৰ ঘৰ পালো। খবৰ নিদিয়াকৈ হঠাৎ আহি উপস্থিত হোৱাত প্ৰজেন ৰাভাৰ দৰে পৰিন ৰাভাৰো একেটা অৱস্থা হ'ল। গাড়ীখনৰ পৰা বিচনা পাতিবোৰ নমাই বাটৰ ঘৰটোৰ মাটিৰ বাৰান্দাখনতেই ৰাখি গাড়ীখনক বিদায় দিলো। ইতিমধ্যে ৰাভাৰ পৰিয়ালৰ কোনোবা এজনে হাত-মুখ ধুবলৈ পানী দিলে। আমিও হাত-মুখ ধুলো। তাৰ পিছত চোতালখনত পাৰি থোৱা চকী কেইখনত আমি আটাইয়ে বহিলো। পৰিন ৰাভাও আন এখন চিয়াৰত বহিলে। সেইদৰে বহিলৈ ৰাভাৰ লগত আমাৰ হঠাৎ আগমনৰ কথা আলোচনা কৰি থকা সময়ত ৰাভাৰ পৰিবাৰে চাহ-বিস্কুট আনি আমাৰ সমুখত দি সেৱা এটা জনাই চাহ খোৱাৰ বাবে অনুৰোধ জনালে। তেখেতৰ সেই কাঁতৰ অনুৰোধৰ প্ৰতি সন্মান জনাই আমিও চাহ খোৱাৰ কাম শেষ কৰিলো। আলোচনা মৰ্ম্মে পুঁজি সংগ্ৰহত ৰাভায় যিখিনি পাৰে সহায় কৰিব বুলি আমাক আস্বাস দিলে। তেখেতৰ আস্বাসৰ প্ৰতি আমিও শলাগ জনালো।

ক্ৰমান্বয়ে চোতালখন এন্ধাৰে আৱৰি ধৰিলে। আমি আমাৰ মুখমণ্ডলবোৰ প্ৰায়ে নেদেখা হলো পৰিন ৰাভাই উঠি গৈ লেম এটা জ্বলাই আনি আমাৰ মাজত থকা তুলখনত থলে। তেতিয়াহে আমি আমাৰ প্ৰত্যেকৰ মুখ আলজালকৈ দেখিব পৰা হলো। বাতৰি পোৱাত সন্ধিয়া হলেও ওচৰৰে দুই চাৰিজন বয়ো-বৃদ্ধ মানুহ আৰু আমাৰ ডেকা বন্ধু কেইজনমান আহি ওলায়। তেখেত সকলোৰ লগত কলেজখনৰ অৰ্থনৈতিক সমস্যাৰ কথা আলোচনা কৰিলো। ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰৰ একমাত্ৰ কলেজ - "গোৱালপাৰা কলেজ"খনৰ প্ৰতি দৰদ দেখুৱাই তেখেত সকলেও পুঁজী সংগ্ৰহত আমাক সহায় কৰিব বুলি ক'লে। কথা চলি থকাৰ মান বজালৈ কথা-বতৰা পতাৰ পিছত তেখেতসকল নিজ নিজ ঘৰলৈ গুছি গ'ল।

তেখেত সকল গুছি যোৱাত পৰিন ৰাভাৰ নিৰ্দ্দেশ অনুসৰি আমি আমাৰ বিচনা পাতিবোৰ বাটৰ ঘৰটোৰ বাৰান্দাৰ পৰা ভিতৰলৈ লৈ আহিলো। তাৰ পিছত আমি পিন্ধি থকা কাপোৰ-কানি সলাই ৰাতিৰ পোছাক পিন্ধি আহি হাত মুখ-ধুই বাহিৰে বাহিৰে পাক ঘৰ পালো। তেতিয়া ৰাতি প্ৰায় ১০টা মান বাজিছিল। পাকঘৰটোৰ মাটিৰ মজিয়াখনত সুন্দৰকৈ পাৰি থোৱা বস্তাবোৰত আমি লেপোটাকৈ বহিলো। সমুখত মিহি চাউলৰ ভাত আৰু নানা ধৰণৰ তৰকাৰী। মদন ৰায়ে প্ৰতিশ্ৰুতি দিয়া মতে মূৰ্গীৰ মাংসৰ আঞ্জাতো আছেই। তাৰো উপৰি মাছৰ আঞ্জাও। তাকে দেখি মিচিকৈ হাঁহি এটা মাৰি বৰা চাৰে ক'লে - "মদনে ঠিকেই কৈছিল মূৰ্গীৰ মাংস নহলে ভাতেই নাখাম বুলি। বাস্তৱত তাকেই পালো জীৱাত দুটা ৰাতি আছিলো তাতো মূৰ্গীৰ মাংস। ইয়াতো মূৰ্গীৰ মাংস। যি দেখিছো মদনে কোৱা মতে মূৰ্গীৰ মাংসৰ বাহিৰে ভাতেই খোৱা নহব যেন পাওঁ এতিয়া।" বৰা চাৰে সেইদৰে কোৱাত আমি আটাইয়ে হাঁহি দিলো। ঘৰৰ গৰাকী পৰিন ৰাভাও হাঁহি হাঁহি ক'লে - "আমি চাৰ ৰাভা মানুহ। মূৰ্গীৰ মাংসৰ বাহিৰেনো কি খুৱাম। পিছে আমাৰ আপীচাওৱাই বা কেনেকুৱা ৰান্ধিছে কব পৰা নাই। ভালে বেয়া যি ৰান্ধিছে তাকেই খাব লাগিব চাৰ।" পৰিন ৰাভাৰ কথা শুনি ৰান্ধনীৰ হৈ মদন ৰায়ে হাঁহি এটা মাৰি কৈ উঠিল - "ৰান্ধনীয়ে ভালেই ৰান্ধিছে চাৰ। অৱশ্যে নিমখৰ অকনমান তাৰতম্য হ'ব পাৰে।" উত্তৰত বৰা চাৰেও হাঁহি এটা মাৰি

লাহেকৈ ক'লে - "বোধহয় মদনক ৰান্ধনীয়ে মনে মনে দুই টুকুৰামান মূৰ্গীৰ মাংস বেচিকৈ ঘোষ দিছে। নহলে ৰান্ধনীৰ হৈ মদনে কিয় ইমানকৈ শলাগ লব।" বৰা চাৰৰ কথাত আমি আটাইয়ে ধেক্ ধেক্ কৈ হাঁহি দিলো। খোৱাৰ আলপৈচান ধৰা ৰাভাৰ পৰিবাৰো আমাৰ কথা বতৰাত মিচিক মিচিকৈ হাঁহিছিল।

সেইদৰে হাঁহি ধেমালীৰ মাজেৰেই খাই বই উঠিলো। খোৱাৰ পিছত পুনৰ আমি বাটৰ ঘৰটোলৈ আহিলো। আহি দেখো ঘৰটোৰ সম্পূৰ্ণ মাটিৰ মজিয়াখনত ধানখেৰ পাৰি থোৱা আছে। জ্বাৰৰ পৰা হাত সাৰিবৰ বাবে ৰাভাই কাম কৰা লৰাটোৰ হতুৱাই আগধৰি সেইখিনি কাম কৰি থৈছিল। সেই খেৰৰ ওপৰতেই আমি ঢালাই বিচনা পাৰি ল'লো। বৰা চাৰক শুৱৰ বাবে মোৰ বিচনাখনকেই পশ্চিম পিনত থকা খাটখনত পাৰি দিলো।

আমি ঢালাই বিচনাত শান্তিৰে ৰাতিটো কটাই দিম বুলি ভাবিছিলো। কিন্তু ডেকা বয়সৰ যিমান কথা থাকে তাক বাৰু ব্যাখ্যা কৰিব লাগিব নে? নিশ্চয় নালাগে ? সেইবোৰকেই বহু ৰাতিলৈ পাগুলি থকাত বৰা চাৰৰ টোপনিত ব্যাঘাত জন্মিছিল। উপায় নেপাই চাৰো বিচনাখনত বহি চিগাৰেট এটা জ্বলাই লৈ আমাৰ আলোচনাত যোগ দিবলৈ বাধ্য হৈছিল। বিভিন্ন ধৰণৰ ফকৰা-যোজনা, খুহুটীয়া কথা আদি পাতি থাকোতে থাকোতে কেতিয়া ৰাতি তিনিটা বাজিল কবই পৰা নাছিলো। হঠাৎ ঘড়ীটোলৈ চাই বৰা চাৰে কৈছিল - "তিনিটা বাজিল। ৰাতি দেখোন পুৱাবৰেই হল। তোমালোকে নুশুবা নেকি ? বৰা চাৰৰ সেই ইংগিত পোৱাত ঢালাই বিচনাৰ ওপৰত আমি আমাৰ নিজৰ নিজৰ শৰীৰ বগৰাই দিলো। একেবাৰেই নিস্তব্ধ। কিন্তু মদন ৰায়ৰ নাকৰ শব্দ হয়তো দহ মাইলৰ দূৰৰ মানুহবোৰে শুনিছিল।

ৰাতিপুৱা মুখ হাত ধুই উঠাৰ পিছত পৰিন ৰাভাই আমাক পাক ঘৰলৈ মাতি নিলে। ৰাতিৰ পৰিৱেশটোৰ দৰেই বহি লৈ নানা ধৰণৰ কথা পাতি পাতি চাহ মেল শেষ কৰিলো। ইতিমধ্যে বহু কেইজন ডেকা বন্ধু আৰু বয়োবৃদ্ধ মাননীয় ব্যক্তি আহি ওলাল। ৰাভাই তেখেত সকলক বহিবৰ কাৰণে চোতালখনতেই ব্যৱস্থা কৰি দিলে। আমিও তেখেত সকলৰ লগত বহিলো। আলোচনাৰ শেষত, তেখেত সকলৰ পৰামৰ্শ অনুসৰি আমি কাপোৰ কানি পিন্ধি, তেখেত সকলৰ লগত গাওঁখনৰ অৱস্থাবান মানুহ কেইজনামনৰ ঘৰলৈ গলো। কলেজখনৰ বাবে তেখেত সকলে সম্যক অনুসৰি দান বৰঙণি আগবঢ়ালে। প্ৰায় তিনিমান বজাত ঘূৰি আহি গা-পা ধুই পুনৰ আগৰ দৰেই দুপৰীয়াৰ সাজ খালো।

সন্ধিয়া কলৈকো যোৱা নহ'ল। গাওঁখনৰ প্ৰায়খিনি মানুহ আহি ৰাভাৰ চোতালখনত উপস্থিত হ'ল। ৰাভাই তেখেতসকলক বহিবলৈ ব্যৱস্থা কৰি দিয়াত, তাতেই তেখেত সকলে বহিলে। মানুহখিনিয়ে বহাত বৰা চাৰে আমাৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা কলে। আমাৰ ফালৰ পৰাও বিষেশকৈ ডেকা বন্ধু সকলক আমাক সহায় কৰাৰ কাৰণে কোৱা হ'ল। পিছে এই মাৰাথন আলোচনাত মৰণ হৈছিল পৰিন ৰাভাৰ পৰিয়ালটোৰহে। অৰ্থাৎ পৰিয়ালটোৱে ঘনাই ঘনাই চাহ আৰু পান-তামোলৰ আলপৈচান ধৰিবলগীয়া হৈছিল। আলোচনাত যুৱক এজনে কৈছিল - "অহা কালি আমি বিশখনমান চাইকেল জোগাৰ কৰিম চাৰ। চাইকেলেৰে মেন্দিপথাৰলৈ যাম। তাতেই কিছু টকা-পইচা সংগ্ৰহ কৰিম।" সিহঁতৰ সেই ধৰণৰ উৎসাহ আৰু উদ্দিপনাই আমাক যথেষ্ট উৎসাহ জোগাইছিল। সিহঁতৰ প্ৰস্তাৱত বৰা চাৰে সন্মতি জনালে। সেইদৰে কিছু কথা বতৰা পতাৰ পিছত ৰাতি হোৱা দেখি মানুহ খিনিয়ে ৰাভাৰ চোতাল ত্যাগ কৰিলে।

তেখেতসকল যোৱাৰ পিছত গৃহস্থৰ নিৰ্দ্দেশ অনুসৰি আগৰ দৰেই পকাঘৰত বহি হাঁহি ধেমালীৰ মাজেৰে ৰাতিৰ সাজ খালো। খোৱাৰ কাম শেষ কৰাৰ পিছত বৰা চাৰে ৰাভাক ক'লে - "শুনিছো আপোনালোকৰ ক'লা-কৃষ্টিৰ বহু সা-সৰঞ্জাম আপোনাৰ ইয়াত আছে। সেইবোৰ এবাৰ চাব পাৰিলে বৰ ভাল আছিল।" বৰা চাৰৰ অনুৰোধত ৰাভাই কৈছিল -"অহা কালি দিনত সকলোবোৰ দেখুৱাম আৰু সন্ধিয়া মোৰ চোতালৰ ওজাপালি কৃষ্টিও পৰিৱেশন কৰি দেখুৱাম।" সেইদৰে আন আন দিশতো বহু কথা পাতিছিলো। কিন্তু বহু ৰাতি হোৱা দেখি আমাৰ মাজৰ পৰা এজনে ঘপহকৈ কৈ উঠিল 'চাৰ উঠিব লাগে। হোম মিনিস্ত্ৰীৰ বৰ কষ্ট হৈছে।' তাৰ কথাত আমি আটাইয়ে খেক্ খেক্ কৰি হাঁহি দিলো। অৱশ্যে পৰিন ৰাভাই কৈছিল - 'একো নহয়।' পিছে আমি ৰাভাৰ কথাত হয় ভৰ নিদি পাক ঘৰৰ মজিয়া স-সন্মানে এৰি দি পুনৰ বাটৰ ঘৰ পালো। বহুৰাতিলৈকে বিভিন্ন ধৰণৰ কথা পাতি থাকোতে থাকোতে কাৰ কেতিয়া চকু মুদ খাই গ'ল গমকেই পোৱা নাছিলো।

ৰাতিপুৱা চাহ খাই উঠিছো মাত্ৰহে। সঁচাকৈয়ে, আগদিনাই সন্ধিয়া কথা দিয়া মতে বিশজন ডেকাই চাইকেল সহ পৰিন ৰাভাৰ চোতালত আহি হাজিৰ। ডেকা কেইজনে সেইদৰে চাইকেল সহ আহি পোৱাত আমাৰো ভাল লাগিছিল। পিছে হব আৰু কি? পুনৰ পৰিন ৰাভাৰ মৰণ।

আমি কাপোৰ কানি পিন্ধি উঠা মানে ৰাভাৰ পৰিয়ালৰ মানুহখনিয়ে চাহ আনি দিলেই নহয়।

ৰৱা চাৰৰ নেতৃত্বত বিশখন চাইকেল মেন্দিপথাৰ বুলি চলাই দিলো। সময়ত মেন্দি পথাৰ পালো। স্থানীয় কাঠৰ মিল দুটাৰ গৰাকীক লগ ধৰিলো। এটা মিলৰ গৰাকীয়ে কিছু টকা দিলে। আনটো মিলৰ গৰাকীয়ে পিছত নিজেই কলেজলৈ আহি

টকা দিব বুলি আশ্বাস দিলে। আমি সেইদৰে মেন্দি পথাৰত পুঁজি সংগ্ৰহ কৰাৰ পিছত পুনৰ বনগাওঁলৈ উভতিলো। আহি ৰাভাৰ ঘৰ পোৱাত ৰৱা চাৰে কৈছিল - "২৫ বছৰ আগত মোৰ পেটত অপাৰেশ্বন্ এটা হৈছিল। অপাৰেশ্বনৰ পিছত চাইকেলত উঠা বাধা আছিল। সেই কাৰণে ইমান বছৰ চাইকেলত উঠা নাছিলো। ইমান বছৰৰ পিছত আজিয়েই প্ৰথম।" সেইদৰে আৰু কিবা কিবি আলোচনা কৰাৰ পিছত ডেকা কেইজনে নিজৰ নিজৰ চাইকেল লৈ গুচি গ'ল। সিহঁতক বিদায় দি আমিও গা-পা ধুই দিনৰ সাজ খালো।

আগদিনাই ৰাতি কোৱা মতে পবিন ৰাভাই আমাৰ অনুপস্থিতিত, আমাক থাকিবলৈ দিয়া বাটৰ ঘৰটোৰ চিলিংখনত যতনাই ৰাখি থোৱা ক'লা-সংস্কৃতিৰ কাঠৰ খোদাই কৰা বিভিন্ন ধৰণৰ মুখাবোৰ আমাক দেখুৱাবৰ বাবে নমাই ৰাখিছিল। খাই বই উঠাৰ পিছত ৰাভাই সেই মুখা আন আন সা-সৰঞ্জামবোৰৰ নামবোৰ কৈ কৈ প্ৰত্যেকৰে ইতিহাস তন্ন তন্নকৈ বুজাই দিছিল। বহু যুগৰ সেই মূল্যৱান বস্তুবোৰক যতনাই ৰখাৰ বাবে ৰৱা চাৰে ৰাভা দেৱক প্ৰশংসা কৰিছিল। লগতে সেইবোৰক, ৰাজহুৱা প্ৰদৰ্শনী অনুষ্ঠানত প্ৰদৰ্শন কৰাৰ কাৰণেও তেখেতক পৰামৰ্শ দিছিল।

সন্ধিয়াৰ লগে লগে ওজাপালি নৃত্য চাবৰ বাবে, ৰাভাৰ প্ৰকাণ্ড চোতালখনৰ চাৰিও পিনে পুৰুষ মহিলা ঠাহ খাই পৰিল। চাৰিওপিনে ঘৰ। মাজত প্ৰকাণ্ড চোতালখন। ঘৰবোৰৰ বাৰান্দা বোৰত এফালে পুৰুষ আৰু আনফালে মহিলা আৰু ক'ণ ক'ণ ল'ৰা-ছোৱালীসকল তেখেত সকলে নৃত্য উপভোগ কৰাৰ কাৰণে ব্যস্ত। ঠাণ্ডাই যাতে তেখেত সকলৰ শৰীৰৰ হাড় কঁপাই তুলিব নোৱাৰে তাৰ বাবে নিজৰ নিজৰ শৰীৰ কেঠা কাণিৰে মেৰিয়াই লৈছিল। চোতালখনৰ চাৰিওপিনে চাৰিটা ডাঙৰ ডাঙৰ হেঁচাক লাইট জ্বলাই ৰাখিছে। আনপিনে কঠা কাণি নোলোৱা সকলক যাতে ঠাণ্ডাই আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে চোতালখনৰ পৰা কিছু আঁতৰত শাল গছৰ মুঢ়াৰ প্ৰকাণ্ড জুইৰ ধূনী। ফলত ঠাণ্ডাই সেই সীমাৰ ভিতৰৰ পৰা আঁতৰি যাবলৈ বাধ্য হৈছিল যদিও চোতালখন কিন্তু পোহৰতকৈও পোহৰহে উঠিছিল। সিফালে আকৌ কিছু সংখ্যক ৰাইজৰ বাবে চোতালখনৰ পিচ পিনত জোঙাৰ ধূনীও জ্বলিছিল। খোৱা সকলোৰ বহুতেই তাতেই ব্যস্ত আছিল যদিও মাজে মাজে কিন্তু ওজাপালি নৃত্য চাবৰ বাবে ভূমুকি মাৰিবলৈ পাহৰা নাছিল।

ৰৱা চাৰৰ লগত মই পূৰৰ পিনৰ ঘৰটোৰ বাৰান্দাখনতেই বহি ওজাপালি নৃত্য উপভোগ কৰি আছিলো। বাকীবোৰেও অ'ত ত'ত বহি নৃত্য উপভোগ কৰিছিল। নৃত্য চলি থকা অৱস্থাত এজনে প্ৰায় ডেৰ লিটাৰমান ধৰা কাঁচৰ গ্লাচ এটাত জোঙা ভৰাই আনি ৰৱা চাৰৰ সমুখত দি আঠুকাড়ি দীঘল সেৱা এটা জনাই ক'লে - "আমি আৰু কি দিম চাৰ। এইখিনিকেই দিছো। বেয়া নাপায় যদি এইখিনি খাওঁক চাৰ।" মানুহজনৰ মৰম আৰু ভক্তিত ৰৱা চাৰে ক'বলৈ বাধ্য হৈছিল - "নাখালে যদি ৰাইজে বেয়া পায়, তেতিয়া হ'লে নিশ্চয় খাম।" সেই বুলি কৈ মিচিকিকৈ হাঁহি এটা মাৰি দিলে। চাৰৰ সেই ঢোকটোৱে দৰ্শক ৰাইজক বৰ আনন্দ জগাইছিল। নৃত্য পূৰ্ণ পৰ্য্যায়ত চলি আছে। এনেতে চাৰৰ ওচৰলৈ প্ৰস্তাৱ আহিল - "শেলেন দাসে নাচিব লাগে।" ৰাইজৰ প্ৰস্তাৱক প্ৰত্যাখ্যান নকৰি চাৰে মোক নাচিবলৈ ক'লে - । চাৰৰ নিৰ্দ্দেশ আৰু ৰাইজৰ অনুৰোধত মই নাচোনত যোগ দিলো। মোৰ নাচ চাই দৰ্শক ৰাইজে বৰকৈ হাঁহিছিল। কাৰণ মোৰ নাচটো আছিল দলটোৰ নাচোনতকৈ কিছু ব্যতিক্ৰম। প্ৰায় এঘণ্টামান নাচি থকাৰ পিছত দেখো - মদন, কৰুণা, তৰুণ আৰু ভৱতৰণো নাচোনত পৰিছে। অকল সিমানেই নহয় আগতেই উনুকিয়াই অহা মতে জোঙাৰ ধুনীত ব্যস্তহৈ থকা দুজনমানো আহি নাচনত পৰিল। আনকি অৱশেষত বাজনা আৰু নাচনৰ লোভ চম্ভালিব নোৱাৰি ৰৱা চাৰেও দেখোন বহি থকা বাৰান্দাখনৰ পৰা ঘপহকৈ উঠি আহি চোতালখনৰ মাজ মজিয়া পাইছিল। সিমানতো চাৰে ক্ষান্ত নাথাকি দোতৰা বজাই থকা ডেকাজনৰ হাতৰ পৰা দোতোৰাটো টান মাৰি কাঢ়ি নি নিজেই দোতৰাৰ ৰ'গ কেইদালত দাং ধৰিছিল। অৱশ্যে তালমানৰ প্ৰশ্ন নাছিল। মুঠতে দোতোৰা পূৰ্ণ গতিত বাজি উঠিছিল। ৰৱা চাৰৰ দোতৰাৰ দাং আৰু আমাৰ নাচ, দৰ্শক ৰাইজৰ বাবে হৈ পৰিছিল চোতালখনত সেই সন্ধিয়াৰ এক আনন্দৰ হাঁহিৰ কঢ়াল।

ৰাতি প্ৰায় বাৰ বজাৰ লগে লগে আমাৰ নাচ গান অন্ত পৰিল। সকলোৱে ঘৰা ঘৰি গুছি গ'ল। চোতালখন শূণ্য হৈ পৰি থাকিল। ৰাতিৰ সাজ খোৱাৰ পিছত বাকীখিনি ৰাতি শান্তিৰে সমাপ্ত কৰাৰ কাৰণে ঢালাই বিচনাত শুই পৰিলো। নৃত্যৰ তাল মানত আমাৰ শৰীৰবোৰ ভাগৰি পৰা কাৰণেই

হয়তো ঢালাই বিচনাত পৰাৰ লগে লগে কেতিয়া ৰাতিটো পুৱালে গমকেই ধৰিব পৰা নহ'ল।

ৰাতিপুৱা পুনৰ ডেকা সকল আহি ওলাল। যোৱা ৰাতিৰ নাচ গানৰ কথা আলোচনা কৰা হ'ল। আমাৰ নাচ আৰু চাৰৰ দোঁতৰাৰ দাঙৰ কথা কৈ কৈ আমি আটাইয়ে ৰৱকৈ হাঁহিলো। সেই কথাৰ মাজতেই দুবাৰমান চাহো চলিল। তাৰ পিছত আমি আটাইয়ে আমাৰ কৰ্ত্তব্যত আগবাঢ়িলো।

যি নহওঁক দুপৰীয়া আৰু ৰাতিৰ সাজ খালো। সিদ্ধান্ত অনুসৰি পিছদিনা দুপৰীয়াৰ সাজ খাই বই উঠি গৰুৰ গাড়ী এখনত আমাৰ ৰিফিউজী বিচনাবোৰ বোজাই দি গাড়ীখনৰ পিছে পিছে আমি আটাইকেইজনে শালপাৰালৈ ৰাওনা হ'লো। আমাক বিদায় দিবৰ বাবে বহু সংখ্যক পুৰুষ, মহিলা, ল'ৰা-ছোৱালী ৰাভাৰ চোতালখনত গোট খাইছিল। তেখেতসকলে আমাৰ পিছে পিছে প্ৰায় আধাঘণ্টামান খোজকাঢ়ি আহি আমাক শেষ বিদায় দি পুনৰ নিজ নিজ ঘৰলৈ উভতিছিল। আমাৰো তেখেতসকলক এৰি আহিবলৈ কষ্ট হৈছিল যদিও আমাৰ উপায় নাছিল।

শালপাৰা গাওঁত উপস্থিত হৈয়ে বন্ধু জাপান ৰাভাক লগ ধৰিলোঁ আৰু আমাৰ আগমনৰ কথা ভালদৰে বুজাই ক'লো। আমাৰ উদ্দেশ্যৰ কথা বুজি পোৱাত জাপান ৰাভাই আমাক পোনে পোনে শালপাৰা এম, ই, স্কুলখনলৈ লৈ আহি তাতেই থাকিবলৈ ব্যৱস্থা কৰি দিলে। তাৰ পিছত ৰৱা চাৰক শালপাৰাৰ পৰাই বাচ এখনত তুলি দি গোৱালপাৰালৈ বিদায় দিলো।

পিছদিনা অধ্যাপক ৰবীন চৌধুৰীৰ চাৰ আহি আমাৰি কেম্পত উপস্থিত হ'ল। চৌধুৰী চাৰে আমাৰ লগত কষ্ট কৰি দুটা ৰাতি কটাই সেই অঞ্চলটোত ঘূৰি পকি কিছু পুঁজি সংগ্ৰহ কৰি দি তেখেতো গুছি আহিল।

তাৰ পিছত অধ্যাপক আপ্পায়া চাৰ উপস্থিত হ'ল। অপ্পায়া চাৰৰ নেতৃত্বত গৰুৰ গাড়ী এখনত পুনৰ আমাৰ ৰিফিউজী বিচনাবোৰ বোজাই দি শালপাৰাৰ পৰা গজীয়াজনী গাওঁলৈ ৰাওনা হ'লো। গাজীয়াজনী গাওঁৰ প্ৰভাৱশালী ব্যক্তি প্ৰয়াত দুগ্ধনাথ নাথ দেৱৰ ঘৰতেই থাকিবলৈ ল'লো। তেখেতৰ অনুপস্থিতিত তেখেতৰ পৰিয়াল বৰ্গই আমাক বিশেষকৈ খোৱা লোৱাত যথেষ্ট সহায় কৰিছিল। যি দুটা দিন তাত আছিলো, কাষেৰে বৈ যোৱা কৃষ্ণাই নদীটোত সাতুৰি সাতুৰি গাৱো ধুইছিলো। সেই অঞ্চলত পুঁজি সংগ্ৰহ কৰাত তাৰ স্থানীয় বহু কেইজন ডেকাই সহায় কৰিছিল। সেইদৰে সেই অঞ্চলত পুঁজি সংগ্ৰহ কৰাৰ পিছত পুনৰ গৰুৰ গাড়ী এখনত আমাৰ সেই আপুৰুগীয়া সম্পত্তি ৰিফিউজী বিছনাবোৰ বোজাই দি কৃষ্ণাইহে উভতি আহিলো। কৃষ্ণাইৰ পৰা বাচত উঠি গোৱালপাৰালৈ ৰাওনা হলো। কোনো অসুবিধা নোহোৱাকৈ ভালে ভালে আহি গোৱলাপাৰা পালো।

এইখিনিতেই উনুকিয়াব খুজিছোঁ - আমাৰ দলটো ৰৱা চাৰৰ নেতৃত্বত কৃষ্ণাইৰ ফালে অহাৰ দুদিনমান পিছত অধ্যাপক ৰামায়া চাৰৰ নেতৃত্বত আনটো দল বগুৰানলৈ গৈছিল।

যি নহওঁক, গোৱালপাৰা কলেজৰ বিজ্ঞান শাখাৰ বাবে পুঁজি সংগ্ৰহৰ নামত পবিন ৰাভাৰ চোতালখনৰ স্মৰণীয় পৰিৱেশ আৰু পৰিস্থিতিবোৰ ব্যাখ্যা কৰাৰ লগতে বাকী আনুসংঙ্গিক পৰিৱেশ আৰু পৰিস্থিতিখিনিকো কিছু কিছু দাঙি ধৰা হ'ল।

In small proportions we just beauties see
In short measures life may perfect be.

- Ben Jonson

Down Memory Lane

Amal Kumar Das

The year was 1955. Possibly some Bihu (Rongali Bihu) sports went on in the play ground of P. R. Govt. High School where I was a lower class student. Then MLA late Khagendra Nath Nath appeared with a smiling face just before the prize distribution programme. It was there, although the proposal was very much in the air and we already had come to know it when Khagen babu announced that a college would be set up at Goalpara with support and money from the people. There in the meeting, Khagenbabu gave a slogan that ignited the public mind like a *mantra* and made the dream reakise in practice. The catchy slogan was *'Lage Lage College Lage, Chari Lakh Taka Lage'* [Literally - want a college (for which we) need four lakhs. Figuritively - you give four lakhs, we will give you a college.]

We then observed petromax light lighted in the evening in the extreme eastern room (which hosted class X classes then) to hold first year (I.A.) classes of the college. The college was started as a night college initially at our school building but was later shifted to Madrassa school also as a night college till the college was shifted to its permanent site (1957/58) where the college stands now. The founder Principal was Wazuddin Ali Ahmed who initially was a Lecturer in Cotton College but later joined Goalpara Bar and practised in the court. Wazuddin Saheb hailed from Chalantapara (Kuthipara) and was a very respectable person. He made significant contribution to the setting up of the college more particularly at the beginning.

At the permanent site, the college was started in the present hostel building. The spacious building structure that one observes now is addition at subsequent stages.

One interesting incident occurred. For granting permission/affiliation/recognition to a college, certain conditions need to be fulfilled. For a college, the most important condition is maintenance of a fixed deposit in the bank and a college building on own land. Rajani Kanta Das, the noted advocate of the town had his long time associated with the college as secretary and made outstanding contribution to bringing the college to the present shape with nebulous building structures, As secretary of the college he had to approach the University of Gauhati for permission. He then stated in papers that all the conditions including maintenance of fixed deposite and existence of a college building were completed. The existence of the building was shown with photograph of the 'College'.

Phani Dutta, Registrar of the University visited Goalpara for inspection. Incidentally, Phani Dutta and Rajanibabu were class mates in the college days. Phani Dutta visited the site but seeing no structure of any sort asked where did the 'College building' stand. Rajanibabu pointed one nearing the main road. Phani Dutta told the college building ought to have been raised far from the madding crowd and obviously from the dins and bustles of busy urban road. Saying so, he along with secretary of the college proceeded to the 'College building' site. But going near, what he saw amazed him. The sign board was dispayed as 'Assam State Road Transport, Goalpara' and not as 'Goalpara College'. Obviously the building was not of the college, but it was of the State Transport Station that stands till today at the vicinity of the college site. The Registrar discarded the tricks of his old friend, then a reputed lawyer of Goalpara bar Rajani babu did not give in. He argued. 'University form' mentions 'Showing' of buildings. It does not tell that the building ought to be a College building' or it is to stand on its own site. The building could ba a rented house also. After all the college is running in a building. What does it matter where the building stands. Classes are going on regularly. Students are there, teachers are there ..... . It continued. What happened later or how the issue was debated by the two 'class mates' and subsequently it was reconciled is not known. But University of Gauhati permitted, affiliated and recognised the college that has colpleted 50 years now.

But at the early stage the very proposal created on euphoria at Goalpara. An exhibition on certain occassion was held at 'Vallabh bhai Patel' library. Famous architect Jugal Choudhury put up a mini design of the college building in the library. The exhibit witnessed endless visitors. Seeing the design of the dreamy college our dreams flied as birds and pined for the days when to enrol ourselves as students of the college. Later, the chance dawned. I got admitted after passing Matriculation in 1960. A dream was fulfilled.

Incidentally, Jugal Choudhury, the nationally known architect who was awarded with 'Padmashree' by the Govt. of India hailed from Goalpara town. It has another message. Anybody belonging to Goalpara, no matter where one settled later, was very curious for the college and was eager to lend support.

At the town, money mobilisation efforts were visible everywhere. We did not feel shy going out with a begging bawl for the college. So many groups visited nearing weekly hats/bazars like at Krishnai or Dudhnoi. Professors too came out and gave the lead. Theatrical and opera parties were brought for raising fund. We went out for announcement to draw audience. We felt happy that we too could associate in building the college brick by brick at the intial stage. The super structure came later with efforts of the subsequent generation.

I still remember seeing an English picture, 'The House of Wax' screened at Paku Cinema Hall. The name of the picture nay, the story of the film, is still vivid to me. Incidentally, that was the first English movie I saw and was also the first English picture screened at Goalpara way back in 1955/56. Dinendra Narayan Sinha (Hongusda) and his group took the lead of fund collection organising cinema shows.

When I entered into Goalpara College, the college was hardly 5 years. I studied I.A. in the college during 1960-62. No doubt, when we talk about the number of students and teacher too the college could not be ranked with some old college of the state. But then, when I landed in Cotton College later in 1962 leaving Goalpara College I realised how green was the days in my 'tiny' college Goalpara where my respected teachers called me by ny first name 'Amal', where my fellow students hugged and congratulated me in my success and where even the parents of the pupils asked about me and questioned how I was or we were as if we were under the same house and belonging to the same family. That was never to be felt later neither in college life or in University days ! That was possible and was real only in Goalpara College that came up with service and sacrifices of many and for those Goalpara College has blossomed and branched out marvellously.

But I still remember my Professors to whom I was a very dear student. They were men of eminence. By education and erudition, they tried to teach and inspire us. But it was my (our) limitation that I could not come upto their expectation.

My 'Professors' stand and pass by giving a glance at me still to-day. In the Department of English, only for a day, we had the privilege of attending one class of Prof. Amal Roy. Prof. Roy was also our Principal (next to Wazuddin Ali Ahmed). As far I know, Prof. Roy came from

J.B. College. He later left Goalpara for Kolkata. It is in this department, we met Dr. Mahendra Bora, the outstanding literateur who later became the President of Asom Sahitya Sabha (Bajali Session). Dr. Bora joined the college as Principal. It was he who gave an elevated identity to the college by his personality and erudition. Prof. Ramaiah and Prof. Nirupama Borgohain, the famous writer (she was for a temporary period). In the Assamese Department, we had Professors like Prof. Rohit Sarma, Prof. Durgeswar Sarma (later General Secretary, Asom Sahitya Sabha), Prof. Anima Gohain (for a short period). In the Department of history, our Professors were Prof. Monoj Chakraborty, Prof. Sachin Choudhury (Later Bar-at-law), Prof. Arun Das. The epartment of Philosophy was at the hands of Prof. Lutfur Rahman and Prof. Kiran Choudhury and the Departmant of Economics was run by Prof. Bishnu Prasad Khound, Prof. Lakhi Bora. It ought to be mentioned, the college had the association of a galaxy of very learned professors at the initial stage too who had left the college and whom we did not meet. I have mentioned only those teachers who taught us and gave us the privilege to learn in the college. Many of them are no longer in the world of the living. But, it is my great pleasure to make respectful homage to each and everyone. May thousands flowers bloom in the days to come. Long live Goalpara College. ■

শ্রদ্ধাঞ্জলি

বিজেতা পুৰকায়স্থ

মৃত্যুৰ পৰা কোনেও হাত সাৰিব নোৱাৰে। কোনেও ভবা নাছিল কালৰ শীতল হাতে বিজেতাক আকস্মিক ভাবে সাবটি ল'ব। আমাৰ পৰম বন্ধু বিজেতা পুৰকায়স্থ আজি আমাৰ মাজত নাই। ১৯৫৯ চনৰ ১০ এপ্ৰিল শুক্ৰবাৰে গোৱালপাৰাত জন্ম গ্ৰহণ কৰা বিজেতা পুৰকায়স্থ কম বয়সতে হৃদৰোগত আক্ৰান্ত হৈ ১৯৯৭ চনৰ ১৪ ফেব্ৰুৱাৰী শুক্ৰবাৰে ইহলীলা সম্বৰণ কৰে। সৰুৰে পৰা তীক্ষ্ণ মেধা সম্পন্ন বিজেতাই পৃথিৱীম চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৭৭ চনত প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উৰ্ত্তীণ হৈ গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা পি.ইউ. পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। সেই বছৰতে গোৱালপাৰা মহাবিদ্যালয়ত আৰম্ভ হোৱা গণিত বিষয় মেজৰ হিচাবে লৈ তেওঁ স্নাতক মহলাত নাম ভৰ্ত্তি কৰে। ১৯৮২ চনত গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে নাম ভৰ্ত্তি কৰে আৰু প্ৰথম বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

তেওঁৰ চাকৰি জীৱন গোৱালপাৰা মহাবিদ্যালয়ত আৰম্ভ হয় যদিও প্ৰথমতে তিনিমাহৰ বাবে বঙ্গাইগাও বীৰঝৰা বিজ্ঞান মহাবিদ্যালয়ত শিক্ষকতা কৰে। গভীৰ আত্মবিশ্বাস আৰু কঠোৰ পৰিশ্ৰমেৰে জীৱন গঢ়ি প্ৰতিষ্ঠিত হৈছিল। সকলোৰে দুখত দুখী হোৱা এই ব্যক্তিজনে সকলোকে সহায়ৰ হাত আগবঢ়াইছিল। তেওঁ এজন ৰসিক আছিল। মহাবিদ্যালয়ৰ প্ৰদৰ্শনী আদিত বহুতো অংকৰ মেজিক দেখুৱাই ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱক আমোদ দিছিল। মহাবিদ্যালয়ৰ প্ৰায় সকলো কামতে তেওঁ জড়িত আছিল। সংসাৰৰ সকলোকে কন্দুৱাই থৈ সহজ-সৰল স্বভাৱৰ বিজেতাই মৃত্যুৰ সময়ত পৰিবাৰসহ এটি পুত্ৰ সন্তান, মাক-দেউতাক, ভাই-ভনী আৰু অসংখ্য বন্ধু-বান্ধৱক এৰি থৈ গৈছে। বিজেতাৰ আত্মাই পৰম শান্তি লাভ কৰক।

Late Madhab Chandra Barua

We have lost the two founders of the College in the Golden Jubilee Year

Late Maziruddin Ahmed

Late Rajani Kanta Das
One of the Longest serving Secretary of the College

J.B. College. He later left Goalpara for Kolkata. It is in this department, we met Dr. Mahendra Bora, the outstanding literateur who later became the President of Asom Sahitya Sabha (Bajali Session). Dr. Bora joined the college as Principal. It was he who gave an elevated identity to the college by his personality and erudition. Prof. Ramaiah and Prof. Nirupama Borgohain, the famous writer (she was for a temporary period). In the Assamese Department, we had Professors like Prof. Rohit Sarma, Prof. Durgeswar Sarma (later General Secretary, Asom Sahitya Sabha), Prof. Anima Gohain (for a short period). In the Department of history, our Professors were Prof. Monoj Chakraborty, Prof. Sachin Choudhury (Later Bar-at-law), Prof. Arun Das. The epartment of Philosophy was at the hands of Prof. Lutfur Rahman and Prof. Kiran Choudhury and the Departmant of Economics was run by Prof. Bishnu Prasad Khound, Prof. Lakhi Bora. It ought to be mentioned, the college had the association of a galaxy of very learned professors at the initial stage too who had left the college and whom we did not meet. I have mentioned only those teachers who taught us and gave us the privilege to learn in the college. Many of them are no longer in the world of the living. But, it is my great pleasure to make respectful homage to each and everyone. May thousands flowers bloom in the days to come. Long live Goalpara College. ■

শ্রদ্ধাঞ্জলি

বিজেতা পুৰকায়স্থ

মৃত্যুৰ পৰা কোনেও হাত সাৰিব নোৱাৰে। কোনেও ভবা নাছিল কালৰ শীতল হাতে বিজেতাক আকস্মিক ভাবে সাবটি ল'ব। আমাৰ পৰম বন্ধু বিজেতা পুৰকায়স্থ আজি আমাৰ মাজত নাই। ১৯৫৯ চনৰ ১০ এপ্রিল শুক্ৰবাৰে গোৱালপাৰাত জন্ম গ্ৰহণ কৰা বিজেতা পুৰকায়স্থ কম বয়সতে হৃদৰোগত আক্ৰান্ত হৈ ১৯৯৭ চনৰ ১৪ ফেব্ৰুৱাৰী শুক্ৰবাৰে ইহলীলা সম্বৰণ কৰে। সৰুৰে পৰা তীক্ষ্ণ মেধা সম্পন্ন বিজেতাই পৃথিৱীম চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৭৭ চনত প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উৰ্ত্তীণ হৈ গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা পি.ইউ. পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। সেই বছৰতে গোৱালপাৰা মহাবিদ্যালয়ত আৰম্ভ হোৱা গণিত বিষয় মেজৰ হিচাবে লৈ তেওঁ স্নাতক মহলাত নাম ভৰ্ত্তি কৰে। ১৯৮২ চনত গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে নাম ভৰ্ত্তি কৰে আৰু প্ৰথম বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

তেওঁৰ চাকৰি জীৱন গোৱালপাৰা মহাবিদ্যালয়ত আৰম্ভ হয় যদিও প্ৰথমতে তিনিমাহৰ বাবে বঙ্গাইগাও বীৰঝৰা বিজ্ঞান মহাবিদ্যালয়ত শিক্ষকতা কৰে। গভীৰ আত্মবিশ্বাস আৰু কঠোৰ পৰিশ্ৰমেৰে জীৱন গঢ়ি প্ৰতিষ্ঠিত হৈছিল। সকলোৰে দুখত দুখী হোৱা এই ব্যক্তিজনে সকলোকে সহায়ৰ হাত আগবঢ়াইছিল। তেওঁ এজন ৰসিক আছিল। মহাবিদ্যালয়ৰ প্ৰদৰ্শনী আদিত বহুতো অংকৰ মেজিক দেখুৱাই ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱৰক আমোদ দিছিল। মহাবিদ্যালয়ৰ প্ৰায় সকলো কামতে তেওঁ জড়িত আছিল। সংসাৰৰ সকলোকে কন্দুৱাই থৈ সহজ-সৰল স্বভাৱৰ বিজেতাই মৃত্যুৰ সময়ত পৰিবাৰসহ এটি পুত্ৰ সন্তান, মাক-দেউতাক, ভাই-ভনী আৰু অসংখ্য বন্ধু-বান্ধৱক এৰি থৈ গৈছে। বিজেতাৰ আত্মাই পৰম শান্তি লাভ কৰক।

Late Madhab Chandra Barua

We have lost the two founders of the College in the Golden Jubilee Year

Late Maziruddin Ahmed

Late Rajani Kanta Das
One of the Longest serving Secretary of the College



Students of the first batch - 1955



G.C.S.U. 1970-71



Silver Jubilee of the College 1980-81

গোৱালপাৰা মহাবিদ্যালয়

(এক সংক্ষিপ্ত ইতিহাস)

মুজাম্মল হক

গোৱালপাৰা মহাবিদ্যালয় ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ শিক্ষা জগতৰ বাণীতীর্থ বা জ্ঞানপীঠ। এই বাণীতীর্থ স্থাপিত হোৱাৰ পূর্বে এই এলেকাত এম, এ, পাছ অথবা উচ্চ ডিগ্ৰীধাৰী লোকৰ সংখ্যা নিচেই তাকৰ আছিল। এনেকি গ্ৰেজুৱেটৰ সংখ্যাও আঙুলিৰ মূৰত লেখিব পৰা আছিল। চমুকৈ ক'বলৈ হ'লে কুৰি শতিকাৰ আৰম্ভৰ পৰা মাজভাগলৈ উচ্চ বা উচ্চতৰ শিক্ষাৰ ক্ষেত্ৰত এই বৃহত্তৰ এলেকাত অন্ধকাৰ যুগ-চলিছিল। ১৯৫৫ চনত গোৱালপাৰা চহৰৰ বুকুত আমাৰ অতি শ্ৰদ্ধাৰ এই "গোৱালপাৰা মহাবিদ্যালয়"খন প্ৰতিষ্ঠা হোৱাত যি এগছি অক্ষয় বন্তি জ্বলি উঠিল যাৰ পোহৰত বর্ত্তমান গোৱালপাৰা জিলাৰ চুকে কোনে দিন যেন পোহৰ হ'ল। এলেকাৰ শিক্ষিতৰ সংখ্যা বাঢ়িল, শিক্ষাৰ পৰিসৰ বাঢ়িল। দুখনৈ কলেজ; লক্ষীপুৰ কলেজ (১৯৮৯) পশ্চিম গোৱালপাৰা কলেজ (১৯৮২) হাৱাঘাট কলেজ, কৃষ্ণাই; বিকালী কলেজ, ধূপধাৰা (১৯৮২) মানকাচাৰ কলেজ আদি প্ৰতিষ্ঠা হোৱাৰ আগলৈ আমাৰ এই গোৱালপাৰা মহাবিদ্যালয় খনেই এই বৃহৎ এলাকাৰ সর্ববৃহৎ আকর্ষণীয় শিক্ষা কেন্দ্ৰ আছিল।

এই শতিকাৰ মাজভাগত গোৱালপাৰা চহৰৰ নেতৃস্থানীয় মুষ্টিমেয় শিক্ষিত লোকৰ মাজত এই বৃহর্ত্তৰ এলাকাৰ উচ্চ শিক্ষাৰ চাহিদা পুৰনার্থে আলোচনা বিলোচনা হয় আৰু এই ক্ষেত্ৰত তেতিয়াৰ উকিল সভা (Bar Association) আৰু স্থানীয় গুণগ্ৰাহী ব্যক্তি কেইজনমানে অগ্ৰনী ভূমিকা লৈ বাজহুৱা সমর্থন আদায়ৰ বাবে ১৯৫৫ চনৰ "২ এপ্ৰিল" তাৰিখে "অসম ক্লাবত" মৰহুম জনাব মুজিবৰ ৰহমান (মজি মহাজন) চাহাবৰ সভাপতিত্বত মিলিত হয়। সভাত বিভিন্ন বক্তাই এলাকাৰ উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তাত জোৰ দিয়ে। স্বর্গীয় খগেন্দ্ৰ নাথ নাথ (এম. এল. এ.) ডাঙৰীয়াই তেখেতৰ ভাষণত গোৱালপাৰা মহকুমাৰ বাহিৰে অসমৰ প্ৰত্যেকখন মহকুমা চহৰত কলেজ থকাৰ কথা উল্লেখ কৰে আৰু গোৱালপাৰা চহৰতো পলম নকৰি নৈশ কলেজ হিচাপে হ'লেও কলেজ এখনি পাতি এলাকাৰ উচ্চ শিক্ষাৰ দ্বাৰ মুকলি কৰিব লাগে বুলি মত প্ৰকাশ কৰে আৰু এলাকাৰ ভৱিষ্যত উচ্চ শিক্ষাৰ ঐতিহ্যসিক প্ৰস্তাৱ আগবঢ়ায়। সভাই সর্ব সম্মতিক্ৰমে চলিত বছৰৰ পৰা (১৯৫৫) কলেজৰ শিক্ষাৰম্ভ হ'ব লাগে বুলি মতামত দিয়ে আৰু শ্ৰেণীৰ কাম অস্থায়ীভাবে স্থানীয় পি. আৰ. চৰকাৰী হাইস্কুলত নৈশ কলেজ হিচাপে আৰম্ভ কৰা হয়। এই সভাতে স্বর্গীয় নাথ-ডাঙৰীয়াই প্ৰস্তাৱিত কলেজখনৰ বাবে দৰকাৰী মাটিৰ কথা উত্থাপন কৰি প্ৰসঙ্গক্ৰমে বর্ত্তমানে আমাৰ মৰমৰ কলেজখন থিয় দি থকা শ্যামসুন্দৰ দেৱোত্তৰ মাটিৰ কথাও উল্লেখ কৰে। মৰহুম মেহদি আলি আৰু মৰহুম ওৱাজুদ্দিন আহম্মদ (প্ৰতিষ্ঠাপক অধ্যক্ষ) চাহাবে এই মহৎ উদ্দেশ্যক সমর্থন কৰে। স্বর্গীয় ডাঃ অন্নদাচৰণ দাস ডাঙৰীয়াই শ্ৰমদান আগবঢ়ায় আৰু এই মহান কার্য্যত অংশ লোৱাৰ বাবে যুবক সকলক আহ্বান জনায়।

২ এপ্ৰিল তাৰিখৰ এই সভাখনেই আছিল চাৰিওফালৰ পৰা পিছপৰি থকা আমাৰ জিলাৰ বাবে বৃহত্তম পথ প্ৰদর্শনী সভা আৰু জ্ঞান বন্তিৰ বাহক স্বৰূপ। সিদিনাই এই জ্ঞানপীঠৰ নামকৰণ হয় আৰু সময় সাপেক্ষ বিভিন্ন পদক্ষেপৰ পৰামর্শও কৰা হয়।

মাননীয় খগেন্দ্ৰ নাথ নাথ (এম. এল. এ.), জনাব ওৱাজুদ্দিন আহম্মদ আৰু জনাব মুজিবৰ ৰহমান (মজিমহাজন) - এই স্থানীয় ব্যক্তি সকলক যথাক্ৰমে সভাপতি, সম্পাদক আৰু ধনভড়ালী হিচাবে লৈ তলৰ শ্ৰদ্ধেয় সদস্যৰে এখন সাধাৰণ সমিতি আৰু ৮ জন সদস্যৰে উপ-সমিতি এখনো সিদিনাই গঠন কৰা হয়।

- হাকিম চন্দ্ৰ বাভা এম. এল. এ. (প্ৰাক্তন)
- মনিকান্ত দাস (চেয়াৰমেন, লোকেল বোর্ড)
- এচ, এম, সেনগুপ্ত (চেয়াৰমেন, মিউনিসিপালটী বোর্ড)

Students of the first batch - 1955

G.C.S.U. 1970-71

Silver Jubilee of the College 1980-81

গোৱালপাৰা মহাবিদ্যালয়

(এক সংক্ষিপ্ত ইতিহাস)

মুজাম্মল হক

গোৱালপাৰা মহাবিদ্যালয় ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ শিক্ষা জগতৰ বাণীতীৰ্থ বা জ্ঞানপীঠ। এই বাণীতীৰ্থ স্থাপিত হোৱাৰ পূৰ্বে এই এলেকাত এম, এ, পাছ অথবা উচ্চ ডিগ্ৰীধাৰী লোকৰ সংখ্যা নিচেই তাকৰ আছিল। এনেকি গ্ৰেজুৱেটৰ সংখ্যাও আঙুলিৰ মূৰত লেখিব পৰা আছিল। চমুকৈ ক'বলৈ হ'লে কুৰি শতিকাৰ আৰম্ভৰ পৰা মাজভাগলৈ উচ্চ বা উচ্চতৰ শিক্ষাৰ ক্ষেত্ৰত এই বৃহত্তৰ এলেকাত অন্ধকাৰ যুগ-চলিছিল। ১৯৫৫ চনত গোৱালপাৰা চহৰৰ বুকুত আমাৰ অতি শ্ৰদ্ধাৰ এই "গোৱালপাৰা মহাবিদ্যালয়"খন প্ৰতিষ্ঠা হোৱাত যি এগছি অক্ষয় বন্তি জ্বলি উঠিল যাৰ পোহৰত বৰ্ত্তমান গোৱালপাৰা জিলাৰ চুকে কোনে দিন যেন পোহৰ হ'ল। এলেকাৰ শিক্ষিতৰ সংখ্যা বাঢ়িল, শিক্ষাৰ পৰিসৰ বাঢ়িল। দুখনৈ কলেজ; লক্ষীপুৰ কলেজ (১৯৮৯) পশ্চিম গোৱালপাৰা কলেজ (১৯৮২) হাৱাঘাট কলেজ, কৃষ্ণাই; বিকালী কলেজ, ধূপধাৰা (১৯৮২) মানকাচাৰ কলেজ আদি প্ৰতিষ্ঠা হোৱাৰ আগলৈ আমাৰ এই গোৱালপাৰা মহাবিদ্যালয় খনেই এই বৃহৎ এলাকাৰ সৰ্ববৃহৎ আকৰ্ষণীয় শিক্ষা কেন্দ্ৰ আছিল।

এই শতিকাৰ মাজভাগত গোৱালপাৰা চহৰৰ নেতৃস্থানীয় মুষ্টিমেয় শিক্ষিত লোকৰ মাজত এই বৃহৰ্ত্তৰ এলাকাৰ উচ্চ শিক্ষাৰ চাহিদা পুৰনাৰ্থে আলোচনা বিলোচনা হয় আৰু এই ক্ষেত্ৰত তেতিয়াৰ উকিল সভা (Bar Association) আৰু স্থানীয় গুণগ্ৰাহী ব্যক্তি কেইজনমানে অগ্ৰনী ভূমিকা লৈ ৰাজহুৱা সমৰ্থন আদায়ৰ বাবে ১৯৫৫ চনৰ "২ এপ্ৰিল" তাৰিখে "অসম ক্লাবত" মৰহুম জনাব মুজিবৰ ৰহমান (মজি মহাজন) চাহাবৰ সভাপতিত্বত মিলিত হয়। সভাত বিভিন্ন বক্তাই এলাকাৰ উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তাত জোৰ দিয়ে। স্বৰ্গীয় খগেন্দ্ৰ নাথ নাথ (এম. এল. এ.) ডাঙৰীয়াই তেখেতৰ ভাষণত গোৱালপাৰা মহকুমাৰ বাহিৰে অসমৰ প্ৰত্যেকখন মহকুমা চহৰত কলেজ থকাৰ কথা উল্লেখ কৰে আৰু গোৱালপাৰা চহৰতো পলম নকৰি নৈশ কলেজ হিচাপে হ'লেও কলেজ এখনি পাতি এলাকাৰ উচ্চ শিক্ষাৰ দ্বাৰ মুকলি কৰিব লাগে বুলি মত প্ৰকাশ কৰে আৰু এলাকাৰ ভৱিষ্যত উচ্চ শিক্ষাৰ ঐতিহ্যসিক প্ৰস্তাৱ আগবঢ়ায়। সভাই সৰ্ব সম্মতিক্ৰমে চলিত বছৰৰ পৰা (১৯৫৫) কলেজৰ শিক্ষাৰম্ভ হ'ব লাগে বুলি মতামত দিয়ে আৰু শ্ৰেণীৰ কাম অস্থায়ীভাবে স্থানীয় পি. আৰ. চৰকাৰী হাইস্কুলত নৈশ কলেজ হিচাপে আৰম্ভ কৰা হয়। এই সভাতে স্বৰ্গীয় নাথ-ডাঙৰীয়াই প্ৰস্তাৱিত কলেজখনৰ বাবে দৰকাৰী মাটিৰ কথা উত্থাপন কৰি প্ৰসঙ্গক্ৰমে বৰ্ত্তমানে আমাৰ মৰমৰ কলেজখন থিয় দি থকা শ্যামসুন্দৰ দেৱোত্তৰ মাটিৰ কথাও উল্লেখ কৰে। মৰহুম মেহদি আলি আৰু মৰহুম ওৱাজুদ্দিন আহম্মদ (প্ৰতিষ্ঠাপক অধ্যক্ষ) চাহাবে এই মহৎ উদ্দেশ্যক সমৰ্থন কৰে। স্বৰ্গীয় ডাঃ অন্নদাচৰণ দাস ডাঙৰীয়াই শ্ৰমদান আগবঢ়ায় আৰু এই মহান কাৰ্য্যত অংশ লোৱাৰ বাবে যুবক সকলক আহ্বান জনায়।

২ এপ্ৰিল তাৰিখৰ এই সভাখনেই আছিল চাৰিওফালৰ পৰা পিছপৰি থকা আমাৰ জিলাৰ বাবে বৃহত্তম পথ প্ৰদৰ্শনী সভা আৰু জ্ঞান বন্তিৰ বাহক স্বৰূপ। সিদিনাই এই জ্ঞানপীঠৰ নামকৰণ হয় আৰু সময় সাপেক্ষ বিভিন্ন পদক্ষেপৰ পৰামৰ্শও কৰা হয়।

মাননীয় খগেন্দ্ৰ নাথ নাথ (এম. এল. এ.), জনাব ওৱাজুদ্দিন আহম্মদ আৰু জনাব মুজিবৰ ৰহমান (মজিমহাজন) - এই স্থানীয় ব্যক্তি সকলক যথাক্ৰমে সভাপতি, সম্পাদক আৰু ধনভড়ালী হিচাবে লৈ তলৰ শ্ৰদ্ধেয় সদস্যৰে এখন সাধাৰণ সমিতি আৰু ৮ জন সদস্যৰে উপ-সমিতি এখনো সিদিনাই গঠন কৰা হয়।

- হাকিম চন্দ্ৰ ৰাভা এম. এল. এ. (প্ৰাক্তন)
- মনিকান্ত দাস (চেয়াৰমেন, লোকেল বোৰ্ড)
- এচ, এম, সেনগুপ্ত (চেয়াৰমেন, মিউনিসিপালটী বোৰ্ড)

ঁচাহাদত আলী মণ্ডল (এম, এল, এ, প্ৰাক্তন)
ঁকে, এইচ, সেন, এম, এ, বি, এল
ঁনজমুল হক, বি, এল
ঁডাঃ অন্নদা চৰণ দাস
ঁনসিৰুদ্দিন আহমেদ, এম, এ, এল, এল, বি,
ঁডাঃ মেহদি আলী
ঁমহবুব আলী (অৱসৰ প্ৰাপ্ত উপ-পৰিদৰ্শক, স্কুল সমূহৰ)
ঁভূপেন্দ্ৰ নাঃ চৌধুৰী, বি, এল
ঁৰজনী কান্ত দাস, বি, এল
ঁহৰেশ্বৰ দাস, এম, এ, বি, এল
ঁবিপিন চন্দ্ৰ ঘোষ
ঁমিজানুৰ ৰহমান
ঁচাৰু মোহন দাস
ঁমজিৰুদ্দিন আহাম্মদ, বি, এল
ঁকে, চি, সেন, বি, এল
ঁমাধব চন্দ্ৰ বৰুৱা বি, এচ, চি
ঁএকৰাম আলী, বি, এ
ঁৰাউত মল বোথৰা
ঁবিৰধী চান্দ চাজেৰ
ঁকেদাৰ নাথ শৰ্মা
ঁহাজী মিৰউল্যা
ঁকুমুদেশ্বৰ নাথ
ঁপ্ৰতাপ চন্দ্ৰ ঘোষ
ঁ ৰমেশ চন্দ্ৰ দাস
ঁক্ষেত্ৰ মোহন মণ্ডল
ঁদুগ্ধ নাথ নাথ
ঁগোকুল কৃষ্ণ দাস
ঁৰবীন্দ্ৰ নাঃ দাস
ঁচন্দ্ৰসেখৰ বৰুৱা
আৰু ধিৰাজ মোহন দাস - বি, এচ, চি,

উপসমিতিয়ে যুগুত কৰা প্ৰতিবেদন ১০/০৬/৫৫ তাৰিখৰ সমিতিৰ সভাত আলোচনা কৰি আমাৰ এই মৰমৰ কলেজখন "Intermediate College" হিচাবে ১৯৫৫ চনৰ শিক্ষা বছৰৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত হয় আৰু ৪১ জন সদস্যৰে শক্তিশালী কলেজ পৰিচালনা সমিতি এখন গঠন কৰা হয়। পৰিচালনা সমিতিখনত সাধাৰণ সমিতিৰ (২ এপ্ৰিলত গঠিত হোৱা) ৩৬ জন সদস্যৰ লগত নতুন ৫ জন সদস্য অন্তৰ্ভূক্ত কৰা হয়। ইয়াৰ ২ মাহ পাছতে ৪১ জনীয়া সমিতি খনৰ সাল সলনি কৰি তলৰ ১৪ জন সদস্যৰে এখন নিয়মীয়া পৰিচালনা সমিতি গঠন কৰা হয়। ১৬ আগষ্ট ১৯৫৫ ৰ পৰা নিয়মীয়া সমিতিয়ে কাৰ্য্যপৰিচালনা আৰম্ভ কৰে।

মাননীয় সদস্য সকল আছিল ঁ খগেন্দ্ৰ নাথ নাথ, সভাপতি, ঁ ওৱাজুদ্দিন আহম্মদ, সম্পাদক, ঁ হাকিমচন্দ্ৰ ৰাভা, ঁমনিকান্ত দাস, ঁচাৰু মোহন দাস, ঁৰজনী কান্ত দাস, ঁমজিবুৰ ৰহমান, ঁৰাউত মল বোথৰা, ঁভূপেন্দ্ৰ নাথ চৌধুৰী, ঁমহিউদ্দিন আহম্মদ, S.D.M.O. Goalpara, Executive Engineer, PWD Goalpara, S.D.O. (civil) Glp আৰু ১ জন সদস্য অধ্যাপকৰ মাজৰ পৰা।

৩ আগষ্ট ১৯৫৫ তাৰিখে পি. আৰ. চৰকাৰী হাইস্কুলত গীতা, বাইবেল আৰু কোৰাণৰ আবৃত্তিৰে আৰম্ভ কৰা সভাত মাননীয় মূখ্যমন্ত্ৰী স্বৰ্গীয় বিষ্ণু ৰাম মেধি, স্বাস্থ্য মন্ত্ৰী ৰূপ নাথ ব্ৰহ্ম আৰু গড়কাপ্তানী মন্ত্ৰী সিদ্ধিনাথ শৰ্মা দেৱে প্ৰধান অতিথি হিচাবে যোগদান কৰিছিল। মূখ্যমন্ত্ৰী দেৱে সভাত পৌৰাহিত্য কৰে আৰু আনুষ্ঠানিক ভাৱে আমাৰ মৰমৰ "গোৱালপাৰা কলেজ" ৰ দুৱাৰ মুকলি কৰে।

ইতিমধ্যে সিদ্ধান্ত হোৱা আমাৰ কলেজখনৰ শিক্ষাদান পৰ্ব তলত উল্লেখিত১৫ জন ছাত্ৰ আৰু ৭ জনী ছাত্ৰীক লৈ ৮ আগষ্ট (১৯৫৫) তাৰিখে আবেলি ৫ বজাৰ পৰা ৰাতি ৯ বজালৈ পি, আৰ, চৰকাৰী হাইস্কুলত আৰম্ভ হ'ল।

<u>প্ৰথম বৰ্ষৰ মাননীয় ছাত্ৰ/ছাত্ৰী সকল আছিল ঃ</u>

শ্ৰী ভগবান চন্দ্ৰ বৰুৱা
শ্ৰী তৰুণ চৌধুৰী
শ্ৰী গজেন দাস
শ্ৰী নুৰুল নবি
শ্ৰী ভবেন গোস্বামী
শ্ৰী আব্দুৰ ৰহমান
শ্ৰী পৰেশ ওঝা
শ্ৰী ৰফিকুৰ ৰছুল আহমেদ
শ্ৰী নিৰঞ্জন ধৰ
শ্ৰী প্ৰসেনজীৎ চক্ৰৱৰ্ত্তী
শ্ৰী ৰবীন বৰুৱা
শ্ৰী কানুৰাম পাল
শ্ৰী অজয় নাথ
শ্ৰী মৃগেন দাস
শ্ৰী দিপ্তী ৰঞ্জন ৰায়
শ্ৰীমতী শ্যামবালা দাস
শ্ৰীমতী ৰছিদা বেগম
শ্ৰীমতী ভাগীৰথী পাটগিৰি
শ্ৰীমতী চায়া চৌধুৰী
শ্ৰীমতী খৰ্গেশ্বৰী দাস
শ্ৰীমতী মীৰা নাথ
শ্ৰীমতী তৃপ্তী অধিকাৰী

এওঁ বিলাকেই আছিল গোৱালপাৰা কলেজৰ প্ৰকৃত প্ৰতিষ্ঠাপক। শ্ৰেণী আছিল আই. এ. প্ৰথম বাৰ্ষিক।

কলেজখনৰ ব্যৱহাৰৰ বাবে। শ্ৰেণীৰ কাম চলাবলৈ স্কুলখনৰ ৭ নং কোঠালিটো আৰু হল ঘৰখনৰ স্থানীয় অনুমতি পোৱা গ'ল আৰু ইয়াতেইগোৱালপাৰা মহাবিদ্যালয়ৰ পুলি ৰোৱা হ'ল। সেই পুলি আজি ৫০ বছৰৰ মূৰত এজোপা বিৰাট মহীৰুঠত পৰিণত হ'ল। ভৱিষ্যতৰ কথা আমি আশাহে কৰিব পাৰো কিন্তু তাৰ স্বৰূপ নেদেখো। কোনে জানিছিল প্ৰথমে পি. আৰ. চৰকাৰী হাইস্কুলত, তাৰ পাছত ১৯৫৬ চনত স্থানীয় ল'ৰাৰ এম, ই, মাদ্ৰাছা আৰু জয়তুন নেছা ছোৱালী এম. ই. স্কুল আৰু Children library ত থাকি এন্ধাৰ আৰু পোহৰৰ দোমোজাত চলি থকা ট্ৰিপ-ট্ৰিপ কে চলাই ডলাৰ বগৰী হেন শ্ৰেণী কেইটাই আহি সময়ত গোৱালপাৰা জিলা তথা অসমৰ ভিতৰত লেখত লোৱা কলেজ হৈ পৰিব।

যথা সময়ত পৰিচালনা সমিতিয়ে বিশ্ববিদ্যালয়ৰ পৰা আই. এ. প্ৰথম বাৰ্ষিক শ্ৰেণী খোলাৰ অনুমতি আদায় কৰিবলৈ সক্ষম হয়। এই বিষয়ত স্বৰ্গীয় অধ্যক্ষ ওৱাজুদ্দিন চাহাবৰ কৃতিত্ব উল্লেখ যোগ্য।

আৰম্ভণীৰ অধ্যক্ষ মৰহুম ওৱাজুদ্দিন আহম্মদ এম. এচ. চি., বি. এল. মহোদয়ে ১৯৫৪ চনত স্বাধীন আইন ব্যৱসায় কৰাৰ উদ্দেশ্যে গোৱালপাৰা Bar Association ৰ লগত সম্বন্ধ পাতে। ইয়াৰ আগতে তেখেত কটন কলেজ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক আছিল। গোৱালপাৰা কলেজ পতাৰ জল্পনা কল্পনা আৰম্ভ হোৱাৰ দিনৰে পৰা ইয়াৰ পৰিকল্পনা, পুঁজি সংগ্ৰহ আৰু কলেজৰ হকে শ্যামসুন্দৰ দেৱোত্তৰৰ প্ৰায় ৫২ বিঘা মাটি ৰায়ত মহিউদ্দিন আহাম্মদ ওৰফে কালঠাবুঢ়া আৰু মতিজান বেওয়াৰ দখলৰ পৰা কলেজৰ দখললৈ অনালৈ যাবতীয় কাম কাজত সক্ৰীয় ভাবে লাগি থাকি আমাৰ মৰমৰ কলেজখনৰ ৰূপদান দি আৰম্ভণীৰ সম্পাদক আৰু অধ্যক্ষ উভয় পদৰে সন্মান ৰাখি গৈছে। অবৈতনিক অধ্যক্ষ হিচাবে ১৯৫৫ চনৰ ১ চেপ্তেম্বৰ তাৰিখে তেঁখেতে দায়িত্ব গ্ৰহণ কৰে।

জয়যাত্ৰাৰ দিনৰ অধ্যাপক সকল আছিল ড° মোহিনী শইকীয়া, ড° টি, এন, বৰুৱা, শ্ৰীযুত সুভাষ চন্দ্ৰ চোতাৰ্জী, জনাব আব্দুল অহিদ, শ্ৰীযুত এচ, কে ৰায়চৌধুৰী আৰু শ্ৰীযুত ডি. এচ. ৰাওঁয়াত। এই মাননীয় অধ্যাপকসকল ১৯৫৮ চনৰ আগলৈকে আমাৰ এই গোৱালপাৰা কলেজ গঢ়াৰ মহাসপোনৰ লগত জড়িত আছিল। ইয়াৰ পাছত বিভিন্ন বিভাগৰ অধ্যাপক হিচাপে আহিছিল শ্ৰীযুত আৰ, পি. শুৰ ৰায় (বাণিজ্যিক ভূগোল), শ্ৰীযুত বিষ্ণু প্ৰসাদ খাউণ্ড (অৰ্থনীতি), শ্ৰীযুত লুতফুৰ ৰহমান (লজিক আৰু ফিলচফী), ড° মনোজ কুমাৰ চক্ৰৱৰ্তী (বুৰঞ্জী), শ্ৰীযুত শশী নাথ চৌধুৰী (ক্ষিতু চাৰ) (বুৰঞ্জী), শ্ৰীযুত ৰোহিত কুমাৰ শৰ্মা (অসমীয়া), শ্ৰীযুত লক্ষীপ্ৰসাদ বৰা (অৰ্থনীতি আৰু চিভিক্স), শ্ৰীযুত কিৰণ চন্দ্ৰ চৌধুৰী (লজিক আৰু ফিলচফী), শ্ৰীযুত এ. ভি. ৰামাইয়াহ (ইংৰাজী)।

এই সকলেই আছিল গোৱালপাৰা কলেজৰ বাটকটীয়া। ইয়াৰ পিছতো নতুন বিভাগ হৈছে, নতুন অধ্যাপক আহিছে আৰু গৈছে। গোৱালপাৰা কলেজ গঢ়াত এই সকলে কম বেছি পৰিমাণে অৰিহণা দি গৈছে নিশ্চয়।

কলেজৰ কাম কাজ গতানুগতিক ভাবে চলিবলৈ ধৰিলে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে। ইপিনে পি. আৰ. চৰকাৰী হাইস্কুল কৰ্ত্তৃপক্ষই স্কুলখন ব্যৱহাৰ কৰিব নিদিয়া হ'ল। গতিকে কলেজে নিজাকৈ পোৱা দেৱোত্তৰ মাটিত নিজৰ সুকীয়া ব্যৱস্থাৰ কাৰণে চিন্তা কৰাটো প্ৰয়োজনীয় হৈ পৰিল।

মৰণত শৰণ দি হৰমূৰ যাত্ৰা হৈ কৰে বিধাতা বুলি সমিতিয়ে আগবাঢ়িবলৈ মনস্থ কৰিলে। ১৯৫৭ চনৰ অক্টোবৰ মাহৰ ৪ তাৰিখে কলেজৰ স্থায়ী ঘৰৰ ভেটি স্থাপন কৰা হ'ল। প্ৰথম খুটাটোৰ শিলন্যাস কৰিবলৈ আহিছিল তেতিয়াৰ মাননীয় ৰাজহ মন্ত্ৰীদেৱে। বৰ্ত্তমানে আমাৰ কলেজৰ পুখুৰীৰ পাৰৰ উত্তৰ মূখী ঘৰটোৱেই আমাৰ প্ৰথম বাণী মন্দিৰ য'ত বৰ্ত্তমানে বিজ্ঞান শাখাৰ ৰসায়ন আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ গৱেষণাগাৰ (Laboratory) ৰ কাম চলাই থকা হৈছে।

কলেজ এখনে বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ পৰা পৰীক্ষাৰ্থী প্ৰেৰণ কৰাৰ অনুমতি আদায় কৰাৰ নিয়ম সহজ কিন্তু কৰ্ত্তৃপক্ষৰ পৰা নিয়মিত affiliation আদায় কৰা তেতিয়াৰ দিনত সহজ নাছিল। আমাৰ কলেজে প্ৰথমবাৰ (১৯৫৭-৫৮) আই. এ. পৰীক্ষাৰ বাবে পৰীক্ষাৰ্থী প্ৰেৰণ কৰাৰ অনুমতি পালেও নিয়মিত affiliation পোৱাৰ অৰ্হতা কলেজ খনৰ নাছিল। অৰ্হতাৰ বাবে প্ৰথম প্ৰয়োজন আছিল কলেজৰ নিজা মাটি, স্থায়ীঘৰ আৰু সংৰক্ষিত পুঁজি (Reserve fund) দ্বিতীয় চৰ্ত কেৱল নৈশ কলেজ হৈ থাকিলেও বিশ্ববিদ্যালয়ে স্থায়ী স্বীকৃতি নিদিয়ে।

ইতিমধ্যে আমাৰ কলেজখনৰ ঘাই বঠা ধৰা আৰম্ভণীৰ সম্পাদক আৰু অধ্যক্ষ স্বৰ্গীয় ওৱাজুদ্দিন আহম্মদ চাহাব (০১/০৯/৫৫-১৮/০১/৫৭) স্বাস্থ্য জনিত কাৰণত ১৮/০১/৫৭ তাৰিখে অৱসৰ লয়। এই জনা মহান ব্যক্তিয়ে আমাক কন্দু�ৱাই ০৯/০৮/৫৮ তাৰিখে স্বৰ্গবাসী হয়।

স্বৰ্গীয় ওৱাজুদ্দিন আহাম্মদ চাহাবৰ খালি ঠাই পূৰণ কৰে মাননীয় অমল ৰয় ডাঙৰীয়া। তেখেঁত ১৯/০১/৫৭

তাৰিখৰ পৰা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি ১১/১১/৬০ লৈকে এই পদত বাহাল থাকে। এখেতৰ দিনতেই প্ৰথম বাৰৰ আই, এ, পৰীক্ষাৰ্থী প্ৰেৰণৰ যাবতীয় ব্যৱস্থা কৰা হয়।

১৯৫৮ চনৰ কথা, ইতিমধ্যে আমাৰ কলেজৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আই, এ, পৰীক্ষা পাছ কৰিছে। পৰীক্ষাৰ ফলাফল নতুনকৈ স্থাপিত অনুষ্ঠান এখনৰ বাবে সন্তোষজনক আছিল বুলি ক'ব লাগিব। এই চাম ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত শিক্ষাৰ কথা আগত ৰাখি কৰ্ত্তৃপক্ষই ১৯৫৯ চনৰ শিক্ষা বছৰৰ পৰা B.A. শ্ৰেণীৰ শুভাৰম্ভৰ পৰিকল্পনা হাতত লৈছিল। বিষয় সমূহ আছিল অৰ্থনীতি, বুৰঞ্জী আৰু দৰ্শন শাস্ত্ৰ। কৰ্তৃপক্ষই যথা সময়ত বিশ্ববিদ্যালয়ৰ পৰা অনুমতি আৰু স্বীকৃতিৰ ব্যৱস্থাও কৰিছিল।

মুঠতে কৰ্ত্তৃপক্ষৰ তৎপৰতা, অধ্যাপক সকলৰ মহান ত্যাগ আৰু ছাত্ৰ সমাজৰ সহযোগীতা আৰু পৰিশ্ৰম লগতে ৰাইজৰ সহায় সহানুভূতিৰ ফলস্বৰূপে ১৯৬১ চনতে আমাৰ কলেজখন (কলা শাখাৰ) লেখত লোৱা উচ্চ শিক্ষাৰ অনুষ্ঠানৰূপে প্ৰতিষ্ঠিত হয়।

১৯৫৮-৫৯ চনৰ শিক্ষা বছৰ আৰম্ভ হোৱাৰ আগে আগে কলেজৰ মূল ঘৰৰ (পুখুৰী পাৰৰ উত্তৰ মুখী) ৪ টা কোঠালীৰ কাম, দুৱাৰ খিৰিকী আৰু মজিয়া পকা কৰা আদিৰ চিন্তা পাছত ৰাখি, কোনোমতে উলিয়াই লৈ ডলাৰ বগৰীৰ দৰে থকা আমাৰ এই কলেজখনক নিজা ঘৰত থিতাপি লগোৱা হ'ল। এতিয়াৰ পৰা দিনৰ কলেজৰ শুভাৰম্ভ হ'ল। অৱশ্যে ৰাতিৰ শ্ৰেণী এটা তেতিয়াও "Children Library" ত চলাই ৰখা হৈছিল।

আজি চহৰৰ মাজ-মজিয়াত অধিষ্ঠিত হ'লেও আৰম্ভণীৰ কালচোৱাত কলেজখন চহৰৰ এচুকত স্থাপন কৰা যেন হে লাগিছিল। কলেজৰ চাৰিসীমাৰ ৰাতিৰ পৰিবেশ ধৰি খাওঁ ধৰি খাওঁ আছিল। আজিৰ দৰে তেতিয়া চহৰত যান-বাহনৰ চলাচল নাছিল, পোহৰৰ ব্যৱস্থাও নাছিল, অফিচ আদালতৰ সংখ্যাও কম আছিল। চহৰৰ উত্তৰ সীমাত নৈৰ কাষতে গোটেইখিনি থুপ খাই আছিল। মানুহৰ চলা-মেলা এই এলেকাতেই হৈছিল।

ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক সকলৰ বাবে সা-সুবিধা বোলোতে একোৱে নাছিল। তথাপি কৰ্ত্তৃপক্ষই যিখিনি আগবঢ়াইছিল তাতে সন্তুষ্ট থাকি মাননীয় অধ্যাপকসকল আৰু ছাত্ৰ-ছাত্ৰীসকলে নিশ্চয় দৃষ্টান্ত ৰাখি গৈছে। আমি আৰু আমাৰ ভবিষ্যত বংশধৰ সকলে নিশ্চয় তেওঁ বিলাকক সুঁৰৰি যাব লাগিব। পুঁজি সংগ্ৰহৰ পৰা আৰম্ভ কৰি কলেজখনৰ বিভিন্ন কাৰ্যত সহযোগিতা কৰাৰ ক্ষেত্ৰত এইচাম অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ অৱদান লেখত ল'বলগীয়া। আজৰি পৰত, বন্ধৰ দিনত আৰু এনেকি কলেজ খোলা থকা দিনটো গাঁৱে ভূঁঞে হাটে-বজাৰে টেমা লৈ ঘূৰি ঘূৰি কলেজখনৰ ভৱিষ্যত সন্মান অটুত ৰখাৰ চিন্তাত ব্ৰতী আছিল এইচাম ব্যক্তি। কৰ্ত্তৃপক্ষৰ ফালে চাই নাথাকি এই চামে শ্ৰম দানেৰে দক্ষিণ ফালৰ আলি বাটটোও বান্ধি লৈছিল।

১৯৬০ লৈ দুৱাৰ-খিৰিকী নথকা কেঁচা ভেটিৰ কোঠালিত বহি শিক্ষাদান আৰু গ্ৰহণ কাৰ্য্য চলিছিল। ছাত্ৰ জিৰণী কোঠা নাছিলেই। এটা কোঠালিকে বাঁহ ঢাৰিৰ বেৰেৰে তিনিভাগ কৰি শিক্ষক আৰু ছাত্ৰ জিৰণী কোঠা হিচাবে আৰু এভাগত পুথি ভঁৰালৰ কাম চলাই ৰখা হৈছিল। এই সময় চোৱাত পুথি-ভঁৰালৰ Prof-in-charge আছিল স্বৰ্গীয় ড° মনোজ কুমাৰ চক্ৰৱৰ্ত্তী চাৰ।

১৯৬০ চনৰ ২২ আগষ্ট তাৰিখে অধ্যক্ষ শ্ৰীযুত অমল ৰয় ডাঙৰীয়া এমাহৰ ছুটিত গ'ল যদিও ঘূৰি নাহিল। কৰ্ত্তৃপক্ষই অৱস্থা চাই ব্যৱস্থা লৈছিল। ২/১২/৬০ তাৰিখৰপৰা অসম মাতৃৰ সুযোগ্য সন্তান ড° মহেন্দ্ৰ বৰা দেৱক এই গুৰুত্বপূৰ্ণ পদত মকৰল কৰিলে।

অপ্ৰিয় হলেও সঁচা কথা যে আমাৰ কলেজখনে আৰম্ভণীৰ পৰা অৰ্থ সংকটৰ মাজেৰে আহি আছিল। অৰ্থাভাবৰ কাৰণে কৰ্ত্তৃপক্ষই অভাব অভিযোগবোৰৰ স্থায়ী সমাধানৰ পৰিকল্পনা হাতত ল'ব পৰা নাছিল।

কলেজখনে সন্মুখীন হোৱা গুৰুতৰ বহুবোৰ সমস্যাৰ ভিতৰত -বাহিৰৰ পৰা পঢ়িব অহা ছাত্ৰ-ছাত্ৰীৰ বাবে হোষ্টেল, শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ বাবে জিৰণী কোঠা, Library আৰু Reading room ১৯৫৮-৫৯ চনত বন্ধ কৰা আই. এ. শ্ৰেণীৰ নৈশ শাখা পুনৰ আৰম্ভ, বিজুলী-বাতিৰ ব্যৱস্থা, কলেজত অহা যোৱা কৰা আলিবাটৰ দুখ লগা অৱস্থা, আচবাব পত্ৰ আৰু শ্ৰেণীৰ কোঠালীৰ অভাৱ, অধ্যাপকৰ অভাৱ আৰু এনেকি ছাত্ৰ-ছাত্ৰী তথা অধ্যাপকৰ একেবাৰে মৌলিক প্ৰয়োজনীয়খিনিকো পূৰাব পৰাৰ উপযুক্ত ব্যৱস্থা নাছিল।

আয়ৰ তুলনাত ব্যয়ৰ অঙ্কটোৰ ওজন বেছি হোৱাৰ ফলত অতবোৰ সমস্যা থুপ খাইছিল। ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা মাছুল, চৰকাৰৰ পৰা ইতিমধ্যে পোৱা সামান্য অৰ্থমঞ্জুৰি (Adhoc grant) আৰু fee compensatory grant ৰ টকাৰে মাহিলি খৰচ একেবাৰে নুজুৰিছিল। ৰাইজৰ বৰঙণীৰে ঘাঁটি পুৰাই কোনোমতে কলেজখন চলি আছিল।

এফালে সীমাহীন সমস্যা আছিল যদিও আনফালে গঠনমূলক বাতাবৰণ কলেজখনৰ বাবে লক্ষণীয় আছিল।

পুৰণি অতবোৰ সমস্যাৰ মেৰামতি নৌহওঁতেই ১৯৬১ চনৰ আৰম্ভনীতে কৰ্ত্তৃপক্ষৰ সন্মুখত আকৌ ডাঙৰ নতুন এটি সমস্যা আহি পৰিছিল। ইতিমধ্যে চৰকাৰে ঘোষণা কৰা মতে পুৰণি দুইবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ সলনি ১৯৬২-৬৩ চনৰ শিক্ষা বছৰৰ পৰা কলেজ সমূহত তিনিবছৰীয়া নতুন পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা হয়। এই নতুন পাঠ্যক্ৰম প্ৰৱৰ্ত্তনৰ ক্ষেত্ৰত বিশ্ব বিদ্যালয় অনুদান আয়োগৰ (University Grants Commission) নিয়মাৱলীত কিছুমান পূৰ্বচৰ্ত্ত আৰোপ কৰা আছিল। আয়োগৰ নিয়মাৱলীৰ মাজত আমাৰ কলেজখনো তৎক্ষণাত সোমাব পৰাৰ অৰ্হতা নাছিল। সেয়ে Reserve fund বা সংৰক্ষিত পুঁজি আৰু Working fund বা চলিত পুঁজিৰ সমস্যাটো কৰ্ত্তৃপক্ষৰ আগত জটিলৰূপে দেখা দিছিল। ৰাইজৰ সহায় সহযোগ আৰু মতামতৰ দৰকাৰ অনুভৱ কৰি কৰ্ত্তৃপক্ষই ২৪ জানুৱাৰী (১৯৬১) ৰ ভিতৰত এখনি সাধাৰণ সভা পতাৰ ব্যৱস্থা কৰে আৰু লগতে - কৰ্ত্তৃপক্ষই দৰকাৰী পুঁজিৰ বাবে "পুঁজি সংগ্ৰহ সপ্তাহ" (College week for fund collection) পতাৰ সিদ্ধান্ত গ্ৰহণ কৰি অধ্যাপক, ৰাইজ তথা ছাত্ৰ-ছাত্ৰী সকলক এই ক্ষেত্ৰত সহযোগ কৰাৰ আহ্বান জনায়।

৩১ মাৰ্চ (১৯৬১) ৰ ভিতৰত কাগজে-কলমে কৰ্ত্তৃপক্ষই দৰকাৰী অৰ্হতাখিনি দেখুৱাব নোৱাৰিলে কলেজখনৰ ভৱিষ্যত অন্ধকাৰ হ'ব বুলি উপলব্ধি কৰি কৰ্মকৰ্তা সকলে পুঁজি সংগ্ৰহ অভিযান অব্যাহত ৰখাৰ উপৰিও মৰহুম হাজী মিৰ উল্যা (আমবাৰী, ধূপধাৰা)আৰু মৰহুম জনাব ইয়াছিন মোল্যা (শিমলী তোলা) এই দাঁতা দুজনৰ পৰা কলেজখনৰ হ'কে পোৱা ৭৭ বিঘা মাটি (যাৰ দাগ নং - ১৬১২-১৬১৩ চন, ১৯৫৫ আৰু ৫৭০, চন ১৯৫৯) চৰকাৰৰ ঘৰত বন্ধকত ৰখাৰ সিদ্ধান্তও লোৱা হৈছিল।

থোৰতে ক'বলৈ হ'লে অধ্যাপক, ছাত্ৰ-ছাত্ৰী তথা ৰাইজ আৰু হিতাকাঙ্খী সকলৰ সহানুভূতি সহায় সহযোগিতা আৰু চৰকাৰৰ মৰমৰ বলত কৰ্ত্তৃপক্ষই সময়মতে কলেজৰ প্ৰয়োজনীয় অৰ্হতাখিনি থকা বুলি কাগজে-কলমে আয়োগক দেখুৱাব পৰা ক্ষমতা অৰ্জন কৰিছিল।

বহু প্ৰতিভাৰ গৰাকী অসম মাতৃৰ যোগ্য সন্তান ড° মহেন্দ্ৰ বৰা দেৱ কটন কলেজৰ পৰা ইংৰাজীৰ অধ্যাপনা এৰি আমাৰ কলেজত অধ্যক্ষ হিচাবে নিযুক্তি গ্ৰহণ কৰে। ড° বৰাদেৱ গোৱালপাৰা কলেজৰ এই গুৰুত্বপূৰ্ণ পদৰ দায়িত্বত ১৩ বছৰৰো অধিক কাল থাকে (২/১২/১৯৬০-৭/৬/১৯৭৩)।

ড° বৰা দেৱে দায়িত্ব পোৱাৰ পাছত কৰ্ত্তৃপক্ষৰ পৰামৰ্শ, অধ্যাপক, ছাত্ৰ সমাজ তথা ৰাইজৰ সহযোগীতাত কলেজখনৰ শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ নিম্নতম সুবিধাখিনিৰ ব্যৱস্থা প্ৰথমে হাতত লয়। কলেজখনৰ আধৰুৱা দ্বিতীয় পৰ্য্যায়ৰ কাম কম সময়ৰ ভিতৰত কৰাই শিক্ষাদানৰ সুবিধা কৰিলে। আচবাব পত্ৰৰ অভাৱ কিছু গুছালে। ১৯৬১ ৰ ছেপ্তেম্বৰৰ পৰা কলেজৰ কাষতে ১৩৫.০০ টকা (এশ পয়ত্ৰিশ) টকা ভাড়াৰ ঘৰ এটা লৈ (বৰ্ত্তমান মুকুট হাজৰিকাৰ ঘৰ আৰু প্ৰেছ) ল'ৰাৰ হোষ্টেল পাতি কিঞ্চিত হ'লেও বাহিৰৰ পৰা পঢ়িবলৈ অহা ছাত্ৰৰ সুবিধা কৰি দিলে। বাহিৰৰ পৰা পঢ়িবলৈ অহা অন্ততঃ কেইজনীমান ছাত্ৰীক স্থানীয় চেণ্ট্ৰেল গাৰ্লচ্ ছোৱালী হাইস্কুলৰ ছাত্ৰী নিবাসত ৰখাৰ চিন্তা কৰি যুদ্ধকালীন তৎপৰতাৰে অন্যান্য সমস্যাবোৰৰ সমাধানৰ পৰিকল্পনা হাতত ল'লে। কৰ্ত্তৃপক্ষৰ পৰামৰ্শ, অধ্যাপক সকলৰ অকৃত্ৰিম সহযোগিতা ৰাইজৰ সহায় সহানুভূতি আৰু ছাত্ৰ সমাজৰ মহান দায়িত্ববোধে বাধাহীনভাৱে কাম কৰি যোৱাৰ বাবে ড° বৰা দেৱৰ সহায়ক হৈছিল। কম দিনৰ ভিতৰতে সমস্যাবোৰৰ আংশিক সমাধান কৰিব পাৰিছিল।

১৯৬২-৬৩ চনৰ শিক্ষা বছৰৰ পৰা নতুন পঠ্যক্ৰম (TDC) আমাৰ মহাবিদ্যালয়তো আৰম্ভ হ'ল। পুৰণি B.A. মহলাৰ বিষয়সমূহ একে ৰাখি মাত্ৰ ৰাজনীতি বিজ্ঞান সংযোগ কৰা হ'ল আৰু লগতে ৰাজনীতি বিজ্ঞান বিষয়ত Hons ও আৰম্ভ কৰা হ'ল। কৰ্ত্তৃপক্ষৰ পৰামৰ্শ অনুসাৰে ১৯৬২-৬৩ শিক্ষা বছৰৰ পৰা প্ৰাক্-বিশ্ববিদ্যালয় (P.U.) শ্ৰেণীত বিজ্ঞান শাখা খুলি বিজ্ঞান পৰীক্ষাগাৰৰ প্ৰয়োজনীয় কিছু সা-সঁজুলিও কিনা হয় আৰু লগতে অধ্যাপক নিযুক্তিৰ ব্যৱস্থা কৰি এজন অধ্যাপকৰ দ্বাৰা শ্ৰেণীৰ শুভাৰম্ভ কৰা হয়। চীন-ভাৰত যুদ্ধ হেতু নিযুক্তি গ্ৰহণ কৰিও অসমৰ বাহিৰৰ পৰা অধ্যাপক আহি নোপোৱাত (সেই সময়ত অসমত বিজ্ঞান শিক্ষাৰ বাবে শিক্ষকৰ অভাৱ আছিল) আৰু আনফালে চৰকাৰৰ পৰা আশা কৰা সাহায্য সোনকালে পোৱাৰ আঁশাও তেনে ক্ষীণ বিবেচনা কৰি কৰ্ত্তৃপক্ষই বিজ্ঞান শাখা সাময়িক ভাৱে ৩/১১/৬২ ৰ পৰা বন্ধ কৰিলে। ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলক কলা শাখাত ৰাখি বাকীবোৰৰ বিজ্ঞান পঢ়াৰ সুবিধা কৰ্ত্তৃপক্ষৰ সহায়ত বেলেগ মহাবিদ্যালয়ত কৰি দিয়া হৈছিল।

ইমান দিনে শিক্ষাৰ খাতিৰত ৰাইজ আৰ্থিক ভাৱে ক্ষতি গ্ৰস্থ হৈছিল যদিও গঠনমূলক ভাৱধাৰাৰ অভাৱ হোৱা নাছিল। কলেজখনৰ খাতিৰত ইয়াৰ দুৰ্দিনত কৰ্ত্তৃপক্ষই দিয়া সময়ৰ আহ্বানক ৰাইজে সদায় সন্মান জনাই আহিছে। এইবাৰো ৰাইজে

ব্যতিক্রম নকৰিলে। কৰ্ত্তৃপক্ষই গ্ৰহণ কৰা নতুন পুঁজি সংগ্ৰহ অভিযানত ৰাইজে পূৰ্ণ সহাঁৰি জনালে। অধ্যাপক আৰু ছাত্ৰৰ সহযোগীতাত কৰ্ত্তৃপক্ষই আয়োজনকৰা Charity footbal match চাই, যাত্ৰী টিকট আৰু চিনেমা টিকটৰ মূল্য মূল্যতকৈ চাৰি পইচাকে বঢ়ুদিনলৈ কলেজখনৰ সাহায্যাৰ্থে আপত্তি নকৰাকৈ দি থাকি অনুষ্ঠানখন আগবাঢ়ি যোৱাত সহায় কৰিছে।

১৯৬২-৬৩ চনৰ বিত্তীয় বছৰৰ পৰা আমাৰ মৰমৰ কলেজখন চৰকাৰে ঘাঁটি মঞ্জুৰি প্ৰাপ্ত (Deficit system)কলেজ সমূহৰ তালিকাভূক্ত (Arts section) কৰিলে। ইয়াৰ ফলত ১৯৬৩-৬৪ বিত্তীয় বছৰৰ পৰা কলেজ কৰ্ত্তৃপক্ষৰ খৰচৰ বোজা কিছু পাতল হ'ল। ১৯৬২-৬৩ ত প্ৰৱৰ্ত্তন কৰা তিনিবছৰীয়া পাঠ্যক্ৰমৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰাওঁ ১০,০০০ (দহ হাজাৰ) টকাৰ অনুদান ইতিমধ্যে কলেজ কোষত জমা হৈছিল।

আমাৰ মহাবিদ্যালয় আকাশৰ ডাঠকলা ডাৱৰ লাহে লাহে আঁতৰি পোহৰৰ ক্ষীণ ৰেখা দেখা দিলে। চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুগ্ৰহত এতিয়াৰ পৰা আমাৰ মহাবিদ্যালয়খনে পুৰণি মোট সলাই নতুন মোট ল'লে। উপযুক্ত অভিযন্তাৰ দ্বাৰা মাষ্টাৰ প্লেন এখন কৰাই পৰ্য্যায়ক্ৰমে মূলঘৰটো সঁজাৰ পৰিকল্পনা হাতত ল'লে। প্ৰথম পৰ্য্যায়ৰ কামৰ বাবে স্বৰ্গীয় ৰামেশ্বৰ দাস (G.B. Member)ডাঙৰীয়াক ঠিকা দিয়া হ'ল। সময়মতে দ্বিতীয় পৰ্য্যায় আৰু তৃতীয় পৰ্য্যায়ৰ কাম হৈ উঠিল। ১৯৬৪-৬৭ চনৰ ভিতৰতে সকলোখিনি নহ'লেও উপস্থিত ক্ষেত্ৰত প্ৰয়োজন হোৱা কোঠালি, আছবাব পত্ৰ আদি যোগাব হ'ল। অস্থায়ীভাৱে হ'লেও কলেজৰ গ্ৰন্থাগাৰ, অধ্যাপকৰ বিশ্ৰাম প্ৰকোষ্ঠ, ছোৱালীৰ জিৰণি কোঠা, শ্ৰেণীৰ বাবে অধিক কোঠাৰ আংশিক পূৰণ হ'ল।

অভাব অনাটন আৰু অসুবিধা হেতু ১৯৬২-৬৩ চনত বন্ধ কৰা বিজ্ঞান শিক্ষা ১৯৬৬-৬৭ চনৰ শিক্ষা বছৰৰ পৰা বি, এচ, চি প্ৰথম বাৰ্ষিক শ্ৰেণীত সাতজন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হ'ল। ১৯৬৬-৬৭চনৰ পৰা আৰম্ভ হোৱা আমাৰ বিজ্ঞান শিক্ষা অব্যাহত ভাৱে আজিলৈ চলি আছে। আৰম্ভণীৰ অধ্যাপক সকল সৰ্বশ্ৰী কুলভূষণ দাস (Biology + Botany), জিয়ায়ুৰ ৰহমান (Chemistry), ড° কমলেশ্বৰ গোস্বামী (Physics) আৰু নন্দ দুলাল অধিকাৰী (Maths)। ইয়াৰ পাছতো নতুন নতুন বিভাগত অধ্যাপক আহিছে আৰু গৈছে। গোৱালপাৰা মহাবিদ্যালয়ৰ নবৰূপ দিয়াত এই সকলোৱে কম বেছি পৰিমানে অৰিহনা যোগাইছে নিশ্চয়।

বহু বাধা বিঘিনি অতিক্ৰম কৰি নানান তিতা-কেঁহা হজম কৰিও কৰ্ত্তৃপক্ষ, অধ্যাপক, ছাত্ৰ সমাজ আৰু ৰাইজৰ সহযোগীতাত ১৯৭৩ চনৰ আগ মূহুৰ্ত্ততে আমাৰ কলেজখনক কলা আৰু বিজ্ঞানৰ এখন পূৰ্ণ পৰ্য্যায়ৰ কলেজ হিচাবে ৰূপ দিয়াত ড° বৰা দেৱ সক্ষম হৈছিল। অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু বুৰঞ্জী বিষয়ত অনাৰ্চ এওঁৰ দিনতে হয়। ১৩ বছৰ ৫ মাহ ১৮ দিন গোৱালপৰা কলেজৰ অধ্যক্ষতাৰ গুৰু দায়িত্বত থাকি স্বৰ্গীয় ড° মহেন্দ্ৰ বৰা দেৱ ১৯৭৩ চনৰ জুনমাহৰ ৭তাৰিখে অধ্যক্ষ পদৰ পৰা ইস্তাফা দি বহু বেদনা লৈ গোৱালপাৰা এৰি গুছি যায়। চাকৰি জীৱনৰ এদিনো নষ্ট হ'ব নিদি বিলাসীপাৰা কলেজৰ অধ্যক্ষ পদত কিছুদিন থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত সোমায়। শেষত বেজবৰুৱা আসনৰ অধ্যাপক হিচাবে থাকি অৱসৰ লয়।

প্ৰতিষ্ঠাৰ দিনৰ পৰা সময়ে সময়ে কলেজখনৰ সম্পাদকৰ মহান দায়িত্ব পালন কৰি কলেজখনক গঢ় দিয়াত আপ্ৰাণ চেষ্টা কৰিছিল স্বৰ্গীয় ওৱাজুদ্দিন আহম্মদদেৱে (আৰম্ভণীৰ অধ্যক্ষ) আৰু স্বৰ্গীয় মাধৱ চন্দ্ৰ বৰুৱাদেৱে।

এখেত সকল আছিল উৎসৰ্গিক প্ৰাণ সমাজকৰ্মী। এখেত সকলে কলেজখনৰ সৰ্বাংগীন মংগলৰ হকে দেহে কেহে খাটিছিল।

স্বৰ্গীয় ৰজনী কান্ত দাস দেৱ একেৰাহে বহুবছৰ সম্পাদকৰ দায়িত্বত থাকি কলেজখনৰ উন্নতিৰ হ'কে প্ৰাণ-পনে যুঁজি যি অৰিহণা আগবঢ়াই থৈ গ'ল সি অকল আমাৰ কলেজখনৰ গৌৰৱ বৃদ্ধি কৰা নাই, গোৱালপাৰা তথা এই বৃহত্তম এলেকাৰ জীৱনৰো বিভিন্ন দিশ সমৃদ্ধ কৰিছে। ১৯৬২ চনত কলেজৰ সাহাৰ্যাৰ্থে আয়োজন কৰা Charity footbal match competition ক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা আৰু ১৯৬৪ চনত গোৱালপাৰা বিদ্যাপীঠ আৰু নিউ গোৱালপাৰা হাইস্কুলৰ কৰ্ত্তৃপক্ষই অনুমতি নোহোৱাকৈ কলেজৰ খেল পথাৰৰ সোঁহাতে স্কুলঘৰ নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা পৰিস্থিতি সুন্দৰ ভাবে মিট-মাট কৰাত কৰ্ত্তৃপক্ষই সক্ষম হৈছিল।

কৰ্ত্তৃপক্ষৰ ২/৫/৭২তাৰিখৰ সিদ্ধান্ত অনুসৰি কলেজ পৰিচালনা সমিতিৰ সঁজাতি দল এটি বিজ্ঞান শাখাৰ বাবে চৰকাৰী সহায় বিচাৰি শ্বিলঙলৈ গৈ উভতি অহাৰ পথত মটৰ দূৰ্ঘটনাত কলেজৰ হ'কে প্ৰাণাহুতি দিয়া স্বৰ্গীয় দিনেন্দ্ৰ নাঃ সিংহ, "হঙ্গুদা"(G.B. Member) অঙ্কুৰতে বিনাশ হোৱা ডেকা কৰ্ম্মী বন্ধুবৰ স্বৰ্গীয় শিশিৰ মেধী আৰু স্বাৰ্গীয় সাহাদত আলী (M.L.A) ডাঙৰীয়া আৰু চিৰদিনৰ কাৰণে ঘুণীয়া

হোৱা শ্ৰদ্ধেয় শ্ৰীযুত বিনয় কৃষ্ণ ঘোষ (G.B. Member) আৰু মাননীয় উপাধ্যক্ষ মৰহুম লুতফুৰ ৰহমান চাৰক আজিৰ দিনত পাহৰিম কেনেকৈ?

জনম দি অনুষ্ঠানখনৰ সৰ্বাংগীন মংগলৰ হকে দেঁহে কেঁহে খাটি আমাক এৰি যোৱা মহান ব্যক্তি সকলক আমি আজিৰ এই দিনটোত কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰে সোঁৱৰো স্বৰ্গীয় খগেন্দ্ৰ নাথ নাথ, স্বৰ্গীয় ওৱাজুদ্দিন আহম্মদ, স্বৰ্গীয় মুজিবৰ ৰহমান, স্বৰ্গীয় ক্ষীৰোদ মোহন মেশ, স্বৰ্গীয় মহবুবৰ ৰহমান, স্বৰ্গীয় আজিমুদ্দিন আহাম্মদ, স্বৰ্গীয় এচ, এম, সেনগুপ্ত, স্বৰ্গীয় মণিকান্ত দাস, স্বৰ্গীয় নজমুল হ'ক, স্বৰ্গীয় অমূল্য ভূষণ অধিকাৰী, স্বৰ্গীয় কুমুদেশ্বৰ নাথ, স্বৰ্গীয় ৰজনীকান্ত দাস, স্বৰ্গীয় দুগ্ধ নাথ নাথ, স্বৰ্গীয় ৰমেশ চন্দ্ৰ দাস, স্বৰ্গীয় চাৰু মোহন দাস, স্বৰ্গীয় ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰী, স্বৰ্গীয় প্ৰতাপ চন্দ্ৰ ঘোষ, স্বৰ্গীয় ভবেন্দ্ৰ নাঃ সিংহ, স্বৰ্গীয় ডাঃ অন্নদা চৰণ দাস, স্বৰ্গীয় ডাঃ মেহদি আলী, স্বৰ্গীয় মজিৰুদ্দিন আহাম্মদ, স্বৰ্গীয় হাকিম চন্দ্ৰ ৰাভা। এওঁলোকৰ স্মৃতিয়ে ভৱিষ্যত প্ৰজন্মক প্ৰেৰণা যোগাব। এওঁলোকৰ আত্মাই চিৰ শান্তি লাভ কৰক, এয়ে আজিৰ এই সোণালী বৰ্ষৰ পৰত আমাৰ কামনা।

স্বৰ্গীয় ড° মহেন্দ্ৰ বৰা দেৱৰ পাছত উপাধ্যক্ষ মৰহুম লুতফুৰ ৰহমান চাহাবে ৪/২/৭৪ লৈকে কাৰ্য্যকৰী অধ্যক্ষ হিচাবে কলেজৰ কাম চলাই ৰাখে। ১/৩/৭৪ তাৰিখৰ পৰা চৰকাৰে আমাৰ বিজ্ঞান শাখাটোক ঘাঁটি মঞ্জুৰিৰ মাজত ধৰে। ৫/২/৭৫ তাৰিখৰ পৰা ড° বীৰেন্দ্ৰ নাথ দত্ত মহোদয়ে আমাৰ কলেজৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি এই পদত ২ বছৰ ৬ মাহ কাল থাকি গৌহাটী বিশ্ববিদ্যালয়লৈ গুছি যায়।

ড° বীৰেন্দ্ৰ নাথ দত্ত চাৰৰ পাছত ড° প্ৰবীন শৰ্মা মহোদয় মাত্ৰ ১৪ মাহ ১৪ দিনৰ বাবে আমাৰ কলেজত অধ্যক্ষতা কৰিবলৈ আহি প্ৰথমে সমস্যা সমূহৰ বুজালৈ কৰ্ত্তৃপক্ষৰ পৰামৰ্শ, অধ্যাপক আৰু ৰাইজৰ সহযোগিতাত কামত আগবাঢ়ি বুদ্ধি-কৌশল খটাই স্থানীয় সদাশয় ব্যক্তি কেইজনমানৰ কাষ চাপি বিশেষ দিগদাৰি নোহোৱাকৈয়ে মৰহুম মহম্মদ হুছেন (G.B. Member), জনাব নুৰুন নবি (G.B. Member), শ্ৰীযুত দি, এল, পোদ্দাৰ, স্বৰ্গীয় বিৰধি চান্দ চাজেৰ, শ্ৰীযুত চাম্পালাল আৰু শ্ৰীজয় সূৰ্য্য নাথ ডাঙৰীয়াৰ সুন্দৰ সহাঁৰি পাইছিল। এই মহান দাঁতা সকলৰ পৰা একোটাকৈ Memorial Room কলেজখনৰ বাবে আদায় কৰে। ইয়াৰ উপৰিও দুই-তিনিজন ব্যক্তিৰ পৰা একোটাকৈ কোঠাৰ আংশিক খৰচ দান হিচাবে লোৱা হয়। ইয়াৰ বাদেও কিছুমান ব্যক্তিৰ পৰা বুজন পৰিমানৰ দানো আদায় কৰা হয়। বৰ্তমান গ্ৰন্থাগাৰৰ নিৰ্মাণ ড° শৰ্মা চাৰেই কৰি যোৱা। কিঞ্চিত বৈ থকা কাম পৰৱৰ্ত্তী অধ্যক্ষ ড° ৰত্ন কান্ত বৰুৱা দেৱৰ দিনত কৰা হয়। বৰ্ত্তমান অধ্যাপকৰ প্ৰকোষ্ঠটোও ড° শৰ্মা চাৰে কৰি থৈ যোৱা পৰিকল্পনাৰ ফলশ্ৰুতি। এই প্ৰকষ্ঠাটো নিৰ্মাণ কৰোঁতে যি খৰচ হৈছিল তাৰ ভিতৰত বিজ্ঞান সমিতিৰ সৌজন্যত ১৯৭৮ চনত আমাৰ কলেজত পতা ৰূপালী জয়ন্তী উৎসৱৰ অভ্যৰ্থনা সমিতিৰ বৰঙণী ১১,০০০.০০ (এঘাৰ) হাজাৰ টকাও আছিল। বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পোৱা অনুদানেৰে বৰ্ত্তমান ছাত্ৰী নিবাসটোৰ নিৰ্মাণ কাৰ্য্যও ড° শৰ্মা চাৰৰ দিনতে হাতত লোৱা হয়। তেখেতৰ দিনতে ৰসায়ন আৰু প্ৰাণী বিজ্ঞান বিষয়ত অনাৰ্চ খোলাৰ পৰিকল্পনা কৰা হয় যদিও ২৬/৩/৮৫ ৰ পৰাহে বিশ্ববিদ্যালয়ে এই সংক্ৰান্তত স্বীকৃতি দিয়ে। ড° শৰ্মা চাৰে আমাৰ পৰা কলেজখনৰ বাবে কম দিনৰ ভিতৰতে কেইবাটাও Posts চৰকাৰৰ পৰা আদায় কৰাত সক্ষম হয়। ভালেমান সমস্যাৰ সময়োপযোগী সমাধান কৰি লগতে গুৰুত্বপূৰ্ণ কিছু সমস্যা সমাধানৰ ভৱিষ্যত পৰিকল্পনা সাঁজি থৈ ১৪/৯/৭৯ তাৰিখে তেখেত আমাৰ কলেজ এৰি পাণ্ডু কলেজলৈ যায়।

ইতিমধ্যে আমাৰ মৰমৰ মহাবিদ্যালয়ৰ বয়স ২৫ বছৰ হৈছিল। ড° প্ৰবীন শৰ্মাদেৱৰ খালি ঠাই পূৰাবলৈ ড° ৰত্ন কান্ত বৰুৱা মহোদয় আমাৰ কলেজত সোমায়। এখেত গোৱালপাৰা চহৰৰ মানুহ। ভালেমান বছৰ গৌহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসন বিভাগৰ উচ্চ পদত থকা ব্যক্তি (Controller of Examination), যথেষ্ট অভিজ্ঞতাৰ গৰাকী। এখেত ২৩/১১/৭৯ তাৰিখৰ পৰা ১৪/১২/৮২ লৈকে ৩ বছৰ ২১ দিন আমাৰ কলেজৰ অধ্যক্ষ পদত থাকি সন্দিকৈ ছোৱালী কলেজলৈ গুচি যায়। ড° বৰুৱা দেৱৰ দিনতে আমি আমাৰ কলেজখনৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰো। ড° শৰ্মা চাৰে এৰি থৈ যোৱা গ্ৰন্থাগাৰৰ বাকীবোৰা কাম, অধ্যাপক বিশ্ৰাম প্ৰকোষ্ঠৰ নিৰ্মাণ আৰু ছাত্ৰী নিবাসৰ আধৰুৱা কাম আদি ড° বৰুৱাদেৱে সম্পন্ন কৰে। ওপৰ মহলাৰ লগত ভাল সম্পৰ্ক থকা হেতু এখেতে কলেজখনৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ কাম কাগজে কলমে আগবঢ়াই থৈ যায়। এইজনা চাৰৰ কাৰ্য্যকালতে Zoology আৰু Chemistry বিষয়ত অনাৰ্চ আৰু স্নাতক মহলাত ভূগোল বিজ্ঞান বিষয় খোলা হয়।

মাননীয় শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা মহোদয়ে যোৱ ১/১২/৮৩ পৰা আমাৰ মহাবিদ্যালয়খনৰ অধ্যক্ষৰ আস-

অলঙ্কিত কৰি থাকি ৩১/৫/৯৬ লৈ এই আসনৰ মর্য্যদা ৰক্ষা কৰি আছিল। আমাৰ কলেজ ঘৰৰ লগত লাগি থকা উত্তৰ মহাবাহু যেন (Hall) ঘৰ খন এওঁয়েই বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানৰ টকাৰে সাঁজে। প্ৰাণী বিজ্ঞান আৰু ভূগোল বিজ্ঞান পৰীক্ষাগাৰৰ কোঠালী দুটাও চাৰে সাঁজি উলিয়ায়। শিক্ষা আৰু পৰিসংখ্যা বিষয় এওঁয়েই সংযোগ কৰে। ৰসায়ন আৰু প্ৰাণী বিজ্ঞানৰ Major ৰ স্বীকৃতি (Affiliation 26/03/85) সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ পৰা এই চাৰেই আদায় কৰে। পদাৰ্থ, জীৱ আৰু ভূগোল বিজ্ঞানত Major চলাই ৰাখি ইতিমধ্যে ইয়াৰ যোগ্যতা প্ৰমাণৰ যাবতীয় ব্যৱস্থা আৰু গ্ৰন্থাগাৰৰ পুঁথি-পাতিৰ সংখ্যাও এওঁৰ দিনত যথেষ্ট বঢ়োৱা হয়।

মাননীয় ডেকা চাৰৰ পাছত অধ্যাপক শ্ৰদ্ধেয় শ্ৰীযুত বীৰেন্দ্ৰ নাঃ চৌধুৰীদেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে ০১/০৬/৯৬ তাৰিখে আমাৰ কলেজখনৰ দায়িত্ব গ্ৰহণ কৰি ৩১/০৫/৯৭ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

ইয়াৰ পাছত অধ্যাপক শ্ৰীযুত ৰমাকান্ত বৰুৱাদেৱে ০১/০৬/৯৭ ৰ পৰা ২৩/০৭/৯৭ লৈকে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কলেজখনৰ দায়িত্বত থাকে।

ইতিমধ্যে কৰ্ত্তৃপক্ষই নিয়মিত অধ্যক্ষ নিযুক্তিৰ যাবতীয় ব্যৱস্থা কৰি ২৪/০৭/৯৭ তাৰিখৰ পৰা ড° সুৰেন্দ্ৰ নাথ শৰ্মা দেৱক আমাৰ কলেজৰ অধ্যক্ষ পদত মকৰল কৰে। শৰ্মাদেৱ ইয়াৰ আগতে আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল। এখেঁত আমাৰ কলেজত ৬ (ছয়) বছৰৰো অধিক কাল (২৪/০৭/৯৭-৩১/০৭/০৩) অধ্যক্ষতা কৰে। কৰ্ত্তৃপক্ষ পৰামর্শ, অধ্যাপক আৰু কর্মচাৰীসকলৰ সহযোগীতাত কিছু উল্লেখনীয় কাম আগবঢ়াই থৈ যায়। U.G.C. ৰ অনুদানেৱে Industrial Fish and Fisheries আৰু Bio-Technology এই vocational বিষয় দুটা এওঁয়েই আৰম্ভ কৰা। ইয়াৰ বাবে প্ৰয়োজনীয় সা-সঁজুলি আৰু শিক্ষা দানৰ বাবে কোঠালীৰ ব্যৱস্থাও ড° সুৰেন্দ্ৰ নাথ শৰ্মা দেৱে কৰে। গ্ৰন্থাগাৰৰ উন্নতি কৰণৰ বাবে প্ৰয়োজন হোৱা আহিলা পাতিৰ ভালেমান এওঁৰ দিনতে ক্ৰয় কৰা হয়। Hall ঘৰ আৰু গ্ৰন্থাগাৰৰ মাজৰ দক্ষিণ ফালৰ কোঠালী দুটা এই ছোৱাতে হয়। তাৰোপৰি NAAC ক সন্তুষ্ট কৰাৰ বাবে ভালেমান কাম ড° শৰ্মাদেৱৰ দিনতেই আৰম্ভ হয়।

ড° সুৰেন্দ্ৰ নাথ শৰ্মা দেৱৰ কার্য্য কাল শেষ হোৱাৰ পাছত কৰ্ত্তৃপক্ষই কলেজখনৰ অঙ্ক বিভাগৰ মূৰব্বী অধ্যাপক ড° আবুল মাছুম (০১/০৮/০৩) ক ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে নিযুক্তি দিয়ে। অনুষ্ঠানখনৰ অভাৱ অভিযোগ সমূহৰ লগত এওঁ আগৰে পৰা জড়িত। তাৰোপৰি সন্মুখনত NAAC ৰ পৰিদর্শনৰ কথা আছিলেই। যুদ্ধকালীন তৎপৰতাৰে কৰ্ত্তৃপক্ষৰ পৰামর্শ, অধ্যাপক, কর্মচাৰী তথা ৰাইজৰ সহযোগীতত কম দিনৰ ভিতৰত NAAC ক সন্তুষ্ট কৰিব পৰা কামখিনি কৰাৰ পাছত কলেজৰ বর্ত্তমান আৰু ভৱিষ্যত কল্যাণৰ বাবে ভালেমান কাম পৰিকল্পনা হাতত লয়। সময়ৰ চাহিদা পূৰণত তেখেতেৰ ভূমিকা শলাগিব লাগিব। NAAC ৰ পৰিদর্শন পাৰ হৈ গ'ল কলেজখনে পাঁচ বছৰৰ বাবে সন্মানীয় B^+ Grade পালে। ই আমাৰ বাবে আনন্দৰ কথা নিশ্চয়।

ড° মাছুম চাহৰৰ নেতৃত্বত এইসময় চোৱাত Canteen ৰ সুবিধা আলিবাটৰ উন্নতি, চৰকাৰৰ বুণিয়াদ আঁচনিৰ অধীনত কলেজ সীমাৰ চাৰিও ফালে ৫১৫ মিটাৰ পকী বেৰৰ নির্মাণ, উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ আৰবী আৰু সংস্কৃত ২০০৩-০৪ বিষয় দুটা সংযোগ আৰু ইয়াৰ বাবে দৰকাৰী ২ টা কোঠালি নির্মাণ, মাননীয় সাংসদ ড° অৰুণ শর্মা দেৱে যোগান ধৰা সাংসদ পুঁজিৰ ৫ লাখ টকাৰে Modern Auditorium ৰ আংশিক নির্মাণ দাঁতা জনাব আব্দুৰ ৰহিম (কাৰাবালা, গোৱালপাৰা) চাহাবৰ দাঁনৰ দ্বাৰা দৰকাৰী কোঠালি নির্মাণ (নির্মাণ কার্য্য চলি আছে)কলেজৰ ৰলা বিভাগবোৰৰ বাবে সুকীয়া কোঠালিৰ ব্যৱস্থা কৰি লগতে গ্ৰন্থাগাৰৰ ব্যৱস্থা কৰণ আদি কম সময়ৰ ভিতৰত কৰা হয়।

ইচ্ছা থকাৰ বাবে অতবোৰ কাম কৰাৰ সুবিধা হৈছে। এই চোৱা কালৰ ভিতৰতে ড° মাছুম চাহাবৰ নেতৃত্বত মাননীয় সংসদ (ধুবুৰী) জনাব আনোৱাৰ হুছেন চাহাবৰ পৰা কলেজখনৰ হকে এটি সুঁকীয়া প্ৰশাসনীক ভৱন নির্মাণৰ বাবে সাংসদ পুঁজিৰ ৮ লাখ টকাৰ প্ৰতিশ্রুতি পাইছে।

কৰ্ত্তৃপক্ষৰ অনুমতি সাপেক্ষে অধ্যাপক আৰু ছাত্ৰ-ছাত্রীৰ সহযোগীতাত তেখেতে কলেজৰ হকে ইতিমধ্যে আৰম্ভ কৰা তলৰ কামখিনিক আমি শলাগিব লাগিব।

1. Coaching Scheme for entry into Services Under UGC
2. Under PURA
   a. Repairing of Electric Electronic goods
   b. Health and Hygiene and
   c. Computer application

এই সময়োপযোগী নতুন ব্যৱস্থা সমূহে তেখেঁতৰ অদম্য ইচ্ছাৰ ইঙ্গিত বহন কৰিছে।

আৰম্ভণীৰ পৰা নানা বেমেজালি আৰু অভাৱ

অভিযোগৰ মাজেৰে পৰিচালিত প্ৰায়খিনি অতিক্রম কৰি আমাৰ কলেজখনে বর্ত্তমান উন্নতিৰ পথলৈ আগবাঢ়িছে। কলেজৰ ছাত্র-ছাত্রী ৰ সংখ্যা বহুৰি বাঢ়িয়েই আছে। বর্ত্তমান পুৱা আৰু দিনৰ শাখা মিলি প্ৰায় ২০০০ ছাত্র ছাত্রীয়ে আমাৰ কলেজত শিক্ষা গ্ৰহণ কৰি আছে। এই ছাত্র-ছাত্রী সকলৰ আধাতকৈ বেছি চহৰৰ বাহিৰৰ পৰা অহা। ছাত্র-ছাত্রীৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে আমাৰ অভিযোগো বাঢ়িছে। ছাত্রা বাসৰ সম্প্রসাৰণৰ ব্যৱস্থা কর্ত্তৃপক্ষই অতি সোনকালে কৰিব লগা হৈছে। ছাত্র বাসত থকা সুবিধা দিব নোৱাৰা বাবে বহু ছাত্র চহৰৰ চুকে কোণে ইফালে সিফালে বাগৰি মহান কর্ত্তব্যৰ ক্ষেত্রত জিয়াতু ভূগিছে। ছাত্রীৰ ক্ষেত্রটো সেই একে সমস্যা। এই সমস্যাবোৰৰ প্ৰতি চিন্তা কৰি কর্ত্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বর্ত্তমানৰ ছাত্র-ছাত্রীৰ জিৰণি কোঠা দুটা যথেষ্ট সৰু। স্থানাভাবত ছাত্র-ছাত্রীসকলে ঘুৰি-ফুৰি বাৰাণ্ডা অথবা ইফালে-সিফালে ঘুৰি ফুৰি তেওঁলোকৰ আজৰি সময় নষ্ট কৰিব লগা হৈছে। গতিকে ছাত্র-ছাত্রীৰ বাবে আহল-বহল জিৰণি কোঠাৰ অতি প্রয়োজন হৈছে। ভৱিষ্যত উন্নতি কল্পে এতিয়াৰ পৰা পৰীক্ষাগাৰ সমূহৰ পৰিকল্পনা হাতত ল'ব লাগে। গ্ৰন্থাগাৰৰ লগত অধ্যাপকৰ বাবে স্থায়ী ৰিডিং ৰুমৰ ব্যৱস্থা কৰিব লাগে। কর্ত্তৃপক্ষই আমাৰ খেলপথাৰখনৰ উন্নতি সাধনৰ পৰিকল্পনা কৰি শিক্ষাৰ দৰকাৰী ফালটোক মামৰ মুক্ত কৰিব লাগে।

আজি দুকুৰি দহ বছৰৰ ভিতৰত আমাৰ কলেজৰ বিভিন্ন দিশত নানা যোগ বিয়োগ ঘটিল প্ৰায় ২০০০ ছাত্র-ছাত্রী, স্থায়ী-অস্থায়ী মিলি ৮৩ গৰাকী অধ্যাপক-অধ্যাপিকা কলা আৰু বিজ্ঞান বিষয়ত নতুন নতুন বিষয়ৰ প্রৱর্ত্তন, ঘৰ-দুৱাৰ নির্মাণ, তৃতীয় আৰু চতুর্থ শ্রেণীৰ কর্মচাৰীৰ অধিক কর্ম-সংস্থানে আজিলৈ কলেজখনৰ প্রগতিৰ সুচনা কৰিছে বুলি ক'ব পাৰি।

আমাৰ কলেজখনৰ জীৱন বৈচিত্র্যময়। বর্ত্তমান কলেজখনৰ কর্ত্তৃপক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্রসমাজৰ উপৰিপুৰুষ সকলক লৈ আমি গৌৰৱ কৰিব পাৰো। সেইবোৰ ক্রমাৎ বিস্মৃতিৰ গর্ভত মুখ লুকাবলৈ আৰম্ভ কৰিছে আৰু ইতিমধ্যে বহু পুৰণি কথাৰ তলা নলা পাবলৈকে টান হৈছে। সৰু বৰ আমি সকলোৱে কম বেছি পৰিমানে অনুষ্ঠানখনৰ বুৰঞ্জীৰ আহিলা যোগনীয়াৰ। উপৰিপুৰুষ সকলৰ কথা জানিলে আমাৰ বল বাঢ়ে।

এইছোৱা কালতে কলেজখনৰ বহুত ওলট-পালট হ'ল। বহু গ'ল, বহু আহিল। হয়তো নিলিখিবলগীয়া কথা লিখিলো। লিখিবলগীয়া কথাও বাদ পৰিল। ইয়াৰ বাবে সকলোৱে ওচৰত ক্ষমা বিচাৰিছো।

All knowledge, secular or spiritual, is in human mind. Knowledge is inherent in man, no knowledge comes from outside, it is all inside. The soul is the source of infinite knowledge, which has been existing there through eternity. So each of us carry the infinite library of the universe in our mind. This knowledge is covered and hidden like a mine. It is for us to unearth, to uncover, unveil, to discover.

- Swami Vivekananda

Fond Memories of Goalpara College

Dr. Prabin Sarma,
Former Principal

It is indeed a matter of great pride that Goalpara College has turned 50 glorious years of its existence and the *alma-mater* with all its alumni, old and new, are celebrating the great occasion of Golden Jubilee on 8th August, 2005, the auspicious foundation day of the College. Had there been no previous engagement elsewhere, I would have considerd myself fortunate enough to have a cup of rejoicing moments of the institution to which I have an emotional and loving attachment.

On 30th June, 1978, I joined the college as the Principal and took charge from late Prof. Lutfur Rahman, a gentleman per excellence. I remember even today that I was given a rousing reception by the teachers, students and the management and expected very high of me for the development of the college. The day on which I joined the college it was about 23 years old but it appeared to me that the growth of the college was tardy. To be of some use of the college, my first venture as a Principal, I thought that my job would be stupendous and the responsibility, challenging.

I embarked upon the job with all sincerity and wanted to garner support of all those who were directly connected with the college and a great cause of education. I got overwhelming support from the college staff, teachers, students and employees, the engineers posted at Goalpara, the timber merchants, the general merchants of Goalpara town and the nearby areas, the brick merchants, the forest department of the Govt. of Assam, the Directorate of Higher Education, the Gauhati University authorities, the UGC. The local people were a formidable strength for me.

The blue print for development of the college was ready. Except for minor head-aches, the things proceeded as envisaged. The UGC released grants, the Govt. sanctioned posts to meet defeciencies, the G.U. authorities did their part in time, donations and contributions were fabulous, construction of laboratories, library, class rooms and the girls' hostel progressed unhindered. Hons. courses in some subjects could be introduced, The climate of development appeared electrified. I was extremely happy. The people all around showed me abundant love and reposed confidence on me. Many moments of happiness of and also sorrows are still embedded in my heart. These are considered by me as treasures. I shall never forget the cooperation extended to me by Prf. Uttam Sarma, late Prof. Makhan Saloi, Engr. Manmohan Das, Prof. Abedur Rahman Saikia, Md. M. Rahman, Mukunda Adhikary, Muhammad, Diganta Gohain Barua, Samar Brahma Choudhury and many others.

I left the college on 14th September to join as Principal of Pandu College. In Goalpara College my stinct was only for one year two months and fourteen days but this period I consider as most important for the rest part of my college life. The farewell ceremony, accorded to me just before my departure, had made a deep incision in my heart and it is a joy for ever for me.

Since then the college must have grown much bigger. I wish this throbbing institution will grow from strength to strength to disseminate the values of an educational institution of higher learning. ■

৫০

এখন ভিন্নসুৰী ৰচনা

অতনু ভট্টাচার্য

আজি ৰাতিৰ ভিতৰত কিবা এটা লিখি উলিয়াবই লাগিব। বহুত সময় ইতিমধ্যেই দিয়া হৈছিল মোক। সেই সময় বৰ দুখজনক ভাৱে মোৰ আঙুলিৰ ফাকেৰে সৰকি গৈছে। যেন এটা ইনিংছৰ আৰু মাত্ৰ কেইটামান অভাৰ বাকী; অথচ ক্ৰিজত থিয় হৈ মই এটাও বল ভালকৈ খেলিব পৰা নাই। দৰ্শক বিৰক্ত হৈ উঠিছে, কেপ্টেইন ক্ষুব্ধ হৈ উঠিছে। অকল্পনীয়ভাৱে বাঢ়ি গৈছে আস্কিং ৰাণ-ৰেট্। প্ৰায় বিছ গজ আঁতৰৰ নন্-ষ্ট্ৰাইকিং এণ্ডৰ পৰা কোনোবাই যেন চিঞৰিছে, - শ্বট লোৱা, ফিল্ডাৰৰ মূৰৰ ওপৰেৰে গ্লান্ছ্ কৰি পঠিয়াই দিয়া বল .....

নাহ্ ! একো লিখিব পৰা নাই। কাৰ্যতঃ একোৱেই আহিব খোজা নাই মোৰ কলমত। এনেকুৱাই হয়। সঠিক সময়ত সঠিক বস্তুটো হাতলৈ আহিব নোখোজে। অত্যন্ত প্ৰয়োজনত সঠিক চিন্তাটো মনলৈ আহিব নোখোজে। এনেকুৱা হ'লে আপুনি কি কৰে ? এনেকুৱা হ'লে মই মোৰ চকু দুটা বন্ধ কৰোঁ।

সেই কামটো এইমাত্ৰ মই কৰি পেলালো। চকু জপাই দিয়াৰ লগে-লগে মোৰ ভিতৰলৈ সোমাই আহিল অন্ধকাৰ। অথচ বিক্ষিপ্তভাৱে কিছুমান স্মৃতি কঢ়িয়াই অনাৰ বাহিৰে এই অন্ধকাৰে একো কৰিব নোৱাৰে। মই খুব জোৰ কৰি মই পঢ়া এখন কলেজত মোৰ প্ৰথম দিনটোৰ কথা মনত পেলাবলৈ চেষ্টা কৰিলো। মনত নপৰিল। খুব সন্তৰ্পণে সেই কলেজত মোৰ প্ৰথম ক্লাছটো মনত পেলাবলৈ যত্ন কৰিলো। মনত নপৰিল। কোন বহিছিল মোৰ কাষত? মৃদুল? কোনোপধ্যেই মনত নপৰিল।

অথচ মানুহৰ কিমান পুৰণি কথাই যে মনত থাকি যায়। ৫০ বছৰ আগত যিদিনা এই কলেজখনে প্ৰথম খোজটো দিছিল, সেই দিনটোৰ কথাও অকণো পাহৰি নোযোৱাকৈ ক'ব পৰা মানুহ হয়তো এইখন নগৰত আছে। ৫০ বছৰ আগৰ সেই সময়খিনিৰ এটা অনুপুংখ বিৱৰণ দিব পৰা মানুহো হয়তো এইখন নগৰত আছে। অথচ মই সৌ সিদিনা পাৰ কৰি অহা কেইটামান দিনৰ কথাও চিজিল লগাই ক'ব নোৱাৰিলো।

হঠাৎ মনত পৰিল ডিফাৰেন্সিয়েল ইকুৱেশ্যনৰ কিতাপ এখন লৈ মই পুৰকায়স্থ ছাৰৰ (বিজেতা পুৰকায়স্থ, যি আমাক এৰি গৈছে অকালতে) পিছে পিছে গৈ আছোঁ ঠেক কৰিড'ৰটোৱেদি। হঠাৎ মনত পৰিল যে টার্মিনেল পৰীক্ষাত শতকৰা চল্লিছ নম্বৰ নাপালে গণিত বিষয়ৰ মেজৰ কটা যাব বুলি মাছুম ছাৰে (ড° এ. মাছুম, বৰ্তমানৰ অধ্যক্ষ) এদিন এটা নিৰ্মম ঘোষণা কৰিছিল। মনত পৰিল যে কলেজ ছুটীৰ পাছত কেইবাদিনো মই কলেজৰ এটা কোঠালিত পাতি যোৱা টাইগাৰ কোম্পানীৰ ব'ৰ্ড এখনত টেবুল টেনিছ খেলিছিলো। কেইবাদিনো কলেজৰ প্ৰাচীৰ পত্ৰিকাখনৰ অংগসজ্জা কৰি ৰাতি পলমকৈ ঘৰলৈ উভতিছিলো ! মই যে তেতিয়াই কিছু লেখা-মেলা কৰোঁ, ৰাজ্যৰ মান-বিশিষ্ট আলোচনীবোৰৰ

পাতত যে মোৰ লেখা প্ৰকাশ হ'বলৈ ধৰিছিল, সেই কথাটোৰ বাবে মোক প্ৰশংসিত আৰু উৎসাহিত কৰিছিল ঘাইকৈ শ্ৰীযুত ৰমা বৰুৱা (বুৰঞ্জী বিভাগ), শ্ৰীযুত অৰুণ শৰ্মা (পদাৰ্থ বিজ্ঞান বিভাগ) আৰু শ্ৰীযুত ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী (অসমীয়া বিভাগ) ছাৰে। মোৰ মনত পৰিল যে মোৰ কলেজীয়া দিনবোৰৰ বহুত সময় মই আড্ডা মাৰি নষ্ট কৰি পেলাইছিলো। কিন্তু লগে-লগে এই কথাও মনত পৰিল যে জীৱনটোক অলপ বেলেগ ধৰণে বুজিব পৰাৰ আৰম্ভণিও আছিল সেই দিনবিলাকেই। কেমিষ্ট্ৰিৰ এটা প্ৰেক্‌টিকেল ক্লাছত শ্ৰীযুত অমূল্য শৰ্মা ছাৰে একুৰা-ৰেজিয়া বনাবলৈ দিয়াৰ দৰে এটা তেনেই সাধাৰণ কথা মনত পৰিল; ভগা-ভগা অসমীয়া উচ্চাৰণেৰে কেল্‌কুলাচ শিকোৱা শ্ৰীযুত পদীপ শীল ছাৰৰ লগত এদিন অবাবতে তৰ্ক কৰাৰ কথা মনত পৰিল। অথচ মোৰ বোল নম্বৰটো মনত নপৰিল। একেলগে মেজৰ ক্লাছ কৰা মোৰ কেইবাজনো সহপাঠীৰ নাম মোৰ মনত নপৰিল। কিন্তু স্পষ্টকৈ মনত পৰিল যে কলেজৰ বাৰাণ্ডাত উচ্চস্বৰত কথা পাতি থকাৰ বাবে আমাক শ্ৰীমতী ৰঞ্জু চৌধুৰী বাইদেৱে (বুৰঞ্জী বিভাগ) অত্যন্ত ভদ্ৰভাৱে অথচ গাৰ ছাল বিন্ধি যোৱাকৈ এটা গালি পাবিছিল। তেতিয়া নতুনকৈ আমাৰ গণিত বিভাগলৈ অহা শ্ৰীযুত নিলয়েন্দু সাহা ছাৰৰ এজন জনপ্ৰিয় অভিনেতাৰ নামেৰে নামকৰণ হৈ গৈছিল। মনত পৰিল যে কলেজৰ কুইজ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠদলৰ দলপতি হোৱাৰ সুবাদত মোক লায়ন্স ক্লাৱে ভূটানত হোৱা এখন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰোৱাৰ উদ্দেশ্যে লৈ গৈছিল। কলেজৰ হে উত্তৰ গুৱাহাটীত এন. এছ. এছ. কেম্প কৰি ছয় নিশা কটোৱাৰ কথা মনত পৰিল। হঠাৎ মোৰ সহপাঠী সুতপা গুহৰায়ৰ কথা (যাক অকালতে হেৰুৱাব লগাৰ কষ্টই আমাক আজিও ব্যথিত কৰে)মনলৈ আহিল। কলেজ চৌহদৰ বাহিৰৰ অথচ সেইসময়ছোৱাৰ কলেজখনৰ ভালেমান ছাত্ৰৰ আড্ডাৰ আল্টিমেট ষ্টেছন হৈ পৰা তৰুণৰ দোকানখনৰ কথা মনলৈ আহিল। সেই সময়ৰ অধ্যক্ষ শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা ছাৰৰ সান্নিধ্য আৰু মৰমৰ কথা মনত পৰিল। মনত পৰিল কাৰণে ভাল লাগিল যে শ্ৰীযুত থানেশ্বৰ শৰ্মা ছাৰৰ (ৰসায়ন বিজ্ঞান বিভাগ) দৰে এগৰাকী আকৰ্ষণীয় শিক্ষকক পেটে-পেটে ভয় কৰিও ভীষণ ভাল পাইছিলো। বিভিন্ন সময়ত মোৰ চিন্তা আৰু বক্তব্যক গুৰুত্ব আৰোপ কৰা মোৰ শিক্ষক শ্ৰীযুত আবেদুৰ ৰহমান শইকীয়া (ভূগোল বিভাগ) আৰু শ্ৰীযুত ৰতন ভট্টাচাৰ্য (প্ৰাণী বিজ্ঞান বিভাগ) ছাৰৰ কথা মনত পৰিল। এই মনত পৰা আৰু নপৰা প্ৰক্ৰিয়াটোৰ মাজে-মাজে মই ঘৰুৱাভাৱে সান্নিধ্য লাভ কৰা এগৰাকী ভাবুক, মৰমিয়াল ব্যক্তি, সেই সময়ৰ উপাধ্যক্ষ শ্ৰীযুত লুৎফুৰ ৰহমান ছাৰৰ স্মৃতিয়ে মোক আমনি কৰি থাকিল।

কোনো ক্ৰম নোহোৱাকৈ, কোনো ধৰণৰ ধাৰাবাহিকতা ৰক্ষা নকৰাকৈ, এটা আধা-পাহৰা কবিতাৰ দৰে, এখন অস্পষ্ট ছবিৰ দৰে, পৰ্দাত প্ৰতিবিম্বিত হোৱা ক্ষণস্থায়ী দৃশ্যৰ দৰে, খুব কাষেৰে পাৰ হৈ যোৱা এটা বিলীয়মান সুগন্ধৰ দৰে মোৰ স্মৃতিপটত ভাহি উঠিল মোৰ কলেজীয়া জীৱনৰ কেইটামান দিন। মোৰ বোধ হ'ল যে কলেজ চৌহদৰ ভিতৰৰ এনে বহু শিক্ষাগুৰু আৰু উল্লেখ কৰিবলৈ থাকি যোৱা ব্যক্তি আৰু কিছু উপাদানৰ সাহচৰ্যই মোৰ চিন্তা আৰু চেতনাক সমৃদ্ধ কৰি আহিছে।

তাৰ পাছত আৰু বহুত দিন পাৰ হৈ গৈছে। দিন আৰু ক'ত, -বহুত বছৰ! ৫০ বছৰ আগত যেতিয়া কলেজখনে নিজৰ ইনিংছ আৰম্ভ কৰিছিল, মই অনুমান কৰিব নোৱাৰিলো কেনেকুৱা আছিল সেই সময়ৰ ৰূপ। অথচ মই জানিলো যে সেইটো বছৰতে বন্ধুত্ব আৰু সহযোগিতাৰ উদ্দেশ্যে পোলেণ্ডৰ ৰাৰ্শ্ব মহানগৰীত ঐতিহাসিক ৰাৰ্থ চুক্তি স্বাক্ষৰিত হৈছিল। সেইটো বছৰতে কবি যতীন্দ্ৰ নাথ দুৱৰাৰ 'বনফুল' নামৰ কাব্য গ্ৰন্থৰ বাবে অসমলৈ প্ৰথম সাহিত্য একাডেমি বঁটাটো আহিছিল। ৫০ বছৰ আগৰ সেইটো বছৰতে ১৮ এপ্ৰিলত যুগস্ৰষ্টা বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ মৃত্যু হৈছিল। সেই বছৰতে লণ্ডনত বিশ্বৰ ৰোমাঞ্চকৰ অভিলেখ সন্নিবিষ্ট গ্ৰন্থ 'গিনিছ বুক অব্ ৰেকৰ্ড্‌ছ'ৰ প্ৰথম প্ৰকাশ হৈছিল। সেই বছৰটোৰ ভিতৰতে বিমল ৰায় পৰিচালিত 'দেৱদাস', বলৰাজ সাহনী অভিনীত 'গৰম কোট', দিলীপ কুমাৰ-মীনাকুমাৰী অভিনীত 'আজাদ', ৰাজ কাপুৰ পৰিচালিত 'শ্ৰী ৪২০' আদিৰ দৰে উল্লেখযোগ্য হিন্দী চলচ্চিত্ৰৰ লগতে সত্যজিত ৰায় পৰিচালিত 'পথেৰ পাচালী' (বাংলা) আৰু ফণী শৰ্মা পৰিচালিত 'পিয়লি ফুকন' (অসমীয়া)ৰ দৰে বহুচৰ্চ্চিত কথাছবিয়ে মুক্তি পাইছিল। স্বৰ্ণজয়ন্তী বৰ্ষত পদাৰ্পণ কৰা জনপ্ৰিয় অসমীয়া সাপ্তাহিক কাকত 'অসম বাণী'ৰ আত্মপ্ৰকাশো ঘটিছিল সেইটো বছৰতেই।

সেই বছৰটোৰ পৰা এটা এটাকৈ ৰান লৈ কলেজখনে আজি ৫০ স্পৰ্শ কৰিছে। এটা সুদীৰ্ঘ ইনিংছ খেলিবলৈ সংকল্পবদ্ধ হোৱা এজন খেলুৱৈৰ বাবেও এই ৫০ ৰ সীমাটো এটা উল্লেখযোগ্য লেণ্ডমাৰ্ক।

মোৰ জপাই থোৱা চকুদুটাৰ ভিতৰৰ অন্ধকাৰতো মই অনুভৱ কৰিবলৈ ধৰিছো এই নগৰ আৰু এই শিক্ষানুষ্ঠানখনৰ সৈতে একাত্মবোধ কৰা মানুহৰ হাত-চাপৰিৰ শব্দ, অজস্ৰ শুভাকাংক্ষীৰ পূৰ্ণ অভিবাদন।

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, সু-সাহিত্যিক

ড° মহেন্দ্ৰ বৰা আৰু স্মাৰক বক্তৃতা

সুভাষ বৰ্মন
প্ৰবক্তা

বিভিন্ন গুণী-জ্ঞানী ব্যক্তিৰ স্মৃতি বিজৰিত গোৱলাপাৰা মহাবিদ্যালয়ে পঞ্চাশ বছৰীয়া এক দীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰাৰ মুহূৰ্তত অনুষ্ঠানটোৰ সৈতে জড়িত কেইজনমান মনিষীৰ কামকাজৰ স্মৰণ কৰাটো প্ৰয়োজন। তেখেত সকলৰ জীৱন দৰ্শন, পণ্ডিত্ব, অধ্যাৱসায় আৰু প্ৰজ্ঞানিষ্ঠাই মহাবিদ্যালয়খনে উত্তৰ পূব ভাৰতৰ শৈক্ষিক ক্ষেত্ৰখনত আজিৰ স্থান লাভ কৰাত প্ৰভূত অৰিহণা যোগাইছে। গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, অসম সাহিত্যসভাৰ সভাপতিৰ আসন অলংকৃত কৰা সু-সাহিত্যিক ড° মহেন্দ্ৰ বৰা তেখেত সকলৰ ভিতৰত অন্যতম। সাহিত্য, সংস্কৃতি তথা বিদ্যায়তনিক ক্ষেত্ৰত ড° বৰাই আগবঢ়োৱা বৰঙণিৰ বিশেষভাৱে গোৱালপাৰা মহাবিদ্যালযৰ শ্ৰীবৃদ্ধিৰ বাবে কৰা অশেষ ত্যাগ বৰণ কৰাৰ বাবে গোৱালপাৰা কলেজ শিক্ষক সংস্থাই 'ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতা'ৰ এক বাৰ্ষিক অনুষ্ঠানৰ আয়োজন কৰি আহিছে। কেইবাজনো বিদগ্ধ পণ্ডিতে প্ৰদান কৰা এই বক্তৃতানুষ্ঠানে ৰাজ্যখনৰ সমাজ বিজ্ঞান চৰ্চ্চাৰ সৈতে জড়িত সকলৰ চিন্তা চেতনাক চুই যাবলৈ সক্ষম হৈছে। আমাৰ এই আলোচনাৰ জৰিয়তে প্ৰয়াত ড° বৰাৰ কৰ্ম ৰাজি আৰু বিগত বছৰবোৰত হৈ যোৱা স্মাৰক বক্তৃতাৰ এক চমু আভাস দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ব।

বিংশ শতিকাৰ অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়োৱা শ্ৰেষ্ঠ অসমীয়াসকলৰ অন্যতম ড° মহেন্দ্ৰ বৰাই অসমৰ জাতীয় জীৱনলৈ বহুখিনি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই গৈছে। বিশিষ্ট সাহিত্যিক, গৱেষক ড° বৰাৰ কৰ্মৰাজিৰ পৰিসৰ অতি বিশাল। তেওঁ ভাষা আন্দোলনৰ সময়ত একমাত্ৰ নীতিগত কাৰণত কটন কলেজৰ লাভজনক, নিৰাপদ চাকৰিৰ লোভ সামৰি সেই সময়ৰ অসমৰ বৃহত্তৰ জীৱনত শিক্ষা-দীক্ষাৰ ফালৰ পৰা পিচপৰা গোৱালপাৰালৈ গুচি গৈছিল। ১৯২৯ চনৰ ২২ আগষ্টত টিংখঙত জন্ম গ্ৰহণ কৰা ড° মহেন্দ্ৰ বৰাই স্নাতক পূৰ্ব পৰ্যায় কটন কলেজৰ পৰা ১৯৪৯ চনত সমাপ্ত কৰি কলিকাতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৫১ চনত ইংৰাজী বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ডঃ মহেশ্বৰ নেওগৰ তত্ত্বাৱধানত ডক্টৰেট ডিগ্ৰী লাভ কৰা বৰাই ছাত্ৰাৱস্থাতেই সাহিত্য চৰ্চা আৰম্ভ কৰিছিল। 'গালিভাৰ ট্ৰেভেলছ'ৰ প্ৰথম দুটা কাহিনীৰ অসমীয়া অনুবাদেৰে সাহিত্যিক জীৱনৰ পাতনি মেলা ড° মহেন্দ্ৰ বৰাই পৰৱৰ্তী কালত অসমীয়া ভাষা-সাহিত্যৰ জগতখনত উদিত সূৰ্যৰ দিপ্তিৰে বলিষ্ঠৰূপত আত্ম প্ৰকাশ কৰি চাৰিটা দশক ধৰি নিজৰ সাহিত্য সাধনা অটুট ৰাখিছিল। ১৯৫৬ চনত তেওঁৰ 'নতুন কবিতা' নামৰ সমালোচনামূলক গ্ৰন্থখনে অসমীয়া কাব্য সাহিত্যত এক নতুন দিশ উন্মোচন কৰে। কবি হিচাপে তেওঁৰ 'জাতিস্মৰ' আৰু 'ৰূপ টিলিঙাৰ মাত' নামৰ কবিতাপুথি দুখনে তেওঁৰ কাব্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। ড° বৰাৰ সমালোচনামূলক গ্ৰন্থ 'অসমীয়া কবিতাৰ ছন্দ' সংশ্লিষ্ট বিষয়টোৰ ওপৰত প্ৰথম আলোচনা গ্ৰন্থ। 'ৰমন্যাসবাদ' ইংৰাজী কবিতা ইতিহাসৰ ৰমন্যাসিক কবিসকলৰ সমালোচনামূলক পৰিচয় গ্ৰন্থৰ লগতে 'সাহিত্য উপক্ৰমণিকা' নামৰ সাহিত্যৰ বিভিন্ন ৰূপ সম্পৰ্কীয় আনুপুংখিক আলোচনা গ্ৰন্থৰ প্ৰণেতা ডঃ বৰাই আনন্দ চন্দ্ৰ আগৰৱালাৰ ৰচনাৱলী, 'দুৰ্গেশ্বৰ শৰ্মাৰ ৰচনাৱলী সুদীৰ্ঘ ভূমিকাসহ সম্পাদনা কৰি উলিয়াছিল। '1857 In Assam' শীৰ্ষক ১৮৫৭ চনৰ বিদ্ৰোহত অসমৰ ভূমিকাৰ বিৱৰণ সম্বলিত গুৰুত্বপূৰ্ণ ঐতিহাসিক গ্ৰন্থ এখনো তেওঁ প্ৰকাশ কৰিছিল। ডঃ বৰাই অসমৰ ইতিহাসৰ চৰ্চাৰ দিশত আগবঢ়োৱা বৰঙণিৰ ভিতৰত তেওঁ উইশালিসা (Weissalisa) নামৰ অসম আক্ৰমণৰ বিৱৰণ সম্বলিত ঐতিহাসিক গ্ৰন্থখন প্ৰয়াত বিমলা

বৰুৱাৰ সহযোগত সম্পাদনা আৰু দুখন তাই বুৰঞ্জীৰ অনুবাদ বিশেষভাৱে উল্লেখযোগ্য। "The Evaluation of Assamese Script" বিষয়ক মৌলিক গৱেষণা গ্ৰন্থখনো ডঃ বৰাৰ কঠোৰ সাধনাৰ ফচল। কটন কলেজৰ অধ্যাপকৰ পদ ত্যাগ কৰি ড° বৰাই গোৱালপাৰা কলেজৰ অধ্যক্ষৰ দায়িত্বভাৰ গ্ৰহণ কৰি সুদীৰ্ঘকাল গোৱালপাৰাত অতিবাহিত কৰিছিল। পশ্চিম অসমৰ উচ্চ শিক্ষাৰ ধিমিক-ধামাকৈকে জ্বলি থকা বস্তিগছিত নতুনকৈ তেল-শলিতা দিবলৈ তেওঁৰ মাজত গোৱালপাৰাবাসীয়ে এজন দূৰদৰ্শী, ধীমান, অধ্যয়নপুষ্ট গুৰিয়াল লাভ কৰিছিল। বিদগ্ধ পণ্ডিত ড° বৰাই চালুকীয়া গোৱালপাৰা কলেজক নতুনকৈ গঢ় দিবলৈ গাঁৱে-ভূঞে গৈ দান-বৰঙণি সংগ্ৰহৰ পৰা মহাবিদ্যালয়খনৰ ঘাটি মঞ্জুৰি লাভ কৰালৈ অশেষ ত্যাগ কৰিবলগীয়া হৈছিল। তেওঁ অহাৰ সময়ত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঙুলিৰ মুৰত লিখিব নোৱাৰিলেও সাম্প্ৰতিক গোৱালপাৰা মহাবিদ্যালয় বিদ্যায়তনিক দিশ তথা আন্তঃ গাঁথনিৰ ফালৰ পৰাই নহয় সকলো দিশতে সমগ্ৰ অসমৰ আগশাৰীৰ মহাবিদ্যালয়কেইখনৰ সৈতে থিয় দিবলৈ সক্ষম হৈছে। তেওঁ অহাৰ সময়ত কলেজখন তেনেই নতুন আছিল আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা আঙুলিৰ মুৰত লিখিব পৰা অৱস্থাত আছিল। তেনে এখন মহাবিদ্যালয়ত ডঃ বৰাই বিজ্ঞান শাখা খোলাৰ ব্যৱস্থা কৰাৰ লগতে উচ্চ শিক্ষাৰ অন্যান্য আধুনিক সা-সুবিধাৰ সৈতে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীক পৰিচিত কৰি দিবলৈ যি ত্যাগ আগবঢ়াইছিল সেয়া অতুলনীয়। ডঃ বৰাৰ মানস কণ্যাস্বৰূপ গোৱালপাৰা মহাবিদ্যালয়ৰ পুথিভঁৰালটোৱে তেওঁৰ বৌদ্ধিক বিচৰণৰ ক্ষেত্ৰ কিমান বিশাল আছিল তাক বুজাত সহায় কৰে। তেওঁৰ উদ্যোগত মহাবিদ্যালয় পুথিভঁৰালটো সাহিত্য, বিজ্ঞান, কলা, সমাজ বিজ্ঞান চৰ্চাৰ বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ৰ গ্ৰন্থৰে ভৰি পৰিছিল। গ্ৰন্থাগাৰত থকা বহু বিৰল আৰু মূল্যৱান গ্ৰন্থই ড° বৰাৰ পাণ্ডিত্বক থকা বহু বিৰল আৰু মূল্যৱান গ্ৰন্থই ডঃ বৰাৰ পাণ্ডিত্বক সোঁৱৰাই দিয়ে। গোৱালপাৰাৰ তেওঁৰ সমসাময়িক আৰু অনুজসকলে ড° বৰাৰ সান্নিধ্যৰ সময়খিনিক আজিও মধুৰ স্মৃতি হিচাপে অন্তৰত সজীৱ কৰি ৰাখিছে। কথাখিনি এই বাবেহে উল্লেখ কৰিলো যাতে তেওঁৰ পিচৰ প্ৰজন্মই এটা কথা মনত ৰাখে যে ড° বৰাৰ বৌদ্ধিক জগতখন আমাৰ চৌপাশৰ বাস্তৱ জগতখনৰ সৈতে বিচ্ছিন্ন হোৱাৰ বিপৰীতে ওতঃপ্ৰোতভাৱে সম্পৰ্কযুক্ত, তেওঁৰ ৰচনাৰাজি, কাম-কাজ বাস্তৱ জীৱনৰ অনুশীলনৰ দ্বাৰা আলোকিত আছিল। 'মণিদ্বীপ' নামৰ আলোচনী এখনো ডঃ বৰাই আৰম্ভণিৰ পৰা ষষ্ঠ বছৰলৈ সম্পাদনা কৰিছিল। 'Clarion' নামৰ ইংৰাজী দৈনিক কাকত এখনো তেওঁৰ সম্পাদনাত প্ৰকাশ পাইছিল। গোৱালপাৰা 'চলন্তিকা' নামৰ আলোচনা চক্ৰৰ জন্মৰ ক্ষেত্ৰতো তেওঁৰ বৰঙণি মন কৰিবলগীয়া। ১৯৭৩ চনলৈ গোৱালপাৰা কলেজৰ অধ্যক্ষ হৈ থকা বৰাই ১৯৭৩-৮৮ চনলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সেৱা আগবঢ়াইছিল। ইয়াৰে ১৯৭৬ চনৰ পৰা তেওঁ অধ্যাপক হিচাপে 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা' আসন অলংকৃত কৰিছিল। অসম সাহিত্য সভাৰ ১৯৮৭ চনৰ পাঠশালা অধিৱেশনৰ সভাপতিৰ আসন শুৱনি কৰা ড° বৰাই কর্মময় জীৱন অতি ব্যস্ততাপূৰ্ণ আছিল যদিও তেওঁ বন্ধুপ্ৰিয় লোক আছিল। সমাজৰ সকলো শ্ৰেণীৰ মানুহেই তেওঁৰ বন্ধু হৈ পৰিছিল। ১৯৯৬ চনৰ ৯ এপ্ৰিল তাৰিখে এই জনা বিশিষ্ট পণ্ডিত অসমী আইৰ সু-সন্তান আমাৰ মাজৰ পৰা চিৰবিদায় লয়। তেওঁৰ বৌদ্ধিক পৰিমণ্ডল আছিল অতি বিশাল, চিন্তাৰ সোঁত গভীৰ অধ্যয়নপুষ্ট, আলোচনা অন্তৰ্ভেদী আৰু মানৰ দৰদী।

প্ৰয়াত মহেন্দ্ৰ বৰাৰ স্মৃতিত যোৱা ২০০০ চনৰ পৰা গোৱালপাৰা কলেজ শিক্ষক সংস্থাৰ উদ্যোগত এলানি স্মাৰক বক্তৃতা অনুষ্ঠিত কৰা কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। প্ৰথম বাৰ্ষিক স্মাৰক বক্তৃতা প্ৰদান কৰিছিল আৰ্ন্তজাতিক খ্যাতি সম্পন্ন বুদ্ধিজীৱি, বিদগ্ধ পণ্ডিত ড° হীৰেন গোহাঁই। 'নিম্ন বৰ্গৰ ইতিহাস চৰ্চা' (Subaltern Studies) শীৰ্ষক ড° গোহাঁইয়ে প্ৰদান কৰা উক্ত বক্তৃতাৰ মূল বিষয় বস্তু আছিল ড° ৰনজিৎ গুহ, ডিপেশ চক্ৰৱৰ্তী আদি ঐতিহাসিকে আৰম্ভ কৰা নিম্নবৰ্গৰ ইতিহাস'। ইতিহাস চৰ্চ্চাৰ এই শেহতীয়া মাৰ্গৰ আন্তভেদী সমালোচনা আগবঢ়োৱা ড° গোহাঁই উপনিবেশিক, জাতীয়তাবাদী আদি মাৰ্গৰ বিভিন্ন সীমাবদ্ধতাৰ কথা দাঙি ধৰে। ইতিহাসৰ পুন নিৰ্মাণৰ ক্ষেত্ৰত নিম্নবৰ্গৰ ইতিহাস মাৰ্গে প্ৰচলিত ইতিহাস আৰু ঐতিহাসিকৰ চিন্তা চেতনাক জোকাৰি যাবলৈ সক্ষম হলেও ই সামগ্ৰিক ইতিহাসৰ ধাৰণাক নস্যাৎ কৰিব বিচাৰে আৰু শেষান্তৰত ইয়াৰ প্ৰতিক্ৰিয়াশীল চৰিত্ৰ প্ৰকট হৈ পৰে। কিন্তু এনে ইতিহাস মাৰ্গে উত্তৰ পূব ভাৰতৰ ইতিহাস চৰ্চাক বিশেষ ভাবে স্বাধীনতা সংগ্ৰামত সাধাৰণ শ্ৰেণীৰ ভূমিকাৰ উপযুক্ত পৰ্য্যালোচনাত সহায়ক হ'ব পাৰে বুলি মত পোষণ কৰা উক্ত আলোচনাত ড° গোহাঁই ঢেকীয়াজুলিৰ ওচৰৰ চাহ বাগানৰ মহিলাৰ স্বাধীনতা সংগ্ৰামত কৰা ত্যাগৰ উপযুক্ত মূল্যায়ণ প্ৰচলিত ইতিহাস মাৰ্গত হোৱা

নাই বুলি উল্লেখ কৰিছিল।

দ্বিতীয় বাৰ্ষিক ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতা প্ৰদান কৰিছিল প্ৰখ্যাত লোক সংস্কৃতিৰ গৱেষক ড° বীৰেন্দ্ৰ নাথ দত্তই। " অসমৰ ভাষা সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা অঞ্চলৰ ভাষা" শীৰ্ষক বক্তৃতাটোত ড° দত্তই গোৱালপাৰা অঞ্চলৰ ভাষাই অসমীয়া ভাষালৈ যোগোৱা অৱদানৰ বিষয়ে উল্লেখ কৰিছিল।

বিভিন্ন জনগোষ্ঠীৰ, ভাষা সংস্কৃতিৰ সংমিশ্ৰণত গঢ়ি উঠা অসমীয়া সংস্কৃতিৰ অতীত আৰু বৰ্ত্তমানৰ প্ৰবাহ ড° দত্তৰ ভাষণৰ মূল বিষয় আছিল। অসমীয়া সংস্কৃতিৰ বহুখিনি সমল মূলত জনজাতীয় সমাজৰ অৱদান বুলি দাঙি ধৰা ড° দত্তই অসমৰ ভাষা সংস্কৃতিৰ ওপৰত মননশীল আলোচনা আগবঢ়াইছিল। অসমীয়া সমাজৰ জাউতি যুগীয়া সম্প্ৰীতি আৰু সমন্বয়ৰ ছবি দাঙি ধৰা উক্ত বক্তৃতা অসমৰ ভাষা সংস্কৃতিৰ আলোচনাৰ ক্ষেত্ৰত অতিশয় তাৎপৰ্যপূৰ্ণ আছিল।

তৃতীয় বাৰ্ষিক বক্তৃতা প্ৰদান কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ মূৱব্বী, গৱেষক পণ্ডিত মহম্মদ তাহেৰে। "উনবিংশ শতিকাৰ অবিভক্ত গোৱালপাৰা জিলাঃ ভূ-প্ৰকৃতি আৰু প্ৰশাসনিক সংগঠন" শীৰ্ষক ভাষণ প্ৰদান কৰি ঔপনিৱেশিক কালৰ পৰাই গোৱালপাৰাৰ (অবিভক্ত) আৰ্থ সামাজিক ইতিহাস অসমৰ বাকী অংশৰ তুলনাত পৃথক বুলি উল্লেখ কৰা অধ্যাপক তাহেৰে জমিদাৰকালীন গোৱালপাৰাৰ আৰ্থৰাজনৈতিক ছবিখন দাঙি ধৰিছিল।

চতুৰ্থ বাৰ্ষিক স্মাৰক বক্তৃতাৰ বিষয় আছিল মূলত সাম্প্ৰতিক কালত ৰাজ্যখনত বৃদ্ধি পায় অহা নিবনুৱা সমস্যাৰ সামাধানত ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা। NEDFI ৰ মহাপ্ৰৱন্ধক ড° ফণী ডেকাই উক্ত ভাষণ প্ৰদান কৰিছিল।

অহা ২০০৫ চনৰ চেপ্তেম্বৰ মাহৰ প্ৰথম সপ্তাহত বিশিষ্ট পণ্ডিত সু-সাহিত্যিক অধ্যাপক শশী শৰ্মাই 'অসমৰ লোক সংস্কৃতিত হিন্দু মুছলামানৰ সাম্প্ৰদায়িক সম্প্ৰীতি' শীৰ্ষক ভাষণ প্ৰদান কৰাৰ বাবে সন্মতি প্ৰদান কৰিছে। ড° মহেন্দ্ৰ বৰাৰ কর্মৰাজিৰ স্মৰণৰ বাবে গোৱালপাৰা কলেজ শিক্ষক সংস্থাই আৰু অধিক গুৰুত্বপূৰ্ণ বিষয়ক আলোচনাৰ বাবে স্মাৰক বক্তৃতাত অন্তৰ্ভূক্ত কৰিব বুলি আশা কৰিব পাৰি। ডঃ বৰাৰ কর্তব্যবোধ, অধ্যৱসায় আৰু প্ৰজ্ঞানিষ্ঠাই আমাৰ তৰুণ প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ থল আছে। সেয়ে ড° বৰাৰ চিন্তা আৰু কর্মৰাজিক সঠিক মূল্যায়নৰ জৰিয়তে তেওঁক তৰুণ প্ৰজন্মৰ মাজত সজীৱ কৰি ৰখাতো নিত্যান্তই বাঞ্ছনীয়। ■

To live is not merely to breathe, it is to act; it is to make use of our organs, senses, faculties, of all those parts of ourselves which give us the feeling of existence. The man who has lived longest is not the man whom has counted most years, but he who has enjoyed life most. Such a one was buried a hundred years old, but he was dead from his birth. He would have gained by dying young; at least he would have lived till that time.

- Rousseau

বোটলা পাতৰ কৰণি

গীতা দাস
প্ৰাক্তন ছাত্ৰী

১৯৫৫ কি' ৫৭ চন মানৰ কথা; আমি তেতিয়া মহাবিদ্যালয় কাক কয় বুজিকে পোৱা নাছিলো। উচ্চ শিক্ষাৰ পঢ়াশালী বুলি ডাঙৰ সকলে বিভিন্ন ধৰণে বুজাইছিল। মহাবিদ্যালয়ৰ কাষতে পূৰফালে লাগি থকা বামুনপাৰাতে যিহেতু আমাৰ থকা ঘৰ সেয়ে ইয়াৰ আশে-পাশে বা চৌহদত থকা ডাঙৰ ডাঙৰ ওখ গছবোৰত বিভিন্ন সৰু-বৰ চৰাইৰ কল্‌কাকলবোৰ আজিও মনত আছে। ৰাৰিষা হ'লে দুপৰীয়া প্ৰায়ে বাঁহীৰ সুৰ ভাঁহি আহিছিল মহাবিদ্যালয় পথাৰৰ পৰা; তাকে চাবলৈ আহি গৰু ম'হৰ জাক দেখি আচৰিত হৈছিলো, ইমানবোৰ গৰু ম'হ একেলগে! গৰখীয়া ল'ৰাবোৰৰ মাজৰে কোনোবা এজনে ম'হৰ পিঠিত বহি বহি বজোৱাৰ দৃশ্য কি যে মনোৰম আছিল। ল'ৰাজনৰ নাম হেনো কানাই আছিল। কানাইৰ বাঁহীৰ সুৰে আমাক বৰকৈ মুগ্ধ কৰিছিল যদিও বাৰিষা শেষ হ'লে গৰু ম'হৰ লগতে কানাইহঁতো কেনিবা গুচি যায়। একেদৰে মুগ্ধ কৰিছিল জাৰকালি এইখন পথাৰতেই মাইকত বজোৱা গানৰ শব্দই। যন্ত্ৰই গান গায়; লৰি-লৰি চাব আহি ৰৈ গৈছিলো মুকলি পথাৰত ল'ৰা-ছোৱালীবোৰৰ খেল-ধেমালী দেখি। আনন্দতে জপিয়াইছিলোও। খেলুৰৈবোৰৰ সৈতে আমি সৰু সৰু দৰ্শকবোৰেও লুজেনৰ ভাগ পাইছিলো। বৰ ৰোমাঞ্চকৰ দিন আছিল সেইবোৰ।

১৯৬৮ চনটো বিভিন্ন কাৰণত মোৰ বাবে ভাল বছৰ আছিল। মা-দেউতাই পতা সংসাৰখনত আমি চাৰি ভাইভনী বৰ আলাসত ডাঙৰ হৈছিলো যদিও ১৯৬৬ চনৰ মে মাহৰ পৰা কঢ়িয়াব নোৱাৰা সাংসাৰিক যান্ত্ৰনাই আমাক কোঙা কৰি পেলাইছিল। ঘৰখনত মইয়েই যিহেতু একমাত্ৰ ছোৱালী আৰু ডাঙৰ সেয়ে দুবছৰ পঢ়া-শুনা বাদ দিবলগীয়াও হৈছিল। নানান অসুবিধাৰ মাজেৰে ৬৮ চনত প্ৰৰেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ এইখন মহাবিদ্যালয়ত নাম ভৰ্ত্তিৰ সুযোগ পাইছিলো। মহাবিদ্যালয়ৰ সৈতে ৰজিতা খাই থকাৰ বাবে সামান্য ব্যক্তিগত কথা লিখিবলগীয়া হ'ল।

লাহে লাহে পঢ়াশালী (সৰুতে শিকোৱাৰদৰে) চাৰ-বাইদেউ, পাঠ্য-পুথি আদিৰ যোগেৰে ভৱিষ্যতৰ ভেটি নিমাৰ্ণ (আজি কালি অৱশ্যে স্কুল পৰ্যায়তে হয়) কৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী যেনে - নৈতিকতা, আন্তৰিকতা, মমতা, দায়িত্ব, প্ৰেৰণা উচ্চাস-উদ্দীপনা, সময়ৰ সৈতে জীৱনৰ মূল্যবোধ আদিবোৰ আয়ত্ব কৰিব চেষ্টা কৰিব ধৰিলো। প্ৰথম স্তৰতে আমি প্ৰায় প্ৰতিজন চাৰ-বাইদেউৰ পৰা শিকিছিলো দায়িত্ববোধ আৰু ডাঙৰৰ প্ৰতি শ্ৰদ্ধাবোধ সম্পৰ্কে। সেয়ে আমাৰ সৈতে চাৰবোৰৰ সম্পৰ্ক আছিল গুৰু শিষ্যৰ দৰে। চাৰহঁতৰ দায়িত্ববোধে আমাক নিষ্ঠাবান আৰু সহনশীল হ'বলৈ প্ৰেৰণা যোগাইছিল।

সময় সাপেক্ষে অভিভাৱকৰ দায়িত্বও গ্ৰহণ কৰিছিল। অৱশ্যে সেই সময়ত অভিভাৱক সকলেও বহুখিনি নিৰ্ভৰ কৰিছিল স্কুল বা কলেজৰ শিক্ষকৰ ওপৰত। তেনেকুৱা উদাহৰণ দেধাৰ আছে। জিলাৰ উচ্চ শিক্ষাৰ একমাত্ৰ কেন্দ্ৰস্থল এই মহাবিদ্যালয়খনৰ বিশেষত্ব আছিল শৃংখলাবদ্ধতা, নিয়মানুবৰ্ত্তিতা আৰু শৈক্ষিক ক্ষেত্ৰত প্ৰতিযোগিতাৰ মনোভাৱ। এখন লেখত লবলগীয়া শিক্ষানুষ্ঠান গঢ়ি তোলাৰ বাবে চাৰহঁতে যেনেকৈ শ্ৰমদান কৰিছিল ছাত্ৰ-ছাত্ৰীসকলেও সৰ্ব দিশতে আগবাঢ়ি যোৱাৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাবোৰত প্ৰায় প্ৰতি বছৰে কৰবাত নহয় কৰবাত উচ্চ স্থান দখল কৰোতা কোনোবা আছিলেই। তেওঁলোকৰ মাজৰ কিছুমানে এতিয়া উচ্চ পদস্থ বিষয়া হৈ থকাৰ কথা গম পাওঁ। তেতিয়াৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ ভাতৃ-ভগ্নীৰ সম্পৰ্ক এতিয়াও কিছুমানৰ মাজত বিৰাজিত।

বহুমূলীয়া কিতাপেৰে গ্ৰন্থাগাৰটো আমাৰ বাবে আছিল অতি মৰমৰ। গ্ৰন্থাগাৰিক মজাম্মল হক দাৰ বৈশিষ্ট্যই আকৰ্ষণ বঢ়াই তুলিছিল। কেতিয়াও মূৰ দাঙি কথা নোকোৱা মজ্জাম্মল

দাই আগন্তুকৰ খোজৰ শব্দতেই নাম, শ্ৰেণী আৰু ৰোল নং কৈ প্ৰয়োজনীয় কিতাপ নিজে বাচি লোৱাৰ বাবে মৰমেৰে আদেশ দিছিল। ৰেজিষ্টাৰত চহী কৰাৰ পিচত পুনৰ ঘুৰাই দিবলৈ সোঁৱৰাব নেপাহৰিছিল। তেখেতৰ সহায়ৰ হাত বৰ দীঘল আছিল। দুখীয়া ল'ৰা-ছোৱালীক নিজৰ পইচাৰেও সহায় কৰিছিল। মনত পৰে প্ৰাক্ বিশ্ববিদ্যালয় (তেতিয়া এবছৰীয়া আছিল) শ্ৰেণীত মই তিনি টকা পঞ্চাশ পইচাৰে এখন কিতাপ, শ্ৰেণীত টুকি লোৱা পইণ্টবোৰ আৰু গ্ৰন্থাগাৰৰ পৰা পোন্ধৰ দিনৰ বাবে পোৱা কিতাপৰ পৰা লিখি লৈ পঢ়ি পাচ কৰিলো। প্ৰয়োজনবোধে একেখন কিতাপ দুবাৰো ল'ব পাৰিছিলো। এনেদৰে বহুতো ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰিছিল। কাৰ্যালয়ৰ কৰ্মীসকলৰ পৰাও আমি সহায়-সহযোগিতা তথা উৎসাহ-উদ্দীপনা পাইছিলো। আন সকলৰ লগতে বিশেষকৈ সুশীল ৰায়, আব্দুল মতলেব আৰু আমিৰুদ্দিন শেখ ৰহমানৰ কথা মনত আছে। বেনুদা, ৰমেশ দা, বলভদ্ৰ দা আৰু কাল্‌থা দাৰ কথা এতিয়াওঁ পুৰণি লগ বন্ধু পালে ওলায়।

বেয়াৰ ভাগ নাথাকিলে ভালৰ ওজন জুখিব নোৱাৰি। এইখন মহাবিদ্যালয়ৰ ভালৰ ওজন বেচি আছিল বাবেই গোটেই পৰিৱেশটো আছিল শৈক্ষিক দিশৰ অনুকূলে। কোনো এক অদৃশ্য শক্তিৰ পৰিচালনাত ছাত্ৰ-শিক্ষকৰ সম্পৰ্কই হওক, প্ৰশাসনিক ব্যৱস্থাই হওক বা অনাকাংখিত পৰিস্থিতি নিয়ন্ত্ৰণাধীনেই হওক সকলো যেন ভাল লগা ভাল লগা আছিল। একে আষাৰে ক'ব পাৰি সেই শক্তিৰ গৰাকী আছিল সেই সময়ৰ অধ্যক্ষ ডঃ মহেন্দ্ৰ মোহন বৰা চাৰ। যি গৰাকী ব্যক্তিৰ সান্নিধ্যলৈ যিয়ে এবাৰ আহে তেওঁ দ্বিতীয়বাৰ নতুনকৈ মনত পেলাব নালাগে। শুৱলা কণ্ঠস্বৰ, স্বল্পভাষী, অসীম ধৈৰ্যৰ অধিকাৰী বৰা চাৰ অকল অনুষ্ঠান খনৰ বাবে কিয় সমগ্ৰ গোৱালপাৰাৰ হিতৈষী আছিল। আনকি তেওঁৰ সু-পত্নী গীতা বৰা বাইদেউয়ে সমাজৰ হকে, মহাবিদ্যালয়খনৰ উন্নতিৰ হকে আগবঢ়াই থৈ যোৱা অৱদান গোৱালপৰীয়া ৰাইজে নিশ্চয় পাহৰা নাই। বৰা চাৰৰ বিষয়ে লিখিব ল'লে এখন সৰু-সুৰা কিতাপেই হ'ব। সেয়ে তাৰ পৰা আঁতৰি থাকি মাথো কৈ থওঁ যি গৰাকী ব্যক্তিৰ নামৰ পিচত অসম, ভাৰত বুলি লিখিলেই ভাৰতৰ বাহিৰৰ পৰা অহা কিতাপৰ টোপোলা গোৱালপাৰা আহি পায় - সেইগৰাকী পূজ্য চাৰলৈ মোৰ শত কৌটি প্ৰণিপাত নিবেদন কৰিছোঁ।

বিজ্ঞান বিভাগটো পূৰ্ণ পৰ্যায়ৰ কৰাৰ বাবে বৰা চাৰৰ নেতৃত্বত চাৰ-বাইদেউ আৰু ছাত্ৰ-ছাত্ৰীৰ একাংশই যি কষ্ট কৰিছিল ভাবিলে এতিয়া সাধু সাধু লাগে। ইয়াত ৰাইজৰ সদিচ্ছাও আছিল অপৰিসীম। সেয়ে এতিয়া সম্পূৰ্ণ সুযোগ পোৱা ছাত্ৰ-ছাত্ৰী সকলক দেখিলে বৰ ভাল লাগে। শ্ৰমৰ সাৰ্থকতাই সৌৰভ বিলাইছে। প্ৰশাসনৰ সৈতে ছাত্ৰ একতা সভাৰ ওতঃ প্ৰোত সম্পৰ্ক আছিল, বুজাবুজি আছিল গভীৰ। মহাবিদ্যালয় সম্পৰ্কীয় কোনো বিজুতি ঘটিলেই এঘন্টাৰ ভিতৰতেই যৌথ সভা আহ্বান কৰি সুচিন্তিত সমাধান উলিওৱাৰ দৃষ্টান্ত কেবাটাও মনত আছে। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা আস্থাই তেওঁলোকৰ নৈতিক সাহস দুগুণে বঢ়াইছিল। ছাত্ৰ একতা সভাৰ দায়িত্ব নীতিগত ভাবে পালন কৰা হৈছিল। ইয়াত চাৰ সকলৰ সুস্থিৰ পৰামৰ্শ আছিল পাথেয়। একতা সভাৰ সম্পাদক গৰাকী আছিল সকলোৰে মৰমৰ আৰু শ্ৰদ্ধাৰো। নিৰ্বাচনী প্ৰক্ৰিয়াও আছিল সাধাৰণ। মূল পকী পথৰ পৰা মহাবিদ্যালয়লৈ সোমাই গৈ বাৰাণ্ডা পোৱা পদপথটো তেতিয়া কেঁচা আছিল সেয়ে আমি একতা সভাৰ জৰিয়তে প্ৰায়ে ৰাস্তাৰ কাম কৰিবলগীয়া হৈছিল লগতে মহাবিদ্যালয় ভৱনটোও মাহত এবাৰ পৰিস্কাৰ কৰিছিলো বাবে লেতেৰা কৰিবলৈকো কেতিয়াও আমাৰ হাত আগবাঢ়ি নগৈছিল। কিবা কথাত বৰাচাৰে বাঃ (ভাল) বুলিলেই আমি ন'বেল বটা পোৱাৰ দৰে অনুভৱ কৰিছিলো।

১৯৬৮ বা ৬৯ চনত অসম অলিম্পিক সন্থাৰ চতুৰ্থ এথ্‌লেটিক মীট এই চহৰৰ ডি. এন. সিংহ (তেতিয়া নাম আছিল ইউটিলিটি ষ্টেডিয়াম) ষ্টেডিয়ামত বৰ ধুমধামেৰে অনুষ্ঠিত হৈছিল। আমাৰ মহাবিদ্যালয়ৰ পৰা গিৰিবালা মেধি (এতিয়া দাস) আৰু মই সহযোগ কৰাৰ সুবিধা পাইছিলো। আন দুগৰাকী স্কুল পৰ্যায়ৰ আছিল। ল'ৰা কেইবাজনো আছিল তাৰ ভিতৰত স্বৰ্গীয় অতীন ভূঞা আৰু আব্দুল মুকিমৰ নাম দুটাহে মনত আছে। বাকীবোৰৰ ওচৰত ক্ষমা বিচাৰিছো।

১৯৭১ চনত ভাৰত চৰকাৰৰ শিক্ষা বিভাগ আৰু ভাৰতীয় ৰেল বিভাগৰ যুটীয়া উদ্যোগত "ভাৰত দৰ্শন" নামকৰণেৰে উত্তৰ ভাৰত ভ্ৰমণৰ এটি সুধিবা অসম আৰু ৰাজস্থানৰ ছাত্ৰ-ছাত্ৰী সকলে পাইছিল। উচ্চ মাধ্যমিক আৰু মহাবিদ্যালয় পৰ্যায়ত ভগোৱা এই সুবিধাত আমাৰ মহাবিদ্যালয়ৰ পৰা সৰ্বশ্ৰী ত্ৰীদিৰ চক্ৰৱৰ্ত্তী, নৃপেন ভূঞা, ৰাধাচৰণ ৰাভা, জৱাহৰলাল খাখলাৰী, মন্তি চৌধুৰী আৰু মই নিৰ্বাচিত হৈ বিভিন্ন উদ্যোগ, প্ৰতিষ্ঠান, অনুষ্ঠান আদিত অংশ গ্ৰহণ কৰি উভটি অহালৈ ত্ৰিশ দিন সময় লাগিছিল। আবেদুৰ ৰহমান শইকীয়া চাৰে গুৱাহাটী ৰেল ষ্টেচনলৈ গৈ আমাক আগবঢ়াই দিয়াৰ উপৰিও বাকী সকলোবোৰ চাৰৰ

পৰা পাইছিলো সমৰ্থন আৰু আশীৰ্বাদ। ঘুৰি আহি অভিজ্ঞতাবোৰ বিলাই দিছিলো।

তেতিয়াৰ মহাবিদ্যালয়খনৰ আন এটা বিশেষত্ব আছিল ইয়াৰ সাংস্কৃতিক আৰু সাহিত্যিক পৰিৱেশটো। অসমৰ যি কোনো উচ্চ পৰ্যায়ৰ মহাবিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পৰা এইখন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সৈতে একেখন মঞ্চত বা একেখন নাটকতে চাৰসকলৰ সৈতে অংশ গ্ৰহণ কৰাই নহয় নগৰত অনুষ্ঠিত হোৱা যি কোনো লেখত লবলগীয়া অনুষ্ঠানত তাৎক্ষণিক ভাৱে অংশ গ্ৰহণ কৰিব পৰাটো আছিল গৌৰৱৰ বিষয়। এই সংক্ৰান্তত উত্তম শৰ্মা চাৰ, ড° ৰবীন চৌধুৰী চাৰ, বীৰেন চৌধুৰী চাৰ, আবেদুৰ ৰহমান শইকীয়া চাৰ, ৰুমি চাৰ আদিৰ সহযোগিতা, আন্তৰিকতা বা অভিভৱাকত্ববোৰ মনত পৰিলে এতিয়াও শ্ৰদ্ধাত মূৰ দোঁ খাই যায়। এই দিশত সমনীয়াবোৰ আছিল অনিতা দাস, গিৰিবালা মেধি, আলেয়া বেগম, জ্যোৎস্না পাটগিৰি (এতিয়া শিকদাৰ) স্মৃতি সৰকাৰ, ৰুবী গুহ, জ্যোতিৰ্ময় অধিকাৰী, জয় নাৰায়ণ ভট্টাচাৰ্য আদিসকল। বহুতৰ নাম পাহৰণিয়ে গিলিছে। কলেজ সপ্তাহ আহিলে দুমাহ আগৰ পৰাই গা বাই-জাই কৰা মনত আছে। একেৰাহে দুবাৰ শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান পোৱা, খেলৰ পথাৰখনতো অংশ গ্ৰহণ কৰি কৃতকাৰ্য হোৱা, মাজনিশালৈ ডিঙিত কপোৰ বান্ধি সংগীত প্ৰতিযোগিতালৈ বৈ থকা কথাবোৰে মাজে মাজে বৰ আমোদ দিয়ে।

নবাগত আদৰণি সভাৰ দিনা বিভিন্ন কাৰ্যসূচীৰ লগতে এগৰাকী বিশিষ্ট ব্যক্তিক নিমন্ত্ৰণ কৰাটো আছিল নিয়ম মাফিক কথা। সেয়ে বেনুধৰ শৰ্মা, নলিনী বালা দেৱী আদিৰ দৰে নমস্য ব্যক্তি সকলৰ সান্নিধ্য লাভ কৰিছিলো। আমাৰ সময়ত ৰেগিং শব্দটো শুনাই নাছিলো। পৰিচয় পৰ্ব হৈছিল প্ৰতিটো বিষয়ৰ প্ৰথম ক্লাচ লোৱাৰ দিনা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজতহে। আমি ছাত্ৰ-ছাত্ৰীসকলে নিজে নিজে চিনাকী হৈছিলো য'ত আছিল আন্তৰিকতা, মমতা আৰু সৌহাৰ্দপৰায়নতা। শ্ৰেণীত শিক্ষকৰ মৰ্যদা আদায় কৰিব পৰা চাৰ সকলে শ্ৰেণীৰ বাহিৰত বয়সিয়াল সকলে ছাত্ৰ-ছাত্ৰীক, জীয়েক-পুতেক আৰু কম বয়সীয়া সকলে ভাতৃ-ভগ্নী অথবা বন্ধু-বান্ধৱীৰ দৰে ব্যৱহাৰ কৰাটো অসমৰ বহু মহাবিদ্যালয়তেই বিৰল আছিল বুলি সেই সময়ৰ বিভিন্ন মাধ্যমৰ পৰা শুনিছিলো। আমি পোৱা সেইসকল চাৰ আমাৰ বাবে আজিও নমস্য।

আমাৰ অতি মৰমৰ এইখন মহাবিদ্যালয়ৰ স্মৃতিয়ে আজিও আমাক যেনেকৈ পুলকিত কৰে, বৰ্ত্তমানৰ ঐতিহ্যইও যেন ভৱিষ্যতৰ বংশধৰ সকলক পুলকিত কৰিবলৈ সক্ষম হয়। সোণালী জয়ন্তী বৰ্ষ গৰকা এইখন মহাবিদ্যালয়ে স্মৃতিৰ সৌধ নিৰ্মাণ কৰক, ইতিহাস বচনা কৰক, আন্ধাৰ পথ আলোকিত কৰক, এই শুভ সময়ত তাকেই কামনা কৰিছোঁ। ■

Sradhanjali

Late Prof. Debajit Pathak was born in 1964. He joined this college as a lecturer in the dept. of Botany on 2nd Aug. 1993 and worked for a very brief period as he later joined the Assam Police Service in 1995. He rendered his brave and uncompromising services to the State in the capacity of a police officer. This promising youngman had miles to go; but God snatched him away from us untimely. He died while on duty in a landmine blast on 27th January 2002.

We pray to God for the rest of his soul in peace.

সুবিধাবাদীৰ স্বীকাৰোক্তি

থানেশ্বৰ দাস
অভয়াপুৰী

তেতিয়াও মই যোগীঘোপা হাইস্কুলৰ সহকাৰী শিক্ষক। শিক্ষক হ'লেও মোৰ শিক্ষাৰ অৰ্হতা যে কিমান তাক আৰম্ভনিতে মই বঢ়াই কলেও জনা জনে জানেই। কিন্তু মোৰ আৰ্থিক অৱস্থা আৰু বিদ্যালয়ৰ আৰ্থিক অৱস্থা একেই। ফলত বিদ্যালয়ৰ কৰ্ম্মকৰ্ত্তা সকলে অধিক পইচা খৰচ কৰি দৰমহা দি ভাল শিক্ষক নিয়োগ কৰিব নোৱাৰে যদিও বিদ্যালয়খন প্ৰতিষ্ঠা নকৰিলেও নহয়। ফল স্বৰূপে আগবঢ়াই দিব পৰা শিক্ষাৰ আৱশ্যকীয় নথি পত্ৰ নাই যদিও আংশিক ভাবে শিক্ষাৰ বতৰা দি কামত যে মই তিখৰ তাকে ক'বলৈ বা কৰি দেখুৱাবলৈ পিচ নুহুকা বাবে জনা জনে আমাক মকৰল কৰি শিক্ষানুষ্ঠান সুকলমে চলাবলৈ ল'লে। আনহাতে এয়া আমাৰ ক্ষেত্ৰতে নহয়। আমাৰ নিয়োগৰ আগতে আৰু তেনেকৈ ভিতৰ-বাহিৰ এক নোহোৱা এজনকো মকৰল কৰি বিদ্যালয়ৰ পাঠদান সুকলমে চলাই আছে।

কিন্তু তেখেতৰ শিক্ষা দানৰ অৰ্হতা কিমান বা ছাত্ৰ-ছাত্ৰীক পাঠদানত কিমান চোকা তাক থলতে চাকি চোৱাটো বৰ সহজ কথা নহয়। কাৰণ তেখেতৰ কথন ভঙ্গী আৰু শব্দ প্ৰয়োগৰ চাতুৰ্য্যই তেখেতক বিপদত নেপেলায়। ফলত শৰ্ম্মা চাৰ বৰ ভাল শিক্ষক। ঘন্টা পাৰ হ'লেও শৰ্ম্মা চাৰৰ সাহিত্য-বুৰঞ্জীৰ পাঠদান শেষেই নহয়। কিন্তু আমাৰ ? আমাৰ পাঠদানৰ বিষয়বস্তু জংক-পংক। অৰ্থাৎ অংক বোলে জংক-পংক হে। গতিকে যথেষ্ট সাবধান নহ'লে আমাৰ নিচিনা কম ধতুৰা শিক্ষক মহাশয়ৰ নিশ্চয় লটি-ঘটি নোহোৱাকৈ নেথাকে। অৱশ্যে চলন্তাপাৰা চৰকাৰী এম. ভি. স্কুল আৰু আমাৰ দিনৰ সেই শিক্ষানুষ্ঠানৰ মুৰব্বী শিক্ষক প্ৰয়াত শিবেন দাস দেৱৰ অংকৰ পাঠ দানেই তেতিয়াৰ মেট্ৰিক পৰ্য্যায়লৈ আমাক থন-থনীয়া কৰি তুলিছিল। আনহাতে আমাৰ সামান্য সম্পৰ্কীয় বিদ্যালয়ৰ সম্পাদক মহোদয়ো সেই এম্. ভি. স্কুলৰে প্ৰাক্তন ছাত্ৰ। গতিকে তেখেতে আমাক অংক শিক্ষক নিৰ্বাচন কৰি যে উপযুক্ত কামেই কৰিছে তাকে ক'বলৈ কেতিয়াও পিছ পৰি নাথাকে। লাগিলে ইফালে মোৰ চুলিৰ আগে জিউ যাওঁ যাওঁ অৱস্থাই হওক। অংক বিজ্ঞান পঢ়াৰ আগ্ৰহ আমাৰো নথকা নহয়। কিন্তু অবিভক্ত গোৱালপাৰা জিলাত ধুবুৰী বিজ্ঞান মহাবিদ্যালয়খনৰ বাহিৰে আন এখন নাই। গতিকে তালৈ গৈ পঢ়াতো আমাৰ কাৰণে আকাশত চাং পতা কথাহে। কিন্তু সৌভাগ্যৰ কথা যে, আমি পঢ়া অভয়েশ্বৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ কাষতে ১৯৫৫ চনত অভয়াপুৰী মহাবিদ্যালয় আৰু যোগীঘোপাৰ কাষেৰে বৈ যোৱা বৰলুইত পাৰ হ'লেই পোৱা গোৱালপাৰা মহাবিদ্যালয় দুয়োখনে একে সময়তে প্ৰতিষ্ঠা হোৱা। গতিকে আমাৰ উচ্চ শিক্ষাৰ বাটত নিশ্চয় এই দুখন মহাবিদ্যালয়ে যথেষ্টই আমাক সহায় কৰিব পাৰিব। কেৱল আমাৰ অলপ আগ্ৰহ, কিছু কষ্ট আৰু অকণ মিছা কোৱাৰ অভ্যাস কৰিব পাৰিলেই হয়। কাৰণ ৰাতিটো গোৱালপাৰাত থাকি, দিনটো যোগীঘোপাত অংকৰ লগত যুঁজি, সন্ধিয়াৰ আগে আগে ফেৰী আৰু মটৰেৰে পুনৰায় গোৱালপাৰালৈ উভতি গৈ গোৱালপাৰা মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীৰ প্ৰথম বৰ্ষৰ পাঠদানত উপস্থিত হ'ম। কিন্তু মহাবিদ্যালয় কৰ্ত্তৃপক্ষই পতা পৰীক্ষা সমূহত মই কেতিয়াও উপস্থিত নাথাকো বা সেই মহাবিদ্যালয়ত নাম ভৰ্ত্তী নকৰো। তাৰ সলনি অভয়াপুৰী মহাবিদ্যালয়তহে নামটো লিখাই থলো। কেৱল গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰায়বোৰ স্নাতক প্ৰথম বৰ্ষৰ শ্ৰেণী পাঠদানত উপস্থিত থাকি ৰাতিটো হোটেলত কম পইচাৰ ভাত কেইটামান খাই ভাড়া লোৱা কোঠাটিত শুই থাকো। ৰাতিপুৱা পুনৰ মুচিক ভব। অৰ্থাৎ হোটেলৰ ভাত সাজ আৰু স্কুলৰ শ্ৰেণী কোঠাৰ অংক জংক পংক। চৰ্চ্চাৰ সময় নাই। কাকো সুধিবলৈও নাই। ৰাতিটো ক'ত থাকো, কি কৰো কাকো ক'বলৈও নাই। কোনোবাই সুধিলেও ক'বলৈ একো নাই। আমাৰ স্নাতক মহলাৰ পাঠ গ্ৰহণৰ বাবে গোৱালপাৰা মহাবিদ্যালয়খনিক বাচনি কৰি লোৱাৰ মূল কাৰণ হ'ল - যোগীঘোপা-পঞ্চৰত্নৰ ফেৰী আৰু পঞ্চৰত্ন-গোৱালপাৰা মটৰৰ চালক-পৰিচালকবোৰ মোৰ কম-বেচি পৰিমানে বন্ধু স্থানীয়। কেৱল উঠিলেই হ'ল। একমাত্ৰ ভাত খোৱা আৰু ৰাতি শোৱা বিচনাখন হ'লেই হ'ল। অংকৰ শিক্ষাদান দিয়াৰ বিনিময়ত সামান্য পইচা হাই স্কুলখনৰ পৰা পাওঁ যেতিয়া আৰু চিন্তা নাই। কৰবাত খোৱাৰ ব্যৱস্থা কৰিম আৰু কৰবাত ৰাতিটো থকাৰ লগতে অলপ পঢ়িমো। কেৱল

সামান্য ফাঁকি দিয়েই অভয়াপুৰী মহাবিদ্যালয়ত নাম লিখি থৈ, যোগীঘোপাত সামান্য পইচা উপার্জনৰ ব্যৱস্থা কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাতিৰ ভাগত পাঠ গ্ৰহণৰ ব্যৱস্থা ল'লো।

এনেকৈ মোৰ স্নাতক পর্য্যায়ৰ শিক্ষা গ্ৰহণ কোনোমতে চলি থাকিল। প্ৰথম বর্ষৰ বাবে পতা পৰীক্ষাত বহিবলৈ আমি বিদ্যালয়ৰ পৰা চুটি লৈ অভয়েশ্বৰী উচ্চ ইংৰাজী বিদ্যালয়ত পঢ়া কালত আমাৰ ছাত্ৰাবাসৰ ওচৰতে মহাবিদ্যালয়ৰ ছাত্ৰাবাস এটাও সাজি থৈছিল। তাতেই চিনা জনা ছাত্ৰ এজনৰ লগত থকাৰ ব্যৱস্থা কৰি অলপ পঢ়া শুনাত লাগি পৰিলো। কিন্তু নিজৰ ওপৰতে বৰকৈ ভৰষা নাই। কেৱল চাৰৰ বক্তৃতা শুনিছো যদিও সিবোৰক পাঠৰ লগত মিলাই প্ৰশ্নোত্তৰ প্ৰস্তুত কৰিবলৈ সময়ে পোৱা নাই। তথাপি সামান্য সাহস গোটাই পঢ়াশুনাত লাগি পৰিলো। ভয়ে ভয়ে ইটো সিটো চাই আছো আৰু ঠিক তেনে সময়তে অভয়াপুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ চাৰৰ প্ৰথম ল'ৰাটোৰ জন্ম যন্ত্ৰণাৰ খবৰটো ছাত্ৰাবাসৰ ছাত্ৰ সকলে গম পোৱাত সহায়ৰ হাত ডাঙি আগবাঢ়ি গলো। ভালকৈ খবৰ লৈ গম পালো যে বাইদেউৰ প্ৰথম সন্তানৰ জন্ম স্বাভাৱিক ভাবে হোৱাটো সম্ভৱ নহয়। অস্ত্ৰোপচাৰ নকৰিলে নহবই। বেচেৰা অধ্যক্ষ চাৰ মফচলত কেৱল কাম কৰা ল'ৰাটোৰ বাহিৰে ভাড়া ঘৰত চাৰ আৰু বাইদেউ। ফলত আমি ছাত্ৰ বাসৰ ছাত্ৰই খবৰ পায়েই দৌৰা-দৌৰি কৰি ডাক্তৰ অনা, নার্চৰ খবৰ কৰা, ঔষধ বিচৰা কামবোৰ সম্পন্ন কৰাত কোনোমতে অস্ত্ৰোপচাৰ কৰি বিপদ উদ্ধাৰ হ'ল। হ'লেও বাইদেউৰ স্বভাৱিক অৱস্থা ঘুৰি আহিবলৈ সময় লাগিল। আমিও ভালেই পালো। আমাৰো পাল পাতি পহৰা দিয়া কামটো চলিয়ে থাকিল। তাকে কৰি চাৰৰ চকুত পৰাত আমাৰ হেতা অপৰা লাগিল। আমাৰ ধাৰণা - আমি চাৰৰ আবাসত পাল পাতি পহৰা দি থকাত পঢ়াশুনাও ক্ষতি হ'ল। পৰীক্ষাও যে ভালকৈ দিব পাৰিম আশা কৰিব নোৱাৰি। অধ্যক্ষ চাৰে আমাৰ অৱস্থাটো দেখিছেই। গতিকে আমাৰ প্ৰতি তেখেত নিশ্চয় সদয় হবই।

যিহক তাকে আশা কৰি যথা নিয়মে পৰীক্ষাটো দি অভয়াপুৰী এৰিলো। আকৌ আগৰ দৰে দিনত অংক, ৰাতিৰ প্ৰবক্তাৰ বক্তৃতা, ফেৰী-মটৰৰ ঘৰ-ঘৰণিৰ মাজতে অধ্যক্ষকে ধৰি চাৰ সকলৰ কৃপা ধন্য হোৱাৰ খবৰটো পাই উৎসাহিত হৈ স্নাতক শাখাৰ শেষ পৰীক্ষাৰ বাবে দেহে কেহে লাগি পৰিলোঁ। সৌভাগ্য বা দূর্ভাগ্যই হওক স্নাতক পৰীক্ষাৰ বাবে পতা বাচনী পৰীক্ষাত কিন্তু বহা নহ'ল। কাৰণ অভয়াপুৰীত থাকিলে একেলগে মেচ কৰি থকা আই এ শ্ৰেণীৰ আমাৰ গাওঁৰে ছাত্ৰজনে ঘৰৰ পৰা চাউল লৈ উভতি অহাৰ সময়ত যাত্ৰী-বাহী বাছ গাড়ী নেপাই 'চিলপাত' কঢ়িওৱা ট্ৰাকত আহি থাকোতেই ট্ৰাক বাগৰি পৰাত 'চিলপাত'ৰ হেঁচাত আন আঠজনৰ লগতে বেচেৰা ভবেশ্বৰ দাসেও শেষ নিশ্বাস এৰিলে। ফলত তেনে এটি অঘটন ঘটা বাবে কলেজ কৰ্তৃপক্ষইও বাচনি পৰীক্ষা পিচুৱাই দিয়ে। আমিও সন্ধিয়া সন্ধিয়াকৈ ঘৰলৈ গৈ ভবেশ্বৰৰ মাক-দেউতাকক সামান্য শান্ত্বনা দি থাকিলো। ৰাতিটো ঘৰত থাকি ৰাতি পূৱাই অভয়াপুৰীলৈ গুচি আহো। কাৰণ যোগীঘোপা হাইস্কুলত থাকোতেই গড় কপ্তানি বিভাগত ইন্টাৰভিউ দি সৌভাগ্য গুনে অভয়াপুৰীতে Machanical Division ৰ Cashier পদত মকৰল হৈছিলো। ফলত অফিচৰ কামৰ হেঁচাত পৰি বাচনি পৰীক্ষাৰ বাবে লোৱা Preparation এ কাম দিয়াৰ আশা নেদেখি পুনৰায় ভবেশ্বৰৰ দূর্ঘটনাকে আশ্ৰয় কৰি বাচনি পৰীক্ষাৰ বৈতৰণী পৰা হ'লো।

পিচে- 'মনে খোজে ৰজা হ'ব বিধাতাই নিদিয়ে মাগি খাব'ৰ লেখিয়াকৈ আমিও বৰ আশাৰে স্নাতক চুড়ান্ত পৰীক্ষা দি থাকোতেই অকস্মাৎ নেহৰু খুড়াই ১৯৬৪ চনৰ ২৭ মে তাৰিখে ইহলীলা সম্বৰণ কৰাৰ ফলত একেলগে কেইবাদিনো বন্ধ পাই উধাই মুধাই চকু নাক চেপি পঢ়িবলৈ ললোঁ। ফলত কোনোমতে স্নাতক ডিগ্ৰীটো লৈ থোৱাৰ বাবে সমগ্ৰত যোগীঘোপাৰ "গোবিন্দ সোঁৱৰণী উচ্চ বিদ্যালয়"ৰ মুৰব্বী শিক্ষকৰ পদত নিগাজীকৈ থিতাপি লৈ সম্পূৰ্ণ ৫৮ বছৰ বয়সলৈ চাকৰি কৰি অভয়াপুৰীৰ ঘৰৰ ওচৰতে থকা জাতীয় বিদ্যালয় এখনত আজি প্ৰায় ছয় বছৰ অধ্যক্ষৰ পদত থিতাপি লৈ ব্যস্ত হৈ আছো।

কেৱল জীৱনৰ আগ ডোখৰত বিভিন্ন চল চাতুৰিৰে যোগ দি দুখন মহাবিদ্যালয়ক কিছু সঁচা-মিছা কৈ সংসাৰত নিজকে মিলাব পৰা কৰাৰ বাবে যিখিনি কৰিলোঁ তাৰেই স্বীকাৰোক্তিৰে সকলোৰে (শিক্ষা প্ৰেমী ৰাইজ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী) ওচৰত ক্ষমা বিচাৰিলো। অভাবেই যাক এনে কৰিলে (অভাৱ গ্ৰস্ততাৰ ফলত চোৰ, ডকাইটি নকৰাকৈ সামান্য ইফাল-সিফাল কৰি যি সুবিধা বাদীৰ লেখত পৰিলো) তাৰ বাবে সেই দুখন মহাবিদ্যালয়ে আমাৰ জীৱন গঢ়াত যিখিনি সুবিধা দিলে তাৰ বাবে আজিৰ এই আঢ়ৈ কুৰি বছৰীয়া সোণালী মহোৎসৱত (Golden Jubilee) সদৌটিলৈকে শত কৌটি নমস্কাৰেৰে সুবিধাবাদীৰ স্বীকাৰোক্তি প্ৰদান কৰিলো।

দুয়োখন মহাবিদ্যালয়ে সোণালী পথেৰে আগুৱাই গৈ জাকত জিলিকা হওঁক। তাকে অন্তৰেৰে কামনা কৰিলোঁ। ■

প্ৰয়াত মাখন চন্দ্ৰ শালৈ -ৰ স্মৃতিত দু-আষাৰ

দীনেশ চন্দ্ৰ বৰুৱা
প্ৰাক্তন পঞ্জীয়ক, গুৱাহাটী বিশ্ববিদ্যালয়

ছয়গাওঁ অঞ্চলৰ ৰাইজৰ দাবী - মই মাখন শালৈৰ বিষয়ে এটা লেখা দিব লাগে। তেখেতসকলে মণিব পাৰিছে যে প্ৰয়াত শালৈৰ লগত মোৰ এটা বিশেষ সম্পর্ক আছিল। বিপদটোও হৈছে সেইখিনিতে। যিজন ব্যক্তিৰ লগত মোৰ এটা সম্পর্ক থাকে তেওঁৰ বিষয়ে লিখাটো বৰ কষ্টসাধ্য হোৱাৰ বিপৰীতে আত্মানুভূতি প্ৰস্তুত হোৱাৰ সম্ভৱনা থাকে। তথাপি ৰাইজৰ দাবী শিৰোধার্য কৰি স্মৃতিৰ মণিকোঠাৰ ধূলি-মাকতিবোৰ সাৰি-সিকাৰি লিখিব ওলাইছো।

প্ৰয়াত মাখন শালৈক প্ৰথম লগ পাওঁ পঞ্চাশ দশকত অর্থাৎ ১৯৫৭-৫৮ চন মানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলৰ চূড়ান্ত বর্ষৰ অর্থনীতি বিভাগৰ ছাত্ৰ হিচাপে। ১৯৩৩ চনৰ ৭ এপ্ৰিল তাৰিখে জন্মগ্ৰহণ কৰা শালৈ কিন্তু মোতকৈ বয়সত প্ৰায় ৬ বছৰ ডাঙৰ। প্ৰাৰম্ভিক বর্ষৰ ছাত্ৰ হিচাপে সেই সময়ৰ চূড়ান্ত বর্ষৰ ছাত্ৰ প্ৰয়াত শালৈ আৰু তেওঁৰ লগত অন্যান্যসকলক যথেষ্ট সমীহ কৰি চলিছিলোঁ। শালৈৰ লগৰ বহুতে আমাক 'তুমি' সম্বোধন কৰি নাম কাঢ়ি মাতিলেও শালৈৰ কাৰণে আমি সদায় 'আপুনি' আৰু 'বৰুৱা' হৈয়েই থাকিলোঁ - 'তুমি' আৰু 'দীনেশ' নহ'লোঁ।

স্নাতকোত্তৰ মহলাৰ পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিছত আমি উভয়ে কর্মক্ষেত্ৰৰ সন্ধানত ব্যস্ত হৈ পৰোঁ। প্ৰয়াত শালৈৰ কর্মজীৱন আৰম্ভ হয় ছয়গাওঁ উচ্চ মাধ্যমিক বিদ্যালয়ত। আৰু আমি কর্মজীৱনৰ পাতনি মেলো আর্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত।

গোৱালপাৰা কলেজত চাকৰি জীৱন আৰম্ভ কৰাৰ আগতে প্ৰয়াত শালৈয়ে তুৰা কলেজ আৰু দৰং কলেজত কিছুদিনৰ বাবে শিক্ষকতা কৰিছিল। আমিও প্ৰায় এবছৰ কাল স্কুলত চাকৰি কৰাৰ পিছত ১/১১/১৯৬২ তাৰিখৰপৰা আর্য্য বিদ্যাপীঠ কলেজত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰোঁ। চাকৰি কালত শালৈৰ লগত বহুত দিন যোগাযোগ পাতল আছিল।

১৯৭৫ চনত অনুষ্ঠিত হোৱা অসম কলেজ শিক্ষক সংস্থাৰ (অঃ কঃ শিঃ সঃ) অধিবেশনত মই কার্যনির্বাহক সদস্য নির্বাচিত হোৱাৰ পিছৰে পৰা শালৈৰ লগত সম্পর্ক গাঢ় হ'বলৈ ধৰে আৰু পিছলৈ আমাৰ মাজত এক একাত্মবোধ গঢ়ি উঠে আৰু অঃ কঃ শিঃ সংস্থাৰ মজিয়াতেই শালৈৰ অন্তর্নিহিত গুণৰাজি ক্ৰমে ক্ৰমে আমাৰ দৃষ্টিগোচৰ হবলৈ ধৰে। অঃ কঃ শিঃ সংস্থাৰ ৩৪ তম্ বাহনা অধিবেশনত মই বিনা প্ৰতিদ্বণ্ডিতাৰে সাধাৰণ সম্পাদক নির্বাচিত হওঁ আৰু প্ৰয়াত শালৈ সংস্থাৰ সভাপতি নির্বাচিত হয়। সেই সময়ত অসম আন্দোলনৰ ভৰপক পর্যায়। অসমৰ অধিকাংশ লোক আন্দোলনে সৃষ্টি কৰা অনুভূতি-প্ৰৱণতাৰ সাগৰত উটি-ভাঁহি যোৱা অৱস্থা। এনে পৰিস্থিতিৰ মাজতো অঃ কঃ শিঃ সংস্থাৰ নেতৃত্বৰ দূৰদর্শীতাৰ বাবে সংস্থাই ইয়াৰ স্বকীয় চৰিত্ৰ অটুট ৰাখিব পাৰিছিল।

সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰাৰ আগতে প্ৰয়াত শালৈ সাধাৰণ সম্পাদক থাকোতে মই সহকাৰী সম্পাদকৰ দায়িত্ব পালন কৰিছিলোঁ। এই দুটা পদবীত কার্যনির্বাহ কৰাৰ সময়ত শালৈক অতি ওচৰৰ পৰা জনাৰ সুবিধা পাইছিলোঁ। এই কালচোৱাত শালৈৰ নেতৃত্বসুলভ গুণৰাজি চকুত পৰিছিল। কোনো এটা আলোচনালৈ যাবলগীয়া হ'লে তেখেতে প্ৰায়ে মোক সকলোবোৰ কথা পঢ়ি শুনি কাগজ-ফাইল আদি ঠিক কৰি ল'বলৈ উপদেশ দিছিল। তেতিয়াই শিক্ষা পাইছিলোঁ যে সকলো কামৰ আগতে যথেষ্ট Home Work ৰ প্ৰয়োজন। এই শিক্ষাই মোক পিছৰ কর্মজীৱনত যথেষ্ট সহায় কৰিছিল।

আলোচনা কালত শালৈ আছিল Master

Negotiator । কোনখিনিত এৰিব লাগে, কোনখিনি ধৰি ৰাখিব পাৰে তেখেতে ভালদৰে জানিছিল। চৰকাৰী কার্যালয়ৰ কর্মচাৰীসকলৰ লগত তেখেতে সদায় সৌহাদ্যপূর্ণ সম্পর্ক এটা গঢ়ি তুলিব পাৰিছিল আৰু ইয়াৰ ফলত সংস্থাৰ কাম-কাজবোৰ সহজতে আমি কৰাই ল'ব পাৰিছিলোঁ। এই সম্ভাৰ সৃষ্টি কৰিব পৰা ক্ষমতা শালৈৰ অন্য গুণ। পিছলৈ আমি আটায়ে অঃ কঃ শিঃ সংস্থাৰ মজিয়াত প্রয়াত শালৈক 'পিতামহ' আখ্যাৰ মাতিবলৈ আৰম্ভ কৰিছিলোঁ। ধেমালি কৰি হ'লেও প্রয়াত শালৈ কিন্তু প্রকৃততে 'পিতামহ' আখ্যাৰে যোগ্য। পদবী থাকক বা নাথাকক শালৈৰ কাৰণে অঃ কঃ শিঃ সংস্থা আছিল প্রিয়তকৈও প্রিয় আৰু প্রাণতকৈও অধিক আপোন।

পিছলৈ মই ১৯৮৬ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখৰপৰা ১৯৯১ চনৰ ৬ ছেপ্তেম্বৰ তাৰিখলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক স্বৰূপে কার্যনির্বাহ কৰোঁ। এই সময়ছোৱাত প্রয়াত শালৈৰপৰা মই সদায়েই আকুণ্ঠ সহায় আৰু সহযোগ লাভ কৰিছিলোঁ। গোৱালপাৰা জিলাৰ যিকোনো সমস্যাবহুল বিষয়ত মই শালৈৰ দিহা-পৰামর্শ লাভ কৰিছিলোঁ।

১৯৯৭ চনৰ ৭ অক্টোবৰ তাৰিখৰপৰা মই অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষৰ দায়িত্ব পালন কৰো। ২০০২ চনৰ ২২ জানুৱাৰী তাৰিখলৈকে মই দায়িত্ব বহন কৰা কালছোৱাত প্রয়াত শালৈৰ লগত আগেয়ে থকাৰ দৰেই যোগাযোগ অব্যাহত আছিল। এই সময়ছোৱাতো প্রয়াত শালৈৰ দিহা-পৰামর্শৰ পৰা বঞ্চিত হোৱা নাছিলোঁ।

কর্মজীৱনৰ পৰা অৱসৰ লোৱাৰ পিছত শালৈয়ে নিজৰ নেতৃত্বসুলভ গুণৰ বলত এখন কর্মক্ষেত্র সৃষ্টি কৰি লৈছিল আৰু সেই কর্মক্ষেত্রতো তেখেতে বহুতক গুণমুগ্ধ কৰি থৈ গৈছে। সেইসকলে প্রয়াত শালৈক সদায় কৃতজ্ঞতাৰে সুঁৱৰিব লাগিব।

মাখন শালৈৰ বিষয়ে লিখিবলগীয়া বহুতো কথা আছে। এই লিখনি আৱশ্যকভাৱে দীঘল হোৱাৰ ভয়ত ইমানতে সামৰিলোঁ।

শালৈৰ আকস্মিক মৃত্যু মোৰ বাবে এটা ব্যক্তিগত ক্ষতি। তেখেতৰ মৃত্যুত মই এজন প্রকৃত শুভাকাংক্ষী আৰু সুহৃদ হেৰুৱালোঁ। তেখেতৰ পবিত্র স্মৃতিৰ প্রতি শ্রদ্ধা নিবেদন কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।■

The hours of a wise man are strengthened by his ideas, as those of a fool are by his passions. The time of the one is long, because he does not know what to do with it; so is that of the other, because he distinguishes every moment of it with useful or amusing thoughts; or, in other words, because the one is always wishing it away, and the other always enjoying it.

- Addison

গোৱালপাৰা কলেজ অলোচনীৰ ৰেঙণি

ৰতন চন্দ্র ভট্টাচার্য
প্রবক্তা

সাহিত্য মানুহৰ চিন্তাৰ সৃষ্টি। সাধাৰণতে সাহিত্য সৃষ্টি বিলাকৰ মাজেদি সমাজ জীৱনৰ বাস্তৱতা প্রতিফলিত হয়। কলেজ এখনৰ ছাত্র-ছাত্রীসকলৰ মাজত সাহিত্য চর্চা তেনেই সীমিত - বিশেষকৈ গোৱালপাৰা কলেজৰ ছাত্র-ছাত্রীৰ মাজত। তৎস্বত্তেও কলেজ আলোচনী এখন থকা বাবে ছাত্র-ছাত্রীয়ে সেইখনৰ মাজেদি নিজস্ব চিন্তা-চর্চাৰ বহিঃ প্রকাশ ঘটাই আহিছে। বিগত পঞ্চাশটা বছৰত গোৱালপাৰা কলেজ আলোচনীৰ ভালে সংখ্যক সংখ্যা প্রকাশ পাইছে। বিভিন্ন অনভিপ্রেত কাৰণত কেইটামান বছৰত আলোচনীখন প্রকাশিত নহ'ল।

শিক্ষা আৰু অভিজ্ঞতাৰ মাপকাঠিত কলেজৰ ছাত্র-ছাত্রীসকল স্বাভাৱিকতে পুষ্ট নহয়। আলোচনী সম্পাদক এগৰাকীৰ ক্ষেত্রতো কথাটো সমানে প্রযোজ্য। গোৱালপাৰা কলেজ আলোচনীৰ এটা ৰেঙণি দিবলৈ যাওঁতে আদিৰে পৰা বর্ত্তমানলৈ ছাত্র-ছাত্রীসকলে যি সকলক গোৱালপাৰা কলেজ আলোচনীৰ সম্পাদক হিচাবে নির্বাচিত কৰিছিল সেইসকলক স্মৰণ কৰাটো নিশ্চয় অযুগুত নহ'ব। আমাৰ হাতত পৰা তথ্য মতে সেইসকল হ'ল - মহেন্দ্র দাস (১৯৫৭-৫৮), শ্যামাচৰণ দাস (১৯৫৮-৬০), সুৰেশ ৰাভা আৰু নির্মাল্য কুমাৰ দাস (১৯৬০-৬১), ৰোহিনী কুমাৰ চৌধুৰী (১৯৬১-৬২), মণি ৰাভা (১৯৬২-৬৩), দ্বিপেন চন্দ্র দাস (১৯৬৩-৬৪), বিনয় কুমাৰ শর্মা (১৯৬৬-৬৭), মোকচেদ আলী আৰু নৰেশ দাস কলিতা (১৯৬৮-৬৯), নৰেশ দাস কলিতা (১৯৬৯-৭০), ত্রিদীব নাথ চক্রৱর্ত্তী (১৯৭০-৭১), সুলোচন ৰাভা (১৯৭১-৭২), অজন্তা দাস (১৯৭২-৭৩), চাজেৰ ৰহমান (১৯৭৩-৭৪), আনোৱাৰ হুছেইন (১৯৭৫-৭৬), আজিজৰ ৰহমান (১৯৭৬-৭৭), ভৰত চন্দ্র দত্ত (১৯৭৭-৭৮), অহিদু জামান (১৯৭৮-৮০), ইৰছাদ আলী (১৯৮১-৮২), গৌতম সোম (১৯৮৩-৮৪), জয়ন্ত মেধী (১৯৮৫-৮৬), প্রশান্ত নাথ (১৯৮৬-৮৭), চুলতান গিয়াছুদ্দিন আহমেদ (১৯৮৭-৮৮), নিলাঞ্জন দাস (১৯৮৮-৮৯), জৈৱেন্দু জ্যোতি পাটগিৰি (১৯৮৯-৯০), ইন্দ্রানী বৈশ্য (১৯৯০-৯১), দিগন্ত বৰুৱা (১৯৯১-৯২), বকুল শুৰুং (১৯৯২-৯৩), প্রদ্যুম্ন নাথ (১৯৯৩-৯৪), বিজু কলিতা (১৯৯৪-৯৫), ত্রিদীপ কুমাৰ ৰয় (১৯৯৫-৯৬), অমূল্য কুমাৰ নাথ (১৯৯৬-৯৭), এছ. ইউ. আহমেদ (১৯৯৭-৯৮), অচ্যুত বৰণ মোদক (১৯৯৮-৯৯), হৰিদাস ৰাভা (১৯৯৯-২০০০), মুবিন ৰাভা (২০০০-২০০১), ৰিমনী মেধী (২০০১-০২), শিৱদাস ৰাভা (২০০২-২০০৩), মানৱ দাস (২০০৩-২০০৪) আৰু ধননজ্যোতি বর্মন (২০০৪-২০০৫)।

নৰেশ দাস কলিতা সম্পাদিত ১৯৬৯-৭০ বর্ষৰ আলোচনীখনৰ অসমীয়া বিভাগত সন্নিৱিষ্ট হৈছে - সাতটা প্রৱন্ধ, তিনিটা গল্প, কবিতা গুচ্ছ, প্রশ্নোত্তৰ, সাহিত্য-সংস্কৃতিৰ শিতান আৰু সম্পাদকীয়। ইংৰাজী বিভাগত অধ্যক্ষ ড০ মহেন্দ্র বৰাৰ কবিতা 'I remember my births' ('জাতিস্মৰ'ৰ অনুবাদ) সহ সমসাময়িক অর্থনীতি, বৈজ্ঞানিক অভিযানৰ কাহিনী, জিলাখনৰ ৰাজনৈতিক পৰিস্থিতি আদি বিষয় সামৰি কেইবাটাও উচ্চমান বিশিষ্ট লেখা প্রকাশ পাইছে। অসমীয়া বিভাগত প্রকাশিত "ৰাভা জাতি ঃ এটি সমীক্ষা" আৰু "মিৰি সমাজত এভূমুকি" প্রৱন্ধ দুটাৰে লিখক-লেখিকা ক্রমে হেৰম্ব কুমাৰ ৰাভা আৰু আলেয়া বেগমে উক্ত দুই জনগোষ্ঠীৰ বসতি, ভাষা-সংস্কৃতি, ঐতিহ্য, সামাজিক জীৱন আদিৰ এক সুন্দৰ ছবি দাঙি ধৰিছে। মদন ৰয়ৰ 'এখন চিঠি-সম্পাদকলৈ'ত গোৱালপাৰাৰ গ্রাম্য জীৱনত প্রচলিত অথচ আজিও বিদ্বৎ সমাজত স্বীকৃতি নোপোৱা শতাধিক নিভাঁজ শব্দ আৰু সেইবোৰৰ অর্থ লিপিবদ্ধ কৰিছে। এইখন আলোচনীৰ প্রশ্নোত্তৰ শিতানৰ যোগেদি সম্পাদকে ছাত্র-ছাত্রীৰ চিন্তাধাৰা জনাৰ এক সাহসী আৰু ব্যতিক্রমধর্মী

পদক্ষেপ হাতত লোৱাৰ প্ৰমাণ বিদ্যমান।

দ্বাদশ সংখ্যা (১৯৭২-৭৩) আলোচনীৰ সম্পাদিকা অজন্তা দাসৰ আক্ষেপ প্ৰকাশ পাইছে এনেদৰে -'ছাত্ৰসকলে ৰাজনীতিত অংশ গ্ৰহণ কৰিছে প্ৰধানতঃ আঞ্চলিক, সাম্প্ৰদায়িক অথবা ভাষাগত ভেঁটিত। এওঁলোকে খুব সহজেই ৰাজনৈতিক দলৰ বলি হৈছে। কোনো সমস্যা সমাধানত নিজস্ব দৃষ্টিভঙ্গী নাই। ছাত্ৰ নেতাসকলে ৰাজনৈতিক দল বা অনুৰূপ সংগঠনৰ পৰিপ্ৰেক্ষিতত হঠাতে পপীয়া তৰা খহি পৰাৰ দৰে এদিন শ্ৰেণীৰ পৰা বিৰত থাকি মিলিত হয় - প্ৰতিবাদ দিৱস অথবা ধৰ্ম্মঘট পালনৰ উদ্দেশ্য। ইয়াৰ বাহিৰে কোনো সমস্যা সমাধানৰ উদ্দেশ্যে প্ৰায়ে আন্তৰিকতাপূৰ্ণ আলোচনা হোৱা দেখা নাযায়। আমাৰ শিক্ষা-ব্যৱস্থা, অনিয়মিত জলপানি আদিৰ ত্ৰুটিপূৰ্ণ ব্যৱস্থা থকা স্বত্বেও ছাত্ৰ সমাজে তাৰ আশু সমাধান কল্পে ব্যস্ত হৈ পৰা নাই'। সম্পাদিকাৰ নিৰ্মোহ উপলব্ধি "উনৈশটি বসন্ত গছকি যোৱা গোৱালপাৰা মহাবিদ্যালয়ৰ ৰূপটো যিদৰে বিকশিত হ'ব লাগিছিল - সেয়া নহ'ল ..... অতি দুখৰ বিষয় যে এইখন মহাবিদ্যালয়ক অসমৰ আন আন মহাবিদ্যালয়ৰ শাৰীত থিয় কৰাব পাৰি - এই সম্ভাৱনাই যিদৰে কৰ্ত্তৃপক্ষক পৰিচালনা কৰিব লাগিছিল - কাৰ্য্যতঃ তাৰ ওলোটাহে পৰিলক্ষিত হ'ল।" এই সংখ্যাৰ সুলোচন ৰাভাৰ কবিতা 'নিৰৱ কঁপনি'ৰ কাব্যিক সৌন্দৰ্য্য, তৃপ্তি ৰায়ৰ গল্প 'নীলা খামৰ চিঠি'ত নিম্নবিত্ত পৰিয়ালৰ জীৱনৰ হৰ্ষ-বিষাদৰ এক জ্বলন্ত চিত্ৰ দাঙি ধৰিছে। আলোচনীখনৰ ইংৰাজী বিভাগৰ লিখনিবোৰে বিচিত্ৰ ৰুচিৰ খোৰাক যোগায়।

সুলোচন ৰাভা সম্পাদিত গোৱালপাৰা কলেজ আলোচনীৰ একাদশ সংখ্যা নিঃ সন্দেহে এক উচ্চ মানবিশিষ্ট সংকলন। ইয়াত 'অনুবাদ কবিতা', 'মুক অভিনয়', 'গোৱালপৰীয়া লোকগীত আৰু লোক সাহিত্য চৰ্চা', 'Hindu Economic Order' শীৰ্ষক কেইবাটাও চিন্তাগধূৰ প্ৰৱন্ধ, কেইবাটাও গীত, ভ্ৰমণ কাহিনী, একগুচ্ছ কবিতা, দেশপ্ৰেমমূলক কেইবাটাও লেখা, মূল্যৱান একাধিক ফটো, কলেজৰ শৈক্ষিক আৰু ছাত্ৰ-ছাত্ৰীৰ অবিদ্যায়তনিক বিষয়ত প্ৰগতিৰ এক স্বচ্ছ প্ৰতিচ্ছবিৰ সমাহাৰ ঘটিছে।

ইৰছাদ আলি সম্পাদিত অষ্টাদশ সংখ্যা আলোচনীত অন্যান্য লেখনিৰ লগতে ঠাই পাইছে অধ্যাপক উত্তম চন্দ্ৰ শৰ্মাৰ 'অসমীয়া নাটকত জন জাগৰণৰ ইতিহাস' শীৰ্ষক এটি মননশীল প্ৰৱন্ধ, প্ৰাক্তন সম্পাদকদ্বয় মণি ৰাভা আৰু অহিদু জামানৰ দু টি সূক্ষ্ম অনুভূতিঘন কবিতা আৰু কলেজ আলোচনী সম্পাদনা সম্পৰ্কত আঠগৰাকী প্ৰাক্তন সম্পাদকৰ চিন্তন।

অধ্যাপক আবুল মাচুমৰ 'জ্যামিতিৰ আঁত বিচাৰি' আৰু অধ্যাপক উত্তম চন্দ্ৰ শৰ্মাৰ 'কালিদাসৰ দৃষ্টিত বসন্ত' প্ৰৱন্ধ দুটি উনবিংশতম সংখ্যা (সম্পাদক - গৌতম সোম)ৰ উল্লেখযোগ্য অবিহনা।

জাতীয় জীৱনৰ এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণত আলোচনীৰ বিংশতম সংখ্যা জয়ন্ত মেধীৰ সম্পাদনাত (১৯৮৫-৮৬)প্ৰকাশ হৈ ওলায়। সমসাময়িক চাহিদা পূৰণৰ প্ৰশ্নত দায়বদ্ধ ভূমিকা লোৱা এই সংখ্যা আলোচনীৰ লিখকৰ তালিকাত প্ৰাক্তন ছাত্ৰ সঞ্জীৱ কুমাৰ শইকীয়া (প্ৰৱন্ধৰ শিৰোনামা- 'বৰ্ত্তমান পৰিস্থিতিত সংস্কৃতিক অৱক্ষয় প্ৰতিৰোধত জ্যোতিপ্ৰসাদ আগৰৱালাৰ চৰ্চাৰ প্ৰয়োজনীয়তা') আৰু উচ্চ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ শান্তনু কুমাৰ শৰ্মা (প্ৰৱন্ধৰ শিৰোনামা - 'অসমৰ সাম্প্ৰতিক পৰিস্থিতিত সাহিত্যিকৰ ভূমিকা') উল্লেখযোগ্য সংযোজন। ড° কালী প্ৰসাদ শৰ্মাৰ প্ৰৱন্ধ 'নতুন শিক্ষানীতি - এটি পৰ্য্যালোচনা'ত কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্ত্তন কৰিবলৈ ওলোৱা শিক্ষা-ক্ষেত্ৰত মৌলিক নীতি সলনিৰ তথ্য সমৃদ্ধ অথচ যুক্তিপূৰ্ণ বিশ্লেষণ পোৱা যায়। একেটা সংখ্যাতে গল্পকাৰ হিচাবে শান্তা শৰ্মা (গল্পৰ নাম - মোৰ সপোনৰ দুৱৰি ডৰা) আৰু পাঞ্চালী সিন্‌হাৰ (গল্পৰ নাম- বৃত্ত ভঙাৰ শব্দ) প্ৰতিভাৰ স্ফূৰণ ঘটিছে শব্দ চয়ন, সাৱলিল প্ৰকাশভঙ্গী আৰু বাস্তৱ অনুভূতিত।

প্ৰশান্ত নাথে সম্পাদনা কৰা আলোচনীৰ একবিংশ সংখ্যা (১৯৮৬-৮৭ চন)ত সংকলিত লেখনিৰ ভিতৰত অধ্যাপক অমিয় কুমাৰ বড়োৰ 'অসমত ভূমি সম্পৰ্ক আৰু আনুষঙ্গিক সমস্যা' শীৰ্ষক প্ৰৱন্ধ, অতনু ভট্টাচাৰ্যৰ কবিতা 'জাৰৰ দিনৰ সাধু' আৰু শান্তনু কুমাৰ শৰ্মাৰ কবিতা 'Should you feel sad' এ নিঃ সন্দেহে কৃতিত্ব দাবী কৰিব পাৰে।

চুলতান গিয়াছুদ্দিন আহমেদৰ সম্পাদনাত প্ৰকাশিত (১৯৮৭-৮৮ চন) আলোচনীখনৰ অসমীয়া বিভাগৰ সূচীত ঠাই পাইছে সাংবাদিক কনক সেন ডেকাৰ সৈতে এটি সাক্ষাৎকাৰ, শিক্ষা-সাহিত্য-সংস্কৃতি-স্থাপত্য-বিজ্ঞান সম্পৰ্কত আঠোটা প্ৰৱন্ধ, চাৰিটা ভিন্নস্বাদৰ গল্প, কেইবাটাও কবিতা, এটা কথা কবিতা, এটা ৰম্য ৰচনা, মতামত আৰু সাক্ষাৎকাৰ। এইবোৰৰ ভিতৰত আচৰাফুল হক ৰচিত 'অসমৰ সংবাদ সেৱাত গোৱালপাৰাৰ ভূমিকা' এক দুৰূহ অথচ ভৱিষ্যৎ প্ৰজন্মৰ বাবে আপুৰুগীয়া সংগ্ৰহ। পাঞ্চালী সিন্‌হাৰ গল্প 'তাই এজনী অহংকাৰী ছোৱালী' আৰু কলেজৰ কেইগৰাকীমান

উদীয়মান শিল্পীৰ সৈতে সাক্ষাৎকাৰ এই সংখ্যাৰ অনবদ্য অৱিহনা।

অন্যান্য শিতান বাদ দিলেও কেৱল গল্পৰ ক্ষেত্ৰতে এক অনন্য সংকলন নীলাঞ্জন দাসৰ সম্পাদনাত প্ৰকাশিত আলোচনীৰ ত্ৰয়োবিংশতিতম সংখ্যা (১৯৮৮-৮৯ চন)। এই সংখ্যাৰ গল্পৰ মজলিচ শুৱনি কৰিছে সদানন্দ দাস, শান্তা শৰ্মা, আমিনুল হক, পাঞ্চালী সিন্‌হা, দিলীপ কুমাৰ দাস আৰু মুক্তাদিৰ আলমে। নৈতিক অধঃ পতনৰ কোবাল সোঁতৰ পৰা ছাত্ৰ সমাজক ৰক্ষা কৰাৰ বাবে লিখনিৰ মাজেৰে কৰা প্ৰয়াস এই সংখ্যাৰ আলোচনীৰ কেইবাটাও লিখনিত বিচ্ছুৰিত হৈছে।

জৈৱেন্দু জ্যোতি পাটগিৰিৰ সম্পাদনাত প্ৰকাশিত (১৯৮৯-৯০ চন) আলোচনীৰ প্ৰথম পৃষ্ঠা ন্যায়সঙ্গতভাবে দখল কৰিছে অতনু ভট্টাচাৰ্য্যৰ কবিতা 'ঠিকনা'ই।' 'ঠিকনা'ৰ কেইটামান পংক্তি -

আগৰ ঠিকনাত আৰু মোৰ চিঠি নাহে।
আজিকালি মই প্ৰেমৰ চুবুৰীত নাথাকোঁ।
হৃদয় নামৰ ডাকঘৰটো এতিয়া
মোৰ ঘৰৰ পৰা বহুদূৰ।
ডাকোৱাল দুখে মোৰ নতুন ঘৰটো নিচিনে।
আগৰ দৰে মই আৰু মোৰ কলিজা নেবেচোঁ।
নিজৰ তেজৰ ব্যৱসায় নকৰোঁ।
আচলতে বজাৰত বেচাৰ জোখাৰে মোৰ শৰীৰে
মঙহৰ যোগান ধৰিব নোৱাৰে।

একে সংখ্যা আলোচনীৰ কবিতা ৰাননত জাতিস্কাৰ হোৱা জগবন্ধু কলিতাৰ 'শেৱালী পুৱা'ৰ কিয়দাংশ তলত উদ্ধৃত কৰা হ'ল।

(১)

জোনাকত জুৰুলি জুপুৰি নিয়ৰৰ মণি
ওৰেটো নিশা উজাগৰে আছো
মুখ্য দুৱাৰৰ জাগ্ৰত প্ৰহৰী।
মোৰ সন্মুখত এখিৰিকি আকাশ
অগণন তৰাৰ লুকা-ভাকুৰ মাজত
অনন্ত বেদনাৰ ক্ষুদ্ৰ প্ৰকাশ।

এই সংখ্যাত সন্নিবিষ্ট গল্প সমূহৰ যোগেদি শান্তা শৰ্মা, ৰাহিদৰ ৰহমান, পাঞ্চালি সিন্‌হা আৰু অজিত সৰকাৰে প্ৰেমৰ শক্তি আৰু বিবেকৰ বান্ধোনৰ দ্বন্দ, যৌৱনৰ সহজাত আৱেগ-অনুভূতি, মধ্যবিত্ত পৰিয়ালৰ হাঁহি-কান্দোনভৰা জীৱন, সমাজ জীৱনৰ পংকিলতা আঁতৰ কৰাৰ কাহিনী সুন্দৰভাৱে ফুটাইতুলিছে।

আলোচনীৰ ৰূপালী জয়ন্তী সংখ্যা (১৯৯০-৯১ চন) ৰ সম্পাদনাৰ দায়িত্ব বহন কৰে ইন্দ্ৰানী বৈশ্যই। প্ৰকাশিত প্ৰৱন্ধৰাজিৰ অন্যতম "বিশ্বজনীন প্ৰাচুৰ্য্যৰে গোৱালপৰীয়া লোকগীত"ত দীপক কুমাৰ শৰ্মা মেধীৰ সুচিন্তিত অভিমত হ'ল- আচলতে সংস্কৃতি মানৱ ইতিহাসত ৰৰপে�ৰাৰ কেঁচা সোণ সদৃশ। সেই দৰে গোৱালপৰীয়া লোকগীত গোৱালপৰীয়া জনসাধাৰণৰ শিৰাই-শিৰাই প্ৰবাহিত হৈ থকা তপ্ত তেজৰ দৰে অতি আপোন। সেয়ে হয়তো গোৱালপৰীয়া লোকগীতে সংস্কৃতিৰ বেদীত সোণত সুৱগা চৰাই দহজনৰ মন মুহিবলৈ সক্ষম হৈছে। এই জনপ্ৰিয়তাৰ কাৰণ বিচাৰি এই গীতৰ প্ৰধান বৈশিষ্ট্য সমূহৰ প্ৰতি লক্ষ্য কৰিলে আমি দেখা পাওঁ বিষয়বস্তুৰ ভিন্নতা, সু�ৱৰবৈচিত্ৰতা, ৰচনা ৰীতিৰ মাধুৰ্য্য, ৰসৰ সমুজ্জলতা, মৌলিকতা, সংগীতৰ উপযুক্ত আৰু সফল প্ৰয়োগ ইত্যাদি।' বহুকেইটা উদ্ধৃতিৰে 'নাটকৰ স্বৰূপ' উদঘাটন কৰা অধ্যাপক উত্তম চন্দ্ৰ শৰ্মাই চৰিত্ৰ, কাহিনী, সংলাপ আদি সম্পৰ্কত নিজস্ব অভিজ্ঞতাপুষ্ট অভিমত ব্যক্ত কৰিছে। একে সংখ্যাত প্ৰকাশিত আচৰাফুল হকৰ প্ৰৱন্ধ "অসমত চলচ্চিত্ৰ শিল্প-ইয়াৰ সমস্যা আৰু সমাধান" আন এটি তথ্য বহুল ৰচনা। একেদৰে দুৰ্য্যোগ ব্যৱস্থাপনাৰ পৰিপ্ৰেক্ষিতত অধ্যাপক অৰুণ চন্দ্ৰ শৰ্মাৰ লেখা 'ভূমিকম্পৰ আগজাননী'য়ে বহু নজনা তথ্য আৰু সত্যৰ সন্ধান দিয়ে। চৈধ্যটা কবিতাৰ সমাবেশে আলোচনীখনক অধিক মনোৰম কৰিছে। আলোচনীখনৰ ইংৰাজী বিভাগটোও যথেষ্ট সমৃদ্ধ বুলিব পাৰি।

আলোচনীৰ ২৬ তম সংখ্যা (১৯৯২-৯৩) ৰ সম্পাদক বকুল গুৱঙৰ অনুভৰ হ'ল - 'আলোচনীৰ নীবিড় সান্নিধ্যতাই ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী সকলৰ সুপ্ত প্ৰতিভাক জাগ্ৰত কৰে আৰু আন কেতবোৰ অনভিজ্ঞতাৰ কুঁৱলি আঁতৰাই প্ৰতিভাক চকচকীয়া কৰে'। দৰাচলতে এই সংখ্যাত প্ৰকাশিত লেখা সমূহে আন পচুৱৈকো তেনে সিদ্ধান্ত লোৱাত সহায় কৰিব। এই সংখ্যাত প্ৰকাশ পোৱা প্ৰৱন্ধ সমূহৰ শিৰোনামা এনেঃ কবি আৰু কবিতা (তীৰ্থলোচন ৰাভা), নাট্য সাহিত্যত ট্ৰেজেডি আৰু কমেডি (ৰুদ্ৰজিৎ নাথ), গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱা (লিপিকা নাথ), সাম্প্ৰতিক পৰিস্থিতিত ছাত্ৰ সমাজৰ দায়িত্ব (হিতেশ চন্দ্ৰ দাস), কবিতাৰ আদি ৰূপ লোক সাহিত্য (অধ্যাপক খৰ্গেশ্বৰ নায়ক), যুগে যুগে জীৱৰ ক্ৰম বিকাশ (পুলকেশ বৰুৱা) আৰু ভাৰতৰ ঔষধ শিল্পত পেটেন্ট আক্ৰমণ (অধ্যাপক ৰতন ভট্টাচাৰ্য)। আলোচনীখনৰ অন্যান্য শিতানবোৰো ভাল হৈছে বুলিব পাৰি।

প্ৰাক্তন ছাত্ৰ উপেন ৰাভা হাকাচামৰ 'অসমীয়া ভাষালৈ অসমৰ জনজাতীয় ভাষাসমূহৰ অৱদান' আৰু ছাত্ৰ-যুৱ সমাজৰ কেইবাটাও জ্বলন্ত সমস্যাৰ উঁহ বিচাৰি সেইবোৰ সমাধানৰ এক বাস্তৱসন্মত প্ৰয়াস প্ৰদুম্ন নাথ সম্পাদিত ২৭ তম সংখ্যা (১৯৯৩-৯৪) আলোচনীত সামৰি লোৱা প্ৰবন্ধমালাৰ ঘাই উপজীব্য।

ত্ৰিদীপ কুমাৰ ৰয়ৰ সম্পাদনত প্ৰকাশিত আলোচনীৰ ২৮তম সংখ্যা (১৯৯৫-৯৬ চন) এক সফল প্ৰয়াস বুলি প্ৰত্যয় জন্মে। বিশেষকৈ এই সংখ্যা আলোচনীৰ ইংৰাজী বিভাগত পৰ্য্যাপ্ত সংখ্যক উৎকৃষ্ট মানৰ লিখনি প্ৰকাশ পাইছে। তদুপৰি এই সংখ্যা আলোচনীৰ মুকলি চ'ৰাত পৰিবেশন কৰা সাক্ষাৎকাৰ/মতামতবোৰে ছাত্ৰ-ছাত্ৰী এচামৰ বুদ্ধিদীপ্ত, অধ্যয়ণশীল প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে।

অখিল ৰঞ্জন দত্ত সহ ন গৰাকী নিৰন্ধকাৰৰ লেখনি (অসমীয়া বিভাগ) আৰু অন্যান্য নিয়মীয়া শিতানেৰে সমৃদ্ধ গোৱালপাৰা কলেজ আলোচনীৰ ৩০তম সংখ্যা (১৯৯৭-৯৮ চন) ৰ সম্পাদক আছিল এছ ইউ আহমেদ।

১৯৯৯-২০০০ চনত প্ৰকাশ পায় আলোচনীৰ ৩১তম সংখ্যা, সম্পাদনা কৰে হৰিদাস ৰাভাই। নতুন অংগ সজ্জাৰে আটকধুনীয়াকৈ সজাই উলিয়ালেও সম্পাদকে খেদ প্ৰকাশ কৰি লিখিছে - "ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্য চৰ্চাত ইন্ধন যোগাই নিহিত প্ৰতিভাক বিকাশ সাধন কৰাটোৱেই মহাবিদ্যালয়ৰ মুখপত্ৰখনৰ প্ৰধান উদ্দেশ্য। কিন্তু উপযুক্ত লিখনি আৰু পুঁজিৰ অভাৱত এখন পূৰ্ণাংগ আলোচনী প্ৰকাশৰ পথত সম্পাদকজন নানানটা সমস্যাৰ সন্মুখীন হয়। মহাবিদ্যালয়ৰ আলোচনীৰ দায়িত্ব লৈয়েই কিমানবাৰ আলোচনীৰ বাবে লিখনি বিচাৰি জাননী দিলোঁ, কিমানক ব্যক্তিগতভাৱে, আমনি কৰিলোঁ, কিন্তু সৰ্বশেষত ফলাফল আশাব্যঞ্জক নহ'ল"। সম্পাদকীয়ৰ উপৰি এই সংখ্যাৰ অন্যান্য শিতানসমূহ হ'ল চিন্তা তৰংগ, অন্য ভাষাৰ মাণিক বুটলি, অতিথিৰ কলম, কবিতা কানন, গল্পৰ মজলিচ, বিবিধ আৰু ইংৰাজী বিভাগ। ছাত্ৰদ্বয় হৰিদাস ৰাভা আৰু মুবিন ৰাভাৰ অলংকৰণে অলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

মুবিন ৰাভাৰ সম্পাদনাত ২০০০-২০০১ শিক্ষাবৰ্ষত প্ৰকাশ হৈ ওলায় আলোচনীৰ ৩২তম সংখ্যা। আলোচনীখনৰ চিন্তাৰ টো শিতানত অন্তৰ্ভূক্ত লিখনিবোৰৰ শিৰোনামা আছিল ঃ গোৱালপৰীয়া লোকগীতত হাতী, মাহুত আৰু ফান্দী, বৈজ্ঞানিক পৰ্যবেক্ষণ সম্পৰ্কত যৎকিঞ্চিৎ, ব্ৰেইন ড্ৰেইন -ইও এক কাগজৰ বাঘ নে ? বন্যপ্ৰাণী ঃ সুৰক্ষা আইন আৰু সচেতনতাৰ প্ৰশ্ন, মহাকাশত গামা ৰশ্মি, মাকৰী আৰু পৰিৱেশ প্ৰদূষণ, বিজ্ঞান আৰু সৰু পৰীক্ষা, ডাঙৰ মজা আৰু অতীতৰ ভাষা। কবিতা কাননত ষোল্লগৰাকী লিখকৰ বিচৰণ, গল্পৰ দলিচাত পাঁচগৰাকী লিখক-লিখিকাৰ খোজ পৰিছে। কল্প বিজ্ঞান আৰু অন্য ভাষাৰ মাণিক বুটলি শিতান দুটাই সংখ্যাটোক অভিনৱত্ব প্ৰদান কৰিছে।

আলোচনীৰ ৩৩ তম সংখ্যা (২০০১-২০০২) প্ৰকাশ পায় বিমনী মেধীৰ সম্পাদনাত। এই সংখ্যাৰ অসমীয়া বিভাগত আঠোটা প্ৰবন্ধ, তিনিটা গল্প, তেৰটা কবিতাৰ লগতে বড়ো আৰু ৰাভা ভাষাৰ দুটাকৈ কবিতা অন্তৰ্ভূক্ত হৈছে। ইংৰাজী বিভাগত সন্নিবিষ্ট হৈছে আধাডজন ৰচনা।

আলোচনীৰ ৩৪তম সংখ্যা (২০০২-২০০৩ চন) সম্পাদনা কৰে হৰিদাস ৰাভাই। ৭৮ পৃষ্ঠাৰ আলোচনীখনত কেইবাটাও চিন্তা উদ্ৰেককাৰী আৰু তথ্য সমৃদ্ধ প্ৰবন্ধ, সুন্দৰ স্কেচ সহ আঠোটা ৰুচিসন্মত গল্প, অসমীয়া, ৰাভা, বড়ো আৰু বাংলা ভাষাত লিখা বহু সংখ্যক কবিতা অসমীয়া বিভাগত সামৰি লোৱা হৈছে। আন দুটা শিতান হ'ল ইংৰাজী বিভাগ আৰু বিচিত্ৰা।

ওপৰৰ আলোচনাত সামৰি লোৱা আলোচনীবোৰৰ উপৰিও অন্যান্য অলোচনীবোৰ এই লিখকৰ হাতত নথকা বাবে সেইবোৰ সম্পৰ্কত আলোকপাত কৰিব পৰা নগ'ল। প্ৰসঙ্গতঃ উল্লেখযোগ্য যে প্ৰকাশিত আলোচনীবোৰৰ বেটুপাতৰ শিল্পীসকলৰ অধিকাংশই আছিল কলেজৰ ছাত্ৰ-ছাত্ৰী। তাৰে কেইগৰাকীমান হ'ল নাজিমুদ্দিন আহমেদ, গৌতম ৰায়চোধুৰী, জয়নাৰায়ণ ভট্টাচাৰ্য, সত্যনাৰায়ণ দেশৰাৰা, গিৰিশ দাস, অমল মেধী, ধ্ৰুৱ ডেকা, মুবিন ৰাভা আৰু প্ৰণৱজ্যোতি ৰাভা বিভিন্ন সংখ্যা। আলোচনীৰ তত্বাৱধায়ক হিচাবে সেৱা আগবঢ়োৱা শিক্ষকসকলৰ ভিতৰত আছে অৰুণ দাস, মনোজ চক্ৰৱৰ্ত্তী, ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী, বোহিত কুমাৰ শৰ্মা, মঞ্জুশ্ৰী বৰুৱা, উত্তম চন্দ্ৰ শৰ্মা, শৈলেনজিৎ শৰ্মা, কামিনী মোহন শৰ্মা, সন্তোষ কুমাৰ মিশ্ৰ, অমূল্য শৰ্মা আৰু ৰতন চন্দ্ৰ ভট্টাচাৰ্য। ■

গোৱালপাৰা মহাবিদ্যালয়ত 'নাক'ৰ পৰিদৰ্শন

সিদ্ধিনাথ শৰ্মা
প্ৰবক্তা

'গ্ল'বেল ভিলেজ' অথবা 'বিশ্ব গাওঁ' এতিয়া নতুন নাম অথবা নতুন ধাৰণা হৈ থকা নাই। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে দূৰত্বৰ 'পৰমমান' 'আপেক্ষিকমান' লৈ পৰিবৰ্তন হৈ সমগ্ৰ পৃথিৱীখনেই এতিয়া একোখন গাওঁ সদৃশ হৈ পৰিছে আৰু বিশ্বায়নৰ টোৱে বিশ্বৰ প্ৰান্তে প্ৰান্তে খলকনি তুলিছে। ভাৰতবৰ্ষও এই ক্ষেত্ৰত পিছপৰি থকা নাই। 'বিশ্ব বানিজ্য সংস্থা' আৰু 'সেৱা মূলক বাণিজ্যৰ সাধাৰণ বন্দবস্ত'(GATS)ৰ চুক্তিত স্বাক্ষৰ কৰাৰ পৰা ভাৰতবৰ্ষই ও বিশ্বায়নৰ দিশত পূৰ্ণভাৱে গতি কৰিলে। এইখিনিতে উনুকিওৱা ভাল হ'ব যে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা বিশেষকৈ উচ্চ-শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তনৰ বাবে ১৯৮৬ চনৰ নতুন শিক্ষানীতি তেই বিশেষ দফা সন্নিবিষ্ট কৰা হৈছিল আৰু নতুন শিক্ষানীতিৰ পৰামৰ্শ অনুসৰি বিশ্ববিদ্যালয় অনুদান আয়োগে ১৯৯৪ চনত স্বতন্ত্ৰৰীয়ভাৱে উচ্চ শিক্ষাৰ মূল্যায়ণ আৰু প্ৰত্যায়নৰ বাবে ৰাষ্ট্ৰীয়ভাৱে মূল্যায়ণ আৰু প্ৰত্যায়ন পৰিষদ (National Assessment and Accreditation Council) চমুকৈ নাক (NAAC) স্থাপন কৰে। এই পৰিষদৰ কাৰ্যালয় বাঙ্গালো�ৰত অৱস্থিত। এই পৰিষদৰ পৰামৰ্শ ক্ৰমে ভাৰতবৰ্ষৰ সমূহ বিশ্ববিদ্যালয় আৰু ইয়াৰ অধীনৰ মহাবিদ্যালয় সমূহৰ উপৰিও অন্যান্য উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহ নিদ্ধাৰিত সময়সীমাৰ ভিতৰত মূল্যায়ন আৰু প্ৰত্যায়ন আৰু প্ৰত্যেক পাচ বছৰৰ মূৰত আকৌ মূল্যায়ন আৰু প্ৰত্যায়ন কৰাব লাগে।

১৯৮৬ চনৰ নতুন শিক্ষানীতি, বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰামৰ্শ, ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ নিদেৰ্শনাৰ সময়তে ভাৰত চৰকাৰে স্বাক্ষৰ কৰা 'সেৱা নিযুক্ত বাণিজ্যৰ সাধাৰণ বন্দবস্ত'ই উচ্চ শিক্ষাকো বানিজ্যিক সামগ্ৰীৰ ভিতৰত সামৰি লোৱাত উচ্চ শিক্ষানুষ্ঠানবোৰৰ মান নিৰূপন অপৰিহাৰ্য্য হৈ পৰিল। ফলত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ নিৰ্দেশনা কাৰ্য্যকৰণৰ বাবে শিক্ষানুষ্ঠান সমূহৰ লগতে সংলিষ্ট চৰকাৰবোৰেও পোষকতা কৰিলে আৰু ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু অন্যান্য উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানবোৰত 'নাক'ৰ দ্বাৰা পৰিদৰ্শন কৰি শিক্ষাৰ লগতে অনুষ্ঠানৰ মানদণ্ড নিৰূপনৰ কাম আৰম্ভ হ'ল। মানদণ্ড নিৰূপনৰ মূল উদ্দেশ্য হ'ল নিৰ্দিষ্ট অনুষ্ঠানৰ পৰা ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ শিক্ষাদান কৰি 'উৎকৃষ্ট মানৰ মানৰ সম্পদ' সৃষ্টি কৰা। এই মানৰ সম্পদ সমূহে যাতে অন্য বাণিজ্যিক সামগ্ৰীৰ দৰেই বিশ্বৰ সকলো দেশলৈ আদান-প্ৰদান হ'ব পাৰে। লগতে উচ্চমান বিশিষ্ট শিক্ষানুষ্ঠানবোৰত বিদেশৰ পৰা আহি শিক্ষা গ্ৰহণ কৰিব পাৰে অথবা বিদেশৰ বিশ্ববিদ্যালয়ৰ এটা শাখা ইয়াত স্থাপন হ'লে আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আহৰণ অথবা শিক্ষা প্ৰদান কৰিব পাৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় মূল্যাযন আৰু প্ৰত্যায়ন পৰিষদে পৰিদৰ্শন কৰাৰ পিছৰে পৰা বিশ্ববিদ্যালয়ৰ অধীন মহাবিদ্যালয়বোৰত ইয়াৰ প্ৰয়োজনীয়তা বিশেষভাৱে পৰিলক্ষিত হয়। গোৱালপাৰা মহাবিদ্যালয় কৰ্তৃপক্ষইও ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ অথৱা 'নাক' ৰ দ্বাৰা পৰিদৰ্শন কৰোৱাৰ চিন্তা চৰ্চা কৰে। কিন্তু কাম সমাধা হ'বলৈ বহুতো আন্ত-গাঁথনিৰ প্ৰয়োজন হোৱাত আৰু সেই সময়তে অধ্যক্ষৰ অৱসৰৰ সময়, ভাৰপ্ৰাপ্ত অধ্যক্ষ নিয়োগত হোৱা খেলি-মেলি আৰু পৰিচালনা সমিতিৰ পুনৰ গঠনৰ বাবে আন্ত-গাঁথনি উন্নয়নৰ কাম স্তিমিত হয়। 'নাক'ৰ দ্বাৰা মূল্যায়ন আৰু প্ৰত্যায়নৰ বাবে পৰিষদৰ নিৰ্দ্দেশনা মতে সাতটা দিশ সামৰি লোৱা হয়। এই দিশ সমূহ হ'ল -

১) শিক্ষনীয় পাঠ্যক্ৰমৰ বিভিন্নতা আৰু নমনীয়তা সূচক তথ্য (Curricular Aspects)

২) শিক্ষন-শিকন পৰিস্থিতি আৰু মূল্যায়ন মূলক তথ্য (Teaching-Learning and Evaluation)

৩) গৱেষনা, দিহা পৰামৰ্শ দিয়াৰ সুবিধা আৰু বিস্তাৰণ সেৱাৰ বিৱৰণ (Research, Consultancy and Extension)

৪) প্ৰতিষ্ঠানটোৰ আন্ত-গাঁথনিৰ ৰূপৰেখাৰ তথ্য (Infrastructural Facilities)

৫) ছাত্ৰ-ছাত্ৰীৰ জীৱন আৰু জীৱিকা সম্পৰ্কীয় সা-সুবিধাৰ তথ্য (Students Support and Progression)

৬) মহাবিদ্যালয়ৰ সামগ্ৰিক পৰিচালনা আৰু কৰ্মপন্থা সম্পৰ্কীয় আঁচনিৰ তথ্য (Organisation and Managment)

৭) প্ৰগতিসূচক কৰ্ম আঁচনি (Healthy Practices)

গোৱালপাৰা মহাবিদ্যালয়ত উন্নীতকৰণ গাঁথনি দিশত ল'ব লগা পদক্ষেপৰ বাবে পলম হোৱাত মহাবিদ্যালয়ৰ স্ব-অধ্যয়ন দলিল প্ৰস্তুত কৰি পঠিওৱাত পলম হয়। অৱশেষত পৰিষদৰ ফালৰ পৰা স্বঃঅধ্যয়ন দলিল জমা দিয়াৰ শেষ তাৰিখ ডিচেম্বৰ ৩১, ২০০৩ হিচাবে ঘোষণা কৰাত মহাবিদ্যালয়ৰ প্ৰায়বোৰ কাম ক্ষিপ্ৰ গতিৰে আগবাঢ়ে যদিও আৰ্থিক অনাটনৰ বাবে বহু সময়ত বিজুতিয়ে এৰা নিদিলে। এই সময়চোৱাত গ্ৰন্থাগাৰৰ উন্নীতকৰণ, খোৱা-পানীৰ বাবে উন্নত ব্যৱস্থা, স্বাস্থ্য কেন্দ্ৰ স্থাপন, বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি কোঠাৰ, কেন্টিন ইত্যাদিৰ লগতে মহাবিদ্যালয়ৰ সামগ্ৰিক সৌষ্ঠ্যৱ বৰ্দ্ধন বিশেষভাৱে সম্পন্ন কৰা হয় আৰু নিৰ্দ্ধাৰিত সময়ৰ আগতে পোৱাকৈ মহাবিদ্যালয়ৰ স্ব-অধ্যয়ন দলিল প্ৰেৰণ কৰা হয়। এই স্ব-অধ্যয়ন দলিলৰ ওপৰত নিৰ্ভৰ কৰি বাঙ্গালোৰস্থিত 'নাক'ৰ মূখ্য কাৰ্য্যালয়ৰপৰা গোৱালপাৰা মহাবিদ্যালয়ৰ মূল্যায়ন আৰু প্ৰত্যায়নৰ বাবে ৩ জনীয়া পাৰদৰ্শী পৰিদৰ্শনকাৰী দল (Peer Team) চেপ্তেম্বৰ ৮-৯, ২০০৪ চনত মহাবিদ্যালয়ত আহি উপস্থিত হয় আৰু স্ব-অধ্যয়ন দলিলত সন্নিবিষ্ট তথ্য সমূহ পুংখানুপুংখ ৰূপে পৰিদৰ্শন কৰাৰ উপৰিও মহাবিদ্যালয়ৰ অধ্যক্ষ, পৰিচালনা সমিতিৰ সদস্য সকল, প্ৰৰক্তাসকল, ছাত্ৰ-ছাত্ৰী সকল, কৰ্মচাৰীসকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক সকলৰ লগত পৃথকে পৃথকে আলোচনাত মিলিত হৈ ভাৰ বিনিময় কৰাৰ পিছত পাৰদৰ্শী ব্যক্তিসকলে মহাবিদ্যালয়ৰ মূল্যায়ন আৰু প্ৰত্যায়নৰ বাবে এখনি দলিল প্ৰস্তুত কৰে। এই দলিলত তেখেত সকলে মহাবিদ্যালয়ৰ ভৱিষ্যত দিশ নিৰ্দেশনা অথবা পৰামৰ্শ ও সন্নিবিষ্ট কৰিছে। সেই পৰামৰ্শ সমূহৰ কেইটামান ইয়াত উল্লেখ কৰা হ'ল।

১) স্ব-মূলধন বিনিয়োগ (Self financing) ভিত্তিত জীবানু বিজ্ঞান অথবা সুক্ষ্মজীৱ বিজ্ঞান (Micro Biology) আৰু আনবিক জীৱ বিজ্ঞান (Molicular Biology) বিষয় প্ৰবৰ্ত্তন কৰা।

২) যি সকল ছাত্ৰ-ছাত্ৰীয়ে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত শিক্ষা গ্ৰহণ কৰাত অপৰাগ হোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰচলিত শিক্ষাৰ লগতে বৃত্তিমুখী শিক্ষা হিচাবে BBA, BCA, Travel and Tourism, National Disaster Management, Bio-diversity, Tribal Studies, Environmental Science, Mass Communication ইত্যাদি বিষয় সমূহ পৰৰ্ত্তন কৰা।

৩) পৰিসংখ্যা বিজ্ঞান বিষয়ত গুৰু (Major) পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰা।

৪) বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰ্থিক সহযোগত অনুসূচীত জাতি আৰু জনজাতি ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিকাৰ মূলক শ্ৰেণীৰ (Remedial Classes) ব্যৱস্থা কৰা।

৫) প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংস্থাৰ পঞ্জীয়ন কৰা আৰু শিক্ষক, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী অভিভাৱক সন্মিলন নিৰ্দিষ্ট সময়ৰ ব্যৱধানত অনুষ্ঠিত কৰা।

৬) আধুনিক প্ৰযুক্তি কৌশলেৰে শিক্ষন-শিকন পদ্ধতিৰ উন্নয়ন সাধন কৰা।

৭) শিক্ষক-শিক্ষয়িত্ৰী সকলক গৱেষণাৰ বাবে উদগনি যোগোৱা।

৮) Tailoring, Interior Designing, Fashion Designing, Automobile Maintenance, Fishery and Sericulture ইত্যাদি বিষয় প্ৰচলিত শিক্ষাৰ লগেত Add-on বিষয় হিচাবে প্ৰবৰ্ত্তন কৰা।

৯) প্ৰচলিত নিয়ম অনুসৰি স্থায়ী অধ্যক্ষ নিযুক্তি কৰা।

১০) কম্পিউটাৰ কেন্দ্ৰৰ যোগেদি হ্ৰস্বকালীন কম্পিউটাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা। ইত্যাদি ইত্যাদি।

পাৰদৰ্শী দলে পৰিদৰ্শন কৰি যোৱাৰ পিছত, তেওঁলোকৰ প্ৰতিবেদনৰ ভিত্তিত নাকৰ মুখ্যকাৰ্যালয়ে গোৱালপাৰা মহাবিদ্যালয়ক B+ গ্ৰেড (75-80% নম্বৰ) প্ৰদান কৰে। পৰিদৰ্শনকাৰী দলৰ Exit meeting ৰ ওপৰত ভিত্তি কৰি আৰু অধিক সুফল আশা কৰা হৈছিল যদিও কাৰ্যত সেইটো সম্ভৱ নহ'ল। নাকৰ দ্বাৰা মূল্যায়ণ আৰু প্ৰত্যায়ণৰ বাবে সামৰি লোৱা সাতোটা দিশৰ ভিতৰত এই মহাবিদ্যালয়ে শিক্ষন-শিকন আৰু মূল্যায়ণ, আন্তঃগাথনিৰ ৰূপৰেখাৰ তথ্যত সৰ্বোচ্চ ৮০ নম্বৰ আৰু মহাবিদ্যালয়ৰ সামগ্ৰিক পৰিচালনা আৰু কৰ্মপন্থা সম্পৰ্কীয় আঁচনিৰ তথ্যত ৬৫ নম্বৰ লাভ কৰে।

ভৱিষ্যতে সু-সংহত শৈক্ষিক উন্নয়ণে বিশ্বায়নৰ যুগত গোৱালপাৰা মহাবিদ্যালয়ক লেখত ল'বলগীয়া অনুষ্ঠানলৈ ৰূপান্তৰ কৰিব বুলি আশা কৰা হ'ল। ■

"গোৱালপাৰা মহাবিদ্যালয়ত নাট অভিনয়"

-স্মৃতিৰ মণিকোঠাৰ পৰা

উত্তম শৰ্মা

"কাব্যেষু নাটকম ৰম্যত্ম"। সাহিত্যৰ ভিতৰত নাটকেই ৰমনীয় অৰ্থাৎ বেছি মনোগ্ৰাহী অধিক আকৰ্ষণীয়। কাৰণ এইবিধ সাহিত্য দৃশ্যও (দেখা) আৰু শ্ৰব্যও (শুল)। সেয়ে সংস্কৃতত নাটকৰ আন নাম দৃশ্য কাব্য। যদিও সংস্কৃত নাটককে বিশ্বৰ অতি পুৰণি নাটক বুলি কয়, নাটক কিন্তু গুহাবাসী আদিম মানুহৰ দিনৰ পৰাই উৎপত্তি। সেয়ে সমালোচক সকলে নাটকক দুটা ভাগত ভাগ কৰিছে- লোক নাট্য (Folk drama) আৰু শাস্ত্ৰীয় নাট্য (Classical drama) । পৰৱৰ্ত্তী কালত আধুনিক নাটকৰ উৎপত্তি হয়।

লোক সংস্কৃতিত অতিকে চহকী অৱিভক্ত গোৱালপাৰাৰ লোক সংস্কৃতিৰ আন এটা দিশ লোক নাট্য। ভাৰী গান, কুশান গান আদি গোৱালপাৰাৰ লোক নাট্যৰ অঙ্গ। এই বোৰৰ প্ৰসাৰ আৰু প্ৰচাৰ অসমীয়া সমাজত আজি কিছু দিনৰ পৰাহে হোৱা দেখা যায়। আধুনিক নাটকৰ অভিনয়ত গোৱালপাৰা কোনো দিনে পিছ পৰি থকা নাই। এটা সময়ত ধুবুৰী, অভয়াপুৰী, গোৱালপাৰা আৰু কিছু দিন আগলৈকে বঙ্গাইগাওঁ নাট অভিনয় প্ৰদৰ্শনত যথেষ্ট আগবঢ়া আছিল। আজি কিন্তু সেই আগৰ মঞ্চ অভিনয় প্ৰেমী মানুহৰ অভাৱ পৰিলক্ষিত হৈছে।

গোৱালপাৰা চহৰতো মঞ্চ অভিনয়ৰ প্ৰতি আকৰ্ষিত এচাম ব্যক্তি আছিল বা নাট অভিনয়ৰ প্ৰতিও আকৰ্ষিত ব্যক্তি আছিল। 'অসম ক্লাৱে'ই চকু পানী মচি মচি আজিও সাক্ষী হৈ আছে। চহৰৰ ভিতৰতে অভিনয়ৰ বাবে প্ৰচেষ্টা চলোৱা বহু কেইটা সাংস্কৃতিক প্ৰতিষ্ঠান আছিল। এতিয়া দুৰাৰোগ্য ৰোগত দুই চাৰিটা প্ৰতিষ্ঠানৰ মৃত্যু ঘটিল, দুই চাৰিটা শয্যাশায়ী। স্মৃতিয়ে বৰ আমনি দিয়ে। কষ্টেৰে সেই ইতিহাস খোচৰাৰ লোভ সামৰিলোঁ।

গোৱালপাৰা কলেজত অধ্যাপনা আৰম্ভ কৰাৰ পিচৰে পৰা মই মহাবিদ্যালয়ত নাট অভিনয় প্ৰদৰ্শনৰ লগত জড়িত আছিলো। গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল গীত, নাট অভিনয় আদিত বেছ আগৰণুৱা আছিল। মই অভিনেতা নহয় যদিও নাট অভিনয়ৰ প্ৰতি মই সৰুৰে পৰাই আকৰ্ষিত হৈছিলো। হয়তো তাৰ বাবেই এদিন গোৱালপাৰা কলেজত বিভিন্ন সময়ত অভিনীত নাট অভিনয়ৰ লগত জড়িত হলো। গোৱালপাৰা কলেজৰ সোণালী জয়ন্তী সমাৰোহৰ লগত সংগতি ৰাখি উলিয়াব খোজা স্মৰণিকাৰ বাবে প্ৰবন্ধ বিচাৰি আহোতে মই গোৱালপাৰা কলেজৰ লগত জড়িত স্মৃতিৰ 'এলবাম' টো খুলি চালো। আচৰিত! বেছি ভাগ ছবিয়েই দেখোন বিস্মৃতি নামৰ নিগনি আৰু উঁই পোকে খাই পেলাইছে। যিখিনি অৱশেষ আছে তাৰ পৰাই বুটলি লৈছোঁ। যদি কিবা বিসঙ্গতি ধৰা পৰে, মোৰ দোষ নহয়, বিস্মৃতিৰ দোষ। সুধী সমাজে ক্ষমা কৰে যেন।

আচলতে মোৰ সাহিত্য সৃষ্টি এক বিশেষ তাগিদা, মানে কাৰোবাৰ তাগিদাতহে সৃষ্টি হৈছে। আচলতে মোৰ মাজত সৃষ্টিৰ বীজ আছে। কিন্তু বাহিৰৰ সাৰ পানী নাপালে সেই বীজ গেধেলা মাৰি থাকে। গোৱালপাৰা কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ তাগিদাত মই নাটক লিখিছিলো, অভিনয় কৰিছিলো। গোৱালপাৰা কলেজত অভিনয় কৰাৰ বাবে একালৰ ছাত্ৰ আৰু বৰ্ত্তমান মোৰ কনিষ্ঠ ভাতৃ স্বৰূপ শ্ৰী গোপেন দাসৰ নাম ল'বই লাগিব। নাটক লিখাৰ ক্ষেত্ৰত বিশেষকৈ একাঙ্ক নাট লিখাৰ ক্ষেত্ৰত সেই কালৰ ছাত্ৰ জ্ঞানলোচন দাস, জয় নাৰায়ন ভট্টাচাৰ্য্য, সুৰেণ নাথ (বগুৱান) আদিৰ নাম ল'বই লাগিব। পৰৱৰ্ত্তী কালত অৱশ্যে ডাঃ অন্নদাচৰণ দাস আদিৰ পৰাও অনুপ্ৰেৰণা পাইছিলোঁ।

বৰ্ত্তমানৰ গোৱালপাৰা জিলাত এটা সময়ত বহু প্ৰতিভাৱান গায়ক গায়িকা অভিনেতা অভিনেত্ৰীৰ সৃষ্টি হৈছিল। আজিও কেইজনমানকলৈ আমি গৌৰৰ কৰিব পাৰো। ঁ গোপাল নাথ,ঁ দুখ্ধনাথ নাথ,ঁ যতীন নাথ আদিৰ নাম শুনিছো কিন্তু ঁ ডাঃ অন্নদা চৰণ দাস,ঁ অবিনাশ নাথ, শ্ৰী নৃপেন বৰুৱা, গোপেন দাস, ৰামকৃষ্ণ মেধী, ফজলুল হক

(পুতু), আশ্রাফুল হক, গোপাল কৈৰী, নৃপেন ভূঞা, আদিল হুছেইন, আনোৱাৰ হুছেইন, হিমা দাস, ৰুকমল হাজৰিকা আৰু বহুতো অভিনেতাৰ অভিনয় উপভোগ কৰিছো। বহুতৰ নাম চেষ্টা কৰিও মনলৈ আনিব পৰা নাই। সেই দৰে অভিনেত্ৰীৰ সংখ্যাও কম নাছিল তাৰ ভিতৰত কিৰণ দাস, ঁ মন্দিৰা নাথ, গীতা দাস, জেছমিনা আহমেদ, বেলা সেন আদিৰ নামহে মনত আছে। আৰু দুজনী মানৰ লগত প্ৰায়ে 'অসম ক্লাৰ'ৰ মঞ্চত নাটক কৰা হৈছিল। বিস্মৃতি ৰূপী নিগনিৰ মুখৰ পৰা উদ্ধাৰ কৰিব পৰা নাই। ইয়াৰে ৰামকৃষ্ণ মেধী, ফজলুল হক, আশ্রাফুল হক, গোপেন দাস, নৃপেন ভূঞা, ঁজ্ঞানলোচন দাস, জয় নাৰায়ণ ভট্ট আদি বহুতো মই অধ্যাপনা কৰা কালৰ ছাত্ৰ আছিল। সেইদৰে মন্দিৰা নাথ, বাণী ঘোষ, ৰঙ্গুৰতী দাস, গীতা দাস, জেছমিনা আহমেদ, বেলাসেন আৰু বুহুতো মোৰ অধ্যাপনা কালৰ ছাত্ৰী। সেইদৰে গোৱালপাৰা জিলাত বহুতো প্ৰতিভাৱান গায়ক-গায়িকাও যে নাছিল তেনে নহয়। সুশীল ৰয় (দুধনৈ) নিৰোদ ৰয় (শ'লমাৰী) ধীৰেণ দাস, মাধুৰী বেগম কলিতা গীতিকা দত্ত, নন্দা বৰ্মণ (চৌধুৰী), অঞ্জলী শৰ্মা আদি। ইয়াৰে ৰাণ বৈশ্য, ক্ষীৰোদ কলিতা, জীতেন ডেকা, নন্দা বৰ্মণ চৌধুৰী, অঞ্জলী শৰ্মা আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী আছিল। আৰু হয়তো বহুতো আছিল বা আছে। মই স্মৰণ কৰিব পৰা নাই।

নাটক বা অভিনয়ৰ ক্ষেত্ৰলৈ আহো। লক্ষীপুৰ অঞ্চলৰ বাহাৰুল ইছলাম খ্যাতনামা অভিনেতা আৰু পৰিচালক। আদিল হুছেইন আৰ্ন্তজাতিক খ্যাতি সম্পন্ন মঞ্চ অভিনেতা আশ্রাফুল হক হিন্দী চিৰিয়েলৰ ব্যস্ত অভিনেতা।

গোৱালপাৰা কলেজত মোৰ অধ্যাপনা কালত গীত নাট আদিৰ সুন্দৰ পৰিবেশ আছিল। শাস্ত্ৰীয় সংগীতৰ পৰা আৰম্ভ কৰি জনজাতীয় গীত, বিষ্ণু ৰাভা সংগীত, জ্যোতি সংগীত, গোৱালপৰীয়া লোক গীত, আধুনিক গীত আদিৰ প্ৰদৰ্শন বেছ উন্নত আছিল। বাহুল্যৰ ভয়ত গীত -নৃত্যৰ কথাৰ পৰা বিৰত থাকিলো।

১৯৬৩ চনৰ পৰা মই গোৱালপাৰা চহৰত আছো। সেই সময়ত গোৱালপাৰা চহৰত নাট অভিনয়ৰ প্ৰতি ইয়াৰ ৰাইজৰ বেছ আগ্ৰহ দেখিছিলো। ২/৩ মাহে অসম ক্লাৱত পূৰ্ণাঙ্গ নাটৰ অভিনয় হৈছিল। লগে লগে একাঙ্ক নাটকৰো প্ৰচলন দেখিছিলো। পূৰ্ণাঙ্গ নাট বিশেষকৈ ঁ ডাঃ অন্নদাচৰণ দাস আৰু নৃপেন বৰুৱাৰ নেতৃত্বতেই হৈছিল। কলেজত বিশেষকৈ একাঙ্ক নাটৰেই প্ৰচলন আছিল। নৱাগত আদৰণি সভাত এখন বা দুখন আৰু কলেজ সপ্তাহ উপলক্ষে একাঙ্ক নাট প্ৰতিযোগিতাত ৪/৫ খনৰ পৰা পিছলৈ ৮/১০ খন নাটকে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। কলেজ সপ্তাহৰ শেষৰ দিনা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ নাটকখনিৰ পুনৰ অভিনয় হৈছিল নাইবা শিক্ষক সকলৰ দ্বাৰা একাঙ্ক নাট অভিনয় হৈছিল।

১৯৬৮ চনত গোৱালপাৰা চহৰত অসম নাট সন্মিলনৰ অধিবেশন উপলক্ষে হোৱা অসম ভিত্তিক একাঙ্ক নাট প্ৰতিযোগিতাই গোৱালাপাৰাত এচাম নাট্যকাৰৰ সৃষ্টি কৰাৰ উপৰিও নাটকৰ আঙ্গিক, বিষয় বস্তু, অভিনয়ৰো বিশেষ উন্নতি ঘটোৱা দেখিলো। তাৰ প্ৰভাৱ আমাৰ গোৱালপাৰা কলেজতো পৰিছিল।

নাট অভিনয়ৰ প্ৰতি মোৰ দুৰ্ব্বলতা বংশগত ১৯৬৮ চনত আমাৰ কলেজৰ জ্ঞানলোচনকে আদি কৰি কেইজন মান ছাত্ৰৰ তাগিদাত মোৰ প্ৰথম একাঙ্ক নাট 'লটি-ঘটি' লিখো। সেই খনৰেই প্ৰথমতে অসম নাট্য সন্মিলনৰ গোৱালপাৰা জিলাৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয়। বঙ্গাইগাওঁ, অভয়াপুৰী শাখাৰ ফালৰ পৰাও ৪/৫ খন নাট অভিনয় হৈছিল। সৰ্বমুঠ ৫/৬ খন নাট অভিনয় হৈছিল। উক্ত প্ৰতিযোগিতাতা মোৰ নাটত অভিনয় কৰিছিল সেই সময়ৰ ছাত্ৰ ঁ জ্ঞানলোচন দাস, সুৰেন নাথ (বগুৱান), জয় নাৰায়ণ ভট্ট, প্ৰিয় শৰ্মা আদিয়ে। নাটক হিচাবে সেই নাটক খনে দৰ্শকক আকৰ্ষিত কৰিব পাৰিছিল। তাৰ পিছৰ পৰাই গোৱালপাৰা কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মোৰ নাটকৰ চাহিদা বাঢ়িল আৰু কলেজ সপ্তাহ উপলক্ষে হোৱা একাঙ্ক নাট প্ৰতিযোগিতাতো নাটৰ সংখ্যা বাঢ়িল। নাট আৰু অভিনয়ৰ মানদণ্ডও উন্নত হ'ল। ছাত্ৰ-ছাত্ৰী সকলৰ তাগিদাত সেই সময়ত মই বহুত ২/৩ খন একাঙ্ক নাট লিখিছিলো আৰু সকলো নাটকেই কলেজ সপ্তাহ উপলক্ষে হোৱা একাঙ্ক নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি দৰ্শক, শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোৰে দ্বাৰা প্ৰশংসিত হৈছিল। তাৰ ভিতৰত দুই এখন একাঙ্ক নাট অসম নাট্য সন্মিলনৰ সদৌ অসম ভিত্তিত হোৱা প্ৰতিযোগিতাতো গোৱালপাৰা শাখাক প্ৰতিনিধিত্ব কৰি অংশ গ্ৰহণ কৰা হৈছিল। অভিনেতা সকল আমাৰ কলেজৰ ছাত্ৰ। আনকি সদৌ অসম ভিত্তিত বিশ্বনাথ চাৰিআলিত আজিও অনুষ্ঠিত হোৱা ঁ সূর্য্য বৰা সোঁৱৰণি একাঙ্ক নাট প্ৰতিযোগিতাতো অংশ গ্ৰহণ কৰি পুৰস্কৃত হৈছিলো। প্ৰায় সকলো অভিনেতা সেই সময়ৰ গোৱালপাৰা কলেজৰ ছাত্ৰ। ইয়াৰ ভিতৰত ৰামকৃষ্ণ মেধী, নৃপেন ভূঞা, ফজলুল হক, হিমা দাস, ঁজ্ঞান লোচন দাস, প্ৰিয় শৰ্মা আদি ছাত্ৰৰ নাম ল'ব পাৰো। আৰু হয়তো বহুতো আছিল মনত পেলাব পৰা নাই।

ছাত্ৰৰ ভিতৰত ৰামকৃষ্ণ মেধীৰ নাট সততে কলেজ সপ্তাহত অভিনয় হৈছিল আৰু হৈছিল ৰুকমল হাজৰিকা দেৱৰ। হাজৰিকাদেৰ একেধাৰে নাট্যকাৰ, অভিনেতা আৰু সুদক্ষ পৰিচালক। ইয়াৰ বাহিৰেও অসমৰ বিভিন্ন নাট্যকাৰৰ নাটো অভিনয় হৈছিল। ১৯৬৮ চনৰ পাচৰ পৰা কলেজ সপ্তাহত প্ৰতিবছৰে ৮/১০ খন নাট অভিনয় হৈছিল। মোৰেই নাটক প্ৰতিবছৰে ২/৩ খন নাট অভিনয় হৈছিল। সেই সময়ত নাটক অভিনয়ৰ প্ৰতি আমাৰ ছাত্ৰ-ছাত্ৰী সকলে গোৱালপাৰা কলেজৰ মঞ্চত প্ৰথমে অভিনয় কৰাৰ পিছতহে বাহিৰৰ মঞ্চত অভিনীয় কৰিছিল। ইয়াৰ ভিতৰত লটি ঘটি নকল হীৰা, ফিৰিঙতি, পগলা ফাটেক, সংঘাত, নাটকীয়া, সঁজাৰ পখী, জাননী, বিভিন্ন কোৰাছ, ৰাক্ষস, আদি বহুতো একাঙ্ক নাট গোৱালপাৰা কলেজ মঞ্চত অভিনীত হৈছিল কলেজৰেই ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা। পৰৱৰ্ত্তী কালত অৱশ্যে এককঅভিনয় আৰু মুকাভিনয়ো পৰিদৰ্শিতাৰে আমাৰ ছাত্ৰ-ছা সকলে প্ৰদৰ্শন কৰিছিল। তাৰ ভিতৰত আশ্রাফুল হকৰ নাম ল'ব পাৰো। মোৰ দুখন একাঙ্ক নাট গোৱালপাৰা কলেজ মঞ্চত অভিনীত হৈছিল । এখন গধূৰ, এখন কৌতুক। মোৰ পগলা ফাটেক- গধূৰ নাটক খনৰ অভিনয়ত আছিল অধ্যাপক শিৰ শৰ্মা, ড০ ৰবীন চৌধুৰী, অধ্যাপক আবেদুৰ ৰহমান শইকীয়া আৰু অধ্যাপক এ, এছ, আৰ, আহমেদ (ৰুমি) মই নিজে। নাটক খনৰ আৰু অভিনয়ৰ সেই সময়ত সকলোৱে প্ৰশংসা কৰিছিল। সেই দৰে দ্বিতীয় খন কৌতুক নাটক - দ্বিতীয় ৰামায়ণত অংশ গ্ৰহণ কৰিছিল ড০ ৰবীন চৌধুৰী, অধ্যাপক ৰামায়া, অধ্যাপক মাখন শালৈ, অধ্যাপক কুল ভূষণ দাস, অধ্যাপক গোবিন্দ কলিতা আৰু মই নিজেই। অধ্যাপক ৰামায়াই যেতিয়া লংপেণ্ট ছাৰ্টৰ ওপৰত চাদৰ এখন মেৰিয়াই ওৰণি লৈ সীতাৰ বেশত মঞ্চত প্ৰৱেশ কৰে তেতিয়া ছাত্ৰ-ছাত্ৰী, অধ্যাপক আৰু আমন্ত্ৰিত দৰ্শক মণ্ডলীৰ হাঁহীত হল ঘৰ ৰজন-জনাই গৈছিল।

মোৰ নাটকৰ বাহিৰেও আৰু নামি অনামি বহুতৰ একাঙ্ক নাট আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা অভিনীত হৈছিল। ইয়াৰ ভিতৰত সেই কালৰ ছাত্ৰ ৰামকৃষ্ণৰ নাম ল'ব লাগিব। ইয়াৰ উপৰিও নাট্যকাৰ ৰুকমল হাজৰিকাৰ বহু একাঙ্ক নাট গোৱালপাৰা কলেজৰ মঞ্চত কলেজ সপ্তাহ উপলক্ষে অভিনীত হৈছিল। তাৰ ভিতৰত বাঘ নামৰ প্ৰতীক ধৰ্মী নাটখন শ্ৰেষ্ঠ নাট বুলি মই ক'ব পাৰো। অভিনয়ত কোন কোন ছাত্ৰ-ছাত্ৰী আছিল আজি আৰু মনত পেলাব পৰা নাই। কিন্তু অভিনয় নিখুঁত হৈছিল নাট্যকাৰ হাজৰিকাৰ তত্ত্বৱধানত।

অকল নাটকতেই নহয় গীতৰ ক্ষেত্ৰতো কলেজৰ ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ অভাৱ নাছিল সেই সময়ত। হয়তো আজিও নাই। এতিয়া ইয়াৰ পৰিসৰ বিভিন্ন বিভাগলৈ বিয়পিছে। গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱত একাধিক বাৰ পদক বুটলিবলৈ সক্ষম হোৱা আমাৰ গৌৰৱৰ বিষয়। এই ক্ষেত্ৰত জীতেন ডেকা, ৰাণু দাস বৈশ্য, পাৰুল ৰাভা আৰু অঞ্জলি শৰ্মাৰ নাম ল'ব পৰা যায়। ৰাণু দাস (বৈশ্য)ই সৰ্বভাৰতীয় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি গোৱালপাৰা কলেজলৈ সুনাম কঢ়িয়াই আনিছিল। বৰ্ত্তমান আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী শ্ৰী জীতেন ডেকা আৰু শ্ৰীমতী ৰাণু দাস (বৈশ্য) অসমৰ দুগৰাকী বিখ্যাত গায়ক-গায়িকা।

মোৰ অৱশ্যে ২/৩ খন পূৰ্ণাঙ্গ নাটক নথকা নহয়। মঞ্চস্থ হৈছে অসম ক্লাৱত, ই. এণ্ড. ডি. অফিছৰ অস্থায়ী মঞ্চত, পুৰণি হস্পিতালৰ প্ৰাঙ্গণত, ৰেড্ ক্ৰছ দিৱস পালনৰ সময়ত। মোৰ "আমি সাৰে আছোঁ" নাটক খন গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনৰ মঞ্চতো ৰাজ্যিক নাট সমাৰোহৰ সময়ত অভিনীত হৈছিল। অৱশ্যে দুই এজন ছাত্ৰৰ বাহিৰে বাকী আন অভিনেতা-অভিনেত্ৰীয়েই অংশ গ্ৰহণ কৰিছিল। ইয়াৰ ভিতৰত বেলা সেন ঁ জ্ঞানলোচন দাসৰ নাম উল্লেখনীয়। মোৰ অৱসৰৰ পিছত অধ্যাপক শৈলেনজিৎ শৰ্মাই গোৱালপাৰা কলেজৰ ছাত্ৰ-ছাত্ৰীক লৈ দুখন পূৰ্ণাঙ্গ নাট সফলতাৰে প্ৰদৰ্শন কৰিছিল।

আমাৰ দিনত নাটক অভিনয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ যি উৎসাহ আছিল সেয়া হেনো আজি আৰু নাই। শুনিলে মন সেমেকি উঠে।

গোৱালপাৰা কলেজৰ সোণালী জয়ন্তী সামৰণি উৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিব খোজা স্মৰণিকাৰ বাবে এয়া মোৰ কলেজত থকা দিনৰ নাটক অভিনয়ৰ সোণালী দিনৰ সামান্য স্মৰণহে। আগতেই উল্লেখ কৰিছোঁ যে বিস্মৃতি নামৰ নিগনি জনীয়ে মোৰ স্মৃতিৰ এলবামৰ বহু পৃষ্ঠা নিঃশেষ কৰি দিছে। সেই বাবে অশেষ চেষ্টা কৰিও উদ্ধাৰ কৰিব পৰা নগ'ল। সেই সকলৰ ওচৰত মই ক্ষমা মাগিছোঁ।

মই কিন্তু আশাবাদী। কৃষ্টিৰ পথাৰত কৃষ্টিৰ কৰ্ম্মত কেতিয়াবা অৱসাদে আৱৰি ধৰে। এয়া ইতিহাসৰ শকিয়নি। কিন্তু সেই অৱসাদ খন্তেকীয়া। হতাশ নহৈ দুই চাৰিজনৰ প্ৰচেষ্টাত কৃষ্টিৰ পথাৰ আকৌ সোণালী সংস্কৃতিৰ শস্যৰে জিক মিকাই উঠিব। মই আশা কৰিব পাৰোনে, এই সোণালী জয়ন্তী উৎসৱৰ লগে লগে গোৱালাপাৰা কলেজত সংস্কৃতি চৰ্চ্চা আৰু প্ৰদৰ্শনৰ এক সোণালী যুগৰ সূচনা হওঁক ?

"জয়তু গোৱালপাৰা কলেজ"

গুৱালপাৰ জিল্লাৰ পু�ৰণি তথ্য

সুৰেন্দ্ৰ মোহন দাস

গুৱালপাৰ নামটো পুৰণি নহয়। বৰ্ত্তমানৰ গুৱালপাৰা জিল্লাৰ ঠাইডোখৰ ১৭৬৫ খৃষ্টাব্দত ইংৰাজৰ হাতলৈ যায়। ১৮৩৪ খৃষ্টাব্দত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইংৰাজ অধিকৃত ঠাইবোৰ গুৱালপাৰ, কামৰূপ, দৰং আৰু নগাওঁ এই চাৰি জিল্লাত বিভক্ত হয়। তেতিয়াৰে পৰা গুৱালপাৰ নামেৰে এখন বেলেগ জিল্লাৰ সৃষ্টি হয়। ইংৰাজবিলাকে পোন প্ৰথমতে গুৱালপাৰাকে চহৰত হেড্ কোৱার্টাৰ পাতে। এই চহৰখনৰ নাম ধৰি এই চহৰৰ ওচৰ চুবুৰীয়া চাৰিওপিনৰ ঠাইবোৰলৈ গুৱালপাৰ জিল্লা নাম দিয়া হয়।

ব্ৰহ্মপুত্ৰ নৈৰ দাঁতিত বৰ্ত্তমান গুৱালপাৰ চহৰৰ প্ৰায় দুমাইলমান পশ্চিমে পঞ্চৰত্ন নামেৰে এটা পাহাৰ আছে। মুছলমানবিলাকে কামৰূপ আক্ৰমণ কৰাৰ সময়ত বহুত গুৱাল জাতিৰ মানুহ ৰংপুৰ, বগুৰা, বৰ্দ্ধমান আদি ঠাইৰপৰা মুছলমান চুবেদাৰৰ অত্যাচাৰতে হওক নাইবা আন কোনো কাৰণেই হওক, গুৱালপাৰ জিল্লালৈ আহে। এই গুৱাল বিলাকৰ কিছুমানে ধুবুৰী অঞ্চলতে বসতি কৰে আৰু ভালেমানে পঞ্চৰত্ন পাহাৰৰ নামনিত ঘৰ-দুৱাৰ কৰে। ইয়াৰ কেবছৰমান পিচত মানবিলাকে আহি অসমত বৰ অত্যাচাৰ কৰে। গুৱালপাৰলৈকে আহি ইহতে লুট-পাট কৰিবলৈ আৰম্ভ কৰে। ১৮২৬ খৃঃ মানবিলাকে হাবৰাঘাট পৰগণাত সোমাই লুট-পাট কৰে। ইংৰাজ অধিকৃত ঠাইতো মান বিলাকৰ ইমান অত্যাচাৰ দেখি ইংৰাজবিলাকে মানক খেদি দিবৰ কাৰণে যোগীঘোপালৈ আহি দূর্গ সাজে আৰু মানবিলাকক খেদি দিয়ে। এই সময়ত পঞ্চৰত্ন পাহাৰৰ নামনিত থকা গুৱালবিলাকে যোগীঘোপাত থকা ইংৰাজ সৈন্য-সামন্তক গাখীৰ, ঘিউ যোগাইছিল। আৰু গুৱালবিলাক থকা ঠাই ডোখৰক গুৱালপাৰ বোলা হৈছিল। পাচত ইংৰাজ বিলাকে গুৱালপাৰ চহৰত সোমায় আৰু গুৱালপাৰ চহৰ দখল কৰাৰ পিচত গুৱালবিলাকে গুৱালপাৰতো ঘিউ, গাখীৰ যোগাবলগাত পৰিল। সেই কাৰণে গুৱালবিলাকক গুৱালপাৰ চহৰত আহি পূৱফালে বসতি কৰিবলৈ হুকুম দিয়া হয়। ইয়াত গুৱালবিলাকেই পোন প্ৰথমতে ইংৰাজৰ প্ৰজা হয়। ঠাইখনত গুৱালবিলাকে বাস কৰা দেখি চহৰখনৰ নাম ৰখা হয় গুৱালপাৰ অর্থাৎ গুৱালৰ পাৰা তেতিয়াৰ পৰা চহৰখনৰ নাম গুৱালপাৰ বুলিয়েই চলি আছে। পিচত এই চহৰৰ নামানুযায়ী জিল্লাখনৰো নাম গুৱালপাৰেই হ'ল।

তাহানি কালত আমাৰ দেশখন প্ৰাগ্-জ্যোতিষপুৰ বা কামৰূপ নামে জনাজাত আছিল। প্ৰাচীন কামৰূপৰ বিষদ বিৱৰণ মহাভাৰত, পুৰণাদি সকলো শাস্ত্ৰতে দেখিবলৈ পোৱা যায়। বৰ্ত্তমান গুৱালপাৰ জিল্লাৰ ঠাইডোখৰ অতীজৰ পৰা এই প্ৰাচীন কামৰূপৰ অন্তর্গত আছিল। গুৱালপাৰ বুলি কোনো ঠাইৰ পুৰণি ইতিবৃত্ত পোৱা নাযায়। গুৱালপাৰৰ কোনো বেলেগ বুৰঞ্জী নাই, কাৰণ গুৱালপাৰৰ তেতিয়া গুৱালপাৰ নাম নাছিল। ই কামৰূপ ৰাজ্যৰ এটা অংশ আছিল। গতিকে গুৱালপাৰৰ প্ৰাচীন বুৰঞ্জী কামৰূপৰ প্ৰাচীন বুৰঞ্জীৰ লগত সানমিহলি হৈ আছে। গুৱালপাৰৰ পুৰণি তত্ব জানিবলৈ হ'লে প্ৰাচীন কামৰূপৰ বুৰঞ্জী আলোচিব লাগিবই।

কামৰূপ বৰ ডাঙৰ ৰাজ্য আছিল। ৭ম শতাব্দীত যেতিয়া হিউৱেনচাং ভাৰতলৈ আহে তেতিয়া কামৰূপৰ বিস্তাৰ ১০০০০ লি বুলি তেওঁ লিখি যায়। প্ৰাচীন কামৰূপ ৰাজ্য পশ্চিমে কৰতোৱা নৈৰ পৰা পূৱে দিক্কৰবাসিনী বা দিক্রাই নৈ লৈকে বিস্তৃত আছিল।

কৰতোয়াং সমাৰভ্য যাবদ্দিক্কৰবাসিনী।
কামৰূপেতি ত্বং লোকাঃ গায়ন্তি গিৰিনন্দিনী।।

কৰতোৱা নৈ ৰংপুৰ জিল্লাৰ মাজেদি আৰু দিক্রাই নৈ বৰ্ত্তমান সদিয়াৰ ওচৰেদি বৈ আছে। গতিকে তাহানি কালত কামৰূপ ৰাজ্য বৰ্ত্তমান অসম উপত্যকাতকৈও ডাঙৰ আছিল। কোন সময়ত কাৰ দ্বাৰাই এই বিশাল ৰাজ্য প্ৰতিষ্ঠিত হৈছিল তাক জানিবৰ উপায় নাই। প্ৰবাদ আছে যে - অতি পুৰণি কালত অমূর্ত্ত নামেৰে চন্দ্ৰ বংশীয় এজন ৰজাই পুনড্ৰভূমি অতিক্ৰম কৰি কামৰূপৰ ধর্ম্মাৰণ্যত প্ৰাক্জ্যোতিষপুৰ নামে আর্য্য ৰাজ্য স্থাপন কৰে। তেতিয়াৰ পৰা আর্য্য বিলাকে

চৌদিশৰ ৰেঙণি

শ্ৰী হট্টও ইয়াৰ ভিতৰতে পৰে।

অসুৰ বংশৰ পিচত কেবাটা বংশৰো মানুহে কামৰূপত ৰাজত্ব কৰে, কিন্তু তেওঁলোকৰ সময়তে দেশৰ কি অৱস্থা আছিল তাক বিশেষকৈ জানিব নোৱাৰি। কাৰণ তেওঁলোকৰ ভিতৰত বুৰঞ্জী লিখাৰ পদ্ধতি নাছিল। আহোমবিলাকেই প্ৰথমে আমাৰ দেশত বুৰঞ্জী লিখাৰ প্ৰথা চলায়। হিউৱেনচাঙ্গৰ নিচিনা ধর্ম্ম পৰিব্ৰাজকে, আমাৰ দেশ আক্ৰমণ কৰিবলৈ অহা মুছলমানে আৰু ইংৰাজবিলাকে আমাৰ দেশৰ যি বিৱৰণ লিখিছে তাকেই বুৰঞ্জী বুলি মানি আমি আমাৰ দেশৰ ইতিবৃত্ত গোটাবলগাত পৰিছোঁ। কিন্তু আমাৰ দেশৰ প্ৰাচীন বুৰঞ্জী এতিয়াও আন্ধাৰত ভেকুৰিছে। অসুৰ বা দানৰ বংশৰ সময়ত আমাৰ ৰজাবিলাকৰ বা ৰাজ্যৰ সম্বন্ধে যি দুটা এটা ঘটনাৰ কথা মহাভাৰত পুৰাণাদিত উল্লেখ পোৱা যায় তাৰ পৰা ভালকৈ অনুমান কৰিব পাৰি যে আমাৰ অতীত বৰ উজ্জ্বল। গুৱালপাৰ তাহানি স্মৰণাতীত কালৰ পৰা কামৰূপ ৰাজ্যৰ ভিতৰতে আছে। পুৰা কালত এই ডোখৰ ঠাই যে কোনো পুৰণি ইতিবৃত্ত হৈ গৌৰৱৰ স্থল নাছিল আমি তাক কোন সাহেৰে কওঁ ?

গুৱালপাৰত বহুত পুৰণি কীর্ত্তি চিন বিদ্যমান আছে; তাৰপৰা অনুমান হয় যে তাহানি কালত গুৱালপাৰ ইতিহাস প্ৰসিদ্ধ ঠাই আছিল। কোচ ৰজাবিলাকৰ সময়ত গুৱালপাৰৰ গৌৰৱৰ কথা সকলোৱে জানে। ধুবুৰীত শিৱ-কৈলাশপুৰী আৰু খ্ৰীষ্টাব্দত তেওঁ এখন ডাঙৰ ৰাজ্য স্থাপন কৰে। তেওঁ কোচবিহাৰত নতুনকৈ ৰাজধানী পাতে আৰু কনৌজ, কাশী আদি ঠাইৰপৰা বৈদিক শ্ৰেণীৰ বহুত বামুন আনে।

কোচ ৰজাবিলাকৰ আগেয়ে গুৱালপাৰৰ কোনো সঠিক বিৱৰণ পোৱা টান। যি কোচ ৰজাবিলাকে পূৰ্ববঙ্গ আৰু অসমত ইমান প্ৰতাপেৰে ৰাজত্ব কৰি গৈছে তেওঁলোকৰ আদি পুৰুষ আছিল গুৱালপাৰৰ মানুহ। আৰু গুৱালপাৰেই আছিল তেওঁলোকৰ প্ৰধান ঠাই। খুটাঘাট পৰগণাৰ চিকনদ্রামত কোচ ৰজাবিলাকৰ আদি পুৰুষ হাৰিয়া মণ্ডলৰ জন্ম হয়। তেওঁ সেই পৰগণাৰ পানাৰ, ফেদেলা, ফেদ্‌ফেদা, বৰিহানা, কাঠিয়া, তুৰাৰৰ, মেদা, বৈশাগু, জগাই, গুৰিকটা, যুগচৰ আৰু দাখাৰু নামেৰে বাৰটা বেলেগ বেলেগ সম্প্রদায়ৰ মানুহৰ ভিতৰত প্ৰধান আছিল আৰু মণ্ডল উপাধি পাইছিল। কোচ বংশৰ আদি পুৰুষ হাজোৰে কামৰূপৰ পশ্চিমফালে এখন ৰাজ্য স্থাপন কৰে। হৰি মণ্ডলে হাজোৰ হীৰা আৰু জীৰা নামেৰে দুজনী ছোৱালীক বিয়া কৰে। তেওঁৰ দুটা লৰা হয়, হীৰাৰ গর্ভত বিশু আৰু জীৰাৰ গর্ভত শিশু। কালত বিশুৱে বিশ্বসিংহ নাম লৈ পৰাক্রমেৰে ৰাজ্য শাসন কৰে; তেঁৱেই প্ৰথমতে ৰংপুৰ জয় কৰে।

বিশ্বসিংহৰ পাচত নৰনাৰয়ন কোচ ৰাজ্যৰ ৰজা হয়। তেওঁৰ সময়তে বোধকৰো কামৰূপ ৰাজ্য চাৰিখণ্ডত বিভক্ত আছিল। যেনে -

ব্রহ্মপুত্র নেৰ দা।তত বওমান গুৱালপাৰ চহৰৰ প্রায়
দুমাইলমান পশ্চিমে পঞ্চৰত্ন নামেৰে এটা পাহাৰ আছে।
মুছলমানবিলাকে কামৰূপ আক্রমণ কৰাৰ সময়ত বহুত গুৱাল
জাতিৰ মানুহ ৰংপুৰ, বগুৰা, বৰ্দ্ধমান আদি ঠাইৰপৰা মুছলমান
চুবেদাৰৰ অত্যাচাৰতে হওক নাইবা আন কোনো কাৰণেই
হওক, গুৱালপাৰ জিল্লালৈ আহে। এই গুৱাল বিলাকৰ
কিছুমানে ধুবুৰী অঞ্চলতে বসতি কৰে আৰু ভালেমানে
পঞ্চৰত্ন পাহাৰৰ নামনিত ঘৰ-দুৱাৰ কৰে। ইয়াৰ কেবছৰমান
পিচত মানবিলাকে আহি অসমত বৰ অত্যাচাৰ কৰে।
গুৱালপাৰলৈকে আহি ইহতে লুট-পাট কৰিবলৈ আৰম্ভ কৰে।
১৮২৬ খৃঃ মানবিলাকে হাবৰাঘাট পৰগণাত সোমাই লুট-
পাট কৰে। ইংৰাজ অধিকৃত ঠাইতো মান বিলাকৰ ইমান
অত্যাচাৰ দেখি ইংৰাজবিলাকে মানক খেদি দিবৰ কাৰণে
যোগীঘোপালৈ আহি দূর্গ সাজে আৰু মানবিলাকক খেদি
দিয়ে। এই সময়ত পঞ্চৰত্ন পাহাৰৰ নামনিত থকা
গুৱালবিলাকে যোগীঘোপাত থকা ইংৰাজ সৈন্য-সামন্তক
গাখীৰ, ঘিউ যোগাইছিল। আৰু গুৱালবিলাক থকা ঠাই
ডোখৰক গুৱালপাৰ বোলা হৈছিল। পাচত ইংৰাজ বিলাকে
গুৱালপাৰ চহৰত সোমায় আৰু গুৱালপাৰ চহৰ দখল কৰাৰ
পিচত গুৱালবিলাকে গুৱালপাৰতো ঘিউ, গাখীৰ
যোগাবলগাত পৰিল। সেই কাৰণে গুৱালবিলাকক
গুৱালপাৰ চহৰত আহি পূৱফালে বসতি কৰিবলৈ হুকুম দিয়া

ঠাইৰ পুৰণি ইতিবৃত্ত পোৱা নাযায়। গুৱালপাৰৰ কোনো
বেলেগ বুৰঞ্জী নাই, কাৰণ গুৱালপাৰৰ তেতিয়া গুৱালপাৰ
নাম নাছিল। ই কামৰূপ ৰাজ্যৰ এটা অংশ আছিল। গতিকে
গুৱালপাৰৰ প্রাচীন বুৰঞ্জী কামৰূপৰ প্রাচীন বুৰঞ্জীৰ লগত
সানমিহলি হৈ আছে। গুৱালপাৰৰ পুৰণি তত্ব জানিবলৈ হ'লে
প্রাচীন কামৰূপৰ বুৰঞ্জী আলোচিব লাগিবই।

কামৰূপ বৰ ডাঙ্গৰ ৰাজ্য আছিল। ৭ম শতাব্দীত
যেতিয়া হিউৱেনচাং ভাৰতলৈ আহে তেতিয়া কামৰূপৰ
বিস্তাৰ ১০০০০ লি বুলি তেওঁ লিখি যায়। প্রাচীন কামৰূপ
ৰাজ্য পশ্চিমে কৰতোৱা নৈৰ পৰা পূৱে দিক্করবাসিনী বা
দিক্রাই নৈ লৈকে বিস্তৃত আছিল।

কৰতোয়াং সমাৰভ্য যাবদ্দিক্করবাসিনী।
কামৰূপেতি ত্বং লোকাঃ গায়ন্তি গিৰিনন্দিনী।।

কৰতোৱা নৈ ৰংপুৰ জিল্লাৰ মাজেদি আৰু দিক্রাই
নৈ বর্ত্তমান সদিয়াৰ ওচৰেদি বৈ আছে। গতিকে তাহানি কালত
কামৰূপ ৰাজ্য বর্ত্তমান অসম উপত্যকাতকৈও ডাঙ্গৰ আছিল।
কোন সময়ত কাৰ দ্বাৰাই এই বিশাল ৰাজ্য প্রতিষ্ঠিত হৈছিল
তাক জানিবৰ উপায় নাই। প্রবাদ আছে যে - অতি পুৰণি
কালত অমূর্ত্ত নামেৰে চন্দ্র বংশীয় এজন ৰজাই পুনড্রভূমি
অতিক্রম কৰি কামৰূপৰ ধর্ম্মাৰণ্যত প্রাক্জ্যোতিষপুৰ নামে
আর্য্য ৰাজ্য স্থাপন কৰে। তেতিয়াৰ পৰা আর্য্য বিলাকে

কামৰূপত বসতি বিস্তাৰ কৰে। তেওঁলোকৰ সভ্যতাৰ জেউতি
আদিম অধিবাসী জাতিবিলাকৰ ওপৰত ক্রমাৎ বিয়পি পৰে।
যি হওক কামৰূপৰ ৰজাবিলাকৰ ভিতৰত সর্ব্বপ্রথম মহীৰঙ্গ
দানৱৰ নাম পোৱা যায়। দানৱ বংশৰ পিচত কিৰাত বংশই,
তাৰ পিচত অসুৰ বংই কমাৰূপত ৰাজত্ব কৰে। নৰকাসুৰ অসুৰ
বংশৰ প্রধান ৰজা আছিল।

নৰকাসুৰনামা তু বিষ্ণুৰীর্য্য সমুদ্ভব ঃ
ধৰনীগর্ভসম্ভুতো দানৱানামধীশ্বৰঃ।
তস্মৈ বিষ্ণু দদৌ ৰাজ্যং কামৰূপং মহাফলং
পৃথিৰী বচনাৎ সোহাপি দানৱো যুদ্ধদুর্দ্ধষঃ।।

নৰকাসুৰ বৰ পৰাক্রান্ত ৰজা আছিল। তেওঁৰ সময়ত
কামৰূপ ৰাজ্যৰ বিস্তৃতি বেচি হয়। যোগিণী তন্ত্রত কামৰূপ
ৰাজ্যৰ যি সীমা নির্দ্দেশ কৰা আছে সি বোধকৰো নৰকাসুৰৰ
ৰাজ্যৰ সীমা।

উত্তৰস্যাং যজ্ঞগিৰিঃ কৰতোয়াতু পশ্চিমে
তীর্থশ্রেষ্ঠা দিক্ষুনদী পূৰ্ব্বস্যাং গিৰিকন্যকে।
দক্ষিণে ব্রহ্মপুত্রস্য লক্ষায়াঃ সঙ্গমাবধি
কামৰূপ ইতি খ্যাতঃ সর্ব্ব সাস্ত্রেষু নিশ্চিতঃ।।

শ্রী হট্টও ইয়াৰ ভিতৰতে পৰে।

অসুৰ বংশৰ পিচত কেবাটা বংশৰো মানুহে কামৰূপত
ৰাজত্ব কৰে, কিন্তু তেওঁলোকৰ সময়তে দেশৰ কি অৱস্থা
আছিল তাক বিশেষকৈ জানিব নোৱাৰি। কাৰণ তেওঁলোকৰ
ভিতৰত বুৰঞ্জী লিখাৰ পদ্ধতি নাছিল। আহোমবিলাকেই
প্রথমে আমাৰ দেশত বুৰঞ্জী লিখাৰ প্রথা চলায়। হিউৱেনচাঙৰ
নিচিনা ধর্ম্ম পৰিব্রাজকে, আমাৰ দেশ আক্রমণ কৰিবলৈ অহা
মুছলমানে আৰু ইংৰাজবিলাকে আমাৰ দেশৰ যি বিৱৰণ
লিখিছে তাকেই বুৰঞ্জী বুলি মানি আমি আমাৰ দেশৰ ইতিবৃত্ত
গোটাবলগাত পৰিছোঁ। কিন্তু আমাৰ দেশৰ প্রাচীন বুৰঞ্জী
এতিয়াও আন্ধাৰত ভেকুৰিছে। অসুৰ বা দানৱ বংশৰ সময়ত
আমাৰ ৰজাবিলাকৰ বা ৰাজ্যৰ সম্বন্ধে যি দুটা এটা ঘটনাৰ কথা
মহাভাৰত পুৰাণাদিত উল্লেখ পোৱা যায় তাৰ পৰা ভালকৈ
অনুমান কৰিব পাৰি যে আমাৰ অতীত বৰ উজ্জ্বল। গুৱালপাৰ
তাহানি স্মৰণাতীত কালৰ পৰা কামৰূপ ৰাজ্যৰ ভিতৰতে আছে।
পুৰা কালত এই ডোখৰ ঠাই যে কোনো পুৰণি ইতিবৃত্ত হৈ গৌৰৱৰ
স্থল নাছিল আমি তাক কোন সাহেৰে কওঁ ?

গুৱালপাৰত বহুত পুৰণি কীর্ত্তি চিন বিদ্যমান আছে;
তাৰপৰা অনুমান হয় যে তাহানি কালত গুৱালপাৰ ইতিহাস
প্রসিদ্ধ ঠাই আছিল। কোচ ৰজাবিলাকৰ সময়ত গুৱালপাৰৰ
গৌৰৱৰ কথা সকলোৱে জানে। ধুবুৰীত শিৱ-কৈলাশপুৰী আৰু
নেতাই ধুবুনীৰ ঘাট আছে; আৰু গদাধৰ নৈয়েদি বেহুলা উটি
গৈছিল। ভৈৰৱ, টুকুৰেশ্বৰী, মহাদেৱৰ পাহাৰ আদি পীঠস্থান
আৰু ৰামৰজাৰ গড়, লালমাটীত নবাবৰ কিল্লা, চিক্নাপাট আৰু
যোগীঘোপাৰ পাহাৰ আদি অতীত কীর্ত্তিৰ নিদর্শন।

অসুৰ বংশৰ পিচত কামৰূপত পাল, সেন বংশ আদিয়ে
ৰাজত্ব কৰে। তেতিয়া কামৰূপক 'কমতা ৰাজ্য'ও বোলা
হৈছিল। তেতিয়া বঙ্গদেশত মুছলমানৰ ৰাজত্ব।
মুছলমানবিলাকে কামৰূপ আক্রমণ কৰে। ১১৯৮ খ্রীষ্টাব্দত
বক্তিয়াৰ খিলিজি, ১২২৭ খ্রীষ্টাব্দত গেয়াচুদ্দিন আৰু ১২৭৮
খ্রীষ্টাব্দত তদ্রলখাঁই কামৰূপ আক্রমণ কৰে। সেই সময়ত
কামৰূপৰ ৰজাবিলাকৰ প্রধান ঠাই আছিল গুৱালপাৰ।
মুছলমানবিলাকে গুৱালপাৰলৈ আহিয়েই ব্যর্থ মনোৰথ হৈ
উভতি যাবলগাত পৰে। পিচত কিন্তু হুচেন চাহে কমতাপুৰ
জয় কৰে। মুছলমানবিলাকে কামৰূপ ৰাজ্য এৰি যোৱাৰ
পিচত দেশত কিছুমান দিন অৰাজকতা আৰু নানা উপদ্রৱ
ঘটে। কমতাপুৰত কেবাখনো স্বাধীন ৰাজ্য স্থাপিত হয়। পিচত
কোচৰাজ বিশ্বসিংহই ফুলগুৰি, বিজনী আদি সকলো সৰু
সৰু ৰজাবিলাকক পৰাস্ত কৰি কামৰূপ জয় কৰে। ১৫১৫
খ্রীষ্টাব্দত তেওঁ এখন ডাঙ্গৰ ৰাজ্য স্থাপন কৰে। তেওঁ
কোচবিহাৰত নতুনকৈ ৰাজধানী পাতে আৰু কনৌজ, কাশী
আদি ঠাইৰপৰা বৈদিক শ্রেণীৰ বহুত বামুন আনে।

কোচ ৰজাবিলাকৰ আগেয়ে গুৱালপাৰৰ কোনো সঠিক
বিৱৰণ পোৱা টান। যি কোচ ৰজাবিলাকে পূৰ্ব্ববঙ্গ আৰু অসমত
ইমান প্রতাপেৰে ৰাজত্ব কৰি গৈছে তেওঁলোকৰ আদি পুৰুষ
আছিল গুৱালপাৰৰ মানুহ। আৰু গুৱালপাৰেই আছিল
তেওঁলোকৰ প্রধান ঠাই। খুটাঘাট পৰগণাৰ চিকনদ্রামত কোচ
ৰজাবিলাকৰ আদি পুৰুষ হাৰিয়া মণ্ডলৰ জন্ম হয়। তেওঁ সেই
পৰগণাৰ পানাৰ, ফেদেলা, ফেদ্ফেদা, বৰিহানা, কাঠিয়া,
তুৰাৰৰ, মেদা, বৈশাগু, ডগাই, গুৰিকটা, যুগচৰ আৰু দাখাৰু
নামেৰে বাৰটা বেলেগ বেলেগ সম্প্রদায়ৰ মানুহৰ ভিতৰত প্রধান
আছিল আৰু মণ্ডল উপাধি পাইছিল। কোচ বংশৰ আদি পুৰুষ
হাজোৰে কামৰূপৰ পশ্চিমফালে এখন ৰাজ্য স্থাপন কৰে। হৰি
মণ্ডলে হাজোৰ হীৰা আৰু জীৰা নামেৰে দুজনী ছোৱালীক
বিয়া কৰে। তেওঁৰ দুটা লৰা হয়, হীৰাৰ গর্ভত বিশু আৰু জীৰাৰ
গর্ভত শিশু। কালত বিশুৰে বিশ্বসিংহ নাম লৈ পৰাক্রমেৰে
ৰাজ্য শাসন কৰে; তেঁৱেই প্রথমতে ৰংপুৰ জয় কৰে।

বিশ্বসিংহৰ পাচত নৰনাৰয়ন কোচ ৰাজ্যৰ ৰজা হয়।
তেওঁৰ সময়তে বোধকৰো কামৰূপ ৰাজ্য চাৰিখণ্ডত বিভক্ত
আছিল। যেনে -

১) কামপীঠ - কৰতোৱা নৈৰপৰা সুবৰ্ণৰেখা বা সোনকোষ নৈলৈকে (বঙ্গদেশৰ ৰংপুৰ জিল্লা)।

২) ৰত্নপীঠ - সুবৰ্ণৰেখা নৈৰপৰা ৰূপসী বা ৰূপহী নৈলৈকে (গুৱালপাৰ আৰু কামৰূপ)।

৩) স্বৰ্ণ-পীঠ - ৰূপহী নৈৰপৰা ভৈৰবী বা ভৰলী নৈলৈকে (কামৰূপ আৰু দৰং)।

৪) সৌমাৰপীঠ - ভৰলী নৈৰপৰা দিক্ৰাই নৈলৈকে (লক্ষীমপুৰ আৰু শিৱসাগৰ)। আহোম বিলাক আহি পোনপ্ৰথমতে সৌমাৰ পীঠতে ৰাজত্ব কৰে।

নৰনাৰায়ন জীয়াই থাকোতেই তেওঁৰ ভায়েক চিলাৰায়ৰ পৰলোক হয়। চিলাৰায়ৰ মৃত্যুৰ পিচত তেওঁৰ পুতেক ৰঘুৰায়ে বৰনগৰত নিজকে স্বাধীন ৰজা বুলি ঘোষণা কৰি বিদ্ৰোহী হবৰ উপক্ৰম কৰে। তেতিয়া নৰনাৰায়নে বিশাল কোচ ৰাজ্যক দুভাগ কৰি দিয়ে। পূৱ অংশত ৰঘুৰায় ৰজা হয়। আৰু পশ্চিম অংশ নৰনাৰায়ণৰ পুতেক লক্ষ্মীনাৰায়ণে অধিকাৰ কৰে। বৰ্ত্তমান গুৱালপাৰ, কামৰূপ জিল্লা আৰু মঙ্গলদৈ মহকুমা জুৰি ৰঘুৰায়ৰ ৰাজ্য আছিল। বৰনগৰৰ পৰা এই ৰাজ্যৰ ৰাজধানী হাজোত পতা হয়। সেই কাৰণে এই ৰাজ্যৰ নাম হৈছিল কোচ-হাজো। ৰঘুৰায়ৰ মৃত্যুৰ পিচত পৰীক্ষিত নাৰায়ণ ৰজা হয়। গুৰুলীলাত পৰীক্ষিত নাৰায়ণ ৰাজ্য বিজয়পুৰৰ বৰ্ণনা পোৱা যায়।

"বিজয় নগৰখন উপমাক নাহি থান
কি কহিবো তাৰ যে মহত্ব।
ৰজতৰে দ্বাৰ গঢ় ঠাই ঠাই ৰুচিকৰ,
শোভে হাতী হয় সব যত।।

চতুৰ্দ্দিকে সেনাচয়, নানা ভাবে প্ৰকাশয়
কোনে তাক কৰিবেক অন্ত ।
গদাধৰ নদীবৰ, মধ্যে মধ্যে নগৰৰ
বহি ব্ৰহ্মপুত্ৰত পড়ন্ত ।।
হেনয় "বিজয়পুৰ" নগৰত য়েন সুৰ
পতি পৰীক্ষিত নৃপবৰ।
শত্ৰু জিনি বাহুবলে ভূঞ্জে ৰাজ্য অবিকলে,
মহাৰাজা কামৰূপেশ্বৰ ।।"

- গুৰুলীলা

বিজয়পুৰ বোধকৰো বৰ্ত্তমান বিজনী। কোনো কোনোৰ মতে গুৰুলীলাত যি পৰীক্ষিতৰ ৰাজধানীৰ বৰ্ণনা আছে সি বৰনগৰৰ বৰ্ণনা, কাৰণ তেখেতসকলৰ মতে পৰীক্ষিতৰ পুতেক বিজিতনাৰায়ণেহে বিজ্নীত ৰাজধানী পাতে।

পৰীক্ষিতনাৰায়ণে লক্ষ্মীনাৰায়ণৰ ৰাজ্য আক্ৰমণ কৰে। লক্ষ্মীনাৰায়ণে ঢাকাৰ নবাবৰ আশ্ৰয় লয়। মুছলমানে কোচ-হাজো আক্ৰমণ কৰে। কমলখাঁই ধুবুৰী অবৰোধ কৰে। তেতিয়া পৰীক্ষিতনাৰায়ণে মোগল সম্ৰাট জাহাঙ্গীৰৰ সাহায্য বিচাৰি দিল্লীলৈ ৰাওণা হয়। উভতি আহোতে ৰাটতে তেওঁ ঢুকায়। পৰীক্ষিতৰ পুতেক বিজিতনাৰায়ণ বঙ্গলাৰ নবাবৰ তলতীয়া এজন জমিদাৰ হৈ বিজ্নীত থাকে। ৰজা কুমুদনাৰায়ণৰ সময়ৰ ডুমুৰীয়াত নতুনকৈ ৰাজধানী পতা হয়। ৰাণী অভয়াশ্বৰী দেৱীৰ নাম অনুযায়ী ঠাইডোখৰৰ নাম অভয়াপুৰী ৰখা হৈছে। বৰ্ত্তমানে ৰজা যোগেন্দ্রনাৰায়ণ ভূপ বাহাদুৰৰ পক্ষে কোৰ্ট অব্ ওৱাৰ্ডচে জমিদাৰী চলাইছে।

কোচবিহাৰৰ ৰজা প্ৰাণনাৰায়ণ, আহোম আৰু মুছলমানবিলাকৰ ভিতৰত ধুবুৰী আৰু যোগীঘোপাত কেৱাখনো ৰণ হয়। সেই সময়তে মীৰজুমলাই অসম আক্ৰমণ কৰে। আহোমবিলাকে যোগীঘোপাত এটা প্ৰকাণ্ড দূৰ্গ সাজে। দূৰ্গটোৰ বিশদ বিৱৰণ "ফাটিয়া-ই-ইব্রিয়া" ত পোৱা যায়। সেই সময়ত কোচ হাজো আৰু কোচবিহাৰ ৰজাৰ অৱস্থা বৰ বেয়া হয়। এই সুযোগতে এই দুখন ৰাজ্যৰ তলত ডাঙ্গৰ বাব লৈ থকা কেবাজনো মুখিয়াল মানুহে একোডোখৰ ঠাই লৈ নিজকে স্বাধীন বুলি ঘোষণা কৰে। ১৬৮২ খৃষ্টাব্দত মুছলমানে কোচৰাজ্যৰ পৰা গুৱালপাৰ কাঢ়ি নিয়ে। তেতিয়াৰপৰা কিছুমান দিন মোগল সাম্ৰাজ্যভূক্ত থাকি গুৱালপাৰ বঙ্গদেশৰ নবাবৰ শাসনাধীনত আছিল।

মানবিলাকে অসম আক্ৰমণ কৰাৰ সময়ত দেশখন অৰাজক হৈ পৰিছিল। দেশত কেবাটাও দল গঠিত হৈছিল। ইপিনে মানবিলাকৰ যৎপৰোনাস্তি অত্যাচাৰত, এই সময়ত উজনি অসমৰ বহুত মুখীয়াল মুখীয়াল মানুহ নিম্ন অসমত আহি আশ্ৰয় লয়হি। "The Ahom nobles and great Gosains, with few exceptions, had retired to Goalpara, after losing the whole or the bulk of their property and they were followed by large numbers of the common people. The former eventually returned to their homes, but the poor refugees did not and their descendants still form a large proportion of the inhabitants of the eastern part of Goalpara.

- E. A. Gait.

এই সময়তে বাৰভূঞা বংশৰ দুজন ভায়েক ককায়েক আহি গুৱালপাৰ চহৰত আশ্ৰয় লয়। এওঁলোকৰ লগত বহুত মানুহ আহে। বৰ্ত্তমানে গুৱালপাৰ চহৰত থকা নদীয়াল মানুহবিলাক এওঁলোকৰ লগতে অহা। তেতিয়া চহৰখন প্ৰায়

গাৰোবিলাকেই অধিকাৰ কৰি আছিল। এই দুজন ভাই-ককাইৰ ভিতৰত মনোমালিন্য হৈ এজনে গৌৰীপুৰৰ পিনে গৈ কোচ ৰজাৰ অধীনত কাননগুৱ কাম লয়। কোচ ৰজাই গৌৰীপুৰত এডোখৰ মাটি দিয়ে। তেঁৱেই গৌৰীপুৰ ৰাজ্যৰ প্ৰতিষ্ঠাতা। আনজনে গুৱালপাৰ চহৰতে নিজকে স্বাধীন বুলি ঘোষণা কৰে। তেঁৱেই গুৱালপাৰ চহৰত থকা শ্যামৰায়ৰ মন্দিৰ সজায়। মানক খেদি দি ইংৰাজ বিলাকে যোগীঘোপাৰ পৰা পাৰ হৈ গুৱালপাৰলৈ আহিলত, তেওঁ মেচপাৰালৈ পলাই যায়। কিন্তু ইংৰাজে তেওঁক অভয় দিয়ে আৰু শ্যামৰায়ৰ খৰচ নিৰ্ব্বাহকৰ কাৰণে বহুত দেৱোত্তৰ মাটি দিয়ে।

গৌৰীপুৰ ৰাজ্য প্ৰতিষ্ঠাৰ সময়ত কোচ ৰজাৰ তলত ডাঙ্গৰ বাব লৈ থকা কেবাজনেও একোডোখৰ ঠাই লৈ নিজকে স্বাধীন বুলি ঘোষণা কৰে আৰু মুছলমানৰ অনুমতি আনে। বৰ্ত্তমানে গুৱালপাৰ জিল্লাত যিবিলাক সৰু সৰু জমিদাৰী দেখিবলৈ পোৱা যায় এই বিলাক সেই সময়তে প্ৰতিষ্ঠিত হয়। ভূটানৰপৰা ভোটাবিলাকে আহি নামনিত বৰ অত্যাচাৰ কৰে। পৰ্ব্বত-জোৱাৰ, গুমা যিদলি, বিজনী আদি ঠাই ভোটাবিলাকে দখল কৰে। তেতিয়াৰপৰা ভোটেই বিজনীত ৰজা পাতে। ভোটান যুদ্ধৰ পিচত ইংৰাজে এইবিলাক ঠাইৰ জমিদাৰবিলাকক সোধাত কৈছিল যে এইবিলাক ঠাই তেওঁলোকে ভোট ৰাজ্যৰ পৰা পায়। তেতিয়াৰ পৰা এইবিলাক খাচ মাটি।

১৭৬৫ খ্ৰীষ্টাব্দত যেতিয়া ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বঙ্গদেশৰ মুছলমানৰ ৰাজ্য দখল কৰে তেতিয়া গুৱালপাৰ ৰংপুৰ জিল্লাৰ এটা অংশ আছিল। গুৱালপাৰ বাণিজ্যৰ প্ৰধান ঠাই আছিল। ইংৰাজ বিলাকে যোগীঘোপাত সৈন্য-সামন্ত ৰাখিছিল। কিন্তু গুৱালপাৰত কোনো চিভিল অফিচাৰ নাছিল। ১৮২২ খ্ৰীষ্টাব্দত ১০ নং ৰেগুলেচন মতে গুৱালপাৰক এখন বেলেগ জিল্লা কৰা হয়। ডেভিড্ স্কট স্পেচিয়েল চিভিল কমিচনাৰ নিযুক্ত হয়। তেতিয়াৰ পৰা গুৱালপাৰ অসমৰ কমিচনাৰৰ তলতীয়া জিল্লা হয়। সেই সময়ত গাৰো পাহাৰক গুৱালপাৰ জিল্লাৰ ভিতৰত ধৰা হৈছিল। ১৮৬৭ খ্ৰীষ্টাব্দত গুৱালপাৰ অসমৰপৰা কোচবিহাৰৰ কমিচনাৰৰ তললৈ অনা হয়। গাৰোবিলাকে গুৱালপাৰলৈ আহি প্ৰায় লুট-পাট কৰিছিল। সেই কাৰণে সিহঁতক দমন কৰি ৰাখিবৰ নিমিত্তে ১৮৬৯ খ্ৰীষ্টাব্দত অকল গাৰোপাহাৰকে এখন জিল্লা কৰি তাৰ শাসন ভাৰ এজন ডিপুটি কমিচনাৰৰ ওপৰত দিয়া হয়। ১৮৭৪ খ্ৰীষ্টাব্দত অসম প্ৰদেশ গঠিত হয়। তেতিয়া গুৱালপাৰ আৰু গাৰো পাহাৰ এই নতুন প্ৰদেশত ভুক্ত কৰি লোৱা হয়।

আগেয়ে কোৱা হৈছে যে আমাৰ কোনো লিখিত ইতি[illegible] নাই। এতিয়া আমি যিবিলাক কথা জানিব পাৰিছো সি কেৱল আহোম বুৰঞ্জী, দৰং ৰাজবংশাৱলী আৰু অনুসন্ধিৎসু ইংৰাজ লিখক সকলৰ কলমৰপৰা ওলোৱা। যেতিয়া আহোম ৰজাসকলে গোটেই অসম অধিকাৰ কৰি শাসন কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়া অসমৰ বুৰঞ্জী ৰীতিমতে লিখা হৈছিল। দুজনমান মুছলমান পৰিব্ৰাজক আহি অসমৰ বিৱৰণ লিখি যায়। গুৱালপাৰৰ মানুহে এসময়ত গৌৰৱৰ মুকুট শিৰত পিন্ধিছিল, আৰু ইয়াৰ মানুহেই এসময়ত মহাপ্ৰতাপেৰে ৰাজ্য শাসন কৰিছিল আৰু দেশৰ ভাল বেয়াৰ নিয়ন্তা আছিল। এই জিল্লাৰ মানুহেই প্ৰথমে বৃটিছ সৈন্য শ্ৰেণীভুক্তহৈ মানৰ উপদ্ৰৱ আদি দেশৰ অপায় অমঙ্গল দূৰ কৰাত বৃটিছ গৱৰ্ণমেন্টৰ সহায় লৈছিল। এই গুৱালপাৰৰ পৰাই আজিও ইংৰাজৰ সৈন্য সংগ্ৰহ কৰা হয়। মানবিলাকৰ বৃটিছেৰে সৈতে সংঘৰ্ষ হয় গুৱালপাৰত। আৰু তাৰপৰাই মান উভতি পলাবলগাত পৰে।

গুৱালপাৰত বহুত জাতিৰ মানুহ আছে। দ্ৰেভিডিয়ান আৰু মঙ্গোলিয়ান জাতিৰ মানুহেই ইয়াত সৰহ। মেচ, গাৰো আদি জাতিৰ মানুহ বিলাকেই বোধকৰো ইয়াৰ আদিম অধিবাসী। আৰ্য্যবিলাক অসমত সোমোৱাৰ পিচত ইঁহতে হাবিয়ে-পৰ্ব্বতে আশ্ৰয় লয়। অসমৰ ভিতৰত গুৱালপাৰ জিল্লাতেই কোচ আৰু ৰাজবংশী জাতিৰ মানুহ সৰহ। বৰ্ত্তমান কোচ আৰু ৰাজবংশী এই দুটা বেলেগ বেলেগ জাতিক এটি জাতি বুলি ভুল কৰে। কোচবিলাক মঙ্গোলিয়ান। পুৰাণ আৰু তন্ত্ৰত এওঁলোকক "কুবাচাৰ" বুলি উল্লেখ কৰিছে। ৰাজবংশী জাতিৰ মানুহবিলাকক দ্ৰেভিডিয়ান বুলিব পাৰি। মুছলমান আক্ৰমণৰ সময়ৰপৰা ইয়াত মুছলমান আৰু শিখ জাতিৰ মানুহ বাস কৰে। মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাবৰ সময়ত ৰজা নৰনাৰায়ণে কনৌজ; কাশী আদি ঠাইৰপৰা বৈদিক শ্ৰেণীৰ বামুণ আৰু ভাল কায়স্থ মানুহ আনে। ইয়াৰ বাহিৰে ইয়াত কলিতা, নদীয়াল, সাউ, নমশূদ্ৰ আৰু আন আন কেবাজাতিৰো মানুহ আছে। কোনো কোনোৰ মতে অসমৰ নদীয়াল বা কৈৱৰ্ত্ত বিলাক দ্ৰেভিডিয়ান মানুহ। কোচ আৰু ৰাজবংশী বিলাকে ক্ষত্ৰিয় বুলি পৰিচয় দিয়ে।

গুৱালপাৰত প্ৰায় সকলো ধৰ্ম্মৰ মানুহ আছে। গুৱালপাৰৰ আদিম অধিবাসীবিলাক বোধকৰো চীন সাম্ৰাজ্যৰ মঙ্গোলিয়া প্ৰদেশৰ পৰা আহে। সিহঁতে ভূত-প্ৰেত পূজা কৰিছিল। এতিয়াও ইয়াৰ পাৰ্বত্য জাতিবিলাকৰ ভিতৰত বেলেগ বেলেগ ধৰ্ম্ম আছে। যেতিয়া গোটেই ভাৰত জুৰি বৈদিক ধৰ্ম্ম বিয়পি পৰে, তেতিয়াৰে পৰা শাক্ত ধৰ্ম্মৰ মানুহ গুৱালপাৰত আছে। ইয়াৰ ৰজা জমিদাৰবিলাক শাক্ত।

মহাপুৰুষ শঙ্কৰদেৱৰ সময়ত ইয়াত বহুত মানুহ তেওঁৰ ধৰ্ম্মত দীক্ষিত হৈছিল। চৈতন্যপন্থী মানুহো ইয়াত আছে। মেচবিলাকৰ বহুত ব্ৰাহ্ম হৈছে। ইংৰাজবিলাক অহাৰ পিচৰপৰা পাৰ্ব্বত্য জাতিৰ সৰহ ভাগ মানুহ খ্ৰীষ্টান হৈছে।

আন জিল্লাতকৈ গুৱালপাৰত বিদেশী মানুহৰ সংখ্যা বেচি। কাৰণ জিল্লাখন অসম আৰু বঙ্গ দুই প্ৰদেশৰ মাজত। মান ভাঙ্গনিৰ সময়ৰে পৰা বহুত মানুহ উজনি অসমৰ পৰা আহি গুৱালপাৰ চবডিভিজনত বসতি কৰি আছে।আৰু ধুবুৰী চবডিভিজনখনত বঙ্গলাদেশৰ মানুহ বহুত আছে। "For Goalpara, the adjoining Bengal districts are Rangpur, Jalpaiguri and Coch Behar State. Some of the 26,000 imimigrants from these districts are casual and temporary visitors, but many of them are permanent settlers, as Goalpara is the nearest Assam Valley district with land available for cultivation. *** Nearly 20 p.c. of population is made up of settlers from Mymensing, Pabna and Bogra."

- Census Report of Assam 1923

গুৱালপাৰৰ ভাষা লৈ বহুত গোলমাল। মেচ গাৰো আদি জাতিবিলাকৰ ভিতৰতো বেলেগ বেলেগ ভাষাৰ চলন আছেই, তদুপৰি গুৱালপাৰ চবডিভিজনৰ ভাষাৰ লগত ধুবুৰী অঞ্চলৰ ভাষাৰ বহুত গৰমিল আছে। বৰ্ত্তমান গুৱালপাৰৰ ভাষাৰ অসমীয়া ভাষাৰ লগতো মিল নাই আৰু বঙ্গলা ভাষাৰ লগতো মিল নাই। অসমীয়া আৰু বঙ্গলা ভাষাৰ মজা-মজি এটা ভাষা গুৱালপাৰাত ব্যৱহাৰ হয়।

"We may take it as a settled fact that, so long we attempt to work upon a basis of "Bengali" and "Assamese" the language statistics of Goalpara district will be worthless. The plain fact is that the people of Goalpara district all speak "Goalpar". At the Bengal end they speak it with a tinge of Bengali, at the Assam end with a tinge of Assamese, and in the middle with a tinge of both."

- Census Report of Assam, 1923.

পণ্ডিতসকলে যিকেইটা শ্ৰেণীত ইণ্ডো-চীন ভাষা কওঁতাসকলক বিভাগ কৰিছে, তাৰ তিনিটা ঘাই শ্ৰেণীত অসমলৈ অহা সেই বংশৰ মানুহবোৰ পৰে। (১) মন-খেমৰ (Mon-Khemer) (২) তিৰ্ব্বত-বৰ্ম্মা (Tibeto-Burman), (৩) শ্যাম-চীন (Siamese-Chinese) চীন ভাষা শ্যাম-চীন ভাষাৰ বংশৰ ভিতৰুৱা। আহোম ভাষা চান্ ভাষাৰ পৰা ওলোৱা। মন-খেমৰ কওঁতাবিলাক অসমলৈ প্ৰথমতে আহে। তেওঁলোকৰ পিচত তিৰ্ব্বত-বৰ্ম্মা ভাষাৰ ভিতৰুৱা ভাষা কওঁতা বিলাক এটা ফৈদৰ পিচত আন এটাকৈ অসমত সোমায়হি। তিৰ্ব্বত-বৰ্ম্মা ভাষাৰ পৰিয়ালৰ ভিতৰুৱা তিনি শ্ৰেণীৰ ভাষা অসমবাসী অনাৰ্য্যবিলাকৰ ভিতৰত আজিকালি প্ৰচলিত আছে - (১) নগা-ভাষা, (২) কুকি-চীন ভাষা, (৩) বড়ো ভাষা। আৰ্য্য-অনাৰ্য্য, অসমীয়া, বঙ্গালী সকলো ভাষাৰ সানমিহলি হৈ গুৱালপাৰৰ ভাষা উৎপন্ন হৈছে। কোচবিলাকৰ এটা বেলেগ ভাষা আছিল। এতিয়া সি লুপ্তপ্ৰায়। আমাৰ বিশ্বাস যে কোচ ৰজাবিলাকৰ সময়ত যি ভাষা গুৱালপাৰত চলিত আছিল, সেই ভাষাই বোধকৰো গোটেই অসমৰ ভাষা আছিল। তাহানি কালৰ ভাষাত লিখা কিতাপ আদি পোৱা যায়। পুৰণি কামৰূপৰ ভাষা আৰু গুৱালপাৰৰ ভাষা একে। পুৰণি কামৰূপী ভাষাই বিদেশী কেবাটা ভাষাৰো লগত সানমিহলি হৈ গুৱালপাৰত বৰ্ত্তমান ৰূপ ধৰিছে।

সামৰণিত আমি স্বীকাৰ কৰিবই লাগিব যে অতীজতে গুৱালপাৰ কামৰূপৰ বা অসমৰ অংশ আছিল আৰু বৰ্ত্তমানেও ই অসমীয়া জিল্লা। যদিও ৰাজনৈতিক কাৰণত গুৱালপাৰ কিছুদিনৰ কাৰণে বঙ্গদেশৰ লগত চামিল হৈ আছিল তথাপি গুৱালপাৰ অসমীয়া জিল্লাহে। অৱশ্যে বঙ্গদেশৰ লগত থকাত গুৱালপাৰৰ অলপ চেহেৰাৰ পৰিবৰ্ত্তন হৈছে, আৰু ই হ'বই। লৰ্ড কৰ্ণৱালিচৰ দিনত বঙ্গদেশত চিৰস্থায়ী বন্দবস্ত চলে; তেতিয়া গুৱালপাৰ, ধুবুৰী আৰু কৰাইবাৰী থানাৰ এলেকাৰ মাটিও চিৰস্থায়ী বন্দবস্তৰ ভিতৰত সোমায়। গুৱালপাৰত ১৯ টা চিৰস্থায়ী বন্দবস্তৰ জমিদাৰী আছে। ইয়াৰ কালি ৩,৯৫৪ বৰ্গ মাইল। এই জিল্লাত খাছ মাটি ২,৩৭৩ বৰ্গ মাইল। অৰ্থাৎ গোটেই জিল্লাখনৰ প্ৰায় (দুই তৃতীয়াংশ) চিৰস্থায়ী বন্দবস্তৰ। গুৱালপাৰ জিল্লাৰ মানুহৰ নীতি-নিয়ম, আচাৰ ব্যৱহাৰ সকলো অসমীয়া। তেওঁলোকৰ ভাষাও অসমীয়া। গুৱালপাৰ জিল্লা বঙ্গদেশৰ দাঁতিত। গতিকে বঙ্গদেশৰ যে কোনো কেনো বিষয়ে ইয়াত অলপ অচৰপ আধিপত্য কৰিব ই স্বাভাৱিক। পৃথিৱীৰ বুৰঞ্জীত ইয়াৰ প্ৰমাণ বহুতো দেখিবলৈ পোৱা যায়। বৰ্ত্তমানে গুৱালপাৰ সকলো বিষয়ে হীন, কাৰণ ইয়াৰ দুই নাৱত দুই ভৰি হৈছে। গুৱালপাৰে অসমীয়া ভাবেহে উন্নতি কৰিব পাৰিব। জমিদাববিলাকে জিল্লাখনৰ উন্নতিৰ কাৰণে চেষ্টা কৰক আৰু উজনি অসমে ভনীয়েকক সম্ভাষণ কৰি নিয়ক। ■

-প্ৰয়াত সুৰেন্দ্ৰ মোহন দাস, বি. বৰুৱা কলেজৰ প্ৰাক্তন অধ্যক্ষ। তেখেতৰ জন্মস্থান অভয়াপুৰী। আজিৰ পৰা প্ৰায় আশী বছৰ আগেয়ে এই প্ৰবন্ধটি 'অসম সাহিত্য সভা পত্ৰিকা' ১৯২৭ চনত ৪ র্থ সংখ্যাত প্ৰকাশিত হৈছিল।

গোৱালপৰীয়া লোকগীতত সামাজিক প্ৰতিচ্ছবি

ড° বীৰেন্দ্ৰ নাথ দত্ত

কিছুদিন আগলৈকে গোৱালপাৰা বুলিলে ঘাইকৈ অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত পূৰ্বৰ গোৱালপাৰা জিলাখনকে বুজাইছিল আৰু গোৱালপৰীয়া আখ্যাটোৱে বুজাইছিল সেই জিলাৰ মানুহ আৰু সাংস্কৃতিক সমলক। সম্প্ৰতি পূৰ্বৰ গোৱালপাৰা জিলাখনক ভাঙি তিনিখন সুকীয়া জিলাৰ সৃষ্টি কৰা হৈছে যদিও পূৰ্বৰ গোৱালপাৰা জিলাই সামৰা সমগ্ৰ ভূখণ্ডক একেটা সাংস্কৃতিক অঞ্চলৰ অন্তৰ্ভূক্ত বুলি ধৰাৰ সপক্ষে যুক্তি আছে। বৰ্ত্তমান আলোচনাত গোৱালপাৰা কথাটো তেনে পৰিপ্ৰেক্ষিততে ব্যৱহাৰ কৰা হৈছে আৰু গোৱালপৰীয়া লোকগীত বোলোতে অঞ্চলটোত প্ৰচলিত অসমীয়া ভাষাৰ পশ্চিম প্ৰান্তীয় উপভাষাৰ গীত সমূহকেই সামৰা হৈছে।

এই কথা ঠিক যে গোৱালপৰীয়া সমাজখন বৃহত্তৰ অসমীয়া সমাজৰেই অৰ্ন্তভূক্ত আৰু গোৱালপৰীয়া গীতত প্ৰতিফলিত সামাজিক প্ৰতিচ্ছবি এহাতেদি অসমীয়া জন-জীৱনৰে প্ৰতিচ্ছৱি। কিন্তু লগতে এইটো স্বীকাৰ্য্য যে জনসমষ্টিৰ গঠন, উপভাষা, ধৰ্মীয় বিশ্বাস আৰু আচাৰ অনুষ্ঠান, আৰ্থ-সামাজিক গাঁথনি আদিত অঞ্চলটোৰ সামাজিক সাংস্কৃতিক গঠনৰ কিছুমান নিজস্ব বৈশিষ্ট্যও আছে। সামগ্ৰিক ভাৱে অঞ্চলটোৰ সংখ্যাগৰিষ্ঠ হিন্দু সমাজৰ ভিতৰত যিদৰে ৰাজবংশী সকলৰ প্ৰাধান্য সেইদৰে খণ্ড বিশেষে বড়ো আৰু ৰাভা জনজাতীয় গোষ্ঠীৰ অৱস্থিতি গুৰুত্বপূৰ্ণ। অঞ্চলটোৰ সংস্কৃতিত এই গোষ্ঠীবিলাকৰ অৱদান স্বাভাৱিকতে তাৎপৰ্যপূৰ্ণ। তাৰে লগতে আছে অঞ্চলটোৰ থলুৱা মুছলমানসকলৰ আৰ্থ-সামাজিক গাঁথনিৰ এটা চকুত লগা বৈশিষ্ট্য হ'ল কিছুদিন আগলৈকে চলা জমিদাৰী প্ৰথা যাৰ প্ৰচলন কাছাৰৰ বাহিৰে অসমৰ আন কোনো ঠাইতে নাছিল।

গোৱালপৰীয়া লোকগীত সমূহৰ মাজেদি সমাজ জীৱনৰ প্ৰতিচ্ছৱি যিদৰে প্ৰকাশ পাইছে তাৰ কিছু আভাস ইয়াত ডাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

অসমৰ অন্যান্য অঞ্চলৰ নিচিনাকৈ গোৱালপাৰাতো বৃত্তি-কেন্দ্ৰিক জাতি ভেদৰ নীতি সিমান কটকটীয়া নহয় আৰু প্ৰায় সকলো বৰ্ণৰ মানুহে সকলো কাম কৰিব পাৰে - মাত্ৰ কেইটামান ব্যতিক্ৰমৰ বাহিৰে। কিন্তু ইয়াত বিশেষকৈ পশ্চিম অঞ্চলত বৃত্তিমূলক বৰ্ণৰ ধাৰণাটোৱে কিছুদূৰ গা কৰি উঠিছিল যেন লাগে, সম্ভৱতঃ চুবুৰীয়া বঙ্গৰ জাতি প্ৰথাৰ আৰ্হিত। সেয়েহে বয়ন শিল্পৰ লগত জড়িত তাঁতী আৰু জোলা সম্প্ৰদায়, কুঁহিলাৰ দেৱ দেৱীৰ মূৰ্ত্তি আদি সজা মালী সম্প্ৰদায়, ঢোল বাদনৰ লগত জড়িত ভূঁইমালী সম্প্ৰদায়, আদি অসমৰ অইন অঞ্চলত নথকা বৃত্তিমূলক সম্প্ৰদায়ৰ উপৰিও শৱ-সৎকাৰৰ কামত নিযুক্ত আৰু বাঁহৰ কামত পটু ডোম আৰু আৱৰ্জনা পৰিষ্কাৰৰ কামত নিযুক্ত হাড়ি আদি তথাকথিত 'অন্তৎ' জাতিৰ নামো পৰম্পৰাগত লোক সাহিত্যত পোৱা যায়। ইয়াত তেনে সম্প্ৰদায়ৰ উল্লেখ কৰা বিভিন্ন গীতৰ একোটাকৈ শাৰী আগবঢ়োৱা হ'ল -

"শাড়ীৰ আটুস কৰো নাহে বালী,
তাতীয়া পালেয়া গেইচে"

"ওপাৰে জোলা বন্ধু কমৰেৰ শাড়ী যাচে লো।"
"অ' বাপু মালী, অ' ৰঙে মজু কামায়া মোক দে।"
"বোন বা ৰসিয়া ডোমনা এচাইলন বানাইল"

একেবাৰে পশ্চিম প্ৰান্তত বয়ন শিল্পৰ ঐতিহ্য প্ৰায় লুপ্ত যদিও মধ্য আৰু পূৱ খণ্ডত ই জীৱন্ত হৈ আছে আৰু লোকগীতত তাৰ উল্লেখ বিৰল নহয়। যেনে - "চুলিৰ খোপা দোনা হেনা বুবানৰে তাঁত"

কোনো বিশেষ বৰ্ণ বা সম্প্ৰদায়ৰ লগত যুক্ত নহ'লেও আৰু জনসমষ্টিৰ আৰ্থ সামাজিক গাঁথনিৰ বাবে আজি সিমান

গুৰুত্বপূৰ্ণ নহলেও গোৱালপাৰা অঞ্চলত এনে দুটা বৃত্তি আছে যি দুটা আগৰে পৰা আৰু এতিয়াও জনপ্ৰিয় আৰু যি দুটাৰ প্ৰভাৱ অঞ্চলটোৰ লোক সংস্কৃতিত স্থায়ী হৈ পৰিছে। সেই দুটা হ'ল মৈষাল অৰ্থাৎ ম'হ-গুৱাল আৰু হাতী মাউতৰ বৃত্তি। গোৱালপাৰা নামটোৱেই সূচায় যে সম্ভৱতঃ এসময়ত এই অঞ্চলত দুগ্ধব্যৱসায়ী গো-পালক সকলৰ বিশেষ স্থান আছিল। গোৱালপাৰাৰ দৈ গাখীৰৰ সুনাম আজিও আছে। অঞ্চলটোৰ ঠায়ে ঠায়ে ঘাইকৈ নদী কাষৰীয়া ঠাইত সিদিনালৈকে আছিল ভালেমান ম'হৰ খুঁটি বা বাথান। জনসংখ্যাৰ হেঁচাত বাথানৰ সংখ্যা ক্ৰমাৎ টুটি আহিছে আৰু মৈষাল সকলো বিলীয়মান হৈ আহিছে। কিন্তু আজিও জীৱন্ত হৈ আছে মৈষালৰ জীৱনক কেন্দ্ৰ কৰি ৰচিত অসংখ্য গীত যিবোৰৰ কিছুমানত বৰ্ণিত হৈছে ম'হৰ ডিঙিৰ টিলিঙাৰ ধ্বনিৰ লগতে মৈষাল পত্নীৰ বিচ্ছেদজনিত কাতৰতা ঃ

"ঘুল্টুং ঘুল্টুং ঘুল্টুং বাজে
মৈষেৰ গলাৰ ঘন্টা।
মোৰ নাৰীৰ পৰাণ কান্দে
ঘৰত নাৰয় মনটা।"

নাইবা—,

"বাথান ছাড়ো বাথান ছাড়ো, মৈষাল,
ঘুৰিয়া আইসো বাড়ি।
গলাৰ হাৰ বেচেয়া দিম মুই
ঐ চাকৰিৰ কড়ি।।"

কিছুমানত আকৌ উদ্‌গীৰ্ণ হৈছে প্ৰবাসী মৈষালৰ পীৰিতিত আকুল কোনোবা 'পৰেৰ কামিনীৰ' প্ৰাণৰ জ্বালা ঃ

"মৈষালৰ সাথে কৰিয়া পীৰিতি ৰে
কি মোৰ জঞ্জাল হৈল ৰে
বাওৱে নাকাৰে মৈষাল মনেৰ গৈৰবে,
মনেৰ দুখ কইম্‌ কাকৰ আগে।"

নাইবা—,

"গদাধৰেৰ পাৰে ৰে পাৰে
কিসেৰ বাটুল মাৰো,
পৰেৰ কামিনীক দেখি
জলিয়া কেনে মৰো ?"

মৈষালসকল আজি প্ৰায় অদৃশ্য হোৱাৰ পথত, কিন্তু হাতী ধৰা ব্যৱসায়ৰ লগত জড়িত মাউত, ফান্দী আৰু কামলা বা যোগালীসকল আজিও ভালেখিনি সক্ৰিয় হৈ আছে। অসম, মেঘালয়, ভূটান, উত্তৰ বঙ্গৰ পাহাৰৰ দাঁতি কাষৰীয়া ঠাইত হাতী ধৰা অভিযানৰ বাবে সজা ধুৱা বা অস্থায়ী শিবিৰবোৰ গোৱালপাৰীয়া মাউত ফান্দী প্ৰায় দিনে নিশাই গীতেৰে মুখৰিত কৰি ৰাখে। নতুন হাতীক বশ কৰাৰ প্ৰচেষ্টাৰ পৰা আৰম্ভ কৰি নিজৰ ভিতৰত মনোৰঞ্জনৰ প্ৰয়াসলৈকে সামৰা এই গীতবোৰৰ কিছুমানত ব্যক্ত হৈছে হাতীৰ প্ৰতি মাউত-ফান্দীৰ প্ৰত্যক্ষ আন্তৰিক আৱেদন, বন্য প্ৰাণী আৰু অৰণ্যৰ কুহকে টানি অনা মাউত ফান্দীৰ পাৰিবাৰিক জীৱনৰ কৰুণ পৰিবেশ, প্ৰবাসী মাউতৰ পৰকীয়া প্ৰেমৰ ৰসঘন কাহিনী ইত্যাদি।

" হস্তীৰ কণ্যা, হস্তীৰ কণ্যা বামোনেৰ নাৰী
মাথায় নিয়া তাম কলসী, হাতে সোনাৰ ঝাৰি
সখী অ' "

এই বিখ্যাত গীতটিৰ আঁৰত আছে এটি লোক বিশ্বাস আৰু এটি লোক কাহিনী। সেই বিশ্বাসমতে, সেই কাহিনী মতে হস্তীৰ কণ্যা এসময়ত আছিল এগৰাকী দুখুনী বিধৱা বামুনৰ পত্নী যাৰ মৃত্যু আছিল তামৰ কলহ, হাতত সোণৰ ঝাৰি। তেওঁৰ দুখত ব্যথিত হৈ হস্তীকূলে তেওঁক আপোন কৰি লয়। হাতীৰ লগত মানুহৰ আত্মীয়তাৰ যোগসূত্ৰ বিচাৰি যোৱা কল্পনাৰ এক সুন্দৰ উদ্ভাৱনা। সেয়েই যেন হাতীৰ প্ৰতি মাউত ফান্দীৰ ইমান আকৰ্ষণ যে তেওঁলোকে হাতীৰ মোহত 'আই'ক এৰে 'বাই'ক এৰে আনকি বিয়া কৰাই এৰি থৈ আহে কোমল বয়সীয়া পত্নীক ঃ

"আইও ছাড়িলং বাইও ছাড়িলং, ছাড়িলং সোনাৰ পুৰী,
বিয়াও কৰিয়া ছাড়িয়া আইসলং (অ' সখী) অলপ
বয়সেৰ নাৰী।"

এই হাতীৰ "খানিকো দয়া নাই মাউতক লাগিয়া।" সেয়ে সকলো বন্ধন ছিণ্ডি মাউত ফান্দীয়ে যুক্তি কৰি ওলাই যায় হাতী ধৰা শিবিৰলৈ, চিকাৰবাৰী লৈ;

" ফান্দ লাদিলং, ফাড়া লাদিলং, আৰো নাদিলং দৰী
মাউত-ফান্দী যুক্ত হয়া চলিলং শিকাৰ-বাৰী।"

আকৌ হাবিৰ দাঁতিৰ শিবিৰত কোনোবা স্থানীয় নাৰীৰ লগত গঢ়ি উঠা প্ৰণয়ৰ বাতিৰত আছে কোনো কোনো গীতত। অস্থায়ী শিবিৰৰ অন্তত যেতিয়া মাউত নিজ ঘৰলৈ উভতি যাবলৈ ওলায় প্ৰবাসৰ প্ৰণয়িণী বঞ্চিত হয়। গীতত ফুটি উঠে তেওঁৰ মনৰ কথা ঃ তুমি গ'লে জানো ঘূৰি আহিবা, মোৰ মাউত বন্ধু ? তুমি হাতীৰ পিঠিতেই থাকা, নাৰীৰ মনত বেদনা জানো তুমি কিবা বুজি পোৱা ?

"তোমৰা গেইলে কি আসিবেন মোৰ মাউত বন্ধুৰে -
হাতীৰ পিঠিত থাকিয়া ৰে মাহুত, মোৰ গলা ভাঙো

নাৰীৰ মনেৰ কথা তোমৰা কিবা জানো ?

প্ৰণয়িণীৰ মনত সন্দেহ মাউতৰ ঘৰত বা কেইগৰাকী স্ত্ৰী আছে। উত্তৰত আশ্বাস দিয়াৰ প্ৰচেষ্টা ঃ তেওঁ বিয়াই কৰোৱা নাই -

"হস্তী নাৰন্‌, হস্তী চাৰন্‌, হস্তীৰ গলায় দৰী।
সত্য কৰিয়া কন ৰে মাহুত ঘৰে কয়জন নাৰী।।"
"হস্তী নৰাওঁ, হস্তী চৰাওঁ, হস্তীৰ গলায় বেড়ি
সত্য কৰিয়া কইলং কন্যা, বিয়াও নাই কৰি।।"

আনহাতে গোৱালপাৰাৰ হাতী ধৰাৰ শিৰিৰ বিভিন্ন জনগোষ্ঠীৰ সহ অৱস্থান আৰু সমন্বয়ৰো থলী আৰু সি অঞ্চলটোৰ পৰম্পৰাগত সামাজিক চিত্ৰকেই প্ৰতিফলিত কৰে। মাউত-ফান্দি কামলাৰ ভিতৰত থাকে হিন্দু-মুছলমান, জনজাতীয় অ-জনজাতীয় বিভিন্ন সম্প্ৰদায়ৰ লোক। শিৰিৰত তেওঁলোকে এক হৈ যায়, এক হৈ থাকে। যেনেকৈ গনেশ, কলিয়াবাবা বা পাগলা ঠাকুৰ ৰূপী মহাদেৱ আদি দেৱতালৈ পূজা সেৱা আগবঢ়োয় হয় তেনেদৰে ভক্তি জনোৱা হয়, মাউত পীৰক, নাম লোৱা হয় আল্লা বিছমিল্লাৰ। যিদৰে জনজাতীয় প্ৰথাত কুকুৰা কটা হয়, তেনেদৰে ক্ষেত্ৰবিশেষে বিছমিল্লাৰ নাম লৈ কুকুৰা উছৰ্গা কৰাও হয়। গীততো তাৰ প্ৰতিধ্বনি উঠে। হিন্দু হওক, মুছলমান হওক, জনজাতীয় হওক, অজনজাতীয় হওক, সকলোৱে সমস্বৰে গায় শিবিৰত অতি জনপ্ৰিয় সেই গীত যাক হাতী শিক্ষা দিয়া কাৰ্য্যত প্ৰায় অপৰিহাৰ্য্য বুলি ধৰা হয়।

আল্লা আল্লা বলো ৰে ভাই, হায় আল্লা ৰছুল।
কোন মহলেৰ হাতী ৰে ভাই, হায় আল্লা ৰছুল।
'অমুক' মহলেৰ হাতী ৰে ভাই, হায় আল্লা ৰছুল।
কোন বা ফান্দীৰ ধৰা ৰে ভাই, হায় আল্লা ৰছুল।
'অমুক' ফান্দীৰ ধৰা ৰে ভাই , হায় আল্লা ৰছুল।
কোন মাউতেৰ দোহাৰ ৰে ভাই , হায় আল্লা ৰছুল।
'অমুক' মাউতেৰ দোহাৰ ৰে ভাই , হায় আল্লা ৰছুল।

গোৱালপাৰাৰ বিয়াৰ গীততো অঞ্চলটোৰ বিৰাহানুষ্ঠানৰ লগতে সামাজিক জীৱনৰ চিত্ৰৰ সুস্পষ্ট আভাস পোৱা যায়। অসমীয়া সমাজত ভাৰতৰ অইন অঞ্চলৰ সমাজত থকা বৰ-পণ প্ৰথাৰ জঘন্যতা সম্পূৰ্ণ অনুপস্থিত। আমাৰ ইয়াত বৰং কন্যা পণ হে আছে, অৰ্থাৎ দৰা পক্ষৰ সলনি কন্যা পক্ষক হে মাননি দিয়া নিয়ম। এই নিয়ম গোৱালপাৰাৰ বিশেষকৈ পশ্চিমখণ্ডৰ সমাজৰ ক্ষেত্ৰত এই নিয়মৰ প্ৰযোজ্যতা অত্যাধিক। পশ্চিম খণ্ডত 'পণ' কথাটোৰ প্ৰচলন ব্যাপক, ই হ'ল গা ধন, ছোৱালী অনাৰ বেচ। সেই দিশ ধন বা বেচ লৈ ছোৱালী উলিয়াই দিয়াটো ছোৱালীক বেচি খোৱাৰ দৰে। যিহেতু এসময়ত সকলো ছোৱালীকে পণ বা বেচ লৈ উলিয়াই দিয়া হৈছিল। সেইবাবে এই অঞ্চলৰ কথিত ভাষাত ছোৱালী বিয়া দিয়া 'বেচেয়া খোৱা' বুলি কোৱা হয়। পণৰ টকা সৰহ হ'লে বুঢ়া দৰালৈ বা অসুবিধাজনক ঠাইলৈ ছোৱালী উলিয়াই দিয়াৰ সংবাদ গীতত পোৱা যায় ঃ

"দাদা দুই শ টকা পণ নিয়া
বেচেয়া খালু, দাদা, বুঢ়া বৰ দেখিয়া
ও দাদা, কওঁ তোৰ আগে
গাবুৰ বয়সে বুঢ়া পুৰুষ মনত না লাগে"

নাইবা,

বাপ মাও মোৰ দুৰাচাৰ,
বেচেয়া খাইছে মোৰ দুৰান্তৰ।"

আকৌ দৰা পক্ষ আৰু কন্যা পক্ষৰ সংযোগ ঘটোৱা ঘটকৰ স্থানো সমাজখনৰ গুৰুত্বপূৰ্ণ। এনেকুৱা বিয়াৰ বজাৰত চৰকাৰ, প্ৰধানী আদি ধনী আৰু প্ৰতিপত্তিশালী পাত্ৰৰ স্থান স্বাভাৱিকতে উচ্চত। ঘটকৰ ছলাহী কথাত ভোল গৈ ধনী ঘৰলৈ বুলি ছোৱালী দি অভিভাৱকে পিছত অনুতাপ কৰাৰ চিত্ৰ ফুটি উঠিছে এনেকুৱা গীতত ঃ

"উমাৰ বাড়িত যাবাৰ আষে -
বাচ্ছা মাইঁয়োটাক খানু বেচে -
সৰকাৰ পৰধনী দেখিয়া
ছেড়া নাম যোগাইছে পৰধনী
চাউল কিনিয়া খায় ভাত
নেদাং মুই ঘটকেৰ মাথাত।"

নেদাং অৰ্থাৎ লথিয়াও। সঁচাকৈ প্ৰতাড়িত অভিভাৱকৰ মানত এনে দায়িত্বহীন আৰু অসৎ ঘটক লাথি খাবৰেই যোগ্য।

এই গীতটিত সাধাৰণ মানুহৰ আৰ্থিক দু�ৰাৱস্থাৰ ছবি পৰিস্কাৰ হৈ ওলাইছে। অকল সেয়ে নহয়, জমিদাৰ, সৰকাৰ, প্ৰধানী আদিৰ দ্বাৰা নিয়ন্ত্ৰিত আগৰ গোৱালপাৰা সমাজ বৰ্ব্যস্থাত অকল পেটৰ ভাত মুঠিৰ বাবে অসহায়া বিধৱাই 'কইনাত বহা' বা বিৰাহ পাশত আৱদ্ধ হোৱা আৰু তাৰ ঠাইত কিল-চৰ খাই দিন কটোৱাৰ কৰুণ কাহিনীও কোনো কোনো গীতত সোচ্চাৰ হৈ উঠিছে -

"হাউচত থাকিয়া বসনু বিয়া ও
ও মুই ধানেৰ ভাতেৰ আশেৰে মুই
কাওনেৰ ভাতেৰ আশে

এলা ধানো নাই চাউলো নাই
কিলায় মাসে মাসে
কিলাইতে কিলাইতে সখি ও
ও মোৰ পিঠিত কৰিল কুজ
ৰে মোৰ পিঠিত কৰিল কুজ
সৰকাৰ মশাই আসিয়া কয়
কাইনেৰ মজা বুজ।।"

প্রসঙ্গক্রমে উল্লেখ কৰিব পাৰি যে হিন্দু সমাজৰ উচ্চবর্ণ কেইটিক বাদ দি আন শ্রেণীৰ লোকৰ মাজত বিৱাহ বিচ্ছেদ আৰু বিধৱা বিৱাহ স্বীকৃত আৰু অনুমোদিত। এই ক্ষেত্রত এহাতে জন-জাতীয় আৰু আনহাতে মুছলমান সামাজিক ব্যৱস্থাৰ পৰা আনহাতে মুছলমান সামাজিক ব্যৱস্থাৰ পৰা প্রত্যক্ষ বা পৰোক্ষ প্রভাৱ অহাটো সম্ভৱ। তিৰোতাই এক পতিৰ সতে বিচ্ছেদ হৈ আন পতি বৰণ কৰা প্রথা দক্ষিণ অঞ্চলৰ পাতি ৰাভা সমাজতো প্রচলিত আৰু সি এইদৰে প্রকাশ পাইছে সেই সমাজত জনপ্রিয় বহুৰঙী নামৰ একে শ্রেণীৰ ধেমেলীয়া গীতত ঃ

"চেপা এৰি চেপা পাতং
মাছো নালাগে
এটা এৰি এটা বহা
লাজো নালাগে।"

দক্ষিণ অঞ্চলৰ পাতি ৰাভা সমাজৰ কিছুমান লাখৰ গীত বা গৰখীয়া গীতত থকা লাখৰ ছাৱা বা গৰখীয়া ল'ৰাৰ অৱস্থাৰ বর্ণনাও কম মর্মস্পর্শী নহয়। যেনে -

বাং বাং অ' নুলিটাং অ'
চপাত লাগে অ' মাছ
ছোটখানা অ' লাখৰ ছাৱা অ'
ঘৰত নাই অ' ভাত।।
বাং বাং অ' নুলিটাং অ'
পৰেৰ ঘৰত অ' লাখৰ -
ছোটখানা অ' লাখৰ ছাৱা অ'
খাটি খোৱা অ' চাকৰ।। ■

> If India is to confront the confusion of our times, she must turn for guidance not to those who are lost to the exigencies of the passing hour but to her men of letters and men of science, to her poets and artists, to her discoverers and inventors. These intellectual pioneers of the civilization are to be found and trained in the universities, which are the sanctuaries of the minor life of the nation.
>
> *- Dr. S. Radhakrishnan*

Physical features of Some Populations of South Goalpara : A profile

Prof. B.M. Das
Ex. Head, Deptt. of Anthropology
Gauhati University

Two distinct ethnic strains are noticeable in the population of Goalpara district-one is caucasoid and the other is mongoloid. The important mongoloid populations are the Rabha, Kachari, Garo, Mech, Koch etc., while the caucasoid section is constituted by the various Hindu castes and aIso by some Muslims.

At one time there was a good deal of confusion as regards the Rabhas as to what these people really are. Some wanted to put them with the Garos, while others preferred to call them a branch of the Kacharis. Now this controversy is over and nobody can deny that in reality the Rabhas form a distinct tribe with their own cultural heritage and distinguished socio-cultural tradition. However, most of the mongoloid populations of Goalpara district belong to a bigger ethnic entity, known as the Bodo and hence they have many things in common and they are akin to each other.

The Rabha tribe is divided into several groups, e.g. the Pati, Rangdani, Maitori,Totla, Shonga, Dahuri, Bitlia etc. The first three groups are believed to enjoy superior social status to the rest and they constitute the major bulk of the Rabha population. The Pati Rabhas are not found in large number in Goalpara district in comparison to that of the Rangdani and Maitori. The Patis have already abandoned their own dialect in favour of Assamese. The Rangdanis and Maitoris have also adopted Assamese language, but in the interior they are still preserving their own dialects. These two sections of the Rabha are not confined to the valleys only, but have extended their territory to the slopes and foothills of the Garo ranges. A heavy concentration of the Rabhas is seen in that narrow strip of land bounded by the Brahmaputra in the north and the Garo hills in the south in the district of
Goalpara. This does not mean that they are not distributed in North Goalpara.

The Rabhas seem to be in a stage of transition from the matrilineal to patrilineal form of the family life. Descent is in the female line, while the residence is patrilocal. In other features they are more on the side of patriarchy than matriarchy.

The Rabhas, in general, are dolichocephalic people, though a large number of them are mesocephalic. However, a sectionwise picture reveals that the Maitori and Rangdani means of cephalic index are dolichocephalic, while that of the Pati is mesocephalic. Their total face is euryprosopic and the upper face is of mesene type. The nose is mesorrhine. They are short to medium statured people.

Among the Rabhas persons of A and B Blood Groups are found almost in equal numbers. But when looked at sectionwise, it appears that the A gene is more frequent than the B gene in the Pati and Maitori, while the reverse is true among the Rangdani. The Rabhas exhibit whorl and loop types of finger pattern in the ratio of 50 : 50, which is considered to be a mongoloid ratio.

Traditional folktales of the Garos suggest

that their ancestors migrated from a mountainous territory situated in the extreme north of Assam. From there, they came down to Koch Bihar and then to Jogighopa. After crossing the Brahmaputra they came to Boko area and then moved southward to occupy the Garo hills, the abode of the Garos.

At present the Garos form two distinct sectors, viz., the Hill Garos and the Plains Garos. It is not known when the movements of the Garos brought about the existing pattern of their distribution in the different parts of this region of the country. But today we find Garos living in the plains region of Goalpara district, besides some other districts of Assam. The Hill Garos are confined to a particular territory, while the Plains Garos live in the same area along with other populations. Therefore, they are under the constant influence and impact of the neighbouring folks, which has brought many changes in their socio-cultural life. The Garos are ethnologically a very interesting people, because they are a typical example of matrilineal society.

The Plains Garos appear to be slightly taller than the Hill Garos. The former shows a tendency towards medium stature, while in the latter section both medium and short stature occur almost in equal frequencies. In head form, though both the sections possess dolichocephalic head in the majority, the Plains Garos appear to show a slight inclination towards rounder head. The Plains Garos on the whole, show narrower nose than the Hill Garos. The nose of the former is mesorrhine, while that of the latter is platyrrhine. The mean upper facial index of the Plains Garos is euryne, while that of the Hill Garos is mesene. But as regards total facial index both the sections are euryprosopic. Among the Garos also whorl and loop types of finger pattern occur in the ratio of 50 : 50.

The Kacharis are distributed in the various districts of Assam. The tribe has several divisions like the Sonowal, Thengal, Jharua, Dimasa. The first three divisions are mostly found in the Upper Assam districts. They live in the river valleys, while the Dimasas are a hill people occupying the North Cachar Hills mainly. The Kacharis of the Lower Assam districts are very often referred to as the Bodo Kacharis.

The Bodo Kacharis of South Goalpara appear to be very much alike to the rural Assamese Hindu caste people in habit and attitude. The Hindu way of life is very much conspicuous among them. Cultural impacts have yielded many striking socio-cultural change in their tribal way of life. A section of them is identified as the Hindu Kachari.

The Kacharis are medium statured people. Their head is mesocephalic, though a large percentage of them show dolichocephalic head. The nose is mesorrhine, The upper face is of mesene type. The total face is euryprosopic. Among the Kacharis whorl type of finger pattern occurs more frequently than the loop type.

The Rajbanshis are widely distributed in most of the districts of Assam, A sizeable number is found in South Goalpara, The Rajbanshis appear to be of recent 'mixed lineage'. There are different views as regards their origin and ethnic affiliation. Without going into the details of that it could be said that in South Goalpara peoples of different tribes like Rabha, Kachari, Garo, after conversion to Hinduism are known as Rajbanshis. They are then given a place in the caste-complex of the Hindu society. It is not definitely known when this process of conversion started. But it seems to be a live process. Some of them adopted Hinduism in an undated past and they usually claim to be the pure Rajbanshis and not the descendants of any converted tribal population.

The Rajbanshis are medium statured people, Their mean cephalic index is on the border line between mesocephally and dolichocephally. The mean nasal index is mesorrhine, but about one-thirds of them have leptorrhine nose, Their upper face is of mesene type. The mean of total facial index is mesoprosopic, but all the three types of face, namely, euryprosopic (flat), mesoprosopic (medium) and leptoprosopic (long) occur almost in equal percentages. Among the Rajbanshis loop type of finger pattern occurs in higher number than the whorl type.

On the basis of the somatic traits studied by the present writer, these four populations, namely, Garo, Rabha, Kachari and Rajbanshi of South Goalpara could be arranged in an evolutionary sequence. We can start from the Hill Garo stage taking it to be the base line. The trend has started at this stage and ended in the end product, Rajbanshi through the Plains Garo, Rabha and Kachari.

Let us not go into much details, but cite a few examples. From the Hill Garo base line the percentage of wavy hair increases to the other groups, while that of coarse hair decreases. A decreasing tendency of medium and an increasing tendency of thin lips are observed from the Hill Garos to the Rajbanshis through the other tribes. The Hill Garos are distinguishable from the others by more developed supraorbital ridges. Among the Hill Garos zygomatic arch is more marked, while among the Rajbanshis it is weakly marked. The Rajbanshis do not show prognathism, which is fairly present in the Hill Garos. From the Hill Garo stage to the Rajbanshis, the eye slit has become straight and the mongolian fold less marked. An increasing tendency of percentage of growth of facial hair is also apparent.

Again, from the Hill Garo stage to the Rajbanshi stage through the Plains Garo, Rabha and Kachari, the stature and sitting height have increased; the head is becoming higher and the nose narrower. On the other hand, frontal diameter, bizygomatic breadth and nasal breadth show a decrease from the Hill Garo to the Rajbanshi stage.

Therefore, the present writer is of the opinion that these different populations of South Goalpara belonging to the same ethnic stock vary from each other in small magnitude and each one is heading for an evolutionary status. He calls this phenomenon a process of micro-evolution. ■

Reprinted from Souvenir, Silver Jubilee Year celebration of Assam Science Society held at Goalpara College in March, 1978.

It is a spiritual essential change of consciousness, not the surface manipulation which is the mwthod of Mind and Reason, that can alone make Life other than it now is and rescue it out of its present distressed and ambiguous figure.

- *Sri Aurobindo*

বিহঙ্গম দৃষ্টিত অর্দ্ধ শতিকা পূৰ্ব্বৰ গোৱালপাৰা

শ্যামা চৰণ নাথ

মোৰ জন্মভূমি গোৱালপাৰা চহৰৰ পৰা দহ মাইলমান দক্ষিণ-পূৱ দিশত অৱস্থিত সৰু গাওঁ এখনি - লালাবৰী গাওঁ- প্ৰত্নতত্ব আৰু ভাস্কৰ্য্যৰ আঁকৰ স্বৰূপ শ্ৰীসূৰ্য্য পাহাৰৰ দক্ষিণ দিশত গা'তে লগাকৈ গাওঁখন। ইং ১৯৪১ চনৰ ডিচেম্বৰ মাহৰ অন্তিম সময়ত প্ৰাইমাৰী বৃত্তি পৰীক্ষা দিয়াৰ উদ্দেশ্যে গোৱালপাৰা চহৰলৈ পোন প্ৰথম বাৰৰ বাবে অহা হয়। লালাবৰীৰ পৰা আবেলি ম'হৰ গাড়ীৰে হাৱিমূৰালৈ আহি কৃষ্ণাই-গোৱালপাৰা লোকেলবোৰ্ড ৰাস্তা পাওঁ। তাৰ পিচত বেলা-পোহৰে জিনাৰী নদী মাৰনাৱেৰে ম'হ গাড়ী পাৰি কৰি দিয়ে ঘাটুৱৈয়ে। কাৰণ সেইসময়ত জিনাৰী নদীত দলং হোৱা নাছিল। নৈ পাৰ হোৱাৰ উত্তৰ পাৰে মুকলি বৰিত ৰঙ্গাবঢ়া কৰি খোৱা লোৱা কৰা হয়। তাৰ পিচত মাৰ নাৱেৰে পাৰ হোৱা সমস্ত ম'হ গাড়ী বিলাকৰ নিম্ন ভাগত একোটাকৈ জ্বলন্ত হাৰিকেন লেম্প আৰি দি সমদল যাত্ৰা কৰি চহৰলৈ অহা হয়। এনেদৰে সমদল যাত্ৰা কৰি অহাৰ কাৰণ লোকেল বোৰ্ডৰ ৰাস্তাৰ দুয়োপাৰে অটব্য জাৱনি মৈজোঙ্গা চাহ বাগান পাৰ হোৱাৰ পিচত। ৰাস্তাত হিংশ্ৰ জন্তু বিশেষকৈ বাঘৰ বৰ ভয়। গাড়ী আহি পুৱতি নিশা গোৱালপাৰা চহৰৰ উপকণ্ঠ গুৱালটলী পায়। এই বৰ্ণনা দিয়া হ'ল এইকাৰণে যে সেইসময়ত শালগছৰ জাৰণি চহৰৰ সমীপলৈকে বেৰি আছিল। কাঠফলা মিল তেনেদৰে নাছিলেই। গতিকে বননি ধ্বংসৰ কোনো কাৰণ নথকাত অটব্য অৰণ্য চতুৰ্দ্দিকে বিৰাজ কৰিছিল। যাতায়তৰ ৰাস্তা বৰ দুৰ্গম আছিল। সেইসময়ত মৰণৈ, দলগোমা, বহতী, নগৰবেৰা আদি স্থানলৈ নাৱেৰে যোগাযোগেই আছিল প্ৰশস্ত-গয়নাৰ নাৱেৰে। পথ যোগাযোগৰ বাবে আমি জনাত এই হাৰিমুৰা হৈ কৃষ্ণাই-গোৱালপাৰা লোকেল বোৰ্ডৰ ৰাস্তাই আছিল প্ৰধান। আগিয়া হৈ লক্ষীপুৱলৈ আছিল আধা পকী ৰাস্তা-গ্ৰেভেল দিয়া। এই ৰাস্তাৰো দুয়োপাৰে আছিল অটব্য অৰণ্য-শালগছৰ। গোৱালপাৰাৰ পৰা কৃষ্ণাই হৈ গুৱাহাটীলৈ পকী ৰাস্তা হয় দ্বিতীয় মহযুদ্ধৰ সময়ত।

গোৱালপাৰা চহৰৰ ৰাস্তা আদিও সৰহভাগেই শিলগুটি দিয়া। চ'কবজাৰৰ সেইখিনিতহে কিছু পকী ৰাস্তা আছিল। মহকুমাধিপতিৰ বাসস্থান আছিল হুলুকান্দা পাহাৰৰ শিখৰত। বৃটিচ শাসক সকল জনসাধাৰণৰ পৰা নিলগত থাকিব বাবেই হয়তো এনেদৰে ব্যৱস্থা কৰা হৈছিল। জাহাজঘাটলৈ যাবলৈ মাজত বিস্তৃত নমুনাৰ বালি অতিক্ৰম কৰিব লাগিছিল। ব্ৰহ্মপুত্ৰৰ গৰা খহনীয়াই পিচত প্ৰায় সকলো বিলুপ্ত কৰিলে। গোৱালপাৰা জাহাজঘাটৰ এই নমুনাৰ বালিতেই মহামানৰ মহাত্মাগান্ধীয়ে ১৯৪৫ চনৰ জানুৱাৰী মাহৰ ১৩ তাৰিখে পদাৰ্পন কৰে। সেইবাবেই নমুনাৰ বালিৰ অৱশিষ্টাংশক গান্ধী ময়দান নামাকৰণ কৰি শ্বহীদ বেদী স্থাপন কৰিছে।

গোৱালপাৰা চহৰখনৰ দক্ষিণ সীমাত আছিল গুৱালতলী, বামুনপাৰা, ছন্দৰীয়া, টিলাপাৰা আদি চুবুৰী। বৰ্ত্তমানৰ গোৱালপাৰা কলেজ, ২নং আৰবান কলোনী (বিষ্ণুপুৰ) আদি অঞ্চল মুকলি শালি পথাৰ আছিল। কাষতে আছিল খোৰাছানী পীৰ চাহাবৰ মাজাৰ। পৰিবহন নিগমৰ আস্থান থকা স্থানত এটি গৰু খোৱাৰ আছিল।

বিদ্যালয়ৰ ভিতৰত থকা দেখিছিলো - গোৱালপাৰা বয়জ এম্ ইমাদ্ৰাছা য'ত প্ৰাইমাৰী বৃত্তিপৰীক্ষা অনুষ্ঠিত হৈছিল। ইয়াৰ উপৰি গুৱালতলী ছোৱালী এম. ই. স্কুল আৰু পি. আৰ. চৰকাৰী হাইস্কুল। চেণ্ট্ৰেল গার্লচ হাইস্কুল আৰম্ভ হয় ১৯৩৯ চনত। লগতে ১ নং টাউন প্ৰাথমিক বিদ্যালয় আৰু আন মুষ্টিমেয় কেইখনমান প্ৰাথমিক বিদ্যালয় চহৰখনত চলি আছিল।

স্বাধীনতাৰ প্ৰাক্ কালত গোৱালপাৰা জাহাজঘাট আছিল বিখ্যাত। নাওঁ জাহাজ আছিল যাতায়ত আৰু বাণিজ্য প্ৰধান মাধ্যম। গাৰো পাহাৰ আৰু গোৱালপাৰা জিলাৰ বেপাৰ বানিজ্য এই জাহাজঘাটেৰেই চলিছিল।

গোৱালপাৰা জিলাখনতো শিক্ষানুষ্ঠানৰ সংখ্যা আছিল সীমিত। পি, আৰ, চৰকাৰী হাইস্কুলৰ উপৰি চহৰৰ চেণ্ট্ৰেল গার্লচ হাইস্কুল ১৯৩৯ চনত আৰম্ভহে কৰা হৈছিল। ইয়াৰ উপৰি ১৯৩৯ চনত কৃষ্ণাই হাব্ৰাঘাট হাইস্কুল প্ৰতিষ্ঠা কৰা হয়। তাৰ পিচত ১৯৪৮ চনত আগিয়া জে, এন, স্মৃতি হাইস্কুল আৰু ৰংজুলি হাইস্কুল প্ৰতিষ্ঠিত হয়। ইয়াৰ পিচে পিচে ক্ৰমে দুধনৈ, ধুপধৰা, লক্ষীপুৰ, মৰণৈ, দলগোমা আদি স্থানতো হাইস্কুল স্থাপন কৰা হয়। দলগোমা এম, ই, স্কুলখন কিন্তু অতি প্ৰাচীন যদিও হাইস্কুল কৰোতে বহুত পলম হয়। সেইদৰে মৰনৈ এম, ই খনো পুৰণি। মৰনৈ চৰ্দ্দাৰ বল্লভভাই পেটেল হাইস্কুল কিন্তু পলমকৈ প্ৰতিষ্ঠা কৰা হয়।

মোৰ প্ৰাথমিক শিক্ষা লালাবাৰী প্ৰাথমিক বিদ্যালয়ত শেষ কৰাৰ পিচত প্ৰাইমাৰী বৃত্তি লাভ কৰি কৃষ্ণাই এম, ই, মাদ্ৰাছা স্কুলত মজলীয়া পৰ্য্যায়ৰ শিক্ষা লাভ কৰোঁ। ইয়াৰ পিচত কৃষ্ণাই হাব্ৰাঘাট হাইস্কুলত ৭ম আৰু ৮ম শ্ৰেণীৰ হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰি গোৱালপাৰা পি, আৰ, চৰকাৰী হাইস্কুলৰ ৯ম মান শ্ৰেণীত ১৯৪৮ চনত ভৰ্ত্তি হওঁ। এইদৰে ১৯৪৮ চনৰ পৰা আকৌ গোৱালপাৰা চহৰত থাকি শিক্ষা গ্ৰহণ কৰা হয় ১৯৫০ চনলৈ। এই চমু কালছোৱাত কোনো নতুন শিক্ষানুষ্ঠান বা আন কোনো বিশেষ পৰিৱৰ্ত্তন চহৰখনত হোৱা দৃষ্টিগোচৰ হোৱা নাই। কেৱল স্বাধীনতাৰ পিচত গোৱালপাৰা জাহাজঘাট বন্ধ হৈ গৈছিল। দেশ বিভাজনৰ ফলত আৰু গোৱালপাৰা চহৰত পূৰ্বতে থকা ঢাকাইয়া পট্টিৰ অৱলুপ্তি হয় ঢাকাৰ ব্যৱসায়ীসকল গোৱালপাৰা ত্যাগ কৰি গুচি যোৱাৰ ফলত। হুলুকান্দা পাহাৰৰ ওপৰত থকা বাংলা পৰিত্যাগ কৰি মহকুমাধিপতিও চহৰৰ নামনিৰ বাসস্থানত থাকিবলৈ ল'লে জনসাধাৰণৰ মাজত। গোৱালপাৰা চহৰৰ পূবসীমাত অৱস্থিত হুলুকান্দা পাহাৰে চহৰখন ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পৰা ৰক্ষা কৰি থকাৰ উপৰিও সৌন্দৰ্য্য বৃদ্ধি কৰিছে। পূৰ্বতে এই পাহাৰ গছ-গছনিৰে ভৰপূৰ হৈ সেউজীয়া আভা বিস্তাৰ কৰি আছিল। সেই সময়ত এই পাহাৰত হুলু বান্দৰ বহুতো আছিল। আজিকালি গছ-গছনি বহুত ধ্বংস হৈ যোৱা হেতুকে হয়তো এই আপুৰুগীয়া হুলু বান্দৰ নাইকীয়া হ'ল-পাহাৰখনৰ নামটোহে মাত্ৰ হুলুকান্দা হৈ থাকিল। অৱশ্যে আন সাধাৰণ বান্দৰ এতিয়াও ইয়াত আছে। পাহাৰত ফল-মূলৰ গছৰ সংখ্যা কমি যোৱা বাবে বান্দৰ বিলাক খাদ্য সঙ্কটত পৰি নিকটৱৰ্তী চহৰবাসীৰ ঘৰলৈ আহি অত্যাচাৰ অশান্তি সৃষ্টি কৰা দেখা যায়।

সেইসময়ত গোৱালপাৰা চহৰত পানী যোগানৰ কোনো ব্যৱস্থা নাছিল। চহৰৰ ঠায়ে ঠায়ে মিউনিচিপালটিৰ পানীকুঁৱা কিছুসংখক আছিল। তাৰে পৰা পানী ভাৰীয়ে ভাৰে প্ৰতি দুই অনাকৈ পইচা লৈ পানী যোগান ধৰিছিল। আমি কিছুসংখ্যক বোৰ্ডিঙত থকা ছাত্ৰই বন্ধৰ দিনত শিষেকৈ দেওবাৰে হুলুকান্দা পাহাৰ বগাই নিজৰালৈ গৈ ভালদৰে আনন্দ স্ফূৰ্ত্তি কৰি গা-ধুই অহা কথা আজিও মনত পৰে। চহৰত বিজুলি বাতিও নাছিল। মিউনিচিপালটি এলেকাৰ ৰাস্তাৰ কাষত ঠায়ে ঠায়ে লাইটপোষ্ট কিছুমান আছিল। তাতে সন্ধিয়া কেৰাচিনৰ লেম্প জ্বলোৱা হৈছিল।

১৯৫০ চন মানলৈকে গোৱালপাৰালৈ প্ৰতিবছৰে বাৰিষাৰ পিচত নমুনাৰ বালিত কলিকতাৰ পৰা নট্ট কোম্পানী, ৰঞ্জন অপেৰা, ভোলানাথ অপেৰা আদি যাত্ৰা পার্টি কিছুমান আহিছিল আৰু চহৰবাসীৰ মনোৰঞ্জন কৰিছিল। পিচলৈ নলবাৰী-পাঠশালা আদি স্থানৰ পৰা অসমীয়া নাট্যদল কিছুমান যেনে সন্ধ্যা অপেৰা, মৰোৱা নাট্যদল, মুগকুচি যাত্ৰাদল আদিও আহি নাট্য প্ৰদৰ্শণ কৰে। পূৰ্বতে গোৱালপাৰা চহৰত কোনো স্থায়ী চিনেমা হ'ল নাছিল। ছন্দৰীয়াত অৱস্থিত 'অসম ক্লাৱ'তেই টুৰিং চিনেমা জেনেৰেটৰ সাহায্যত চিনেমা প্ৰদৰ্শন কৰিছিল। ১৯৪১ চনত বৃত্তি পৰীক্ষা শেষ হোৱা দিনাখন সন্ধিয়া এই অসম ক্লাবতেই বঙ্কিম চট্টোপাধ্যায়ৰ 'আনন্দ মঠ' উপন্যাসৰ চিত্ৰৰূপ দেখা কথা আজিও মনত পৰে। ১৯৪৯ চনমানত পাকু চিনেমা হ'লত চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়।

১৯৫৫ চনত গোৱালপাৰা কলেজ স্থাপন কৰাৰ আগলৈকে গোৱালপাৰাত কলেজীয়া উচ্চ শিক্ষা লাভ কৰাটো দূৰূহ ব্যাপাৰ আছিল। মেট্ৰিক পাছ কৰাৰ পিচত কলেজীয়া শিক্ষা লাভ কৰাটো সৰ্ব্বসাধাৰণ দুখীয়াছাত্ৰৰ পক্ষে সম্ভৱপৰ নাছিল। ক'লা আৰু বিজ্ঞানৰ এনেকুৱা শিক্ষানুষ্ঠান কলেজ, গোৱালপাৰা জিলাৰ সদৰ ধুবুৰীতহে (বি. এন. কলেজ) এখন আছিল। যাতায়তৰ ব্যৱস্থা একেবাৰে বেয়া। সেইবাবে পৰাজনে গুৱাহাটীৰ কটন কলেজলৈকেহে গৈছিল। ধুবুৰীলৈ নহয়। কলেজৰ এই অসুবিধা হেতুকে সৰহভাগ ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পাছ কৰাৰ পিচত আৰু কলেজীয়া বা বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষাৰ প্ৰতি আশা পৰিত্যাগ কৰিবলৈ বাধ্য হৈছিল। আমি নিজে ১৯৫০ চনত পি, আৰ্, চৰকাৰী

হাইস্কুলৰ পৰা মেট্রিক পাছ কৰি আর্থিক অনাটনৰ বাবে কলেজীয়া শিক্ষাৰ পৰা বঞ্চিত হৈ এবছৰ বিভিন্ন উপায়েৰে কিছু অর্থ উপার্জন কৰিহে পিচৰ বছৰত অর্থাৎ ১৯৫১ চনত কটন কলেজত ভর্ত্তি হ'বলৈ সক্ষম হওঁ। গোৱালপাৰাৰ ছাত্র-ছাত্রী সকলৰ এনেকুৱা সমস্যা সমূহ নিৰাময়ৰ বাবে নেতৃস্থানীয় শিক্ষানুৰাগী ব্যক্তিসকলে আৰু ৰাজনৈতিক কর্ম্মীসকলে ১৯৫৫ চনত গোৱালপাৰা কলেজৰ শুভাৰম্ভ কৰে যাৰফলত গোৱালপাৰাবাসীৰ উচ্চ শিক্ষা লাভত পৰম কল্যাণ সাধন হয়। ইয়াৰ ফলত আজি ভিতৰুৱা গাওঁ অঞ্চল সমূহতো উচ্চ শিক্ষানুষ্ঠান স্বৰূপ হাইস্কুল, হায়াৰচেকেণ্ডাৰী স্কুল এনেকি ভালে কেইখন কলেজো পিচলৈ গাৱেঁ ভুঁঞে স্থাপিত হয়। মুঠতে গোৱালপাৰা জিলাত (বর্ত্তমানৰ) প্রতিষ্ঠিত এই গোৱালপাৰা কলেজেই উচ্চ শিক্ষাৰ বাটকটীয়া স্বৰূপ। জয়তু গোৱালপাৰা কলেজ। ■

মহাত্মা গান্ধীৰ গোৱালপাৰা ভ্রমণ

(স্বর্গীয় খগেন্দ্র নাথ নাথে লিখা "স্বাধীনতা সংগ্রামত গোৱালপাৰাৰ অৱদান শীর্ষক পুথিৰ পৰা প্রস্তুত)

১৯৪৫ চনত মহাত্মা গান্ধীয়ে অসম ভ্রমণ কৰিবলৈ আহে। অসমত ইয়াৰ আগতে কেবাবাৰো পদার্পণ কৰিছিল; কিন্তু কোনো বাৰেই তেখেতক গোৱালপাৰালৈ আনিব পৰা হোৱা নাছিল। ই বেলিও গান্ধীজীয়ে ঁ গোপীনাথ বৰদলৈ দেৱক জনাইছিল যে, তেখেতে গুৱাহাটীত থাকিয়েই অসমৰ অৱস্থা আৰু সমস্যা সমূহৰ বিষয়ে আলোচনা কৰিব বিচাৰে। আমাৰ অনুৰোধ মতে ঁ বৰদলৈ দেৱে কেবাবাৰো গান্ধীজীক গোৱালপাৰালৈ আহিবলৈ অনুৰোধ কৰিছিল, কিন্তু তেওঁ মান্তি হোৱা নাছিল, বহুত চেষ্টা কৰাৰ পিচত আৰু শেষত তেখেতে গোৱালপাৰালৈ আহিবলৈ মান্তি হৈছিল। ১৯৪৫ চনৰ ১৩ জানুৱাৰী তাৰিখে গান্ধীজীয়ে গোৱালপাৰাত শুভ পদার্পণ কৰে। তেখেতে গুৱাহাটীৰ পৰা "পার্চিয়ান" ষ্টীমাৰযোগে আহিছিল। হেজাৰ হেজাৰ জনতাই গান্ধীজীক গোৱালপাৰাৰ পুৰণি ষ্টীমাৰ ঘাটৰ ওচৰৰ বালিচৰত (বর্তমান গান্ধীময়দান) দর্শন লাভ কৰে। গান্ধীজীৰ কাৰণে বিৰাট পেণ্ডেল আৰু ধুনীয়াকৈ মঞ্চও নির্মাণ কৰা হৈছিল। মঞ্চত উপস্থিত হৈ তেখেত তেখেতৰ স্বভাৱসিদ্ধ - হাঁহিমুখেৰে কৰজোৰে জনতাক দর্শন দান কৰে। গোৱালপাৰাৰ বিৰাট জনসমুদ্রৰ আগত তেখেতে প্রার্থনা কৰে আৰু প্রার্থনাৰ শেষত চমুকৈ ভাষণ দিয়ে। তেখেতক এটি ধনৰ টোপোলা উপহাৰ দিয়া হৈছিল। প্রার্থনা আৰু বক্তৃতাৰ পাচত তেখেতে ধুবুৰীলৈ ষ্টীমাৰযোগে যাত্রা কৰে।

গোৱালপাৰালৈ গান্ধীজীৰ এইয়ে প্রথম আৰু শেষ শুভ পদার্পন। মহা প্রয়ানৰ আগত অসমলৈও তেখেতে দুনাই আহিব পৰা নাছিল। মহাত্মাজীক গোৱালপাৰালৈ অনাৰ মোৰ নেৰা-নেপেৰা চেষ্টাত বহুতখিনি সহায় কৰিছিল শ্রীমহেন্দ্র মোহন চৌধুৰী আৰু ৰবীন নবীচে। তেখেত সকলে মোৰ এই কামত সহায় নকৰিলে, হয়তো মহাত্মাজীক গোৱালপাৰালৈ অনা সম্ভৱপৰ হৈ নুঠিলহেঁতেন। আৰু মোৰ প্রচেষ্টাত স্বর্গীয় ডাঃ জ্যোতিপ্রসাদ দাসে ষ্টীমাৰ আদি বন্দোৱস্ত কৰি দি যথেষ্ট সহায় কৰিছিল। .....

গোৱালপাৰা জিলাৰ সাংস্কৃতিক পৰম্পৰা

জয়ন্তী দাস
প্রাক্তন ছাত্রী

বিনন্দীয়া পৃথিৱীখনত অৱস্থান কৰিবলৈ জীৱ শ্রেষ্ঠ মানবে কিছুমান পাৰিপার্শ্বিক অৱস্থাৰ লগত নিজকে মিলাই লৈ চলিবলগীয়া হয়। তাৰে তিনিবিধ প্রধান - প্রথম হ'ল ভৌগলিক পৰিৱেশ, দ্বিতীয় সামাজিক পৰিৱেশ, তৃতীয় অতিলৌকিক বা অলৌকিক পৰিৱেশ বুলি ক'ব পাৰি। মানুহে জন্মৰপৰা মৃত্যুলৈ স্বীকৃত কর্ম, অৱস্থান আৰু অৱদান যি কৰে তাকে সংস্কৃতি আখ্যা দিব পাৰি।

মানুহ সমাজপ্রিয় প্রাণী। জীৱন সংগ্রামত জয়ী হৈ নিজ ক সুপ্রতিষ্ঠিত কৰিবলৈ অকল প্রকৃতিৰ লগত হাত মিলালেই নহ'ব, মানুহৰ সমাজ ব্যৱস্থাও মানি চলিব লাগিব। তেনেকৈ চলিবলৈ যিবিলাক নিয়ম-পদ্ধতি, ৰীতি-নীতি আছে সেইবোৰৰ আলোচনা সংস্কৃতি চর্চাৰ আন এটা প্রধান উপাদান। মানসিক আৰু আধ্যাত্মিক উৎকর্ষৰ প্রচেষ্টাও সংস্কৃতিৰ উপাদান বুলি পৰিগণিত হ'ল। সাহিত্য, সুকুমাৰ কলা সৌন্দর্য্যবোধৰ প্রকাশ, আচাৰ ব্যৱস্থা আদিও সংস্কৃতিৰ এৰাব নো�ৱাৰা অংগ।

গোৱালপাৰা জিলাৰ সংস্কৃতিৰ ওপৰত এটি থুলমূল আভাষ দাঙি ধৰিবলৈ এই প্রৱন্ধৰ যোগেদি প্রয়াস কৰা হ'ল। বৃহত্তৰ গোৱালপাৰা জিলা ভাঙি ক্ষুদ্র ক্ষুদ্র চাৰিখন জিলা ভাগ হোৱাৰ পিচত সংস্কৃতিৰ সাকোডালো কিছু চুটি হৈ গ'ল যেন লাগিছে। বর্ত্তমান ব্রহ্মপুত্রৰ দক্ষিণ পাৰত অৱস্থিত পুৰণি গোৱালপাৰা জিলাৰ অংশটোৱে গোৱালপাৰা জিলা বুলি পৰিগণিত হৈছে। এই অঞ্চলত কোচ-ৰাজবংশী, কলিতা, ব্রাহ্মণ, নাথ, ৰাভা, বড়ো-কছাৰী, গাৰো, চাহ বাগিচাত থকা আদিবাসী আৰু মুছলমান সম্প্রদায়ৰ লোকে সান মিহলি হৈ বসবাস কৰি আছে। সেয়ে ইয়াত প্রত্যেকৰে সংস্কৃতি কিছু বেলেগে বেলেগ যদিও মিশ্র সংস্কৃতিয়ে প্রাধান্য লাভ কৰিছে। গোৱালপাৰাৰ সংস্কৃতিত কামৰূপ বিশেষকৈ পশ্চিম কামৰূপৰ সংস্কৃতি, উপভাষাস ধর্মীয় বিশ্বাস লোকাচাৰ উৎসৱ অনুষ্ঠান আদিৰ ফালৰ পৰা ইমান বেচি সাদৃশ্য যে ইয়াক অসমীয়া সংস্কৃতিৰ পৰা পৃথক বুলি বিবেচনা কৰাৰ কোনো যুক্তিসংগত কাৰণ নাই।

জিলাখনৰ বিভিন্ন জাতি উপজাতিৰ কলা সংস্কৃতিয়ে অসমীয়া ভাষা সংস্কৃতি তথা কলা-কৃষ্টিৰ পূর্ণতা আনি দিছে। প্রতি জিলাৰে এটা নিজস্ব বৈশিষ্ট্য আছে। গোৱালপাৰীয়া লোক সাহিত্যই জিলাখনৰ কৃষ্টি-সংস্কৃতি বহন কৰি আছে। ইয়াৰ যোগেদি প্রকাশ পাইছে জিলাখনৰ থলুৱা আচাৰ ব্যৱহাৰ, বিশ্বাস, ধর্ম-নীতি, অভাব-অভিযোগ, আদান-প্রদান, আনন্দ-প্রেম, আশা-আকাঙ্খা আদি। গোৱালপৰীয়া সাঁথৰ ফকৰা-যোজনা, নৃত্য-গীতৰ এক সুকীয়া বৈশিষ্ট আছে আৰু বিশেষকৈ গোৱালপৰাৰ নৃত্য-গীত অসমৰ সাংস্কৃতিক দিশত উল্লেখনীয় বৰঙণি আগবঢ়াইছে। সম্প্রীতি সমন্বয় স্থাপনৰ ক্ষেত্রত কলা সংস্কৃতিৰ অবদান মন কৰিবলগীয়া। মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ অমূল্য গ্রন্থ "কীর্ত্তন" পুথিখনৰ ওপৰত ভিত্তি কৰি ৰচিত গোৱালপাৰা জিলাৰ অসংখ্য লোকগীত জনগনৰ অন্তৰ পৰশা।

গোৱালপাৰা জিলাত ক্ষত্রিয় ৰাজবংশীসকলৰ কলা-সংস্কৃতিয়ে জিলাখন বৈচিত্রময় কৰি তোলাত বৰঙণি যোগাইছে। পদ্মপুৰাণ, বাশীপুৰাণ (মাৰৈ পূজা, বাশ পূজা) দেহতত্ব গীত, মৈষালী গীত আদি গীত সমূহৰ অন্তর্নিহিত অর্থ তাৎপর্য্যপূর্ণ। এই গীতবোৰ আৰু বিভিন্ন ফকৰা-যোজনা, কিম্বদন্তী আদিৰ মাধ্যমেৰে ৰাজবংশীসকলৰ লোক সংস্কৃতি প্রকাশ পাইছে। কোচ ৰাজবংশী নৃপতি মহাৰাজ নৰনাৰায়ণ আৰু পৰাক্রমী সেনাপতি চিলাৰায়ৰ সহানুভৱতা আৰু ৰাজনৈতিক বিচক্ষণতাত মহাপুৰুষ শঙ্কৰদেৱে ভাৰতীয় আদর্শত ভাষা-সাহিত্য, সমাজনীতি আৰু ধর্মনীতি বিষয়ত অমৰ ৰচনা সৃষ্টি কৰি অসমীয়া সাহিত্য আৰু কলা সংস্কৃতিৰ সোণালী যুগৰ প্রবর্ত্তন কৰি থৈ গ'ল।

তিব্বতী-বার্মিচ ঠালৰ বড়ো গোষ্ঠীৰ নিজস্ব সুকীয়া কলা-সংস্কৃতি আছে। বড়ো লোক-সাহিত্যৰ জৰিয়তে প্রকাশ পোৱা লোকগীতত সন্নিবিষ্ট কৰা হৈছে চহা জীৱনৰ গীত, বিয়া গীত, বিহু গীত, নিচুকনী গীত, কাহিনী গীত, উৎসৱ গীত বীৰ বীৰঙ্গনাৰ গীত। বিভিন্ন ফকৰা-যোজনা সাঁথৰ কিম্বদন্তী আদিৰ প্রকাশ পাইছে বড়োসকলৰ ঐতিহ্যময় পৰম্পৰাগত কাহিনী আখ্যান উপাখ্যান সমূহ আৰু এইবোৰৰ যোগেদি বড়ো জন সংস্কৃতিৰ পৰিচয় পোৱা যায়। বড়ো কলা-

সংস্কৃতি বহু পুৰণি। দেওধাই, খেৰাই, গাইনায় আদি নৃত্য-গীতে বড়োসকলৰ ঐতিহ্য বহন কৰি আহিছে। আজিৰ অসমীয়া সংস্কৃতিত বড়ো কলা-সংস্কৃতিৰো অৱদান আছে।

চাওঁতালসকল আৰু চাহ বাগিচাৰ ওৰাওঁসকল বহু পুৰণি আদিবাসী। প্ৰাগ ঐতিহাসিক যুগতেই চাওতালী সঙ্গীত আৰু নৃত্যৰ সৃষ্টি হয়। তেওঁলোকৰ 'বাহা' নৃত্য প্ৰাচীন ঐতিহাসিক নৃত্য হিচাবে স্বীকৃতি পাই আহিছে। উৰাওঁ সকলৰ ঝুমুৰ নৃত্যও বৰ প্ৰসিদ্ধ। সৰলচিতীয়া উৰাওঁসকলৰ বিয়া-কৃষ্টি, পূজা-পাতল, উৎসৱ আদিৰ ভিত্তিত ৰচিত নাচ গান বহন কৰিছে তেওঁলোকৰ পৰম্পৰাগত কৃষ্টি সংস্কৃতিয়ে।

ৰাভা সংস্কৃতিবৃহৎ মঙ্গোঁলীয় গোষ্ঠীৰ এক অংশ বিশেষ। অসমত পুৰণি কালৰ পৰা বসবাস কৰি অহা ৰাভাসকলে অসমৰ জলবায়ু প্ৰাকৃতিক পৰিৱেশ পাৰিপাৰ্শ্বিক অৱস্থা আদিৰ লগত খাপ খুৱাই অহা স্বত্বেও শাৰীৰিক আৰু সাংস্কৃতিক দিশত মূল মঙ্গোলীয় সংস্কৃতিৰ পৰা পৃথক হোৱা নাই। খেতি-বাতি, ঘৰ লোৱা, পথাৰত শষ্য ৰোৱা-গৰ্ভধাৰণ, জন্ম-মৃত্যু-বিবাহ, যাত্ৰাৰ শুভাশুভ বিচাৰ আদি সকলোতে কিছুমান বিশ্বাস আৰোপিত কৰে। এওঁলোক নৃত্য-গীত আৰু বোৱা-কটাতো পাৰ্গত। বিভিন্ন উৎসৱ পাৰ্বনত বগা-কলা-হালধীয়া-সেউজীয়া আদি ৰং বিৰঙৰ কাপোৰ পিন্ধি নৃত্য গীত পৰিবেশন কৰা দেখা যায়।

বায়খু উৎসৱেই ৰাভা সকলৰ জাতীয় উৎসৱ। ইয়াৰ উপৰিও হাছং পূজা, মাৰৈ পূজা, তুকুৰা দেও পূজা, সাৰদীয় উৎসৱ, প্ৰিম্‌বুদা বছৰৰ বিভিন্ন ঋতুত পালন কৰা দেখা যায়। এওঁলোকৰ একান্ত বিশ্বাসী দেৱতা "ঋষি দেও" বা "চাৰপাক"। ঋষিদেওক এওঁলোকে দেৱাদিদেৱ শিৱৰ ৰূপান্তৰ বুলি ভাৱে। এওঁলোক জড় উপাসক। গ্ৰিম্‌বুদা, বুদাবা, হাছং, দাৰমাং, তুৰা, বাগুৰু ইত্যাদি উল্লেখযোগ্য দেৱতা। এই দেৱতাসকলৰ প্ৰতীক হিচাবে গছ-গছনি, শিল আদিক প্ৰতিষ্ঠা কৰি দেৱতা ভেদে হাঁহ, পাৰ, কুকুৰা, গাহৰি আৰু ছাগলী উছৰ্গা কৰি পূজা আদি দিয়া নিয়ম।

জিলাখনত বাসকৰা হিন্দু, মুছলমান, খ্ৰীষ্টান আদি ধৰ্মৰ অমৃতবৰষা বাণীয়ে গোৱালপাৰা জিলাবাসীৰ সকলো গোষ্ঠীৰ লোককে ঐক্য সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি ৰাখিছে। বিভিন্ন ধৰ্মৰ অনুগামী ভক্তসকলে জিলাখনৰ চুকে কোণে থকা মঠ, মন্দিৰ, গীৰ্জা আদি পৱিত্ৰ অনুষ্ঠানত পূজা-পাতল, প্ৰাৰ্থনা-সেৱা আদি কৰি মন পবিত্ৰ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীষধন্য দলগোমা সত্ৰ এখন অতি পুৰণি সত্ৰ। আজিও তাত প্ৰতিদিনে পুৱা-সন্ধিয়া গুৰুজনাৰ আদৰ্শৰে নাম প্ৰসঙ্গ চলি আছে। আগিয়াৰ বাপুপাৰাত থকা নামঘৰ আৰু গোৱালপাৰাৰ শ্যামৰায় সত্ৰ বৰপেটাত মাধৱদেৱে প্ৰতিষ্ঠা কৰা নামঘৰৰ বস্তি শিখা আনি প্ৰতিষ্ঠা কৰা নামঘৰ। গোৱালপাৰা চহৰত থকা শ্যামৰায় সত্ৰতো পূৱা গধূলি ভকতৰ সমাবেশত প্ৰসঙ্গ কৰা হয়। আছে। গুৰুজনাৰ জন্ম তিথিত সত্ৰ নামঘৰত সপ্তাহজোৰা পালনাম, ধৰ্মালোচনা আদিৰে ধূমধামেৰে পালন কৰে। বিভিন্ন তিথিসমূহ পালন কৰে নাম প্ৰসঙ্গৰে। শেহতীয়াকৈ অসমত ১৯৩০ চনত 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ' নাম দি গুৰুজনাৰ আদৰ্শ পুষ্ট এটি সঙঘৰ সৃষ্টি হৈছে। ইয়াৰ যোগেদি শ্ৰীমন্ত শঙ্কৰদেৱে দি যোৱা কলা-কৃষ্টি, গীত-বাদ্য, নাট-ভাওনা, নাম-প্ৰসঙ্গ, সাহিত্য, সদাচাৰ সকলোৰে প্ৰচাৰ আৰু প্ৰসাৰ ঘটাই সমাজ সংস্কাৰ তথা ভক্তি মাৰ্গত জীৱক উৰ্ধগামী কৰিবলৈ 'এক শৰণ নাম ধৰ্ম'ৰ পুনৰ প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত গোৱালপাৰা জিলাও পিচপৰি থকা নাই। ঠায়ে ঠায়ে নতুন নতুন নামঘৰ প্ৰতিষ্ঠা হৈ আছে আৰু জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে বহি নাম-প্ৰসঙ্গ, গীতা-ভাগৱত আলোচনা, নাট ভাওনাৰ যোগেদি কলা সংস্কৃতি, সাহিত্য চৰ্চাৰ পথ প্ৰশস্ত কৰা হৈছে।

অসম তথা জনজাতীয় সাজপাৰ ভিন ভিন। মাইটোৰী আৰু ৰংদানী ৰাভা তিৰোতাসকলে মেখেলাখনৰ নিচিনাকৈ কাপোৰ এখন কঁকালৰ পৰা তললৈ মেৰিয়াই লয়। আন এখন কাপোৰেৰে বুকুখন মেৰিয়ায়। উৎসৱ বিশেষে তেওঁলোকে মূৰতো পখৰা ৰঙীয়া গামোচা এখন বিশেষ পদ্ধতিৰে মেৰিয়াই লয়। গাৰো তিৰোতাই অকণমান কাপোৰ এখনেৰে কঁকালৰ পৰা আঠুলৈকে ঢাকি ৰাখে। ভিতৰুৱা বা পাহাৰীয়া অঞ্চলৰ তিৰোতাৰ ওপৰৰ অংশ অনাবৃত থাকে। আজিকালি অৱশ্যে (তিনি হাত দীঘলৰ) ফুলাম 'দাকৱান্ধা' ভৰিৰ কলাফুল ঢাকি যোৱাকৈ পিন্ধি গাত ব্লাউজ বা বিশেষ ধৰণৰ চোলা পিন্ধে। বড়ো-কছাৰী তিৰোতাসকলে পিন্ধা কাপোৰখনক 'দখনা" বুলি কয়। ৰঙীন সুতাৰে আহল বহলকৈ বড়ো তিৰোতা সকলে নিজ হাতেৰে বিভিন্ন প্ৰকাৰৰ ফুল বাচি সুন্দৰকৈ আৰু মজবুতকৈ তৈয়াৰ কৰে। বুকুত এটা মুৰেৰে পিন্ধি আনটো মুৰেৰে কঁকালত ধুনীয়াকৈ আটি বান্ধে। গাত ব্লাউজ, ডিঙিত গামোচাৰ লেখীয়া আন এখন ফুলাম কাপোৰ লয়। তেওঁলোকৰ প্ৰিয় ৰং হালধীয়া, অৱশ্যে সকলো ৰঙৰ কাপোৰেই ব্যৱহাৰ কৰে।

বড়ো, ৰাভা, গাৰো আদি জনজাতীয় পৰুষসকলৰ অতীজৰে পৰা প্ৰচলিত পোচাক বৰ গামোচা আৰু চোলা। উৎসৱ পাৰ্ব্বনত বয়সীয়াল লোকে বগা গামোচা পিন্ধি মূৰত সৰু বগা গামোচাৰে পাগুৰী মাৰি লোৱা দস্তুৰ আছে। বড়ো জনজাতিৰ পুৰুষ সকলে গলত ফুলাম 'আৱনাই' এখন লয়।

এই কাপোৰখন বহলে এক ফুট মান আৰু দীঘলে পাচফুট মান। ৰাভা গাৰোসকলে গামোচা বা 'ৰুফান' কান্ধত লয়। ডেকাচামে ৰঙীন গামোচা পৰিধান কৰে আৰু গাত চোলা পিন্ধে। আজিকালি অৰ্থাৎ বৃটিছে ৰাজত্ব কৰি যোৱাৰ পিচৰে পৰা অসমৰ সকলো পুৰুষে নিজৰ জাতীয় পোছাক পিন্ধিবলৈ পাহৰি গ'ল। বৃটিচে এৰি যোৱা লংপেন্ট চাৰ্ট পিন্ধি 'আৱনাই' বা গামোচা এখন ডিঙিত লৈ সংস্কৃতি ৰক্ষা কৰা দেখা যায়।

ব্ৰাহ্মণ আৰু কলিতা জাতিৰ মানুহখিনি আৰ্য্য গোষ্ঠীৰ বুলি বুৰঞ্জীয়ে কয়। কিন্তু অসমত বিভিন্ন গোষ্ঠীৰ লগত বসবাস আৰু আদান প্ৰদান, বিবাহ আদিৰ যোগেদি সানমিহলি হৈ গৈছে। সেয়ে সংস্কৃতিৰ ক্ষেত্ৰতো বিশেষ পাৰ্থক্য নাই বুলিলেই হয়। যুগে যুগে বিভিন্ন শক্তিৰ ৰাজত্বত সংস্কৃতিৰ সুবাস বৈ যোৱাটো স্বাভাৱিক। খোৱা-লোৱা, পিন্ধা-উৰা প্ৰায় একেই। মাত্ৰ বিবাহ পদ্ধতি, মৃতকৰ শ্ৰাদ্ধাদিৰ ক্ষেত্ৰত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। পিন্ধা উৰাৰ ক্ষেত্ৰত ঠাই বিশেষে তিৰোতা সকলে জনজাতি তিৰোতাৰ দৰে বুকুত 'পাটানী' বা মেখেলা পিন্ধি গামোচা এখন গাত লয় আৰু উৎসৱ পাৰ্ব্বন, বিয়া সবাহত অসমীয়াৰ জাতীয় পোচাক মেখেলা চাদৰ পৰিধান কৰে।

শেহতীয়াকৈ অহা মুছলমানসকল ককেচীয় আৰু কিছুমান মঙ্গোলীয় গোষ্ঠীৰ লোক। তেওঁলোকৰ প্ৰধান ধৰ্ম ইছলাম। তেওঁলোক এক আল্লা বা ঈশ্বৰৰ উপাসক। পূজা পাৰ্ব্বন তেওঁলোকৰ ধৰ্মত নাই।

গোৱালপাৰাৰ সংস্কৃতিৰ আটাইতকৈ মূল্যৱান আৰু আকৰ্ষণীয় সম্পদ হ'ল লোকগীত সমূহ। জিলাখনৰ আন আন কিছু লোকগীত আছে যদিও গোৱালপাৰাৰ সংস্কৃতিৰ ভঁৰাল চহকী হৈ আছে পশ্চিম গোৱালপাৰাৰ আপুৰুগীয়া 'দেশী গান'ৰ ঐশ্বৰ্য্যৰে। কথা আৰু সুৰৰ প্ৰত্যক্ষ আবেদনেৰে মোহ সৃষ্টি কৰিব পৰা এই গীত দৈনন্দিন জীৱনৰ প্ৰতিটো খোজৰ লগত সাঙোৰ খাই আছে। বিশেষ উপলক্ষ বা অনুষ্ঠানৰ লগত জড়িত অনেক গীত আৰু নৃত্যৰ বাহিৰেও ব্যঞ্জনা আৰু অভিব্যক্তিৰ অসংখ্য গীতে পশ্চিম গোৱালপাৰাৰ জনজীৱনক সঙ্গীত মুখৰ কৰি ৰাখিছে এই দেশী গানসমূহে।

দেশী গান সমূহক দুটা ভাগত ভাগ কৰিব পাৰি ভাসান বা ভাওৰাইয়া আৰু চটকা। ভাসান গানৰ দীঘলীয়া সুৰ উদাস আৰু কৰুণ, প্ৰধানতঃ প্ৰণয়মূলক। এই শ্ৰেণীৰ গীতত পো�ৱাৰ বাসনা আৰু নোপোৱাৰ বেদনা মূৰ্ত্ত হৈ উঠিছে। বিশেষকৈ নাৰী মনৰ গোপন হতাশাৰ দীৰ্ঘশ্বাস এই শ্ৰেণীৰ গীতত ধ্বনিত হৈ আছে। চটকা গানৰ ভাৱ আৰু বিষয়বস্তু যেনেকৈ লঘু তাৰ চন্দ আৰু সুৰতো অনুৰূপ চপলতা। চটকা গানৰ ভিতৰত একশ্ৰেণীৰ খুৱ [illegible] গীত বৰ জনপ্ৰিয়। প্ৰত্যক্ষতা আৰু সৰলতাৰ গুণেৰে বিভূষিত সকসকৰু এই নৃত্য গীতবোৰ লোক কৃষ্টিৰ মনোৰম নিদৰ্শন।

ইয়াৰ উপৰি কিছুমান পূজা-পাতল উৎসৱৰ সৈতে জড়িত বহুত সুন্দৰ নৃত্য আছে। যেনে মনসা পূজাৰ বিষহৰিৰ গান বাশী পু�ৱানৰ গান, বাশ পূজাৰ গান আৰু নাচ, কাতি পূজাত কাতিকাৰ নাচ-গান ইত্যাদি। চড়ক পূজাত হোৱা কালিচণ্ডীৰ নাচৰ কথা বিশেষভাৱে উল্লেখযোগ্য। কুশান গান গোৱালপাৰীয়া গাওঁলীয়া সমাজত অতি জনপ্ৰিয়। ওজাপালিৰ ৰূপৰ লগত কুশান গানৰ ৰূপৰ চকুত লগা সাদৃশ্য পৰিলক্ষিত হয়। সাধাৰণতে ৰামায়ণ, মহাভাৰতৰ আখ্যানৰ আধাৰত কুশান গানৰ পালাবোৰ ৰচিত হয়। প্ৰধান গায়কজনক মৌল বা মূল বোলা হয়।

গোৱালপাৰা জিলাত পুতলা তৈয়াৰ কৰা আৰু পুতলা নৃত্যৰ প্ৰচলন অতি প্ৰাচীন। পুতলা নৃত্য প্ৰদৰ্শন কৰি আঠ দহ জনীয়া দল একোটাই ঠায়ে ঠায়ে প্ৰদৰ্শন কৰি ফুৰিছিল। আগতে বিয়া সবাহ উৎসৱ পাৰ্ব্বনত পুতলা নৃত্য দেখুৱাটো এটা দস্তুৰ আছিল। আজিকালি চিনেমা টেলিভিচন হোৱাৰ পৰা ইয়াৰ সমাদৰ কিছু কমি গৈছে।

মৃৎশিল্পতো গোৱালপাৰা জিলা পিচপৰা নহয়। ডুবাপাৰা, মৰনৈ, দলগোমা অঞ্চলত নানা ধৰণৰ মাটিৰ বাচন, ফুলৰ টাব, কুঁৰা বনোৱা পাট, ঘৰ বনোৱা টাইল্‌চ তৈয়াৰ কৰে আৰু সেইবোৰ বিভিন্ন ঠাইৰ বজাৰত বিক্ৰী কৰে। পুতলা চাকি, ফুলদানী আদিও মাটিৰে তৈয়াৰ কৰা প্ৰথা আগৰে পৰা চলি আহিছে। পাটী বনোৱা ডুবাপাৰা অঞ্চলৰ মানুহৰ এটা ব্যৱসায়। এই অঞ্চলৰ মানুহে যথেষ্ট পৰিমানে পাটীদৈৰ খেতি কৰে আৰু তাৰ পৰাই হাতেৰে সুন্দৰ আৰু বিভিন্ন আকৃতিৰ (সৰু, ডাঙৰ) পাটী তৈয়াৰ কৰি এই অঞ্চলৰ চাহিদা পুৰণ কৰে।

বিহু অসমৰ জাতীয় আৰু উমৈহতীয়া উৎসৱ। ইয়াৰ আৰম্ভ কেতিয়াৰ পৰা হ'ল তাৰ সঠিক বুৰঞ্জী পোৱা নাযায় যদিও ই অসমৰ চহা জীৱনৰ লগত জড়িত। সেয়েহে এই উৎসৱ জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলো গোষ্ঠীৰ মানুহে উদ্‌যাপন কৰে আৰু এই বিহুতেই ভেদাভেদ পাহৰি ঐক্য আৰু মৈত্ৰীভাৱ বৃদ্ধি কৰাৰ সুযোগ পায়। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্যত আত্মবলীয়া অসমীয়া নৃত্য গীতেৰে বিহু উৎসৱ উদ্‌যাপন কৰে। সেয়ে বিহুক অসমীয়াৰ বাপতি সাহোন বুলি কোৱা হয়।

বহুত নদ-নদী, লগ হৈ যেনেকৈ বিশাল সিন্ধুৰ সৃষ্টি ঠিক তেনেকৈ অসমীয়া তথা গোৱালপাৰা জিলাৰ সংস্কৃতিও সংমিশ্ৰণৰ সমুদ্ৰ। গোৱালপাৰা জিলা অনেক জাতি জনজাতিৰ বাসস্থান, সংমিশ্ৰণৰ সৌধ গঢ়ি একেলগে বাস কৰি থকা মানুহখিনিৰ সাংস্কৃতিক সমন্বয় আন এটা মন কৰিবলগীয়া উপাদান।

শ্ৰী সূৰ্য্য পাহাৰৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহ আৰু ইয়াৰ ভৱিষ্যত

যশোৱন্ত ৰায়
প্ৰৱক্তা

জাতি এটাৰ সভ্যতাৰ প্ৰাচীনত্ব নিৰূপণ কৰে সেই জাতিটোৰ প্ৰাচীন কীৰ্তিচিহ্ন সমূহে। যি জাতিৰ ইতিহাস নাই সেই জাতিৰ ভৱিষ্যৎ থাকিব নোৱাৰে। প্ৰাচীন কীৰ্তিচিহ্ন হ'ল ইতিহাসৰ প্ৰধানতম্ সম্পদ। প্ৰাচীন কীৰ্তিচিহ্ন বুলিলে প্ৰাচীন ঐতিহ্য সন্নিবিষ্ট থকা যিকোনো সম্পদ আৰু সংস্কৃতি, ধ্বংসাৱশেষ, গড়-খাৰৈ, শিলালিপি, তাম্ৰ পত্ৰ, স্থাপত্য-ভাস্কৰ্য্য, শিলাসাকো, মুদ্ৰা, মঠ-মন্দিৰ, সত্ৰ, বিহাৰ, মূৰ্ত্তি (শিল, পোৰামাটি, পিতল, কাঠ বা আন বিভিন্ন ধাতু) চিত্ৰ-নক্সা, দেৱগৃহ, লোৰ অস্ত্ৰ ইত্যাদি ঐতিহ্যাসিক সম্পদৰ উপৰিও পুৱণি নথি পত্ৰ, পুৱাণ, সাঁচিপাতৰ পুথি, বিভিন্ন ভ্ৰমণ টোকা আদিক ধৰা হয়। ইতিমধ্যে বিশ্ব সভ্যতাৰ ইতিহাসত এনে প্ৰাচীন কীৰ্তিচিহ্নৰে ঐশ্বৰ্য্যশালী কেবাটাও সভ্যতাৰ নিদৰ্শন পোৱা গৈছে। মিচৰৰ পিৰামিড সমূহে যিদৰে নীল নদীৰ সভ্যতাৰ কথা সোঁৱৰায় সেইদৰে ভাৰতৰ মহেঞ্জোদাৰো আৰু হৰপ্পাৰ সভ্যতাই আৰ্যসকলৰ সভ্যতাৰ পূৰ্বৰ ভাৰতীয় সভ্যতাৰ সাক্ষ্য বহন কৰিছে। ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত ইতিপূৰ্বে সঘনে হৈ যোৱা ভূমিকম্প, বানপানী আদি প্ৰাকৃতিক দুৰ্যোগৰ ফলত তেনে বহুতো ঐশ্বৰ্য্যশালী প্ৰাচীন কীৰ্তিচিহ্ন ধ্বংসৰ গ্ৰাসত পৰিছে। তেনে এক ঐতিহ্য বহন কৰা প্ৰাচীন কীৰ্তিচিহ্ন ভৰা ঠাই হ'ল শ্ৰীসূৰ্য্য পাহাৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চল যাক অন্বেষণ, গভীৰ অধ্যয়ণ আৰু গৱেষণা কৰিলে এক উচ্চ মান বিশিষ্ট সভ্যতাৰ সন্ধেদ পোৱা যে যাব তাত সন্দেহৰ থল নাই।

বৰ্ত্তমান গোৱালপাৰা চহৰৰ পৰা পূব দিশত ১২ কিঃ মিঃ নিলগত অবস্থিত শ্ৰীসূৰ্য্য পাহাৰ যাৰ অন্য এক নাম সাতালী পাহাৰ। এই পাহাৰত সাতটা চূড়া বা শৃংগ একেলগে আছে কাৰণে ইয়াৰ নাম সাতালী হৈছে বুলি কোৱা হয়। আন এক তথ্য মতে এই পাহাৰতে সূৰ্য্য দেৱৰ মূৰ্ত্তি থকা হেতুকে ইয়াৰ নাম শ্ৰীসূৰ্য্য পাহাৰ হৈছে বুলি লোক বিশ্বাস আছে। কিন্তু ইয়াৰ সত্যতা এতিয়ালৈ ৰহস্যাবৃত হৈয়ে আছে। এই সম্পৰ্কত ড° মনোজ কুমাৰ চক্ৰৱৰ্ত্তীয়ে তেখেতৰ "শ্ৰীসূৰ্য্য পাহাৰৰ সূৰ্য্য মূৰ্ত্তি - এটি আলোচনা" শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে যে এই পাহাৰত অৱস্থিত সূৰ্য্যদেৱতাৰ মূৰ্ত্তি বুলি বিশ্বাস কৰা বৰ্গাকৃতিৰ পাথৰ এছটাৰ পৰাই পাহাৰখনৰ নাম শ্ৰীসূৰ্য্য পাহাৰ হৈছে। তেওঁ আৰু উল্লেখ কৰিছে যে এই বৰ্গাকৃতিৰ পাথৰত খোদিত কৰা দ্বাদশ আদিত্যক জনসাধাৰণেত সূৰ্য্য দেৱতা বুলি গণ্য কৰি ভক্তি জনাই আহিছে আৰু সেই কাৰণেই এই পাহাৰৰ নাম শ্ৰীসূৰ্য্য পাহাৰ। কালিকা পুৱাণতো শ্ৰীসূৰ্য্য পাহাৰতেই যে সূৰ্য্য দেৱতাৰ উপাসনা কৰা হৈছিল তাক উল্লেখ কৰিছে। অতীতত ই জ্যোতিৰ্বিদ্যাৰো ঘাই কেন্দ্ৰ আছিল। আনহাতে বঙালী ভাষাত লিপিবদ্ধ চৌধুৰী খান চাহাবৰ 'কুচবিহাৰৰ ইতিহাস' আৰু শ্ৰী অম্বিকা চৰণ চৌধৰী দেৱৰ 'ৰত্নপীঠত এভূমুকি' নামৰ পুস্তিকাত কোচ ৰজা নৰনাৰায়ণৰ ৰাজত্ব কালত বীৰ ভাতৃ চিলাৰায়ে অসম আক্ৰমণ কৰাৰ সময়ত বাটতে পাথৰত খোদিত উক্ত মূৰ্ত্তিটো পাই এই পাহাৰত প্ৰতিষ্ঠা কৰে আৰু তেতিয়াৰ পৰাই ইয়াত সূৰ্য্য দেৱতাৰা পূজা-পাতল আৰম্ভ হৈছিল আৰু ইয়াৰ পৰাই শ্ৰীসূৰ্য্য পাহাৰ হৈছিল বুলি কোৱা হৈছে। কিন্তু কালিকা পুৱাণ লিপিবদ্ধ হৈছিল আনুমানিক দশম শতিকাত। সেয়ে হ'লে সূৰ্য্য দেৱৰ পূজা এই অঞ্চলত বহুদিনৰ পূৰ্বে প্ৰচলিত আছিল। অন্য এক প্ৰবাদমতে মহৰ্ষি বশিষ্ঠই হেনো কামাখ্যা দেৱী দৰ্শন কৰাৰ পূৰ্বে শ্ৰীসূৰ্য্য পাহাৰত জ্যোতিষৰ মান মন্দিৰ (সূৰ্য্য মন্দিৰ) দৰ্শন কৰিছিল। সম্প্ৰতি Archaelogical Survey of India ৰ টোকাত এই বুলি উল্লেখ আছে, "A curved stone slab locally worshipped as surya, has apparently lent its name to the surrounding hill."

ইতিমধ্যে শ্ৰীসূৰ্য্য পাহাৰ আৰু নিকটবৰ্ত্তী অঞ্চলত ১৯৯৩ চনৰ পৰা এৰাধৰাকৈ কেবাবাৰো অসমস্থ পুৰাতাত্ত্বিক জৰীপ বিভাগৰ পৰিচালনাত খনন কাৰ্য্য সম্পাদিত হৈছে আৰু প্ৰতিবাৰতে বহুতো উচ্চমান বিশিষ্ট প্ৰাচীন কীৰ্তিচিহ্ন, ভাস্কৰ্য্য আৰু বিভিন্ন ৰকমৰ সামগ্ৰী উদ্ধাৰ হৈছে যিবোৰৰ অধিকাংশই গুৱাহাটীৰ ৰাজ্যিক সংগ্ৰালয়ৰ পৰা ২০০৪ চনত শ্ৰীসূৰ্য্য পাহাৰত মুকলি কৰা সংগ্ৰালয়ত সংৰক্ষণ কৰি ৰখা হৈছে। মন কৰিবলগীয়া যে অকল সংগ্ৰাহলয়ত সংৰক্ষণ কৰিলেই ইতিহাসৰ ৰহস্যাবৃত তথ্য উদ্ধাৰ কৰা সম্ভৱ নহয় যদিহে এইবোৰৰ ওপৰত গভীৰ অধ্যয়ন নহয়। এতিয়ালৈকে এই অঞ্চলত খনন কাৰ্য্যত উদ্ধাৰ হোৱা প্ৰাচীন কীৰ্তি চিহ্ন সমূহৰ ভিতৰত দ্বাদশভূজা দেৱীমূৰ্ত্তিয়ে প্ৰধান যাক স্থানীয় লোকে দশভূজা বুলি প্ৰতিবছৰে মাঘী পূৰ্ণিমাত পূজা দি আহিছে। বহুতেই এই মূৰ্ত্তিক দ্বাদশভূজা মনসাৰ মূৰ্ত্তি বুলি দশাইছে। কিন্তু Archaeological Survery ৰ টোকাত ইয়াক দ্বাদশভূজা দেৱী মূৰ্ত্তিক দেৱমূৰ্ত্তী বুলি ঠাৰৰ কৰিছে। উক্ত টোকাত এইদৰে উল্লেখ আছে, "of the numerous relics, that of a twelve armed deity with a seven headed canopy over its head stands prominent. It is worshiped as Dasabhuja Durga (the male doityhas been turned ito a female by a heary coat of pluster.)



শ্ৰীসূৰ্য্য পাহাৰৰ পূৱ অংশত একচালীয়া পাহাৰত থকা ৰাঙাচানৰ থান দেখা যায়। এই থানৰ এছটা শিলক স্থানীয় ৰাজবংশী আৰু ৰাভা জনগোষ্ঠীৰ লোকে ৰাঙাচান অৰ্থাৎ সূৰ্য্য বুলি পূজা কৰি আহিছে। এই সম্পৰ্কত ড° মনোজ কুমাৰ চক্ৰৱৰ্ত্তীয়ে উল্লেখ কৰিছে - "ৰাঙাচান শব্দৰ এটা নিজস্ব অৰ্থ আছে - যি অৰ্থই আমাক এই দেৱতাক চিনাক্ত কৰাত সহায় কৰে। গাৰো ভাষাত সূৰ্য্যক ৰাংচান আৰু ৰাভা সকলে ৰাংচাং বুলি কয়। এই দুয়োটা শব্দৰ পৰাই ৰাঙাচান শব্দৰ উদ্ভৱ হোৱাৰ থল আছে বুলি তেখেতে মতপোষণ কৰিছে।

ৰাঙাচানৰ উপৰিও শ্ৰীসূৰ্য্য পাহাৰত এটা কম এক লাখ শিৱ লিংগ আছে বুলি জনবিশ্বাস আছে। কিছুমানে এই যুক্তি দিয়ে যে ব্যাসদেৱে হেনো শ্ৰীসূৰ্য্য পাহাৰক দ্বিতীয় কাশীধাম বনোয়াৰ উদ্দেশ্যৰে ইয়াত এনে শিৱ লিংগৰ তৈয়াৰ কৰাইছিল। এই অৰ্থতেই শ্ৰীসূৰ্য্য পাহাৰক ব্যাসধাম বোলা হয়।

শ্ৰীসূৰ্য্য পাহাৰত চেপাশিল এক খ্যাত প্ৰাচীন কীৰ্ত্তিচিহ্ন য'ত গণেশৰ দুফুট পাঁচ ইঞ্চি ওখ এটা অস্পষ্ট মূৰ্ত্তি আছে। লোক বিশ্বাস মতে এই চেপাশিলৰ মাজেৰে গৈ 'চন্দ্ৰচক্ৰ' চাব লাগে। অতীতত ই হেনো পাপী মানুহৰ বাবে পৰীক্ষা গৃহ স্বৰূপ আছিল।

জৈন তীৰ্থাংক ভগৱান আদিনাথৰ শৈলমূৰ্ত্তি যাৰ আনুমানিক অষ্টম শতিকাৰ বুলি ঠাৰৰ কৰা হৈছে শ্ৰীসূৰ্য্য পাহাৰৰ এক অন্যতম প্ৰাচীন কীৰ্তিচিহ্ন। এই মূৰ্ত্তিৰ উপস্থিতিয়ে অসমত জৈনধৰ্মৰ জনপ্ৰিয়তাৰ কথা স্পষ্ট কৰে। ইয়াৰ আগতে অসমত কতো এনে মূৰ্ত্তি পোৱা হোৱা নাই।

প্ৰাচীন ভাৰতৰ ইতিহাসত বৌদ্ধ ধৰ্মৰ প্ৰসাৰ ঘটে সম্ৰাট অশোকৰ ৰাজত্বৰ দিনৰ পৰা কিন্তু শ্ৰীসূৰ্য্য পাহাৰত যিবোৰ বৌদ্ধস্তুপ, বিহাৰ, ইটাৰ নক্সা এতিয়ালৈ খনন কাৰ্য্যত উদ্ধাৰ হৈছে তাৰ সময় হৰ্ষবৰ্দ্ধনৰ সময়ৰ সৈতে বিজোৰা হৈছে। ইতিমধ্যে প্ৰাপ্ত তথ্য মতে প্ৰাচীন কামৰূপৰ ৰাজধানী হেনো এই সূৰ্য্যগিৰি অঞ্চলতে আছিল। কনৌজপতি হৰ্ষবৰ্দ্ধন আৰু প্ৰাগজ্যোতিষপুৰৰ ৰজা ভাস্কৰ বৰ্মাৰ বন্ধুত্বৰ কথা সৰ্বজনবিদিত। ভাস্কৰ বৰ্মাই বন্ধুত্বৰ এনাজৰী ভাল বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি আৰু অধিক কটকটীয়া কৰিছিল। ১৯৭২ চনত পশ্চিম গোৱালপাৰাৰ পাগলাটেকৰ গাওঁ এখনত কৰ্মৰত বনুৱাই মাটিৰ তলৰ পৰা পোৱা স্বৰ্ণ মুদ্ৰাত হৰ্ষবৰ্দ্ধণৰ অংকিত ছবিছে ইয়াৰ যথার্থতা প্ৰদান কৰে। ইয়াৰ পৰা এইটো স্পষ্ট যে শ্ৰীসূৰ্য্য পাহাৰত ভাস্কৰ বৰ্মাৰ দিনৰ পৰা বৌদ্ধ ধৰ্মৰ প্ৰভাৱ পৰিছিল আৰু তাৰ ফলশ্ৰুতিত ইয়াত বিভিন্ন ৰকমৰ বৌদ্ধস্তুপ, বৌদ্ধ ভিক্ষুসকলৰ আবাস গৃহ (বিহাৰ) আদি নিৰ্মাণ কৰা হৈছিল। কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কাল ষষ্ঠ শতিকাৰ শেষৰ পৰা সপ্তম শতিকাৰ মাজভাগলৈ আছিল। গতিকে ইয়াৰ পৰা সহজে অনুমেয় যে ভাস্কৰ বৰ্মাৰ ৰাজধানী ইয়াতেই আছিল। হিউৱেন চাঙৰ বিৱৰণীতো পোৱা যায় যে পৌণ্ড্ৰবৰ্দ্ধনৰ পৰা পূৱত কামৰূপৰ ৰাজধানীৰ দূৰত্ব ৯০০ লি বা প্ৰায় ১৫০ মাইলৰ আছিল যি এখন বিশাল নদী অতিক্ৰম কৰাত পিছত পোৱা গৈছিল। সেই সময়ৰ পৌণ্ড্ৰবৰ্দ্ধন বৰ্ত্তমান পশ্চিম বংগৰ পাবনা জিলা হ'লে পাবনাৰ পৰা গুৱাহাটীৰ দূৰত্ব ১৫০ মাইলৰ বেছি। সেয়ে হ'লে গোৱালপাৰা অথবা সূৰ্য্যগিৰিত কামৰূপৰ

ৰাজধানী থকাটোত কোনো অযুক্তি নাই।বুৰঞ্জীবিদ গেইট চাহাবেও তাকে স্বীকাৰ কৰি ব্যক্ত কৰিছে যে - "The only indication which is given as to its locality is that it lay 150 miles east of Pandravardhana - In either case the distance of Gauhati will exceed 150 miles and it would thus seems that the capital was somewhere further west either in the Goalpara district or the KochBehar state or in the northeast of Rangpur."



শ্রীসূর্য্য পাহাৰত শিৱলিংগ, বৌদ্ধস্তুপ, বিহাৰ, দ্বাদশভূজা দুর্গা মূর্ত্তি, গণেশ মূর্ত্তি জৈন তীর্থংকৰ, ৰাঙাচানৰ উপৰিও বহুতো আন আন সামগ্রী উদ্ধাৰ হৈছে- তাৰ ভিতৰত কাৰুকার্য্য খচিত ইটাৰ টুকুৰা, উচ্চমানৰ পোৰা মাটিৰ পাত্ৰ, শিলৰ ভগ্ন মুণ্ড, পূর্ণ ঘট, কাৰকার্য্যখোদিত - শিলৰ বেদী। ওপৰোক্ত সামগ্রী সমূহৰ কাল সম্পর্কত বিভিন্ন মহলে বিভিন্ন মতপোষণ কৰিছে। কিছুমানে গুপ্তযুগৰ পিছৰ যুগ আৰু কিছুমানে ১২ শৰ পৰা ১৩শ শতিকা বুলি ঠাৱৰ কৰিছে। প্রকৃতার্থত এতিয়ালৈকে শ্রীসূর্য্য পাহাৰৰ বিস্তৃত প্রত্নতাত্ত্বিক পর্য্যালোচনা বা ঐতিহাসিক বিশ্লেষণ হোৱা নাই। ইটাৰ নির্মিত দালানেৰে আগুৰা এখন ঠাই, চিত্র-বিচিত্র শৈল গম্বুজ শিল নির্মিত মহল, দেৱ-দেৱীৰে ভৰা বিভিন্ন ৰকমৰ শৈল ভাস্কর্য্য, পুখুৰী, পাহাৰ, প্রায় চৌদিশে গড়খাৰৈ আদিৰে অটল অচৰ হৈ থকা শ্রীসূর্য্য পাহাৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত ঐতিহ্যপূর্ণ কিমান যে গুৰুত্বপূর্ণ কীর্তিচিহ্নই কিমান গভীৰ তথ্য বহন কৰি আছে তাক প্রত্নতাত্ত্বিক গৱেষক সকলেহে উপলব্ধি কৰিব পাৰিব।

এইদৰে একেধাৰে হিন্দু, বৌদ্ধ, জৈন ধর্মক সমভাৱে প্রকাশ পোৱা প্রাচীন কীর্তিচিহ্ন সন্নিবিষ্ট ঐহিতহাসিক ঠাই অসম তথা ভাৰতবর্ষতে বিৰল। শ্রীসূর্য্য পাহাৰৰ এই প্রাচীন কীর্তিচিহ্ন সমূহৰ সঠিক ব্যাখ্যা হোৱা উচিত। আৰু ইয়াক পর্য্যটক সকলৰ বাবে আকর্ষণীয় কৰি তোলাত চৰকাৰী ভাবে ব্যৱস্থা লোৱা অতি আৱশ্যক। পূৰাতত্ব বিভাগে এখন ফলক আৰি থৈয়ে সংৰক্ষণৰ দায়িত্বৰ পালন কৰা বুলি ভাবিলে ভুল কৰা হ'ব। ইতিমধ্যে চৰকাৰী আৰু বেচৰকৰী ভাবে বহুতো পণ্ডিতে এই অঞ্চল ভ্রমণ কৰিছে। কিছুমান পণ্ডিতে কিছু মন্তব্য আগবঢ়াইছে বিভিন্ন আলোচনী, পুস্তিকা আৰু বাতৰি কাকতৰ মাধ্যমেদি। কিন্তু সেয়া যথেষ্ট নহয়।

এতিয়াও শ্রীসূর্য্যপাহাৰত পুৰাতাত্ত্বিক বিভাগৰ খনন কার্য্য সম্পূর্ণ হোৱা নাই বুলি লিখকে ভাবে। সূর্য্যগিৰিৰ উপৰ অংশ এতিয়াও ৰহস্যাবৃত আৰু ইয়াৰ আশে পাশে তেনে তথ্যভৰা বহুত অংশ আছে য'ত পুৰাতাত্ত্বিক বিভাগে হাতেই দিয়া নাই। আটাইতকৈ দুখৰ বিষয় হ'ল যে, শ্রীসূর্য্যপাহাৰলৈ লোকৰ আগমন মূলতঃ ধর্মক কেন্দ্র কৰি হৈ আছে। ধর্মীয় পীঠস্থান হিচাপে ইয়াৰ যিমান গুৰুত্ব আছে তাতোকৈ অধিক গুৰুত্বপূর্ণ ঐতিহ্যসিক ভাবে। প্রতিবছৰে হোৱা মেলাত (মাঘী পূর্ণিমাত) অগণন ধর্মপ্রাণ লোকৰ সমাগম হয় যাৰ ফলত অজানিতে প্রাচীন কীর্তিচিহ্ন সমূহৰ আচল ৰূপ ক্ষতিগ্রস্ত হৈ পৰা সম্ভাবনা নুই কৰিব নোৱাৰি যি প্রকৃত তথ্য উদ্ধাৰ কৰাত প্রত্নতাত্ত্বিক সকলক বা গৱেষক সকলক বাধা প্রদান কৰিব পাৰে। এনেবোৰ কার্য্যই প্রাচীন ঐতিহ্য বহনকাৰী কীর্তিচিহ্ন সমূহৰ স্বৰূপত প্রভাৱ পেলাব পৰাটোত সন্দেহৰ থল আছে। এই বিলাকৰ ঐতিহাসিক মূল্যবোধৰ প্রতি সজাগ হোৱা সকলোৰে কাম্য। সেয়ে সময় থাকোতে শ্রীসূর্য্য পাহাৰৰ প্রাচীন কীর্তিচিহ্ন সমূহৰ যথোচিত সংৰক্ষণ, পৰিচালন আৰু ৰক্ষণাবেক্ষণ তথা গৱেষণা নহ'লে অচিৰেই এক মহান সভ্যতাৰ চিন হেৰাই যাব বুলি দৃঢ়ভাৱে ক'ব পাৰি। কাৰণ এই প্রাচীন কীতিচিহ্ন সমূহৰ মাজত লুকাই আছে আমাৰ গৌৰৱময় ইতিহাস আৰু এই গৌৰৱময় ইতিহাসত আমাক সকলো ক্ষেত্রতে আগবঢ়াই নিব পৰা প্রেৰণা লুকাই আছে। সেয়েহে বর্ত্তমানৰ একবিংশ শতিকাত অত্যাধুনিক কৌশলেৰে প্রাচীন কীর্তিচিহ্ন সমূহৰ যথোচিত সংৰক্ষণ আৰু গৱেষণা হোৱা অতি আৱশ্যক।■

গোৱালপাৰা জিলাৰ প্রত্নতত্ত্বৰ পটভূমি

অম্বিকা চৰণ চৌধুৰী

প্রস্তাৱনা ঃ ইং ১৮২২ চনত গোৱালপাৰা জিলাৰ সর্ব্বপ্রথম আনুষ্ঠানিক সৃষ্টি আৰু প্রাক্তন বিজনী ৰাজ্যৰ অধিকাংশ এলেকাক সাঙুৰি গঠিত হোৱা এই গোৱালপাৰা জিলাখনিৰ প্রশাসনীয় জিলা কমিচনাৰ চাহাব আছিল সাত সমুদ্র .তৰ নদী পাৰ হৈ অহা ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাকৰিয়াল চাৰ ডেভিদ স্কট। কোম্পানী সৃষ্ট এই জিলাৰ সদৰ ঠাইয়ো আছিল আজিকালিৰ গোৱালপাৰা নগৰতেই। আজিৰ পৰা তিনি/চাৰিশ বছৰ পূর্বে বৃহৎ কমতা ওৰফে কোঁচ সাম্রাজ্যৰ অন্তর্গত আৰু বর্তমানৰ বাংলাদেশৰ ঢাকা-পাবনা-খুলনা-ৰংপুৰ-মৈমনসিংহ অঞ্চলৰ গো-পালক (গোৱাল) কিছুমান পৰিয়ালে যিটো অঞ্চলত বসবাস কৰিছিল সেই 'গোৱালতুলি' অঞ্চলৰ পৰাই পৰৱর্তীকালত গোৱালপাৰা নামৰ সৃষ্টি হৈছিল। অৱশ্যে আন কিছুমানে 'গোৱালিট্রিপিকাৰ' পৰাই বিৱর্তনত গোৱালপাৰা হোৱা বুলিও অভিমত দিলেও ভাবার্থৰ কোনো পার্থক্য নাই। এই সুপ্রাচীন গোৱালসকলৰ অধিকাংশৰেই উপাধি আছিল 'ঘোষ'। পৰৱর্ত্তী কালত এই ঘোষ পৰিয়ালৰ লোকসকলেই গোৱালপাৰা নগৰৰ অর্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক দিশত বহু অৱদান আগবঢ়াইছে। এওঁলোকৰ পৰাই ভালেমান সু-সন্তানে শিক্ষা-দীক্ষা আৰু প্রতিস্থাৰ ক্ষেত্রত অগ্রণী ভূমিকা লৈছিল আৰু পৰৱর্তীকালত অসমীয়া ভাষা-কৃষ্টিৰ বিকাশতো আগভাগ লৈছিল। এই সু-প্রাচীন গোৱালসকলৰ বহুতেই আজিকালি 'ঘোষ' উপাধিৰ পৰিৱর্তে 'চৌধুৰী' উপাধি গ্রহণ কৰি অতীত ঐতিহ্যৰ ওপৰত প্রলেপ পৰাত সহায়ক হৈছে। সেয়ে এই নৱসৃষ্ট জিলাখনিৰ প্রথম সদৰ ঠাই হৈছিল গোৱালপাৰা নগৰ আৰু পৰৱর্তী কালত এই জিলাৰ সদৰ ঠাই নেতাই ধুবুনীৰ ঘাট খ্যাত ধুবুৰী নগৰলৈ স্থানান্তৰিত হৈছিল। ইং ১৮২২ চনত সৃষ্ট এই জিলাখনিৰ এলেকাৰ ভিতৰত আজিকালিৰ গাৰোপাহাৰ জিলাও অর্ন্তভূক্ত আছিল। এই বৃহৎ জিলাখনিক প্রশাসনৰ সুবিধার্থে প্রথমতে নর্থ-ইষ্ট ৰংপুৰ (বর্তমান বাংলাদেশৰ অন্তর্গত) জিলাৰ সৈতে সাঙুৰি থোৱা হৈছিল বাবেই ৰাজনৈতিক আৰু সামাজিক ক্ষেত্রত গোৱালপাৰা আৰু ৰংপুৰ জিলাদ্বয়ৰ মানুহৰ মাজত ভাষা-কৃষ্টিৰ আদান-প্রদান হৈছিল। ইং ১৮৬৯ চনত অর্থাৎ গোৱালপাৰা জিলাৰ সৃষ্টিৰ দুকুৰি সাত বছৰ পিছত পৃথকে গাৰো পাহাৰ জিলাৰ সৃষ্টি হৈছিল। গাৰো পাহাৰ অঞ্চলো পূর্বতে কোঁচ ৰাজ্যৰেই অর্ন্তভূক্ত আছিল আৰু বর্তমান গাৰো নামকৰণেৰে পৰিচিত ব্যক্তি সকলো বৃহৎ কোঁচ উপ-গোষ্ঠীৰ সৈতে সম্পর্কিত থকা বৃহৎ বড়ো গোষ্ঠীৰ অন্তর্ভূক্ত।

আচলতে গাৰো নামৰ কোনো উপগোষ্ঠী বা জাতি নাছিল। এওঁলোকৰ আদিম চিনাকি 'আচ্ছিক' হে। এই আচ্ছিক সকলৰ বহু শাখা-প্রশাখাৰ (জনামতে তিনিকুৰি চাৰিটা) ভিতৰৰেই 'গাৰা' কোঁচৰ আৰু 'ডুৰা' কোঁচৰ প্রাধান্যতাৰ বাবে গাৰোকোঁচৰ ৰাজ্য বাবেই গাৰো পাহাৰ আৰু ডুৰা কোঁচৰ কিল্লাৰ পৰাই 'ডুৰা' নগৰ। উচ্চাৰণৰ বিৱর্তনত 'ডুৰা' বর্তমান 'তুৰা'ত পৰিণত হৈ গাৰো পাহাৰ জিলাৰ সদৰ ঠাই তুৰা নগৰ। আচ্ছিক ওৰফে গাৰো লোকসকল আদিতে বৃহৎ বড়ো গোষ্ঠীৰ অর্ন্তভূক্ত কোঁচ-কছাৰীৰ সৈতে সকলো ক্ষেত্রতে একাকাৰ হৈ আছিল বাবেই গাৰো পাহাৰৰ বিভিন্ন অঞ্চলত শিৱ-পার্ব্বতী মনসা অর্থাৎ সর্পৰ পূজা, দেও-ভূত-প্রেত আদি নানান দেৱ-দেৱীৰ উপাসক আছিল। সেয়ে সমগ্র গাৰো পাহাৰৰ নানান ঠাইত সিঁচৰিতভাৱে প্রস্তৰ মূর্ত্তি, গুহা মন্দিৰ, শিৱ লিঙ্গ, শিলৰ প্রতিমূর্তি আদি পোৱা গৈছিল। অতি সম্প্রতিকে অধিকাংশ গাৰো লোকেই খৃষ্ট পন্থাত দীক্ষিত হৈছে; অতি অল্প সংখ্যকেহে 'সাংসাৰিক গাৰো' নাম গ্রহণ কৰি হিন্দুত্বৰ অৱশেষ ৰক্ষা

কৰি আছে। গোৱালপাৰা জিলাৰ প্ৰত্নতত্ত্ব যি বৈশিষ্ট, ইতিহাস আৰু আধ্যাত্মিক আধাৰ গাৰো পাহাৰ জিলাৰো প্ৰত্নতত্ত্বৰ ক্ষেত্ৰত একেই। ইং ১৮৬৯ চনৰ পৰাহে প্ৰশাসনিক আৰু ৰাজনৈতিক দিশত গাৰো পাহাৰ এলেকা গোৱালপাৰা জিলাৰ পৰা আনুষ্ঠানিকভাৱে পৃথক হৈছিল, যদিও গোৱালপাৰা জিলাৰ অৱশিষ্টাংশক পুনৰায় নৱসৃষ্ট কোচবিহাৰ কমিচনাৰ এলেকাৰ সৈতে সাঙুৰি দিয়া হৈছিল। গোৱালপাৰা জিলাৰ প্ৰধান অধিবাসী আৰু কোচবিহাৰ জিলাৰ মুখ্য অধিবাসীসকল একেই কোঁচ জনগোষ্ঠীৰ আছিল যদিও ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰশাসনত ৰাজনৈতিকভাৱেও পুনৰ মিলন হোৱাৰ সুযোগ ওলাইছিল। ইয়াৰ ফলত গোৱালপাৰা জিলা বাসীৰ ভাষা-কলা-কৃষ্টিৰ পূৰ্বৰ ৰংপুৰ আৰু কোচবিহাৰৰ সৈতে মিলিত হৈ পূৰ্বৰে পৰা প্ৰচলিত কামতালি ওৰফে 'ৰাজবংশী ভাষা'ৰ (গ্ৰীয়াৰ্চন চাহাব) সুকীয়া বৈশিষ্ট বাহাল থাকিল। ইং ১৮৭৪ চনতকোম্পানী ওৰফে বৃটিছ চৰকাৰৰ দ্বাৰা অসম বা আসাম প্ৰদেশৰ প্ৰথম আনুষ্ঠানিক সৃষ্টি। কোম্পানীয়ে ১৮২৬ চনত আহোম ৰাজ্যৰ দখলীস্বত্ব লাভ কৰিছিল (ইয়াণ্ডাবু সন্ধি) যদিও পৃথক আসাম প্ৰদেশ গঠনৰ বাবে দুকুৰি আঠ বছৰ সময় লাগিছিল। অসম প্ৰদেশ সৃষ্টিৰ পিছত খৃষ্ট ধৰ্মৰ প্ৰচাৰক 'মিচনাৰী ফাদাৰ' সকলৰ প্ৰচেষ্টাত যোৰহাট কেন্দ্ৰীক উজনি অসমৰ ভাষাৰ আৰ্হিত আনুষ্ঠানিক ভাৱে যিটো ভাষাক পৰিপুষ্ট কৰিছিল সেই ভাষাটোৱেই 'অসমীয়া ভাষা' ৰূপে লোকসমাজত স্বীকৃতি প্ৰাপ্ত হৈছিল। এই নৱসৃষ্ট অসমীয়া ভাষাৰ তুলনাত পশ্চিমৰ ৰাজবংশী ভাষাটোক উপৰুৱাভাৱে গোৱালপৰীয়া ভাষা আৰু মানুহবোৰকো 'গোৱালপৰীয়া বঙাল' ৰূপে বুজিছিল। আনহাতে পৰৱৰ্তী বংগদেশৰ লোকসকলেও 'ৰাজবংশী ভাষা'টোক বঙালীৰ উপভ্ৰংশ ভাষাৰূপে উপৰুৱা অভিমত প্ৰচাৰ কৰিছিল। প্ৰকৃতাৰ্থত ৰাজবংশী ভাষা ওৰফে কামতালি ভাষাই আছিল আধুনিক অসমীয়া আৰু বঙালী ভাষাৰ গুৰি ধৰোঁতা। কাৰণ যি সময়ত কামতালি ভাষাত অতি উন্নত মানৰ পদ্য আৰু গদ্য সাহিত্যৰ সৃষ্টি হৈছিল (শঙ্কৰী ওৰফে নৱ-বৈষ্ণৱ সাহিত্য ৰাজি) তাৰ বহু পিছতহে বঙ্গদেশ আৰু অসম প্ৰদেশৰ সৃষ্টি হৈছিল; ইতিহাস ইয়াৰ সাক্ষী। ভট্টদেৱৰ কথা ভাগৱত আৰু গুৰুজনাৰ লিখনি সমূহত কামতালি ওৰফে ৰাজবংশী ভাষাৰ প্ৰাচুৰ্যতা নিৰীক্ষণ কৰিলেই এই কথা প্ৰমানিত হয়। ইং ১৮৭৪ চনত অসম প্ৰদেশৰ সৃষ্টি হোৱাৰ লগে লগেই ইং ১৮২২ চনতে সৃষ্টি হোৱা গোৱালপাৰা জিলাখনিক আনুষ্ঠানিকভাৱে অসম প্ৰদেশৰ সৈতে সাঙুৰি দিয়া হৈছিল আৰু তেতিয়াৰে পৰাই গোৱালপাৰা জিলাবাসী সুখে দুখে আজিও অসমীয়া হৈয়েই আছে। ইতিহাস আৰু ভূগোলৰ জ্ঞান নথকা বহুতেই আজিও 'গোৱালপাৰীয়া বঙাল' কবলৈ আৰু সেই দৃষ্টিত ব্যৱহাৰ কৰিবলৈ পৰিত্যাগ নকৰাটো কিছু বেদনাদায়ক যদিও অজ্ঞতাজনিত কাৰণত পুতৌৰ পাত্ৰহে। এইখনি গোৱালপাৰা জিলাই পৰৱৰ্ত্তী কালত চাৰিখন জিলাত বিভক্ত হয়। সেইবোৰ ক্ৰমান্বয়ে গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ আৰু বঙাইগাঁৱ জিলা। গতিকে গোৱালপাৰা জিলাৰ প্ৰত্নতাত্ত্বিক পটভূমিৰ বিষয়ে বৰ্ণনা দিওতে অবিভক্ত বা প্ৰাক্তন গোৱালপাৰা জিলাখনকে এই প্ৰৱন্ধত সাঙুৰা হ'ল বা ধৰি লোৱা উচিত।

ঐতিহাসিক পটভূমি ঃ

ওপৰৰ প্ৰস্তাৱনাত যিবোৰ কথা কোৱা হ'ল, তাৰ্যপাতি দিয়া হ'ল সেইবোৰ হৈছে আধুনিক যুগৰ কথা, বৃটিছ চৰকাৰ আৰু স্বাধীন ভাৰতৰ কথা। প্ৰত্নতাত্ত্বিক যুগৰ কথা নহয়। আচলতে গোৱালপাৰা জিলাখনিয়েই হৈছে আধুনিক যুগৰ সৃষ্টি। গতিকে সুদূৰ অতীতৰ কথাহে প্ৰত্নতত্ত্বৰ সৈতে জড়িত। সংশ্লিষ্ট অঞ্চলত যিবোৰ স্থাপত্য, ভাস্কৰ্য, মন্দিৰ, শিলৰ মূৰ্তি, শিৱলিংগ, ভগ্নস্তুপ আদি আজিও সংৰক্ষিত বা অনাদৃতভাৱে অৱশিষ্ট আছে সেইবোৰৰ কথাই হৈছে প্ৰত্নতত্ত্বৰ নিদৰ্শন। সেইবোৰ মূলতে আছিল ৰজা মহাৰজাৰ সদিচ্ছা আৰু পৃষ্ঠপোষকতাৰ নিদৰ্শনহে। সামন্ত শক্তি ৰজা, মহাৰজাবোৰ যি যি মতবাদৰ (ধৰ্ম্ম ?) অনুগামী আছিল, সেই মতবাদৰ প্ৰচাৰৰ অৰ্থে ৰাজকোষৰ সাহায্যত তৎকালৰ শিল্পী, স্থপতিবিদখনিকৰ আদিৰ দ্বাৰাই সহজতে নষ্ট নোহোৱা ঠাইত আৰু সামগ্ৰীৰ দ্বাৰাই অৰ্থাৎ পৰ্বতৰ গুহা থকা জীয়া পাথৰৰ সহায়ত খোদিত কৰোৱা হৈছিল। দূৰন্ত কালৰ কোবাল আঘাতত, ৰাষ্ট্ৰ বিপ্লৱৰ ফলত, শত্ৰুৰ আক্ৰমণত, ভূমিকম্পত, উত্তৰ পূৰ্বাঞ্চলৰ ক্ষতিকাৰক সেমেকা জলবায়ুৰ প্ৰভাৱত আৰু অৰ্থলোভী পুৰোহিত, দুষ্কৃতিপৰায়ণ লুণ্ঠনকাৰীসকলৰ অত্যাচাৰত একালৰ সুদৃশ্য, সুৰম্য মূৰ্তি, মন্দিৰ, ভাস্কৰ্য আদিবোৰ ভাঙি ছিণ্ডি পৰিত্যক্ত অৱস্থাত আজি প্ৰত্নতাত্ত্বিক সামগ্ৰী হৈছে। এয়েই হৈছে কালৰ কুটিলা গতি। পাহৰণিৰ অতল গৰ্ভত নিমজ্জিত অৱজ্ঞতা, অনাদৃত হৈ থকা একালৰ এই অতি আদৰণীয় কীৰ্তি সমূহক কেন্দ্ৰ কৰি বহু ভিন্ন ভিন্ন মতবাদ, উপাখ্যান আজি মুখ বাগৰি বাগৰি প্ৰকৃত সাহখিনি নানান প্ৰলেপযুক্ত বাকলিৰে আবৃত হৈছে। ইয়াৰ ফলত আজিৰ নানান ৰঙৰ চশমা পৰিহিত দৰ্শকে অন্ধৰ হস্তী দৰ্শনৰ

অৱস্থাত নিপতিত হৈছে। সেয়ে কিছু ইতিহাসৰ আলম, কিছু জনশ্রুতি, কিছু আনুমানিক সিদ্ধান্তৰ ওপৰতে খোপনি লৈ একালৰ ৰত্নপীঠ, পৰৱৰ্তী কালৰ কামতা ৰাজ্যৰ অংশ আৰু আধুনিক যুগৰ গোৱালপাৰা জিলাৰ অন্তৰ্গত প্ৰত্নতত্ত্বৰ ওপৰত বিহঙ্গম দৃষ্টিপাত কৰাৰ প্ৰয়াস কৰা হ'ল। প্ৰৱন্ধ এটাৰ পৰিসৰতা ইয়াতকৈ বেছি সম্ভৱ নহয়। এই পটভূমিকে আলম লৈ অনুসন্ধিৎসু কোনোবা গৱেষকে বৈজ্ঞানিক গৱেষনা কৰাৰ বাবে পথ নির্দেশ পাব নিশ্চয়। এয়েই প্ৰত্যাশা।

জিলাৰ প্ৰত্নতাত্ত্বিক নির্দ্দেশনা ঃ

গোৱালপাৰা জিলাৰ অতীতৰ বিৱৰণী বিভিন্ন প্ৰকাশিত গ্ৰন্থ আৰু প্ৰকাশিত প্ৰৱন্ধত বিস্তৃতভাৱে দিয়া আছেই। গতিকে চর্ব্বিত-চর্ব্বনং নকৰি জিলাৰ প্ৰত্নতত্ত্বৰ ওপৰত থোৰতে তালিকা সদৃশ আলোকপাতহে কৰা হ'ল। লক্ষ্য কৰিবলগীয়া কথা যে প্ৰাচীন কালৰ পৰা মধ্যযুগৰ শেষ পৰ্যন্ত যিবোৰ ভাস্কৰ্য, স্থাপত্য, মূৰ্তি, ভগ্নস্তুপ আদি নির্মিত হৈছিল সেইবোৰৰ অৱস্থান আছিল দুৰ্গম পাহাৰ কেন্দ্রিক। ইয়াৰ কাৰণ জ্ঞানপিপাসু পাঠকৰ ওপৰতে ন্যস্ত কৰা হ'ল। দ্বিতীয়তে প্ৰায়বোৰৰ কেন্দ্ৰবিন্দু আছিল শিৱ ওৰফে শঙ্কৰ ওৰফে মহাদেৱৰ প্ৰতিমূৰ্তি বা তেওঁৰ প্ৰতীক শিৱলিঙ্গ। লগতে তেওঁৰ পৰিয়ালৰ সদস্য-সদস্যা সকলোকে বহুক্ষেত্ৰত একেলগে দেখা যায়। পৰ্ব্বতীয়া অঞ্চলৰ জীয়ৰী পাৰ্বতী - যাৰ বহু ৰূপ আৰু ৰূপ অনুসৰি কার্যাৱলী; কেতিয়াবা দয়াশীল, অভয়া, মাতৃ, কেতিয়াবা অতি ভীষণা দর্শনা ৰূদ্রমূর্তি ধাৰিণী কালী বা চণ্ডী। কেতিয়াবা আকৌ প্ৰতীকৰূপী যোনী। এইদৰে শিৱলিঙ্গ, যোনী, পদুম ফুল, কার্তিক, গণেশ, বিষহৰি ওৰফে মনসা, সর্প, ষাড় গৰু, হাতী ইত্যাদিৰ নানান আকৃতিৰ প্ৰতিমূর্তি কেঁচা শিলত খোদিত। ইয়াৰ উপৰিও সৃষ্টি ওৰফে বিকাশৰ উৎসব্রহ্মা, বিষ্ণু, সূর্য, বৰুণ, লক্ষ্মী, সৰস্বতী আদিবো প্ৰতিমূর্তি কৰবাত একেলগে কৰবাত সিঁচৰতি হৈ যত্র তত্র দেখা যায়। সাতালি অর্থাৎ সাত তালা থকা বা শাৰী শাৰীকৈ ওখ চাপৰ সাতখন পাহাৰৰ সমষ্টি সাততালা বা সাতালি পর্ব্বতমালাক যাক সচৰাচৰ শ্রীসূর্য পাহাৰ নামেৰে বহুল প্ৰচাৰিত সেই পাহাৰত অন্যান্য প্ৰতিমূর্তিৰ উপৰিও তথাগত গৌতম বুদ্ধৰ ধ্যানস্থ বিভিন্ন প্ৰতিমূর্ত্তি আৰু লোক প্ৰবাদ মতে এটা কম এক লক্ষ্য শিৱ লিঙ্গ আছিল বুলি প্ৰচাৰিত। এইবোৰ আচলতে জনশ্রুতিহে, অটব্য হাবি আৰু বিস্তৃতপাহাৰৰ বিভিন্ন ওখ-চাপৰ অংশত অনুসন্ধান কৰি কোনেও এটা এটাকৈ হিচাপ কৰা নাছিল। সেইদৰে মহাদেৱ ওৰফে ভৈৰৱ চুড়া অর্থাৎ ভৈৰৱ পাহ শিখৰত, ভূমিশ্বৰ পাহাৰৰ শিখৰত ৰাজা ঠাকুৰৰ (মহাদেৱ) ৰাজধানীত নানান প্ৰকাৰৰ জীৱ-জন্তু আৰু ঘৰুৱা প্ৰয়োজনীয় সামগ্ৰীৰ প্ৰতীক মূর্তি, (কেঁচা শিলৰ ওপৰত খোদিত হোৱা) দেৱ-দেৱীৰ প্ৰতিমূর্তি আজিও যত্র তত্র সিঁচৰিত হৈ আছে - যিবোৰক কেন্দ্র কৰি নানান উপকথা প্ৰচলিত হৈ আছে । এইবোৰৰ পৰা ধাৰণা হয় ভিন ভিন সময়ত ভিন্ন ভিন্ন পন্থী ৰজা বা ৰাজশক্তিয়ে পূর্বৰ একেবোৰ ঠাইতেই সংযোজন কৰি বা নৱ-নির্মাণ কৰি প্ৰজা সাধাৰণক আকর্ষণ কৰি ৰখাৰ চেষ্টা কৰিছিল - সদিচ্ছাৰেই হওক বা ৰাজনৈতিকভাৱে উদ্দেশ্য প্ৰণোদিতভাবেই হওক। কালৰ কুটিলা গতিত আজি সেইবোৰ পৰিত্যক্ত আৰু ভগ্নস্তুপত পৰিণত হৈ প্ৰত্নতত্ত্ত পৰিণত। সীমিত সংখ্যক বুদ্ধিজীৱি আৰু ৰাজশক্তিয়ে দুর্বল চিত্তৰ মানুহবোৰক ভয়ত ভক্তি ভজাবলৈ নানান ধৰণৰ উপকথাৰ সৃষ্টি কৰিছে এই প্ৰত্নতাত্ত্বিক সামগ্ৰীবোৰক কেন্দ্র কৰি। ইয়াৰ দ্বাৰা অন্ততঃ দুটা লাভ হৈছে - কেতবোৰ পূজাৰীৰ পেটৰ ভাত যোগাৰ হৈছে আৰু দেও-দেৱতাৰ ভয় দেখুওৱা ভক্তি ভাবৰ সঞ্চাৰ কৰি বিচ্ছিন্ন মানুহবোৰক একত্রিত কৰিছে অর্থাৎ লোক সংগ্রহ হৈছে। বিকল্প বা কদর্থত সর্বসাধাৰণক বুদ্ধিজীৱিসকলে শোষণ বা শাসনৰ ছদ্মবেশী ব্যৱস্থা প্ৰয়োগ কৰিছে। সেয়ে শোষণ আৰু শাসনৰ বিৰুদ্ধে সময়ে সময়ে সংঘাতৰ সৃষ্টি হৈছে। এই সংঘর্ষ বা সংঘাতৰ ফলত শিল্পীৰ সৃষ্টিকর্মবোৰ আক্রান্ত আৰু ধ্বংসও হৈছে, সংগৃহীত সা-সম্পত্তিবোৰ লুট-পাত হৈছে আৰু পৰিত্যক্ত হৈছে। সংঘাতৰ পৰৱৰ্তী ধাপ সমন্বয়ৰ ফলত নতুন নতুন শিল্পকর্মবোৰ সংযোজন হৈছে। উদাহৰণস্বৰূপে শ্রীসূর্য বা সাতালি পাহাৰত পৃথিৱীৰ শ্রেষ্ঠ বিপ্লৱী তথাগত গৌতম বুদ্ধৰ ধ্যানস্থ মূর্তি, স্তুপ, গুম্ফা আদি ঐতিহাসিক নির্ম্মাণ কার্যবোৰ সংযোজিত হৈছে যদিও সেইবোৰ সৃষ্টিও আজি প্ৰত্নতত্ত্বৰ অন্তর্গত। এনে উদাহৰণ বহুত আছে আৰু সেইবোৰৰ সময় নির্ণয় কৰিব লগা হ'লে প্রাচীন কামৰূপ ৰাজ্য মধ্যযুগৰ কামতা ৰাজ্যৰ দীর্ঘ ইতিহাস, ধর্ম প্রচাৰক আৰু ৰাজন্যবর্গৰ কাহিনী সদৃশ ঘটনাৱলীৰ বর্ণনাৰ প্রয়োজন; যিটো সম্ভৱ নহয় প্ৰৱন্ধ এটাত। উক্ত অঞ্চলৰ দানব-অসুৰ-কিৰাত-ম্লেচ্ছ-কু বাচসকলৰ দীর্ঘ ইতিহাসেই হৈছে পৰৱৰ্তী কালৰ গোৱালপাৰা জিলাৰ প্ৰত্নতত্ত্বৰ ইতিহাস। কামৰূপ নগৰ কোনখন বা কামৰূপ নামৰ সৈতে জড়িত কামাখ্যা পীঠ এই ভূখণ্ডত কিমানখন আছিল আজিও বৈজ্ঞানিক গৱেষণা নোহোৱাত এতৎ অঞ্চলৰ পূৰাতত্ত্বৰ ছবিখনিও অস্পষ্ট হৈ থাকিব। বর্তমান অসমৰ পাঠ্যক্রমত ভূগোল-বুৰঞ্জী

বাধ্যতামূলক নোহোৱাৰ বাবে মৃত অতীতৰ বাবে কাৰো মূৰ নষ্ট কৰাৰ প্ৰয়োজন নোহোৱা হৈছে বিশেষকৈ প্ৰশাসনৰ জীৱন্ত প্ৰতীক গণতান্ত্ৰিক পঞ্চম বাৰ্ষিকী ৰাজনৈতিক নেতাসকলৰ ৰাজত্বকালত। একবিংশ শতিকাৰ দুৱাৰ মুখত পদক্ষেপ কৰা আজিৰ ইণ্টাৰনেট-কম্পিউটাৰ-মোবাইল দূৰভাষ কালতো শতকৰা ৯৯ শতাংশই প্ৰাচীন কালৰ সুকঠিন আৰু সুদৃশ্য প্ৰত্নতাত্ত্বিক নিদৰ্শনবোৰৰ বিশ্বকৰ্মা নামৰ এক কাল্পনিক দেৱ-মিস্ত্ৰীৰ দ্বাৰাহে অলৌকিক শক্তিৰে নিৰ্মিত হৈছিল বুলি দ্বিধাহীনভাৱে মানি লয়। এনে ধাৰণা যে মাৰাত্মক ভ্ৰান্ত তাক এবাৰো ভাবি নাচায়। আচলতে অতীতৰ নিৰ্মাণ কাৰ্যবোৰতো অতি সুদক্ষ এক শ্ৰেণীৰ পাৰ্গত মিস্ত্ৰী নিয়োজিত হৈছিল আৰু সেই মিস্ত্ৰীসকলৰ মুৰব্বী জনাই 'বিশ্বকৰ্মা' উপাধি প্ৰাপ্ত হৈছিল। ঠিক সেইদৰে আধ্যাত্মিক আৰু জ্ঞানৰ ক্ষেত্ৰতো 'বশিষ্ঠ' এটা পদবীহে; ই কোনো এজন ব্যক্তি নহয় যদিও ভগবান শ্ৰীৰামচন্দ্ৰৰ ৰাজত্বকালত বশিষ্ঠ নামৰ এজন মন্ত্ৰীও আছিল। পৰৱৰ্ত্তী কালতো বহু বশিষ্ঠৰ উল্লেখ পোৱা যায়। বৰ্তমানৰ কোকৰাঝাৰ জিলাৰ প্ৰাচীন অধিবাসী কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ অন্তৰ্গত কেতবোৰ পৰিয়ালে আজিও 'বশিষ্ঠ' উপাধি লিখে। সেয়ে সুপ্ৰমানিত হয় বা বশিষ্ঠ এটা উপাধিহে যেনে বিশ্ববিদ্যালয়ৰ 'উপাচাৰ্য' বা 'আচাৰ্য' এটা উপাধিহে - ইছাৰ ঁ আশুতোষ মুখাৰ্জী, বা ঁ কৃষ্ণকান্ত সন্দিকৈ বা যিকোনো ব্যক্তিয়েই উপাচাৰ্য হ'ব পাৰে। এই পৃথিৱীত দেৱতা বোলা কোনো কাল্পনিক শক্তি নাই। আচলতে মানুহেই দেৱতা। জ্ঞানৰ আলোকত আলোকিত হোৱা, দিব্য ভাৱত ভাবিত হোৱা দীপ্তিমান ব্যক্তি সকলেই দেৱতা বা দেৱী। সংস্কৃত ভাষাৰ দিব-ধাতুৰ পৰা দেৱতা শব্দৰ সৃষ্টি। গতিকে দেৱতা মহাশূণ্যৰ কোনো অশৰীৰি অলৌকিক শক্তি নহয়। প্ৰকৃতাৰ্থত মানুহেই দেৱতা। সেইদৰে অসুৰ (অসু অৰ্থাৎ শক্তি আছে যাৰ তেওঁৰেই অসুৰ)। মানুহেই অসুৰ। জ্ঞান আৰু শক্তিৰ সহযোগতহে সমুদ্ৰ মন্থন সম্ভৱ; এই সমুদ্ৰ পানীৰ সমুদ্ৰ নহয় - ভৱ সমুদ্ৰহেঅৰ্থাৎ হোৱাৰ সমুদ্ৰহে। সেয়ে দেৱাসুৰৰ সমুদ্ৰমন্থন। এই সমুদ্ৰমন্থনৰ (ন-মৃত) উদ্ভাৱন। প্ৰকৃত জ্ঞানৰ অধিকাৰী হ'ব লাগিলে সমুদ্ৰ মন্থন কৰিহে অমৃত আহৰণ কৰিব লাগিব। এজন মানুহৰ বিভিন্ন ইন্দ্ৰিয়সমূহৰ ৰজা অৰ্থাৎ দেৱৰাজ ইন্দ্ৰ। এইদৰেই শব্দৰ তাৎপৰ্যবোৰ উপলব্ধি কৰিব পাৰিলেই আমাৰ মনত ইমান দিনে পুঞ্জীভুত হৈ থকা বিশ্বকৰ্মাৰ ধাৰণাটোও পৰিষ্কাৰ হ'ব। যিবোৰ অসাধাৰণ, দুৰূহ কিন্তু আকৰ্ষণীয় নিৰ্মাণ কাৰ্য সচৰাচৰ সেইবোৰকেই বিশ্বকৰ্মাৰ সৃষ্টি বুলি ধৰা হয়। গতিকে অতীতৰ প্ৰত্নতাত্ত্বিক নিদৰ্শণবোৰো আচলতে মানৱ-শিল্পীৰ দ্বাৰাই সৃষ্ট।

প্ৰত্নতত্ত্বৰ তালিকা ঃ

গোৱালপাৰা জিলাৰ প্ৰত্নতাত্ত্বিক তালিকাবোৰক আধ্যাত্মিক চিন্তা-চৰ্চাৰে বিচাৰ কৰিলে কেবাটাও ভাগত ভগাব পাৰি। বৃহৎ সংহিতামতে বনে-উপবনে, নদ-নদীয়ে নিজৰা, পৰ্বত কন্দৰে, শৈল শিখৰে, নগৰে উদ্যানে দেৱতাসকলে সদা বিৰাজ কৰে -

"ৱনো প্ৰান্ত নদী শৈল নিঝৰো প্ৰান্তভূমিষু।
ৱমন্তে দেৱতা নিত্যং পুৰেযুদ্যানৱৎ সু চ ।।"

প্ৰকৃতাৰ্থত দীপ্তমান পুৰুষ আৰু নাৰীবোৰেই দেৱতা আৰু দেৱী। এই জিলাতো আদিতে শৈৱ পন্থাই ভক্তৰ কোমল হৃদয় অধিকাৰ কৰিছিল। ইয়াৰ পিছতেই মাতৃ পূজাৰ প্ৰতীক শাক্ত পন্থাই স্থান পাইছিল। ক্ৰমান্বয়ে বৌদ্ধ, বৈষ্ণৱ, শিখ, ইছলাম আৰু খৃষ্টীয়ান পন্থাৰ অমৃত ৰবষা বাণীয়ে গোৱালপাৰা জিলাবাসীৰ কোমল হৃদয়ত স্থান পাই ছিল। সেয়ে স্বাভাৱিকতে শৈৱ পন্থাক, নন্দেশ্বৰ, ভৈৰৱচূড়া, মহাদেৱ পাহাৰ, ভূমিশ্বৰ, চ ৰাবিডিঙা, গৰম পানীৰ শিৱাশ্ৰম (বৰ্ত্তমান ভূটানৰ প্ৰান্ত দেশত) নামান নামত আৰু ভিন্ন ভিন্ন কিম্বদন্তিৰ আঁৱালত নিৰ্মিত নিদৰ্শণ আজিও যত্ৰ তত্ৰ বিৰাজিত। প্ৰাক্তন গোৱালপাৰা জিলাত আজিও যিবোৰ প্ৰত্নতত্ত্বৰ নিদৰ্শন বৰ্তি আছে সিবোৰৰ সঠিক বিৱৰণ আৰু বিশ্লেষণ কৰিবলৈ গ'লে এখনি পূৰ্ণাঙ্গ গ্ৰন্থৰ আকাৰ লব। কাৰণ এইবোৰৰ অন্তৰালত তৎকালীন, ধৰ্মীয়, সাংস্কৃতিক আৰু ঐতিহাসিক পটভূমি আৰু ঘাত-প্ৰতিঘাতৰ বুৰঞ্জীৰ স'তে জড়িত। গতিকে ইয়াত কেৱল উল্লেখহে কৰা হ'ল। (ক) শৈৱ পন্থাক কেন্দ্ৰ কৰি নিৰ্মিত হোৱা শিৱ লিঙ্গ,শিৱৰ মূৰ্ত্তিয়েই অন্যতম। শিৱ ওৱফে শঙ্কৰ ওৱফে মহাদেৱ সমগ্ৰ এচিয়া মহাদেশত বিশেষকৈ প্ৰাচীন ভাৰতবৰ্ষৰ অন্তৰ্গত কামৰূপ ৰাজ্যৰ অন্যতম অংশীদাৰ ৰত্নপীঠ ওৱফে গোৱালপাৰা জিলাতো যত্ৰ তত্ৰ বিৰাজমান। শিৱৰ আন এটি নাম দেৱাদিদেৱ মহাদেৱ - যদিও তেওঁৰ পিতৃ - মাতৃৰ পৰিচয় আজিলৈকে পোৱা হোৱা নাই। সেয়ে তেওঁক 'স্বয়ম্ভূ' বোলা হয়। স্বয়ম্ভূ শব্দৰ প্ৰকৃত অৰ্থ হৈছে আপোন প্ৰচেষ্টাত লোক সমাজত সু-প্ৰতিস্থিত হোৱা অৰ্থাৎ .... মহাদেৱৰ নিশ্চয় পিতৃ-মাতৃ আছিল; প্ৰাচীনতাৰ বাবে মানুহে পাহৰি গৈছে দূৰন্ত কালৰ বিৱৰ্তনত। সকলো দিশতে পাৰ্গত আৰু আদৰ্শ পুৰুষৰূপে পূজিত হোৱাত তেওঁৰ স্মৰণত বিভিন্ন ৰাজতন্ত্ৰ আৰু অনুগামী ভক্তসকলে বিভিন্ন ঠাইত বিশেষকৈ পাহাৰে-পৰ্বতে গুহায়, গ্ৰামে গঞ্জে শিৱৰ মূৰ্ত্তি, শিৱৰ থান, শিৱলিঙ্গ প্ৰতিষ্ঠা কৰিছিল। উদাহৰণ স্বৰূপে প্ৰাক্তন গোৱালপাৰা জিলাৰ মাজেদি প্ৰবাহিত ব্ৰহ্মপুত্ৰ নদৰ

উত্তৰ-দক্ষিণ পাৰে শ্ৰীসূৰ্য পাহাৰত লোক প্ৰবাদ মতে এটা কম এক লক্ষ শিৱলিঙ্গৰ সমাৱেশ, নন্দেশ্বৰ পাহাৰত নন্দেশ্বৰ দেৱালয়, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা দুধনাথ দেৱালয়, চান্দৰ ডিঙাত যোগীঘোপাৰ পাহাৰত বিখ্যাত শিৱ মন্দিৰ, উঃ শালমাৰাৰ মহাদেৱ পাহাৰ, আজিও বিদ্যমান। লোকশ্ৰুতি মতে বিলাসীপাৰৰ দুধনাথ পাহাৰত থকা শিৱাশ্ৰমত মহৰ্ষি পালকাপ্যৰ আশ্ৰম আছিল আৰু এই আশ্ৰমতেই বিখ্যাত গ্ৰন্থ 'হস্তায়ুৰ্বেদ' ৰচিত হৈছিল। শিৱক গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত 'পাগলা বাবা'ও বোলা হয়; এইবোৰৰ ভিতৰত পঞ্চৰত্ন, পাগলাটেক, লক্ষীগঞ্জ, গোপীগাওঁ, কোকৰাঝাৰ, বঙাইগাওঁ প্ৰমুখ্যে বহু ঠাইত শিৱৰ নামত পাগলা বাবাৰ থান বিৰাজমান। (খ) শাক্ত মতবাদৰ প্ৰাচীন ঐতিহ্যপূৰ্ণ নিদৰ্শনবোৰৰ ভিতৰত কৃষ্ণাইৰ নাতিদূৰত টুকুৰা পাহাৰত টুক্ৰেশ্বৰী দেৱালয়। প্ৰৱাদ আছে যে 'দক্ষৰাজৰ জীয়ৰী পৰমা সুন্দৰী, ধৰিয়া আনা বিয়াও দিব সদাশিৱৰ কাষে' অৰ্থাৎ শিৱ ঘৰীনি সতীৰ গলিত দেহৰ এটা টুকুৰ ইয়াতে পৰিছিল বাবে টুকুৰাত টুক্ৰেশ্বৰী দেৱালয় আৰু তৎসংলগ্ন প্ৰস্তৰ নিৰ্মাণ কাৰ্যবোৰ যিবোৰে আজিও গৱেষণাৰ বিষয় বস্তু হৈ আছে। সেইদৰে বগৰীবাৰীত মহামায়া থান ভক্তবৃন্দৰ কেন্দ্ৰবিন্দু হৈ আছে। বঙাইগাওঁত বাগেশ্বৰী ওৱফে বাঘেশ্বৰী দেৱীৰ থান; সপ্তগ্ৰাম ওৱফে সাপটগ্ৰামৰ কাষত আই শাখাতিৰ থান, জিলাৰ বিভিন্ন অঞ্চলত বিস্তৃত হৈ থকা শ্ৰী শ্ৰী কালী গোঁসানীৰ থান, শ্ৰীসূৰ্যত দশভূজা, দুৰ্গামূৰ্তি, নেতাই ধুবুনীৰ কাপোৰ ধোৱা পাট ধুবুৰীত প্ৰমুখ্যে বিভিন্ন থানে জিলাৰ ভক্তসকলক আকৰ্ষণ কৰি আছে। (গ) শৈৱ-শাক্ত মতৰ উপৰিও অভয়াপুৰীৰ কাষত থকা লালমাটিত একদন্ত গণেশ মন্দিৰৰ ভগ্নস্তুপৰাশি, গোৱালপাৰা নগৰীত থকা নৰসিংহবাৰী, জিলাৰ বিভিন্ন ঠাইত থকা ৰঘুনাথ, জগন্নাথদেৱৰ থান, ৰাক্ষসিনী পাহাৰৰ মামা ভাগিন শিল, দুধ কোঁৱৰৰ থান (ধূপধৰাত), ৰংজুলিৰ শ্ৰীৰামচন্দ্ৰৰ থান প্ৰমুখ্যে বহুকথাই গৱেষকৰ অপেক্ষাত আছে। মধ্যযুগৰ কোঁচ ৰজা সকলৰ শক্তি সঞ্চ কেন্দ্ৰ স্বৰূপ চিক্নাঝাৰত ভগ্নস্তুপ, অম্বৰাধিপতি মানসিঙৰ নাতি ৰামসিঙৰ দ্বাৰা নিৰ্মিত অভয়াপুৰীৰ কাষত থকা ৰাম ৰজাৰ গড়, শিখৰ নৱম গুৰু গোবিন্দ সিঙৰ উপস্থিতিত নিৰ্মিত হোৱা ধুবুৰী শিখতোলা ওৱফে শিখ গুৰুদ্বাৰ, খাটুলিৰ ঘাট (ধুবুৰী), গৌৰীপুৰৰ মাটিয়া-ৰগাপাহাৰৰ ওপৰত ৰজা পৰীক্ষিতৰ গড়, গদাধৰ নদীৰ পাৰত ৰজা ৰঘুদেৱ নাৰায়ণৰ ৰাজধানী ওৱফে, 'আঠাৰোকোটা' অৰ্থাৎ ওঠৰটা কোঠাযুক্ত অট্টালিকাৰ ভগ্নস্তুপ যাক 'বিজয় নগৰ' বোলা হয়। ভূটীয়াৰ আক্ৰমণক বাধা দিয়াৰ বাবে, মহাৰাজ বিশ্বসিংহই নিৰ্মাণ কৰা দুৰ্গ 'বিষেণ সিং কিল্লা' (বিশ্বসিংহৰ দুৰ্গ), ঢাকানাবাৰীৰ 'ধ্বজ দৌল', ডেগধোৱা পাহাৰৰ দৰগাহ, ডাকাইদলৰ দৰগাহ, ধুবুৰীৰ পাছপীৰৰ দৰগাহ, গোৱালপাৰা নগৰৰ খোৰছানী পীৰৰ মাজাৰ, ৰঙামাটিৰ (গৌৰীপুৰৰ কাষত) মছজিদ, মহাপুৰুষ শ্ৰী শঙ্কৰদেৱৰ ভাগৰতী তনুৰ পৰশ প্ৰাপ্ত সত্ৰশাল, শঙ্কৰঘোলা, বিষ্ণুপুৰ আৰু ঘৰসীয়াৰ সত্ৰ, মহাপুৰুষ মাধৱদেৱৰ স্মৃতি বিজড়িত মৌজাবাৰী গাওঁৰ কাষত ত্ৰিবেনীৰ ঘাট, লুঙাই পাহাৰত, কালিয়াপাটকে আদি কৰি জিলাৰ বহু ঠাইত থকা স্মৃতিচিহ্নবোৰ আজি পাহ�ৰণিৰ প্ৰলেপত পৰি হেৰাই যোৱাৰ উপক্ৰম। ইয়াত কেৱল নমুনা স্বৰূপ আভাসহে দিয়া হ'ল যাতে পৰৱৰ্তী গৱেষকসকলে আঁত ধৰি আগুৱাব পাৰে। এই কেঁচা সোণৰ টুকুৰবোৰক সাধকৰ প্ৰচেষ্টাৰে উদ্ধাৰ আৰু সংস্কাৰ কৰিলে সোণত সুৰগা চৰিব সুযোগ্য গৱেষকৰ লিখনি আৰু তেতিয়াহে প্ৰাচীন কামৰূপৰ ঐতিহ্যমণ্ডিত অংশীদাৰ গোৱালপাৰা জিলাৰ (প্ৰাক্তন) অনাদৃত ৰত্নৰোৰ সকলোৰেই বাবে ৰত্নহাৰত পৰিণত হ'ব; অন্যথায় আফচোচ্ কৰাৰ বাহিৰে একো নাথাকিব -

"সোণৰ বৰণ পঙ্খী আমাৰ
হেঙ্গুল বৰণ আঁখী,
দেশেৰ পঙ্খী বিদেশ গেইলু
মোকে দিয়া ফাঁকি ৰে।" ■

(প্ৰৱন্ধকাৰৰ উপৰোক্ত প্ৰৱন্ধটি পুনৰ মুদ্ৰণ কৰা হ'ল।)

গোৱালপাৰীয়া লোক-সংস্কৃতি

- এটি আভাস

খৰ্গেশ্বৰ নায়ক
প্ৰৱক্তা

আৰম্ভনি ঃ অসমৰ পশ্চিম প্ৰান্তৰ গোৱালপাৰা জিলাৰ লোক-সংস্কৃতি বৰ্ণাঢ্য আৰু স্বমহিমাৰে ঐতিহ্যপূৰ্ণ। সময়ৰ গতিময়তাত, বিভিন্ন কাৰণত বিভিন্ন ঠাইৰ, বিভিন্ন জনগোষ্ঠীৰ লোক আহি ইয়াত বসবাস কৰিবলৈ লোৱাৰ ফলশ্ৰুতিত থলুৱা আৰু বহিৰাগত সংস্কৃতিৰ সমন্বয় সাধিত হৈ নতুন ৰূপত উজলি উঠিছিল ইয়াৰ লোক-সংস্কৃতি।

লোক-সংস্কৃতি সংস্কৃতিৰেই অঙ্গ। সংস্কৃতি হ'ল এটা জাতিৰ জাতীয় জীৱনৰ বোঁৱতী সুঁতি স্বৰূপ। নৈৰ গতিয়েই সংস্কৃতিৰ গতি। নৈৰ দৰে সংস্কৃতিও বিৰামহীনভাৱে বৈ থাকে।

সংস্কৃতিৰ সৃষ্টি আৰু বিকাশত কেইটামান প্ৰক্ৰিয়াই বিশেষভাৱে ক্ৰিয়া কৰে। মানুহৰ সৃষ্টি ক্ষমতা, আত্ম প্ৰকাশৰ অদম্য হেপাহ আৰু প্ৰেৰণাই সৃষ্টিৰ পথ বিচাৰে। সৌন্দৰ্য পিপাসা, সৃষ্টিশীলতা আৰু আত্ম প্ৰকাশৰ প্ৰেৰণাই এটা জাতিক দান দিয়ে নতুন নতুন সম্পদ। সভ্যতাৰ জখলাত বগাই বগাই মানুহে পৃথিৱীৰ বুকু কৰ্ষন কৰি শস্য উৎপাদন কৰিবলৈ শিকিলে। পৃথিৱীৰ সৃষ্টি ক্ষমতাত স্বীকৃতি দি পূজা কৰিলে। মাতৃৰূপা ধৰিত্ৰীৰ পূজাৰ পৰাই সৃষ্টি হ'ল সঙ্গীতৰ। স্থান, কাল, পাত্ৰই জন্ম দিলে লোকাচাৰৰ, লৌকিক সংস্কৃতিৰ। সময়ৰ সোঁতত বাগৰি অহা মানুহে বিচাৰি পালে সৃষ্টি কৰ্তাৰ অপৰিসীম ক্ষমতা। সৃষ্টি হ'ল ধৰ্মৰ, সৃষ্টি হ'ল অসংখ্য দেৱ-দেৱীৰ। দেব-দেৱীক কেন্দ্ৰ কৰি সৃষ্টি হ'ল মন্দিৰ, স্থাপত্য ভাস্কৰ্য, সঙ্গীত, মন্ত্ৰ-তন্ত্ৰাদিৰ। মুঠতে মানুহৰ বস্তুগত, ভাবগত, আধ্যাত্মিক, জাগতিক সকলো সৃষ্টিয়েই সংস্কৃতি।

Folk Culture পদটোক সূচীত কৰিবলৈ অসমীয়া ভাষাত লোক-সংস্কৃতি শব্দটো ব্যৱহাৰ কৰা হয়। Folk অৰ অৰ্থ 'লোক' বা 'জন', Lore অৰ অৰ্থ বিদ্যা। এইফালৰ পৰা Folk lore শব্দটোৰ অৰ্থ হয় গৈ লোক-বিদ্যা। লোক-সংস্কৃতি লোক-সমাজৰ বস্তু। Robert Redfield অৰ মতে লোক সমাজ বুলিলে কৃষক সমাজক বুজায়। তেওঁ "Peasant Society and Culture" শীৰ্ষক গ্ৰন্থৰ পৃঃ নং - ৪০ অত কৃষক সমাজকে লোক সমাজ আখ্যা দিছে। গতিকে এওঁৰ মতে কৃষক সমাজৰ সংস্কৃতিয়েই লোক-সংস্কৃতি। আচলতে নূন্যতম উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জন-সমষ্টিক লোক Folk আখ্যা দিব পাৰি।

লোক-সংস্কৃতি বহুতৰ দৃষ্টিত কু-সংস্কাৰেৰে পৰিপূৰ্ণ। উনবিংশ শতিকাত ইংলেণ্ডৰ পু�ৰাতত্ত্ববিদ আৰু জাৰ্মানৰ ভাষাতত্ত্ববিদ সকলে লোক-সংস্কৃতিৰ অধ্যয়নৰ সূচনা কৰে। ১৮১২ চনত জাৰ্মান ভাতৃদ্বয় জেকব গ্ৰীম আৰু উইলিয়াম জেকবে জাৰ্মান দেশৰ লোক কথাবোৰ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। ১৮৪৬ চনত ইংৰাজ পণ্ডিত উইলিয়াম থমছে লোকজ্ঞান আৰু লোক অভিজ্ঞতাক বুজাবলৈ Folklore শব্দটো ব্যৱহাৰ কৰে আৰু অতি কম সময়ৰ ভিতৰতে ই আৰ্ন্তজাতিক সমাদৰ লাভ কৰে।

জাৰ্মান পণ্ডিত সকলৰ মতে লোক-সংস্কৃতি হ'ল জন-সাধাৰণৰ কবিতা। ফৰাচী পণ্ডিতসকলৰ মতে - লোক সংস্কৃতি জনসাধাৰণৰ ঐতিহ্য মাথোন। Janas Balys ৰ মতে লোক-সংস্কৃতি আদিম আৰু সভ্য জন-সাধাৰণৰ পৰম্পৰাগত সৃষ্টি।

R.M.Dorson ৰ মতে - "The term (i.e. Folklore) caught on and proved its value in defining a new area of knowledge and subject of inguity but it has also caused confusion an controversy."

ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে - "ধৰ্ম অনুষ্ঠান, পূজা-পাতল, লোক-বিশ্বাস, নিয়ম-কানুন, সাধু-উপাখ্যান, পুৰণি কাহিনী, প্ৰকৃতিৰ ব্যাখ্যা, নৃত্য-নাট, অভিনয়, ক্ৰীড়া-কৌতুক এই সকলোৰে সমাহাৰত লোক-সংস্কৃতি সম্পূৰ্ণ।

সাধাৰণতে কোনো এখন ঠাইৰ, বা কোনো এটা জন গোষ্ঠীৰ লোক-সংস্কৃতিয়ে সুকীয়া বৈশিষ্ট্য অৰ্জন কৰে সেই স্থানৰ ভৌগলিক পৰিবেশ, প্ৰাকৃতিক সম্পদৰ আহৰণ আৰু

বিতৰণ অৰ্থাৎ অৰ্থনীতি আৰু সেই সম্পদ সমূহক লৈ মানুহৰ মাজত গঢ়ি উঠা সম্বন্ধ অৰ্থাৎ সমাজনীতি আৰু ৰাজনীতিৰ প্ৰভাৱত। ভৌগলিক দৃষ্টিৰে চালে দেখা যায় যে গোৱালপাৰা জিলাখন বহু দিশৰ পৰা গুৰুত্বপূৰ্ণ। বিশেষতঃ এই জিলাখন অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত। ইয়াৰ পশ্চিমে পশ্চিমবঙ্গ আৰু বাংলাদেশ। ত্ৰয়োদশ শতিকা মানলৈকে এই অঞ্চল পুৰণি কামৰূপৰ অংশ হিচাপে 'ৰত্নপীঠ' নামেৰে খ্যাত আছিল। পিচত এই অঞ্চল কমতা ৰাজ্য হিচাপে জনাজাত হয়। এই অঞ্চলতে বিশ্বসিংহই ১৫১৫ খৃঃত কোচৰাজ্য প্ৰতিষ্ঠা কৰে। ১৬৬২ খৃঃ ৰ পৰা এই অঞ্চল মোগল সাম্ৰাজ্যৰ প্ৰান্ত এলেকা হিচাপে ব্যৱহৃত হৈছিল। ১৭৬৫ চনৰ পৰাই এই জিলাখন বৃটিছ কোম্পানীৰ অধীন হৈ পৰে। ১৮২২ চনত গোৱালপাৰা নাম দি এই জিলাখন গঠিত হয় যদিও প্ৰথম অৱস্থাত কোচবিহাৰ জিলাৰ সৈতে, পিচত পূৰ্ব বঙ্গৰ সৈতে আৰু অৱশেষত ১৯১২ চনত নিগাজীকৈ অসমৰ লগত যুক্ত হৈ পৰে। গোৱালপাৰা জিলাৰ সুকীয়া সংস্কৃতিৰ গঢ়-গতি অনুধাৱন কৰিবলৈ হ'লে বিশেষতঃ এই জিলাৰ সংস্কৃতিৰ ক্ষেত্ৰত উজনিৰ তুলনাত আপাত দৃষ্টিত ধৰা পৰা বাংলা সংস্কৃতিৰ অত্যাধিক প্ৰভাৱ, জন বিন্যাসৰ ক্ষেত্ৰত মূছলমান লোকৰ সংখ্যা গৰিষ্ঠতা, সামাজিক ক্ষেত্ৰত জমিদাৰী প্ৰভাৱ আদিৰ কথা বিশেষভাৱে মনকৰিবলগীয়া।

গোৱালপাৰীয়া লোক-সংস্কৃতিত জন্মঃ

" অ বিধাতাই বিধি লিপি লিখে
এ হৰি
বিচিত্ৰ কৰিয়া হৰি ও
জন্ম, বিবাহ, মৃত্যু কেহ
বাহিতে নাপাৰে হৰি
বাহিতে নাপাৰে হৰি ও"

সৃষ্টি পাতনিতে মানুহৰ জীৱনলৈ যি যৌন স্পৃহা আহিছিল তাৰেই ফলশ্ৰুতি প্ৰজনন প্ৰক্ৰিয়া। বংশ বিস্তাৰ উৰ্বৰা বিশ্বাসৰ লগত জড়িত পৃথিৱীৰ বুকু কৰ্ষণ কৰি তাত শস্যৰ বীজ ৰোপন কৰি শস্য উৎপাদন কৰাৰ দৰে নাৰীৰ গৰ্ভত সৃষ্টি হয় মানুহৰ। জন্ম দায়িনী মাতৃ মানব জাতিৰ সৃষ্টিৰ কঠিয়াতলী।

নাৰী সৃষ্টি কৰ্তাৰ এক অপূৰ্ব সৃষ্টি। প্ৰতি প্ৰহৰে প্ৰহৰে ৰূপৰ পৰিবৰ্তন ঘটি অকণমানি ভণ্টিজনী যৌৱনমতী হয়, কইনা হৈ লাজ আৰু সংকোচৰ দুৱাৰ দলি গৰকী কাৰোবাৰ ঘৰৰ বোঁৱাৰী হয়; ন বোৱাৰী সন্তান সম্ভৱা হৈ মাতৃত্বৰ গাম্ভীৰ্যৰে উজলি উঠে। গোৱালপৰীয়া লোক সমাজত সন্তান সম্ভবা বেলি গৰাকীক কেন্দ্ৰ কৰি বহুতো আচাৰ নীতি-নিয়ম আৰু নানা ধৰণৰ উৎসবৰ আয়োজন কৰা হয়। পৰম্পৰাগত নিয়ম অনুসৰি এই সময়ছোৱাত বোৱাৰী গৰাকীত অকলে ৰাতি বাহিৰ ওলাবলৈ দিয়া নহয়। দা বা কটাৰী এখন সদায় লগত ৰাখিব দিয়ে। গৰ্ভস্থ সন্তানৰ মঙ্গলাৰ্থে মাতৃগৰাকীয়ে তাবিজ, মন্ত্ৰপুত সুতা আদি ধাৰণ কৰিব লাগে।

উৎসৱ অনুষ্ঠানৰ ভিতৰত উল্লেখযোগ্য হ'ল পঞ্চামৃত খুওৱা আৰু সাত ভক্ষণ সন্তান গৰ্ভস্থ হোৱাৰ পৰা ৫ মাহত পঞ্চামৃত খুওৱা উৎসৱ উদযাপন কৰা হয়। এই উৎসৱত দৈ, এৰা গাখীৰ, ঘিউ, চেনী আৰু মৌ এটা ডাঙৰ কাঁহৰ বান বাটিত মিহলাই ভগবানৰ ছবি আগত ৰাখি, গৰ্ভৱতী তিৰোতা গৰাকীক খাব দিয়া হয়। এই উৎসৱত বোৱাৰী গৰাকীৰ মাকৰ ফালৰ মানুহৰ উপস্থিতি বাধ্যতা মূলক। জন্মৰ লগত জড়িত আন এটি উৎসৱ হ'ল 'সাত ভক্ষন'। গোৱালপাৰা লোক সমাজত এই উৎসৱ পালন কৰা হয় - গৰ্ভস্থ সন্তানটিৰ ৭ মাহ বয়স হোৱাৰ লগে লগে। ইয়াত আত্মীয় স্বজনকো আমন্ত্ৰণ জনোৱা হয়। গৰ্ভৱতী নাৰী গৰাকীয়ে এই উৎসৱত সাতবিধ বস্তু খাব লাগে।

প্ৰসৱ বেদনা আৰম্ভ হোৱাৰ লগে লগে বোৱাৰী গৰাকীক এটা আচুতীয়া কোঠাত শুবলৈ দি ধাইৰ সহায়ত সন্তান প্ৰসৱ কৰোৱা হয়। সন্তান জন্মৰ পিচত কেঁচুৱাটি আৰু মাতৃগৰাকীক চুৱা বুলি ধৰি বেলেগকৈ থাকিবলৈ দিয়া হয়। পাচদিনৰ দিনাখন এটা চুৱা আঁতৰে। সেইদিনা কেঁচুৱাটোৰ নামকৰণ কৰাবো নিয়ম। এই উপলক্ষে উদ্‌যাপিত হয় আন এটি উৎসৱ। জন্মৰ পৰা এমাহ পিচত তেওঁলোক শুচি হয়।

গোৱালপৰীয়া লোক সংস্কৃতিত কন্যাকাল ঃ

" ও পৰুৱা জাপাৰ সৰু খাতি
জাপা বান্ধে আঁতি।"

গোৱালপাৰা লোক সমাজত প্ৰচলিত এই গীতটি জাপা থোৱা গীত। এই জাপা থোৱা প্ৰথাটি হ'ল ছোৱালীয়ে কন্যা কালে পালন কৰা প্ৰথা। অৱশ্যে গীতটি অঞ্চল বিশেষেহে প্ৰচলিত। ভাষিক তাৰতম্য ঘটাই এই একে গীতটিকে আন আন অঞ্চলটো একে গীতটিকে আন আন অঞ্চলটো একে অনুষ্ঠান উপলক্ষে পৰিবেশন কৰা হয়।

ছোৱালী সদ্য পুষ্পিতা হোৱাৰ লগে লগে ঘৰখনত খদমদম লাগে। ছোৱালীজনীক আচুতীয়াকৈ এটা কোঠাত ৰখা হয়। কোঠাটোৰ এচুকত ধানখেৰৰ বিচনা কৰি তাত শুব দিয়া হয়। পুষ্পিতা হোৱাৰ সময়ত পিন্ধি থকা কাপোৰজোৰ গা-ধোৱাৰ আগতে খুলিব নেপায়। বিচনাত বহাৰ পিচত কেইগৰাকীমান তিৰোতাই এটা ডুনি সজায়। ডুনিটোত সামগ্ৰী

হিচাপে ধান, দুবৰি, চাকি, এৰা গছৰ গুটি আৰু ডালিম গছৰ ফুল দিয়াৰ নিয়ম। ইয়াৰ পিচত তিৰোতা সকলে উৰুলি জোকাৰেৰে 'আগ' দিয়ে। পুষ্পিতা হোৱা ছোৱালীজনীক সেই নির্দিষ্ট বিচনাখনত পূৱা পুষ্পিতা হোৱা ছোৱালীজনীক সেই নির্দিষ্ট বিচনাখনত তিনিদিন ৰখা হয় আৰু প্ৰতিদিন পূৱা-গধুলি 'আগ' দিয়া হয়। 'আগ' দিয়াৰ সময়ত ডুনিৰ চাকিটো সৃষ্টি জ্বলাই চাকিসাৰ দিয়া হয় আৰু 'ঘটৰ' পানী আমগছৰ পাতেৰে ছোৱালীজনীৰ গাত ছটিয়াই দিয়াৰ নিয়ম।

তিনি দিনৰ দিনাখন 'জাপা' থোৱাৰ নিয়ম। পুষ্পিতা হোৱা ছোৱালীজনীৰ ঘৰৰ পৰা ওচৰৰ আন এঘৰৰ মানুহৰ ঘৰত 'জাপা' থোৱা হয়। 'জাপা'টো চিয়াৰ (চকী) এখনত বা ওখ টুল এখনত নতুন গামোছা পাৰি ৰখা হয়। ওপৰত এটা ছাতি টানি ঢাকি দিয়া হয়।

চাৰি দিনৰ দিনা ছোৱালীজনীক আত্মীয় স্বজন, ওচৰ চুবুৰীয়াৰ সহযোগত গা-ধোওৱা হয়। এই উৎসৱত পুৰুষৰ স্থান নাই। কলৰ গুৰিত তামুলী পীৰা এখনত ছোৱালীজনীক বহুৱাই মাকে বা খুড়ীয়েক অথবা বৌয়েকে থিয় কৰাই গা ধোৱায়। ছোৱালীজনীক নেদেখাকৈ তিৰোতা, ছোৱালীবিলাকে কল জোপাৰ চাৰিওফালে আগুৰি ধৰি প্ৰথম ঋতুস্নান কাৰ্য সমাপন কৰা হয়। কলৰ তলত ছোৱালীজনীৰ গাঁত মা-হালধী সানি গা-ধোওৱা হয়। কলৰ তলৰ পৰা চোতাললৈ ছোৱালীজনীয়ে মাটিত ভৰি নিদিয়াকৈ আহিবৰ বাবে ফাক্ ফাক্‌কৈ পীৰা পাৰি দিয়া হয়। পীৰাৰ কাষত সৰ্বশুদ্ধি পানীৰ ঘট ৰখাৰ নিয়ম।

গা-ধোৱা কাৰ্য সম্পূৰ্ণ হোৱাৰ পিচত ছোৱালীটোক নতুন কাপোৰ এযোৰ পিন্ধাই কন্যাৰ দৰে সজাই তোলে। সেইদিনা প্ৰথম শিৰত সেন্দুৰ দিয়ে।

সেইদিনা আবেলি সময় ছোৱালীজনীয়ে নিজহাতে ৰান্ধি হবিষান কৰিব লাগে।

গোৱালপৰীয়া লোক-সংস্কৃতিত বিয়া ঃ

বিয়া মানব জীৱনৰ এটি আনন্দময় উৎসৱ। জন্ম আৰু মৃত্যুত পালন কৰা উৎসৱ ব্যক্তি গৰাকীয়ে উপভোগ কৰিব নোৱাৰে; কিন্তু বিয়া তেনে নহয়।

বিয়াৰ প্ৰথম স্তৰ কইনা ছোৱা। দ্বিতীয় স্তৰ আঙুঠি পিন্ধোৱা। তৃতীয় স্তৰ দিন ঠিকনা কৰা ইয়াৰ পিচত জোৱন, অধিবাস আৰু শেষত বিয়া।

এক্ৰোজন ঘটক্ৰৰ সহায়ত বিয়া প্ৰথম পৰ্ব সমাপ্ত হয়। ইয়াৰ পিচতে বিয়াৰ জোগাৰৰ খদম্‌দম লাগে।

গোৱালপৰীয়া লোক-সমাজত প্ৰচলিত বিয়াত বহুত আচাৰ-নীতি জড়িত হৈ আছে। অৱশ্যে এই আচাৰ নীতি অঞ্চল বিশেষে আৰু সম্প্ৰদায় বিশেষে বেলেগ বেলেগ হোৱা দেখা যায়। যেনে - ৰাজবংশী লোক সমাজত ফলবিয়া, পানী ছিটা, চতুৰ্দানী বিয়া, ভাউজী বিয়া, ঘৰ সোন্‌দানী বিয়া, বিধুয়া বিয়া, পৰক্ষেত্ৰী পাচুৰা, ডাংগুৰা সোন্‌দা, গাও গছ, কইনা পাত্ৰ ঘজেয়া..... আদি বিভিন্ন প্ৰকাৰৰ বিয়াৰ প্ৰচলন আছিল। অৱশ্যে আজিকালি কিছুমান প্ৰকাৰ বিয়াৰ বিলুপ্তি ঘটিছে। আধুনিকতাই পুৰণি প্ৰথাৰ অৱসান ঘটাইছে। ৰাজবংশী লোক সমাজৰ বিয়াৰ এটা অপৰিহাৰ্য অঙ্গ হ'ল - 'বৈৰাতী', বৈৰাতীৰ সাজপাৰ হ'ল ৰঙা পাৰিৰ বগা শাৰী। বিয়াৰ মঙ্গলিক যোগাৰ বৈৰাতীয়ে কৰে।

জোৰণ বিয়াৰ এটা আনুসঙ্গিক উৎসৱ। সাত /আঠ গৰাকী মানুহৰ সৈতে দৰাৰ মাকে শুভক্ষণত কইনা ঘৰলৈ যাত্ৰা কৰে। কইনা ঘৰীয়াৰ পদুলিমুখ পোৱাৰ লগে লগে আয়তী সকলে উৰুলি দিয়ে। কইনাৰ মাকে তামোল-পাণৰ শৰাই আৰু এখন হাতত বিচনী এখন গামোছাৰে ঢাকি দি দৰাঘৰীয়াক আদৰি নি বভাতলৰ নির্দিষ্ট ঠাইত বহুৱায়। ইয়াৰ পিচত দৰাঘৰীয়াই কইনা উলিয়ায় আনিবলৈ কয়। তেতিয়া কইনা উলিয়ায় পীৰা এখনত গামোছা পাৰি দি দৰাঘৰীয়াৰ ওচৰতে বহুৱায়। তাৰ পিচতে আৰম্ভ হয় কইনা সজোৱা। দৰাঘৰৰ পৰা আনা কাপোৰ, গহনা আদি এখন ডাঙৰ কাঁহৰ কাহীত উলিয়ায় লয়। কইনা সজোৱাজনীয়ে প্ৰথমতে কইনাৰ মূৰত তেল দিয়ে; মূৰ আচুৰি দিয়ে তাৰ পিচত কপালত আৰু শিৰত সেন্দুৰ দিয়ে, অলংকাৰবোৰ পিন্ধায়। ইয়াৰ পিচত কইনাৰ হাতত কাপোৰ থোৱা কাহীখন তুলি দি দুগালত দুটা চুমা আঁকি দি জোৰণ কইনা সজোৱা সমাপ্ত কৰে। কইনাৰ মাকে দৰাৰ মাকৰ হাতত দৰালৈ পাচহাতি চুৰিয়া, দহিয়া কাপোৰ আদি দি দৰাক আমন্ত্ৰণ জনায়।

বিয়াৰ আগদিনা অধিবাস। অধিবাসৰ দিনাখন দৰা বা কইনাঘৰীয়া উভয়ে পূজা কৰাৰ নিয়ম। পূজাৰ অন্তত দৰা বা কইনাজনীক মাকে ঘট সহ উলিয়াই আনি ৰভা তলত বহুৱাই লৈ কইনা বা দৰাৰ মূৰত আচলেৰে ধৰি থাকে। লগত শিল এটা আৰু সোণৰ এটা দি ধৰে। বামুণৰ বেদমন্ত্ৰ উচ্চাৰণৰ লগে লগে প্ৰথমতে পিতৃয়ে 'তেল' দুবৰিৰে শিলটোত দি হাতজোৰকৈ থকা কইনাজনীৰ হাতলৈ তিনিবাৰ বোঁৱাই আনে। ইয়াৰ পিচত দৰা বা কইনাজনী গাত জল চটিয়াই। কইনা হ'লে তাৰ পিচতে যথাক্ৰমে আৰ্চি, ফনী, ধান, চুৰি, কটাৰী আদি কইনাৰ হাতত দিয়ে। তেল, সেন্দুৰ, অঞ্জন, চন্দন আদি শিলটোত দি হাতেৰে শিলটো চুই দিয়ে। অলংকাৰ

বস্ত্ৰাদি দান কৰে। ইয়াৰ পিচতে কইনাৰ মাকে যথানিয়মে সেই কামকে কৰে। আত্মীয় স্বজনেও কৰে। এনেদৰে অধিবাসৰ সামৰণি পৰে।

ইয়াৰ পিচত বিয়া। পানী তোলা, উপৰি পুৰুষা শ্ৰাদ্ধ, কইনাৰ গাঁ ধোওৱা, দৈয়ন দিয়া, সুৱাগ জাৰা, দৰা আদৰা লগু মতে বিয়াৰ কাম সমাধা আদি প্ৰতিটো অনুষ্ঠানতে জড়িত আছে এশ এবুৰি আচাৰ নীতি।

গোৱালপৰীয়া লোক সংস্কৃতিত মৃত্যু ঃ

'মৃত্যু' এই শব্দটোৰ আছে এক অদ্ভুত শক্তি, যি আমাৰ হৃদয় বীনত ঝঙ্কাৰ তুলি দুখানুভূতিৰ আবেস আনি দিয়ে -

ভাৰতীয় দৰ্শন মতে - বিশেষকৈ শ্ৰেষ্ঠ উপনিষদ 'গীতা'ৰ মতে মৃত্যু হেনো আত্মাৰ স্থান পৰিবৰ্তন। গীতাত কোৱা হৈছে -

"ৱাসাংসি জীৰ্ণানি যথা ৱিহায়
নৱানি গৃহ্নাতি নৰোঽপৰনি।
তথা শৰীৰাণি ৱিহায় জীৰ্ণ
ন্যন্যানি সংযাতি নৱানি দেহী।।"

অৰ্থাৎ মানুহে যেনেকৈ ফটা কাপোৰ পৰিত্যাগ কৰি নতুন কাপোৰ পৰিধান কৰে, তেনেদৰে আত্মাইও পুৰান দেহ ত্যাগ কৰি নতুন দেহ গ্ৰহণ কৰে। গতিকে মৃত্যু অনিবাৰ্য। এই মৃত্যুত লোক জীৱনে অঞ্চল বিশেষে কিছুমান নীতি-নিয়ম পালন কৰে। গোৱালপাৰাৰ লোক-জীৱনেও তেনে নীতি-নিয়ম পালন কৰে। হিন্দুসকলে মৃতদেহ দাহ কৰে আৰু মুছলমান সকলে কবৰ দিয়ে।

হিন্দুসমাজত মানুহজন মৰাৰ লগে লগে ঘৰৰ পৰা বাহিৰলৈ উলিয়াই আনি চোতালত ঢাৰি পাৰি উত্তৰ ফালে মূৰটো ৰাখি শুৱাই থোৱা নিয়ম। মৃতদেহটো বগা কাপোৰেৰে ঢাকি দিয়া হয়। মৃতকৰ ঘৰত ওচৰ চুবুৰীয়া গোট খাই মৃতকৰ শতকা�ৰৰ যা-যোগাৰ কৰে। বাঁহৰ চাঙি সাজি তাতে মৃতদেহটো তুলি শ্মশানলৈ নাম-কীৰ্ত্তন কৰি লৈ যোৱা হয়। শ্মশানত চিতা সাজি চিতাত মৃতদেহ পুৰুষ হলে উবুৰিয়াই আৰু তিৰোতা হলে চিতকৈ স্থাপন কৰাৰ নিয়ম। ইয়াৰ পিচত মৃতকৰ সন্তানে হাতত জোৰ লৈ চিতাৰ চাৰিওফালে সাত পাক ঘূৰি মুখত জুই দিয়ে। সম্পূৰ্ণৰূপে দাহ কৰাৰ পিচত মৃতকৰ কপালৰ হাড় (অস্থি) সংগ্ৰহ কৰা হয়। ঘৰলৈ আহি বাঁহৰ চুঙাত সংগৃহীত অস্থি তুলসী গুৰিত পুতি থৈ তাৰ ওপৰত গাখীৰ ঢালি দিয়াৰ নিয়ম। সন্তান সকলে মৃতকৰ শ্ৰাদ্ধ নোযোৱালৈকে তিতাতনী খাটিব লাগে তিনিদিনলৈ উপবাসে থাকি তাৰ পিচত ফলাহাৰ কৰিব পাৰে। দিনত তিনিবাৰ কৈ গাঁ ধুৱাৰ নিয়ম, কিন্তু কাপোৰ সলাব নোৱাৰে। তিতা কাপোৰ গাঁতে থকাব লাগিব।

মৃত্যুৰ দিনাখনৰ পৰা মৃতকৰ ঘৰখন চুৱা বুলি গণ্য কৰা হয়। ১৩ দিনৰ দিনা শ্ৰাদ্ধ। বামুণৰ মন্ত্ৰ পাঠত শুদ্ধ হৈ গাৰ চুৱা খেদোৱা হয়। এই শ্ৰাদ্ধত বামুন, গৰু, চাউল, কাপোৰ, বিচনা আদি দান দিয়াৰ নিয়ম।

ছয় মাহত ছয় মাহিলী আৰু বছৰেকত বছৰেকীয়া পতাৰো পৰম্পৰা এটা প্ৰচলিত হৈ আছে।

গোৱালপৰীয়া লোক উৎসৱ ঃ

লোক উৎসৱ সমুহৰ মাজেৰেই লোক জীৱনৰ মনৰ স্বতঃস্ফুত আনন্দ প্ৰকাশ পায়। কৰ্মব্যস্ত লোক সমাজে পৰিশ্ৰম ক্লান্তি দুৰ কৰিবলৈ সমূহীয়া ভাৱে যিবোৰ অনুষ্ঠানৰ সৃষ্টি কৰি তাত লোক বিশ্বাসৰে ভক্তিৰ প্ৰলেপ ধৰ্মীয় মৰ্যদা প্ৰদান কৰিছিল, সেইবোৰেই লোক উৎসৱ।

বিষুৱা ঃ

বছৰৰ আৰম্ভনিতে গোৱালপৰীয়া লোক-সমাজে পালন কৰা উৎসৱ হ'ল বিষুৱা। চ'তৰ সংক্ৰান্তিৰ পৰা ছয় বহাগলৈ এই উৎসৱ পালন কৰা হয়। ইয়াত বিশেষভাৱে কিছুমান নীতি নিয়ম পালন কৰা হয়। যেনে - চ'তৰ সংক্ৰান্তিৰ দিনাখন তিতা গছৰ পাত সংগ্ৰহ কৰি দু�ৱাৰ মুখত বান্ধি থোৱাটো। গৰুৰ ডিঙিত থকা 'পঘা' ডাল চিঙি আনি 'লৰু'ডাল সমানে দুই ভাগত ভাঙ চিগা পঘাডাল মেৰিয়াই পানীত পেলাই দিয়াটো, প্ৰথম বহাগত গছ-গছনি ৰোপন কৰাটো, 'ধৰ্মীয়' অনুষ্ঠানত মেলা বহাটো ইত্যাদি।

বাঁশ পূজা -

বহাগৰ অমাৱশ্যাত পালন কৰা আন এটি লোক উৎসৱ। নৃত্য গীত বলি বিধান আদিৰ মাজেৰে পালন কৰা ই এটা ধৰ্মীয় উৎসৱ। আগগুৰি কটা ওঠৰ হাত দীঘল ৫ ডালৰ পৰা ১৫ ডাললৈকে বাঁহ কাটি বুঢ়া মাদাৰ, ভাগৱতী, চেংৰা মাদাৰ, পগলা ঠাকুৰ, কাজলমতী, শীতলা আদি দেবতাৰ নামত উচৰ্গা কৰি নিয়মানুসৰি পূজা কৰা হয়।

তালনৱমী ঃ

তাল ফলৰ ৰসৰ পৰা পিঠা তৈয়াৰ কৰি প্ৰথমতে দেৱতালৈ উচৰ্গা কৰি খোৱা হয়। সেই দিনা তাল পিঠা নেখালে সেই বছৰত মৃত্যু হ'লে আত্মাই অসুৰৰ পেটত জন্ম লয় বুলি বিশ্বাস এটা লোক সমাজত প্ৰচলিত আছে।

হুদুম পূজা ঃ

গোৱালপাৰা অঞ্চলত পালিত এটা বিশেষ উৎসৱ

হ'ল হুদুম পূজা। অনাবৃষ্টি হ'লে বৰষুণৰ বাবে কৃষক পত্নী সকলে হুদুম পূজা কৰে। হুদুম বৰষুণৰ দেবতা নাৰী সকলে অন্ধকাৰৰ ৰাতি পথাৰৰ নির্জনতাত উলঙ্গ হৈ এই পূজা কৰে বাবেই ইয়াত পুৰুষৰ উপস্থিতি নিষিদ্ধ। আৰম্ভনিৰ পৰা বৰষুণ নপৰালৈকে এই পূজা অব্যাহত থাকে। ইয়াৰোপৰি গোৱালপৰীয়া লোক সমাজে আৰু বহুতো উৎসৱ পালন কৰে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল - জেঠুৰা, আমতী, মনসা পূজা, ধৰম পূজা, শীতলা, নষ্টচন্দ্ৰ, যাত্ৰা পূজা, ভূঁইৰ পূজা, কাতি গছা, কাতি ঠাকুৰৰ পূজা, বানি পূজা, এঙৰি মাগা, সোনাৰায়, শিৱৰাত্ৰি, চড়ক পূজা, খেতৰ পূজা, গোলি পূজা, ধূৱনী, পইতা লোৱা ইত্যাদি।

গোৱালপৰীয়া লোক-সংস্কৃতিত ফকৰা যোজনা, সাথৰ, লোক কথা আদি ঃ

ফকৰা যোজনা, সাথৰ, প্ৰবাদ বচন আদিত লোক জীৱনৰ বাক্ চাতুৰ্য আৰু শ্ৰোতাৰ চিন্তা শক্তিৰ উৎকৰ্ষ সাধিত হয়। আনৰ বুদ্ধি পৰীক্ষা কৰাৰ বাবে সাথৰবোৰৰ প্ৰচলন। গোৱালপৰীয়া লোক সমাজত প্ৰচলিত সাথৰ সমূহৰ কেইটামান উল্লেখ কৰা হ'ল।

(১) আদিম পখী
অফলা শাক
[illegible]

(২) টি, টি, টি
নেটে দিয়া চুলা খায়
[illegible]

(৩) [illegible]
[illegible]

(৪) [illegible]
[illegible]

(৫) [illegible]
[illegible]

(৬) [illegible]
[illegible]

(৭) [illegible]
[illegible]

(৮) [illegible]
[illegible]

গোৱালপৰীয়া লোক-সমাজত প্ৰচলিত অসংখ্য প্ৰবাদ বচনৰ [illegible] এই প্ৰবাদ বচন সমূহত বক্ষিত হৈছে [illegible] ঐতিহাসিক আৰু ধৰ্মীয় ধ্যান ধাৰণা।

(বিঃ দ্ৰঃ - প্ৰবন্ধটিৰ বিষয়বস্তু গোৱালপাৰাৰ সামগ্ৰী দাতাৰ (informent ৰ) পৰা সংগৃহীত তথ্যৰ ভিত্তিত ৰচিত।)

তাৰে কেইটামান উল্লেখ কৰা হ'ল -

(১) কলি কাল মণ্ড কাল
কলিৰ সাত ভাও,
জোৱান বেটা না পোষে
বৃদ্ধ বাপ মাওঁ।

(২) সাতগুনে চাৰ কুলা গুনে যাত।

(৩) নদী দেখি বাৰি স্নান
পাতৰ দেখি বেটি দান।

(৪) খানেৰ আগা
মাইৱেৰ পাছা।

(৫) জমি কিনো মাজ খাল
কঞা আনো মাত ভাল।

(৬) মাইও তোৰ কি গুণ
ৰান্ধা শাকত তুই দিছা নুন।

(৭) তুই মাইও সতত থাক,
ৰান্ধাৰ ৰাতিত্ মিলিব ভাত।

(৮) কাউয়াৰ বাসাত কোকিলেৰ চাও
জাত স্বভাবে কাঢ়ে ৰাওঁ।

গোৱালপৰীয়া লোক-সমাজত আছে সহস্ৰ লোক কথা। তাৰে নিদৰ্শন স্বৰূপে -

আগোৰ দিনত প্ৰাণেশ্বৰী নামেৰ একটা আপী আছিল। আপীতাৰ মাওঁ বাপ আৰ একটা দাদা আছিল। দাদাটাৰে প্ৰানেশ্বৰীক বিয়া কৰবা চাইল। এই কথা প্ৰানেশ্বৰী দাচ পায়। নাছিল। প্ৰানেশ্বৰীৰ মাও বাপে তাৰ দাদাৰ লগত বিয়াৰ চ যোগাৰ কৰিলে; কিন্তু বিয়াৰ চিবা কুতাৰ দিনা লাগিল হুলস্থুল।

প্ৰাণেশ্বৰীয়ে ভাত খাইছে। তেলা মালিনী বুঢ়ীয়ে প্ৰানেশ্বৰীয়ে ঘনে ঘনে জুই খুজিবা যায়। এই কামজ প্ৰানেশ্বৰী বাগ উঠিল আৰ বুঢ়ীক কল, তুই খৰি নিবাৰ বাবে ঘনে ঘনে জুই খুজিবা আহি। ভাইৰ কথাত বুঢ়ীৰ খং উঠিল আৰ কইল - এহ তোৰ বৰ বৰহাই হৈছে -

"ভাই ভাতাৰী টেমী কাটাৰী
চালত থুলং দাওঁ,
ভাই হেনা ভাতাৰ পায়া
কাহাকে নাকাৰং ৰাওঁ।"

বুঢ়ীৰ কথাত প্ৰানেশ্বৰী দাচ পায় তাৰ বিয়া তাৰ দাদাৰ লগত। বিয়াৰ দিনা তাই ইকিৰাৰ নাত বনাই নদীত গেল। প্ৰানেশ্বৰীক মাও বাপ সাৰ দাদা গেল। তাই নদীত নাও ডুবাল ইত্যাদি ... ।

উনবিংশ শতিকাৰ অবিভক্ত গোৱালপাৰা জিলা ঃ

ভূ-প্ৰকৃতি আৰু প্ৰশাসনিক সংগঠন

ড° মহম্মদ তাহেৰ
গুৱাহাটী বিশ্ববিদ্যালয়

ঐতিহাসিক ভূগোলৰ পটভূমি ঃ

ব্ৰহ্মপুত্ৰ উপত্যকাৰ একেবাৰে পশ্চিমত এহাতে অসম আৰু বঙ্গৰ ক্ৰান্তিবলয়ত আৰু আনহাতে ভূটান আৰু গাৰো পাহাৰৰ মাজত অৱস্থিত হোৱা বাবে গোৱালপাৰা জিলাত আদি কালৰেপৰা জাতি, ধৰ্ম আৰু ভাষা আৰু কৃষ্টিৰ সংমিশ্ৰণ আৰু সমন্বয়ৰ এক বিশিষ্ট স্বকীয়তা দেখা যায়। জিলাখনৰ যোৱা দুটা শতিকাৰ ইতিহাস আলোচনা কৰিলে বুজিব পাৰি যে ১৭৮০ খ্ৰীষ্টাব্দৰ ভিতৰত আহোম ৰাজ্যত যি অপায়, অমঙ্গল, বিদ্ৰোহ আৰু অৰাজকতা হৈছিল তাৰপৰা ৰক্ষা পাবলৈ কামৰূপ, নগাওঁ, দৰং, শিৱসাগৰ আদিৰ বহুতো লোক গোৱালপাৰালৈ প্ৰব্ৰজন কৰিছিল আৰু তেওঁলোকৰ বহুতো তাতে চিৰস্থায়ীকৈ বসবাস কৰিবলৈ লৈছিল। আনহাতে আকৌ বিংশ শতিকাৰ প্ৰাৰম্ভণিৰে পৰা জিলাখনলৈ ৰংপুৰ, মৈমনসিং, পাবনা আদি তৎকালীন বঙ্গদেশৰ জিলাবোৰৰপৰা ভূমিহীন কৃষকৰ সোঁত ববলৈ ধৰে আৰু এওঁলোকে ঘাইকৈ জিলাখনৰ ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চলত বসতি স্থাপন কৰিবলৈ আৰম্ভ কৰে। এইদৰেই গোৱালপাৰা জিলাত যোৱা দুটা শতিকাত জনবসতি দ্ৰুতভাৱে বাঢ়ি আহিবলৈ ধৰে। এই দুশ বছৰৰ ভিতৰতে বৃটিছে জিলাখনৰ উত্তৰভাগৰ দুৰাৰ অঞ্চলত কিছুদূৰ হাবি-বন ভাঙি বাট-পথ নিৰ্মাণ কৰাত আৰু সংৰক্ষিত বনবোৰ স্থাপন কৰিবলৈ লৈ অৰণ্য গাওঁ বা Forest village পাতিবলৈ লোৱাত, বহুতো বড়ো-কছাৰী, ৰাভা আৰু মেচ সম্প্ৰদায়ৰ লোক দক্ষিণ কামৰূপ, হাবৰাঘাট, খুন্টাঘাট আদি অঞ্চলৰপৰা এই উত্তৰৰ বিজনি, ছিদলি, চিৰাং, ৰিপু আৰু গুমা দুৰাৰ অঞ্চললৈ আহি তাত আহল-বহললৈ মাটি ভাঙি বসবাস কৰিবলৈ লৈছিল।

প্ৰাগৈতিহাসিক যুগত এই কালৰ গোৱালপাৰা জিলা প্ৰাগজ্যোতিষ বা কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল বুলি উল্লেখ পোৱা যায়। যোগিনীতন্ত্ৰত অবিভক্ত গোৱালপাৰা জিলাক ৰত্নপীঠ বুলি চিহ্নিত কৰা হৈছিল। পণ্ডিত ৰামচৰণ ঠাকুৰৰ "গুৰু চৰিত" গোৱালপাৰা অঞ্চলটো ১২৫০ চনৰ পৰা ১২৭০ চনলৈ সান্ধ্য নামৰ এজন ৰজাৰ অধীনত আছিল বুলি উল্লেখ কৰা হৈছে। তেওঁ বোলে পূবৰ কছাৰীসকলৰ হেঁচাত তেওঁৰ ৰাজধানী গুৱাহাটীৰপৰা কমতাপুৰলৈ তুলি নিছিল। এইদৰে ১২৬০ চনমানৰপৰা গোৱালপাৰা জিলা কমতা ৰাজ্যৰ আন্তৰ্গত আছিল বুলি জনা যায়। পুৰণি অসমীয়া কবি হেম সৰস্বতী আৰু কবি ৰত্ন সৰস্বতীয়েও তেওঁলোকৰ লিখনিত গোৱালপাৰা কমতাপুৰৰ অন্তৰ্গত বুলি উল্লেখ কৰিছে। ১৪৯৮ চনত কমতাপৰুৰ শেষ ৰজা নীলাম্বৰ, হুছেইন ছাহৰ হাতত পৰাস্ত হয় আৰু কমতাপুৰ ৰাজ্যৰ পতন হয়। কিন্তু তাৰ ১৭ বছৰৰ পিছতে ১৫১৫ খ্ৰীষ্ট্ৰাব্দত খুন্টাঘাটৰ 'চিকনগ্ৰাম' কোঁচ বংশীয় হাৰিয়া মণ্ডলৰ পুত্ৰ বিশ্বসিংহ এই অঞ্চলৰ ৰজা হয়। তেওঁ চিকনাগ্ৰামৰপৰা কোঁচবিহাৰলৈ ৰাজধানী তুলি নিলে। বিশ্বসিংহৰ পাছত তেওঁৰ পুত্ৰ নৰনাৰায়ণ ১৫৮৪ চনলৈকে গোৱালপাৰাকে ধৰি কোঁচ ৰাজ্যৰ ৰজা হৈ আছিল। তেওঁৰ মৃত্যুৰ পাছত কোঁচ ৰাজ্যৰ পূৰ্বাংশ অৰ্থাৎ অবিভক্ত গোৱালপাৰা আৰু অবিভক্ত কামৰূপ কোঁচ-হাজো নামেৰে চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱৰ ৰাজ্য হয়। ৰঘুদেৱৰ পাছত অঞ্চলটোৰ ৰজা হয় পৰীক্ষিত নাৰায়ণ। সিফালে কোচবিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ প্ৰৰোচনাত মোগলে ১৬১৪ চনত কোঁচ-হাজো আক্ৰমণ কৰি গোৱালপাৰা আৰু কামৰূপ তেওঁলোকৰ দখললৈ নিয়ে। গতিকে ১৬১৪ চনৰপৰা ১৭৬৫ চনলৈ এই ডেৰ শ বছৰ গোৱালপাৰা কাৰ্য্যতঃ মোগলৰ অধীনত আছিল। অৱশ্যে ইয়াৰ মাজতে ১৬৫৮ চনৰপৰা ১৬৬১ চনলৈকে প্ৰায় তিনি বছৰ অঞ্চলটো আহোমে শাসন কৰিছিল। ১৬৬১ চনত ই পুনৰ মোগলৰ হাতলৈ যায় আৰু তেতিয়াৰপৰা ১৭১৫

চনত ইষ্ট ইণ্ডিয়া কোম্পানীক দেৱানী স্বত্ত নিদিয়াকৈ জিলাখনৰ এলাকাটো মোগলেই শাসন কৰি আছিল। মোগল শাসনৰ আৰম্ভণিতে, ১৬২৩ চনত পৰীক্ষিতৰ পুতেক চন্দ্রনাৰায়ণক নবাবে পূবে মানস নৈৰপৰা পশ্চিমে সোণকোষ নৈ লৈকে, অর্থাৎ অবিভক্ত গোৱালপাৰা অঞ্চলটোক 'বিজনী' নামাকৰণেৰে তেওঁৰ তলতীয়া হিচাপে শাসন কৰিবলৈ দিছিল আৰু তেওঁক এই সন্দর্ভত 'ৰজা' উপাধিও দিয়া হৈছিল। এই বিজনি নামৰ সামন্ত ৰাজ্যখনৰপৰাই পাছলৈ গৌৰীপুৰ জমিদাৰী, মেচপাৰা জমিদাৰী আৰু চাপৰ জমিদাৰীৰ উদ্ভৱ হৈছিল।

সি যি কি নহওক ১৭৫৬ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মোগলৰপৰা দেৱানীৰ স্বত্ত লয়।সেই দেৱানি-হস্তান্তৰ অনুযায়ী গোৱালপাৰাৰ শাসনো ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ আহে। কোম্পানীয়ে অঞ্চলটো প্রথমে ৰংপুৰ জিলাৰ অংশ হিচাপে শাসন কৰিছিল আৰু ইয়াত থকা জমিদাৰ কেইজনৰ জমিদাৰী স্বত্তত হাত দিয়া নাছিল। মোগলৰ দিনৰ নজ্ৰানা আৰু পেচ্কছকে জমিদাৰসকলৰপৰা কৰ হিচাপে গ্রহণ কৰিছিল। বিজনীৰ তৎকালীন 'ৰজা' মুকুন্দ নাৰায়ণে কিন্তু কোঁচ ৰাজবংশৰ সন্ততি হিচাপে মোগলৰ দিনৰদৰে বৃটিছৰ দিনতো কৰতলীয়া 'ৰজা'ৰ মর্য্যদা বিচাৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে তেওঁক সাময়িকভাৱে এই মর্য্যদা দিছিল কিন্তু ২৬ বছৰৰ লর্ড কর্ণৱালিছৰ দিনত ১৭৯১-৯৩ চনত যেতিয়া বৃটিছ ভাৰতত ভূমি-ৰাজহৰ চিৰস্থায়ী বন্দবস্ত কৰা হৈছিল তেতিয়া বিজনীখন এখন জমিদাৰীলৈ অৱনমিত কৰা হয়। অৱশ্যে ইষ্ট ইণ্ডিয়া কাম্পানীয়ে ইয়াৰ জমিদাৰক 'ৰজা' উপাধিটো অলংকাৰ হিচাপে (আনুষ্ঠানিক ভাৱে নহয়) ব্যৱহাৰ কৰাত বাধা নিদিলে। কোম্পানীৰ অধীনত গোৱালপাৰা জিলা ১৭৬৫ চনৰপৰা ৫৬ বছৰ ৰংপুৰ জিলাৰ অংশবিশেষ হৈ থকাৰ পাছত, ১৮২২ চনত উত্তৰ-পূব ৰংপুৰ' নাম দি এখন সুকীয়া জিলা হিচাপে গঠন কৰা হয়। এনে ভাৱে জিলা গঠন কৰাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ দুটা উদ্দেশ্য আছিল, প্রথমতে, দক্ষিণ গোৱালাপাৰা অঞ্চলটো পাহাৰীয়া গাৰোসকলৰ লুণ্ঠৰপৰা মুক্ত কৰা, আৰু দ্বিতীয়তে গাৰোপাহাৰৰ কাষৰীয়া অঞ্চলৰ জনজাতীয় লোকক ভৈয়ামৰ জমিদাৰসকলৰ প্রভুত্বৰপৰা নিবৃত্তি দিয়া।

১৮২২ চনত এই জিলাখন গঠন কৰি দুবছৰমানৰ পাছত ইয়াৰ নামটো সলাই গোৱালপাৰা কৰা হয়। জিলাখন গঠন কৰিয়েই ইয়াত গোৱালপাৰা, ধুবুৰী আৰু কৰৈবাৰী, এই তিনিটা থানা এলেকাত ভাগ কৰা হৈছিল আৰু ইয়াৰ সদৰ গোৱালপাৰা চহৰত পতা হৈছিল। ১৮২৫ চনৰ ফেব্রুৱাৰীত জিলাখনৰ বাবে এজন প্রিঞ্চিপাল এছিষ্টেণ্ট কমিচনাৰ অর্থাৎ আজিকালিৰ উপায়ুক্ত পর্য্যায়ৰ বিষয়া নিযুক্তি দিয়া হৈছিল। ১৮২৬ চনত গোৱালপাৰা জিলাখন বঙ্গদেশৰ ৰংপুৰ ডিভিজনৰ পৰা আনি সদ্যগঠিত অসম ডিভিজনৰ অন্তর্ভূক্ত কৰা হয়। তেতিয়া জিলাখনৰ চাৰিসীমা আছিল উত্তৰ ইষ্টার্ণ দু�ৰাৰ্ছ(অর্থাৎ বিজনি, ছিদলি, চিৰাং, ৰিপু আৰু গোমা দুৰাৰ্ছ অঞ্চল), পূবে-মানস আৰু শিংৰা নৈ, দক্ষিণে গাৰোপাহাৰ আৰু পশ্চিমে ৰংপুৰ আৰু কোচবিহাৰ জিলা। তেতিয়াৰ গোৱালপাৰা জিলাত ব্রহ্মপুত্রৰ উত্তৰৰ সমতল খণ্ডৰ প্রায় ২/৩ হৈ আছিল। বাকীখিনি আছিল ইষ্টার্ণ দুৰাৰ্ছত। এই জিলাখনৰ মাটি কালি আছিল প্রায় ৭৪৫০ বর্গ কিঃ মিঃ জনসংখ্যা প্রায় ১৪১,৬৩৮ জন ধুবুৰী থানাৰ অর্ন্তগত আছিল ব্রহ্মপুত্রৰ উত্তৰ-পশ্চিমৰ অংশ, কঠৰবাৰীত আছিল ব্রহ্মপুত্রৰ দক্ষিণ অংশটোৰ পশ্চিম ভাগ আৰু গোৱালপাৰা থানাৰ ভিতৰতপৰিছিল ব্রহ্মপুত্রৰ দুয়ো পাৰে পূব অংশ।

এইদৰে আজিৰ অসমৰ প্রথম জিলা হিচাপে জন্ম পোৱা গোৱালাপাৰা জিলা ১৮২২ চনৰ পৰা ১৮৬৬ চনলৈকে ৪৪ বছৰ কাল চলি আছিল। ১৮৬৪-৬৫ চনতহোৱা ইং- ভূটান ৰণৰ শেষত আগতে উল্লেখ কৰা দুৰাৰ্ছ নামৰ অঞ্চলটো বৃটিছে ভূটানৰপৰা হস্তগত কৰে। এই অঞ্চলটো ভূটানৰ তলত আছিল যদিও ইয়াত বাস কৰি লোকসকল ঘাইকৈ বড়ো- কছাৰী, মেছ, ৰাভা আদি জনগোষ্ঠীৰহে আছিল, ভূটীয়া নাছিল। অৱশ্যে অঞ্চলটো অৰণ্যময় আছিল আৰু ইয়াক জনসংখ্যা পাতল আছিল। অঞ্চলটোৰ কালিৰ পৰিমাণ আছিল ৪৩৮৮৪ বর্গ কিঃমি। ১৮৬৪-৬৫ চনত বৃটিছে ইয়াক হস্তগত কৰি এখন নতুন প্রশাসনিক জিলা গঠন কৰিছিল আৰু দতমাত ইয়াৰ সদৰ পাতিছিল।

ইয়াণ্ডাবু সন্ধিৰ পাছত ব্রহ্মপুত্র উপত্যকা নিজৰ হাতলৈ নি বৃটিছে যি পাচঁখন জিলা গঠন কৰিছিল, সেই পাচঁখনৰ লগত গোৱালপাৰাকো যোগ দি 'আসাম ডিভিজন' নামেৰে বঙ্গপ্রদেশৰ অংশ হিচাপে, এজন কমিছনাৰৰ তলত অঞ্চলটো শাসন কৰা হৈছিল। ১৮৭৪ চনত অসমক এখন প্রদেশ হিচাপে গঠন কৰাত, গোৱালপাৰা জিলা প্রদেশখনৰ পশ্চিম সীমান্তত এক অবিচ্ছেদ্য অংগ হৈ পৰে। অৱশ্যে ১৮৬৯ চনত যেতিয়া গাৰোপাহাৰ জিলা গঠন কৰা হয়, তেতিয়া কৰৈবাৰী থানা এলেকাত থকা গাৰোপাহাৰৰ পশ্চিমভাগৰ কিছু পাহাৰীয়া অঞ্চল এই নতুন জিলাখনলৈ এৰি দিয়া হয়।

ভূ-প্রকৃতি ঃ

উনবিংশ শতিকাৰ গোৱালপাৰা জিলাৰ প্রাকৃতিক পৰিবেশ আজিকালিৰ তুলনাত বহুতো বেলেগ আছিল। সেই শতিকাৰ আৰু এতিয়াৰ ভূপ্রাকৃতিক প্রার্থক্য দুটা বিষয়ত উল্লেখযোগ্য। প্রথমতে, ব্রহ্মপুত্রকে ধৰি জিলাখনৰ নৈবোৰৰ গতিপথৰ বহুতো পৰিবর্তন হৈছে। দ্বিতীয়তে সেই শতিকাত যি ঘাঁহ -বন, গছ- গছনি, অৰণ্য আদি আছিল, সেইবোৰৰ বহুখিনি হ্রাস পাইছে আৰু ইয়াৰ ফলত বিল-জলাহ, জলাশয়, ইত্যাদিবোৰ পোত গৈ সেইবোৰৰ সংখ্যা কমি আহিছে আৰু জলাহ পৰিবেশ (Swamp ecology) সীমিত হৈ আহিছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে অবিভক্ত গোৱালপাৰাত ব্রহ্মপুত্রৰ উত্তৰ অংশত বঙ্গাইগাঁও আৰু কোক্ৰাঝাৰৰ দক্ষিণে অভয়াপুৰীৰপৰা পশ্চিমলৈ বগৰীবাৰী হৈ ৰঙ্গামাটিলৈকে ছেগাছোৰোকাকৈ সৰুবৰ পাহাৰ আৰু টিলাৰ এটা শ্রেণী আছে। এইবোৰৰ ভিতৰত নাককাটি (৫১৫ মিঃ), চক্রশিলা (৩২২ মিঃ), মালাদ (২৩৩ মিঃ) ফাগখাটি (৩০০ মিঃ), ভৈৰৱ চূড়া (৫০১ মিঃ), নন্দাগিৰি (৩৮০ মিঃ), ৰাজাচুলা (৩২৫ মিঃ), ভূমেশ্বৰ (৩৫০ মিঃ), বামণি (৯৫ মিঃ), আৰু ভকুৰামাৰী (৪৫৫মিঃ) প্রধান। এই পাহাৰবোৰ ১৯ শ শতিকাত মূল্যবান গছ-লতাৰে পৰিপূর্ণ আছিল। এই টিলা শ্রেণীটোৰ ঘাইকৈ পাদদেশত আৰু কেতিয়াবা কেতিয়াবা টিলাবোৰকে চাৰিওফালে ঘেৰি, মানসৰপৰা সোণকোষলৈ ব্রহ্মপুত্রৰ সমান্তৰলভাৱে এক লানি বিল , জলাহ অশ্বখুৰা হ্রদ আদি আছিল। এইবোৰৰ ভিতৰত তামৰাঙ্গা, দলনি, শালেশ্বৰ ধাকা , ধীৰ, কুমাৰীয়া, দিপৰ, দকৰা, পদুমফাৰা কদমতলা, আদি প্রধান। জিলাখনৰ দক্ষিণৰ সমতলতো পূবে ধূপধৰাৰপৰা আগিয়া লক্ষীপুৰ, জলেশ্বৰ আৰু দক্ষিণ শালমাৰা হৈ মানকাচৰলৈকে একলানী বিল-জলাহ আছিল। এইবোৰৰ ভিতৰত প্রধান আছিল উৰপদ, হাখিলা, জলেশ্বৰ, জালিগৌৰ কুমাৰী বাকদল, দীঘলডুবি আদি। এই দয়োখণ্ড বিল- জলাহ মাছ, কাছ, কুম্ভীৰ বিভিন্ন জলচৰপক্ষী আৰু অন্যান্য জীৱ জন্তুৰে ভৰি আছিল। তদুপৰি দুয়ো অঞ্চলতে আৰু নৈ পৰীয়া ঠাইবোৰত নল, খাগৰি, খেৰ , ইকৰা, পাটিদৈ, বেত, আদি ওখ ঘাঁহ বন আৰু জোপোহা গছ প্রচুৰ পৰিমাণে আছিল। এতিয়া অতি দ্রুতভাৱে বর্ধমান জনসংখ্যাৰ অবাধ হস্তক্ষেপৰ ফলত সেই পাহাৰৰ ঢালৰ গছ -গছনি আৰু বিল- জলাহৰ জৈৱসম্পদ নিঃশেষ হৈ আহিবলৈ ধৰিছে। তদুপৰি আংশিককভাৱে মানুহৰ হস্তক্ষেপত আৰু আংশিক ভাৱে প্রাকৃতিক কাৰণত বিল-জলাহ আৰু হাবি - বন ধ্বংস হোৱাত, সেইবোৰ ঠাই বর্ধিত জনসংখ্যাই বাসস্থানলৈ ৰূপান্তৰিত কৰিছে।

নদ-নদীঃ

ব্রহ্মপুত্র উপত্যকাৰ আনবোৰ জিলাৰ দৰে গোৱালপাৰাও নদ- নদী জান- জুৰিৰে পৰিপূর্ণ । ব্রহ্মপুত্র ইয়াৰ ঘাই নৈ । এই নৈয়ে বাওঁপাৰটো ভাঙি প্রতি বছৰে তাৰ গতিপথ দক্ষিণফালে থেলি নি আছি। উনবিংশ শতিকাৰ ব্রহ্মপুত্রই শালকোচা, চাপৰ, ৰাঙামাটি, ইত্যাদি ঠাইবোৰ প্রায় চুই গৈছিল। এতিয়া তাৰ গতিপথ দক্ষিণলৈ গৈ চূনাৰী, জলেশ্বৰ, লেংৰাভিটা, জামদাৰহাট, ফকিৰগঞ্জ আদি প্রায় নিঃ শিন্ন কৰি দক্ষিণ শালমৰা পাইছেগৈ আৰু ইয়াৰ এসোতা পানী জিঞ্জিৰামেদি ব'বলৈ লৈছে। ব্রহ্মপুত্রৰ গতিপথ যেনেকৈ দক্ষিণলৈ স্থানান্তৰিত হৈছে, সেইদৰে জিলাখনৰ উত্তৰপাৰৰ উপনৈবোৰৰ গতিপথো বহুতো অংশত পশ্চিমলৈ স্থানান্তৰিতি হোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে গোৱালপাৰাৰ প্রথমটো উপনৈ শৃঙ্খলৰ ঘাইনৈ মানাহ, ভূটান হিমালয়ৰপৰা বাঘদুৰাৰত ভৈয়ামলৈ ওলাই আহি দক্ষিণমুখে গতি কৰিছিল। তেতিয়া বর্তমান মাজভাগত এৰাসুঁতি হৈ পৰি থকা ককিলা নামৰ সুঁতিটোৰেদি মানস বৈছিল। কিন্তু;১৯ শ শতিকাৰ আগভাগত নৈখনৰ সোঁতৰ ধাৰা ককিলা এৰি পশ্চিমলৈ গ'ল। ফলত গৰৈমাৰী, পালংবাৰী, পাতিলদ্দহ, পাতকাটা, বৰবিলা, মাণিকপুৰ, আদি যিবোৰ ঠাই মানসৰ পশ্চিম কাষত আছিল , নৈখন পশ্চিমলৈ যোৱাত সেই ঠাইবোৰ ইয়াৰ পূব পাৰলৈ গ'ল। জিলাখনৰ দ্বিতীয়টো নদী শৃঙ্খল অর্থাৎ চম্পামতী-শৃঙ্খলৰ ক্ষেত্রতো এইটো দেখা গৈছে। ১৯ শ শতিকাত কুজিয়া আৰু ভূৰ নামৰ দুখন ডাঙৰ উপনৈয়ে ভূটান পাহাৰৰ পৰা চম্পামতীলৈ জলৰ যোগান ধৰিছিল। ভূৰে শুকাই গৈ এতিয়া মৰাভূৰ নাম পাইছে। দুৰাৰ অঞ্চলত ১৯ শ শতিকাতৰ ভূৰ আছিল ঘাই জলপথ, এতিয়া ই একেবাৰে বাম হৈ পৰিল। জিলাখনৰ তৃতীয়টো নদী শৃঙ্খল গৌৰাঙ্গ, সানুখা আৰু সৰল ভাঙ্গা মিলি সৃষ্টি কৰিছে। এই নদী কেইখনো চিৰাং দুৰাৰ , ছিদলি দুৰাৰ আৰু খুণ্টাঘাটৰ মাজেৰে বৈ গৈ বিলাসী পাৰাৰ পূবে ব্রহ্মপুত্রত পৰিছিল। গৌৰাঙ্গ শৃঙ্খলৰ পশ্চিমে আছে গঙ্গিয়া শৃঙ্খল। গঙ্গিয়া নৈ ভূটান পাহাৰৰপৰা ওলাই চিৰাং আৰু ৰিপু দুৰাৰৰ সীমাইদি বৈ পর্বতজোৰাৰ পৰগণাৰ মাজেৰে আহি বিলাসীপাৰাৰ পশ্চিমত ব্রহ্মপুত্রত পৰিছিল। এই নৈ শৃঙ্খলটোৰ উজনিত হেল, গঙ্গিয়া, জাকাটি আৰু মাদাটি নামৰ চাৰিখন উপনৈ আছে। ইয়াৰ একেবাৰে পশ্চিমৰ মাদাটি নামৰ উপনৈখন ভূটানৰ শৈলপদত, পশ্চিমৰ সোণকোষৰ

শাখানৈ এখনৰ শীৰ্ষাংশেৰে সংযুক্ত। গতিকে উনবিংশ শতিকাত গঙ্গিয়াৰ নিম্নাংশক 'সৰু সোণকোষ' বুলিয়েই জনা গৈছিল। ই আহি বগৰীবাৰীৰ পশ্চিমত ব্ৰহ্মপুত্ৰত পৰিছিল। জিলাখনৰ একেবাৰে পশ্চিমত থকা পঞ্চমটো নদী শৃঙ্খল অতি জটিল আছিল। ই হ'ল গদাধৰ গঙ্গাধৰ সোণকোষ শৃঙ্খল। ইয়াৰ ঘাই নৈ সোণকোষ ভূটানৰপৰা আহি গোৱালপাৰা আৰু জলপাইগুৰিৰ সীমাই দি জিলাখনত সোমাই দক্ষিণলৈ বৈ গৈছে। এইদৰে কিছু যোৱাৰ পাছত গদাধৰ নামে এখন নৈ আহি পুণৰ ফাটি পূৰৰ সুঁতিটো গদাধৰ নামেৰে আৰু পশ্চিমৰ সুতিটো গঙ্গাধৰ নামেৰে ব্ৰহ্মপুত্ৰত পৰিছিলহি।

জিলাখনৰ দক্ষিণপাৰৰ প্ৰধান উপনৈ কেইখন হ'ল দুধনৈ, কৃষ্ণাই, জিনাৰী, বলবলা, জিঞ্জিৰাম ইহঁতৰ জিঞ্জিৰামৰ বাহিৰে বাকী তিনিখন লৈ গাৰোপাহাৰৰপৰা ওলাই উত্তৰমুখে বৈ গৈ ব্ৰহ্মপুত্ৰত পৰিছেগৈ। জিঞ্জিৰাম কিন্তু গোৱালপাৰা চহৰৰ কিছু দক্ষিণৰ জলাহৰপৰা ওলাই পশ্চিমলৈ ব্ৰহ্মপুত্ৰত পৰিছেগৈ। জিঞ্জিৰাম কিন্তু গোৱালপাৰা চহৰৰ কিছু দক্ষিণৰ জলাহৰ ওলাই পশ্চিমলৈ ব্ৰহ্মপুত্ৰৰ প্ৰায় সমান্তৰালভাৱে বৈ গৈ কৰৈবাৰীৰ দক্ষিণত মৈমনসিং জিলাত ব্ৰহ্মপুত্ৰত পৰিছেগৈ।

জিলাখনত ব্ৰহ্মপুত্ৰৰ বেদীৰ ঢাল নিত্যান্তই কম অৰ্থাৎ কিল'মিটাৰত ৯/১০ চেন্টিমিটাৰমানহে। এনে হোৱাৰ বাবে অঞ্চলটোত সোঁতৰ গতি অতি মন্থৰ। গতিকে নৈখনৰ বেদীত আৰু বাৰিষা পাৰত, গেদ্ জমা হৈ বহুতো চৰ-চাপৰিৰ সৃষ্টি হৈছিল। এনে সাৰুৱা চৰ-চাপৰিত প্ৰচুৰ ঘাঁহ-বন গজিছিল আৰু ১৯ শ শতিকাত বঙ্গদেশৰ ৰংপুৰ, পাবনা আৰু ময়মনসিং আৰু বিহাৰৰ পূৰ্ণিয়া জিলাৰপৰা বহুতো লোকে খৰালি গৰু-ম'হৰ জাক লৈ চৰাবলৈ আহিছিল। বিংশ শতিকাত আকৌ এই চৰ-চাপৰিবোৰলৈ বঙ্গদেশৰ কাষৰীয়া জিলাকেইখনৰপৰা বহুতিৰ বাবে ভূমিহীন কৃষক আহিলৈ লৈছিল।

উনবিংশ শতিকাত ব্ৰহ্মপুত্ৰৰ দুয়োকাষৰ বহুখিনি ঠাইত বন্যা হোৱা দেখা গৈছিল। এই বন্যা উত্তৰ আৰু দক্ষিণৰ পৰা অহা উপনৈবোৰতকৈ ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীৰ বাবেহে হৈছিল। মন কৰিবলগীয়া যে সেই শতিকাত ব্ৰহ্মপুত্ৰৰে সৈতে উপনৈবোৰৰ সংগমস্থলবোৰ অধিক ওখ নাছিল; গতিকে বাৰিষা পানী বাঢ়িলে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ উপনৈবোৰৰ জলপৃষ্ঠতকৈ উচ্চ হৈ পৰিছিল আৰু ব্ৰহ্মপুত্ৰৰ পানী উপনৈবোৰেদি কিছু উজাই গৈছিল আৰু এনে উভটনি পানীয়ে দুয়োকাষে প্লাৱনৰ সৃষ্টি কৰিছিল।

বনজ সম্পদ ঃ

বনজ সম্পদত গোৱালপাৰা জিলা ১৯ শ শতিকাত অতি চহকী আছিল। ইয়াৰ মূল্যবান কাঠ, বিশেষকৈ শাল, চেগুন আৰু গমাৰী, ভাৰত বিখ্যাত আছিল। দক্ষিণে গাৰোপাহাৰৰ পাদদেশৰ কৰৈবাৰী আৰু হাব্ৰাঘাট পৰগনা দুটাত আৰু উত্তৰৰ ইষ্টার্ণ দুৰাৰ্ছ আৰু পৰ্বতজোৱাৰ পৰগণাত একোটাইঁত বিস্তীৰ্ণ এলেকা জুৰি শাল আৰু চেগুনৰ অৰণ্য আছিল। উল্লেখ আছে তেতিয়াৰ দিনত চৰকাৰৰ বন বিভাগে মাথোন শালকাঠৰ ওপৰত লগোৱা শুল্কৰ পৰাই ৩৫,০০০ ৰ পৰা ৪০,০০০ টকা সংগ্ৰহ কৰিছিল। জিলাখনৰ আন আন মূল্যবান কাঠৰ ভিতৰত আছিল গমাৰী, পমা, চাম, শিলিখা, উৰিয়াম, কদম, গন্ধাসৰৈ, শিঙৰি, ওদাল, শিমলু আৰু খয়েৰ। তদুপৰি ব্ৰহ্মপুত্ৰ আৰু বিল-জলাহবোৰৰ কাষত নল, খাগৰি, ইকৰা, খেৰতো আছিলেই। উত্তৰৰ দুৰাৰ অঞ্চলৰ টৰাইতো এনেবোৰ ওখ ঘাঁহ-বন প্ৰচুৰ পৰিমাণে গজিছিল।

জিলাখনৰপৰা কাঠ কাটি নিবলৈ সেই সময়ত পূৰ্ববঙ্গৰপৰা বহুতো কৰটীয়াল আহি ছিল। এই কৰটীয়ালসকলে বছৰি কুঠাৰখনে প্ৰতি ৪ ১/২ নয়া পইচামান বা গছজোপাই প্ৰতি ২ ১/২ অনা বা ১৫ নয়াপইচা কৰ দিব লাগিছিল। এইদৰে কটা গছৰ কাঠ নিবলৈ বঙ্গদেশৰপৰা বছৰি ৬০০ নাও আহিছিল আৰু এনে একোখন নাৱে কাঠ নিয়াৰ বাবে, বছৰি বিমান বাৰেই নিয়ক লাগে, মাথোন ২৪০ টকা ৰয়েল্টি দিব লাগিছিল। এনেদৰে কাঠৰপৰা ইষ্ট ইণ্ডিয়া কোম্পানী আৰু পাছলৈ বৃটিছ চৰকাৰে বছৰি ১২০০০ পাউণ্ড বা ১,৪৪,০০০ টকা ৰয়েল্টি মাথোন এই জিলাৰ পৰাই পাইছিল। কাঠ, বাঁহ, খেৰ, বেত আদিৰ বাহিৰেও জিলাখনৰ অৰণ্যত প্ৰচুৰ হাতী পোৱা গৈছিল। সেয়েহে ইয়াৰ জনজীৱনৰ লগত হাতী এনে ওতঃপ্ৰোতভাৱে জড়িত আছিল যে, হাতী-চিকাৰ, হাতী প্ৰশিক্ষণ আৰু হাতী-পালনক লৈ ৰচিত লোকগীতবোৰে আজিও গোৱালপৰীয়া লোকসংস্কৃতিক সমৃদ্ধ কৰি ৰাখিছে। হাতীৰ বাহিৰেও জিলাখনৰ আই-মানস টৰাই অঞ্চলত তেতিয়া গড়ো আছিল। তদুপৰি বনৰীয়া ম'হ, মেখুন, শৰ, হৰিণা, ঢেকীয়াপতীয়া, নাহৰফুটুকী আদি বণ্যপ্ৰাণী আৰু ম'ৰা চৰাইকে ধৰি বহুতো প্ৰকাৰৰ স্থলচৰ আৰু জলচৰ পক্ষীৰে জিলাখন ভৰি আছিল। সেয়েহে মোগলৰ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ আদি ভাগৰ শাসন কালত গোৱালপাৰা জিলাৰ জমিদাৰসকলে নজৰনা আৰু পেচকছ হাতী, হাতীৰ দাঁত আৰু শাল কাঠেৰে দিছিল আৰু কাঠ, হাতীৰ দাঁত, গড়ৰ খড়্গ, খয়েৰ আদি উল্লেখনীয় বপ্তানিৰ সামগ্ৰী আছিল।

প্ৰশাসন ঃ

ওপৰত আমি বৃটিছৰ দিনত জিলাখনৰ গঠন সম্পৰ্কে এটি আভাস পাই আহিছোঁ। ১৮২২ চনত জিলাখন উত্তৰ-পূব ৰংপুৰ জিলা নামেৰে গঠন কৰা হৈছিল। ১৮২৫ চনত এই গোৱালপাৰা নগৰত ইয়াৰ সদৰ স্থাপন কৰা হৈছিল আৰু ১৮২৬ চনত ইয়াৰ নাম গোৱালপাৰা দিয়া হৈছিল আৰু অসম ডিভিজনৰ তললৈ অনা হৈছিল। আনহাতে আকৌ উত্তৰৰ দুৰাৰ্ছ অঞ্চল, ১৮৬৪-৬৫ চনৰ ইং-ভূটান ৰণৰ পাছত, বৃটিছে বছৰি ২০,০০০ টকা ক্ষতিপূৰণৰ বিনিময়ত লৈ লৈছিল আৰু ইয়াক ১৮৬৬ চনত গোৱালপাৰা জিলাৰ লগত মিলাই দিছিল। ১৮৬৯ চনতে গাৰোপাহাৰ জিলাখন গঠন কৰা হৈছিল আৰু দক্ষিণ-পশ্চিমৰ কৰৈবাৰী জমিদাৰীৰ পৰ্বতীয়া অঞ্চলটো গোৱালপাৰাৰপৰা কাটি নি গাৰোপাহাৰত মিলাই দিয়া হৈছিল। ১৮৭৪ চনত জিলাখন নতুনকৈ গঠন কৰা অসম প্ৰদেশৰ অন্তৰ্ভুক্ত কৰা হৈছিল আৰু ১৮৭৯ চনত জিলাখনৰ সদৰ নতুনকৈ গুৰুত্বপূৰ্ণ হৈ উঠা ধুবুৰী চহৰলৈ স্থানান্তৰিত কৰা হৈছিল।

এইখিনিতে আমি জিলাখনত তেতিয়া বৰ্তি থকা জমিদাৰী প্ৰথাৰ উদ্ভৱৰ এটা থুলমূল ধাৰণা ল'ব পাৰোঁ। আমি পাই আহিছোঁ যে ১৬১৪ চনত কোঁচ হাজো মোগলৰ অধীন হৈছিল। পৰীক্ষিতৰ পুত্ৰ কোঁচ ৰাজকুমাৰ চন্দ্ৰনাৰায়ণে মোগলৰ তলত কৰতলীয়া ৰজা হিচাপে নজৰানা আৰু পেচকছ্ দিয়াৰ বন্দবস্তত ১৬২৩ চনত বিজনি ৰাজ্য স্থাপন কৰিছিল এই বিজনী ৰাজ্যৰপৰা পাছলৈ মেচপাৰা, চাপৰ, পৰ্বতজোৱাৰ ইত্যাদি তুলনামূলকভাৱে সৰু সৰু জমিদাৰীবোৰৰ সৃষ্টি হৈছিল। ঢাকাত থকা মোগলৰ নবাবৰ অধীনত এজন ফৌজদাৰে প্ৰথমভাগত কামৰূপৰ হাজোত থাকি আৰু পাছলৈ ১৬৮৭ চনৰপৰা গোৱালপাৰাৰ পানবাৰীৰ ওচৰৰ ৰঙামাটিত থাকি জমিদাৰসকল আৰু একোজন ঠিকাদাৰৰ সহায়ত কৰ, পেচ্কছ আদি সংগ্ৰহ কৰিছিল। তলত মূল জমিদাৰী কেইখনৰ চমু পৰিচয় দিয়া হ'লঃ

বিজনী ঃ

কোঁচ ৰাজ্যৰ পৰম্পৰা ৰক্ষা কৰি বিজনী জমিদাৰী গঢ়ি উঠিছিল বুলি ক'ব পাৰি। কোঁচহাজোৰ ৰজা পৰীক্ষিতৰ পুত্ৰ চন্দ্ৰনাৰায়ণ ১৬২৩ চনত আহোমৰ আশ্ৰয় পৰিত্যাগ কৰি মোগলৰ শৰণাপন্ন হোৱাত তেওঁক মানস আৰু সোণকোষৰ মাজৰ অঞ্চলটোৰ কৰতলীয়া ৰজা বা জমিদাৰ পতা হয়। তেওঁৰ দিনত বহুপ্ৰকাৰৰ প্ৰশাসনিক বিশৃঙ্খলতাই দেখা দিছিল। এই সুযোগতে বিজনী ৰাজ্যৰ উত্তৰ অংশৰ বিজনী দুৰাৰ, চিৰাং দুৰাৰ, ছিদলি দুৰাৰ, ৰিপা দুৰাৰ আৰু গুমা দুৰাৰৰ ভূটানৰ 'দেৰ ৰাজাই' নিজৰ তললৈ লৈ যায়। সেই সময়ত ব্ৰহ্মপুত্ৰৰ দক্ষিণ অঞ্চলত বলনাৰায়ণ চৌধুৰী নামৰ বিজনী ৰজাৰ এজন গোমোস্তাই নিজে জমিদাৰ হৈ সেই অঞ্চলটোত 'মেচপাৰা' নামেৰে এখন বেলেগ জমিদাৰী আৰম্ভ কৰে। এনেবোৰ বিপৰ্য্যয়ৰ মাজত বিজনী ৰাজপৰিয়ালৰ শিৱনাৰায়ণ নামৰ এজন কোঁৱৰে মোগল নবাবৰ লগত যোগাযোগ কৰি নবাবক ১০,০০০ টকা নজৰানা আৰু বছৰি কিছুমান হাতীৰে পেচ্কছ দিয়াৰ স্বৰ্ত মানি লৈ গোৱালপাৰাৰ হাবৰাঘাট আৰু খুন্টাঘাট আৰু বিজনী দুৰাৰৰ বিজনী মহল বা নিজবিজনী অঞ্চলৰ পালি ৰজা হয়। কিন্তু ১৭৯৩ চনত লৰ্ড কৰ্ণৱালিছৰ দিনত প্ৰবৰ্তন কৰা চিৰস্থায়ী বন্দবস্ত মতে বিজনিৰ ৰজাৰ পদ মৰ্য্যদা পালিৰজাৰপৰা অৱনমিত কৰি জমিদাৰ পৰ্য্যায়ত কৰা হৈছিল; অৱশ্যে অলঙ্কাৰ হিচাপে 'ৰজা' উপাধিটো তেওঁ ব্যৱহাৰ কৰিবলৈ অনুমতি দিছিল। উল্লেখ আছে যে ১৮০৯ চনত এই জমিদাৰীৰ কৃষকসকলে মুঠতে ৩২৪০০ খন হাল বাইছিল আৰু প্ৰত্যেকখন হালৰপৰা বছৰি ৫ টকাকৈ কৰ দিয়াৰ নিৰ্দেশ দিয়া হৈছিল। ১৮৫৩ চনত ইয়াৰ ৰজা অমৃতনাৰায়ণৰ মৃত্যু হয় আৰু ৰাণী ভোগেশ্বৰীয়ে জমিদাৰৰ ক্ষমতা নিজৰ হাতত লয়। প্ৰশাসনিক বিজুতি আৰু কৰ নিদিয়াৰ অজুহাতত বৃটিছে ৰাণীৰ হাতৰপৰা খুন্টাঘাট আৰু হাবৰাঘাট পৰগনা দুটা সাময়িকভাৱে কাঢ়ি লয় আৰু তেওঁ মাথোন নিজ বিজনীহে শাসন কৰিবলৈ পায়। ১৮৭৭ চনত অৱশ্যে পৰগনা দুটা ৰজা কুমুদনাৰায়ণক ঘুৰাই দিয়া হৈছিল। ১৮৮৩ চনত কুমুদনাৰায়ণৰ মৃত্যুৰ পাছত তেওঁৰ ৰাণী সিদ্ধেশ্বৰী আৰু অভয়েশ্বৰীয়ে পাৰিবাৰিক কন্দলৰ মাজেৰে ১৮৯১ চনলৈ আৰু অভয়েশ্বৰীয়ে অকলে ১৯১৮ চনলৈ জমিদাৰী চলাইছিল।

কৰৈবাৰী ঃ

এতিয়াৰ মানকাচৰ থানা এলেকা আৰু গাৰোপাহাৰৰ পশ্চিমাংশ লৈ এই জমিদাৰী গঠিত হৈছিল। ইয়াৰ কালি প্ৰায় ২০৪৮ বৰ্গ কি. মি. আছিল। প্ৰবাদ মতে ১৩২০ খ্ৰীষ্টাব্দত পদ্মনাভ নামৰ এজন লোকে এই অংশত এখনি ক্ষুদ্ৰ ৰাজ্য স্থাপন কৰিছিল। ১৭৪০ চনত ই মোগলৰ অধীনলৈ আহে ইয়াত এটা পৰগনা গঠন কৰা হয়। ইয়াৰ জমিদাৰে গাৰো সকলে যাতে ভৈয়ামত লুণ্ঠন-উৎপীড়ণ কৰিব নোৱাৰে তালৈ চকু দিব লাগিছিল। মহেন্দ্ৰনাৰায়ণ নামৰ জমিদাৰ এজনে

চনৰ চিৰস্থায়ী বন্দবস্তৰ সময়ক জমিৰ ৰাজহৰ বাদে অন্যান্য কৰ ঘাইকৈ আবকাৰী শুল্ক জমিদাৰে সংগ্রহ কৰাটো চৰকাৰে নিষিদ্ধ কৰি দিয়ে আৰু তাৰ ক্ষতিপূৰণ হিচাপে চৰকাৰে জমিদাৰক বছৰি ৬৭৭ টকা দিবলৈ মান্তি হয়। আনহাতে আকৌ গাৰোসকলক দমন কৰি ৰায়তৰ মাজত শান্তি-স্থাপন কৰাৰ বাবে জমিদাৰে বৃটিছ চৰকাৰক, তেওঁৰ জমিদাৰীৰ গাৰোপাহাৰৰ পাদদেশৰ অংশটোৰপৰা উঠা ৰাজহৰ ২৫ শতাংশ দিবলৈ সন্মত হৈছিল। এই বংশৰ জমিদাৰসকলে ভালেমান সামাজিক আৰু সাংস্কৃতিক কাম কৰিছিল। এইবোৰৰ ভিতৰত মদন মোহন মন্দিৰলৈ দিয়া দেৱোত্তৰ জমি, বালিজানাত পতা সত্র, বিভিন্ন শিক্ষানুষ্ঠানলৈ দিয়া অৱদান আৰু লুটপাট কৰিবলৈ অহা গাৰোসকলক দমন, ইত্যাদি প্রধান।

পৰ্বতজোৱাৰ ঃ

এই জমিদাৰীখনক সাধাৰণতে বগৰীবাৰী জমিদাৰী বুলিহে জনা যায়। জমিদাৰীখন আদিতে কেনেকৈ আৰম্ভ হৈছিল তাৰ নির্ভৰযোগ্য তথ্য জনা হোৱা নাই। যথাসম্ভৱ মোগল আহোমৰ যুদ্ধৰ সময়ত, অর্থাৎ ১৬১৪ চনৰপৰা ১৬৩৬ চনৰ ভিতৰত, মোগলক সহায় কৰাৰ বাবে এই জমিদাৰীৰ আদি পুৰুষ হাতীবৰ সিংহ চৌধুৰীক চনদেৱে এই এলেকাটো বিজনী জমিদাৰৰপৰা কাটি নি দান কৰা হৈছিল। ই খুন্টাঘাটৰ পশ্চিমে বগৰীবাৰীৰ চাৰিওফালে জুৰি ৭০৬.৪৪ বর্গ কি.মি. ৰ এখন ডাঙৰ জমিদাৰী। উপযুক্ত পৰিচালনা আৰু প্রশাসনৰ অভাৱত আৰু জমিদাৰ পৰিয়ালৰ মাজত অন্তর্কলহৰ বাবে এই জমিদাৰীখন সম্বৃদ্ধিশালী হে উঠিব পৰা নাছিল। শেষৰ ফালে জমিদাৰীখন তিনিটা ভাগত ভাগ কৰি শাসন কৰা হৈছিল। প্রথম ভাগটোত আছিল সমগ্র জমিদাৰীখনৰ আধা। ইয়াক সুৰেন্দ্র নাৰায়ণ চৌধুৰী নামৰ জমিদাৰৰ পৰিয়ালৰ এজন বগৰীবাৰীত থাকি চলাইছিল। বাকী আধা অংশৰ ৫/৮ ভাগ বিমলা সুন্দৰী নামৰ জমিদাৰৰ পৰিয়ালৰ এগৰাকী মহিলাই ৰূপসিত থাকি চলাইছিল আৰু অৱশিষ্ট ৩/৮ অংশ সুশীলা সুন্দৰী নামৰ আন এগৰাকী মহিলাই কলিকতাৰপৰা চলাইছিল। বিংশ শতিকাৰ দ্বিতীয় তৃতীয় আৰু চতুর্থ দশকত জমিদাৰীখন অধিক অন্তর্কলহত জড়িত হৈ পৰিছিল আৰু ভাগ ভাগ হৈ গৈছিল।

চাপৰ ঃ

১৭৭০ ৰ দশকত জয়নাৰায়ণ শর্মা নামৰ এজন লোকক মোগল সম্রাটে এখন চনদেৱে এই জমিদাৰীখন দিছিল। জমিদাৰীখন ঘাইকৈ ব্রহ্মপুত্রৰ চৰ অঞ্চলত পূবে যোগীঘোপা পঞ্চৰত্নৰপৰা পশ্চিমে ধুবুৰী আৰু ফকিৰগঞ্জৰ উজনিলৈকে জুৰি আছিল। ইয়াৰ কালি আছিল ৫১৪.৫৬ বর্গ কি.মি.। এলেকাটোৰ অধিকাংশ ঠায়েই ব্রহ্মপুত্র নৈ আৰু তাৰ চৰ-চাপৰিসমূহে আগুৰি থকা বাবে জমিদাৰে তেতিয়া ৰঙামাটিত থকা মোগল ফৌজদাৰক নাম মাত্রহে কৰ দিব পাৰিছিল। ইয়াৰ জমিদাৰ কীর্তিনাৰায়ণে ১৮৫৩ চনত তেওঁলোকৰ বাসস্থান চাপৰৰপৰা বিলাসীপাৰালৈ তুলি নিছিল। এইজমিদাৰ পৰিয়ালৰ কেইবাটাও প্রজন্ম পুত্র-সন্তানবিহীন হোৱা বাবে কেইবাজনো তোলনীয়া পুত্র জমিদাৰ হৈছিল। সি যি কি নহওক, ইয়াৰ জমিদাৰ কীর্ত্তিনাৰায়ণে ইং-ভূটান ৰণত বৃটিছক নানান প্রকাৰে সহায় কৰিছিল। উল্লেখনীয় যে ইয়াৰ জমিদাৰ নৃপেন্দ্র নাৰায়ণে ১৯৩১ চনত জমিদাৰী পৰিচালনা ক'ৰ্ট অৱ ৱার্ডছৰ ওপৰত ন্যস্ত কৰি পত্নীসহ বেনাৰসত থাকিবলৈ গৈছিল। তিনিবছৰৰ পাছত ১৯৩৪ চনত ঘুৰি আহি তেওঁ পুনৰ জমিদাৰী পৰিচালনাৰ ভাৰ লৈছিলহি। এই জমিদাৰৰ পৰিয়ালটোৱে ভালেখিনি জন-হিতকৰ কাম কৰিছিল।

ওপৰত আমি গোৱালপাৰা জিলাৰ মূল জমিদাৰী কেইখনৰ এটা থুলমূল আভাস পালোঁ। বৃটিছে ১৮২২ চনত গোৱালপাৰাক এখন জিলা হিচাপে গঠন কৰোঁতে গোৱালপাৰা, ধুবুৰী আৰু কৰৈবাৰী নামৰ তিনিটা থানাত ভাগ কৰা হৈছিল বুলি ওপৰত উল্লেখ কৰা হৈছে। পাছত জিলাখনক গোৱালপাৰা সদৰ আৰু ধুবুৰী, এই দুটা মহকুমাত ভাগ কৰা হৈছিল। সদৰ মহকুমাত গোৱালপাৰা, শালমৰা (উত্তৰ) আৰু ফকিৰ গাওঁ বা ফকিৰাগ্রাম - এই তিনিটা থানা আছিল। সিফালে ধুবুৰী মহকুমাত ধুবুৰী, আগমনি, পুথিমাৰী, শিঙ্গিমাৰী আৰু কৰৈবাৰী - এই পাঁচটা থানা এলেকা পৰিছিল। সাধাৰণ বা অসামৰিক প্রশাসনৰ বাবে জিলাখনক ষোল্লটা পৰগনা আৰু পাঁচটা দুৱাৰ অঞ্চলত ভাগ কৰা হৈছিল। এই পৰগনা কেইটাৰ অৱস্থান আৰু বিস্তৃতি নিম্নোক্ত ধৰণৰ ঃ

১) ঘুৰলা ঃ এতিয়াৰ গোলোকগঞ্জ, বাসবাৰী আৰু আগমনি অঞ্চল।

২) মকৰ মণ্ডৰ ঃ গোলোকগঞ্জ দক্ষিণ আৰু ধুবুৰীৰ পশ্চিম অঞ্চল।

৩) টাৰিয়া ঃ গৌৰীপুৰৰ উত্তৰৰ ৰূপসি অঞ্চল।

৪) গোলা আলমগঞ্জ ঃ আলমগঞ্জ-গৌৰীপুৰ অঞ্চল। মোগল ৰাজত্ব দিনত ইয়াত পর্টুগীজ বণিকৰ দোকান আছিল।

৫) নোৱাবাদ ফুটুৰি ঃ পানবাৰী-ৰঙামাটি আৰু

১৭৮৮ চনৰপৰা ১৮১৫ চনৰ ভিতৰত গাৰোসকলৰ লুণ্ঠন বন্ধ-কৰিবলৈ ফুলবাৰী, বেলবাৰী, শিঙ্গিমাৰী, বাঘৰগাওঁ, গাৰোৰান্ধা, ইত্যাদি গিৰিপদীয় ঠাইবোৰত বৰকান্দাজ ৰখাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ জমিদাৰে ইষ্ট ইণ্ডিয়া কোম্পানীক সময়মতে ৰাজহ নিদিয়াৰ অজুহাতত জমিদাৰীখন ৰামচন্দ্র লাহিড়ী নামৰ কোঁচবিহাৰৰ মানুহ এজনক বিক্রী কৰি দিছিল। এৱোঁ সময়মতে যথাযথ কৰ দিব নোৱাৰাত, দুজন লোকে বাৰঅনা ঃ চাৰিঅনা ভাগত, অর্থাৎ কৰ সংগ্রহ কৰি পাব লগা ৰানচৰ তিনি-চতুর্থাংশ এজনে আৰু এক-চতুর্থাংশ আনজনে লোৱা বন্দৰস্তত ভাগ কৰি চলাইছিল। এই দুয়োজন লোকেই কৰৈবাৰীৰ স্থানীয় বাসিন্দা নাছিল। গতিকে ৰায়তে কোনো প্রকাৰৰ সা-সুবিধা নেপাইছিল।

গৌৰীপুৰ ঃ

বিজনী জমিদাৰীৰ দৰে গৌৰীপুৰ জমিদাৰীও যথেষ্ট পুৰণি। কোঁচ ৰজা পৰীক্ষিত নাৰায়ণৰ মৃত্যুৰ পাছত, মোগল নবাবে কবীন্দ্র পাত্র নামৰ এজন লোকক ৰঙামাটিৰ ফৌজ্দাৰৰ তলত সেই অঞ্চলৰ কাননগো পাতিছিল। কবীন্দ্রৰ মৃত্যুৰ পাছত তেওঁৰ পৰিয়ালৰ লোক বংশানুক্রমে ৰঙামাটি অঞ্চলৰ কানানগো হয় আৰু লাহে লাহে 'নানকৰ' বা ৰাজহ নোহোৱা মাটি নিজৰ নামত সংগ্রহ কৰিবলৈ লয়। এই পৰিয়ালৰ সপ্তম পুৰুষ দেবীপ্রসাদক ১৬৬৭ চনত মোগল সম্রাট আউৰংজেৱে এক ছনদ যোগে বাহিৰবন্দ, ডাকি, বাকি আদি ৰংপুৰ, মৈমনসিং আদি গোৱালপাৰাৰ কাষৰ জিলাৰ কিছু ঠাইৰ ৰাজহ সংগ্রহ কৰাৰ অধিকাৰ প্রদান কৰিছিল। এইদৰে এই পৰিয়ালৰ বুলচন্দ্র বৰুৱাই ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা ১৭৮২ চনত ঘুৰ্লা, জমিৰা, আউৰঙ্গাবাদ, মকৰমপুৰ আৰু গোলা আলমগঞ্জ নামৰ পাঁচটা পৰগণাৰ জমিদাৰীৰ অধিকাৰ পায়। সময়ত জমিদাৰীখন সমৃদ্ধ হৈ উঠে আৰু ধীৰচন্দ্র বৰুৱা নামৰ জমিদাৰ জনে কালুমালুপাৰা, নোৱাবাদ ফুটুৰী আৰু ধুবুৰী নামৰ পৰগনা কেইটা সম্পূর্ণকৈ আৰু টাৰিয়া নামৰ পৰগনাটোৰ এটা অংশৰ স্বত্ত কিনি নিজৰ আগৰ পাচটা পৰগনাত যোগ দি এখন ডাঙৰ জমিদাৰী গঢ়ি তুলিছিল। ইয়াৰ কালি পৰিমান তেতিয়া ১২৬৪.৬৪ বর্গ কি.মি. হৈছিলগৈ। ইয়াৰ বাহিৰেও গৌৰীপুৰ জমিদাৰৰ খুন্টাঘাট আৰু হাবৰঘাটটো কিছু নানকৰ বা ৰাজহবিহীন জমি আছিল। ১৮৫০ চনলৈকে এই জমিদাৰীৰ সদৰ আছিল ৰঙামাটি। সেই চনত জমিদাৰ প্রতাপ চন্দ্র বৰুৱাই তেওঁৰ সদৰ গৌৰীপুৰলৈ উঠাই লৈ যায়। উল্লেখযোগ্য যে এইজনা জমিদাৰে ধুবুৰী এলেকাটো ১৮৭৯ চনত গোৱালপাৰা জিলাৰ সদৰ পাতিবৰ কাৰণে চৰকাৰক দান দিছিল। ৰাণী ভৱানীপ্রিয়াৰ তোলনীয়া পুত্র প্রভাতচন্দ্র বৰুৱা ১৮৯৬ চনত গৌৰীপুৰৰ জমিদাৰ হৈছিল। এই জমিদাৰ পৰিয়ালটোৱে শিক্ষা আৰু সংস্কৃতিলৈ বহুতো অৱদান আগবঢ়াইছিল।

ছিদলি ঃ

নৰনাৰায়ণৰ দেউতাক বিশ্বসিংহৰ সম্পর্কীয় ভীমসিংহ নামৰ এজন লোক এই জমিদাৰীৰ আদি পুৰুষ বুলি কোৱা হয়। কিন্তু জমিদাৰীখনৰ অধিকাংশ এলেকাই হিমালয়ৰ পাদদেশত হোৱা বাবে ভূটান চৰকাৰৰ ইয়াৰ ওপৰত প্রভাৰ অধিক আছিল। ১৭৮৪ চনৰপৰা এই এলেকাৰ ৰাজহ ভূটানৰ দেৱৰাজাই সংগ্রহ কৰি আছিল। ১৮০৯ চনত ভূটানৰ ৰজাই এখন চনদেৱে ছিদলিৰ জমিদাৰ সূর্য্যনাৰায়ণক 'ৰজা' উপাধি প্রদান কৰিছিল। ১৮৬৪-৬৫ চনৰ ইঙ্গ-ভূটান ৰণত ভূটান হাৰিলত ইয়াৰ জমিদাৰ গৌৰীনাৰায়ণে ছিদলি দুৱাৰ অঞ্চলবো স্বত্ত দাবী কৰে আৰু ১৮৭০ চনত বৃটিছ চৰকাৰে সাত বছৰৰ বাবে এই জমিখণ্ড স্বত্ত ছিদলিৰ জমিদাৰক দিয়ে। ১৮৮৫ চনত গৌৰীনাৰায়ণৰ মৃত্যু হয়। তেওঁ পুত্র বিষ্ণুনাৰায়ণ নাবালক হৈ থকাত, বৃটিছ চৰকাৰে ২০ শতাংশ 'মালিকানা' জমিদাৰৰ পৰিয়ালক দিবলৈ মান্তি হৈ, সাময়িক ভাৰে কৰ আদায়ৰ দিহা কৰিছিল। পাছত কেইবছৰমান নিজে জমিদাৰী চলোৱাৰ পাছত ১৯০১ চন বিষ্ণুনাৰায়ণৰ মৃত্যু হয়।

মেচ্পাৰা ঃ

ব্রহ্মপুত্র নৈৰ দক্ষিণত হাব্রাঘাটৰ পশ্চিমৰপৰা প্রায় দক্ষিণ শালমৰা পর্য্যন্ত জুৰি এই জমিদাৰীখনৰ কালি ১০২১.৪৪ বর্গ কিল'মিটাৰ। এলেকাটো আদিতে বিজনী জমিদাৰৰ অধীনত আছিল। কিন্তু ওপৰত উল্লেখ কৰাৰ দৰে বলৰাম চৌধুৰী নামৰ বিজনী জমিদাৰীৰ বিষয়া এজনে মোগল শাসনৰ শেষৰ ফালে এই নতুন জমিদাৰীখন স্থাপন কৰে। অঞ্চলটোত তেতিয়া মেচ্ লোকৰ সংখ্যাধিক্য আছিল বাবেই ইয়াক মেচপাৰা নাম দিয়া হৈছিল বুলি জনা যায়। ইয়াৰ জমিদাৰে মোগল চৰকাৰ আৰু পাছলৈ ইষ্ট ইণ্ডিয়া কোম্পানী গাৰোপাহাৰ অঞ্চলত উৎপাদিত কপাহ, কাঠ, লা, ইত্যাদিৰে ৰাজহ পৰিশোধ কৰিছিল। জমিদাৰ ৰাণাৰাম চৌধুৰীৰ ১৭৮৮ চনত মৃত্যু হোৱাত মহীৰাম চৌধুৰী জমিদাৰ হৈছিল। এওঁ গাৰোপাহাৰৰ কাষে কাষে বহুত হাট বহুৱাইছিল আৰু কপাহ, লা ইত্যাদিৰ বাণিজ্যত উৎসাহ দিছিল। ১৭৯৩

চনৰ চিৰস্থায়ী বন্দবস্তৰ সময়ক জমিৰ ৰাজহৰ বাদে অন্যান্য কৰ ঘাইকৈ আবকাৰী শুল্ক জমিদাৰে সংগ্রহ কৰাটো চৰকাৰে নিষিদ্ধ কৰি দিয়ে আৰু তাৰ ক্ষতিপূৰণ হিচাপে চৰকাৰে জমিদাৰক বছৰি ৬৭৭ টকা দিবলৈ মান্তি হয়। আনহাতে আকৌ গাৰোসকলক দমন কৰি ৰায়তৰ মাজত শান্তি-স্থাপন কৰাৰ বাবে জমিদাৰে বৃটিছ চৰকাৰক, তেওঁৰ জমিদাৰীৰ গাৰোপাহাৰৰ পাদদেশৰ অংশটোৰপৰা উঠা ৰাজহৰ ২৫ শতাংশ দিবলৈ সন্মত হৈছিল। এই বংশৰ জমিদাৰসকলে ভালেমান সামাজিক আৰু সাংস্কৃতিক কাম কৰিছিল। এইবোৰৰ ভিতৰত মদন মোহন মন্দিৰলৈ দিয়া দেৱোত্তৰ জমি, বালিজানাত পতা সত্র, বিভিন্ন শিক্ষানুষ্ঠানলৈ দিয়া অৱদান আৰু লুটপাট কৰিবলৈ অহা গাৰোসকলক দমন, ইত্যাদি প্রধান।

পৰ্বতজোৱাৰ ঃ

এই জমিদাৰীখনক সাধাৰণতে বগৰীবাৰী জমিদাৰী বুলিহে জনা যায়। জমিদাৰীখন আদিতে কেনেকৈ আৰম্ভ হৈছিল তাৰ নির্ভৰযোগ্য তথ্য জনা হোৱা নাই। যথাসম্ভৱ মোগল আহোমৰ যুদ্ধৰ সময়ত, অর্থাৎ ১৬১৪ চনৰপৰা ১৬৩৬ চনৰ ভিতৰত, মোগলক সহায় কৰাৰ বাবে এই জমিদাৰীৰ আদি পুৰুষ হাতীবৰ সিংহ চৌধুৰীক চনদেৱে এই এলেকাটো বিজনী জমিদাৰৰপৰা কাটি নি দান কৰা হৈছিল। ই খুন্টাঘাটৰ পশ্চিমে বগৰীবাৰীৰ চাৰিওফালে জুৰি ৭০৬.৪৪ বর্গ কি.মি. ৰ এখন ডাঙৰ জমিদাৰী। উপযুক্ত পৰিচালনা আৰু প্রশাসনৰ অভাৱত আৰু জমিদাৰ পৰিয়ালৰ মাজত অন্তর্কলহৰ বাবে এই জমিদাৰীখন সমৃদ্ধিশালী হৈ উঠিব পৰা নাছিল। শেষৰ ফালে জমিদাৰীখন তিনিটা ভাগত ভাগ কৰি শাসন কৰা হৈছিল। প্রথম ভাগটোত আছিল সমগ্র জমিদাৰীখনৰ আধা। ইয়াক সুৰেন্দ্র নাৰায়ণ চৌধুৰী নামৰ জমিদাৰৰ পৰিয়ালৰ এজন বগৰীবাৰীত থাকি চলাইছিল। বাকী আধা অংশৰ ৫/৮ ভাগ বিমলা সুন্দৰী নামৰ জমিদাৰৰ পৰিয়ালৰ এগৰাকী মহিলাই ৰূপসিত থাকি চলাইছিল আৰু অৱশিষ্ট ৩/৮ অংশ সুশীলা সুন্দৰী নামৰ আন এগৰাকী মহিলাই কলিকতাৰপৰা চলাইছিল। বিংশ শতিকাৰ দ্বিতীয় তৃতীয় আৰু চতুর্থ দশকত জমিদাৰীখন অধিক অন্তর্কলহত জড়িত হৈ পৰিছিল আৰু ভাগ ভাগ হৈ গৈছিল।

চাপৰ ঃ

১৭৭০ ৰ দশকত জয়নাৰায়ণ শর্মা নামৰ এজন লোকক মোগল সম্রাটে এখন চনদেৱে এই জমিদাৰীখন দিছিল। জমিদাৰীখন ঘাইকৈ ব্রহ্মপুত্রৰ চৰ অঞ্চলত পূবে যোগীঘোপা পঞ্চৰত্নৰপৰা পশ্চিমে ধুবুৰী আৰু ফকিৰগঞ্জৰ উজনিলৈকে জুৰি আছিল। ইয়াৰ কালি আছিল ৫১৪.৫৬ বর্গ কি.মি.। এলেকাটোৰ অধিকাংশ ঠায়েই ব্রহ্মপুত্র নৈ আৰু তাৰ চৰ-চাপৰিসমূহে আগুৰি থকা বাবে জমিদাৰে তেতিয়া ৰঙামাটিত থকা মোগল ফৌজদাৰক নাম মাত্রহে কৰ দিব পাৰিছিল। ইয়াৰ জমিদাৰ কীর্তিনাৰায়ণে ১৮৫৩ চনত তেওঁলোকৰ বাসস্থান চাপৰৰপৰা বিলাসীপাৰালৈ তুলি নিছিল। এই জমিদাৰ পৰিয়ালৰ কেইবাটাও প্রজন্ম পুত্র-সন্তানবিহীন হোৱা বাবে কেইবাজনো তোলনীয়া পুত্র জমিদাৰ হৈছিল। সি যি কি নহওক, ইয়াৰ জমিদাৰ কীর্ত্তিনাৰায়ণে ইং-ভূটান ৰণত বৃটিছক নানান প্রকাৰে সহায় কৰিছিল। উল্লেখনীয় যে ইয়াৰ জমিদাৰ নৃপেন্দ্র নাৰায়ণে ১৯৩১ চনত জমিদাৰী পৰিচালনা ক'ৰ্ট অৱ ৱার্ডছৰ ওপৰত ন্যস্ত কৰি পত্নীসহ বেনাৰসত থাকিবলৈ গৈছিল। তিনিবছৰৰ পাছত ১৯৩৪ চনত ঘূৰি আহি তেওঁ পুনৰ জমিদাৰী পৰিচালনাৰ ভাৰ লৈছিলহি। এই জমিদাৰৰ পৰিয়ালটোৱে ভালেখিনি জন-হিতকৰ কাম কৰিছিল।

ওপৰত আমি গোৱালপাৰা জিলাৰ মূল জমিদাৰী কেইখনৰ এটা থুলমূল আভাস পালোঁ। বৃটিছে ১৮২২ চনত গোৱালপাৰাক এখন জিলা হিচাপে গঠন কৰোঁতে গোৱালপাৰা, ধুবুৰী আৰু কৰৈবাৰী নামৰ তিনিটা থানাত ভাগ কৰা হৈছিল বুলি ওপৰত উল্লেখ কৰা হৈছে। পাছত জিলাখনক গোৱালপাৰা সদৰ আৰু ধুবুৰী, এই দুটা মহকুমাত ভাগ কৰা হৈছিল। সদৰ মহকুমাত গোৱালপাৰা, শালমৰা (উত্তৰ) আৰু ফকিৰ গাওঁ বা ফকিৰাগ্রাম - এই তিনিটা থানা আছিল। সিফালে ধুবুৰী মহকুমাত ধুবুৰী, আগমনি, পুথিমাৰী, শিঙ্গিমাৰী আৰু কৰৈবাৰী - এই পাঁচটা থানা এলেকা পৰিছিল। সাধাৰণ বা অসামৰিক প্রশাসনৰ বাবে জিলাখনক ষোল্লটা পৰগনা আৰু পাঁচটা দুৱাৰ অঞ্চলত ভাগ কৰা হৈছিল। এই পৰগনা কেইটাৰ অৱস্থান আৰু বিস্তৃতি নিম্নোক্ত ধৰণৰ ঃ

১) ঘুৰলা ঃ এতিয়াৰ গোলোকগঞ্জ, বাসবাৰী আৰু আগমনি অঞ্চল।

২) মকৰ মৃগুৰ ঃ গোলোকগঞ্জ দক্ষিণ আৰু ধুবুৰীৰ পশ্চিম অঞ্চল।

৩) টাৰিয়া ঃ গৌৰীপুৰৰ উত্তৰৰ ৰূপসি অঞ্চল।

৪) গোলা আলমগঞ্জ ঃ আলমগঞ্জ-গৌৰীপুৰ অঞ্চল। মোগল ৰাজত্ব দিনত ইয়াত পর্টুগীজ বণিকৰ দোকান আছিল।

৫) নোৱাবাদ ফুটুৰি ঃ পানবাৰী-ৰঙামাটি আৰু

তাৰ পূবৰ এটা ক্ষুদ্ৰ অঞ্চল।

৬) ধুবুৰী ঃ তৎকালীন ধুবুৰী চহৰ অঞ্চল। (ই আছিল ক্ষুদ্ৰতম পৰগনা; ইয়াৰ কালি মাথোন ০.৪৭ বৰ্গ কি.মি. আছিল।)

৭) জমিৰা ঃ ধুবুৰীৰ অলপ পূবৰপৰা জিলাখনৰ পশ্চিম-দক্ষিণ সীমালৈকে পাতামাৰী, ব্ৰহ্মপুত্ৰ চৰ আৰু কাষৰীয়া অঞ্চলক লৈ এটা মজলীয়া এলেকা।

৮) কৰৈবাৰী ঃ বৰ্তমানৰ মানকাচৰ থানা আৰু তৎসংলগ্ন গাৱোঁ পাহাৰৰ পশ্চিমাঞ্চল।

৯) আউৰাংগাবাদ ঃ সুখচৰ - হাট শিঙিমাৰী আঞ্চল।

১০) কালুমালুপাৰা ঃ ফকিৰগঞ্জৰ দক্ষিণৰপৰা সুখচৰলৈ, উত্তৰলৈ বৰ্তমানৰ পাতাকাটা, ফকিৰগঞ্জ আৰু দক্ষিণ শালমৰা অঞ্চল।

১২) হাবৰাঘাট ঃ জিনাৰী নৈৰ পূবৰপৰা কামৰূপৰ পশ্চিম সীমালৈকে কৃষ্ণাই-দুধনৈ সমতল অঞ্চল।

১৩) গোৱালপাৰা ঃ সদৰ চহৰখন লৈ মাথোন ৮.৩ বৰ্গ কি.মি. ৰ এটা ক্ষুদ্ৰ অঞ্চল।

১৪) খুন্টাঘাট ঃ ফকিৰাগ্ৰামৰ পৰা পূৱে মানাহলৈকে উত্তৰ সমতলৰ দক্ষিণ-পূব অঞ্চল। ই অতি পুৰণি জনবসতি এলেকা।

১৫) ঘিলা বা ৰূপহী অঞ্চল ঃ উত্তৰ সমতলৰ একেবাৰে দক্ষিণ-পূব কোণত মানাহ নৈৰ কাষৰ ৫৬ বৰ্গ কি.মি.ৰ এটা ক্ষুদ্ৰ অঞ্চল। ইয়াৰ এটা অংশ কামৰূপ জিলতো পৰিছিল।

১৬) চাপৰ ঃ বৰ্তমানৰ চাপৰ আৰু বিলাসীপাৰাক সামৰি ব্ৰহ্মপুত্ৰৰ ঘাইকৈ চৰ আৰু কাষৰীয়া অঞ্চল। (ব্ৰহ্মপুত্ৰৰ ওপৰত ইয়াৰ পূৱ সীমা পঞ্চৰত্ন-যোগীঘোপা আৰু পশ্চিম সীমা ধুবুৰী-ফকিৰাগঞ্জৰ অলপ পূবত।)

ওপৰত উল্লেখ কৰা পাঁচটা দুৱাৰ অঞ্চলৰ এটাই ভূটানৰ সীমা চুই আৰু দুটা জিলাখনৰ ভিতৰলৈ আছিল (১৭) উত্তৰ-পূৱৰ আই আৰু মানসৰ মাজত আছিল বিজনী দুৱাৰ। (১৮) তাৰপৰা পশ্চিমৰ গঙ্গিয়া নৈলৈকে চিৰাং দুৱাৰ আৰু (১৯) গঙ্গিয়াৰপৰা সোণকোষলৈ আছিল ৰিপু দুৱাৰ। এই তিনিওটা দুৱাৰ আৰু (২০) চিৰাং দুৱাৰৰ দক্ষিণে আৰু খুন্টাঘাটৰ উত্তৰত আছিল ছিদলি দুৱাৰ। (২১) সৰ্বশেষত ৰিপু দুৱাৰৰ দক্ষিণত বৰ্তমানৰ গোঁসাই গাওঁ; দিংদিঙা, শ্ৰী ৰামপুৰ আদি জুৰি আছিল গুমা দুৱাৰ।

উপৰোক্ত প্ৰশাসনিক আৰু ৰাজহ বিভাগবোৰ বৃটিছসকলে বাটকটীয়া কৰি লৈছিল। জিলাখনত মোগল আমোলৰেপৰা চলি থকা জমিদাৰী প্ৰথাও ১৭৯৩ চনত লৰ্ড কৰ্ণৱালিছৰ দিনত প্ৰবৰ্তন কৰা চিৰস্থায়ী বন্দৰস্তই বহুখিনি শৃঙ্খলাবদ্ধ কৰিছিল। কেইটামান জমিদাৰ গোষ্ঠীৰ তলত একাধিক এলেকা আছিল। উদাহৰণ স্বৰূপে মেচ্‌পাৰাৰ জমিদাৰৰ তলত মেচ্‌পাৰাৰ বাহিৰেও গোৱালপাৰা তালুকো আছিল। সেইদৰে গৌৰীপুৰৰ জমিদাৰৰ অধীনত গোলা আলমগঞ্জকে ধৰি ৭ টা পৰগনা আছিল।

জমিদাৰসকলৰ লগত চিৰস্থায়ী বন্দৰস্তৰ অততীত থকা ১৬ খণ্ডৰ বাহিৰেও গুমা দুৱাৰৰ ভূমি জোটদাৰ বিষয় খোৱা এক শ্ৰেণীৰ সামন্ত ভূস্বামীক ১৭৯১ চনত সাত বছৰীয়া বন্দবস্তত দিয়া হৈছিল। এইবোৰৰ বাহিৰে বৃটিছৰ পোনপটীয়া শাসনত, বাকী চাৰিটা দুৱাৰ অঞ্চলকে দৰি ২৭ টা জমি-ৰাজহগোট আছিল। এইবোৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাকীবোৰ জিলাৰ দৰে বায়তোৱাৰী ৰাজহ ব্যৱস্থা আছিল।

অৰ্থনৈতিক অৱস্থা ঃ

উত্তৰ-পূব ভাৰতৰ অন্যবোৰ অঞ্চলৰ দৰে গোৱালপাৰা জিলাৰো স্বাভাৱিক অৰ্থনৈতিক ভিত্তি আছিল কৃষি আৰু বনজ সম্পদ। মন কৰিবলগীয়া যে উনবিংশ শতিকাত জিলাখনত মুদ্ৰাভিত্তিক অৰ্থনীতিৰ পতন ঘটিছিল। গতিকে জিলাখানত মানুহৰ হাতত কিমান মুদ্ৰা জমা হৈছিল আৰু এইবোৰ কেনেভাৱে ব্যবহৃত হৈছিল সেই এটা লক্ষণীয় বিষয়। অৰ্থনৈতিকভাৱে অস্বচ্ছল লোকে মুদ্ৰা পালে ভৱিষ্যত নিৰপত্তাৰ বাবে, যথাসম্ভৱ তাক ব্যৱহাৰ নকৰি জমা কৰি থবলৈ লৈছিল। কিন্তু মধ্যবিত্ত লোকে মুদ্ৰা পালে তাক বাণিজ্যত খটাই বা ঋণ দি সুদ লোৱাত ব্যৱহাৰ কৰিছিল। জিলাখনত সেই শতিকাত কোনো বেংক নাছিল। দোকানী চহকী লোক আৰু ব্যৱসায়ীসকলেই পণ্য বেচা-কিনা কৰাৰ বাহিৰেও ঋণ দিয়াৰ ব্যৱসায়ো কৰিছিল।

জিলাখনৰ ঘাই কৃষিজ উৎপাদন আছিল ধান। তুলনামূলকভাৱে ওখ ঠাইবোৰত শালি আৰু লাহি ধান কৰা হৈছিল। সঘনে বানপানী হোৱা দ ঠাইবোৰত কেই প্ৰকাৰমান জলাহ ধান বা বাওধান উৎপাদন কৰা হৈছিল। এইবোৰৰ ভিতৰত লেৱাবাও, জালবাও, সোণমতী, মেৰাবাও আৰু ককয়াবাও প্ৰধান। উত্তৰৰ দুৱাৰ অঞ্চলত ধান খেতি কৰিবৰ বাবে বড়ো খেতিয়কসকল নৈ-নিজৰাৰপৰা দোং খান্দি জলসিঞ্চনৰ ব্যৱস্থা কৰিছিল। ধানৰ পাছতে তেতিয়াৰ গোৱালপাৰাৰ ঘাই কৃষিজ উৎপাদন আছিল সৰিয়হ, মৰাপাট,

মাহ আৰু কপাহ। তেতিয়া অৱশ্যে জিলাখনত মৰাপাট আজিকালিৰ দৰে অধিককৈ কৰা হোৱা নাছিল। কপাহ হৈছিল হাবৰাঘাট, মেচ্‌পাৰা, কালুমালুপাৰা আৰু কৰৈবাৰী অঞ্চলত। উত্তৰৰ দুৱাৰৰ অঞ্চলতো সামান্য কপাহ্ খেতি হৈছিল আৰু জিলাখনৰ মাজভাগত ১৮৬০ ৰ দশকত চাৰিখন চাহবাগিছা গঢ়ি উঠিছিল।

বনজ সম্পদেও ১৯ শ শতিকাত গোৱালপাৰা জিলালৈ যথেষ্ট অৰ্থনৈতিক অৱদান আগবঢ়াইছিল। ইয়াৰ পৰা শাল, গামাৰি, শিমলু আদি কাঠ ব্ৰহ্মপুত্ৰইদি ৰপ্তানি কৰা হৈছিল। কাঠৰ বাহিৰেও জিলাখনত প্ৰতি বছৰে বহুতো হাতী ধৰা হৈছিল। কাঠৰ বাহিৰেও জিলাখনত প্ৰতি বছৰে বহুতো হাতী ধৰা হৈছিল সেইবোৰৰ ভালে সংখ্যকক ৰপ্তানি কৰা হৈছিল। দৰাচলতে সেই সময়ৰ জমিদাৰসকলৰ কাঠ, হাতী আৰু হাতীৰ দাঁত ৰাজহৰ ঘাই মাধ্যম আছিল। জিলাখনত ১৯ শ শতিকাত যথেষ্ট স্বাভাৱিক ৰবৰো সংগ্ৰহ কৰি ৰপ্তানি কৰা হৈছিল। ইয়াৰপৰা ৰপ্তানিৰ আন আন সামগ্ৰী আছিল সৰিহ, কপাহ, লা, মৰাপাট, এড়ি কাপোৰ, মুগাসুতা আৰু পিপ'লি। সেইসময়ত জিলাখনলৈ আমিদানি কৰা ঘাই পণ্যকেইটা আছিল চাউল আৰু আন খাদ্যসম্ভাৰ, নিমখ, খোৱাতেল, ধপাত, ঘিউ, চেনি, লো-তীখাৰ সামগ্ৰী, আৰু ৰূপ আৰু সোণৰ আ-অলঙ্কাৰ। ১৮৫১-৫২ চনত জিলাখনৰপৰা হোৱা ৰপ্তানিৰ মূল্য আছিল ১১,৯৭,৩৭৭টকা আৰু আমদানিৰ মূল্য আছিল ১০,২২,৫০০ টকা। অৰ্থাৎ জিলাখনৰ বাণিজ্যিক বাহী হৈছিল ১,৭৪,৮৭৭টকা। এই বাণিজ্য তহবীন মন কৰিবলগীয়া।

বেহাবেপাৰৰ বাবে জিলাখনৰ ডাঙৰ ডাঙৰ নৈবোৰেই ঘাই পথ হিচাপে ব্যবহৃত হৈছিল। এই নৈবোৰত বাণিজ্যৰ বাবে বহুতো বৃহৎ আকাৰৰ নাও চলাচল কৰিছিল। এই নাৱবোৰে ব্ৰহ্মপুত্ৰৰ কাষৰ কেন্দ্ৰস্থানীয় ঘাটবোৰৰ লগত ভিতৰুৱা অঞ্চলবোৰৰ যোগাযোগ স্থাপন কৰিছিল। এই ঘাটবোৰৰ লগত আকৌ বাহিৰৰপৰা অহা জাহাজ বা ডাঙৰ নাওবোৰে সংযোগ স্থাপন কৰিছিল। তেতিয়া ধুবুৰী, বিলাসীপাৰা, যোগীঘোপা, গোৱালপাৰা, দলগোমা আদিৰ কাষত জাহাজঘাট আছিল। এই জাহাজঘাট বোৰৰ ভিতৰত ধুবুৰীয়ে জিলাখনৰ বাহিৰেও উত্তৰ বংগৰ ৰংপুৰ, কোচবিহাৰ, জলপাইগুৰি আদি অঞ্চলৰ লগত বেহাবেপাৰ আৰু যাতায়ত পৰিবহন চলিছিল।

জিলাখনত বেহাবেপাৰৰ বাবে আগৰেপৰা কিছুমান হাট আছিল। অষ্টাদশ শতিকাত ইষ্ট ইণ্ডিয়া কোম্পানী অহাৰ লগে লগে বেহাবেপাৰৰ মাত্ৰা বাঢ়িবলৈ ধৰিছিল গতিকে জলপথ আৰু নৈৰ ঘাটবো প্ৰাধান্য বাঢ়িছিল। তদুপৰি সেই সময়তে দুটা এটাকৈ বাট-পথো গঢ়ি উঠিবলৈ ধৰিছিল। গতিকে ১৯ শ শতিকাত দক্ষিণ-পাৰত মৰনৈ, গোৱালপাৰা, ৰংজুলি, দামৰা, নিবাৰী, জিৰা, শিঙ্গিমাৰী, ৰাজাবালা, পুথিমাৰী, মানকাচৰ, কাঠৰবাৰী আৰু দালুত আৰু উত্তৰ পাৰত যোগীঘোপা, বিলাসীপাৰা, বিজনি, দুমৰীয়া, ধুবুৰী, গৌৰীপুৰ আগমনি, খেৰবাৰী আদিত যথেষ্ট সমৃদ্ধিশালী হাট গঢ়ি উঠিবলৈ ধৰিছিল। তদুপৰি দলগোমা, কঠালমাৰী, ধুবুৰী, গৌৰীপুৰ আৰু ছত্ৰশালত বছৰেকীয়া মেলাও হ'বলে ধৰিছিল।

ৰাজহ ব্যৱস্থা ঃ

জিলাখনৰ উত্তৰৰ দুৱাৰ-অঞ্চলৰ বাহিৰে বাকী অংশৰ ৰাজহ ব্যৱস্থা চিৰস্থায়ী বন্দৰস্তিৰ বা জমিদাৰী প্ৰথাৰ আছিল। ইয়াৰে সৰু বৰ ১২ খন মোগলৰ ৰাজত্ব কালৰ আৰু ৬ খন বৃটিছৰ দিনত হোৱা চিৰস্থায়ী বন্দৰস্তিৰ এলেকা। মোগলৰ দিনত সীমামূৰীয়া অঞ্চল হিচাপে ইয়াৰ জমিদাৰবোৰক পালিৰজা হিচাপে ব্যৱহাৰ কৰি তেওঁলোকৰপৰা নবাবে নজ্‌ৰাণা আৰু পেচ্‌কছ গ্ৰহণ কৰিছিল, কৰ লোৱা নাছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৮৯৩ চনৰ চিৰস্থায়ী বন্দৰস্তৰ সময়ত এই প্ৰথা উঠাই দি কৰ লোৱা ব্যৱস্থা কৰিছিল।

একোখনহঁত জমিদাৰী কৰ আদায়ৰ বাবে কেইটামান তহচীলত ভগোৱা হৈছিল। আকৌ একোটা তহচীল কেইটমান জোটত ভগোৱা হৈছিল। একোটাহঁত জোটৰপৰা ৰাজহ উঠাবলৈ কিছুমান জমিদাৰীত জোটদাৰ আছিল। এনে জোটদাৰে এটা নিৰ্দ্দিষ্ট ম্যাদৰ বাবে জমিদাৰৰপৰা সমগ্ৰ জোটটোৰ পট্টা পায়। ইয়াৰ বিনিময়ত জোটদাৰে একোখন 'কবুলিয়াৎ' বা 'সন্মতিপত্ৰ' স্বাক্ষৰ কৰি দিব লাগে। এই কাবুলিয়াতত জোটদাৰে নিৰ্দ্দিষ্ট ম্যাদৰ শেষত জমিৰ স্বত্ত জমিদাৰক ঘূৰাই দিব বুলি চহী কৰিব লাগে। কোনো কোনো ক্ষেত্ৰত জমিদাৰে ৰায়তৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্ক স্থাপন কৰাও দেখা যায়। এনে ৰায়তক 'কৰাৰী ৰায়ত' বোলা হয়। কৰাৰী ৰায়তে জমিদাৰৰ খেয়াল-খুছী মতেহে জমি ভোগ কৰিবলৈ পাইছিল। যেতিয়া কোনো ৰায়তে জমিদাৰৰপৰা মাটি প্ৰত্যক্ষভাৱে কিছু বছৰৰ বাবে খেতি কৰিবলৈ লয়, তেতিয়া ৰায়তজনে জমিদাৰক আৱশ্যক হলে মৃত্যুৰ দৰে খাটি দিব লাগিছিল। জমিদাৰ আৰু ৰায়তৰ প্ৰত্যক্ষ লেনদেনত ৰাজহ সংগ্ৰহৰ বাবে একোখন জমিদাৰী ভালেমান 'ইজাৰা'ত ভাগ কৰা হৈছিল। এটা ইজাৰাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ

গোৱালপাৰা জনপদটোৱেই অটাইতকৈ ঘন বসতিৰ আছিল। ১৮২৬ চনৰপৰা ১৮৭৯ চনলৈ ই জিলাখনৰ সদৰ ঠাই আছিল। মোগল শাসনৰ শেষৰ ফালে ই পূৱৰ আহোম ৰাজ্যৰ লগত হোৱা বেহাবেপাৰৰ কেন্দ্রস্থল আছিল। ইয়াত কিছুসংখ্যক ইংৰাজ, ফৰাচী আৰু পৰ্টুগীজ বণিক আছিল। অসমৰ বাকী অংশলৈ যোগান ধৰিব লগা বিভিন্ন পণ্যৰ, ঘাইকৈ নিমখৰ ইয়াত বৃহৎ বৃহৎ পণ্যাগাৰ আছিল। তদুপৰি ইয়াত এটা ডাঙৰ জাহাজঘাট আছিল। ক'লকাতা আৰু বঙ্গদেশৰ অন্যান্য বন্দৰৰপৰা ইয়ালৈ নিয়মিতভৱে জাহাজ অহা-যোৱা কৰিছিল। ১৮৭৫ চনৰ ১ মে' তাৰিখে গোৱালপাৰাত প্রথম 'টাউন কমিটি' আৰু ১৮৭৮ চনত 'মিউনিচিপালিটি' গঠন কৰা হৈছিল। জিলাখনৰ দ্বিতীয়খন নগৰ আছিল ধুবুৰী। ই প্রথমে ধুবুৰী মহকুমাৰ সদৰ আছিল। ১৮৭৫ চনত ইয়াত টাউন কমিটি গঠন কৰা হৈছিল। ১৮৭৯ চনত ইয়াত জিলাৰ সদৰ পতাৰ পাছত ইয়াৰ প্রশাসনিক আৰু বাণিজ্যক প্রাধান্য বাঢ়িবলৈ ধৰে। তদুপৰি ইয়াৰ জহাজঘাটতে জাহাজৰপৰা নামি অসম আৰু উত্তৰ বঙ্গৰ চাহবাগিছাবোৰত কাম কৰিবলৈ অহা বনুৱাসকল নিজ নিজ গন্তব্য স্থানলৈ স্থলপথেৰে আগবাঢ়িছিল। সেই সময়ত গৌৰীপুৰ এখন চহৰ নহলেও, জিলাখনৰ এটি লেখত লবলগীয়া জনপদ আছিল। ১৮৫০ চনত ই গৌৰীপুৰ জমিদাৰৰ বাসস্থান হোৱাৰেপৰা ইয়াৰ প্রাধান্য বাঢ়ি আহিবলৈ ধৰিছিল। সেই সময়ত দক্ষিণ গোৱালপাৰা এখন প্রধান ঠাই আছিল লক্ষীপুৰ। ই মেচ্‌পাৰা জমিদাৰৰ বাসস্থান আছিল। ইয়াৰ বাহিৰেও উত্তৰ পাৰৰ বিলাসীপাৰা, চাপৰ, বগৰীবাৰী, ৰঙামাটি, ৰূপসী, পাতামাৰী, আগমনি, বিজনী, ছিদলি আৰু দুমৰীয়া আৰু দক্ষিণপাৰৰ দলগোমা, মণিকাচৰ, ইত্যাদি প্রধান ঠাই আছিল। তদু জিৰা, নিবাৰী, দাম্‌ৰা, পবকাচুৰা, ৰাজাবালা আ নিয়মীয়াকৈ হাট বহিছিল।

যোগাযোগ আৰু পৰিবহন ঃ

১৯ শ শতিকাত জিলাখনত যাতায়ত পৰিবহ নৈবোৰৰ ভূমিকা লেখতল'বলগীয়া আছিল। জিলাখ প্রত্যেকখন ডাঙৰ নৈতেই মাল-বস্তু আৰু যাত্রী পৰিবহ বাবে সৰু-ডাঙৰ বহুতো নাওঁ ব্যৱহাৰ কৰিছিল। ইয়াৰ ডা নাওঁবোৰত কমেও ৫০ মোন বা ২ টন মালবস্তু কঢ়িওৱা হৈছি সেই সময়ত জিলাখনত চৰকাৰে ডাক কৰা ৫৬ টা পাৰঘ আছিল। এই ঘাটবোৰৰ পৰা চৰকাৰে বছৰি ২৬০০ টকা ততোধিক উপার্জন কৰিছিল। ধুবুৰী আৰু গোৱালপাৰ

শত্রিকাটোৰ দ্বিতীয়ার্ধত দুটা ডাঙৰ জাহাজঘাট গঢ়ি উঠিছিল।

অসমৰ আন এখন জিলাৰ দৰে গোৱালপাৰাতো সেই সময়ত আলিবাট, সংখ্যা আৰু দৈর্ঘ্য দুয়োটাৰ ফালৰপৰাই কম আছিল। ১৯শ শতিকাৰ আগভাগত গোৱালপাৰা চহৰৰপৰা জিৰা, দামৰা আৰু ডুবাপাৰা আদিলৈ কেইটামান সৰু সৰু কেঁচা পথ আছিল। শতিকাটোৰ মাজভাগলৈ দক্ষিণপাৰত আসাম ট্রাঙ্ক ৰোড কামৰূপৰ সীমাৰ ধুপধৰাৰপৰা আগিয়ালৈকে হৈছিল। তাৰ লগে লগে চহৰখনৰপৰা লক্ষীপুৰ, দক্ষিণ শালমৰা আৰু হাট শিঙ্গিমাৰী হৈ কৰৈবাৰীলৈ এটা কেঁচা পথ আছিল। তেতিয়াৰ দক্ষিণ পাৰৰ আন কেইটা সৰু কেঁচা হ'ল, ধুপধৰাৰপৰা দাম্‌ৰা, দামৰাৰপৰা দক্ষিণ শালমৰা আৰু গোৱালপাৰাৰপৰা নিবাৰীলৈ।

উত্তৰপাৰৰ আলিবাটবোৰৰ প্রধান কেইটা হ'ল ধুবুৰীৰপৰা খেৰবাৰী, যোগীঘোপাৰপৰা দতমা আৰু বিজনী, বিজনিৰপৰা ৰঙা, যোগীঘোপাৰপৰা উত্তৰ শালমাৰা আৰু বিলাসীপাৰা। বিলাসীপাৰাৰপৰা গৌৰীপুৰ আৰু ধুবুৰীলৈয়ো তেতিয়া কেঁচা পথ কৰা হৈছিল। এইদৰে জিলাখনত ১৮৭৫-৭৬ চনত ৫৭০ কি. মি. আলিবাট আছিল। তাৰে ৭০ কি.মি. আছিল পকী পথ আৰু বাকীবোৰ কেঁচা পথ। এইবোৰত খৰালি গৰু ম'হৰ গাড়ী চলিছিল।

শিক্ষা ঃ

অসমৰ আন আন জিলাৰ দৰে গোৱালপাৰা জিলাও ১৯ শ শতিকাৰ আগভাগত শিক্ষাত আগবঢা নাছিল। ১৮৩০ ৰ দশকৰ পৰা ইয়াত দুখন এখন প্রাইমাৰী স্কুল হ'বলৈ ধৰে। ১৮৫২ চনত জিলাখনত সকলো পর্যায়ৰ মিলি মঠাত ১০

1.
2. R.
3. Mills, Publicat
4.
5.
6. Survey

তাহৰ, মহম্মদ ১৯৯৪, যোগাযোগ কৰে
লাখ টকা নাপালে তীব্র
চকীত থকা আহোম ৰজাৰ

(গোৱালপাৰা মহাবিদ্যালয় শিক্ষক

একোজনহঁত 'ইজাৰাদাৰ' থাকে। কেতিয়াবা জমিদাৰে একোটা পৰিয়ালক দীৰ্ঘম্যাদী বন্দৰস্তত একোটা ইজাৰা ৰাজহ তুলিবলৈ দি দিছিল। এনে ইজাৰাক 'মাউৰুছি ইজাৰা' বোলা হৈছিল।

১৯ শ শতিকাত ৰাজহৰ বাবে ভাগ কৰা জমিৰ একক আছিল 'হাল'; অর্থাৎ এহাল গৰুৰে শালি খেতিৰ বাবে এবছৰত চহাব পৰা পৰিমাণৰ মাটি। এই পৰিমান অৱশ্যে বেলেগ বেলেগ জমিদাৰীত বেলেগ বেলেগ আছিল। উদাহৰণ স্বৰূপে, কৈৰাৰীত একহাল মাটি মানে ১২½ বিঘা, পৰ্বত জোৱাৰত ২৩½ বিঘা, ঘুৰলাত ১০½ বিঘা, চাপৰাত প্ৰায় ৩ বিঘা, মেচপাৰাত ৬ বিঘা ৬ কঠা, ইত্যাদি। বস্তি মাটিৰ ৰাজহ আটাইতকৈ অধিক আছিল অর্থাৎ বিঘাত বছৰি ৭৫ পইচা। উচ্চ শ্ৰেণীৰ শালি ধানৰ মাটিৰ খাজনা আছিল বিঘাত বছৰি ৩৫ পইচা, আহুতলিত বিঘাত ২০-২৫ পইচা, ইত্যাদি।

সামন্তবাদী জমি ব্যৱস্থাৰ অৱধাৰিত ফল স্বৰূপে, ১৯ শ শতিকাত গোৱালপাৰা জিলাত, সর্বমুঠ জনসংখ্যা সীমিত হোৱা স্বত্তেও, জমিহীন শ্ৰমিক আৰু কৃষকৰ সংখ্যা যথেষ্ট অধিক আছিল। জিলাখনত প্ৰায় ৭ প্ৰকাৰৰ ভূমিহীন শ্ৰমিক আৰু কৃষক আছিল। যেনে - (১) গৃহস্থৰ ঘৰত থাকি নিয়মিতভাৱে মাহে ১½ টকাৰপৰা ২ টকা দৰমহাত কাম কৰা 'চাকৰ'। (২) কোনো লোকে কোনো গৃহস্থৰপৰা ঋণ লৈ, ঋণ পৰিশোধ কৰিব নোৱাৰা পর্য্যন্ত, মাথোন ভাত-কাপোৰৰ বিনিময়ত 'পঞ্জালি খটা' বা 'বন্ধা খটা'। (৩) ঋণ দাতাৰ ঘৰত ঘৰুৱা কাম কৰি আৰু তেওঁৰে মাটি খেতি কৰি সেই খেতিৰ ৩/৪ অংশ ঋণ পৰিশোধ কৰিব নোৱাৰা পর্য্যন্ত দি থকা ব্যৱস্থা। এনে ব্যৱস্থাৰ আধিয়াৰ বা 'আধি হালোৱা' বুলিছিল। (৪) ভূমিহীন কৃষকে ভুমি থকা গৃহস্থৰ ঘৰত নিজৰ গৰু, হাল আৰু কঠিয়াৰে খেতি কৰে, খেতিৰ আধা লোৱা ব্যৱস্থা এনে ব্যৱস্থাত ভূমিহীন কৃষক জনক 'প্ৰজা' বোলা হৈছিল। (৫) ভূমি থকা গৃহস্থৰ মাটিত খাজানা দি খেতি কৰা আৰু কিছুমান নির্দ্দিষ্ট দিনত গৃহস্থৰ ঘৰত কাম কৰি দিয়াৰ ব্যৱস্থা। এনে ব্যৱস্থাক 'চুকানি' বোলা হৈছিল। (৬) কিছুমান ভূমিহীন লোকে আনৰ মাটিত খেতি কৰে। খাজনা দিয়াৰ পৰিবর্তে মালিকৰ কিছু অধিক মাটি চহাই খেতি কৰি দিয়ে। এনে ব্যৱস্তাক 'চাকৰাণ' ব্যৱস্থা বোলা হৈছিল। দেৱোত্তৰ আৰুব্ৰহ্মোত্তৰ ভূমিত সততে এই ব্যৱস্থা দেখা যায়। (৭) কিছু ভূমিহীন অবিবাহিত যুৱকে বিবাহযোগ্য ছোৱালী থকা মানুহৰ ঘৰত থাকি ছোৱালীজনী বিয়া কৰা চুক্তিত খেতি-বাতি কৰিবলৈ লয়। সময়ত গৃহস্থজনে নিজৰ জীয়েকক বিয়া দিব নোৱাৰিলে কিবা এটা ক্ষতিপূৰণ দিব লাগে। কাম কৰিবলৈ অহা যুৱকজনেও এই চুক্তি ভঙ্গ কৰিলে ক্ষতিপূৰণ দিব লাগে।

মন কৰিবলগীয়া যে উপৰুক্ত ব্যৱস্থাবোৰ ১৯ শ শতিকাৰ শেষৰ ফালে বাঢ়ি আহিছিল। ইয়াৰ মূল কাৰণ আছিল দুটাঃ প্ৰথমতে, বৃটিছ চৰকাৰে খাজনাৰ হাৰ লাহে লাহে বঢ়াই আনিছিল আৰু দ্বিতীয়তে, গোৱালপাৰাৰ নিকটবর্তী জিলাবোৰৰপৰা ইয়ালৈ ভূমিহীন কৃষকৰ প্ৰব্ৰজন হ'বলৈ ধৰিছিল।

উনবিংশ শতিকাত গোৱালপাৰা জিলাত এহাতে যেনেকৈ ভূমিহীন কৃষক আৰু শ্ৰমিক আছিল, আনহাতে তেনেকৈ ব্ৰহ্মপুত্ৰৰ প্লাবন ভূমিত বিস্তৰ অনাবাদী জমি পৰি আছিল। সেয়েহে ৰাজহ বৃদ্ধি আৰু কৃষিৰ সম্প্ৰসাৰণৰ বাবে অনাবাদী জমিৰ দখলী স্বত্ত সহজে দিয়া হৈছিল। তদুপৰি দখলকাৰীক প্ৰথম তিনিবছৰমানৰ বাবে খাজনাৰপৰা ৰেহাই দিয়া হৈছিল। এনেভাৱে কেইবছৰমানলৈ খাজনা দি দখলী স্বত্ত দিয়া পট্টাক 'পাইল পট্টা' বোলা হৈছিল। কেতিয়াবা আনকি নতুন দখলকাৰীক অগ্ৰিম ধন দিয়ো স্থাপিত হবলৈ সুবিধা দিয়া হৈছিল। ১৯শ শতিকাৰ শেষৰ দুটা দশক আৰু তাৰ পাছতো মেচ্‌পাৰা, গৌৰীপুৰ আৰু চাপৰৰ জমিদাৰে পাইল পট্টা দি বহুতো পূর্ব্বঙ্গৰ ভূমিহীন কৃষকক গোৱালপাৰাৰ চৰ অঞ্চলত বহুওৱা হৈছিল।

ওপৰত গোৱালপাৰা জিলাৰ চিৰস্থায়ী বন্দৰস্তী থকা অঞ্চলৰ ৰাজহ ব্যৱস্থাৰ কথা আলোচনা কৰা হৈছে। কিন্তু জিলাখনৰ উত্তৰৰ দুৰাৰ অঞ্চলবোৰত 'ৰায়তোৱাৰী' জমি-ৰাজহ ব্যৱস্থা প্ৰবর্ত্তিত হৈছিল। গুমা দুৰাৰত অৱশ্যে জোটদাৰ ব্যৱস্থা আছিল। চিৰাং দুৰাৰ ভূটান ৰাজ্য সীমাতে লাগি থকা বাবে অঞ্চলটোত ঘাইকৈ চৰকাৰৰ 'খাছ জমি' আদি।

জনপদ আৰু নগৰ-চহৰ ঃ

১৯ শ শতিকাত গোৱালপাৰা জিলাৰ জনপদবোৰ ঘাইকৈ ব্ৰহ্মপুত্ৰৰ উত্তৰকাষৰ প্লাৱনভূমিৰ উত্তৰত আৰু দক্ষিণ কাষৰ প্লাৱনভূমিৰ দক্ষিণত আছিল। উত্তৰৰ পুৰণা জনপদৰ অঞ্চলটো আছিল মাণিকপুৰ, বিজনী আৰু যোগীঘোপাৰপৰা পশ্চিমলৈ শালকোচা, বইতামাৰী, চাপৰ, বিলাসীপাৰা, বগৰীবাৰী আৰু ৰঙামাটি হৈ গৌৰীপুৰ আৰু ধুবুৰীলৈকে আছিল। আনহাতে দক্ষিণৰ অঞ্চলটো আছিল বিকালি অর্থাৎ ধূপধৰাৰপৰা দুধনৈ, দলগোমা, মাটিয়া, মৰনৈ, গোৱালপাৰা, আগিয়া, লক্ষীপুৰ, ফকিৰগঞ্জ, দক্ষিণ শালমৰা, আৰু সুখচৰ হৈ মানকাচৰ আৰু কৈবৰ্ত্তাৰী পাইছিলগৈ। সেই শতিকাত উত্তৰৰ দুৰাৰ অঞ্চলত আৰু ব্ৰহ্মপুত্ৰৰ প্লাৱনভূমি অঞ্চলত জনবসতি একে বৰে সেৰেঙা আছিল। জিলাখনৰ

গোৱালপাৰা জনপদটোৱেই অটাইতকৈ ঘন বসতিৰ আছিল। ১৮২৬ চনৰপৰা ১৮৭৯ চনলৈ ই জিলাখনৰ সদৰ ঠাই আছিল। মোগল শাসনৰ শেষৰ ফালে ই পুৰৰ আহোম ৰাজ্যৰ লগত হোৱা বেহাবেপাৰৰ কেন্দ্রস্থল আছিল। ইয়াত কিছুসংখ্যক ইংৰাজ, ফৰাচী আৰু পর্টুগীজ বণিক আছিল। অসমৰ বাকী অংশলৈ যোগান ধৰিব লগা বিভিন্ন পণ্যৰ, ঘাইকৈ নিমখৰ ইয়াত বৃহৎ বৃহৎ পণ্যাগাৰ আছিল। তদুপৰি ইয়াত এটা ডাঙৰ জাহাজঘাট আছিল। ক'লকাতা আৰু বঙ্গদেশৰ অন্যান্য বন্দৰৰপৰা ইয়ালৈ নিয়মিতভৱে জাহাজ অহা-যোৱা কৰিছিল। ১৮৭৫ চনৰ ১ মে' তাৰিখে গোৱালপাৰাত প্ৰথম 'টাউন কমিটি' আৰু ১৮৭৮ চনত 'মিউনিচিপালিটি' গঠন কৰা হৈছিল। জিলাখনৰ দ্বিতীয়খন নগৰ আছিল ধুবুৰী। ই প্ৰথমে ধুবুৰী মহকুমাৰ সদৰ আছিল। ১৮৭৫ চনত ইয়াত টাউন কমিটি গঠন কৰা হৈছিল। ১৮৭৯ চনত ইয়াত জিলাৰ সদৰ পতাৰ পাছত ইয়াৰ প্ৰশাসনিক আৰু বাণিজ্যক প্ৰাধান্য বাঢ়িবলৈ ধৰে। তদুপৰি ইয়াৰ জহাজঘাটতে জাহাজৰপৰা নামি অসম আৰু উত্তৰ বঙ্গৰ চাহবাগিছাবোৰত কাম কৰিবলৈ অহা বনুৱাসকল নিজ নিজ গন্তব্য স্থানলৈ স্থলপথেৰে আগবাঢ়িছিল। সেই সময়ত গৌৰীপুৰ এখন চহৰ নহলেও, জিলাখনৰ এটি লেখত লবলগীয়া জনপদ আছিল। ১৮৫০ চনত ই গৌৰীপুৰ জমিদাৰৰ বাসস্থান হোৱাৰেপৰা ইয়াৰ প্ৰাধান্য বাঢ়ি আহিবলৈ ধৰিছিল। সেই সময়ত দক্ষিণ গোৱালপাৰা এখন প্ৰধান ঠাই আছিল লক্ষীপুৰ। ই মেচ্‌পাৰা জমিদাৰৰ বাসস্থান আছিল। ইয়াৰ বাহিৰেও উত্তৰ পাৰৰ বিলাসীপাৰা, চাপৰ, বগৰীবাৰী, ৰঙামাটি, ৰূপসী, পাতামাৰী, আগমনি, বিজনী, ছিদলি আৰু দুমৰীয়া আৰু দক্ষিণপাৰৰ দলগোমা, মণিকাচৰ, ইত্যাদি প্ৰধান ঠাই আছিল। তদুপৰি জিৰা, নিবাৰী, দামৰা, পবকাচুৰা, ৰাজাবালা আদিত নিয়মীয়াকৈ হাট বহিছিল।

যোগাযোগ আৰু পৰিবহন ঃ

১৯ শ শতিকাত জিলাখনত যাতায়ত পৰিবহনত নৈবোৰৰ ভূমিকা লেখতল'বলগীয়া আছিল। জিলাখনৰ প্ৰত্যেকখন ডাঙৰ নৈতেই মাল-বস্তু আৰু যাত্রী পৰিবহনৰ বাবে সৰু-ডাঙৰ বহুতো নাওঁ ব্যৱহাৰ কৰিছিল। ইয়াৰ ডাঙৰ নাওঁবোৰত কমেও ৫০ মোন বা ২ টন মালবস্তু কঢ়িওৱা হৈছিল। সেই সময়ত জিলাখনত চৰকাৰে ডাক কৰা ৫৬ টা পাৰঘাট আছিল। এই ঘাটবোৰৰ পৰা চৰকাৰে বছৰি ২৬০০ টকা বা ততোধিক উপার্জন কৰিছিল। ধুবুৰী আৰু গোৱালপাৰাত শত্রিকাটোৰ দ্বিতীয়ার্ধত দুটা ডাঙৰ জাহাজঘাট গঢ়ি উঠিছিল।

অসমৰ আন এখন জিলাৰ দৰে গোৱালপাৰাতো সেই সময়ত আলিবাট, সংখ্যা আৰু দৈর্ঘ্য দুয়োটাৰ ফালৰপৰাই কম আছিল। ১৯শ শতিকাৰ আগভাগত গোৱালপাৰা চহৰৰপৰা জিৰা, দামৰা আৰু ডুবাপাৰা আদিলৈ কেইটামান সৰু সৰু কেঁচা পথ আছিল। শতিকাটোৰ মাজভাগলৈ দক্ষিণপাৰত আসাম ট্রাঙ্ক ৰোড কামৰূপৰ সীমাৰ ধুপধৰাৰপৰা আগিয়ালৈকে হৈছিল। তাৰ লগে লগে চহৰখনৰপৰা লক্ষীপুৰ, দক্ষিণ শালমৰা আৰু হাট শিঙ্গিমাৰী হৈ কৈৰাৰীলৈ এটা কেঁচা পথ আছিল। তেতিয়াৰ দক্ষিণ পাৰৰ আন কেইটা সৰু কেঁচা হ'ল, ধুপধৰাৰপৰা দামৰা, দামৰাৰপৰা দক্ষিণ শালমৰা আৰু গোৱালপাৰাৰপৰা নিবাৰীলৈ।

উত্তৰপাৰৰ আলিবাটবোৰৰ প্ৰধান কেইটা হ'ল ধুবুৰীৰপৰা খেৰবাৰী, যোগীঘোপাৰপৰা দতমা আৰু বিজনী, বিজনিৰপৰা ৰঙা, যোগীঘোপাৰপৰা উত্তৰ শালমাৰা আৰু বিলাসীপাৰা। বিলাসীপাৰাৰপৰা গৌৰীপুৰ আৰু ধুবুৰীলৈয়ো তেতিয়া কেঁচা পথ কৰা হৈছিল। এইদৰে জিলাখনত ১৮৭৫-৭৬ চনত ৫৭০ কি. মি. আলিবাট আছিল। তাৰে ৭০ কি.মি. আছিল পকী পথ আৰু বাকীবোৰ কেঁচা পথ। এইবোৰত খৰালি গৰু ম'হৰ গাড়ী চলিছিল।

শিক্ষা ঃ

অসমৰ আন আন জিলাৰ দৰে গোৱালপাৰা জিলাও ১৯ শ শতিকাৰ আগভাগত শিক্ষাত আগবঢ়া নাছিল। ১৮৩০ ৰ দশকৰ পৰা ইয়াত দুখন এখন প্ৰাইমাৰী স্কুল হ'বলৈ ধৰে। ১৮৫২ চনত জিলাখনত সকলো পর্য্যায়ৰ মিলি মুঠতে ১০ খন স্কুল আছিল। ইয়াৰে গোৱালপাৰা চহৰত থকা স্কুলখনলৈ জমিদাৰসকলেও অনুদান আগবঢ়াইছিল। ১৮৫৬-৫৭ চনত স্কুলৰ সংখ্যা বাঢ়ি ১৫ খন হৈছিল আৰু ছাত্রৰ সংখ্যা হৈছিল ১৯৪ জন (গড়ে ১৩ জনকৈ)। ১৮৬০ চনত এখন ইংৰাজী স্কুলকে ধৰি ১১ খন স্কুলত ২৯৯ জন ছাত্র আৰু ১৮৭০ চনত ৩০ খন স্কুলত ৮৬২ জন ছাত্র-ছাত্রী হৈছিল। ইয়াৰ পাছৰ পৰা জিলাখনত শিক্ষাৰ দ্রুত প্রসাৰ হবলৈ ধৰে। ১৮৭২-৭৩ চনত ইয়াত ১খন উচ্চ মাধ্যমিক স্কুল, ১০ টা মজলীয়া স্কুল, ১ গুৰু ট্রেইনিং স্কুল আৰু ৬৫ খন প্রাইমেৰী স্কুল আছিল। মন কৰিবলগীয়া যে প্রাথমিক শিক্ষা প্রায় সকলো শ্রেণীৰ মানুহৰ মাজত বিয়পিবলৈ আৰম্ভ কৰিছিল সেই বছৰত প্রাথমিক স্কুলত থকা ১৩২১ ছাত্র- ছাত্রীৰ ভিতৰত ৯৫৮ জন আছিল হিন্দু, ২১২ জন মুছলামান আৰু ১৫

জন জনজাতি। ১৮৯০-৯১ চনত জিলাখনত ৮৭৯৪ জন ছাত্র- ছাত্রীৰে ১৪ খন মজলীয়া আৰু ২ উচ্চ ইংৰাজী স্কুল আৰু ৪০৩৭ ছাত্র-ছাত্রীৰে ১৭৮ টা প্ৰাইমেৰী স্কুল আছিল। শতিকাটোৰ শেষত উচ্চ আৰু মজলীয়া স্কুলৰ সংখ্যা ১৯ টা, সেইবোৰৰ ছাত্ৰৰ সংখ্যা ১৪০১ জন আৰু প্ৰাথমিক স্কুলৰ সংখ্যা ২৩০ টা আৰু ছাত্ৰ- ছাত্ৰীৰ সংখ্যা ৫৮২৭ হৈছিলগৈ।

জনসংখ্যা ঃ

১৯ শ শতিকাত গোৱালপাৰা জনবসতি আজিকালিৰ তুলনাত বহুতো পাতলীয়া আছিল। ১৮২২ চনত গোৱালপাৰা জিলা গঠন কৰোতে দুৱাৰ অঞ্চল বাদে , ইয়াৰ জনসংখ্যা আছিল প্ৰায় ১৪১৬৩৮ জন । ১৮৪২-৪৩ চনতই চলাখমান হৈছিল বুলি অনুমান কৰা যায়। ১৮৭২ চনত হোৱা জন পিয়ল মতে এই জনসংখ্যা বাঢ়ি ৪,৪৪, ৭৬১ জন হৈছিলগৈ। ইয়াৰে গোৱালপাৰা আৰু ধুবুৰী এলেকা দুটা ৰ মুঠ জনসংখ্যা ৪,০৭,৭১৪ আৰু দুৱাৰ আঞ্চলৰ ৩৭,০৪৭ জন । গোৱালপাৰা ধুবুৰীৰ জনসংখ্যাৰ ৭৬.৪ শতাংশ আছিল হিন্দু, ২২.১ শতাংশ ইছালম আৰু ১.৫ শতাংশ অন্যান্য ধৰ্মীৰলম্বী। দুৱাৰ অঞ্চল মেচ আৰু বড়ো অধ্যুষিত আছিল আৰু তেওঁলোকক জনজাতীয় ধৰ্মৰ বুলি ধৰা হৈছিল। হিন্দুসকলৰ মাজত ৰাজবংশী জনগোষ্ঠীৰ ১১৫,৪০০ জন লোক আছিল।

১৮৭২ চনৰ পৰা শতিকাটোৰ শেষলৈ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল কম। ১৯০১ চনত দুৱাৰ অঞ্চলকো সামৰি গোটেই জিলাখনৰ জনসংখ্যা হৈছিল ৪৬২, ০৫২ জন আৰু জনবসতিৰ ঘনত্ব হৈছিল প্ৰতি বৰ্গ কিল'নিটাৰত ৪৫ জন । এওঁলোকৰ ভিতৰত হিন্দু আছিল ৪৪.০৪ শতাংশ, মুছলমান ২৭.৭৬ শতাংশ আৰু ২৮.৩০ শতাংশ আছিল বিভিন্ন জনজাতীয় ধৰ্মৰ আৰু অন্যান্য ধৰ্মৰ । ১৯ শ শতিকাই বাগৰ সলোৱাৰ লগে লগে জিলাখনত জনসংখ্যা দ্ৰুতভাৱে বাঢ়ি বলৈ ধৰিলে। কুৰি শতিকাৰ শেষত অবিভক্ত গোৱালপাৰাৰ জনসংখ্যা এশ বছৰতত ৯ গুণকৈয়ো অধিক বাঢ়ি ৪.৬ লাখৰ পৰা ৪২,৯৩৬১৪ জন হৈছেগৈ। ঘাইকৈ অসমৰ বাহিৰ আৰু ভিতৰৰপৰা হোৱা প্ৰব্ৰজনৰ ফলত জনসংখ্যাৰ এই দ্ৰুত বৰ্ধন সম্ভৱ হৈছে। মাথোন সেয়েই নহয় এই এশ বছৰত জনগাঁথনি আৰু জনবসতিৰ প্ৰতিৰূপবো পৰিবৰ্তন ঘটিছে। দক্ষিণ ট্ৰাংক ৰোড (পাছলৈ ৰাষ্ট্ৰীয় ঘাইপথ নং ৩৭) উত্তৰ ট্ৰাংক ৰোড (পাছলৈ ৰাষ্ট্ৰীয় ঘাইপথ নং ৩১) আৰু ৰেল লাইনবোৰ গঢ়ি উঠাত জনবসতিৰ প্ৰতিৰূপৰ পৰিবৰ্তন ঘটিছে আৰু এতিয়া জনবসতি সেই বাট পথ আৰু ৰেল লাইনৰ দুয়ো কাষলৈ আৰু চৰ অঞ্চললৈ বিস্তাৰিত হৈছে।

সামৰণি ঃ

সময় পাৰ হোৱাৰ লগে লগে অবিভক্ত গোৱালপাৰা জিলাৰ এলেকাটোত আগৰ প্ৰাকৃতিক পৰিবেশৰ আমূল পৰিবৰ্তন ঘটিছে। বৰ্ধিত জনসংখ্যাৰ অবাধ হস্তক্ষেপত অৰণ্যবোৰ ধ্বংস হৈ আহিছে। অৰণ্য ধ্বংস লগে লগে ভূমিক্ষয় বাঢ়িবলৈ ধৰিছে। আগৰ বিল জলাহবোৰ পোত গৈছে। ইতিমধ্যে আকৌ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই ঘাইকৈ দক্ষিণ পাৰ বিধ্বস্ত কৰি পেলাইছে। আনহাতে দ্ৰুত বৰ্ধ মান জনসংখ্যা, উন্নত যাতায়ত পৰিবহন ব্যৱস্থা আৰু উদ্যোগ আৰু বাণিজ্যৰ পতনে নতুন নতুন নগৰ, চহৰ আৰু জনপদ গঢ়ি তুলিছে। প্ৰশাসনৰ সুবিধাৰ্থে আগৰ জিলাখন চাৰিখন জিলাত পুৰ্ণসংগঠন কৰা হৈছে। উত্তৰ অংশত বড়ো সকলৰ, আৰু দক্ষিণ পূব অংশত ৰাভা হাছং সকলৰ আৰ্থ- সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক বিকাশৰ বাবে স্বায়ত্বশাসিত অঞ্চল স্থাপন কৰা হৈছে। মুঠতে ১৯শ শতিকাৰ অবিভক্ত গোৱালপাৰাৰ ভৌগোলিক আৰু আৰ্থ সামাজিক অৱস্থাৰ পৰিবৰ্তন ঘটিছে- যাৰ ফলাফল সুদুৰপ্ৰসাৰী।■

গ্ৰন্থ পঞ্জী ঃ

1. Govt. of India, 1905, Inperial Gazetteer, Vol-2, Calcutta
2. Hunter W.W., 1879, A Statistical Account of Assam, Vol-2, Reprint 1975, B. R.Pubilshing Corporation, Delhi110052
3. Mills, A.J. Moffatt, 1853, Report on the Province of Assam, Second Edition, 1984, Publication board, Guwahati.
4. পাটগিৰি, জগন্নাথ (স.), ১৯৯১, অবিভক্ত গোৱালপাৰা জিলাৰ সত্ৰ আৰু মঠ মন্দিৰৰ ইতিবৃত্তি , মনোৰমা প্ৰকাশ, গুৱাহাটী।
5. Surveyor General of India, 1867- 73, Revenue Map of Goalpara, Survey of India, Calcutta
6. তাহেৰ, মহম্মদ ১৯৯৪, উনবিংশ শতিকাৰ গোৱালপাৰা জিলা, ভৌগোলিকা ৮ম সংখ্যা, উত্তৰ পূৰ ভাৰত ভূগোল সংস্থা , গুৱাহাটী।

(গোৱালপাৰা মহাবিদ্যালয় শিক্ষক সংস্থাই আয়োজন কৰা ৩য় বাৰ্ষিক ড০ মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতাৰ এই প্ৰবন্ধটি ইতিমধ্যে ত্ৰয়োদশ সংখ্যা 'ভৌগলিকা'ত প্ৰকাশ হৈছিল।)

কোম্পানীৰ আমোলত গোৱালপাৰা চহৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চল

মনোজ কুমাৰ চক্ৰৱৰ্ত্তী

ইয়াণ্ডাবু সন্ধিৰ বহু বছৰ আগতেই - ১৭৬৫ খৃষ্টাব্দত বৃটিছ ইষ্ট্ ইণ্ডিয়া কোম্পানীয়ে বঙ্গ, বিহাৰ আৰু উৰিষ্যাৰ দেৱানী লাভ কৰাৰ লগে লগে গোৱালপাৰা জিলাখনো আনুষ্ঠানিক ভাৱে কোম্পানীৰ অধীনলৈ যায়। ইয়াৰ ফলত আৰু কোনো বিদেশীয়ে গোৱালপাৰা চহৰৰ উত্তৰে অৱস্থিত আহোম ৰজাৰ কান্দাহাৰ চকী অতিক্ৰম কৰি আহোম ৰাজ্যৰ লগত বেহা-বেপাৰ কৰিব নোৱাৰাৰ ফলত জিলাখনৰ প্ৰধান ঠাই গোৱালপাৰা তেতিয়াৰ পৰাই এখন প্ৰখ্যাত বাণিজ্যিক চহৰত পৰিণত হয়। পূৰৰ আহোম ৰাজ্য, উত্তৰৰ ভুটান আৰু দক্ষিণৰ গাৰোপাহাৰৰ লগত বহিঃ জগতৰ আমদানি-ৰপ্তানি আৰু বেপাৰ-বাণিজ্যৰ কেন্দ্ৰস্থল হিচাবে এই চহৰখনে এক বিশিষ্ট স্থান অধিকাৰ কৰে।

গোৱালপাৰা কোম্পানীৰ অধীনলৈ যোৱাৰ দহ বছৰ আগতেই ১৭৫৫ খৃষ্টাব্দত চন্দন নগৰত থকা ফৰাচী কৰ্ত্তৃপক্ষৰ নিৰ্দেশক্ৰমে জ্যাঁ বেপ্তিষ্ট চেভালিয়াৰে গোৱালপাৰা চহৰত ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানীৰ এটা শাখা মুকলি কৰে। ১৭৫৬-৬৩ খৃষ্টাব্দৰ সাত বছৰীয়া ৰণৰ সময়ছোৱাত ফৰাচী উপনিবেশ চন্দন নগৰ সাময়িক ভাৱে ইংৰাজ সকলৰ হাতলৈ যোৱাত অসমৰ লগত ফৰাচী ইষ্ট্ ইণ্ডিয়া কোম্পানীৰবাণিজ্য বন্ধ হৈ পৰে। কিন্তু চেভালিয়াৰে গোৱালপাৰা চহৰতে ৰৈ যায় আৰু কেইজনমান ইংৰাজ ব্যক্তিৰ এজেন্ট হিচাবে এই চহৰৰ পৰাই অসমৰ বাকী অংশৰ লগত নিমখৰ ব্যৱসায় চলায়। 'নাইট্ অব্দ্য ৰ'য়েল এণ্ড্ মিলিটাৰী অৰ্ডাৰ অব্ চেণ্ট 'লুই' উপাধি লাভ কৰা চেভালিয়াৰে পৰবৰ্ত্তী কালত বঙ্গদেশত ইংৰাজ আৰু ফৰাচী সকলৰ মাজত বাণিজ্যিক আৰু ৰাজনৈতিক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। ১৭৬৭ খৃষ্টাব্দত তেওঁ চন্দন নগৰৰ গভৰ্ণৰ আৰু বঙ্গদেশত থকা ফৰাচী উপনিবেশবোৰৰ মুখ্য সেনাধিনায়ক নিযুক্ত হয়।

চেভালিয়াৰে ইয়াৰ পৰা শুচি যোৱাৰ পিছতো গোৱালপাৰাত থকা তেওঁৰ নিমখৰ কুঠি কেৰা দেশক ধৰি চলে। ১৭৬৭ খৃষ্টাব্দত মিঃ লাৱাল নামৰ এজন ফৰাচী লোকক চেভালিয়াৰে তেওঁৰ অংশীদাৰ নিযুক্ত কৰে আৰু এওঁ গোৱালপাৰা চহৰৰ পৰাই অসমৰ বাকী অংশৰ লগত ব্যৱসায় চলায়। ১৭৬৩ খৃষ্টাব্দৰ পেৰিচ সন্ধিৰ পিছতো বহু ফৰাচী সদাগৰে গোৱালপাৰাত বসবাস কৰি স্বাধীনভাৱে বেহাবেপাৰ কৰে। সেই সকলৰ ভিতৰত গিবলট্ আৰু চ'ম্পানাক্ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। কিন্তু ১৭৭৮ খৃষ্টাব্দত এটা বিশেষ ঘটনাৰ পৰিপ্ৰেক্ষিততে ইংৰাজ চৰকাৰৰ আদেশক্ৰমে এওঁলোকে গোৱালপাৰা চহৰ এৰি শুচি যাবলৈ বাধ্য হয়।

এই উল্লেখযোগ্য ঘটনাটো ইয়াতে লিপিবদ্ধ কৰা হ'ল। চেভালিয়াৰে গোৱালপাৰাত থাকি ব্যৱসায় কৰাৰ সময়ছোৱাত তেওঁ শিৱৰাম শৰ্ম্মা বৈৰাগী নামৰ এজন অসমীয়া ব্যৱসায়ীক এক লাখ টকা মূল্যৰ বস্তু ঋণ হিচাবে যোগান ধৰিছিল। জগন্নাথ সৰকাৰ নামৰ আন এজন বঙালী ব্যৱসায়ীৰ ওচৰতো তেওঁৰ কিছু ধন প্ৰাপ্য আছিল। চেভালিয়াৰে গোৱালপাৰা চহৰ এৰি শুচি যোৱাৰ ২০ বছৰ পিছত মিঃ লাৱাল, মিঃ লিয়েৰ আৰু মিঃ বেইলী (শেষৰ দুজন ইংৰাজ) নামৰ তেওঁৰ তিনিজন এজেন্টে এই ঋণ আদায় কৰাৰ সংক্ৰান্তত আহোম চৰকাৰৰ লগত যোগাযোগ কৰে আৰু শেষত তেওঁলোকে এই এক লাখ টকা নাপালে তীব্ৰ প্ৰতিশোধ ল'ব বুলি কান্দাহাৰ চকীত থকা আহোম ৰজাৰ

বিষয়াজনক ভাবুকি দিয়ে। অন্যথায় কলিয়াবৰলৈকে নামনিৰ সমস্ত অঞ্চলটো আহোম ৰজাৰ পৰা তেওঁলোকে দাবী কৰে। ১৭৭৮ খৃষ্টাব্দৰ এপ্রিল মাহত এখন জাহাজ আৰু ১৫ খন নাৱেঁৰে গোৱালপাৰাৰ পৰা উজাই গৈ তেওঁলোকে নগৰবেৰাত উপস্থিত হয় আৰু তাতে শিৱৰামৰ পুতেক ৰুদ্ৰৰাম প্রমুখ্যে কেবাজনো লোকক ধৰি আনি নাওঁত আটক কৰি থয়। তাৰ পৰা তেওঁলোকে পাণ্ডুলৈ আগুৱাই যায় আৰু তাত দাঁতি আৰু কাষৰীয়া অঞ্চলত এক ভয়াবহ সন্ত্রাসৰ সৃষ্টি কৰে। এই ঘটনাই বঙ্গদেশত থকা কোম্পানীৰ চৰকাৰকো শংকিত কৰি তোলে আৰু সেই চৰকাৰৰ মধ্যস্থতাত এই ঘটনাৰ ইয়াতেই অন্ত পৰে। ৰাৰেন হেষ্টিংচৰ আদেশ ক্রমে ফৰাচী বণিকসকল গোৱালপাৰা চহৰ এৰি যাবলৈ বাধ্য হয় আৰু কোনো ইংৰাজ ব্যৱসায়ীয়ে বিদেশী কোম্পানীৰ এজেন্ট নিযুক্তি হোৱাৰ পৰা বঞ্চিত হয়।

গোৱালপাৰা চহৰত বসতি কৰা ইংৰাজ বণিক সকলৰ ভিতৰত জৰ্জলিয়েৰ আৰু হিউ বেইলীৰ নাম উল্লেখযোগ্য। লিয়েৰে গোৱালপাৰাত স্বাধীন ভাৱে নিমখৰ কুঠি সাজি লয় আৰু সেই সময়ৰ কোম্পানীৰ একচেটীয়া নিমখ ব্যৱসায়ৰ বিধি-নিয়ম উলংঘা কৰি স্বাধীন ব্যৱসায় চলায়। অসমৰ ইতিহাসত বেহাবেপাৰৰ ক্ষেত্রত এক বিশিষ্ট স্থান অধিকাৰ কৰা হিউ ৰেইলীয়ে প্রথমতে গোৱালপাৰা চহৰৰ পৰাই আহোম ৰাজ্যৰ লগত নিমখৰ ব্যৱসায় চলায়। পিছত ১৭৮৮ খৃষ্টাব্দৰ আৰম্ভণিৰ পৰাই ৰঙামাটি, বিজনী আৰু ৰুৱাইবাৰীৰ কালেক্টৰ হিচাবে গোৱালপাৰা চহৰতে থাকিবলৈ লয়। তেওঁৰ প্রচেষ্টাতেই কোম্পানীৰ অধীনত থকা বঙ্গদেশৰ লগত স্বাধীন আহোম ৰাজ্যৰ নিয়মীয়া বাণিজ্যিক সম্পর্ক গঢ়ি উঠে। ইয়াৰ উপৰিও ১৭৭১ খৃষ্টাব্দত দাখিল কৰা তেওঁৰ প্রতিবেদনবোৰৰ ফলস্বৰূপে পৰৱৰ্ত্তী কালত তেওঁৰ অধীনত থকা জিলা কেইখনক লৈ এক সুকীয়া গোৱালপাৰা জিলা গঠন কৰি অসমৰ লগত চামিল কৰা হয়।

উইলিয়াম ডো নামৰ এজন ইংৰাজ ব্যৱসায়ীয়ে যোগীঘোপাত বাস কৰি কাপোৰৰ ব্যৱসায় চলায়। ৰবার্ট বিগাৰ আৰু বাৰ্ণাড মেক্ কুলাম নামৰ আন দুজন ইংৰাজ বণিকে যোগীঘোপাৰ পৰা ব্যৱসায় চলায় যদিও গোৱালপাৰা চহৰতো তেওঁলোকে শাখা স্থাপন কৰে। ১৭৮০ খৃষ্টাব্দত যোগীঘোপাতেই ৰবার্ট বিগাৰৰ মৃত্যু হয়।

প্রুচিয়াৰ মহান ৰজা ফ্রেডাৰিকৰ অধীনত অফিচাৰ হিচাবে কাম কৰা আৰু মিন্‌ডেনৰ বিখ্যাত যুদ্ধত আহত হোৱা ডেনিয়েল ৰৌছনামৰ দুঃ সাহসিক ব্যক্তিজনে প্রথমতে ডেভিদ কিল্লিকানৰ ব্যৱসায়িক এজেন্ট হিচাবে গোৱালপাৰা চ আহে। তেওঁ এজন জার্মান, নে গ্রীক, নে ডেনমার্কৰ এই লৈ বিভিন্নজনে ভিন্ ভিন্ মত পোষণ কৰে। খৃষ্টাব্দত তেওঁ গোৱালপাৰালৈ আহে আৰু ইয়াৰ পিছৰ ২৫ বছৰ কাল এই চহৰতেই অতিবাহিত কৰে। সময়ছোৱাত তেওঁৰ দুঃ সাহসিক কার্য্যাৱলীয়ে ইতিহাসত এক প্রচণ্ড আলোড়ণৰ সৃষ্টি কৰে। ৰঙ্গ বিদ্রোহ আৰু মোৱামৰীয়া বিদ্রোহত ৰৌছে নি বিপদজনক ভাৱে জড়িত কৰাৰ ফলত ১৭৯৬ খৃষ্ট সম্ভৱত দৰঙী ৰজাৰ নিদের্শত তেওঁক হত্যা কৰা হয়। খৃষ্টাব্দত ৰৌছৰ দুটি যমজ শিশু পুত্র-ডেনিয়েল জোহানৰ মৃত্যু হোৱাত গোৱালপাৰা চহৰতেই তেওঁলো সমাধিস্থ কৰা হয়। তেওঁলোকৰ কবৰ আ হুলুকান্দাপাহাৰৰ ওপৰত দেখিবলৈ পোৱা যায়।

ইয়াৰ উপৰিও ভাৰতীয় সদাগৰ সকলৰ ভি বঙ্গদেশৰ শোভাৰাম পালিত আৰু গুণীৰাম সৰকাৰ দুজন ব্যৱসায়ীয়ে বঙ্গৰ নৱাবৰ দেৱান ৰেজাখাঁৰ গোৱালপাৰা চহৰত নিমখৰ ব্যৱসায় কৰিবলৈ পৰোৱানা কৰিছিল। যোগীঘোপাত গঙ্গানাৰায়ণ ৰায়ৰ নিমখৰ প্রকাণ্ড আৰু বিখ্যাত আছিল। ব্যৱসায় আৰু ৰাজনী উভয়তে সমানে দক্ষতা আৰু বিচক্ষণতা প্রদর্শণ কৰা স্বনামধন্য ব্যক্তি জগৎ শেঠৰ গোৱালপাৰা যোগীঘোপাত ১৮১৫ খৃষ্টাব্দলৈকে বাণিজ্যিক কুঠি আছি ৰঙ্গৰ নাৰায়ণ গঞ্জ আৰু সিৰাজগঞ্জৰ পৰা গোৱালপা চহৰলৈ নিমখ কঢ়িয়াই অনা জাহাজবোৰৰ গ্রীক নাৰি সকলেও এই চহৰলৈ সঘনে অহাযোৱা কৰিছিল।

অসমৰ ইতিহাসত প্রচণ্ডভাৱে আঁচোৰ দি যোৱা ব্যক্তিসকলৰ কার্য্যক্ষেত্র আৰু আবাসভূমি হোৱাৰ ফল গোৱালপাৰা চহৰৰ বিভিন্ন দিশত আমূল পৰিবর্ত্তন ঘটিল ই এক মহানগৰীত ৰূপান্তৰিত হ'ল। সেয়েহে ১৮০৭-১৮১ খৃষ্টাব্দত স্বনামধন্য ঐতিহাসিক আৰু গৱেষক ডাঃ বুকান চাহাবে উত্তৰ প্রদেশ, বিহাৰ আৰু বঙ্গদেশ ভ্রমণ কৰি গোৱালপাৰা চহৰত পদার্পণ কৰি এইদৰে লিখি ল'লে "গোৱালপাৰা এখন প্রধান চহৰ। এনেকুৱা এখন ৰাজ্য ইমান ধুনীয়া ঘৰ আৰু ৰাস্তাৰ দুয়ো কাষে সজ্জিত দোকা পোহৰবোৰ দেখিলে কিবা আচৰিত যেন হে লাগে আ সেয়েহে এই ঠাইখনক এক অতি মনোৰম নগৰ বুলি গণ্য কৰিব পাৰি। ইয়াক একমাত্র ইউৰোপীয় নগৰৰ লগতে ৰিজা পাৰি"। বেহা-বেপাৰৰ ফলত ইয়াৰ অধিবাসীসকল

ঐশ্বর্য্যশালী হোৱাৰ কাৰণে আৰু কাঠ-বন সহজলভ্য হোৱাৰ ফলত এই চহৰৰ ঘৰ বাৰীবোৰ আন ঠাইৰ তুলনাত বেছি ভাল আছিল বুলি ডাঃ বুকানন চাহাবে উল্লেখ কৰি গৈছে। অৱশ্যে সেই সময়ত এই চহৰৰ নামনি অঞ্চল বাৰিষাকালত প্রায় দুমাহ সময় পানীৰ তলত বুৰ গৈ আছিল। এটা ঘৰৰ পৰা আনটো ঘৰলৈ নাৱেৰে অহা-যোৱা কৰিব লাগিছিল। খৰালি কালত এই চহৰৰ ৰূপ অতি বিতোপন আছিল কিন্তু বাৰিষা কালত চহৰৰ বন্য প্রাকৃতিক সৌন্দর্য্যই ডাঃ বুকানন চাহাবক অভিভূত কৰি তুলিছিল।

১৮২৬ খৃষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ ফলস্বৰূপে অসম বৃটিছৰ অধীনলৈ যোৱাৰ পিছত গোৱালপাৰা জিলাকো অসম প্রদেশৰ লগত লগ লগোৱা হয়। কোম্পানীয়ে এতিয়া নিজৰ অধীনস্থ অসমৰ লগত বাধাহীন আৰু স্বাধীনভাৱে ব্যৱসায় কৰিবলৈ সক্ষম হ'ল। ইয়াৰ ফলত গোৱালপাৰা চহৰৰ বাণিজ্যিক প্রাধান্য লাহে লাহে নিষ্প্রভ হৈ আহিল। ইউৰোপীয় সদাগৰ সকলৰ ঠাইত মাৰোৱাৰী বণিক সকল আহি গোৱালপাৰা চহৰত থিতাপি ল'লে। ১৮৫৩ খৃষ্টাব্দত ৰচিত অসম বুৰঞ্জীৰ এক আকর্ষণীয় ঐতিহাসিক দলিল স্বৰূপ "ৰিপর্ট অন্ আসাম" গ্রন্থত মিল্‌চ চাহাবে গোৱালপাৰা চহৰৰ বিষয়ে ভালেমান তথ্য পাতি দি থৈ গৈছে। তেওঁৰ মতে 'গোৱালপাৰা অসমৰ দু�ৱাৰ স্বৰূপ আৰু ই সমগ্র জিলাখনৰে বেপাৰ বাণিজ্যৰ কেন্দ্রস্থল। এই চহৰত থকা মাৰোৱাৰী ব্যৱসায়ী সকলৰ যোগেদিহে জিলাখনৰ সকলো বেপাৰ বাণিজ্য চলে"। তেওঁলোকৰ মালবাহী নাওঁবোৰ মাজ নদীত ডকাইতি কৰি লুটপাত কৰা বুলি ইয়াৰ মাৰোৱাৰী সমাজে ১৮৫৩ খৃষ্টাব্দত ৰংপুৰৰ সদৰ দেৱানী আদালতৰ জজ্ মিল্‌চ চাহাবক গোৱালপাৰাত লগ ধৰি গোচৰ দিছিল।

সেই সময়ত গোৱালপাৰা চহৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চলৰ অধিবাসী সকলৰ অর্থনৈতিক অৱস্থা সাধাৰণতে যথেষ্ট সচ্ছল আছিল। হাবৰ-ঘাট অঞ্চলৰ মাটি অটাইতকৈ সাৰুৱা আছিল আৰু ইয়াতেই প্রকাণ্ড শাল গছৰে পৰিপূর্ণ এক বিশাল বনাঞ্চল আছিল। ১৮০৭-১৮১৪ খৃষ্টাব্দৰ ভিতৰত ডাঃ বুকানন চাহাবে এই অঞ্চল ভ্রমণ কৰি ইয়াৰ বনাঞ্চল সম্পর্কে এইদৰে উল্লেখ কৰিছে, " এই অঞ্চলৰ প্রধান শাল-বনাঞ্চলসমূহ এনে ধৰণৰ ঃ (১) হাবৰাঘাট ঃ এই বনাঞ্চল দীঘলে ছয় মাইল বুলি কোৱা হৈছে কিন্তু সম্ভৱত ই তাতোকৈও ডাঙৰ। মই এই বনাঞ্চলৰ মাজেৰে পূৱা-পশ্চিমাকৈ আঢ়ৈ মাইল অতিক্রম কৰি গৈছো। ই বহু প্রকাণ্ড গছেৰে পৰিপূর্ণ আছিল, যদিও আদিবাসী সকলে এই বনাঞ্চল ভাঙি খেতি কৰাৰ ফলত ই বহু পৰিমানে ধ্বংশ প্রাপ্ত হ'ল। (২) ডামৰা ঃ এই বনাঞ্চলৰ মাজেৰেও মই পূৱৰ পৰা পশ্চিমলৈ দুমাইলতকৈও অধিক বাট অতিক্রম কৰিছোঁ। বহু শাল গছেৰে পৰিপূর্ণ এই বনাঞ্চল হাবাৰাঘাটতকৈ সৰু কিন্তু হাবৰাঘাটৰ দৰেই একে কাৰণতে এই বনাঞ্চলো ধ্বংসৰ মুখত পৰিছে বুলি ক'ব পাৰি। (৩) নিবাৰী ঃ এই বনাঞ্চল মেচপাৰা জমিদাৰীৰ অন্তর্গত। নিবাৰী ৰজাৰৰ উত্তৰ-পশ্চিমে অৱস্থিত এই বনাঞ্চল গাৰো পাহাৰৰ সীমা চুইছেগৈ। (৪) মেচপাৰা ঝাড় ঃ হাটো গাওঁৰ পশ্চিমে আৰু জিঞ্জিৰাম নদীৰ উত্তৰে অৱস্থিত বিশাল আকৃতিৰ সৰল নিভাজ শাল গছেৰে পৰিপূর্ণ এই বনাঞ্চল। মই এই বনাঞ্চলৰ মাজেৰেও সাত-আঠ মাইল অতিক্রম কৰিছোঁ। (৫) কল্যাণপুৰ ঃ গোৱালপাৰা চহৰৰ পশ্চিম পিনে নিচেই কাষতে অৱস্থিত এই বনাঞ্চলত প্রকাণ্ড আকৃতিৰ গছ-গছনি চকুত নপৰে। ৰজাৰৰ নিচেই কাষতে হোৱা কাৰণে পুৱঠ হোৱাৰ লগে লগে এই গছবোৰ কাটি নিয়ে। ই দীঘলে পাঁচ মাইলমান আৰু বহলে উত্তৰৰ পৰা দক্ষিণে দুমাইলমান হ'ব"। ১৮৫৩ খৃষ্টাব্দত ৰাজেন ট্রাইবাৰ নামৰ ব্যক্তি এজনে ৰেল বিভাগলৈ গোৱালপাৰাৰ পৰা কাঠ যোগান ধৰিবলৈ কর্ত্তৃপক্ষৰ লগত চুক্তি স্বাক্ষৰিত কৰে। সামপ্রতিক কালৰ এই চহৰৰ কাঠ ব্যৱসায়ী সকলৰ পথ প্রদর্শক বুলি এওঁকেই গণ্য কৰিব পাৰি।

কোম্পানীৰ আমোলত শিক্ষাদীক্ষাৰ ক্ষেত্রতো গোৱালপাৰা চহৰ পিছপৰা নাছিল। আজিৰ পৰা প্রায় ডেৰশ বছৰ আগতে এই জিলাখনত দহখন স্কুল আছিল। তাৰে এখন আছিল ইয়াৰপৰা দহ মাইল আঁতৰৰ মৰঁনে গাওঁত। ১৮৫৩ খৃষ্টাব্দত গোৱালপাৰা স্কুলৰ ছাত্র সংখ্যা মুঠ ১১৯ জন আছিল আৰু মৰঁনে স্কুলৰ ছাত্রৰ সংখ্যা আছিল ৩৬ জন। সেই সময়ত লক্ষীপুৰত থকা আন এখন স্কুলত ৩৫ জন ছাত্রই শিক্ষালাভ কৰিছিল। ছাত্র সকলে ইংৰাজী, বঙলা আৰু পার্চি ভাষা শিকিব লাগিছিল গাৰো ছাত্রৰ কাৰণে তেতিয়াই গোৱালপাৰা চহৰত এখন গাৰো স্কুল স্থাপন হৈছিল। ইয়াৰ ছাত্র সংখ্যা আছিল ৮ জন আৰু শিক্ষাৰ প্রতি গাৰো সকলৰ ধাউতি বঢ়োৱাৰ উদ্দেশ্যে চৰকাৰে প্রতিজন গাৰো ছাত্রক মাহিলি তিনি টকাকৈ জলপানি দিছিল। মিল্‌চ চাহাবৰ মতে শিক্ষক সকলৰ দৰমহা নিচেই তাকৰ আছিল আৰু সেয়েহে তেওঁলোকে জীৱিকা নির্বাহৰ উপায় হিচাবে আন কামো কৰিবলৈ বাধ্য হৈছিল। স্কুল-পৰিদর্শকে গোৱালপাৰা চহৰত থকা স্কুলৰ বাহিৰে আন স্কুলবোৰ পৰিদর্শন নকৰা কাৰণে মিল্‌চ চাহাবে আক্ষেপ কৰিছিল আৰু সংশ্লিষ্ট কর্ত্তৃপক্ষক এই সংক্রান্তত বিহিত ব্যৱস্থা ল'বলৈ নির্দ্দেশ দিছিল।

সেই সময়ত গোৱালপাৰা জিলাত মুঠতে চাৰিখন থানা

আছিল আৰু জিলাৰ সদৰ ঠাই হোৱা কাৰণে গোৱালপাৰা চহৰৰ থানাখন আটাইতকৈ ডাঙৰ আৰু ইয়াৰ কৰ্ম্মচাৰীৰ সংখ্যাও আটাইতকৈ বেছি আছিল। এই থানাত এজন দাৰোগা, তিনিজন মোহাৰাৰ, এজন জামাদাৰ আৰু ওঠৰজন বৰকন্দাজ আছিল। গাৰো হাটবোৰ চোৱাচিতাৰ কাৰণে জিৰা আৰু নিবাৰীত এটা গাৰো পুলিচ ষ্টেচন আছিল। তাত এজন মোহাৰাৰ, ন জন বৰকন্দাজ আৰু দুজন দোভাষী আছিল। ব্যৱসায়ী সকলক ৰক্ষণাবেক্ষণ আৰু নিৰাপত্তা দিয়াৰ অৰ্থে গোৱালপাৰা চহৰত এটা সামৰিক বাহিনীও ৰখা হৈছিল। তাত এজন সুবাদাৰ, পাঁচজন হাবিলদাৰ, সাতজন নায়েক, এজন বিগলবাদক আৰু ৯৭ জন চিপাহী আছিল। একেকাৰণতে জিৰা আৰু নিবাৰীতো যথাক্রমে ৬ আৰু ১৪জন সামৰিকলোক ৰখা হৈছিল। গাৰো পাহাৰৰ নামনি অঞ্চলত ৰখা হৈছিল। গাৰো পাহাৰৰ নামনি অঞ্চলত গোৱালপাৰাৰ ভিন ভিন ঠাইত কেবাখনো গাৰো হাট বহিছিল য'ত গাৰোসকলে বিনিময় প্রথাৰে বেপাৰ কৰিবলৈ অস্ত্র-শস্ত্রৰে সজ্জিত হৈ পাহাৰৰ পৰা নামি আহিছিল। তেওঁলোকে কপাহ, আদা আৰু জলকীয়াৰ বিনিময়ত গৰু, কুকুৰা, চাউল আৰু শুকান মাছ আদি লৈ গৈছিল।

ডেৰশ বছৰ আগতেই ডামৰাৰ পৰা জিৰালৈ যোৱা আলিবাটটো নিৰ্ম্মাণ কৰা হৈছিল। ফলত গোৱালপাৰাৰ পৰা গাৰো পাহাৰলৈ যোৱাৰ পথ সুগম হৈছিল আৰু ইয়ে বেপাৰ বাণিজ্যৰো উন্নতি সাধিছিল। এই পথ নিৰ্ম্মাণে গাৰোসকলক গোৱালপাৰা চহৰলৈ আহাৰ আৰু আধুনিক সমাজৰ ৰীতি-নীতি শিকাৰ বাবে উদ্‌গণি যোগাইছিল। ১৮৫০ খৃষ্টাব্দ মানতেই গোৱালপাৰাৰ পৰা ছয় মাইল আঁতৰৰ দুবাপাৰালৈ যোৱা আলিবাটটো নিৰ্ম্মাণ কৰা হৈছিল। সেই সময়ত দুবাপাৰাত এটা চেনিৰ কল স্থাপন কৰা হৈছিল। কল্যাণপুৰলৈ যোৱা বাটটোও সেই সময়ৰে আছিল। তেতিয়া কল্যাণপুৰ এখন ঘণ বসতিপূর্ণ ঠাই আছিল। ওচৰৰে আন এখন প্রধান ঠাই আছিল শোলমাৰী। ইতিহাস প্রসিদ্ধ এই শোল মাৰীৰ নাম মোগল বুৰঞ্জী "বাহাৰিস্তান - ঈ- ঘাইবী"ত সঘনাই উল্লেখিত হৈছে। 'পাদশাহনামা'তো শোলমাৰী পৰগণাৰ বিষয়ে লিখা আছে। (কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯২৮ চনত ডক্তৰেট ডিগ্রী লাভ কৰা ডঃ এছ, এন্, ভট্টাচার্য্যৰ গৱেষণামূলক ঐতিহাসিক গ্রন্থ "Mughal North-East Frontier Policy" ৰ বহুতো পৃষ্ঠা এই শোলমাৰী নামৰ ঠাইখনেই অধিকাৰ কৰি আছে।

* * * * *

মূল প্রবন্ধৰ লগত সামঞ্জস্য নাই বুলি জানিও পদুৱে বন্ধু সকলৰ - বিশেষকৈ মৰমৰ স্থানীয় ছাত্র-ছাত্রী সকলৰ জ্ঞাতার্থে প্রায় চাৰিশ বছৰ আগৰ শোলমাৰী অঞ্চলৰ এক বীৰত্বপূর্ণ ঐতিহাসিক ঘটনাৰ এইখিনিতেই এটি বিৱৰণী দিবলৈ ইচ্ছা কৰিছোঁ - এই ভাবিয়েই যে এটা জাতিৰ অতীত ইতিহাসৰ কিছুমান ঘটনাই বর্ত্তমান কালৰ আৰু ভৱিষ্যতৰ বংশধৰ সকলক সজাগ, সচেতন, ঐক্যবদ্ধ আৰু কার্য্যক্রম কৰি তোলাত অনুপ্রেৰণা যোগায়।

শোলমাৰীৰ সেই ইতিহাস এটা স্বাধীনতা লিপ্সু জাতিৰ স্বাধীনতা ৰক্ষাৰ হকে প্রাণপণে কৰা সংগ্রামৰ এক দীঘলীয়া ইতিহাস। এই ইতিহাস যেনে ঘটনা বহুল, তেনে চমকপ্রদ। দিল্লীৰ প্রবল পৰাক্রমী মোগল সম্রাট জাহাঙ্গীৰৰ বিজয়ী সেনা বাহিনী ধুবুৰী জয় কৰি ১৬১৯ খৃষ্টাব্দত নাৰেঁৰে উজাই আহি বগুৱানত নামিল। তাৰ পৰা বিজয় গর্বেৰে আগবাঢ়ি আহি বালিজানাত বিশ্রাম ললেহি। তাৰ পিছত তেওঁলোকে আৰু কিছুদূৰ অগ্রসৰ হোৱাত প্রচণ্ড প্রতিৰোধৰ সন্মুখীন হৈ হঠাতে থমকি ৰ'ল এই শোলমাৰীতেই । সেই সময়ৰ শোলমাৰী পৰগণাৰ অধিপতি - সুচতুৰ আৰু নির্ভীক বীৰ পৰশুৰামৰ নেতৃত্বত গঢ়ি উঠা প্রবল প্রতিৰোধে মোগল সেনাবাহিনীক কিছুদিনৰ কাৰণে বালিজানাৰ ওচৰতে আৱদ্ধ কৰি ৰাখিল। সুপ্রসিদ্ধ বুৰঞ্জীবিদ বেনুধৰ শর্ম্মাদেৱৰ মতে পৰশুৰাম এজন ৰাভা জাতিৰ লোক আছিল আৰু বর্ত্তমানৰ দৰে সেই সময়তো এই অঞ্চলত বহুতো ৰাভা জাতিৰ লোকে বাস কৰিছিল।

ডঃ ভট্টাচার্য্যৰ ভাষাত One of the most stubborn enemies of the Mughal peace in the hilly and jungly region to the south of the Brahmaputra, lying to the west of the Nag-arberra Hills, was Parshuram, His Stronghold was Solmari Parganah. পৰশুৰামে মোগল চাউনি অতর্কিতে আক্রমণ কৰি লুটপাত কৰাৰ উপৰিও মোগল সেনাবাহিনীক খাদ্যৰ যোগান ধৰা বাট-পথবোৰো অতি দক্ষতাৰে বন্ধ কৰি দিছিল। এই ঘটনাৰ ফলত মোগল সেনাবাহিনীৰ অৱস্থা অতি শোচনীয় হৈ পৰিল। পিছত মোগল সেনাপতি মির্জানাথনে ৫০০ জন বন্দুকধাৰী আৰু ৩০০ জন অশ্বাৰোহী সৈন্য সহ পৰশুৰামৰ দূর্গ অধিকাৰ কৰিবলৈ আগবাঢ়ি আহিল। ইপিনে পৰশুৰামেও মোগল সেনাৰ অগ্রগতিক বাধা দিবলৈ প্রায় এহেজাৰ সৈন্য লগত লৈ কেতেকীবাৰীৰ ওচৰত সাজু হৈ ৰ'ল। এই সংবাদ মোগল সেনাপতিৰ কাণত পৰাত তেওঁ নাৰেঁৰে চান্দোৰ ডিঙালৈ উভতি যাবলৈ স্থিৰ কৰিলে। সুবিধা বুজি পৰশুৰামেও

আগতে গৈ ব্রহ্মপুত্র নৈৰ দাঁতিৰ পাহাৰী অঞ্চল এটা সুৰক্ষিত কৰি তাতেই মোগল সেনাবাহিনীৰ বাট অগচি ধৰিলে। ইয়াতেই মোগলৰ লগত পৰশুৰামৰ ৰণ লাগে। মোগল সেনাবাহিনী তিনিভাগত বিভিক্ত হৈ আক্রমণ কৰাত আৰু তাৰে এটা বাহিনীয়ে পিছপিনৰ পৰা অৰক্ষিত দিশেদি আক্রমণ কৰাত পৰশুৰামে পৰাজিত হৈ পলাবলৈ বাধ্য হয়। শোলমাৰী অভিমুখে অগ্রসৰ হোৱা মোগল সেনা বাহিনীৰ গতিৰোধ কৰিবলৈও তেওঁ সক্ষম নহ'ল। তেতিয়া পৰশুৰামে ওচৰৰে ৰংদান অঞ্চলৰ অধিপতি কালটাকাৰীৰ সহায়ত মাকৰি পাহাৰলৈ গৈ সপৰিয়ালে আশ্রয় লয়। মোগলসেনাই তেওঁৰ শোলমাৰী দূর্গ অধিকাৰ কৰি তাতে এখন থানা স্থাপন কৰে। ইয়াৰ পিছত পৰশুৰামৰ অধীনত থকা আন এখন গুৰুত্বপূর্ণ ঠাই কেতেকীবাৰীও মোগলে দখল কৰে।

ৰংদান অঞ্চলৰ পৰাই পিছত পৰশুৰামে মোগলক আক্রমণ কৰি ব্যতিব্যস্ত কৰি তোলে। বালিজানাত থকা মোগল চাউনি আক্রমণ কৰি তেওঁ বহুসংখ্যক মোগল সৈন্যক নিহত কৰাত মির্জা নাথনে প্রতিশোধ কল্পে ৰংদান অঞ্চল আক্রমণ কৰি জুই লগাই দিয়ে। মোগল চাউনি সুৰক্ষিত কৰাৰ অর্থে মির্জাই বক্সী বদ্রী দাসৰ অধীনত বালিজানাত এখন মোগল থানা স্থাপন কৰে। তথাপিও পৰশুৰামে পাহাৰ, জলাশয় আৰু বনাঞ্চলৰে আগুৰা অতি সুৰক্ষিত ঠাই মাকৰি অঞ্চলৰ পৰা গৰিলাযুদ্ধেৰে অকল মোগল সেনাপতিৰ অগ্রগতি ৰোধ কৰাই নহয়; তেওঁ কেবাবাৰো বালিজানাৰ মোগল থানা আক্রমণ কৰিবলৈ সক্ষম হয়। পৰশুৰামক বধ কৰিবলৈ অথবা সম্ভৱ হ'লে জীৱিত অৱস্থাত ধৰি আনিবলৈ দিয়া মোগল সেনাপতিৰ আদেশ সহজে আৰু সোনকালে কার্য্যকৰী হোৱা নাই। উপায়হীন হৈ মির্জা নাথনে কিছুদিনৰ কাৰণে বালিজানা চাউনিত বিশ্রাম ল'বলৈ বাধ্য হয়।

ইয়াৰ পিছতো মির্জা নাথনে পৰশুৰামক দমন কৰিব নোৱাৰি সেই কামৰ ভাৰ শোলমাৰী আৰু বালিজানাৰ থানাদাৰৰ ওপৰত অর্পণ কৰি মোগলৰ আন এক পৰাক্রান্ত শত্রু- আমজোঙা আৰু ৰংজুলিৰ দূর্গাধিপতি সামৰ্দ্দ কায়স্থৰ বিৰুদ্ধে সসৈন্যে অভিযান চলায়। সুদীর্ঘ দিনৰ নেৰানেপেৰা চেষ্টা স্বত্তেও মির্জা নাথনে নিজে ব্যক্তিগত ভাৱে এপিনে যেনেকৈ মোগল সেনাপতিৰ অক্ষমতা আৰু বিফলতাৰ পৰিচায়ক, আনপিনে ঠিক তেনেদৰে পৰশুৰামৰ ধৈর্য্য, বলবীর্য্য আৰু সমৰ কুশলতাৰ উজ্জ্বল চানেকি স্বৰূপ।

ৰংজুলি দূর্গ অধিকাৰ কৰাৰ পিছত মির্জা নাথনে পৰশুৰামক যি কোনো উপায়ে ধৰিবলৈ নির্দ্দেশ দি ৰংজুলিৰ পৰা শোলমাৰী থানাদাৰলৈ আৰু এদল নতুন সৈন্য প্রেৰণ কৰে। এইবাৰৰ সংঘর্ষত পৰশুৰাম হাৰে যদিও পলাই সাৰিবলৈ সফল হয়। কিন্তু তেওঁৰ পত্নী আৰু দুটি শিশু সন্তান মোগল থানাদাৰ বলবাহাদুৰ দাসৰ হাতত পৰে। নিজ পৰিয়ালৰ বন্দীদশা দেখি পৰশুৰাম অতিপাত বিচলিত হয় আৰু এই ঘটনাই তেওঁৰ দুঃসাহসিক জীৱনত গভীৰভাৱে ৰেখাপাত কৰে। পৰিয়ালৰ মুক্তিৰ অর্থে তেওঁ যি কোনো মূল্য দিবলৈ প্রস্তুত হয়। ঠিক তেনে এক অৱস্থাতে এদল আফগান সৈন্যই পৰশুৰামক জীৱিত অৱস্থাতে আটক কৰে আৰু হাজোত অৱস্থান কৰা মির্জা নাথনৰ ওচৰলৈ প্রেৰণ কৰে।

নিঃ সন্দেহে দিল্লীশ্বৰ মোগল পাদচাহৰ অতি পৰাক্রমী সেনা বাহিনীক অতি ক্ষুদ্র অঞ্চল এটাৰ এমুঠি সেনাই ৰণ দি পৰাজয় কৰিব নোৱাৰে সঁচা; কিন্তু নিজৰ আৰু অঞ্চলটোৰ স্বাধীনতা ৰক্ষাৰ হকে, নিজৰ আৰু পৰিয়ালৰ সুখ-স্বাচ্ছন্দ, ধন-সম্পদ আৰু নিজ জীৱনকো পণ কৰি যি বল-বিক্রম আৰু সাহসেৰে দীঘলীয়া ৰণ দি গ'ল অকল এইখিনি কৃতিত্বৰ যোগেদিয়েই পৰশুৰামে এই অঞ্চলটোৰ ইতিহাসত এজন নির্ভীক আৰু দুঃসাহসী বীৰযোদ্ধা ৰূপে চিৰকালে স্মৰণীয় আৰু বৰণীয় হৈ ৰ'ব।

* * * * *

বগুৱান, বালিজানা, কেতকীবাৰী, শোলমাৰী, কল্যাণপুৰ, দলগোমা, বহতী, মাণিকপুৰ, জিৰা, আমজোঙা, ৰংজুলি আদি ইতিহাস প্রসিদ্ধ ঠাই। কমেও চাৰিশ বছৰ আগৰ এই ঠাইবোৰৰ নাম মোগল আমোলৰ মুছলমান লিখক সকলৰ বুৰঞ্জীত লিপিবদ্ধ হৈ আছে। গোৱালপাৰা চহৰৰ দাঁতি কাষৰীয়া এই ঠাইবোৰ কোম্পানীৰ আমোলতো সমানে উল্লেখযোগ্য আছিল।

গোৱালপাৰা চহৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চলটোৰ অৱস্থা কোম্পানীৰ আমোলত ঠিক এনে ধৰণৰেই আছিল। কিন্তু বছৰবোৰ বাগৰি যোৱাৰ লগে লগে এই চহৰখনৰ লগতে অঞ্চলটোৰো ভাগ্যৰ বিপর্য্যয় ঘটিল। আগতেই কোৱা হৈছে যে ইয়াণ্ডাবু সন্ধিৰ ফলশ্রুতি হিচাবে গোৱালপাৰা চহৰৰ প্রাধান্য লাহে লাহে নিস্প্রভ হৈ আহিল। কোম্পানী চৰকাৰৰ প্রশাসনিক ব্যৱস্থাই আৰু প্রাকৃতিক দুর্য্যোগে এই অঞ্চলটোৰ অপূৰণীয় ক্ষতি সাধন কৰিলে। ১৮৭৯ খৃষ্টাব্দত জিলাৰ সদৰ ঠাই গোৱালপাৰা চহৰৰ পৰা ধুবুৰীলৈ স্থানান্তৰিত কৰা হ'ল। এই প্রশাসনিক পৰিবর্ত্তনে অঞ্চলটোৰ প্রগতিত যথেষ্ট বাধাৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও ভূঁইকপ, অগ্নিকাণ্ড আৰু মহামাৰীয়ে অৱর্ণনীয় ক্ষতি সাধন কৰে।

চহৰৰ আৰু সমগ্ৰ অঞ্চলটোৰে ঘৰবাৰী কাঠ আৰু খেৰৰ হোৱা বাবে প্ৰতিবছৰে অগ্নিকাণ্ডৰ ফলত এই অঞ্চলটোৰ বিস্তৰ ক্ষতি হৈছিল। এনেকি গোৱালপাৰা চহৰতে প্ৰতি বছৰে মাৰ্চ, এপ্ৰিল আৰু মে মাহত বহুতো ঘৰবাৰী অগ্নিকাণ্ডৰ ফলত ভস্মীভূত হোৱা বুলি ১৮৭৮ খৃষ্টাব্দত হাণ্টাৰ চাহাবে লিখি থৈ গৈছে। প্ৰতিবছৰে মহামাৰী দেখা দিয়াত এই চহৰ আৰু অঞ্চলটোৰ বহুতো মানুহ মৃত্যুৰ মুখত পৰে। বসন্ত আৰু কলেৰা ৰোগে ব্যাপক মহামাৰীৰূপ ধাৰণ কৰাত কেতিয়াবা একোখন গাওঁ সম্পূৰ্ণৰূপে নিশ্চিহ্ন হৈ পৰে। ১৮৩৪ চনত মাত্ৰ ৫০০০ লোকৰ বসতি থকা গোৱালপাৰা চহৰৰ ৩০০ জন লোকেই কলেৰা ৰোগত প্ৰাণ হেৰুৱায়। মহামাৰীয়ে সৃষ্টি কৰা সন্ত্ৰাসৰ ফলত মানুহে ঘৰবাৰী এৰি থৈ নিজ গাওঁৰ পৰা বহু দূৰ ঠাইলৈ ঢাপলি মেলে। ফলত গাওঁবোৰ উচ্ছন্ন হৈ যায় আৰু মাটিবোৰ ছন পৰে। আজিও গোৱালপাৰা চহৰৰ চুবুৰীয়া অঞ্চলত 'ছনবাৰী' নামেৰে এনে বহুতো অঞ্চল আমাৰ চকুত পৰে। যোৱা শতিকাৰ মধ্যভাগতে গোৱালপাৰা চহৰত থকা জিলাৰ চিভিল চার্জন ডাঃ বেৰী চাহাবে কৰ্তৃপক্ষলৈ লিখা চিঠিবোৰ পঢ়ি এই কথাবোৰৰ সত্যতা নিৰূপণ কৰিব পাৰি।

বানপানী আৰু ধুমুহাৰ ফলত হোৱা ক্ষয় ক্ষতিৰ পৰিমানো একেবাৰে নগণ্য ধৰণৰ নাছিল। ১৯০০ চনত প্ৰচণ্ড ৰা-মাৰলিয়ে গাৰো পাহাৰৰ নামনি অঞ্চলত থকা গোৱালপাৰা জিলাৰ বিস্তীৰ্ণ অঞ্চলৰ ঘৰবাৰীবোৰ মাটিৰ লগত মিহলাই দিছিল আৰু ৪৪ জন লোকৰ প্ৰাণহানি হৈছিল। ১৮৩৭ খৃষ্টাব্দৰ মেক্ কোশ চাহাবৰ প্ৰতিবেদনত এনেদৰে উল্লেখ আছে যে প্ৰায় ২০ বছৰ আগৰ এক ভূমিকম্পৰ ফলত গোৱালপাৰা চহৰৰ কাষবীয়া গাওঁ এখন সম্পূৰ্ণৰূপে নাইকিয়া হৈছিল আৰু তাৰ ঠাইত এক প্ৰকাণ্ড জলাশয়ৰ সৃষ্টি হৈছিল। কিন্তু ১৮৯৭ খৃষ্টাব্দৰ ১২ জুন তাৰিখে হোৱা ভূমিকম্পৰ ফলত এই অঞ্চলটোৰ যি অবৰ্ণনীয় ক্ষয়-ক্ষতি হৈছিল তাৰ মাত্ৰা আগৰ সকলোবোৰকে চেৰাই গৈছিল। হুলুকান্দা পাহাৰৰ আশে পাশে থকা পকী ঘৰবোৰ সম্পূৰ্ণৰূপে ধ্বংস প্ৰাপ্ত হৈছিল আৰু নামনিৰ ঘৰবোৰ মাটিৰ তলত পোত গৈছিল। আলিবাট আৰু দলংবোৰ বিচ্ছিন্ন হৈ পৰিছিল। শালিভূঁই আৰু সৰিয়হ তলিবোৰ বহু তললৈ বহি গৈছিল আৰু এই ঠাইবোৰ বানপানীৰ সীমাৰেখাৰ নিম্নস্থানত পতিত হৈছিল। নৈবোৰ তৰাং হৈছিল। আৰু গৰা খহনীয়া আৰম্ভ হৈছিল। খেতিৰ মাটিৰ বেছি ভাগেই বান বিধ্বস্ত এলেকাত পৰিণত হৈছিল। এই অঞ্চলৰ আধাৰো বেছি মানুহ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ গুছি গৈছিল। চুনাৰীৰ পৰা শিঙিমাৰীলৈ এই অঞ্চলৰ বহুতো ঠাই বসবাসৰ অনুপযুক্ত হৈ পৰিল। পিছত এই অঞ্চলটো ডাঠ হাবি-বননিয়ে আগুৰি পোলালে। এনেকি গোৱালপাৰা চহৰকো বানপানীৰ কবলৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে আঁচনি যুগুতোৱা হৈছিল। এখন প্ৰগতিশীল চহৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চলটোই স্বাধীনতাৰ আগমূহুৰ্ত্তলৈকে এনেদৰেই উজুটি খাই উন্নতিৰ পথৰ কেঁকুৰি এটাত থমকি ৰব লগাত পৰিল। ■

(উপৰোক্ত প্ৰবন্ধটি অসম বিজ্ঞান সমিতিৰ উদ্যোগত গোৱালপাৰা বিজ্ঞান সমিতিয়ে ৫ মাৰ্চ, ১৯৮৬ তাৰিখে অনুষ্ঠিত কৰা "ঔষধ, ডাক্তৰ আৰু বাইজ" শীৰ্ষক আলোচনাৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা 'স্মৃতিগ্ৰন্থ'ৰ পৰা পুনৰ মুদ্ৰণ কৰা হৈছে।)

> Do not train boys to learning by force and harshness; but direct them to it by what amuses their minds, so that you may be the better able to discover with accuracy the peculiar bent of the genius of each.
>
> - *Plato*

A BRIEF SKETCH OF THE JINJIRAM BASIN

Siva Prasad Deka
Dept. of Geography

The Goalpara district of Assam contains plenty of socio-cultural and natural wealth with a glorious past. Either due to geopolitical reason or in the name of administrative feasibility the gateway district of Assam as well as Northeast India has been changing its size and shape since the British period disturbing the rich cultural affinity. Now bearing the original name the district keeps its identity in the world map covering only a geographical area of 1824 sq kms with 837 villages under 81 Gaon Panchayats in 8 Community Development Blocks and supports a total population of 8,22,306 (2001) out of which 7,55,017 are rural and 67,289 urban. The population was 4,62,555 in 1901 (undivided) covering 10,359 sq kms of area with three civil sub-divisions. Since the Ahom and the Koch rule the said geographical unit has been playing a vital role in highland and plainland interaction. Rongjuli, Roumari, Jira, Damra, Dudhnoi, Habraghat, Nivari, Magurmari, Chalitavari, Silapani, Rongsai, Bangalkhata, (Teltani, Rajabala in Dhubri district) are the chief Garo trading centers with plains in the present Goalpara district. All these places are situated on the banks of major rivers like Deosila, Kornoi, Dudhnoi, Krishnai and Jinjiram of the district. Goalpara is the main commercial and educational center. Majority of the Garo trading centers are found on the South bank of the Jinjiram.

Considering the physiographic network of the region the Jinjiram flows in the east west direction along the foot of the Garo Hills sluggishly following the low slope gradient, almost parallel to the mighty Brahmaputra. The river crosses the international border in the Southwestern cornor of Assam as well as Northeast India near Mankachar under Hatsinghimari civil subdivisionof Dhubri district.

Mankachar is an important southwestern international border town of the region where the tomb of the Moghal General Mirjumla is located on a small hillock and an old Kamakhya temple is on another nearby hillock. After crossing the border the Jinjiram acquires the identity of an international river and finally merges with the Brahmaputra in Bangladesh on the north. Between the Jinjiram and the brahmaputra, the Sri Surya Pahar (22m), Holukanda (131m), Pancharatna hill (313m), Paglatek 9200m), Nalonga (221m) are the important hills. From Dwaraka near Balijana to the north bank of the Jinjiram, Berali, Andharmua etc are the spotted chain of comparatively low hills attached to Pancharatna and Paglatek hills.

The south bank tributary river system of the Jinjiram is not only important for the geomorphologists or environmentalists for its fluvio-geomorphic processes; but it is also equally important in the field of biodiversity and socio-cultural context. In this part lies the fertile Brahmaputra valley. The socio-economically backward ethnic groups like Rabha, Garo, Mech, Rajbongshi, Hajong and other communities have

contributed their respective socio-cultural materials towards the formation of the colourful cultural heritage of Assam. The ethno-culturally wealthy Mechpara, Kalyanpur, Kalumalupara, Karibari zamindaris were established in the recent past. The latter two are now in Bangladesh. Still the ruins of Mechpara zaminder at Lakhipur and discovered materials of Kalyanpur carry their historical identity.

The whole fertile valley not only once supported the entire population but also considering its physio-climatic situation provided an ideal ecosystem for the luxuriant growth and development of plant communities, terrestrial and aquatic birds, animals, insects etc.

Now the Jinjiram is traceable a little ahead of the narrow passage between the Borjhora (Paharkata) hill on the north, and Ajagar hill on the south nearly 1 km east of Agia township flowing through south of Dwaraka to Hajirhat, Mankachar. It becomes dry causing horseshoe lake in few portions, even few sections are covered with aquatic weeds between Agia, Balijana and Rongsai. Reportedly the river changes its channels after flood spreading silt over the cultivated area in the lower course from Phoolbari to Mankachar causing threat to agrarian economy of the basin as well as to the biodiversity. As a result the number of aquatic birds and animals like kites, crocodile etc and common plants having medicinal value are rapidly decreasing.

At different times different scholars have put forward their valuable research based informations regarding the original source of the Jinjiram. But the British surveyer Martin (1837) in his topographical report of this region with reference to the map of Major Rennell has stated that the source of the Jinjiram was much ahead of the present site. According to him the Jinjiram comes from the southern end of the lofty Chorehachu of the Garo hills and flows into a beautiful valley in which Nivari is situated as one of the chief mart of the Garo trade. "At all seasons loaded canoes can reach thus far. The Jinjiram then passage a wide low valley above 14 miles in length, but the river winds exceedingly. About the middle is Magurmari another Garo mart, above which the Jinjiram receives from southwest a rivulet named Rongkhati". Near the lower end of the valley, the Jinjiram is divided into two branches. In the dry season that which goes towards the southwest for some way, contains no water; but having been the original channel of the river, it contains the name and in the rainy seasons the loaded canoes can pass through upto Singhimari. Between two hills Agia and Paglijora, but before entering the passage, it receives some drainage from the large marsh called Urpoterdol (Urpadbil) and acquires a little stream, which gradually increases by numerous rills that fall from the montains, among which it passes for about 22 miles, through a beautiful valley. The Dherchi, which passes west from Hatogang, a chief place of Mechpara, about 12 miles below its entrance into the low country, the Jinjiram has increased very much in size and at Chalitavari, a Garo mart on its bank, boats of 200 men's burden frequent it at all seasons. A great controversy arises now when we compare Martin's report with the present situations as with the observations of some other scholars.

Martin also reported regarding the principal vegetation of the region (Sal forest) as (1)Nivari situated near Mechpara, northwest from the marketplace of that name and near the Jinjiram. This is of a very large extent towards the skirts of the great hill Berali. (2) Kalyanpur a little south from Goalpara, this is of small extent, and contains few large trees, being so near the market that every tree is cut so soon as ready. It may be of 4/5 miles long and from one to two miles wide from north to south. (3) Mechparajhar, west from Hatogunj (Hatogang) and north from the Jinjiram. This si a very stately forest and of great size, about 7/8 miles through in one direction. (4) South from Goalpara, beyond the Sal forest, there is a very extensive marsh called Urpoterdol (Urpadbil) and beyond this the area is covered with tall reads. But unfortunately all these described forests are hardly traceable at present, few patches remain as degraded.

Due to the tremendously growing population pressure in the last few decades, illegal felling of trees and overexploitation of forest products the natural resources are getting reduced in an alarming way which is also reported by the natioanal remote sensing agency. It is causing serious threat to the environment. Besides the tribal people of the region traditionally practice shifting cultivation along the natural forest hill slopes which is regarded as one of the major cause of the deforestation. This human activities accelerate the process of soil erosion. Scanning of the earlier standard literatures reveals that maximum soil erosion occur in the East Garo Hills due to large scale deforestation and shifting cultivation in the region.

It can be summarised that due to large scale deforestation, increasing population pressure, shifting cultivation by the tribal people, unplanned landuse pattern, recorded tectonic events lead to the disintegration of the parent rockmass which reflects the longterm process of siltation over the entire Jinjiram basin causing serious threat to agro-economy and biodiversity of the region. ■

The school should always have as its aim that the young man leave it as a harmonious personality, not as a specialist. This in my opinion is true in a certain sense even for technical schools..... The development of general ability for independent thinking and judgement should always be placed foremost, not the acquisition of special knowledge.

- Albert Einstein

It is essential that the students acquire an understanding of and a lively feeling for values. he must acquire a vivid sense of the beautiful and of the morally good. Otherwise he -- with his specialised knowledge -- more closely resembles a well trained dog than a harmoniously developed person.

- Albert Einstein

Sradhanjali

Late Dr Manoj Kumar Chakraborty was born on 1st March 1935 in Mornoi of Goalpara district.He completed graduation from B N College, Dhubri and did his post-graduation from Gauhati University. He joined Goalpara College as a lecturer and the Head of the Dept of History on 19th Nov 1958. During his working years in this college he did his Ph D under the able guidance of Dr Birendra Nath Dutta. His doctoral thesis is considered to be one of the most important pathfinding work on the life of the elephants. In April 1989 he took charge as the Vice- principal and finally retired on 29th Feb1996. For a few years of his retirement he served Agia College as the founder Principal. He continually wrote popular articles in newspapers, journals and magazines.He was very popular not only in the institution but also among all the people of the lower Assam. He had a charismatic personality, quite lovable, soft-spoken, and always cheerful and good tempered. He spent his last few days in critical illness and finally left for heavenly abode on 11th April 1999 at the holy place of Benaras. The Dept of History Goalpara College has started organising an Annual Lecture in his memory since 2004. He is very fondly remembered by all of us.

We pray to God for the rest of his soul in peace.

Souvenir Sub-committee

Sitting (L-R) : Mr. S. K. Roy, Dr. R. Choudhury, Mr. R. Bhattacharyya

Standing (L-R) : Mr. D. Nath (Convener), Mr. S.K. Mishra, Mr. Y. Ray, Dr. D. Sarma, Mr. D. Barman

Faculty Members, 1990-91

Sradhanjali

Late Dr Manoj Kumar Chakraborty was born on 1st March 1935 in Mornoi of Goalpara district.He completed graduation from B N College, Dhubri and did his post-graduation from Gauhati University. He joined Goalpara College as a lecturer and the Head of the Dept of History on 19th Nov 1958. During his working years in this college he did his Ph D under the able guidance of Dr Birendra Nath Dutta. His doctoral thesis is considered to be one of the most important pathfinding work on the life of the elephants. In April 1989 he took charge as the Vice- principal and finally retired on 29th Feb1996. For a few years of his retirement he served Agia College as the founder Principal. He continually wrote popular articles in newspapers, journals and magazines.He was very popular not only in the institution but also among all the people of the lower Assam. He had a charismatic personality, quite lovable, soft-spoken, and always cheerful and good tempered. He spent his last few days in critical illness and finally left for heavenly abode on 11th April 1999 at the holy place of Benaras. The Dept of History Goalpara College has started organising an Annual Lecture in his memory since 2004. He is very fondly remembered by all of us.

We pray to God for the rest of his soul in peace.

Souvenir Sub-committee

Sitting (L-R) : Mr. S. K. Roy, Dr. R. Choudhury, Mr. R. Bhattacharyya

Standing (L-R) : Mr. D. Nath (Convener), Mr. S.K. Mishra, Mr. Y. Ray, Dr. D. Sarma, Mr. D. Barman

Faculty Members, 1990-91

SOME PROMINENT ALUMNI OF GOALPARA COLLEG

Dr. Diganta Bhusan Das
Lecturer at Oxford University

Adil Hussain
Renowned stage and film actor

Atanu Bhattacharjee
Noted Assamese poet



Mrinal Kanti Medhi
Prominent Lyricist and Music Composer

Mrs. Ranu Baishya
Noted Assamese Singer

Jiten Deka
Noted Singer & Lyricist

Ashraful Haque
Prominent stage & film Actor

Dr. Mrigen Medhi
Prof. of Pol. Science,
Dibrugarh University

Library

Inside the Canteen

College Canteen

Stufents' Union Room & Boy's Common Room

Plantations inside the Campus



কবিতাৰ কাকলি

স্বৰ্ণ জয়ন্তী

ষষ্ঠ দশকত পাতনি মেলা
আমাৰ জ্ঞানৰ মন্দিৰ
পাতিছো আজি তাৰেই উছৰ
স্বৰ্ণজয়ন্তী স্বৰ্ণজয়ন্তী।।

যাচিছো প্ৰণাম সমূহলে'
যাৰ আধাৰত সৃষ্টি হ'ল
জ্ঞানৰ বিশাল ক্ষেত্ৰ

আমাৰ কাম্য আমাৰ লক্ষ্য
উজলাম প্ৰতি দিশে দিশে
আমাৰ জ্ঞানৰ ক্ষেত্ৰ।।

উজলি উঠিল বহুত জীৱন
জ্ঞানৰ জোনাকী লাগি
ধন্য আজি সকলো আমি
জ্ঞানৰ দুৱাৰ মুকলি হ'ল
দুৱাৰ মুকলি হ'ল।।

জাগক মনত স্মৃতি
জাগক প্ৰাণত প্ৰীতি
হৃদয় মৰুত ফুলক
জ্ঞানৰ অমল জ্যোতি।।

অমিয় কুমাৰ বড়ো

(গোৱালপাৰা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উছৱত গোৱা উদ্বোধনী গীত।)

প্ৰাপ্তি

অতনু ভট্টাচার্য
প্ৰাক্তন ছাত্ৰ

তুমি নজনাকৈ মই তোমাক বিচাৰি ফুৰিছিলো
মই নজনাকৈ তুমি বিচাৰি ফুৰিছিলা মোক

কিমান দিনযে মোৰ গাৰ কাষেৰে তুমি পাৰ হৈ গৈছা
পাৰ হৈ যাওঁতে ক'ব নোৱাৰাকৈ স্পৰ্শ কৰিছোঁ তোমাৰ শৰীৰ
তোমাৰ কাষৰ আসনত বহি কিমানবাৰযে মই যাত্ৰা কৰিছোঁ
বিষণ্ণতাৰ ৰেলেৰে অতিক্ৰম কৰিছোঁ এটাৰ পিছত আনটো ষ্টেশ্যন
অথচ আমি ইজনে সিজনক চিনিব নোৱাৰিলো
আমি ইজনে সিজনক যাচিব নোৱাৰিলো বিদায়-সম্ভাষণ

দিন বাগৰি থাকিল, সময় হেৰাই থাকিল
জীৱনে কিমান দিন যে খেলি থাকিল ধৰা দিয়া-নিদিয়াৰ খেল

তোমাৰ কাষৰ টেবুলখনত কিমান দিন যে মই কফি পান কৰিলো
কোনো এটা জিৰণিঘৰত বহি তুমি মোৰ হাতৰ খবৰ কাগজখন
পঢ়িবলৈ বিচাৰিছিলা

আমি কোনেও নাজানিলো
কোনেও নাজানিলো

আৰু আজি হঠাৎ যেতিয়া তোমাৰ হুমুনিয়াহৰ শব্দ শুনিলো
মই চিনি পালো চিনি পালো মই তোমাৰ কপালী হৈ পৰা চুলিৰ মেঘ
শুকাই যোৱা তোমাৰ দুচকুৰ দুটা সুঁতি
ক'ব নোৱাৰাকৈয়ে মই উচুপি উঠিলো আৰু তুমি উচপ খাই সুধিলা, 'তুমি'?

পৃথিৰীৰ আটাইতকৈ দুখী প্ৰেমিকজনৰ দৰে মই মিছিকিয়াই হাঁহিলো
পৃথিৰীৰ আটাইতকৈ সুখী প্ৰেয়সীৰ দৰে তুমি কান্দিবলৈ ধৰিলা।

চছ্মা পিন্ধি কি চাই আছা

জগবন্ধু কলিতা
প্ৰাক্তন ছাত্ৰ

চছ্মা পিন্ধি কি চাই আছা চম্পা
বয়স বাঢ়ি অহা চহৰ খনৰ গঢ়-গঠন চাই
হিচাপ কৰিছা নেকি উন্নতিৰ খতিয়ান
অথবা নিবনুৱাৰ শতকৰা হাৰ
ৰিজাই চাইছা নেকি বিলাসী নাৰীবোৰৰ সৈতে
অঘৰী শিশুবোৰৰ বিবর্ণ মুখ

নাই নাই, কিহৰ প্ৰয়োজনত তুমি এইবোৰ কৰিবা
এয়াতো তোমাৰ নির্জনতাৰ সৈতে ওমলাৰ বয়স
(নির্জনতা হেনো প্ৰেমৰেই প্ৰতীক)
সেয়ে হবলা ৰঙীন চছ্মা পিন্ধি চাব বিচাৰিছা বর্ণিল দৃশ্যাৱলী
এই ক্ষুধাতুৰ চহৰত কি চাবা
ক্লান্ত মজদুৰৰ উদং গা
অথবা ভণ্ড নেতাৰ দীঘল কন্‌ভয়

ঈষৎ আন্ধাৰ গ্লাচ্, খীন সোণালী ফ্ৰেম
সচাকৈ শুৱাইছে চছ্মাযোৰে তোমাক
ছিলমিল সপোন এটা অনবৰতে লাগি থাকেনে বাৰু
তোমাৰ চছ্মাৰ আৰৰ চকুহালত
নে কোনো গোপন বেদনাত চকুলো টুকি টুকি চকুহাল অসুস্থ
অৱশ্যে ৰ'দ ঘাই বতৰত চছ্মা পিন্ধা
চকুৰ বাবে একপ্ৰকাৰ শীতল শুশ্রুষা।

ৰাজনৈতিক নেতাবোৰৰ দৰে
তোমাৰ চছ্মাযোৰৰো বাৰু বেলেগ বেলেগ চৰিত্ৰ নেকি
আন্ধাৰত স্বচ্ছ পোহৰত ঘোলা
খালি চকুৰে (হয়তো) নচোৱাই ভাল
এই অত্যাধুনিক সময়ৰ উন্মুক্ত সভ্যতা

চম্পা, তুমিতো অহংকাৰী নগৰীৰ হিৰন্ময়ী নাৰী
তোমাৰ চছ্মা যোৰৰ মাজেৰে দেখা পোৱানে
আমাৰ জীর্ণ জীৱনৰ ধূসৰ ভৱিষ্যত
নে এয়া কেৱল তোমাৰ চকুৰ অলংকাৰ
এ-বা-ৰ, মাথো এবাৰ চছ্মাযোৰ খুলি চোৱা
তেতিয়াহে দেখিবা আমাৰ ছন্‌পৰা যৌৱনৰ নীৰৰ গৰাখহনীয়া

অনুৰাগ

জয়ন্তী দাস
প্ৰাক্তন ছাত্ৰী

অনুৰাগ মোৰ তোমাৰ সৃষ্টিত
মোহাচ্ছন্ন প্ৰতিটি অনু পৰমানুত
হৃদয় স্পন্দন জাগে প্ৰীতিৰ স্মৃতিত
প্ৰেমৰ নিজৰা প্ৰাণত প্ৰতিভাত।

অনুৰাগ মোৰ জনমভূমিৰ শীতল ছায়া
অনুভূতি ভৰা স্বদেশৰ মায়া
প্ৰকৃতিৰ অনুপম দানেৰে সুশোভিতা
জনমে জনমে আই তোমাৰ অনুৰক্তা।

বিজয় নিনাদত বাজে অতীত বাস্তৱ
গুণীজ্ঞানী পণ্ডিতৰ মিলন উৎসৱ
ৰামায়ণ মহাভাৰতৰ মহান কাহিনী
গীতা ভাগৱতৰ এয়ে জন্মভূমি।

বিশাল বাৰিধিয়ে যাৰ চৰণ ধুৱায়
সুউচ্চ হিমালয়ে যশস্যা বিলায়
এই মাটিৰ সুবাসত মই অনুৰক্তা
সাহিত্য সংস্কৃতিৰ হওঁ অনুভক্তা।

কৃষ্ণ ৰাম শঙ্কৰ আৰু ঋষীগণ অবতৰি
নৰৰসেৰে ধন্য হল এই ভাৰত ভুমি
বীৰ বীৰাঙ্গনাৰ দেশ অতি পূণ্যস্থান
উত্তৰ পুৰুষো হওক অতিকে মহান।

প্ৰত্যাশা

ৰাধেশ্যাম নাথ
প্ৰাক্তন ছাত্ৰ

মোৰ সোণ
হাতত হাত
চকুত চকু
কোলাত থোৱা মুৰ
আশ্বাস দিম

দিম বিশ্বাস
দিম নির্ভয়

এই যে দেখিছা টিনৰ ছালি
জৰা জীর্ণ বেৰ
মজিয়াৰ সেমেকা মাটি

এইদৰেই পাৰ হৈ আহিলো
দুর্যোগৰ দীঘলীয়া ৰাতি

গোটেই গাত পিন্ধি লোৱা
প্ৰেম আৰু সহনৰ পোছাক

খোজত বিচাৰিছো
প্ৰত্যাশা।।

আলাপ

নয়নমণি দত্ত
প্ৰাক্তন ছাত্ৰী

এয়াই হয়তো শেষ আলাপ
আপোনাৰ স'তে।
সামৰি সুতুৰি থৈ চকুলোৰ কণা, হৃদয়ভগা বেদনা
আহকচোন ! এবাৰ মাথো চুই চাওঁ - আলফুলে
আপোনাৰ হৃদয়ৰ কোমল ভাৱনা।

একাষৰীয়াকৈ থৈ সমস্ত ব্যস্ততা, অভিমান, অভিযোগবোৰ
সীমাহীন আবেগেৰে দুহাত সাৰটি মোৰ
আহকচোন ! উপভোগ কৰকহি
জীৱনৰ দলঙত কবিতাৰ বনভোজ
সময়ে উভতি চোৱাকৈ!

আহক! এখন সাকোঁ সাজোঁ
আপোনাৰ পৰা মোলৈ ...
অলপ বিশ্বাস আৰু অলপ মৰমসনা প্ৰতিশ্রুতিৰে।
খলাবমা জীৱনৰ কেঁকুৰিত ...
হঠাতে লগ পাই গ'লে কাহানিবা ...
ভাগবতৰা কৰিব'লে - মাথো কেইটিমান মুহূর্তৰ বাবে
আপোনাৰ সুখৰ ভোগজৰা
আৰু মোৰ কলিজা খান্দি নিয়া দুখ!
অথবা, জীৱনৰ কোনো এটি ধূসৰ সন্ধিয়া
পোহৰাই তুলিব'লে স্মৃতিৰ শলিতা জ্বলাই !
মাতাল হ'বলৈ যন্ত্রণাই পৰশি যোৱা
জীৱনৰ ৰাগীত।
বিশ্বাস কৰক ! আজি আৰু অকণো আহৰি নাই,
অইনৰ বুকুৰ খবৰ সুধিব'লে ..
পৃথিৱীত প্রলয় নামিলেও ...
এইকণ সময়ক বন্দী কৰিব খুজিছো ..
কেৱল আপোনাৰ আৰু মোৰ বাবেই।

কাৰণ –
এয়াই হয়তো শেষ আলাপ
মোৰ আপোনাৰ স'তে;
আপোনাৰ মোৰ স'তে!

শৰতক যাবলৈ বাধা কৰিলো

মৃণাল নাথ
ছাত্ৰ

মেঘে গৰজি বৰষুণজাক পৰিছে,
মোৰ পদুলিখনো
হঠাৎ বৰষুণজাকে বুৰাই পেলালে।
ভাবিছিলো দুবৈৰ পৰাই চাই ৰম,
মোৰ চোতালৰ ঠিক সোঁমাজেৰে
নলা সজাই বৈ যোৱা পানীৰ সোঁত;
পিছে পিছে গৈ থাকিম
চাব খুজিছিলো
ক'ৰপৰা কলৈ গৈছে
মোৰ চোতালেৰে বৈ যোৱা সেই
আকাশীগঙ্গা !
মোৰ হৃদয় কপাই
মোৰ বুকুত শিহৰণ তুলি
কিহৰ উৎপত্তি সেয়া
আকাশবাণী !
এয়াচোন মেঘৰ গৰ্জনি।
কিনকিনীয়া বৰষুণজাক লাহে লাহে
জোৰকৈ আহিবলৈ ধৰিলে,
মোৰ আৰু সহ্য নহ'ল
মই দুৰ্বল হৈ পৰিলো
তৎক্ষণাত নামি গ'লো চোতাললে'
শৰতৰ বৰষুণে মোক সাৰটি ধৰিলে
মই যেন সেমেকি গ'লো
শৰতক যাবলৈ বাধা কৰিলো।

দাপোন চালেই কঁপি উঠে

আব্দুল অহাব
প্ৰাক্তন ছাত্ৰ

বনীত
চৰাইবোৰে গান গাবলৈ পাহৰিলে
লঠঙা পাহাৰত প্ৰতিধ্বনিত গুলীৰ আৱাজ
এখন নতুন সমাজ
মানৱতা বিহীন মানুহৰ সমাজ।
এইখন সামজত মাতাল ঘোঁৰা দৌৰে
গচকত থাম বান
মানুহৰ গান
যম ডাকিনীয়ে উকিয়াই সনাতন পাহাৰত
ৰু-কৰাই পুৰিছে একতাৰ বান্ধ
এতিয়া কৃত্ৰিম আলোকৰ বান
এমুঠি টকাৰ বাবে ইজনে সিজনক কাটিছে
ধৰ্মৰ নামত মানৱতাৰ বেহা
মৃত্যুৰ উন্মত্ত নাচোনত কলুষিত গৰিমা
এই নতুন সমাজ গঢ়া মানুহবোৰচোন
আমাৰেই আপোন
দাপোন চালেই কঁপি উঠে
মানৱতাৰ সপোন।।

যদি জানিলোঁহেঁতেন

দীপক শৰ্ম্মা মেধী
প্ৰাক্তন ছাত্ৰ

বৰ পুৰণি চুৰিয়া
বোধহয় ককা-আজোককাৰ দিনৰে
পিতাৰ পিছত এতিয়া মোৰ পাল
লগত সদায় বেজী সূতা ৰাখো ৰখাতো ভাল
কবতো নোৱাৰি কোনফালে ফিচিকি যায়
কোন কমাৰৰ শালত বাৰু গঢ়ে এই
ৰাজনীতিৰ ঢাল।

বৰষুণজাক বৰ ভাল
যদিও আছে কিছু আহুকাল
িয়েতো গজায় গোম-যৰ-ধান
মোৰ পেটটোৰ বৰ আকাল
পঢ়া-শুনাৰ যিহে জঞ্জাল পানৰ দোকান
ঠেলা চলাবলৈ দেখোন নালাগে ভাল
চাঁকি মিল ক'ত পাব পাৰি কোনে দিব সন্ধান

মানুহবোৰক বাৰু পশুবোৰে কি বুলি ভাৱে
নে মানুহে পশুবোলাবোৰে মানুহক
পশু বুলিয়েই মাতে যিদৰে
পাগলে সদায় আনক পাগল বোলে

ত্যাগ আৰু প্ৰাপ্তিৰ যুদ্ধত
আদৰ্শৰ শৰীৰত এতিয়া গভীৰ আঘাত
খেদি পথিয়াব পাৰিলোঁহেঁতেন বুকুৰ পৰা
যদি জানিলোহঁতেন আদৰ্শৰ শৰীৰত লগা আঘাতৰ কাৰণটো

জনাবনে
জানিবনে কাৰণটো
আমিটো বোকা ছটিওৱাতেই ব্যস্ত।

হে সৈনিক হাঁহি হাঁহি কান্দিছো

গৌতম সোম
প্ৰাক্তন ছাত্ৰ

হে সৈনিক .....
হাঁহি হাঁহি কান্দিছো
মোৰ ৰসাল পথাৰৰ বুকুত
উড়ন্ত চিলাৰ দৰে;

বিৰামহীন এক যাত্ৰা / ৰঙা বিন্দুলৈ
অনু-পৰমানুত / বিদ্যুৎ প্ৰবাহৰ উন্মাদনা
কাঁড় লাগি পাখি ভগা চৰাইবোৰ !
উল্কা হৈ জ্বলিব এনেকৈয়ে।

খিৰিকিখন মেলি দিলেই
দেখাপাওঁ প্ৰভাতী বেলিৰ ৰং .....
বতাহত নাচি থাকে,
অলেখ
বনৰীয়া ফুলৰ থোপা;
প্ৰতিটো প্ৰভাতেই সলনি হ'ল .....
পোহৰ ধ্বংস / আন্ধাৰ ধুমুহা
কেঁচা মাটিৰ গন্ধ ইয়াত যে নাই !

হে সৈনিক .....
নৱম স্বৰ্গত 'ঈশ্বৰ' নাই
সাৰে আছে জাগ্ৰত প্ৰহৰী
আৰু প্ৰতিটো মুহূৰ্ত্ত !
উদবাউল মেঘ আৰু তৰঙ্গ।
হাঁহি হাঁহি কান্দিছো
মোৰ ৰসাল পথাৰৰ বুকুত
উড়ন্ত চিলাৰ দৰে।

অনন্যা

অহিদু জামান
প্রাক্তন ছাত্র

কেতিয়াবা চকুৰে চকুৰে চাওঁ
তাইও চায়

তাইও জানে
কি এই গোপন অভিপ্রায়
যদিও খেপিয়াই ফুৰোঁ হিয়াৰ বতৰা
অপ্রকাশ এই কোৱাকুই
সঁচা কথা — ই প্রেমৰ মহা প্রকাশ
উটুৱাই লৈ গৈ থাকে
কিবা কবলৈ
কিবা দিবলৈ
কিবা পাবলৈ
আৰু কিবা লবলৈ

নিঃশ্বাসত গুনগুণায়
শব্দবোৰ
গভীৰৰ পৰা গভীৰলৈ

অলপ লাজ অলপ ভয়
কেনেকৈ যে কেতিয়া
একাকাৰ হওঁ
সময়বোৰ শেষ হৈওঁ শেষ নহয়
তেনেকৈয়ে এৰা-এৰি হওঁ হাঁহি হাঁহি
লৰালৰিকৈ
বুজি পাওঁ কলেজৰ পথাৰত অকলে ৰৈ থকা পৰত
বুকুখন কিয় ইমান
ধুক ধুক কৰে
আঃ কি আমোল-মোল এই পৰিনীত উপলব্ধি

হিয়াৰ বতৰা

হৰিদাস ৰাভা
প্রাক্তন ছাত্র

বাৰিষাৰ বতৰ,
সেউজ ৰচাত নিয়োজিত
দেহ-মন
মোৰ শইচৰ-পথাৰ
শিতানত গৰজি থকা
কজলা মেঘমালাৰ আঁৰত
পাওঁহি দ্যুতিৰ সন্ধান।

এনেহেন বতৰত
নাহিবা সোঁৱৰণী
পাহৰাল হালোৱাৰ
টঙালী খহাবলে
আউলী-বাউলী হ'ব
আজলী ৰোৱণী
লাজত শুকাব মোৰ
সময় গীতৰ
সুৰৰ লহৰ!
পৰি ৰ'ব চন
মোৰ সাৱৰা মাটি .....

আঘোনৰ ৰ'দালিত
সোণালী হ'লে
মোৰ শইচৰ পথাৰ
সোণত সুৱগা চৰিবলে'
আনিবা সোঁৱৰণী তুমি
প্রিয়তমাৰ হিয়াৰ বতৰা।

A death after

Santosh K Mishra
Dept of English

They said -
'Watch your words'
I kept awake all night sitting in my garden
and gaping at the moon and stars.
A gust of wind shook me and the rose petals.
Then a shower of heavy rain
wet me completely; but
all my waiting for the words
to make the most appealing poetry
fled with the holy darkness.
By the bright sun in the clear sky
my head and heart were fully emptied of words.

Disempowered, impatient a poet
I ran in every direction
to discover my lost words.

A procession carrying a dead body
to the cremation ground
marched in rhythm as they silently uttered some words.
Desperately I tried to make them make sense to me.

Suddenly there appeared a protocol
of VIP cars with their shrill sirens
tearing the scorching heat and dust in the air
while the protestors on both sides of the road
behind the police cordon
let louder slogans with violent gestures
that got buried
beneath the sirens.

Now I knew for certain
the lost words, I was looking for,
must have fled to some far-off land.

What is there here - no love, no cheer, no peace?

Next few days, the local dailies got flooded
with the news of Tsunami, blasts in London, Egypt, Iraq and Kashmir,
floods in the Brahmaputra,
here a quake, there a many deaths.

Should I get my lost words?
Aren't they drowned in the sea? Or buried?
With a deep sigh I consoled myself -
Poets are no more preachers of late,
no more able to make their words speak out loud and bold.

It's time, therefore,
poets learnt to die in words. ■

My College

Ms Nusrat Rafique
HS Final Yr (Arts)

By the mighty Brahmaputra
Stands my little pretty town
Amid its heart glitters
A temple wearing the Cross as the Crown.

Now a home of pride and honour
For all of us she is
But their blood and tears
All made her what she is.

Farmers, vendors - all rich and poor
Helped heartilyin time
To make this temple
A divine prime.

With the bliss and beauty of nature
All around her bosom
Under the shade of wise teachers
We, the pupils grow and bloom. ■



বিবিধা

নিম্ন বৰ্গৰ বুৰঞ্জী চৰ্চা

ড° হীৰেন গোহাঁই

গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপে বহুকাল কাৰ্যনিৰ্বাহ কৰা আধুনিক অসমীয়া সাহিত্যৰ অন্যতম কাণ্ডাৰী, কবি-সমালোচক আৰু সাহিত্যানুৰাগী ড° মহেন্দ্ৰ বৰা ছাৰৰ প্ৰত্যক্ষ ছাত্ৰ হিচাপে তেখেতৰ স্মৃতিত বক্তৃতা দিয়াৰ সুযোগ পাই মই কৃতাৰ্থ হৈছোঁ।

জীৱিত কালত তেখেতৰ পৰা জ্ঞাতে-অজ্ঞাতে যিমান সহায়-প্ৰেৰণা পাইছিলো, সেই পৰিমাণে তেখেতৰ ভূমিকা আৰু অৱদানৰ প্ৰতি সুবিচাৰ কৰিব নোৱাৰিলো। তাৰবাবে কেতিয়াবা মনলৈ অনুশোচনা আহে। কিন্তু সি সময়ৰ এটা ধৰ্ম। তাৰ নিজস্ব বিচাৰ পদ্ধতি আছে, মানুহৰ আৱেগ-অনুভূতিৰ প্ৰতি সি নিৰ্লিপ্ত। সেয়ে দেখো মহেন্দ্ৰ বৰা ছাৰৰ কৃতি আৰু ভূমিকাৰ সম্পৰ্কে ধীৰে ধীৰে মনত যেতিয়া বোধ জন্মিল, তেতিয়া তেখেত আৰু ইহ সংসাৰত নাই, প্ৰশংসা বা নিন্দাৰ প্ৰভাৱৰ পৰা বহুদূৰলৈ আঁতৰি গৈছে। সেয়ে আজিৰ এই সুযোগ মোৰ বাবে মূল্যৱান।

বৰা ছাৰৰ চৰিত্ৰত অৱশ্যে এনে নিন্দা বা প্ৰশংসাৰ প্ৰতি মানসিক স্পৰ্শকাতৰতা নাছিল। জ্ঞান বিশ্বাসত যি সিদ্ধান্ত বা কাম তেখেতে যুক্তিযুক্ত বুলি ভাবিছিল তেখেতে তাক দৃঢ়তাৰে কৰিবলৈ কেতিয়াও পিছভৰি নহৈছিল। তেনেকৈ প্ৰেৰণা যোগোৱা আদৰ্শ বা প্ৰমূল্যৰ বাবে নিষ্ঠা আৰু ত্যাগৰ কাৰ্পণ্য নকৰাও আছিল তেখেতৰ স্বভাৱজাত আচৰণ। ১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলনৰ সময়ত ফুলকুমলীয়া ছাত্ৰ ৰঞ্জিৎ বৰপূজাৰীক নিষ্ঠুৰ ভাৱে হত্যা কৰা পুলিচৰ সমালোচনা কৰা বাবে চৰকাৰে কটন কলেজৰ কেইগৰাকীমান ডেকা অধ্যাপকৰ কৈফিয়ৎ বিচাৰিছিল। চৰকাৰৰ দাবী অনুযায়ী দুখ প্ৰকাশ নকৰা বাবে তেওঁলোকৰ মাজৰ ড° বৰা ছাৰৰ চাকৰি যায়। তাহানি চৰকাৰী কলেজৰ অধ্যাপকৰ মৰ্যাদাপূৰ্ণ চাকৰি বিসৰ্জন দি দিহিঙে-দিপাঙে চাকৰি কৰিবলৈ বাধ্য হোৱা ড° বৰা ছাৰৰ আদৰ্শনিষ্ঠা তথা নীতিগত দৃঢ়তা এই ঘটনাৰ পৰাই বুজিব পাৰি। অৱশ্যে তেখেতৰ এই সিদ্ধান্ত তাহানিৰ পিছপৰা চহৰ গোৱালপাৰাৰ বাসিন্দাসকলৰ পক্ষে অপ্ৰত্যাশিত আনন্দৰ কাৰণ হ'ল। মই যিমানদূৰ জানো গোৱালপাৰাৰ ৰাইজে তেখেতক সম্পূৰ্ণ মৰ্যাদা আৰু শ্ৰদ্ধাৰেই তেওঁলোকৰ মাজত ৰাখিছিল, কিন্তু বৰা ছাৰৰ প্ৰশাসনীয় কামৰ প্ৰতি আগ্ৰহ নাছিল। তাত কিছু ভুল-ত্ৰুটি হোৱাও স্বাভাৱিক। জীৱনৰ শেষ কালছোৱা তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত তেখেতৰ প্ৰিয় কাম অধ্যাপনাত ব্যস্ত আছিল আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগটোক লেখত ল'বলগীয়া শিক্ষাকেন্দ্ৰত পৰিণত কৰিছিল। তেখেত UGC ৰ জাতীয় প্ৰবক্তাও মনোনীত হৈছিল।

বৰা ছাৰৰ অসমীয়া ভাষাৰ প্ৰতি সেৱাতো এক পৃথক মনোভাৱ বিৰিঙি আছিল। তেখেতে ব্যক্তিগত কৃতিত্বৰ স্বীকৃতি বিচাৰি সাহিত্য সেৱা কৰাতকৈ অসমীয়া ভাষা-সাহিত্য সমৃদ্ধ কৰাতহে বেছি মনোযোগী তথা উদ্যোগী আছিল। সেয়ে তৰুণ সাহিত্যিকসকলক উৎসাহ দিয়াটো তেখেতে কৰ্তব্য বুলি গণ্য কৰিছিল। আধুনিক অসমীয়া সাহিত্য আন্দোলনৰ পুৰোধা ড° বৰাই আধুনিক অসমীয়া কবিতাৰ প্ৰথম সুস্পষ্ট আৰু জনপ্ৰিয় সংকলন সম্পাদনা কৰি প্ৰকাশ কৰিছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱৰ সাহিত্য প্ৰতিভাৰ যথাযোগ্য স্বীকৃতি পোনতে তেখেতেই দিয়া যেন লাগে। তেখেতৰ অধ্যয়ণ আৰু বিচাৰৰ কিছুমান সীমাবদ্ধতা থাকিলেও তেখেতৰ সামগ্ৰিক অৱদানৰ পোহৰত এইবোৰ চকুত নপৰে।

আজি সেইগৰাকী মহান সাহিত্য-গুৰুৰ স্মৃতিত সাহিত্য সম্পৰ্কীয় বিষয়ৰ ওপৰত বক্তৃতা দিব পাৰিলে ভাল হ'লহেঁতেন। কিন্তু সময়ৰ অভাৱত তেনে এক মৌলিক বিষয় বাছি লৈ অধ্যয়ণ কৰিব নোৱাৰিলো। সেয়ে সম্প্ৰতি অধ্যয়ণ কৰিবলৈ লোৱা Subaltern Studies (অধস্তন অধ্যয়ণ, তথা নিম্ন বৰ্গৰ বুৰঞ্জী) সম্পৰ্কে দুআষাৰ ক'বলৈ ওলাইছো।

বুৰঞ্জী অধ্যয়ণৰ নতুন মার্গ এটাৰ বিষয়ে আলোচনা কৰাৰ আগতে এনে এটা প্ৰশ্নৰ উত্তৰো আমি নিজৰ মনতে ভাবিব লাগে যে বুৰঞ্জী অধ্যয়ণৰ পৰা কি উপকাৰ হয় ? অথবা মানুহে বুৰঞ্জী চৰ্চা কৰে কিয় ? বুৰঞ্জীৰ একেবাৰে মামুলি, সৰ্বজনসন্মত, বিৰ্তকাতীত সংজ্ঞা হৈছে এয়ে যে অতীতৰ সোঁৱৰণ আৰু অভিলেখ (Record of the past)। কিন্তু সমাজভেদে অতীতৰ অভিলেখো বেলেগ বেলেগ ধৰণৰ হোৱা দেখা যায়। ৰক্ষণশীল আদিম সমাজৰ ক্ষেত্ৰত কেতবোৰ গতানুগতিক জীৱন যাত্ৰাৰ পদ্ধতি আৰু আচাৰ-অনুষ্ঠানৰ পুনৰাবৃত্তি কৰিয়েই বৰ্তমান কালত সেই সমাজ বাচি থাকে। সেয়ে সেই সমাজৰ চেষ্টা যিমান দূৰ পাৰি অবিকৃত ৰূপত পৰম্পৰা ৰক্ষা কৰা। আনকি অনিবাৰ্যভাৱে কালক্ৰমত সমাজৰ জীৱন যাত্ৰা, ৰীতি-নীতিত সাল-সলনি ঘটিলেও তাক অস্বীকাৰ কৰাহে তাৰ অভ্যস্ত নিয়ম। প্ৰাচীন ভাৰতীয় সমাজতো সভ্যতাৰ বিকাশে আদি যুগৰ বহু পৰম্পৰাৰ পৰিৱৰ্তন সাধিলেও সকলো নিয়ম-কানুন, ধ্যান-ধাৰণা, মতামত যুগ যুগ ধৰি চলি অহা বুলিয়েই সততে প্ৰচাৰ কৰা হৈছিল। আধুনিক মৌলবাদী চিন্তাৰ মাজত এই মনোভাবৰ অৱশেষ দেখা যায়। কাল যে গতিশীল আৰু পৰিৱৰ্তনশীল, সেই কথা তেওঁলোকে মানিব নোখোজে, সত্তৱতঃ কিবা প্ৰতিক্ৰিয়াশীল, ভাঙনমুখী ন্যস্ত স্বাৰ্থৰ বাবে।

শ্ৰেণীবিভক্ত সমাজ গঠিত হোৱাৰ পিছত পৰিৱৰ্তনৰ প্ৰতি সেই ভয় শাসকশ্ৰেণীয়ে ব্যৱহাৰ কৰে সমাজত নিজৰ কৰ্তৃত্ব স্থায়ী কৰিবলৈ। সামন্ত যুগত বা প্ৰাক্ পুঁজিবাদী যুগত এই প্ৰৱণতা অতিশয় প্ৰবল হৈ থাকে। ৰীতি-নীতি, ধ্যান-ধাৰণা যি সমাজ ব্যৱস্থাক ভিত্তি কৰি গঢ়ি উঠে - তাক চিৰন্তন আৰু ঈশ্বৰৰ বিধান বুলি প্ৰচাৰ চলোৱা হয়। উদাহৰণস্বৰূপে শ্ৰীমদ্ভাগৱত গীতাত ভগৱানৰ অৱতাৰ শ্ৰীকৃষ্ণই কৈছে।

"চতুৰ্বৰ্ণ্যং ময়া সৃষ্টম্ গুণ কৰ্ম বিভাগশঃ'

সেই সমাজ ব্যৱস্থাৰ ঘাই আৰ্হি বৰ্ণ ব্যৱস্থাক এনেকৈয়ে শোষিত-নিপীড়িত শ্ৰেণীৰ ক্ষোভ আৰু বিদ্ৰোহৰ পৰা ৰক্ষা কৰা হৈছিল। আজিও দূৰদৰ্শনত দেৱ-দেবীৰ মাহাত্ম্য প্ৰচাৰ কৰা হৈছে কেতবোৰ প্ৰাচীন ধ্যান-ধাৰণা ৰক্ষা কৰিবলৈ, যি আমাৰ সমাজত প্ৰাক্ পুঁজিবাদী উপাদানৰ গুৰুত্বৰ ইংগিত দিয়ে।

পুঁজিবাদে উৎপাদন পদ্ধতিৰ বৈপ্লৱিক পৰিৱৰ্তন ঘটাই পৰিৱৰ্তনকে ব্যতিক্ৰমৰ সলনি সমাজৰ ধৰ্মত পৰিণত কৰিলে। অতীতৰ প্ৰতি মোহান্ধ ভক্তিৰ ঠাইত পৰীক্ষামূলক (Critical) তথা অনুসন্ধানধৰ্মী ইতিহাস অধ্যয়ণৰ প্ৰচলন হ'ল। ফৰাচী বিপ্লৱৰ অভূতপূৰ্ব আন্দোলনৰ পিছত দুটা বিপৰীত প্ৰতিক্ৰিয়া প্ৰবল হ'ল। এটা হৈছে পৰিৱৰ্তনৰ উৎসাহত অতীতক নাকচ কৰাৰ আগ্ৰহ। তাৰে এটা লক্ষণ হ'ল মানৱ জাতিৰ অবিৰত প্ৰগতিৰ বিষয়ে এক বদ্ধমূল ধাৰণা। ধৰা হ'ল যে অতীতৰ অধ্যয়ণ কৰা হয় তাৰ ভুল-ত্ৰুটি, কু-সংস্কাৰ, অন্ধবিশ্বাসৰ বিষয়ে জানি তাৰ পৰা নিজকে মুক্ত কৰিবলৈ। যিহেতু পৰিৱৰ্তন আৰু প্ৰগতিৰ প্ৰতি এনে মুকলি মনোভাৱ ইউৰোপীয় সমাজৰহে ধৰ্ম, প্ৰাচ্যৰ সভ্যতাৰ প্ৰতি এক অৱহেলা তথা বিদ্ৰূপ মনোভাবো ইউৰোপীয় সমাজত প্ৰচলিত হ'ল। কবি টেনিছনে ভিক্টোৰীয়া যুগৰ অতি জনপ্ৰিয় কবিতা Locksley Hall ত গালে ঃ

Better sixty years of Europe than cycle of Cathay

Cathay মানে চীন। তাৰ লগৰীয়া ধাৰণা এটা হৈছে অলস, ধ্যান প্ৰৱণ, অন্তমুখী প্ৰাচ্যৰ ধাৰণাটো। মেথ্যু আৰ্ণল্ডে মন্তব্য কৰিলে ঃ

The East bowed low before the West
In patient deep disdain
She let the legions thunder past
And plunged in thought again

কিন্তু স্থবিৰ, পৰিৱৰ্তনবিমুখ, প্ৰাচ্যৰ ধাৰণাৰ লগত প্ৰাচীন ভাৰতৰ মঠ-মন্দিৰবোৰৰ বিস্ময়ৰ আভিযান্ত্ৰিক নৈপুণ্য, ভাৰতীয় গণিতশাস্ত্ৰৰ অদ্ভুত অগ্ৰগতি, বিদেশত ভাৰতীয় উপনিবেশ স্থাপন, বা বৌদ্ধ ধৰ্ম সংস্কৃতিৰ বিশ্বৰ ওপৰত অতুলনীয় প্ৰভাৱ - এইবোৰ তথ্য সমূলি বৰ্জিতা খুৱাব নোৱাৰি। কিন্তু প্ৰাচ্যত সাম্ৰাজ্য বিস্তাৰ আৰু শোষণৰ বাবে এনে এক ধাৰণাৰ বিশেষ প্ৰয়োজন আছিল, যাতে প্ৰাচ্যবাসীক ধ্যান আৰু চিন্তাত নিমগ্ন ৰাখি প্ৰাচ্যৰ সম্পদ নিৰ্বিঘ্নে আত্মসাৎ কৰিব পাৰি। আফ্ৰিকাৰ এই জনজাতীয় গোষ্ঠী প্ৰধানে বোলে ইউৰোপীয় প্ৰশাসক এজনক কৈছিল ঃ

"When you first came here, you had the Bible and we had the land. Now we have the Bible and you have the land"

দ্বিতীয় প্ৰৱণতা হৈছে বুৰঞ্জী চৰ্চাৰ অসাৰতাৰ ধাৰণা। অতীতত মজি থাকি বা অতীত ঘুঁকটি থাকি লাভ কি ? কাম কৰিব লাগে, উৎপাদনৰ দ্বাৰা জগতৰ চেহেৰা বদলাই দিব লাগে। উদ্যোগী শিল্পপতি আৰু অফুৰন্ত কৰ্মশক্তিৰ গৰাকী Henry Ford এ ক'লে ঃ "History is bunk ! " খুব সম্ভৱ অসমৰ শিক্ষা বিভাগো Henry Ford ৰ দ্বাৰা প্ৰভাৱিত। Inspector বা D.P.I. ৰ অফিচত অসমীয়া মানুহৰ কৰ্মশক্তি দেখি তাজ্জব মানিব লাগে। মই এবাৰ এগৰাকী D.P.I. ক

বিচাৰি তিনি দিন যাব লগা হৈছিল। আজি বোলে ছাৰ মিটিঙত ব্যস্ত, কালি বোলে মিনিষ্টাৰৰ লগত টুৰত, পৰহি বোলে ছাৰে ফাইল বেছি হোৱাত ঘৰলৈ ফাইল লৈ গৈ তাত কাম কৰি মূৰ দাঙিব পৰা নাই। আন এগৰাকী D.P.I. ক গুণীৰ মোল নুবুজা শিক্ষকে দল বান্ধি ঘেৰাও কৰি ঠেলা হেঁচা কৰা সত্ত্বেও তেখেতে চাকৰিৰ শেষ দিনাখনো ফাইলত চহী কৰিবলৈ দৃঢ় সংকল্প হৈ আহিছিল। কৰ্ম-সংস্কৃতিত বিশ্বাসী এই লোকসকলে History is bunk নীতি শিৰোধাৰ্য কৰি অসমৰ পাঠ্যক্ৰমৰ পৰা বুৰঞ্জী বাদেই দিলে।

পুঁজিবাদৰ উৎপাদন শক্তিয়ে কেৱল বস্তুগত উৎপাদেই যে বিপুল মাত্ৰাত বৃদ্ধি কৰিলে তেনে নহয়। বহু যুগ ধৰি চলি অহা নানা ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আৰু ধ্যান-ধাৰণাও সোলোক-ঢোলোক কৰি ধ্বংসাৱশেষত পৰিণত কৰিলে। মানুহৰ জন্মগত ভেদাভেদৰ ধাৰণা, জন্মগত অধিকাৰ সূত্ৰে শাসন কৰাৰ অধিকাৰ, গোষ্ঠীগত বন্ধনবোৰৰ শক্তি আৰু দৃঢ়তা, পৰিৱৰ্তন তথা নতুনত্বৰ প্ৰতি সংশয়, এনে বহু ক্ষেত্ৰতে পুঁজিবাদে পূৰ্বৰ ধ্যান-ধাৰণা সলাই নতুন ধাৰণা, বিশ্বাস, প্ৰমূল্যৰ জন্ম দিলে। সেয়ে ক্ৰমশঃ পৰিৱৰ্তনৰ চেতনা যুৰোপীয় মনীষাৰ এক কেন্দ্ৰীয় উপাদান হৈ পৰিল। হীগে'লৰ দৰ্শনত তাকে এক পৰম সূত্ৰৰ ৰূপ দি কোৱা হ'ল ঃ Being is becoming

কিন্তু এই becoming বা বিকাশৰ ফল কেনে হোৱা উচিত, সেই সম্পৰ্কে তাৎপৰ্যপূৰ্ণ মতভেদ দেখা দিলে। নিৰন্তৰ, অবিৰত পৰিৱৰ্তন আৰু প্ৰগতিৰ ঠাইত এক বিশেষ পৰ্যায়তে পৰিৱৰ্তনৰ সাৰ্থক পৰিসমাপ্তি ঘটা বুলি ঘোষণা কৰিবলৈ এক উৎকণ্ঠাও কোনো কোনো মহলত পৰিলক্ষিত হ'ল। কিছুমান মহলে সমসাময়িক জাৰ্মান ৰাষ্ট্ৰ, আইন আৰু শাসনতন্ত্ৰৰ মাজত বুৰঞ্জীৰ ঈপ্সিত, বাঞ্ছিত পৰিসমাপ্তি ঘটাও লক্ষ্য কৰিলে। নিসন্দেহে বুৰঞ্জীৰ পৰা এনে শিক্ষা লাভ কৰাও একধৰণৰ শ্ৰেণীস্বাৰ্থজনিত ৰক্ষণশীলতা।

কালক্ৰমত বুৰ্জোৱা সমাজৰ বুৰঞ্জী অধ্যয়নতো তেনে ৰক্ষণশীল মনোভাব প্ৰবল হৈ উঠিল। বুৰ্জোৱা ইতিহাসবিদসকলৰ চিন্তাত বুৰ্জোৱা সমাজৰ পৰিণত ৰূপটোৱেই মানৱ সভ্যতাৰ শ্ৰেষ্ঠ আৰ্হি হৈ পৰিল। তেওঁলোকে আনকি গ্ৰীচ-ৰোমৰ পৰা মধ্যযুগ সকলোতে বুৰ্জোৱা ধ্যান-ধাৰণাকে আৱিস্কাৰ কৰিবলৈ ধৰিলে। যেনে, গ্ৰীচ-ৰোমৰ ইতিহাসত তেওঁলোকে আধুনিক গণতন্ত্ৰ আৰু প্ৰজাতন্ত্ৰৰ পূৰ্বৰূপ প্ৰত্যক্ষ কৰিলে, আৰু সেই সমাজৰ ভিত্তিত থকা প্ৰবল দাসপ্ৰথাক গুৰুত্ব নিদিলে। তেনেকৈ মধ্যযুগো কেৱল তেওঁলোকৰ আদৰ্শ মানৱ সমাজতকৈ বেলেগ বাবেই পৰিত্যক্ত বা সমালোচিত হ'ল। কিন্তু এই সকলো বস্তুনিষ্ঠ অধ্যয়নৰ ফল বুলি ধৰি লৈ তেওঁলোকে তাত নিহিত থকা বুৰ্জোৱা বিশ্ববীক্ষা আৰু মানসিকতা উপেক্ষা কৰিলে। তেওঁলোকে ধৰি ল'লে অতীতৰ বস্তুনিষ্ঠ অধ্যয়ণৰ পৰিণাম এনেকুৱা হ'বলৈ বাধ্য। এই মনোভাবকে ঐতিহাসিক ৰাংকে'ই (Leopold Von Ranke) বিজ্ঞানৰ আধাৰত কঠোৰ বিজ্ঞানসন্মত ৰূপ দিলে। তেওঁলোকে ফুটাই নক'লেও ধৰিব পৰা যায় যে বুৰ্জোৱা সমাজৰ সংৰক্ষণেই বুৰ্জোৱা বুৰঞ্জী চৰ্চাৰ মূল উদ্দেশ্য তথা সাৰ্থকতা।

বুৰ্জোৱা চিন্তাই এই ৰক্ষণশীলতা আৰু পৰিৱৰ্তন-ভীতিত উপনীত হোৱা যুগতে কাৰ্ল মাৰ্ক্সে আহ্বান দিলে সেই সমাজ ব্যৱস্থা ধ্বংস কৰি নতুন সভ্যতা গঢ়িবলৈ। জাতি ৰাষ্ট্ৰৰ নামত বুৰ্জোৱা শ্ৰেণীস্বাৰ্থ ৰক্ষা নকৰি শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত নতুন সমাজ গঠনৰ লক্ষ্য দাঙি ধৰিলে। শ্ৰেণী সংস্কাৰৰ পৰা উদ্ভূত বস্তুনিষ্ঠতাক প্ৰত্যাহ্বান জনাই তেওঁ ক'লে - "Philosophers have so far interpreted the world. The point is to change it." সহজ ভাষাত মাৰ্ক্সীয় বুৰঞ্জী ব্যক্ত কৰিছে ডি. ডি. কোশাম্বীয়েঃ

"শুদ্ধ চিন্তাৰ বাবে বুৰঞ্জীৰ অধ্যয়ণ পৰম প্ৰয়োজনীয় বস্তু। অধ্যয়ণৰ পিছত শুদ্ধ কৰ্মৰ দ্বাৰা সমাধান কাৰ্যকৰী কৰিব লাগিব। তেতিয়াহে অতীত যুগৰ অধ্যয়ণতে মন আবদ্ধ নেৰাখি আমি ইতিহাসত নতুন পদক্ষেপ ৰচনা কৰিব পাৰিম। .....বৰ্তমান কাল হ'ল বুৰঞ্জী গঢ়াৰ কাল।" (০.১১ ভাৰতৰ ইতিহাস অনুঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ২য় তাঙৰণ)

অৰ্থাৎ বুৰঞ্জী গঢ়িবলৈ বুৰঞ্জী পঢ়াৰ প্ৰয়োজন। এইটো মাৰ্ক্সবাদী বুৰঞ্জী চৰ্চাৰ প্ৰধান তাত্ত্বিক সূত্ৰ। তাৰ অহিবনে বুৰঞ্জী বিদ্যায়তনিক অনুশীলনত পৰিণত হয়। তেনে অনুশীলনৰ পৰাও বহু কথা জানিব পাৰি, মাৰ্ক্সবাদী ধাৰণা প্ৰয়োগ কৰিলেও তেনে অনুশীলনক শেহান্তৰত মাৰ্ক্সবাদী বুলি ক'ব নোৱাৰি। অধ্যাপিকা ৰমিল্লা থাপাৰ আদিৰ বুৰঞ্জী চৰ্চাত মোৰ ধাৰণাত প্ৰগাঢ় পাণ্ডিত্য সত্ত্বেও এই দুৰ্বলতা আছে। সি সমাজ পৰিৱৰ্তনৰ বাট নেদেখুৱায়। গুৱাহাটীৰ এখন আলোচনাচক্ৰত তেখেতে কৈছিল যে আধুনিক ইতিহাসবাদে নৃতত্ত্ব-সমাজতত্ত্ব আদি জানিব লাগিব। মই সুধিছিলো কোন শ্ৰেণীগত দৃষ্টিভংগীৰ পৰা, কাৰণ সেই দুই বিদ্যা তথ্যবোৰো শ্ৰেণীগত দৃষ্টিভংগীৰ পৰা বেলেগ বেলেগ ব্যাখ্যা হ'ব পাৰে। উত্তৰত তেখেতে মোক বুৰঞ্জী চৰ্চাৰ কষ্টকৰ খুটিনাটি নুবুজা উপৰুৱা তাত্ত্বিক বুলি গালিহে পাৰিলে। মইতো বুৰঞ্জীবিদ নহওঁৰেই,

সেয়ে মোৰ প্ৰশ্নৰ সেই উত্তৰ মোৰ বাবে সন্তোষজনক নহ'ল। কোশাম্বী (approach) সম্পূৰ্ণ গ্ৰহণ কৰিব নোৱাৰাৰ ফলত বিদ্যায়তনিক চৰ্চা বেছি হ'ল, কোশাম্বীৰ অন্তৰ্দৃষ্টিৰ ফলত সেই বিদ্যায়তনিক চৰ্চাই ভাৰত ইতিহাসৰ বহু অন্ধকাৰ দিশ আলোকিত কৰিলে। কিন্তু শেষ পৰ্যন্ত তাৰ পৰা বৰ্তমানৰ বাবে সুস্পষ্ট শিক্ষা পোৱা নগ'ল।

কোশাম্বীৰ পূৰ্বে ব্ৰিটিছ ভাৰতত সাম্ৰাজ্যবাদী দৃষ্টিভংগীৰ পৰা বুৰঞ্জী ৰচনা কৰা হৈছিল। পাহৰিলে নচলিব যে এই সাম্ৰাজ্যবাদী বুৰঞ্জীবিদসকল পণ্ডিত গৱেষক আছিল আৰু ভাৰতৰ ইতিহাসক এক সুস্পষ্ট গঢ় দি তাৰ বিজ্ঞানসন্মত ভিত্তি সৃষ্টি কৰিবলৈ তেওঁলোকে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। কিন্তু ভেন্সিন্ট স্মিথেই হওক, ছাৰ এড্ৱাৰ্ড গেইটেই হওক, এওলোকে দৰ্শাইছিল যে বিট্ৰিছ অহাৰ পূৰ্বে ভাৰতত কটা-মৰা, অস্থিৰতা, যুদ্ধ-বিগ্ৰহ নৈৰাজ্য চলি আছিল। কাচিৎ কেতিয়াবাহে, যেনে মৌৰ্য যুগত বা গুপ্ত যুগত বা মোগল সাম্ৰাজ্যৰ সময়ত ভাৰতত কিছু আইন-শৃংখলা স্থাপিত হৈছিল। অৱশেষত ব্ৰিটিছৰ অস্ত্ৰবলেহে তেওঁলোকৰ মতে ভাৰত তথা অসমত আইন-শৃংখলা স্থায়ী ভিত্তি গঠন কৰি দিলে। তেওঁলোকে বুৰঞ্জীৰ জৰিয়তে ব্ৰিটিছৰ সাম্ৰাজ্যৰ অনিবাৰ্যতা সাব্যস্ত কৰিলে আৰু সাম্ৰাজ্যৰ ভিত্তি গজগজীয়া কৰিবলৈ স্কুল-কলেজৰ জৰিয়তে ভাৰতীয় শিক্ষিত সমাজক সেই শিক্ষাকে দিলে। বহুদিন ভাৰতীয় শিক্ষিত সমাজেও সেই পাঠকে কণ্ঠস্থ আৰু আত্মস্থ কৰি ৰাখিলে।

অৱশেষত যেতিয়া ভাৰতীয় শিক্ষিত সমাজে দেখিলে যে সাম্ৰাজ্যৰ পৰা তেওঁলোকৰ প্ৰত্যাশিত লাভ নহ'ল, যেতিয়া দেখিলে যে বংকিমচন্দ্ৰ অসামান্য মনীষা আৰু প্ৰতিভা সত্ত্বেও তেওঁ ডেপুটি হৈয়েই ৰ'ল, সাধাৰণ তৰপৰ বগা চামৰায়ো সুদক্ষ প্ৰতিভাৱান ভাৰতীয় প্ৰশাসকতকৈ বহু বেছি হাৰত বেতন পাই থাকিল, ভাৰতীয় উদ্যোগীৰ সম্ভাব্য প্ৰতিযোগিতাৰ পৰা বিলাতৰ শিল্পক ৰক্ষা কৰিবলৈ বহু অন্যায় কৰ-কাটল লগোৱা হ'ল, সামাজিক জীৱনত বেজবৰুৱাই লিখাৰ দৰে এনে এংলো ইণ্ডিয়ানসকলৰ নানা দম্ভালি ভাৰতীয়ই সহ্য কৰি থাকিবলগীয়া হ'ল, তেতিয়া ভাৰতীয় উমৈহতীয়া ঐতিহ্যৰ ভিত্তিত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষিত লোক ঐক্যবদ্ধ হ'ল, আৰু সচেতনভাৱে আধুনিক ভাৰতীয় জাতি আৰু জাতীয়তাৰ ভিত্তি ৰচনা কৰিলে। তাৰ মঞ্চ হিচাপে গঢ় ল'লে "ভাৰতীয় জাতীয় কংগ্ৰেছ" Indian National Congress.

সাম্ৰাজ্যবাদ পুঁজিবাদী দেশবোৰে প্ৰৱৰ্তন কৰা ব্যৱস্থা।

পুঁজিবাদী দেশবোৰত তেওঁলোকৰ নিজা বুৰঞ্জীৰ বিষয়ে আছিল এক সাৰ্বভৌম ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা একোটা জাতিৰ কাহিনী। বুৰঞ্জী কাৰ কাহিনী উত্তৰত কোৱা হৈছিল এটা জাতিৰ কাহিনী। সেই জাতিৰ ভিতৰত যদিও দেশৰ সমগ্ৰ জনগণক অন্তৰ্ভুক্ত কৰা হৈছিল, তথাপি ঘাইকৈ পুঁজিবাদী বা বুৰ্জোৱা শাসক শ্ৰেণীৰ স্বাৰ্থত তেওঁলোকৰ দৃষ্টিভংগীৰ পৰাই অতীতৰ কাহিনী ৰচনা কৰা হৈছিল। বুৰ্জোৱা ৰাজনীতিবিদসকলৰ নানা কীৰ্তিকাহিনী, দেশপ্ৰেম আদি আৰু তেওঁলোকৰ ব্যৰ্থতাৰ বাবে হোৱা জাতি তথা ৰাষ্ট্ৰৰ বিপদ আছিল তাৰ ঘাই সমল। তেনেকৈয়ে বুৰ্জোৱাৰ স্বাৰ্থকে দেশৰ স্বাভাৱিক স্বাৰ্থ বুলি ভাবিবলৈ ৰাইজক অনুপ্ৰাণিত কৰা হৈছিল।

আনহাতে এই কাহিনীক এক বিশ্বজনীন বিজ্ঞানসন্মত ৰূপ দিবলৈ অতীতৰ বিভিন্ন সাক্ষ্য প্ৰমাণ, নথি পত্ৰ পুংখানুপুংখভাৱে পৰীক্ষা কৰি ভিত্তিহীন বা অসমৰ্থিত উপাখ্যান, কিংবদন্তি, অতিৰঞ্জিত প্ৰচাৰক নাকচ কৰি বস্তুনিষ্ঠ বিৱৰণৰ চেষ্টা চলোৱা হৈছিল। অৱশ্যে এই বস্তুনিষ্ঠ বিৱৰণ আছিল এটা শাসক শ্ৰেণীৰ স্বাৰ্থত তাৰ সুবিধা অনুযায়ী ৰচিত বিৱৰণ। কিন্তু এই বিজ্ঞানসন্মত পদ্ধতি বুৰঞ্জী ৰচনাত এক উল্লেখনীয় অগ্ৰগতি আছিল।

সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আৰু তাৰ মতাদৰ্শৰ ('সভ্যতা' বিস্তাৰ।) বিৰুদ্ধে যুঁজিবলৈ পশ্চিমৰ পুঁজিবাদী দেশবোৰৰ সংস্কৃতিৰ পৰাই শিক্ষিত ভাৰতীয়ই Nation আৰু Nationalism ৰ আদৰ্শ সংগ্ৰহ কৰিলে। অৱফৰ্ডৰ অনিল শীল আদি পণ্ডিতৰ মতে আৰু আজিও একাংশ বুৰঞ্জীবিদৰ মতে এই জাতিৰ ধাৰণাটো ভাৰতীয়ৰ ক্ষেত্ৰত এক কৃত্ৰিম, আধাসিজা, আত্মপ্ৰতাৰণামূলক ধাৰণা। কৰাণ এনে জাতি তথা জাতীয় সংগ্ৰামৰ মাজেদি ভাৰতীয় জনগণৰ সামগ্ৰিক আশা-আকাংক্ষাতকৈ উচ্চাকাংক্ষী শিক্ষিত ভাৰতীয় মধ্যবিত্তৰ আকাংক্ষাহে ব্যক্ত হৈছিল।

এই সমালোচনাটো একে আষাৰে উৰাই দিয়া টান। ভাৰতৰ জাতীয় ঐক্যৰ ভিত্তি বিশেষ সবল নাছিল, বিশেষকৈ শিক্ষিতৰ মাজত সংখ্যাগৰিষ্ঠ হিন্দুসকলৰ অনেকেই বহুদিন ধৰি মুছলমানসকলক আত্মীয় বুলি ভাবিব পৰা নাছিল। 'আনন্দমঠ'ত যৱন আধিপত্যক হিন্দু জাতিৰ পতনৰ বাবে দায়ী কৰা হৈছিল। তেনেকৈ জাতিভেদৰ কঠোৰ কাৰাগাৰৰ কক্ষৰ পৰা উলিয়াই আনি আপামৰ জনগণক সংগ্ৰামৰ পথাৰত একেলগে সমাবিষ্ট কৰা সম্ভৱ হোৱা নাছিল স্বাধীনতাৰ দশকটো আৰম্ভ নোহোৱালৈকে। ড০ অম্বেদকাৰৰ নেতৃত্বত

সংগঠিত দলিতসকলক বহুতেই কংগ্ৰেছৰ বৰ্ণহিন্দু নেতৃত্বক সংশয় আৰু শংকাৰ চকুৰে চাইছিল। কোৱা বাহুল্য এই বিভেদ কৌশলেৰে প্ৰয়োগ কৰি শেষ পৰ্যন্ত ব্ৰিটিছে দেশ বিভক্তও কৰিছিল।

কিন্তু এই সমালোচনাৰ উত্তৰো আছে। মাৰ্ক্সে দেখুৱাই গৈছে যে কোনো এক বিশেষ শ্ৰেণীয়ে সমগ্ৰ সমাজক তাৰ নেতৃত্বত ঐক্যবদ্ধ কৰি আনবোৰ শ্ৰেণীৰ দাবী-দাৱা যদি কিছু পৰিমাণে তাৰ কাৰ্যসূচীৰ অন্তৰ্গত কৰিব পাৰে তেন্তে সি জাতীয় শ্ৰেণীত (National Class) পৰিণত হয়। ভাৰতৰ শিক্ষিত মধ্যবিত্তই এই কাম নকৰা বুলি ভাবিলে ডাঙৰ ভুল হ'ব। দাদা ভাই নৌৰাজীৰ Proverty and Unbritish Rule in India , ৰমেশ দত্তৰ An Economic History of India আদি উনবিংশ শতাব্দীৰ গ্ৰন্থসমূহত কেৱল শিক্ষিত ভাৰতীয়ৰ আশা-আকাংক্ষা তথা দাবীকেই দাঙি ধৰা হোৱা নাছিল। ব্ৰিটিছ ঔপনিবেশিক শোষণৰ ফলত দুৰ্ভিক্ষ, অপুষ্টি, অশিক্ষা, অস্বাস্থ্যৰ বলি হোৱা জনগণৰ কথাও আছিল। বিবেকানন্দই স্পষ্ট ভাষাত দৰিদ্ৰ, ক্ষুধাতুৰ জনগণৰ কথা কৈছিল। চিত্তৰঞ্জণ দাশৰ 'দেশৰ কথা'ৰ বহু আঁচনি আৰু প্ৰস্তাৱ পৰৱৰ্তী কালত গান্ধীজীয়ে ব্যাপক আন্দোলনত পৰিণত কৰিছিল। 'চম্পাৰাণ' সত্যাগ্ৰহত অত্যাচাৰিত কৃষকৰ ওচৰত থিয় দিছিল শিক্ষিত মধ্যবিত্ত। স্বাধীনতাৰ পূৰ্বেই সাধাৰণ প্ৰজাৰ দুখ নিবাৰণৰ বাবে কংগ্ৰেছে পৰিকল্পিত অৰ্থনীতিৰ আৰ্হি গ্ৰহণ কৰিছিল ত্ৰিশৰ দশকতে। বিশেষকৈ গান্ধীজীৰ নেতৃত্ব আৰু চিন্তাত মধ্যবিত্ত জাতীয় আন্দোলনৰ চালিকাশক্তিৰূপে শোষিত, অৱদমিত জনগণৰ ক্ষোভ আৰু সপোন সঞ্চাৰিত হৈছিল। কংগ্ৰেছেই হিন্দু-মুছলমানৰ ঐক্যৰ বাবে কাৰ্যকৰী চেষ্টা চলাই অন্ততঃ এচাম মুছলমানক দেশ বিভাজনৰ সৰ্বনাশী পথৰ পৰা আঁতৰত ৰাখিছিল। তেনেকৈ পলমকৈ হ'লেও তেওঁৰ হৰিজন আন্দোলনে মধ্যবিত্ত আৰু দলিতৰ মাজত কিছু প্ৰভাৱ নেপেলোৱাকৈ থকা নাছিল।

জাতীয় ঐক্যৰ বা সত্তাৰ এই দুৰ্বলতাৰ প্ৰধান কাৰণ এয়ে যে শিক্ষিত মধ্যবিত্তৰ মনৰ জাতীয় ভাবক দেশব্যাপী কাৰ্যকৰী গঢ় দিব পৰা অৰ্থনৈতিক শক্তি ভাৰতীয় বুৰ্জোৱাৰ নাছিল, ঔপনিবেশিক পৰিমণ্ডলত সি তেনে শক্তি আয়ত্তও কৰিব পৰা নাছিল। বহুদিন ধৰি ৰেল ডাক, বন্দৰ, জাহাজ, যন্ত্ৰশিল্প, বেংক ঘাইকৈ ব্ৰিটিছ চৰকাৰ আৰু ব্ৰিটিছ মেনেজিং এজেন্সিৰ হাততে আছিল। আনকি মাজে-সময়ে আৱেগৰ টোত জাতীয় বিদ্যালয় স্থাপিত হ'লেও অৱশেষত আভ্যন্তৰীণ স্তৰত কৃষকৰ আয়ৰ মধ্যস্বত্বভোগী হিচাপে জীৱন নিৰ্বাহ কৰা মধ্যবিত্তই আমূল ভূমি সংস্কাৰৰ জৰিয়তে হিন্দু-মুছলমান, উচ্চবৰ্ণ-দলিতৰ মাজৰ আৰ্থিক ভেদাভেদ দূৰ কৰাও সম্ভৱ নাছিল। এক কথাত ভাৰতীয় জাতীয়তাৰ বিকাশ দুৰ্বল আৰু অপুষ্ট আছিল ঔপনিবেশিক হেঁচাৰ ফলত। কিন্তু সি সমূলি জাতীয়তা নাছিল বুলি ভবাৰ কোনো থল নাই।

কিন্তু জাতীয় ঐক্যৰ শক্তি গ্ৰামশ্চিয়ে কোৱা মতে আহে এক জাতীয় জোঁটৰ (national bloc) জৰিয়তে জাতীয় ভিত্তিত ঐক্যবদ্ধ হোৱা জনগণৰ পৰা (II Popolo Nationale) স্বাধীনতাৰ পূৰ্বে সেই কাৰ্যসূচী সম্পূৰ্ণ নোহোৱা বাবে প্ৰয়োজন আছিল স্বাধীনতাৰ পিছত দ্ৰুতগতিত সেই অসমাপ্ত কাম সমাধা কৰাৰ। কিন্তু যি কোনো কাৰণতে নহওক, বামপন্থী শক্তিয়ে সেই প্ৰাৰব্ধ কাম সম্পূৰ্ণ কৰিবলৈ চাপ সৃষ্টি কৰিব নোৱাৰিলে, কৃষক বিপ্লৱ হঠকাৰিতাত পৰ্যবসিত হ'ল। আৰু কংগ্ৰেছ নেতৃত্বই তাৰ শ্ৰেণীস্বাৰ্থত মতলীয়া হৈ তেনে কামবোৰত বিশেষ জোৰ নিদিলে। জাপান বা চীনৰ দৰে স্বাধীন জাতীয় অৰ্থনীতি গঢ় লৈ নুঠিল, কম বেছি পৰিমাণে প্ৰাক্তন ঔপনিবেশিক তথা সাম্ৰাজ্যবাদী অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীলতা ৰৈ গ'ল।

এনে এক সামাজিক স্থবিৰতাৰ পটভূমিতে নতুন বুৰঞ্জী অধ্যয়নো থমক খাই ৰৈ গ'ল। মাৰ্ক্সবাদী বুৰঞ্জীবিদে পাৰ্টি নেতৃত্বৰ প্ৰেৰণা আৰু সহযোগত এই ব্যৰ্থতাৰ শিপা বিচাৰি অতীত অধ্যয়ন কৰিব লাগিছিল। কিন্তু শ্ৰেণীসংগ্ৰামৰ ধৰ্ৱা-বন্ধা সূত্ৰৰ যান্ত্ৰিক পুনৰাবৃত্তিৰ পৰা তেওঁলোক বেছি দূৰলৈ যাব নোৱাৰিলে। ভাৰত বুৰঞ্জীৰ যথাযথ অধ্যয়ন অবিহনে ভাৰতত শ্ৰেণীসংগ্ৰামৰ ৰূপ নিৰ্ণয় কৰা সহজ নাছিল। একমাত্ৰ ব্যতিক্ৰম আছিল কোশাম্বী। আৰু অপ্ৰিয় সত্য এয়ে যে নিজৰ ভুল-ত্ৰুটি আন্তৰিকতাৰে পৰীক্ষা কৰি চাবলৈ নাৰাজ মতান্ধ আমোলাতান্ত্ৰিক পাৰ্টি নেতৃত্বক অগ্ৰাহ্য কৰি আৰু পাৰ্টি ত্যাগ কৰিহে কোশাম্বীয়ে সৃষ্টিমূলক মাৰ্ক্সবাদী অধ্যয়নৰ আদৰ্শ ৰূপায়িত কৰিব পাৰিছিল। পাৰ্টি নেতৃত্বৰ প্ৰতি তেওঁৰ এই গভীৰ ক্ষোভ আৰু অৱজ্ঞাৰ কাৰণ নিশ্চয় ব্যক্তিগত অহমিকা বা ফ্ৰাস্ট্ৰেশ্যন নাছিল। সি আছিল সামাজিক ব্যৰ্থতাবোধৰে প্ৰকাশ। কিন্তু তাতে ক্ষান্ত হৈ নাথাকি দুগুণ উদ্যমেৰে তেওঁ লাগি গৈছিল ব্যৰ্থতাৰ কাৰণ অনুসন্ধান কৰিবলৈ আৰু ইতিহাসৰ গম্ভীৰ দৃশ্যপটত সমাজ বিকাশ আৰু শ্ৰেণী সংগ্ৰামৰ হেঁৱোৰা আঁতডাল বিচাৰিবলৈ।

স্বাধীনতাৰ ঠিক পৰৱৰ্তী মুহূৰ্তত হঠকাৰী সমাজবাদী বিপ্লৱৰ আহ্বান দি ব্যৰ্থ হোৱা বামপন্থী নেতৃত্বৰ দোষ এয়া নাছিল যে কৌশলগত কাৰণত উগ্ৰ সোঁপন্থী শক্তিৰ বিৰুদ্ধে

সাময়িকভাৱে তেওঁলোকে নেহৰু চৰকাৰক সমর্থন দিছিল। ৰৰং নেহৰু চৰকাৰক সমর্থন দিবলৈ গৈ কোনো কার্যকৰী সামগ্রিক ৰণনীতি অবিহনে আগবাঢ়িছিল। মুখত তেওঁলোকে নেহৰুৰ উগ্র আৰু তীব্র সমালোচনা কৰিছিল আৰু কার্যক্ষেত্রত নেহৰুৰ অনুগামী তথা দালালত পৰিণত হৈছিল। মৌলিক চিন্তা অবিহনে এনেদৰে দালালত পৰিণত হোৱা নেতৃত্বই বুৰঞ্জী চর্চা দূৰৰ কথা, সকলো মৌলিক চিন্তাৰে ভয় কৰিব। সন্দেহ কৰাৰ থল আছে যে পার্টি নেতৃত্বই গোপনে আৰু ষড়যন্ত্রমূলকভাৱে কোশাম্বীৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ চৰকাৰক সহায় কৰিছিল।

এনে বন্ধ্যা আৰু যান্ত্রিক মার্ক্সবাদ অনুসৰণ কৰা নেতৃত্বৰ পৰা আঁতৰি কোশাম্বী কিন্তু আন কেতবোৰ প্রাক্তন সাম্যবাদীৰ দৰে নতুন অভিজাত্যবাদৰ প্রতি আকৃষ্ট নহ'ল। ৰৰং তেওঁৰ নতুন ইতিহাসবীক্ষাত ইতিহাসৰ চালিকাশক্তিৰূপে জনগণৰ প্রতি এক গভীৰ মমতাভৰা শ্রদ্ধাবোধ পৰিলক্ষিত হ'ল ঃ

"জনসাধাৰণৰ বিৰাট অংশটোৰ ক্ষতিসাধন কৰি মুষ্টিমেয় কেইজনমানে নিজৰ প্রয়োজন পূৰণ কৰাৰ সাফল্যৰ কাহিনীয়েই বুৰঞ্জী নহয়; সকলো মানুহে মিলিজুলি মানৱীয় প্রয়োজন পূৰণ কৰোতে ঘটোৱা মানৱ সমাজৰ উন্নতিৰ কথাহে বুৰঞ্জীত প্রতিফলিত হ'ব লাগে।" (ভাৰতৰ ইতিহাস অনুঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য, ২য় সংস্কৰণ, ১৯৮১, পৃঃ ০.৮)

সেয়ে ৰজা-মহাৰজা বা সমাজ পতিসকলৰ কাহিনীতকৈ তেওঁৰ বুৰঞ্জী চর্চাৰ বিষয় আছিল সমাজ ব্যৱস্থাৰ ৰূপান্তৰৰ কাহিনী, যি ৰূপান্তৰ আপামৰ জনগণৰ সন্মিলিত চেষ্টাহেতে ঘটায়। কিন্তু জনগণৰ মাজলৈ নোযোৱাকৈ জনগণৰ ইতিহাস কেনেকৈ ৰচা হ'ব? তেওঁ গৱেষকক সকীয়াই দিছে যে "বহু পুৰুষ ধৰি কঠোৰতম দাৰিদ্র আৰু শোষণত জর্জৰিত হৈ থকা হেতুকে সেইবিলাক মানুহে আমাৰ মাজত কিছুমান মানসিক ব্যৱধানৰ সৃষ্টি কৰাত সহায় কৰিছে।" (ঐ, পাতনি) এইসকলৰ মাজলৈ যাওঁতে তেওঁলোকৰ ক্ষুধাকাতৰ মলিন মুখচ্ছবি সত্ত্বেও "আমাৰ মনত উচ্চাত্মিকা মনোভাব, ভাবপ্রৱণাতামূলক সংস্কাৰৰ ধাৰণা, আৰু উপৰুৱা নেতৃত্ব দিয়াৰ উদ্দেশ্য থাকিব নেলাগিব।" (ঐ, ০৭.-০৮)

কোশাম্বীয়ে বাৰে বাৰে কৈছিল যে শ্রমজীৱী জনগণৰ স্বার্থ আৰু শাসক শ্রেণীৰ স্বার্থ একে নহয়। সমাজ পৰিৱর্তনত প্রতিপত্তিশালী হৈ উঠা এটা শ্রেণীয়ো প্রগতিশীল ভূমিকা থাকিব পাৰে কিন্তু শেহাস্তৰত সি ন্যস্ত স্বার্থৰ ধাৰক-বাহকত পৰিণত হয়। বুৰঞ্জী হয় তেওঁলোকৰ অস্ত্র। তেওঁলোকৰ শাসন আৰু প্রাধান্য অক্ষুন্ন ৰখাৰ স্বার্থত ইতিহাসৰ এটা নির্দিষ্ট ধাৰণা বা ব্যাখ্যা তেওঁলোকে প্রতিষ্ঠা কৰিব খোজে। আনহাতে শ্রমজীৱী জনগণৰ শোষণৰ পৰা মুক্ত কৰিব খোজাসকলে তাৰ বিকল্প ইতিহাসৰ ধাৰণা প্রচাৰ কৰিবলৈ অহোপুৰুষার্থ কৰিব লাগিব। এই কথা মনত ৰখা দৰকাৰ যে সাধাৰণ ভাৰতীয় মানুহৰ কথা ভাবিয়েই কোশাম্বীয়ে বুৰঞ্জী চর্চাৰ নতুন বাট উলিয়াইছিল। এই কিতাপখনতে তেওঁ প্রশ্ন কৰিছে ঃ

"ঘাই প্রশ্ন হ'ল ভোক আৰু বেমাৰত এইদৰে ক্ষতিগ্রস্ত হোৱা ভাৰতীয় ৰাইজৰ উপৰোক্ত অৱস্থা সদায় চলি থাকিব নে দুৰৱস্থাৰ পৰা ভাৰতীয় সমাজখনে সোনকালেই উদ্ধাৰ পাব ?" (পৃঃ ০.১১) সেয়ে তেওঁ দোহাৰিছে ঃ "বর্তমান কাল হ'ল বুৰঞ্জী গঢ়াৰ কাল।" (ঐ)

এতিয়া আমি মিচায় বুৰঞ্জীবিদৰ বিষয়ে আলোচনা কৰিবলৈ ওলাইছো, তেওঁলোকেও প্রতিপত্তিশীল ইতিহাসমার্গ নেওচা দি 'সাধাৰণ ৰাইজৰ' বুৰঞ্জীয়েই লিখিবলৈ ওলাইছে। অথচ কোশাম্বীৰ উল্লেখ তেওঁলোকৰ ৰচনাত বেছি পাবলৈ নাই। তেওঁলোকৰ দৃষ্টিত কোশাম্বীৰ প্রতিপত্তিশালী বুৰঞ্জীৰ অন্তর্গত যেন বোধ হয়। ই এক অস্বস্তিকৰ পৰিস্থিতি। কিন্তু যেতিয়া দেখা যায় যে সমাজ পৰিৱর্তনৰ আর্হি বা লক্ষ্য তেওঁলোকৰ 'জনগণৰ বুৰঞ্জী'ত স্পষ্টকৈ নাই, তেতিয়া কোশাম্বীৰ লগত তেওঁলোকৰ মানসিক ব্যৱধান সহজে বুজিব পাৰি।

Subaltern শব্দটো ইটালিৰ মার্ক্সবাদী তাত্ত্বিক গ্রামশ্চিয়ে পোনপ্রথমে ব্যৱহাৰ কৰিছিল কোনো সমাজ ব্যৱস্থাৰ শাসক শ্রেণীয়ে দমন কৰি ৰখা আন শ্রেণীবোৰৰ বিষয়ে, যাৰ মাজত কৃষক শ্রমিকেই প্রধান। 'ছাবল্টার্ণ' বুলি পৰিচিত তাত্ত্বিক চামৰ এজন পার্থ চট্টোপাধ্যায়ে কৈছে যে প্রভুত্ব (domination) / অধীনত (subalternity) ৰ বিচাৰ গ্রামশ্চিয়ে কৰিছে সংস্কৃতি আৰু ভাবজগতৰ ক্ষেত্রত। পূর্ব ইউৰোপৰ মার্ক্সবাদীসকলে কৃষকৰ চেতনা আৰু সংস্কৃতিৰ প্রতি যি চহৰীয়া অৱজ্ঞা আৰু তাচ্ছিল্যৰ ভাব প্রদর্শন কৰিছিল, তাৰ ঠাইত কৃষকসমাজৰ দৈনন্দিন জীৱন, ধর্মবিশ্বাস, ৰাজনৈতিক ধ্যান-ধাৰণাৰ বিতং মনোযোগী অধ্যয়ণ কৰাৰ ওপৰত তেওঁ জোৰ দিয়ে। এইবোৰ নুবুজিলে শ্রমিক আন্দোলনে কৃষকৰ সহযোগিতা সঠিক উপায়ে বিচাৰিব নোৱাৰিব। আনহাতে প্রভুত্বকাৰী শ্রেণীৰ তুলনাত কৃষক চেতনা খণ্ডিত, জড় আৰু পৰাধীন। হয়তো গ্রামশ্চিয়ে ভাবিছিল যে লোকসংস্কৃতিৰ ওপৰত প্রতিপত্তিশালী শ্রেণীৰ ধর্মৰ হেঁচা থাকিলেও প্রতিষ্ঠানিক সংস্কৃতিৰ সকলোখিনি

কৃষকে গ্রহণ নকৰে, ৰৰং নিজৰ বাস্তৱ অভিজ্ঞতা আৰু প্রয়োজন অনুসৰি কিছুমান উপাদান গ্রহণ কৰি নিজৰ মতে সজাই লয় আনকি তাৰ প্রতিষ্ঠান বিৰোধী ৰূপো দিব পাৰে (আনতোনিও গ্রামশি, বিচার বিশ্লেষণ, ২য় খণ্ড, সম্পাদক শোভনলাল দত্তগুপ্ত, পৃঃ ২০-২১)

কিন্তু 'ছাবল্টার্ণ অধ্যায়ন চর্চা'ত কৃষক আদি শ্রেণীৰ পার্থক্যৰ ওপৰতে বা স্বতন্ত্রীয়া চেতনাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। তদুপৰি শ্রেণীৰ অন্তর্ভুক্ত নোহোৱা আদিবাসী গোষ্ঠী, নিম্ন বর্ণৰ সম্প্রদায়, নাৰী আদিও এই অধ্যয়নৰ ক্ষেত্র হৈছে। আনকি গুণ্ডা আদি সমাজদ্রোহীকো প্রভুত্বশালী চামৰ বিৰুদ্ধে বিদ্রোহী বুলি ধৰি লৈ তেওঁলোকৰ বুৰঞ্জীক অধ্যয়নৰ বিষয় কৰা হৈছে। শ্রেণীগত কর্মকাণ্ডত তেওঁলোকক জড়িত কৰাৰ কথা ভবা হোৱা নাই।

শ্রেণীগত অধ্যয়ন কেতিয়াবা অতিশয় বিমূর্ত, ছক কটা আৰু বিভ্রান্তিকৰ হ'ব পাৰে। যিকোনো সমাজত বিচিত্র আৰু বিভিন্ন উপাদানৰ সংমিশ্রণ হয়। সেইবোৰ অৱর্জনা বুলি উপেক্ষা কৰিলে শ্রেণীগত আন্দোলন বা বিপ্লৱ বাধাগ্রস্ত হ'বলৈ বাধ্য। সেয়ে সামগ্রিক ছবি এখনৰ বাবে এই বিভিন্ন বিচিত্র উপাদানৰ চর্চা অতিশয় প্রাসংগিক। কিন্তু সমগ্র সমাজ ব্যৱস্থাৰ ৰূপ আৰু চৰিত্র ব্যতিৰেকে অকলশৰীয়াকৈ এইবোৰ উপাদানৰ অধ্যয়ন বিভ্রান্তিকৰ হ'ব পাৰে। আচলতে নাৰী সমাজৰ জাগৰণ বা আনকি অদিবাসী বিদ্রোহো অকলশৰে নহয় - সমাজৰ সামগ্রিক ব্যৱস্থাটোৰ কোনো পৰিৱর্তন, সংকট অথবা উত্তৰণেহে তেনে প্রতিক্রিয়াৰ জন্ম দিব পাৰে। তদুপৰি বেলেগে বেলেগে তেনেবোৰ চাম বা গোষ্ঠীৰ অধ্যয়নৰ তাৎপর্য হ'ব সমূহীয়া প্রতিবাদ, উদ্যোগ বা বিদ্রোহৰ সম্ভাৱনা অগ্রাহ্য কৰা। সেতুবন্ধনৰ কোনো আকাংক্ষা Subaltern সকলৰ আছে নে নাই, জনা নাযায়। কিন্তু উত্তৰ আধুনিক তাত্ত্বিকসকলৰ পছন্দ difference বা পৃথকতাকে তেওঁলোকে গুৰুত্ব দিয়া যেন লাগে।

কোশাম্বীৰ কিতাপখন প্রকাশ হোৱাৰ পোন্ধৰ বছৰ পিছত পশ্চিমবংগ আৰু অন্যান্য প্রান্তত শিক্ষিত যুৱ সমাজৰ মাজত এক আলোড়ন উঠে। মার্ক্সবাদী কমিউনিষ্ট পার্টিৰ এচাম বিদ্রোহী সদস্যৰ মাজত আৰম্ভ হৈ সি সমাজৰ মাজত বিয়পি যায়। ইয়েই আছিল নক্সালবাৰী আৰু নক্সালপন্থীসকলৰ জাগৰণ তথা বিদ্রোহ, যি অৱশেষত ব্যাপক সশস্ত্র উদ্যোগৰ ৰূপ লৈছিল। সকলো পিনৰ পৰা সি আছিল আগৰ প্রজন্মৰ বিৰুদ্ধে বিদ্রোহ।

১৯৯৮চনত ছাবাল্টর্ণ মার্গৰ নেতা ৰণজিৎ গুহই A Subaltern Studies Readers 1986-1995 নামৰ সংকলন এখন সম্পাদনা কৰি উলিয়ায়। তেওঁ তাৰ ভূমিকাত মন্তব্য কৰে যে নক্সালপন্থীসকলৰ বিদ্রোহ আৰু ছাবল্টার্ণসকলৰ বিদ্রোহৰ উৎস একে। পূর্বজ প্রজন্মৰ প্রতি অনাস্থাৰ সি এক মূর্ত প্রকাশ। কেইজনমান অখ্যাত, তৰুণ বয়স্ক, আৰু প্রতিষ্ঠা নথকা ডেকাই প্রতিষ্ঠানিক ইতিহাস মার্গত বীতশ্রদ্ধ আৰু আস্থাহীন হৈ এই নতুন দৃষ্টিভংগীৰ ইতিহাসমার্গ উদ্ভাৱন কৰিছিল। স্বাধীনতা আন্দোলনে গঢ় দিয়া জাতিৰাষ্ট্র ভিত্তিক মতাদর্শই সমসাময়িক ভাৰতৰ বুৰঞ্জী চর্চাৰো মূল ধ্যান-ধাৰণাৰ গঢ় দিছিল। সেয়ে আধুনিক ভাৰত বুৰঞ্জীৰ মূলধাৰা অনুসৰণ নকৰি তেওঁলোকে এনে এক নতুন মার্গ বিচাৰি লৈছিল।

তেওঁলোকে বেয়া পোৱা ধ্যান-ধাৰণাৰ ভিতৰত কেন্দ্রীয় ধাৰণাটো আছিল শিক্ষিত মধ্যবিত্ত সম্ভ্রান্ত (elite) চামৰ নেতৃত্বত ঔপনিবেশিক ৰাষ্ট্রৰ বিৰুদ্ধে ভাৰতীয় জনগণৰ বিদ্রোহ আৰু তাৰ শেষ পৰিণতি ঔপনিবেশিক ৰাহুগ্রাসৰ পৰা মুক্ত স্বাধীন ভাৰত ৰাষ্ট্র। (উক্ত গ্রন্থ, ৰণজিৎ গুহৰ ভূমিকা।) ভাৰতৰ ইতিহাস এনেদৰে প্রণয়ন কৰা হৈছে যেন আধুনিক ভাৰতৰ সম্ভ্রান্ত শ্রেণীয়েই জনগণক স্বাধীনতা মন্ত্রত দীক্ষিত কৰি স্বদেশপ্রেম আৰু স্বাধীনতাৰ আৱেগত উদ্দীপ্ত কৰি ঔপনিবেশিক ৰাষ্ট্রক কঁপাই তাক অৱশেষত উচ্ছেদ কৰিলে। কিন্তু জনগণৰ ভূমিকা মুকলি চকুৰে পৰীক্ষা কৰি চালে দেখা যাব যে অসহযোগ, আইন-অমান্য, ভাৰত ত্যাগ আদি যিবোৰ পর্যায়ত ব্যাপক গণ-জাগৰণ আৰু গণ আন্দোলন হৈছিল, তাত গাওঁ-ভূঁইৰ জনতাই শিক্ষিত-সম্ভ্রান্ত শ্রেণীৰ লক্ষ্য বা আদর্শ গ্রহণ নকৰি আন্দোলনটো নিজৰ মতে গঢ় লৈ তাত নিজৰ ঐতিহ্যগত,লোক সংস্কৃতিগত আশা-আকাংক্ষা, ধ্যান-ধাৰণা সঞ্চাৰ কৰিছিল। (ঐ, ভূমিকা)

দ্বিতীয়তে দেখা যায় যে যিবোৰ আধুনিক বৈজ্ঞানিক যুক্তিসন্মত ধাৰণা, নাগৰিক অধিকাৰ সম্পর্কীয় বিশ্বাস, আৰু পশ্চিমীয়া 'আইনৰ শাসন' আৰু গণতন্ত্র আদি লক্ষ্য শিক্ষিত-সম্ভ্রান্ত শ্রেণীৰ জাতীয়তাবাদী বক্তব্যত প্রতিফলিত হৈছিল, সেইবোৰে গাঁৱৰ জনগণক স্পর্শই কৰিব পৰা নাছিল। ৰৰং তেওঁলোকে গান্ধীজীক অৱতাৰ পুৰুষ বুলি ধৰি লৈ পুৰাণ আৰু আখ্যানত সুলভ (mythical) চিন্তাৰে কলিযুগৰ শেষত সত্যযুগ অহা বুলি ভাবিছিল আৰু তাৰ প্রস্তুতি চলাইছিল। সেই প্রেৰণাতহে তেওঁলোকে বিপুল উন্মাদনা, শৌর্য-বীর্য আৰু ত্যাগেৰে স্বাধীনতা আন্দোলন সঞ্জীৱিত কৰিছিল। তেওঁলোকৰ জীৱন আৰু চেতনাৰ ভালেখিনি অংশ সম্ভ্রান্ত

মধ্যশ্রেণীৰ আধিপত্যৰ প্ৰভাৱত নপৰাকৈ আছিল। সম্ভ্রান্ত মধ্যশ্রেণীৰ অন্ধ আৰু আত্মকেন্দ্রিক ইতিহাসৰ ঠাইত ছাবল্টার্ণসকলে ইতিহাসৰ মঞ্চত এই জনতাৰ ৰাজনীতি (politics of the people) স্থাপন কৰিলে।

ঔপনিবেশিক ৰাষ্ট্রই জবৰদস্তি কৰি প্ৰচাৰ, চলোৱা সত্ত্বেও আধুনিকতা (modernity) আৰু ভাৰতীয় জনগণৰ ধ্যান-ধাৰণাৰ সংযোগ আৰু সংশ্লেষণ ঘটা নাছিল। স্বাধীনতা আন্দোলন আৰু স্বাধীন ভাৰততো সি নঘটিল। ৰাজনীতিৰ এই গাঁথনিগত বিভাজন (Structural split) ছাবল্টার্ণ ইতিহাসৰ প্ৰধান বক্তব্য।

তাৰ ফলত বিজ্ঞান, নাগৰিকত্ব আৰু আইনৰ শাসন আদিক সমল কৰি প্ৰগতিৰ পিনে আগবাঢ়িব খোজা আৰু জনগণক এনে প্ৰগতিৰ পিনে বা আধুনিকতাৰ আনিব খোজা সম্ভ্রান্ত মধ্যবিত্তই ঐতিহাসিক বাস্তৱতাৰ যি বিকৃত ব্যাখ্যা কৰিলে ছাবল্টার্ণসকলে তাক প্ৰত্যাহ্বান জনালে। দ্বিতীয়তে ঔপনিবেশিক ৰাষ্ট্ৰ আৰু তাৰ উত্তৰাধিকাৰী জাতি ৰাষ্ট্ৰৰ সমাজব্যাপী প্ৰভাৱ বা আধিপত্যৰ ধাৰণাটো নাকচ হ'ল। ফলত জাতিৰাষ্ট্ৰ আৰু তাৰ লগত সনা-পোটোকা নোহোৱা ৰাষ্ট্ৰ বহির্ভূত সমাজৰ (civil society) নানা উপাদানৰ সংঘাত-সংঘৰ্ষ প্ৰথমবাৰৰ বাবে পোহৰলৈ আহিল। তাৰ অনিবাৰ্য ব্যাপকতাৰ পৰিণাম হ'ল এয়ে যে ঔপনিবেশিক সংস্কৃতিয়ে বিজ্ঞানবাদী যুক্তিক যি প্ৰাধান্য দিছিল, যি প্ৰাধান্য তাৰ উত্তৰাধিকাৰী স্বাধীন ৰাষ্ট্ৰত সংৰক্ষিত হ'ল,তাক যুৰোপীয় বিকাশৰ স্তৰত হোৱা মূলধন বা পুঁজিৰ নিতান্তই আপেক্ষিক, সময় সাপেক্ষে হাতিয়াৰ বা সাধন বুলি বুজা গ'ল। বুৰ্জোৱা যুক্তিৰ কালাতীত বিশ্বজনীন দাবী অগ্ৰাহ্য কৰিব পৰা হ'ল। আৰু ভাৰতৰ আধুনিকীকৰণ (modernization) এক সৰলৰৈখিক প্ৰগতি বুলি নধৰি এক জটিল, দ্ব্যৰ্থবোধক আৰু দ্বন্দ্বমুখৰ প্ৰক্ৰিয়া বুলি সাব্যস্ত কৰা হ'ল।

আজিও ভাৰততে সম্ভ্রান্ত শ্রেণীৰ ভাবগত প্ৰতিপত্তিৰ অন্তৰালত সমাজৰ অভ্যন্তৰত নানা তৰহৰ ক্ষোভ, অসন্তোষৰ উদ্‌গীৰণ ঘটি প্ৰমাণ কৰিছে যে গোষ্ঠী, জাতি, সম্প্ৰদায় নিৰপেক্ষ নাগৰিক, স্থানীয় পৰিস্থিতিৰ প্ৰতি নিৰ্লিপ্ত বিজ্ঞান, আৰু আইনৰ শাসন ন্যায়ৰ চুড়ান্ত অভিব্যক্ত বুলি মনা মানসিকতা ভাৰতীয় জনগণৰ মাজত প্ৰবলভাৱে প্ৰতিষ্ঠিত হোৱা নাই। মেধা পাটকাৰৰ নেতৃত্বত লাখ লাখ জনতাই আধুনিক প্ৰযুক্তিভিত্তিক বিজ্ঞানে গঢ়িব খোজা আৰু ৰাষ্ট্ৰীয় সম্পদৰূপে দাবী কৰা নৰ্মদা বান্ধৰ তীব্ৰ বিৰোধিতা কৰি জনাই দিছে যে তেওঁলোকে জাতি বা ৰাষ্ট্ৰৰ আৰোপিত অৰ্থ মানিব নোৱাৰে, যদি তেওঁলোকৰ ভৱিষ্যৎ জাতিৰাষ্ট্ৰই নিৰাপদে সংৰক্ষিত কৰিব নোৱাৰে। ধাৰণা হয় যে নানা আঞ্চলিক, গোষ্ঠীবাদী সশস্ত্ৰ বিদ্রোহেও এনে নাগৰিকত্ব আৰু আধুনিক ৰাষ্ট্ৰৰ সমাৰ্থকতা প্ৰমাণ কৰিছে।

ইয়াৰ নিৰাকৰণ কৰিবলৈ আধুনিক জাতিৰাষ্ট্ৰৰ ৰক্ষকসকলৰ হাতত কোনো উপায় নাই। তেওঁলোকে প্ৰচলিত আইন-আদালত আৰু নহ'লে পুলিচ-মিলিটাৰিৰ হতুৱাই জনতাৰ দাবী উপেক্ষা কৰি ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব সাব্যস্ত কৰিবলৈ বিচাৰছে। Subaltern Studies সংকলনত এই মাৰ্গৰ আন এগৰাকী বিশিষ্ট গৱেষক দীপেশ চক্ৰৱৰ্তীয়ে সেয়ে কৈছে যে জাতিৰাষ্ট্ৰ, আধুনিকতা, বিজ্ঞানৰ প্ৰধান সাৰথি বা সাধন হ'ল হিংসা (violence) (পৃঃ ২৮৬ প্ৰভৃতি)।

ছাবল্টার্ণসকলে এই কথাও স্বীকাৰ কৰে যে দলিত, নাৰী আদি চামৰ জনগণে আইন-আদালত, সংবিধান, নাগৰিকত্বৰ জৰিয়তে মুক্তি আৰু প্ৰগতিৰ কিছু সুযোগ পাইছে। বিজ্ঞানকো একে আষাৰে নাকচ কৰিব নোৱাৰি। কিন্তু এইবোৰ ধাৰণাৰ অগ্ৰগতি জটিল, সংঘাতপূৰ্ণ, দ্ব্যৰ্থবোধক, সংশয়াচ্ছন্ন। (পৃঃ ২৮৮-২৯০)

তেন্তেনো ছাবল্টার্ণ গৱেষকসকলৰ উদ্দেশ্য কি ? তেওঁলোকে অতীতবিলাসী লোকৰ দৰে বা ধৰ্মান্ধ লোকৰ দৰে আধুনিকতাক বৰ্জন কৰিব খোজে নেকি? উত্তৰত দীপেশ চক্ৰৱৰ্তীয়ে কৈছে যে তেনে কোনো অভিপ্ৰায় তেওঁলোকৰ নাই। কিন্তু আধুনিকতাৰ বিৱৰণৰ মাজতে তেওঁলোকে লুক-ঢাক নকৰাকৈ ব্যক্ত কৰিব খোজে আধুনিকতাৰ সীমাবদ্ধতা, বিভ্রান্তি, বিপদ আৰু মাৰাত্মক মূল্য। দীপেশ চক্ৰৱৰ্তীয়ে স্বীকাৰ কৰিছে যে বিশ্বজুৰি পশ্চিমৰ মূলধনে আজিও যি মানৱবিদ্বেষী যুক্তিৰ অভিযান চলাই আছে, সেই যুদ্ধৰ পৰা বিশ্ববিদ্যালয়ৰ পণ্ডিত আঁতৰি থাকিব নোৱাৰে। তেওঁ পক্ষ ল'বই লাগিব। কিন্তু তেওঁ কাম কৰা বিশ্ববিদ্যালয় পশ্চিমীয়া যুক্তিৰ পীঠস্থান, তাত কাম কৰি তেওঁ এই যুক্তিৰ বিৰোধিতা কৰিব নোৱাৰে। কিন্তু তেওঁ একধৰণৰ 'নৈৰাশ্যৰ ৰাজনীতি' (politics of despair) সাৰথি কৰি প্ৰভুত্ববাদী শক্তিৰ ইতিহাসৰ মাজত নিম্নবৰ্গৰ ইতিহাস, নিম্নবৰ্গৰ অতীত আৰু ভৱিষ্যতৰ পৃথক ধাৰণা আৰু কল্পনাৰ বাবে স্থান সংৰক্ষণ কৰিব পাৰে। (পৃঃ ২৯০) কোৱা বাহুল্য ছাবল্টার্ণসকলে জনগণক কেতবোৰ গোষ্ঠী, সম্প্ৰদায় আদিত স্থায়ীভাৱে বিভক্ত কেতবোৰ গতিহীন মানৱ সমষ্টি বুলি ভাবিছে। তেওঁলোকৰ মাজত পৰিৱৰ্তন বা সমন্বয়ৰ কথা অভাৱনীয় বুলি ধৰি লৈছে। তেওঁলোকৰ দ্বাৰা কল্পস্বৰ্গীয় সমাধানৰ সলনি

বাস্তৱসম্মত সমাধান উদ্ভাৱন কৰাৰ সম্ভাৱনা নুই কৰিছে। অৰ্থাৎ এক গতিহীন বা অগ্ৰগতিহীন আলোড়নৰ মাজত জনগণক এৰি দিছে। দীৰ্ঘকালীন সংগ্ৰামৰ মাজেদি শ্রমিক শ্রেণীৰ আধিপত্য প্ৰতিষ্ঠাৰ সম্ভাৱনা, যি গ্ৰামশ্বিৰ প্ৰধান বক্তব্য আছিল, তাৰ ওচৰে-পাঁজৰেও যোৱা নাই। কোশাম্বীৰ বুৰঞ্জী চৰ্চাৰ লগত এই বুৰঞ্জী চৰ্চাৰ ৰাহি-জোৱা নাহে।

কিন্তু ছাবল্টার্ণসকলে বুৰঞ্জী চৰ্চাৰ পদ্ধতি আৰু আৰ্হিকো প্ৰত্যাহ্বান জনাইছে। অতদিনে মানুহৰ ধাৰণা আছিল যে বুৰঞ্জী সমাজ তথা সময়ৰ এক বিশেষ গতিপথ, আৰু লিখিত বুৰঞ্জী তাৰ প্ৰতিলিপি তথা বিৱৰণ। কিন্তু ছাবল্টার্ণসকলে সমসাময়িক উত্তৰ সংস্থানবাদৰ (post structuralism) তত্ত্বৰ আশ্রয় লৈ ক'লে যে আমাৰ পৰিচয় এই লিখিত বুৰঞ্জীৰ পাঠৰ লগতহে, সেই পাঠৰ বহির্ভূত কোনো ভাষা নিৰপেক্ষ স্বতন্ত্ৰ ঐতিহাসিক বাস্তৱৰ লগত নহয়। আনকি বুৰঞ্জীৰ অকাট্য আৰু অবিসম্বাদী প্ৰামাণৰূপে স্বীকৃত হৈ থকা দলিল, প্ৰত্নতাত্ত্বিক সমল আদিও একধৰণৰ পাঠ, যাৰ অৰ্থ ব্যাখ্যাৰ জৰিয়তে উদ্ধাৰ কৰিব লাগে। সেয়ে একমাত্ৰ অবিসম্বাদী সত্য ঘটনা আৰু তাৰ একমাত্ৰ যথার্থ ব্যাখ্যাৰ ধাৰণা এতিয়া আৰু ইতিহাসৰ বাঞ্ছিত লক্ষ্য আৰু ভিত্তি নহয়।

এইখিনিতে ছাবল্টার্ণ ইতিহাস মাৰ্গই উত্তৰ আধুনিক আৰু উত্তৰ সংস্থানবাদী তত্ত্বৰ সহায় ল'ব পাৰিছে। সাধাৰণভাৱে এই দুই অত্যাধুনিক চিন্তা বা দর্শনৰ চৰিত্ৰ হ'ল সংশয়ী ব্যাখ্যাতত্ত্ব Hermeneutics of suspicion কোনো প্ৰতিষ্ঠিত অৰ্থ বা আদর্শ বা বিশ্বাসৰ ভিত্তিমূলক থকা আত্মপ্ৰতাৰণা তথা সচেতন ভ্ৰম উন্মোচন কৰা সিহঁতৰ পদ্ধতি। সেয়ে প্ৰতিষ্ঠিত ইতিহাসমাৰ্গত ব্যৱহৃত পদ্ধতি আৰু সাক্ষ্যপ্ৰমাণৰ মৌলিক দুৰ্বলতা তথা অসাৰতা প্ৰমাণ কৰা তাৰ অভ্যস্ত কাৰ্যপদ্ধতি।

সেয়ে স্থান কালৰ বহু বিশাল এলেকা জোৱা ঘটনাৰাজি বা বস্তুক একসূত্ৰত গাঁথিব পৰা কোনো পৰম বৃত্তান্ত বা grand narrative আশ্রয় কৰিবলৈ তাৰো আপত্তি। ছাবল্টার্ণসকলে অসহযোগ আন্দোলনৰ ইতিহাস লিখা নাই, বৰং শ্বহীদ আমিনে তাৰ অন্তর্ভুক্ত এখন ঠাই 'চৌৰি চৌৰা'ত অনুসন্ধান চলাই দেখিছে যে স্বাধীনতা আন্দোলনৰ মধ্যবিত্ত জাতীয়তাবাদী ব্যাখ্যা তাৰ জনগণৰ নিজস্ব স্মৰণ, ব্যাখ্যা তথা ধ্যান-ধাৰণাৰ লগত সম্পূর্ণ সংগতিহীন। ঠিক তেনেকৈ পার্থ চেটার্জীয়ে দেখুৱাইছে যে ভাৰতীয় নাৰী মুক্তি আন্দোলন প্ৰকৃতার্থত এক নতুন ভাৰতীয় পিতৃতান্ত্রিক আদর্শ স্থাপনৰ সহযোগী আছিল আৰু পশ্চিমীয়া ধৰণৰ নাৰীৰ আত্মপ্ৰতিষ্ঠাৰ অধিকাৰ সেই আদর্শৰ বিচাৰত আছিল বিদেশী, বিজাতীয় আৰু চৰিত্ৰ হানিকৰ। আধ্যাত্মিকতাৰ নামত পশ্চিমৰ উদাৰনৈতিক আদর্শ বর্জন কৰা হৈছিল, যদিও বাহ্যিক জীৱনত নাৰীৰ অৱস্থাৰ কিছু সালসলনি মানি লোৱা হৈছিল। আনহাতে মুছলমান প্ৰমুখ্যে জনগণৰ বৃহৎ অংশৰ নাৰীৰ প্ৰতি আচৰণত এই মধ্যবিত্ত আদর্শৰ কোনো প্ৰভাৱ পৰা নাছিল। (উক্ত গ্ৰন্থ ২৪১-২৬১)

এনেবোৰ খণ্ড-ইতিহাসৰ মাজেদি পৰিষ্কাৰ হয় যে পছিমীয়া যুক্তি, আধুনিকতা আৰু নাগৰিকতাৰ ভূমিকা ভাৰতৰ জাতিৰাষ্ট্ৰৰ বিকাশত আছিল নিতান্তই গৌণ। ভাৰতীয় সংস্কৃতি, চেতনা, ৰাজনীতিৰ কর্তা বা subject হিচাপে ভাৰতীয় যি ছবি সেই বিৱর্তনত পোৱা যায় সি হৈছে তেনে পছিমীয়া ভাবাদর্শৰ বিৰোধী। সেয়ে ভাৰতত আধুনিকতাৰ ইতিহাস সংশয়াচ্ছন্ন।

সামগ্ৰিকতাৰ (totality) উপাখ্যানে যিহেতু এনে সংশয়ৰ কণ্ঠৰোধ কৰে সেয়ে ছাবল্টার্ণসকলে ভগ্নাংশ বা fragment ৰ তথা খণ্ড বাস্তৱৰ অধ্যয়ন পছন্দ কৰে, যাৰ মাজত দুই ভাবাদর্শাৰ বিসংগতি তথা সংঘাত অধিক স্পষ্ট। আনহাতে মধ্যবিত্ত বিৱৰণৰ সীমাবদ্ধতাৰ প্ৰতি চকু ৰাখিলে আমাৰ কাণত পৰে অতদিনে ৰুদ্ধ কৰি ৰখা আন বহু কণ্ঠস্বৰ, যি আমাৰ মধ্যবিত্ত কণ্ঠৰ প্ৰাধান্যৰ ফলত কর্ণগোচৰেই হোৱা নাছিল। ছাবল্টার্ণসকলে সেই নিৰুদ্ধ কণ্ঠস্বৰবোৰ - বিভিন্ন নিম্নবর্গৰ জাতি-জনজাতি, জনগোষ্ঠীৰ কণ্ঠস্বৰ- পোন প্ৰথমবাৰলৈ ইতিহাসৰ অংগীভূত কৰিলে। আনহাতে মিশ্বেল ফুকোৰ কেতবোৰ ধাৰণাৰ নতুন প্ৰমাণ ঔপনিবেশিক বা অর্দ্ধঔপনিবেশিক পৰিৱেশতো অপ্রত্যাশিতভাৱে পোৱা গ'ল। দেখা গ'ল যে নাগৰিকত্ব, আইনৰ শাসন, বিজ্ঞান আৰু যুক্তি - এইবোৰ আদর্শ আৰু প্ৰমূল্যও হিংসাই (violence) প্ৰতিষ্ঠা কৰে। ঔপনিবেশিক যুগৰ ৰাষ্ট্রই প্ৰাচীন সমাজৰ অৱশেষৰ ওপৰত বল প্ৰয়োগ কৰি আৰু স্বাধীন ভাৰতীয় ৰাষ্ট্রই একে ধৰণে বল প্ৰয়োগ কৰি উপৰুৱাভাৱে উক্ত আদর্শবোৰ প্ৰতিষ্ঠা কৰে, আৰু সতীদাহ, ডাইনী পোৱা বলৱৎ ৰাখে। জনসংখ্যাৰ ভালেখিনি অংশৰ বাবে এইবোৰ ধ্যান-ধাৰণা এতিয়াও দুর্বোধ্য আৰু বিজাতীয় হৈয়েই আছে। ভাৰতীয় শাসনশ্রেণীৰ প্ৰাধান্য আধিপত্যতকৈ (hegemony) হিংসা বা বল প্ৰয়োগৰ ওপৰতহে নির্ভৰশীল।

দুটা উদাহৰণেৰে তেওঁলোকৰ পদ্ধতি বুজাই দিয়া যাওক। এসময়ত সমগ্ৰ দেশ উত্তাল কৰি ব্রিটিছ সিংহাসন কঁপাই দিয়া অসহযোগ আন্দোলনত চৌৰি চৌৰাত এটা ঘটনা

ঘটিছিল। পুলিচৰ গুলীচালনাত বিক্ষুব্ধ জনতাই থানা আক্ৰমণ কৰি থানা জ্বলাই ২৩ জন পুলিচক জীৱন্তে পুৰি মাৰিছিল। অহিংস আন্দোলনৰ পৰা বিচ্যুতিত বিচলিত হৈ মহাত্মা গান্ধীয়ে একপক্ষীয়ভাৱে আন্দোলন প্ৰত্যাহাৰ কৰিছিল। ঘটনাৰ আধা শতিকাৰ পিছত সেই গাঁৱলৈ গৈ শ্বহীদ আমিনে আন্দোলনত অংশ গ্ৰহণ কৰি মৃত্যুদণ্ডকে ধৰি দণ্ডত দণ্ডিত হোৱা কৰ্মী কেইজনমানৰ বংশধৰসকলক লগ ধৰি সেই আন্দোলনৰ সঞ্চিত স্মৃতি তেওঁলোকৰ মনৰ পৰা প্ৰশ্নোত্তৰৰ জৰিয়তে উদ্ধাৰ কৰে। দেখা যায় যে সেই স্মৃতিত গান্ধীজীৰ ব্যক্তিত্বৰ মহিমা উজ্জ্বল আছিল যদিও হিংসা-অহিংসাৰ ক্ষেত্ৰত কোনো চেতনা নাছিল বা স্বাধীনতাৰ আধুনিক অৰ্থও স্পষ্টকৈ নাছিল। গাঁৱলীয়া সংস্কৃতিৰ প্ৰভাৱত তেওঁলোকে স্বৰাজৰ অৰ্থ বুজিছিল গান্ধীজীৰ মহিমাত ৰামৰাজ্যৰ পুনৰাগমন। আনহাতে David Hardimar ৰ মতে গুজৰাটৰ ভিলজং আদি আদিবাসীয়ে গান্ধীজীৰ বহু আদৰ্শ গ্ৰহণ কৰিছিল। সূতা কটা, জাতীয় বিদ্যালয়ত ল'ৰা বঢ়োৱা। (ঐ, পৃঃ ১৩২) আন্দোলনটোৰ স্মৃতিৰ সমানেই গুৰুত্বপূৰ্ণ আসন অধিকাৰ কৰিছিল আন্দোলনৰ পিছত ঔপনিবেশিক ৰাষ্ট্ৰৰ পুলিচৰ প্ৰচণ্ড আৰু ব্যাপক তাণ্ডৱৰ পৰা গাওঁবাসীয়ে কোনোক্ৰমে ৰক্ষা পৰাৰ কাহিনীয়ে। আনকি ব্ৰিটিছৰ দালাল বুলি স্বীকৃত ব্যক্তিয়েও ৰাইজক বিপদৰ পৰা ৰক্ষা কৰা বাবে চৌৰি চৌৰাৰ ৰাইজৰ চকুত প্ৰশংসা আৰু সন্মানৰ পাত্ৰ হৈ আছে। অৰ্থাৎ শ্বহীদ আমিনৰ সাক্ষ্য অনুযায়ী স্বাধীনতা সংগ্ৰামৰ প্ৰতিপত্তিশালী মধ্যবিত্ত বিৱৰণত আংশিকতা, অসম্পূৰ্ণতা বা বিকৃতিৰ সাঁচ আছে।

ৰণজিৎ গুহই Chandra's Death বা 'চন্দ্ৰাৰ মৃত্যু'ৰ কাহিনী আৰম্ভ কৰিছে ডাঙৰ কথা বা বৃহৎ ঘটনাৰ (big event) বিপৰীতে সৰু কথা বা ক্ষুদ্ৰ ঘটনাক ইতিহাসৰ বিষয়বস্তু কৰি। গুহৰ মতে ৰাজহুৱা জীৱনত চাঞ্চল্য বা আলোড়ন সৃষ্টি কৰা ডাঙৰ ঘটনাৰ সাক্ষ্য। প্ৰমাণৰ অভাৱ নঘটে। কিন্তু এন্ধাৰ চুকত লুকাই থকা সৰু ঘটনা ঐতিহাসিকৰ চকুত নপৰে, তাৰ সাক্ষ্য প্ৰমাণ আৱিষ্কাৰ কৰাও কঠিন। গুহই ঔপনিবেশিক যুগৰ আদালতৰ নথি-পত্ৰ খোঁচৰোতে নিম্ন জাতৰ 'বাগ্‌দী' পৰিয়ালৰ এজনী তৰুণীৰ কৰুণ মৃত্যুৰ আভাস পালে। চন্দ্ৰা নামৰ বাগ্‌দী ছোৱালীজনী ভিনিহিয়েকৰ ঘৰত থাকোঁতে ভিনিহিয়েকে তাইক ধৰ্ষণ কৰে। তাই সন্তানসম্ভৱা হোৱাত ভিনিহিয়েকে তাইক ঘৰত থৈ যায় আৰু ভাবুকি দিয়ে যে তাইৰ গৰ্ভপাতৰ ব্যৱস্থা নকৰিলে তাইক বৈষ্ণৱ আখড়া আৰু মঠত ভর্তি কৰাই দিব। সেই বৈষ্ণৱ আখড়াৰোৰ বহু দুৰ্ভাগিনী কলংকিতা নাৰীৰ শেষ আশ্ৰয়স্থলী আছিল আৰু সিহঁতক দুবেলা দুমুঠি যোগাৰ দিয়াৰ বিনিময়ত ৰাজহুৱা বেশ্যাত পৰিণত কৰি নাৰকীয় জীৱন যাপন কৰিবলৈ বাধ্য কৰা হৈছিল।

চন্দ্ৰাৰ বিধৱা মাক আৰু ভনীয়েকে জোঁৱায়েকৰ এই ভাবুকিত আতুৰ হৈ আসুৰিক চিকিৎসাৰে গৰ্ভপাত কৰাবলৈ যাওঁতে বেচেৰী চন্দ্ৰাই জীয়াতু ভুগি প্ৰাণত্যাগ কৰিলে। তেতিয়া থানা-পুলিচ, আইন-আদালত দুয়োৰে ওপৰত বাঘৰ দৰে জঁপিয়াই পৰিল আৰু চৰকাৰী আইনত নিষিদ্ধ গৰ্ভপাতত সহায় কৰা বুলি দুয়োৰে ওপৰত ভীষণ চাপ দিবলৈ ধৰিলে। আদালতৰ নথি-পত্ৰৰ পৰা প্ৰমাণিত হয় যে এবাৰো লম্পট ভিনিহিয়েকক ঘটনাৰ বাবে জগৰীয়া কৰাৰ প্ৰশ্ন উঠা নাছিল আৰু আনহাতে মাক-ভনীয়েক দুয়ো কৰুণ আন্তৰিকতাৰে দোহাৰিছিল যে বৈষ্ণৱ আখড়াৰ নাৰকীয় জীৱনৰ পৰা ভনীয়েকক উদ্ধাৰ কৰিবলৈহে দুয়ো আসুৰিক উপায়ে গৰ্ভপাতৰ ব্যৱস্থা কৰিছিল।

এই মৰ্মস্পৰ্শী ঘটনাই বৃহৎ কাহিনীত ঠাই নাপায়, অথচ সি প্ৰকাশ কৰিছে ভাৰতীয় সমাজৰ বুৰঞ্জীৰ এক মৰ্মন্তুদ দিশ। পছিমীয়া ঔপনিবেশিক আইন-কানুন আৰু ন্যায়ব্যৱস্থাই পৰম্পৰাগত নিৰ্মম পুৰুষ প্ৰাধান্যত যে হাত দিয়া নাছিল, সেইটো অতিশয় স্পষ্ট। আধুনিকতাৰ অগ্ৰদূত বুলি আজিও প্ৰশংসিত ব্ৰিটিছ শাসনৰ এই পক্ষপাত বা সংকীৰ্ণতাৰ প্ৰমাণ সঁচাকৈ চমকপ্ৰদ। তেনেকৈ গুহই নিৰক্ষৰা দুখুনী মাতৃ আৰু ভগ্নীৰ সাহসী মানৰীয় ভূমিকাক সীমিত অৱকাশৰ মাজত এক ধৰণৰ প্ৰতিবোধ বুলি অভিহিত কৰিছে।

ভাৰতৰ জাতীয়তাবাদী বুৰঞ্জীত সাম্প্ৰদায়িকতাকে জাতীয় ঐক্যৰ বিৰোধী এক বিকৃতি বা বিচ্যুতি (aberration) বুলি ধৰা হয়, অথচ কাৰ্যক্ষেত্ৰত এই সাম্প্ৰদায়িক সমাজৰ (Community) চেতনাই ভাৰতৰ জনগণৰ বাবে প্ৰাথমিক বুলি জ্ঞানেন্দ্ৰ পাণ্ডেই দৰ্শাইছে। এনেস্থলত সাম্প্ৰদায়িকতাৰ উৰ্ধ্বত লিখা জাতীয় ইতিহাস জনগণৰ উৰ্ধ্বতো নহ'ব জানো ? বিপন চন্দ্ৰ, সুমিত চৰকাৰ প্ৰভৃতি বামপন্থী ইতিহাসবিদেও আধুনিক ভাৰতৰ জাতীয় ইতিহাসত সাম্প্ৰদায়িকতাক এক অস্বাভাৱিক ব্যতিক্ৰম বুলি ক'ব খোজে; যেন প্ৰধান ধাৰাটো সংহতি আৰু মিলনৰহে। সেয়ে দেশ বিভাজনৰ দৰে সাংঘাতিক ঘটনাও এক অদ্ভুত, অভাৱনীয় আৰু সাংঘাতিক প্ৰাকৃতিক বিপৰ্যয়ৰ দৰেই বিবৃত হয়। অথচ ভাৰতীয় সমাজত আজিও হিংসা আৰু সংঘৰ্ষৰ সঘন উদ্‌গীৰণ ঘটে - পাৰিবাৰিক, গ্ৰামীণ বা ব্যাপক ৰাজহুৱা ক্ষেত্ৰত। সেয়ে দেশ বিভাজন

কোনো প্ৰাকৃতিক দুৰ্ঘটনা নহয়, মানুহে ঘটোৱা হিংসা-বিদ্বেষৰ আগ্নেয় উদ্‌গীৰণ।

জ্ঞানেন্দ্ৰ পাণ্ডেই জাতীয় ঐক্য আৰু সংহতিৰ পিনৰ পৰা সামাজিক ইতিহাস লিখিবলৈ যোৱাটোক খণ্ডিত ইতিহাস (fragment) বুলি কৈছে। তেওঁ দেখুৱাইছে যে ভাৰতৰ সাম্প্ৰতিক সমাজতো তথাকথিত সাম্প্ৰদায়িক সংঘৰ্ষ প্ৰবল আৰু সঘন। ১৯৮০ চনত মোৰাদাবাদ, ১৯৮৪ চনত শিখ বিৰোধী সংঘৰ্ষ, ১৯৮৭ চনত মীৰাটত, ১৯৮৯ চনত ভাগলপুৰ ভয়াৱহ সংঘৰ্ষ হয়। জাত-পাতৰ ভিত্তিত হোৱা নৰমেধো বহুত। ইয়াক ব্যতিক্ৰম বুলি ক'ব পাৰিনে ?

এনে ঘটনাৰ ব্যাখ্যা বিচাৰি প্ৰচলিত বিৱৰণত হয় বাহিৰৰ অপৰাধী বা সমাজ বিৰোধীক জগৰীয়া কৰা হয় নতুবা মাটিৰ কাজিয়া বা তেনে আন কোনো অৰ্থনৈতিক বিবাদক জগৰীয়া কৰা হয় নতুবা মাটিৰ কাজিয়া বা তেনে আন কোনো অৰ্থনৈতিক বিবাদক প্ৰাধান্য দিয়া হয়। কিন্তু এনে বিবাদত যে বহুসংখ্যক স্থানীয় লোকৰ সহযোগিতা বা সমৰ্থন থাকে, প্ৰচলিত ব্যাখ্যাত সেইটো স্বীকাৰ কৰা নহয়। কিন্তু এনে ব্যাখ্যাই সংঘৰ্ষবোৰত সক্ৰিয় মানৰীয় ভূমিকা (human agency) অগ্ৰাহ্য কৰে। সেয়ে ই খণ্ডিত ইতিহাস।

গতিকে ৰাষ্ট্ৰই জাতীয় ইতিহাসৰ যি আৰ্হি বিদ্বান সমাজত জাপি দিছে শক্তিশালী বুৰঞ্জীবিদৰ জৰিয়তে, তাক একাষৰীয়া কৰি বুৰঞ্জীৰ অন্যান্য বিৱৰণ তথা ব্যাখ্যাৰ বাবে জাগা উলিয়াব লাগে। বুজিব লাগে যে বুৰঞ্জী কোনো সৰল, অখণ্ড ধাৰা নহয়, ৰৰং এক বিবাদমান, দ্বন্দ্বমুখৰ (contested) এলেকা। সেয়ে সচৰাচৰ আমি যি 'সামগ্ৰিক' আৰু 'বস্তুনিষ্ঠ' ('total' and 'objective') জ্ঞানৰ কল্পনা কৰো, সি ভ্ৰান্ত আৰু বিভ্ৰান্তিকৰ। (ঐ, পৃঃ ২৯) পুলিচ আৰু প্ৰশাসনে তথ্য লুকুৱাই এনেবোৰ সংঘৰ্ষৰ সভ্য আৰু ভদ্ৰ ব্যাখ্যা দি সত্যৰ অপলাপ কৰে।

এতিয়া আমি থোৰতে এনেবোৰ ব্যাখ্যা আৰু তত্ত্বৰ সীমাবদ্ধতা আলোচনা কৰোঁহক। বামপন্থী ব্যাখ্যাৰ যে ভালেখিনি অসম্পূৰ্ণতা তথা ত্ৰুটি আছে, সন্দেহ নাই। কিন্তু সেইবোৰ দু�ৰাৰোগ্য বা অৱধাৰিত নহয়। জাতিৰাষ্ট্ৰৰ মধ্যবিত্ত ধাৰণাটো সৰলীকৃত আৰু অনাৱশ্যকভাৱে দ্বন্দ্বহীন আৰু এক�ৰৈখিক, সন্দেহ নাই। ঔপনিবেশিক যুগৰ পৰা আজিলৈকে ভাৰতীয় সমাজৰ মৌলিক ৰূপান্তৰ নঘটা বাবে, অতীতৰ বহু সামাজিক অনুষ্ঠান, বিশ্বাস আৰু সংস্কাৰ ৰৈ গৈছে, কেতিয়াবা নতুনকৈ সৰল হৈছে আৰু বৰ্তমান জীৱনত প্ৰভাৱ পেলাইছে। যেনে জাতিভেদ অথবা কিছুমান অন্ধবিশ্বাস। সমাজৰ আমূল ৰূপান্তৰ অবিহনে সেই বেমাৰ বা বিকৃতিবোৰ ৰৈ যাব। নিসন্দেহে যি চেতনাত ধৰ্মনিৰপেক্ষ জাতীয় উপাদানতকৈ ধৰ্মীয় সাম্প্ৰদায়িক উপাদান প্ৰবল সি নানা ধৰণে অবাঞ্ছিত ঘটনা ঘটাই থাকিব, কিন্তু প্ৰকৃত জাতীয় ঐক্য আৰু জাতীৰাষ্ট্ৰৰ শক্তি বৃদ্ধি হ'লে ক্ৰমে ক্ৰমে তাৰ ক্ষতিকৰ ভূমিকা হ্ৰাস পাব।

জাতিৰাষ্ট্ৰৰ শক্তি বৃদ্ধি নোপোৱাৰ প্ৰধান কাৰণ অৰ্থনৈতিক অনগ্ৰসৰতা, য'ত ৰাজনীতিবিদৰ বৰঙণি থাকে। সমাজৰ তলৰ মহলাত যদি সকলো সম্প্ৰদায় আৰু গোষ্ঠীৰ মাজত সম্পদৰ সুষম বিতৰণ হয়, তাক সুনিশ্চত কৰিবলৈ ৰাজনৈতিক অধিকাৰ/ক্ষমতাবো ন্যায়সংগত বিতৰণ হয়, তেতিয়া জাতিৰাষ্ট্ৰৰ প্ৰতি সকলোৰে আনুগত্য বৃদ্ধি পাব। কিন্তু তাৰ বাবে পোনতে জাতিৰাষ্ট্ৰত সংগ্ৰামী জনগণৰ আধিকাৰ/ক্ষমতা বৃদ্ধি পাব লাগিব। সেই ঘটনা নঘটা বাবেই জাতিৰাষ্ট্ৰ কেৱল কেতবোৰ ক্ষমতাশালী শ্ৰেণীৰ লুণ্ঠন আৰু স্বেচ্ছাচাৰিতাৰ বাহন হৈ পৰিছে।

গোষ্ঠী বা সম্প্ৰদায়ৰ চেতনাৰে দেশৰ অৰ্থনীতি আৰু ৰাষ্ট্ৰৰ এনে পৰিৱৰ্তন ঘটাব নোৱাৰি। শ্ৰেণীগত ভিত্তিতহে জাতিৰাষ্ট্ৰৰ গণতান্ত্ৰিক আৰ্হি প্ৰতিষ্ঠা কৰিব পাৰি। কিন্তু বিশেষ মনোযোগ দিব লাগিব যাতে শ্ৰেণীগত ভিত্তিৰ নামত সমাজত প্ৰবল প্ৰতাপেৰে আজিও তিষ্ঠি থকা সাম্প্ৰদায়িক আৰু গোষ্ঠীগত বৈষম্য আৰু ভেদাভেদ অগ্ৰাহ্য কৰা নহয়। ছাবল্টাৰ্নসকলে অৱহেলিত, চলিত গোষ্ঠী আৰু সম্প্ৰদায়ৰ স্বাধিকাৰ উদ্ধাৰৰ সংগ্ৰামত গুৰুত্ব দি উচিত কামেই কৰিছে, মধ্যবিত্ত স্বাৰ্থপৰতাই ইতিহাস ব্যৱহাৰ কৰা কথাটোও তেওঁলোকে ঠিকেই কৈছে। কিন্তু শ্ৰেণীগত ঐক্য সংহতিৰ সম্ভাৱনা তেওঁলোকে প্ৰায় উবাই দি দেশৰ ভৱিষ্যতক জটিলতাৰ আৱৰ্তত জলাঞ্জলি দিছে। দীপেশ চক্ৰৱৰ্ত্তীয়ে দেখুৱাইছে গাঁৱৰ লগত যোগাযোগ থকা কলিকতাৰ মৰাপাট শিল্পৰ শ্ৰমিক গাঁৱৰ স্থানীয়, সাম্প্ৰদায়িক চেতনাৰ দ্বাৰা প্ৰভাৱিত। কিন্তু তাৰ অৰ্থ নিশ্চয় এনে নহয় যে তেওঁলোকে কোনো কালেই সেই চেতনা অতিক্ৰম কৰিব নোৱাৰিব। স্থানীয় সমাজৰ (Community) অধ্যয়নত আগ্ৰহী Subaltern সকলে All India Kisan Sabha বা শ্ৰমিকৰ তেনে সংগঠনৰ ইতিহাস মুঠেই লাৰি-চাৰি চোৱা নাই। তাৰ কাৰণ এয়ে যে তেওঁলোকে নিজেও শ্ৰেণীগত দৃষ্টিকোণৰ পৰা বৰ্তমান ইতিহাস চৰ্চা কৰা নাই, যাতে শ্ৰেণীসমাজৰ অৱসান ঘটাব পাৰি।

তেওঁলোকৰ বিচাৰত সেয়ে জাত-কুল, গোষ্ঠী, স্থানীয় পৰম্পৰা, ধৰ্মবিশ্বাস এক অমোঘ, অপৰিৱৰ্তনীয় সত্যৰূপে প্ৰতিভাত হৈছে, আৰু সমূহীয়া দৃষ্টিভংগী ভ্ৰমাত্মক বুলি নাকচ হৈছে, যুক্তিগত আদৰ্শ অপ্ৰাসংগিক বুলি নিৰ্ধাৰিত হৈছে।

Present Stage :

India has one of the largest systems of higher education in the world. Presently, we have 310 universities, 15,500 colleges, 1,200 Engineering colleges and about 9 million students. The literacy rate was 65.4% as per census in 2001. 10 % of the total population has education above 10th standard of schooling. Only 7% of the age group 16-23 years is in Higher education against 81% in U.S., 80% in Australia and more than 50% in all developed countries. Even with this rate of 7%, we are producing expert manpower and have occupied 3rd position in the world. However, the benefits of this manpower are being reaped by developed countries. A survey made in 192 countries showed that development depends 20% on natural resources 16% on infrastructure and 64% on human resources and social factors.

Our target of enrolment in higher education is to be 20 -25% by 2020.

Knowledge Society :

The world is in transition to the knowledge society and it is learning to cope with the challenges of globalisation. What is a knowledge society ? A knowledge society is one that uses knowledge holistically to enrich and empower the people. It is an integral driver of sustainable development for social transformation. It must also have the attribute of life-long learning that is committed to innovation, competitiveness and skill-development It helps the people to acquire the capacity to generate, diffuse, utilise and protect knowledge in order to create economic wealth and social equality.

Connectivity through internet is indispensable to knowledge society. In developed countries, 15% of the population lives with 88% internet connectivity and in developing countries, 85% population lives with only 12% connectivity. It is said that when society gets connected, knowledge flows. Because of the connectivity, information generated in the last 30 years is much more than that of previous 5000 years.

The following analysis proves the observations :

00AD - 1750 Knowledge doubled in 18 centuries
1750 - 1900 Knowledge doubled in 150 years
1950 - 2000 Knowledge doubled in 50 years
After - 2000 Knowledge doubled in every year

The following pictures of school will also make the situation clearer.

Imagine a situation of a school some 40 years back. There was no electricity, no sitting arrangements, learners had to squat on floor under thatched roof listening to teachers with chalk and blackboard. But now in such a classroom in a developed country, you will find the school having good building with all modern amenities, every learner is sitting before a monitor as the teacher is making a powerpoint presentation. Things have changed so rapidly.

Challenges ahead :

As we are in transition to become a knowledge society, the new challenges to meet the present requirements are :

(a) Building human capacity for gaining a competitive age in global economy.

(b) Acquiring expertise in, and training people for, sustainable development.

(c) Shaping a more inclusive and equitable society because the world is conflict - ridden and unhappy because of growing inequalities.

(d) Fostering global collaborations and partnership.

These are difficult to achieve unless the higher education system is reformed in the direction of creating a society of knowledge and skills.

Conclusion :

Higher education needs a new look. Building up of a strong, high-quality and vibrant higher education system requires sound policies and sustained financing. Our President Dr. A.P.J.Kalam recently noted that "empowerment of higher education is the critical need of the hour, as it alone helps in sustainable social, economic and political development of society." ■

SOME GOLDEN MOMENTS ...

Cultural Procession, 2005

Exhibition, 2005

Flag Hoisting of Golden Jubilee, 8th August, 2004

Debabrata Das at Antaranga Alap, 1st Aug. 2005

Hiren Bhattacharyya at Antaranga Alap, 2005

SOME GOLDEN MOMENTS ...



Prof. K.B. Das inaugurating Debate, 2005

Debate Competition, 2nd August, 2005

8th August, 2004



Exhibition, 2005

Exhibition, 2005

NAAC visits Goalpara College in 2004

Goalpara Science Society felicitates Late Dr. S. Debroy,

noted Environmentalist & Norman Baurlug Awardee



Seminar on Aquaculture, 1999

ICPR Sponsored Seminar, 2005

Late Dr. A.C. Das in a College Function

Extension programme of Science Society

Book fair, ACTA conference, 1988

Dr. Manorama Sarma delivering
Dr. M.K. Chakraborty memorial lecturer, 200

Farewel to late Prof. Lutfur Rahman



Farewel to late Prof. M.C. Saloi

সমন্বয়ত অসমীয়া সংস্কৃতি

আবেদুৰ ৰহমান শইকীয়া
প্ৰাক্তন উপাধ্যক্ষ

ভাৰতীয় তথা অসমীয়া সংস্কৃতি সংমিশ্ৰণৰ সংস্কৃতি। বিভিন্ন জাতি উপজাতি, হিন্দু মুছলমানৰ সমন্বয়ত গঢ়ি উঠিছে বাৰে ৰহনীয়া ভাৰতীয় সংস্কৃতি। বিভিন্ন সময়ত চুবুৰীয়া দেশৰ পৰা প্ৰব্ৰজন হোৱা লোক সকলেও ভাৰতীয় সংস্কৃতিত কিছু পৰিমানে হ'লেও প্ৰভাৱ পেলাই আহিছে। বিশেষকৈ মুছলমানসকলৰ প্ৰভাৱ উল্লেখযোগ্য। মুছলমানসকলৰ ভাৰতীয় বা অসমীয়া সংস্কৃতিৰ বৰ পথাৰখনত অৱদানৰ বিষয়ে আলোচনা কৰাৰ আগতে ইছলাম ধৰ্ম্মীয় লোকসকল কেনেকৈ আহিল সেই বিষয়ে কিছু আলোচনা কৰা উচিত। ভাৰতলৈ মুছলমানসকল আহিছিল ভিন ভিন কাৰণত। প্ৰথমে বেপাৰ বাণিজ্যৰ মাধ্যমেৰে যোগসূত্ৰ আৰম্ভ হৈছিল। বুৰঞ্জীবিদ সকলৰ মতে সপ্তম শতিকাত আৰবসকলে বেহা-বেপাৰৰ কাৰণে মালাৰাৰ উপকূললৈ আহিছিল। এইয়া আছিল ইছলাম ধৰ্মৰ মানুহৰ ভাৰতত প্ৰথম পদাৰ্পণ ইছলাম ধৰ্মৰ উত্থান হৈছিল আৰব দেশত। তাৰ পৰাই এই ধৰ্ম সম্প্ৰসাৰিত হৈছিল বিশ্বৰ বিভিন্ন প্ৰান্তলৈ। সপ্তম শতিকাৰ পৰা একাদশ শতিকাৰ ভিতৰত অহা মুছলমান সকলে সেই সময়ৰ দাক্ষিনাত্যৰ ৰজা আৰু বিষয়াসকলৰ পৰা যথাযথ মৰ্য্যদা আদায় কৰিবলৈ সক্ষম হৈছিল। অৱশেষত বানিজ্যৰ বিশাল বিস্তাৰৰ বাবে বাগদাদৰ খলিফাই ৭১২ খৃষ্টাব্দত সিন্ধু প্ৰদেশ নিজৰ দখললৈ আনে। ইয়াৰ ফলত ইছলামী. ৰীতি-নীতিয়ে সেই দেশৰ সংস্কৃতি প্ৰভাৱ পেলাবলৈ সক্ষম হয়। ভাৰতত মুছলমান শাসকৰ ৰাজত্ব চলিছিল ১২০৫-০৬ চনৰ পৰা ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়ৰ শেষ মোগল সম্ৰাট বাহাদুৰ ছাহ জাফৰৰ কালছোৱা ভাৰতীয় সংস্কৃতিৰ ইতিহাসৰ উত্থান-পতন আৰু প্ৰগতিৰ ইতিহাস বুলি গণ্য কৰিব পাৰি। ভাৰতীয় ৰজা-মহাৰজাসকলৰ সমন্বয়ৰ অভাৱৰ কাৰণেই বিদেশীয়ে ভাৰতত ৰাজত্ব কৰিব পাৰিছিল। জামীয়া মিলিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক (১৯২৬-১৯৫৬) ড° এচ আবিদ হুছেইনে তেওঁৰ 'ইণ্ডিয়ান কালচাৰ' নামৰ কিতাপত কৈছে - North India was in this state of political disintregation when the long series of muslim invasions from the North-west started, ending with setting up of the Delhi empire. It was the beginning of the permanent contact between the Hindus and the Muslims which had such a deep influence over Indian life. এই কালছোৱাৰ ভিতৰত মহম্মদ গজনীৰ দিনত জ্যোতিৰ্বিদ তথা পদাৰ্থবিদ আলবেৰুণীয়ে কিতাপ-উল-হিন্দ নামৰ গ্ৰন্থত সেই সময়ৰ ভাৰতীয়সকলৰ সামাজিক আৰু বৌদ্ধিক সমাজৰ চিত্ৰ সুন্দৰ ভাৱে লিখি গৈছে। ভাৰতীয় সংগীত, স্থাপত্য, বুৰঞ্জী আৰু সাহিত্যত মোগলসকলৰ অৱদান স্মৰণীয়। সম্ৰাট ছাহজাহানৰ আদেশত পাৰস্যৰ 'ইছ আফগান্দিৰ' হাতৰ পৰশত প্ৰাণ পোৱা তাজমহল ভাৰতীয় স্থাপত্যৰ প্ৰতীকৰূপে আজিও বিৰাজমান। জৌনপুৰৰ ৰজা চুলতান হুছেইনৰ দিনত উদ্ভাৱন হোৱা "খেয়াল" আৰু আমিৰ খছৰুয়ে সৃষ্টি কৰা কবিতা আৰু সংগীতৰ নব্য ধাৰা আজিও প্ৰবাহিত হৈ আছে। ভাৰত আক্ৰমণৰ সময়ত প্ৰথম অৱস্থাত ৰৈ যোৱা মুছলমান সকলে ভাৰতত নিগাজিকৈ থাকি গ'ল। ভাৰতীয় ছোৱালী বিয়া কৰাই ভাৰতীয় হৈ পৰিল। ইয়াৰ ফলত মুছলমানসকলৰ আচাৰ ব্যৱহাৰ ভাৰতীয়সকলৰ ওপৰত আৰু ভাৰতীয় সকলৰ আচাৰ ব্যৱহাৰৰ প্ৰভাৱ মুছলমানসকলৰ ওপৰত পৰাত হিন্দু-মুছলিমৰ সংমিশ্ৰিত এক নতুন সংস্কৃতি গঢ় লৈ উঠিছিল। আনহাতে হিন্দু সকলৰ সমাজত প্ৰচলিত জাতিভেদ প্ৰথাৰ বাবেও বহুত হিন্দুয়ে ইছলাম ধৰ্ম গ্ৰহণ কৰাত ভাৰতত মুছলমানৰ সংখ্যা বৃদ্ধি পাইছিল। বুৰঞ্জীবিদসকলৰ মতে শতকৰা ৯৫ ভাগ ভাৰতীয় মুছলমান হিন্দুৰ পৰা ধৰ্মান্তৰ হোৱা লোক। সেয়েহে ভাৰতৰ বাহিৰৰ পৰা অহা মুছলমান সকলে ভাৰতীয় সংস্কৃতিত যিমান প্ৰভাৱ পেলাইছিল হিন্দুৰপৰা হোৱা মুছলমানসকলে

সিমান প্রভাৱ পেলাব পৰা নাছিল। স্থানীয় লোকসকলে নতুন ধর্মহে লৈছিল কিন্তু আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আগৰ দৰেই আছিল।

অসমলৈ মুছলমানসকল আহিছিল আক্রমণকাৰী হিচাবে। বংগত থিতাপি লোৱা তুৰ্কী-মুছলমান সকলৰ সাম্রাজ্য বিস্তাৰৰ বাসনাৰে তেওঁলোকৰ চকু পৰিছিল তিৰ্ব্বত আৰু চীন দেশৰ ওপৰত। উল্লেখ কৰিব পাৰি যে সেই সময়ৰ বৃহত্তৰ গোৱালপাৰা ভূ-খণ্ড উত্তৰ-পূৱ ভা�ৰতৰ দুৱাৰদলি আছিল। অতীতত অসমত প্ৰবেশ কৰিবলৈ হ'লে এই ভূ-খণ্ডত প্ৰথম খোজ দিহে অসমৰ বাকী অংশলৈ যাব পাৰিছিল। উত্তৰ গুৱাহাটীত থকা শিলালিপি, বুৰঞ্জীৰ তথ্য আৰু 'মিন হাজউদ্দিনৰ ৰচিত' "তবকৎ-ই-নাদিৰি" ৰ তথ্য ভিত্তিত বুৰঞ্জীবিদ সকলৰ মতে ১২০৫-০৬ চনত মুছলমানসকলৰ অসমলৈ প্ৰথম আগমন হৈছিল। মহম্মদ-বিন-বখাতিয়াৰ খিলিজিয়ে তীৰ্ব্বত আক্রমণ কৰিবলৈ ১২০৫-০৬ চনত সৈন্য সামন্তৰ সৈতে কামৰূপ ৰাজ্যৰ মাজেৰে যাত্রা আৰম্ভ কৰিছিল। সেই সময়ত কামৰূপৰ ৰজা আছিল কোচ-ৰজা কামেশ্বৰ। বখতিয়াৰে তেওঁৰ ৰাজ্য আক্রমণ কৰিবলৈ অহা বুলি ভাবি ৰজা কামেশ্বৰে তেওঁলোকক আক্রমণ কৰি যুদ্ধত পৰাস্ত কৰে। কামেশ্বৰে বখতিয়াৰৰ বহুতো সৈন্য বন্দী কৰি ৰাখে। সম্ভৱতঃ এই বন্দীসকলে অৱশেষত স্থানীয় ছোৱালী বিয়া কৰাই অসমত নিগাজীকৈ থাকি গ'ল। সংস্কৃতিৰ বিনিময় এইখিনিতেই আৰম্ভ হ'ল। ঐতিহাসিক তথ্য মতে বখতিয়াৰৰ পথ প্ৰদৰ্শকজন আছিল এজন "মেছ" সম্প্রদায়ৰ লোক। তেওঁৰ ধর্মান্তৰিত নাম আছিল "আলী মেছ"। সম্ভৱতঃ "আলী মেছে"ই ইছলাম ধর্ম গ্রহণ কৰা প্ৰথম অসমীয়া। আলী মেছক গোৱালপাৰা ভূ-খণ্ডৰ লোক বুলি অনুমান কৰিব পাৰি। বখতিয়াৰৰ আক্রমণৰ পিছৰ পৰাই প্ৰথম কামৰূপ ৰাজ্যত প্রব্রজনকাৰী আৰু ধর্ম্মান্তৰিত মুছলমানৰ বসতি স্থাপন হয়। ইয়াৰ পিচৰ পৰাই ভা�ৰতৰ মুছলমান শাসক আৰু অসমৰ ৰজাৰ মাজত হোৱা নানান সংঘর্ষ আৰু যুদ্ধ বিগ্রহৰ ফলত অসমত মুছলমানৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। গৌড় ৰজা গিয়াছুদ্দিন বাহাদুৰ শাহে ১৪৯৮ চনত কামৰূপ আৰু গোৱালপাৰাৰ দক্ষিণ অংশ নিজৰ অধীনলৈ আনিছিল। পিচত কমতাৰ ৰজা মৃগাঙ্কই এই অঞ্চল নিজৰ অধীনলৈ আনিছিল যদিও ইতিমধ্যে গৌড় দেশৰ পৰা বহুতো মুছলমান মানুহ আহি বেপাৰ বাণিজ্য কৰাৰ লগতে কামৰূপ আৰু গোৱালপাৰা অঞ্চলত নিগাজিকৈ বাস কৰি মূল সুতিত অৱগাহন কৰিছিল। ফল স্বৰূপে মুছলমানৰ সংখ্যা বৃদ্ধিৰ লগতে সংস্কৃতিৰ আদান প্রদানৰ পথাৰ খনো বহল হৈ পৰিছিল। আনহাতে কমতাপুৰৰ ৰজা নীলাম্বৰ (১৪৮০-১৪৯৮) আৰু মন্ত্রী শশীপাত্রৰ মনোমালিন্যৰ সুযোগতে গৌড় নবাব হুছেইন শাহে গোৱালপাৰা আৰু কামৰূপৰ কিছু অংশ নিজৰ দখললৈ আনে। এই সময়তেই গৌড় দেশৰ পৰা মুছলমানসকলৰ প্রব্রজনৰ ধাৰাটো গতিশীল হৈ পৰে। নবাবে গোৱালপাৰা জিলাৰ "ৰঙামাটি"ত এটা মছজিদ সাজি দি মুছলমানসকলক শুক্রবাৰে নামাজ পঢ়াৰ সুবিধা কৰি দিছিল। এইটোৱে অসমৰ প্রথম মছজিদ বুলি জনা যায়। কমতাপুৰৰ ৰজা নীলাম্বৰে গৌড়দেশৰ ৰাজকুমাৰী এগৰাকীক বিয়া কৰাইছিল। বুৰঞ্জীত ৰাজকুমাৰীক "গৌড় মা" নামেৰে জনা যায় যদিও হিন্দু মতে তেওঁ নাম ৰাখিছিল "সুপুদ্ধি"। হিন্দু-মুছলিমৰ এই প্রথম বিয়াখনে উভয় ধর্মৰ মাজত সমন্বয়ৰ পথ সূচল কৰি দিছিল। ইয়াৰ পিচত তুৰ্ব্বকৰ (১৫৩২ চনত) অসম আক্রমণৰ সময়ত যে যোৱা সৈন্যসকলক অসমৰ ৰজাই অসমৰ বিভিন্ন অঞ্চলত বাস কৰা সুবিধা কৰি দিছিল। এইসকল "মৰিয়া" সম্প্রদায়ৰ মুছলমান। এওঁলোক পিতলৰ সঁজুলি তৈয়াৰ কৰাত পটু আছিল বাবে এই ব্যৱসায় তেওঁলোকেই অসমত প্রথম প্রচলন কৰে।

আকবৰ ভা�ৰতৰ মোগল সম্রাট হৈ থকাৰ সময়ত কোচ-ৰাজ্যৰ ৰজা আছিল নৰনাৰয়ণ (১৫৪০-১৫৮৮)। সম্রাট আৰু ৰজাৰ মাজত ভাল ভাৱ আছিল বাবেই কোচ ৰাজ্যলৈ মুছলমান সকলৰ অহা যোৱাত কোনো বাধা নাছিল। নৰনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ ল'ৰা লক্ষ্মীনাৰায়ণ আৰু ভতিজা ৰঘুৰয়ৰ মাজত ৰাজপাট লৈ সংঘাত হোৱাত তেওঁলোকে মোগলৰ সহায় বিচাৰে। ফলত মোগলে কোচ ৰাজ্য দখল কৰি "ৰঙামাটি"ত স্থায়ী শিৰিৰ পাতে। মোগলৰ বহতিয়া ৰজা হৈ লক্ষ্মীনাৰায়ণে ১৬২৭ চনলৈ কোচ হাজো ৰাজ্য শাসন কৰে। ইয়াৰ ফলত মুছলমানসকলে চুবুৰীয়া ৰাজ্যৰ পৰা আহি কোচ-হাজো ৰাজ্যত বসবাস কৰাৰ সুযোগ গ্রহণ কৰে। আকৌ মিৰজুমলাই যোগীঘোপা দুর্গ আৰু গড়গাওঁ দুর্গ দখল কৰাত আহোম ৰজা জয়ধ্বজ সিংহই বাধ্যত পৰি মোগলৰ লগত সন্ধি স্থাপন কৰে। এই সন্ধি "ঘিলাঝাৰী ঘাট" (১৬৬৩ চন) নামে জনাজাত। সন্ধি মতে জয়ধ্বজ সিংহই নিজৰ জীয়ৰী "ৰমনী-গাভৰু"ক মোগল হেৰেমলৈ উপহাৰ হিচাবে পঠায়। সম্রাট আৰঙ্গজেৱৰ পুত্র 'আজমতৰাই 'ৰহমত বানু' নাম দি ৰমনী ভগাৰুক বিয়া কৰাইছিল। এনেদৰে অসমৰ লগত বিবাহ সূত্রে নবাবসকলৰ লগতো যোগসূত্র হৈছিল।

কোচ-ৰজাৰ অন্তর্দগুৰ ফলত যেনেকৈ মুছলমান সকলৰ প্রব্রজন সহজলব্ধ হৈছিল আহোম ৰজা সকলৰ অন্তর্দগুৰ বাবেও অসমলৈ আহি মুছলমান সকলে অন্য জনগোষ্ঠীৰ লগত মিলি যোৱাৰ সুযোগ পাই ছিল। লালুকশোলা ৰৰফুকনে নিজে ৰজা হোৱাৰ বাসনাৰে সেই সময়ৰ বংগৰ গভর্ণৰ আজমতৰাক গুৱাহাটীত আনি বহুৱাইছিল। ইয়াৰ ফলত বহুতো মুছলমান গুৱাহাটীত নিগাজিকৈ বাস কৰিবলৈ সুবিধা পাইছিল। এওলোকে হাড়ে হিমজুৰে অসমৰ ৰীতি-নীতিৰ লগত মিলি গৈছিল যদিও তেওঁলোকৰ আচাৰ ব্যৱহাৰে অসমীয়া সমাজত বিভিন্ন ধৰণে প্রভাৱ পেলাইছিল। এই সকল লোকে অসমীয়া তিৰোতা বিয়া কৰাই অসমীয়া সমাজত জাহ গৈ নিঁভাজ অসমীয়া হৈ পৰিছিল। ইছমাইল চিদ্দিক বাঘহাজৰিকাই শৰাইঘাট যুদ্ধত ৰৰটোপৰ গুলিৰে আঘাত হানি মোগলক পৰাজিত কৰিছিল। এইদৰে সোতৰবাৰ অসম আক্রমণ কৰাৰ সময়ত যুদ্ধ বন্দী হিচাবে ৰৈ যোৱা মুছলমান সকলে অসমৰ ছোৱালী বিয়া কৰাই অসমৰ মাটিক খামুচি ধৰি অসমৰ সংস্কৃতি তথা বৌদ্ধিক বিকাশৰ কঠিয়াতলী উৰ্ব্বৰ কৰি তুলিছিল। শঙ্কৰ-মাধৱৰ অসমত ইছলামৰ বীজ ঠন ধৰি উঠিছিল অসমৰ জীপাল মাটিত অসমীয়াৰ ৰূপত। এই অসমীয়া মুছলমানসকলে ৰজা ঘৰত বিশ্বাসভাজন হ'ব পাৰিছিল বাবেই ৰজাঘৰীয়া পদবী হাজৰিকা, শইকীয়া, ফুকন, ৰৰুৱা, ৰৰৰুৱা, খনিকৰৰ বাৰ বংশানুক্রমে ভোগ কৰিব পাৰিছিল। "যাদুৰ দেশ" অসমত মোহিত হৈ ৰৈ যোৱা এই মুছলমানসকলৰ আচাৰ-ব্যৱহাৰ, দেশ প্রেমত আচৰিত হৈ মিৰজুমলাৰ (১৬৬১ চনত) লগত অহা বুৰঞ্জীবিদ চাহাবুদ্দিন তালিশে এইদৰে লিখিছিল ঃ "As for the Mushalmans who had been taken prisoner in former times and had chosen to marry there, their decendants are exactly in the manner of Assamese and have nothing of Islam except the name; there hearts are inclined for more towards mingling with Assamese then towards association with Muslims."

যাদুৰ দেশ অসমত যাদুৰ পৰা পৰিত্রান পাবলৈ আৰু ধর্মচর্চ্চা কৰিবলৈ মুছলমান আক্রমণকাৰী সকলে পীৰ আৰু চুফীসকলক অসমলৈ আনিছিল। মোগল সেনাপতি ৰামসিংহই (১৬৬৭ চন) পাচজন পীৰ অসম আক্রমণ কৰাৰ সময়ত লগত আনিছিল। সেই পাচজন পীৰ হ'ল ঃ পীৰ শাহ আকবৰ, শাহ বগমাৰ, শাহ চুফি আৰু শাহ কামাল। তেওঁলোকৰ প্রতি আকৃষ্ট হৈ সেই সময়ত বহুতো স্থানীয় লোক মুছলমান হৈছিল। এওলোকৰ বহুতৰে ইয়াত মৃত্যু হৈছিল আৰু সমাধিস্থ কৰা হৈছিল। এই সমাধিস্থান বা দৰগাহ, মাজাৰ সমূহলৈ গৈ আজিও মানুহে সন্মান প্রদর্শন কৰে। অসমৰ বিভিন্ন অঞ্চলত এনে দৰগাহসমূহ এতিয়াও দেখিবলৈ পোৱা যায়। ধুবুৰীৰ পাচ পীৰ দৰগাহ, গোৱালপাৰা খোৰাচান্দ পীৰ মাজাৰ, ধূপধাৰাৰ পাগলাপীৰ দৰগাহ, হাজোৰ পোৱা মক্কা আদি দৰগাহ তথা মাজাৰ সমূহক হিন্দু মুছলিমসকলে পৰিত্র স্থান বুলি গণ্য কৰি আজিও সন্মান প্রদান কৰি আহিছে। মনৰ কামনা পূৰনার্থে মাজাৰ-দৰগাহ সমূহলৈ গৈ দোৱা কামনা কৰে। এইয়া মহামিলনৰ স্থল।

মীৰজুমলাৰ অসম আক্রমণৰ পিচত সাতঘৰ নবাব পৰিয়ালে অসমত থিতাপি লৈছিল। এই পৰিয়ালৰ নবাব আমানত উল্লালৈ আহোম ৰজা স্বর্গদেউ পুৰন্দৰ সিংহই আহোম ছোৱালী এজনী বিয়া দিছিল। এই কণ্যাৰ জীয়ৰীকেই ১৯৫৭ চনৰ দেশপ্রেমীক বাহাদুৰ গাওঁবুঢ়াই বিয়া কৰাইছিল বুলি জনা যায়। স্বর্গদেউ ৰুদ্রসিংহই (১৬৯৬-১৭১৪ চন) অসমত নতুন ব্যৱসায় প্রৱর্তনৰ কাৰণে বাহিৰৰ পৰা আঠটা পৰিয়াল আনি অসমত বসবাস কৰিব দিছিল। সেইসকল হ'ল - ফার্চী পটীয়া, আখৰ কটীয়া, শিল-কটীয়া, গুণা-কটীয়া, খনিকৰ, দর্জি আৰু জোলা। এওলোকে ৰজাঘৰীয়াক বিভিন্ন প্রকাৰে সহায় কৰাৰ উপৰিও অসমত নতুন সংস্কৃতিৰ পোহাৰ মেলিছিল। স্বর্গদেউ শিৱ সিংহৰ পৃষ্ঠপোষকতাত 'সুকুমাৰ ৰৰকাঠৰ' দ্বাৰা - 'হস্তী বিদ্যার্নৱ' পুথিত দলিবৰে আঁকা চিত্র সমূহে অসমীয়া চিত্র শিল্প জগতত আজিও গৌৰৱ বহন কৰি আহিছে। চিত্র শিল্পটো অসমৰ মুছলমানৰ অৱদান উল্লেখযোগ্য।

অসমৰ শাসকবর্গ বিশেষকৈ আহোম স্বর্গদেউ সকলৰ আৰু কোচ ৰজাসকলৰ উদাৰ মনোভাৱৰ কাৰণে অসমত মুছলমানসকলে স্থানীয় জন-গোষ্ঠীৰ লগত মিলি যোৱাৰ সুযোগ পাইছিল। তেওঁলোকৰ তিৰোতাবোৰ হিন্দু সমাজৰ পৰা অহাৰ বাবে সামাজিক ৰীতি-নীতি, আচাৰ ব্যৱহাৰ আৰু ভাষাৰ ক্ষেত্রত সংমিশ্রণ ঘটিছিল। সময়ত এটাৰ পৰা আনটোক পৃথক কৰা টান হৈ পৰিছিল। বুৰঞ্জীবিদ সকলৰ মতে অসম তথা গোৱালপাৰা অধিবাসীসকল চীন-তীৰ্ব্বতীয় ভাষা পৰিয়ালৰ বংশধৰ। প্রকৃততে বড়ো, ৰাভা, ৰাজবংশী আৰু আন জনগোষ্ঠীসকল এই অঞ্চলৰ স্থায়ী বাসিন্দা। অৱশ্যে ৰাজবংশীসকল ভা�ৰতৰ অন্য প্রান্তৰ পৰা অহা। ইয়াৰ পিচত হিন্দু, বুদ্ধ, শিখসকল ভাৰতৰ বিভিন্ন প্রান্তৰ পৰা আহি অসমত থিতাপি লৈছিল। মুছলমান সকলৰ গৌড় দেশৰ পৰা

অহা বিলাকক "গৰিয়া" বোলা হয়। তুৰ্বকৰ অসম আক্ৰমণৰ সময়ত বৈ যোৱা বোৰক "মৰিয়া" বোলা হয়। আহোমসকলো বাহিৰৰ পৰা অহা লোক। ১৯২১ চনৰ লোক পিয়লত Mr. G.T. Lloyd এ মুছলমানসকলক চাৰিটা ভাগত ভাগ কৰিছিল - সেখ, ছয়দ, মোগল আৰু পাঠান। জীৱিকাৰ ভিত্তিতো মুছলমান সকলৰ কেইটামান ভাগ পিয়লত দেখুৱাইছে - মহিমাল, জালাহ, হাজাম, ধুনীয়া, লালবাগী আদি। পিচত অহা মুছলমানসকলক দুটা ভাগত পোৱা যায় - দেশী বা উজানি আৰু ভাটিয়া।

শ্ৰীমন্ত শঙ্কৰ দেৱ আৰু আজান ফকিৰে অসমীয়া সমাজখনত ধৰ্মৰ ভিন্ন ভাৱ নাৱাখি একত্ৰিত কৰাত সফল হৈছিল। আজান ফকিৰে থলুৱা নাম গোৱা পদ্ধতিৰে জিকিৰ গাই এক ঈশ্বৰবাদৰ ভক্তি ভাৱ প্ৰকাশ কৰি নিভাজ অসমীয়া হ'বলৈ শিক্ষা দিছিল। প্ৰবাদ আছে যে দৰ্জি "চান্দ খা" অৰ্থাৎ চান্দ খাই শঙ্কৰ দেৱৰ কাপোৰ চিলাইছিল আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। এনেদৰে সদভাৱে সহ-অৱস্থান কৰাৰ বাবে হিন্দু মুছলিমৰ দুয়োখন সমাজত আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, পোচাক-পৰিচ্ছদ, খোৱা-বোৱা আৰু ভাষা সাহিত্যতই এটা সানমিহলি সংস্কৃতিৰ ৰূপ লৈছিল। উভয় ধৰ্মৰে সংস্কৃতি উভয় ধৰ্মৰ সমাজত প্ৰভাৱান্বিত প্ৰতিফলন আজিও বিদ্যমান। বিশেষকৈ অতীতত মুছলমানসকলৰ তিৰোতা সকল হিন্দু সমাজৰ পৰা অহাৰ বাবে আৰু বেচি সংখ্যক মুছলমান ধৰ্মান্তৰিত হৈ মুছলমান হোৱাৰ কাৰণে মুছলমান সমাজত থলুৱা অসমীয়া সংস্কৃতি প্ৰকতভাৱে বিৰাজমান। মুছলমানৰ খাদ্য পোলাও, কোৰ্মা, কাবাব, পাৰাঠা হিন্দুৰ ৰান্ধনি ঘৰত সোমাল আৰু কোমল চাউল, সান্দহ, কৰাই, খাৰ-খাৰণি, কাছুদি, তিল পিঠা, চুঙা পিঠা আদি ক'ব নোৱাৰাকৈ মুছলমানৰ ৰান্ধনি আহি পালে।

মুছলমানসকলৰ লগত দৰ্জি ব্যৱসায় ভাৱতলৈ আহে। অসমতো এই ব্যৱসায়ৰ প্ৰসাৰ ঘটে মুছলমান দৰ্জিৰ পৰাই। কুৰ্তা, পাইজামা, চাপকন, চুৰিদাৰ-পাইজামা আদি মুছলমানৰ অৱদান। দৰ্জিসকলে ব্যৱহাৰ কৰা আস্তান, গিৰা, ৰিফু (ৰিপু) আদি শব্দ এতিয়া অসমীয়া শব্দ হৈ পৰিছে। অসমীয়া মানুহে ব্যৱহাৰ কৰা জোতা, আতৰ, আতৰ-দানী, হোকা, নলিচা, গোলাপজল, হাকিম, এলাকা, মেজ, হেকিম, হাকিম, বৈঠকখানা, চামিয়ানা, কলম, কিতাপ আদি আৰবী আৰু ফাৰ্চী শব্দ মুছলমানসকলৰ জৰিয়তে অসমীয়া অভিধানত সোমাই পৰিছে। মাটিৰ জৰীপ ব্যৱস্থা মুছলমানসকলৰ অৱদান। জৰীপ, পট্টা, তহচিল, জামাবন্দী আদি মুছলমানসকলে ব্যৱহাৰ কৰা শব্দ এতিয়া অসমীয়া সমাজত প্ৰচলন হৈ আছে।

ল'ৰা-ছোৱালীৰ নামাকৰণৰ বেলিকাও মুছলমান সকলে অসম তথা গোৱালপাৰাত নিভাঁজ অসমীয়া নামবোৰ ব্যৱহাৰ কৰা দেখা যায়। সংস্কৃতিৰ সমন্বয় সূচোৱা নামবোৰ হ'ল ঃ তগৰ, গোলাপ, ধন, ভাইটি, সোণ, হীৰা, কণ, পুতুল, ফুল, তৰা, পৰি, ৰূপহী, সোণপাহী ইত্যাদি। সৰ্বভাৰতীয় সংগীত জগতত তানসেন, মীৰ্জাখা, আমিৰ খশ্ৰু, নিয়ামত খাঁ আদি স্বনামধন্য ব্যক্তিসকলে কাৱালী আৰু খেয়ালত যুগান্তৰ আনি থৈ গৈছে। অসমৰ জোৰাই আমাজাদ খা'ই সৰোদত আৰু বিচমিল্লা খাঁই চেহনাইত উচ্চাংগ সংগীতত যুগৰ সূচনা কৰাখ দৰে অসমৰ জীয়ৰী পাৰভিন চুলতানাই উচ্চাংগ সংগীতত বিশ্বৰ দৰবাৰত প্ৰশংসিত হৈছে। জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ আজান ফকিৰ জিকিৰ সমূহ প্ৰাণ ঢালি গাই বিশেষ স্থান লাভ কৰাৰ উপৰিও অসমৰ সংগীত জগতত বিশেষ অৱদান দি গৈছে। পশ্চিম প্ৰান্তৰ গোৱালপাৰা অঞ্চলৰ হিন্দু-মুছলমানে আজিও একলগে জিকিৰ আৰু গজল গাই সমন্বয়ৰ এনাজৰি মজবুত কৰি ৰাখিছে। গোৱালপাৰাৰ সু-সন্তান আদিল হুছেইনে "অথেলো"ৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন প্ৰান্তত সমাদৰ লাভ কৰি অসমৰ নাট্য জগতত সোণত সুৱগা চৰাই বিশ্বৰ দৰবাৰত অসমৰ গৌৰৱ বঢ়াইছে। আশ্ৰাফুল হকেও বৰ্তমান হিন্দী কথাছবি আৰু চিৰিয়েলত অভিনয় কৰি আছে। ৰহিমা বেগম কলিতাই গোৱালপৰীয়া লোক সংগীতৰ জৰিয়তে অসমৰ ৰাইজৰ মন মোহিব পাৰিছে। এনেদৰে বহুতো নামী অনামী শিল্পীয়ে অসমৰ সংস্কৃতিত অৱদান দি আহিছে।

অসমীয়া সাহিত্যৰ ৰৱপথাৰখন বহুতো মুছলমান লিখকে উৰ্বৰ কৰিছে। তেওঁলোকৰ স্বকীয় সাহিত্য সৃষ্টিৰে অসমীয়া সাহিত্য সমৃদ্ধি কৰিছে। জ্ঞান মালিনীৰ কবি মফিজুদ্দিন আহমেদ হাজৰিকাই নিভাঁজ কোমলন শব্দৰে দৰ্শন-তাত্বিক ভাৱধাৰাৰ কবিতা লিখি অসমৰ কবিতাৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অতি কম বয়সতে ড° মইদুল ইছলাম ৰবাই পাণ্ডিত্যৰ পৰিচয় দি ঢাকা বিশ্ববিদ্যালয়ৰ উপাচার্য্যৰ পদ শুৱনি কৰাৰ লগতে সাহিত্য সভাৰ সভাপতি পদো অলংকৃত কৰিছিল। বহু কেইজন লিখকে গল্প, উপন্যাস, কবিতা, গীত আৰু তত্বগধূৰ প্ৰৱন্ধ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে। ছৈয়দ আব্দুল মালিকৰ উপন্যাস আৰু গল্পই ভাৰতীয় বিভিন্ন ভাষালৈ অনুবাদ হোৱাৰ উপৰিও বিদেশী ভাষাতো ইয়াৰ তর্জমা হৈছে। এওঁ অভয়াপুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত সভাপতিত্ব

কৰিছিল। মহম্মদ পিয়াৰ, অলিমুন্নিচা পিয়াৰ, চুলেমান খাঁ, এম. ইব্ৰাহিম আলী, ইমৰাণ শ্বাহ, তফজ্জুল আলী আৰু বহুত মুছলমান লিখকে বিভিন্ন লিখনিৰে অসমৰ সাহিত্য সংস্কৃতিক উৰ্বৰ কৰিছে। ধুবুৰী জিলাৰ কাছেমা খাতুনে লিখি প্ৰকাশ কৰা "গোৱালপৰীয়া অভিধান"খন গোৱালপাৰাৰ দেশী ভাষাৰ মাইলৰ খুঁটি হৈ ৰ'ব। এই প্ৰৱন্ধত সকলোৰে নাম আৰু তেওঁলোকৰ কার্য্যৰ বিষয়ে আলোচনা কৰা সম্ভৱপৰ নহয়। মুঠতে সকলো নামী অনামী শিল্পী সাহিত্যিক সকলে অসমীয়া সাহিত্যৰ উৰ্ব্বৰ ভূমি আৰু উৰ্ব্বৰ কৰি তুলিছে আহি আছে তেওঁলোকৰ বৌদ্ধিক চিন্তাধাৰা আৰু বিভিন্ন লিখনিৰ মাধ্যমেৰে। বৰ্তমান চৰ-চাপৰিৰ কিছু সংখ্যকলোকে তত্ত্ব গধূৰ লিখনিৰে অসমৰ সাহিত্য জগতত অৰিহণা যোগাইছে। ৰাজনীতিৰ চকনৈয়াৰ মাজত থাকিও তেওঁলোকে নিজৰ মাতৃভাষা বিসর্জ্জন দি অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া মাধ্যমত পঢ়াশুনা কৰিছে। তেওঁলোকৰ মাজৰে কেইজনমান লব্ধ প্ৰতিষ্ঠ সাহিত্যিকে অসমীয়া ভাষা সাহিত্যৰ ৰৱঘৰত স্থান পাবলৈ সক্ষম হৈছে। এইদৰেই অসমত হিন্দু-মুছলমান উভয়ে উভয়ৰ সংস্কৃতিৰ বিনিময়ত অসমীয়া সংস্কৃতি আৰু সমন্বয়ৰ বুনিয়াদ ৰচনা কৰি আহিছে। বিচিত্ৰ এই অসম দেশ। এইখন শঙ্কৰ-মাধৱ-আজান ফকীৰৰ দেশ। য'ত শঙ্কৰ দেৱৰ দৰ্জি চান্দা খাঁই ভকতীয়া গীত গায় য'ত শ্বাহ মিলান হয় আজান ফকীৰ আজান দি নামাজ পঢ়াৰ কাৰণে যি আজান শুনি আজিও হিন্দু-মুছলমানৰ জীয়ৰী বোৱাৰীয়ে পূৱাৰ শয্যা ত্যাগ কৰি কামে কাজে লাগি যায়। ■

Sradhanjali

One of the most concerned and important stalwarts of Goalpara College was **Late Prof. Lutfur Rahman.** He was born on 2nd April 1929. Since early child-hood he had shown his great qualities. During his college and university days he shined as a very good scholar. He joined this institution on 11th November 1958, became its Vice-Principal in 1963 and served in that capacity till he retired on 1st April 1989. He also became the officiating Principal anumber of times till Prof Khagendra Prasad Deka joined the college on 1st December 1983. During his long span of service he proved himself not only a good teacher but also an able administrator. His amiable nature, lovable personality and good tempered bearing made him extremely popular among his students and collegues. The institution as a whole fondly remembers and admires his great contribution and concern on every occasion. On one occasion in 1972 he along with three other Governing Body members namely Sri Dinendra Narayan Sinha, Sri Binoy Krishna Ghosh and Sri Sisir Kumar Medhi and the then MLA of West Goalpara namely Md. Shahdat Ali Joddar while returning from Shillong after meeting the then Chief Minister for the Govt aid for the science stream of the college met with an accident. He fortunately survived the deadly accident along with Sri Ghosh while others lost their lives; but both of them sustained serious injuries in their legs. However he never lost the spirit and strong determination and continued his relentless service to this college to lead it on the path of progress. After his retirement he busied himself with his family members. In the closing years of his life he suffered from oldage problems and illness till he ended his worldly business on 9th January 1999. All of us miss him very deeply. We pray for the rest of his soul in peace.

Emerging Scenario in Higher Education

Akhil Ranjan Dutta

Almost all of us are familiar with Francis Bacon's famous declaration that knowledge is power. Michael Foucault gave a new dimension to the discourse of knowledge as power. He, of course, had very specific context and contention while phrasing it out. Let us not delve into the details of the Foucault's arguments on the inter-relationship between knowledge and power. Let us just keep in mind that Foucault was trying to understand the complex nature of domination and subjugation in the society in which knowledge is also used as a means of domination.

Discourse on domination and subjugation is not, however, very new. Before Foucault, both Marxism and Liberalism had already developed extensive discourses on domination, exploitation and subjugation etc. These discourses identified the important institutions that perpetuate domination and subjugation in the society. Marx referred to the institution of private property and liberalism referred to the all-powerful feudal state or the church or any collective agency enjoying the power of social intervention as important institutions engaged in domination and subjugation. However, it was the theorists on de-construction and post-modernism who unveiled more avenues/ domains of domination and subjugation in the society. Foucault, who is one of the pioneers of postmodern thinking, unveiled multiple domains of domination and subjugation. Knowledge is such a domain. When we say knowledge is power, what we usually imply is that you acquire more knowledge, you will find out more ways of liberation and empowerment. But, the important question to be raised is, has knowledge been a neutral/impartial category helping every one equally to achieve liberation and power? Or, it is just the opposite. In other words, does not knowledge have a class dimension; caste dimension and also a gender dimension? Do we not encounter with such knowledge paradigms in our society? Why do we use the words like man to mean both man and woman or he to mean both he and she in general contexts? How this patriarchal knowledge paradigm is constructed and whose interests it serves? Why the Brahmins enjoy different social position and respect, and why not the Shudras? Is it merely due to the economic factor? Yes, economic factor is all-important. But, along with the economic factor, so many other factors are equally important. And among them the kind of knowledge that the society develops is very important. To be very specific, in a hierarchical society the knowledge is developed in a way so that it serves the interests of the dominant class/caste/gender.

Why is it so? Why do the dominant classes penetrate into the knowledge system? It is for the simple reason that ruling in the society as well as generating legitimacy for that is very challenging. It becomes more challenging when different social strata develop consciousness about their due rights and engage in a war against the dominant classes/ castes/gender who violate or take away their rights. We are living in such a situation. Theoretically we can call our moment as hegemonic moment. The Italian Marxist Antonio Gramsci first used the word hegemony. Without delving into the detail debate on what exactly hegemony is all about, this will suffice to say that hegemony means total domination. It is a combination of economic, intellectual, ideological, moral means of domination. The dominant classes use all these means to mitigate the dissent in the society or it endeavours to eliminate the grounds of dissent ventilation by penetrating into every domain of social life.

Is not higher education too a domain of domination and subjugation? Or, is not this domain also being used as a means for that purpose? Search for a convincing answer for this question will invite a comprehensive debate. However, without going into the details, it can be well asserted that this domain has always been used for this purpose. Some time it was very naked and aggressive, some time very sophisticated and cunning. But, it has always happened in a hierarchical society. A very simple and familiar example can be given. Why did the NDA government attempt to incorporate astrology as a part of higher education? Why did they try to give astrology an equal status to that of astronomy? Or why did they try to temper with the school texts on history? Or, why did they tamper with the facts of the freedom movement? The answer is simple. They wanted to insert the values in education/higher education that conforms to the political ideology that they are pursuing for political mileage. It was not happening only in case of the NDA government. It happens to all regimes in the society.

Of late, as we are aware of, there has been change in global economy. All of us irrespective of differences in interpretation, name this change as globalization. Some people call globalization a spontaneous economic process arising out of unprecedented development in science and technology. For them globalization is a class neutral, value neutral process.

However, a critical discourse on globalization reveals that it is the latest incarnation of capitalism or another stage of capitalist development. It is more sophisticated and cunning than all preceding phases of capitalism. This phase of capitalism has emerged in such a historical moment when oppressed people around the world have already gained unprecedented political insights and consciousness. They are already well experienced with a lot of historic people's struggles. So, legitimization of globalization is a big challenge. Keeping in mind these tough challenges, the ethics of globalization has been inserted into almost all domains of our social life including in the domain of education/higher education.

Now, let us see the ethics on which the current phase of globalization is based on.

(a) First of all, current phase of capitalist globalization believes that everything in this globe could be converted into commodity.

(b) Second, unbridled individual freedom is all important for the fullest growth of personality as well as of the society. Society is however, an unwarranted concept. What needs to be understood is that every individual is a separate category- they need separate existence. Former Prime Minster of Britain Margaret Thatcher described it very eloquently: There is no society as such only individuals and individuals.

(c) Third, collective agency like the state puts hindrance towards the freedom of individuals and so it is an enemy of free-living, freethinking. What F. A. Hayek- the renowned philosopher on freedom, reminds us is that the authority of the state to intervene in the social life will ultimately lead us towards *Serfdom*- the state of feudalism.

(d) Market is an alternative to it. Market, through competition, can bring solution to many of the problems that we are facing today. Market is a sphere where everybody can acquire the technique of survival and prosperity through competition without being patronized by anyone. So, market is never obsolete. It is always new and capable of delivering the latest norms and know-how to face the emerging challenges.

(e) What those ethical principles imply is that the state should not control and patronage the socio-economic-cultural and educational activities in the society.

Let us see the implication of these ethical

principles on higher education.

(a) Education, like any other commodity, is also a commodity that can be bought and sold out in the market.

(b) There is no necessary link between qualitative change in the society and that of education. Education is a means for the pursuit of individual freedom and prosperity. It does not necessarily have a collective dimension of social well-being.

(c) State should do away with its involvement in education/higher education. Let private initiative take place in this sphere. Education should neither be a burden on the national exchequer nor state should be an unwarranted interfering agency in the freethinking /free sailing of higher education.

(d) Let, like any other commodity, education move globally. There should be no restriction on free movement of ideas, free movement of educational institutions.

In accordance with those new ethics, there has been a consistent move towards commodification of higher education that can be exchanged like any other commodity, which does not necessarily involve any moral and value judgement. This is evident, apart from others, in the wave of correspondence learning consolidating in the country in the recent past. Universities from abroad have opened their branch offices. Any body can enroll and get the degree. The only requirement is money. You pay and you will get the degree. You need not know the teachers and need not interact too. Reading materials are available. (This is a different issue that our own universities are poor even in managing correspondence/distance education) You need not even know who is the author of the reading materials that are sent to you. It is an extremely impersonal and uncritical learning. Of late, this has emerged as one of the profit making industries with regional outlets here and there. Under this new notion, education does not have any organic link with social transformation that can bring into force qualitative change in different domains of social life.

On the other hand new courses, which are pro- market, have been introduced. Among the courses in higher education MBA is increasing its popularity today. Technological education is getting new hype. Students are becoming crazy about computer. And accordingly, the courses, which engage the students in critical discourse on social reality, are becoming irrelevant day by day.

On the other hand it has also been suggested that state should gradually withdraw from this sphere of education. Let the domain of education evolve, sustain and prosper at its own. So, the issues of autonomy and self-financing has come up. Issue of disinvestments in higher education is a part of it. Dismantling of state sponsored research institutions in the country is also a part of these new ethics.

Global movement of education is also a part and parcel of the new market ethics on education. What has been suggested is that there should not be any national boundary of framing educational policy. Let global market forces decide what kind of education we need to make it relevant and demanding in the changing world. Let the global market forces decide whether course on tourism is important or a course on history or political science.

As stated, as per the ethics, education should not be a burden on national exchequer too. So, do not talk about regular appointment sponsored by the state. Let the respective educational institutions generate its own money; appoint faculty; decide whether to employ permanently or on part time basis. Forget about gratuity and pension. These future protective measures make people inactive and indifferent, to one's own world of activities. Vibrancy is at loss.

These principles, in appearance, are very noble. But, once we look at the real motive behind, then we come back to Foucault's phrase- knowledge is power. These new ethics in education is also a part of the new knowledge paradigm, which can generate legitimacy for the emerging global economy.

The main feaure of the global economy today is endless accumulation of profit under private entrepreneurship. This endless accumulation in the long run generates gross discontent in the society. Because this is based on deprivation and exploitation. Look at Annual Human Development Reports published by UNDP. It has extensively documented the huge negative fallouts of globalization. These negative fallouts are bound to generate huge political and social mobilization against globalization. Mobilization against globalization is already taking place.

But, the global economic forces have tried to fragment and weaken these mobilizations. Or, they have tried to prove that all these mobilizations are misleading as globalization has huge potentialities to do away with poverty and deprivation. Market is the most conducive means for this. Accordingly, to spread these values of market and globalization to the greater society, these forces have penetrated into the domain of higher education. It has achieved tremendous success. But, this success they have achieved at the cost of higher education as a domain of critical thinking that keeps on questioning the existing social reality. ■

পুৰণি পাতৰ পৰা

..মোৰ কলেজীয়া জীৱনৰ আটাইতকৈ স্মৰণীয় দিনটোৰ কথা শুনিবলৈ বিচাৰিছে যেতিয়া, কওঁ শুনক। আটাইতকৈ স্মৰণীয় দিনটো হ'ল 23rd April 1969 ৰ দিনটো। সেইদিনা B.A. Part-I Economics Honours ৰ 5th paper খনৰ পৰীক্ষা দিবলৈ পৰীক্ষা হলত বহিছিলোঁ। Final পৰাৰ লগে লগে ছাৰে question paper দিলে। সেইদিনাখন আমাৰ Indian Economics আছিল। দুর্ভাগ্যৱশতঃ Public Finance ৰ question খনহে দিলে। Indian Economics ৰ ঠাইত Public Finance ৰ question কটাত সঁচাকৈয়ে আচৰিত নহৈ নোৱাৰিছিলোঁ। জীৱনত সেইদিনাখনেই প্ৰথম question বিভ্ৰাটৰ সন্মুখীন হ'ব লগাত পৰিছিলোঁ। তেনেকুৱা এটা পৰিবেশত পৰীক্ষার্থীৰ মনৰ অৱস্থা যে কেনেকুৱা হয় নজনাজনে উপলব্ধি কৰিব নোৱাৰে। সেইদিনটোৰ কথা সঁচাকৈয়ে পাহৰিব নোৱাৰিম।

মই কলেজৰ এই কালছোৱাত অধ্যয়ণৰ সুস্থ পৰিবেশ এটি সম্পূর্ণ নহলেও কিছু পাইছোঁ। আনহাতে কিতাপ পত্ৰৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছোঁ। মাত্ৰ এইখিনি অসুবিধাৰ বাহিৰে কলেজীয়া জীৱনত ভাল পৰিৱেশ এটি উপভোগ কৰিব পাৰিছোঁ।

(১৯৬৯-৭০ চনত প্ৰকাশিত কলেজ আলোচনীৰ প্ৰশ্নোত্তৰ শিতানত তৃতীয় বাৰ্ষিক কলাৰ ছাত্ৰী অৰুন্ধতী নাথে মহাবিদ্যালয়ৰ স্মৰণীয় দিনটোৰ বিষয়ে কৰা বৰ্ণনা।)

ECONOMIC DEVELOPMENT OF ASSAM
- MYTH TO REALITY

Monimala Devi and Devashis Bose

Economic growth and development is a function of a number of economic ad non-economic factors including social and psychological attributes. Across the globe nations have progressed inequitably. Hence, there are countries those can boast of high levels of per capita income, decent standard of living for the majority of the citizens, universal access to quality public services and a plethora of other facilities that enhance capacity building. And there are nations those are still struggling to provide decent amenities for the masses, where a substantial proportion of the population does not have access to the basic needs of life. This is true of states within a nation too. In India, which is a federation of states, performances of the states have differed largely over a period of time. When we refer to performance and economic status or rank, modem economic models and tools have reached high levels of accuracy in determining ranks of the states. One of the tools that has gained global acceptance in practice, beyond the ambit of textbook economic theory, is the concept of Human Development Index (HDI) that encompasses a large number of suggestive indicators[1] that reflect the rank of a nation or a state.

Performance of Assam has been far from being satisfactory and what was envisaged by the leaders of the post-independence era like Lokpriya Gopinath Bordoloi, and aspired by the people. To drive the point home, current HDI rank of Assam stands at 14, just above Bihar and below UP. Our per capita income[2], an essential indicator of economic growth, stands at Rs.12,288 per annum for an average for the periods of 1999-00, 2000-01, 2001-02 where as for the same period the average for all states was Rs.16,978, that of Goa (the richest state) was Rs.56,549. UP, Orissa, Iharkhand and Bihar (the poorest state) are the only states those have lower per capita income than Assam. It is often alleged that 'successive central governments have meted out step-motherly treatment to Assam, at least politically and economically. Well, the political context is debatable and there are many issues like the erstwhile IMDT Act, non-expansion of the Indian Railways, etc. that do point towards deplorable discrimination.

However, the same cannot be said to be true when one refers to general fiscal transfers[3]. For example, Assam's per capita central transfers during 1997-98 to 1999-00 were Rs.1205.84 while it increased to Rs.1591.50 during 2000-01 to 2002-03. Compare this with transfers of Rs.660.75 and Rs.848.69 to Andhra Pradesh, Rs.796.24 and Rs.934.93 to Bihar, Rs.1122.84 and 1316.15 to Goa, etc. during the same period. In this context we need to reflect on the fact that unlike other states of India, Assam as a member of the Special Category States (SCS)[4], receive funds as 90 percent grants and only 10 percent loans. Rest of the states of the country receives funds as 30 percent grants and 70 percent loans. In the background of these facts, we are in a position to launch a discussion on the possibilities and factors that can expedite economic growth and development in the state.

The developmental issues confronting India in general and Assam in particular have produced numerous literature and subsequent strategies in the form of plans and programmes. Despite decades of planning at the center and at the state level, backwardness of the economy was a stark reality .It is then that a departure from the traditional strategies was made and the NEP launched under the stewardship of Dr. Manmohan Singh in the early 1990s. Economic reforms led to sharp decline in the overall backwardness of India. But the same cannot be said of Assam. Economic backwardness is still a feature of our economy, where industrial growth rates have remained stagnant and no substantial fresh domestic or foreign investment has poured in the recent past. Often in the national media and even in academic fora, the current state of stagnancy is blamed on insurgency/militancy. But such deliberations miss out one vital point that insurgency is a post 1979 phenomenon, its proportions reaching the zenith in the 1985-95 period. So, much before this, especially in the 1947-79 periods, the governments at the state and the center failed to create the necessary overheads core to progress. What has been the bane of the Assam economy is its poor quality of human resource, and infra-structure that was largely built by the colonial rulers. Unlike the states of Maharashtra, Karnataka, Gujurat or Goa, private enterprise has never gained importance or acceptance in Assam till the recent past. Presence of the public sector in almost all spheres of life (mostly non-industrial), majority of the jobs being in the state departments like education, State Electricity Board (SEB), collectorates, etc., somewhat killed or scuttled the spirit of private enterprise. Moreover, social apathy towards business enterprise became an important factor behind the slow growth of the small and medium enterprises (SMEs). As far as thte growth of the service sector is concerned, the story has been little bit better in the recent times. However, it could have been much better if more importance was placed by the government and other social institutions[5], and strategies planned accordingly. Services require, at least in the preliminary stages of development, lesser training for the entrepreneurs and unfortunately our growth of this sector has been tardy. Thus provision of services like telecommunication extension, restaurants and hotels, shopping malls, etc, were considered to be risky and non-prestigious thus making the investors risk averse and uninterested. Moreover, the educational system, largely confined to the grants-in-aid institutions, could not provide the breeding ground for entrepreneurship. Our educational system that is an outcome of the traditional planning never encompassed vocational and market oriented training. In fact, entrepreneurship begins at schools/institutions, but we have failed to provide that beginning to our young minds. Thus if there is lack of enterprise[6], that too in the presence of a large oil industry in Assam that should have facilitated mushrooming of downstream SMEs, the educational system is to blame. To this one may add the fact that private initiative in education has been at best limited to opening up of venture schools and colleges, not with the aim to provide alternative market oriented courses and/or to break-even commercially, but to ultimately seek political patronage and hence grants-in-aid status. In the context of infrastructure, Assam cuts a sorry figure compared to rest of the states (excepting some states like Bihar, etc.). Considering the railways, Assam has total track length of around 1500 km for a population of more than 2.6 crore and this is even below what Bihar or UP has. Much remains desirable in case of the highways and rural roads. These are critically essential for overall pace of economic development. The basic problem with development of infrastructure is poor levels of investment. The government does not have the kind of massive investment that is required for expansion and consolidation of the infrastructure. Thus the only way out is private

participation on the basis of Build-Operate-Transfer (BOT) policy. Such endeavors have been successful in other parts of the country and in other countries as well. However, all reform initiatives will be rendered futile on the face of our precarious power situation. Unfortunately, the Electricity Bill 2003 that could have revolutionized the power sector has not found takers and has been abandoned by the Central government. In Assam some restructuring of the SEB has been done that has remained more or less ineffective in bringing qualitative changes in generation-transmission-distribution leading to a near-collapse situation in many areas of the state. Until and unless dedicated private initiative is facilitated, Assam's industrial and service sector growth shall further slow down rendering them uncompetitive and unviable. Another area that can cater to the development needs of Assam is its agro-based development strategy that treads the path through production of value-added crops. We are a State where a large proportion of the population is engaged in agriculture. But the average productivity is very poor and the possibility of raising incomes substantially through traditional multiple-cropping is limited. The need of the hour is to introduce/ expand cropping of products those have wider national and international markets. According to Dr. Jayanta Madhab[7], former Director of the Asian Development Bank and the current economic advisor to the governments of Assam and Meghalaya feels that medicinal and aromatic plants, horticulture, floriculture etc., based industries can turn the tide towards faster development, And then there are issues like development and expansion of the inland waterways, restructuring and revitalizing the tourist circuit, opening up of the Stilwell Road and so on. But the essential points those need emphasis are strengthening and expanding the infrastructure, revamping the educational system and facilitation of development of indigenous entrepreneurship.

EPITAPH

Many a times it is perceived that 'attitude and mindset' does play a greater role in determining the rate of economic progress in Assam, There are historical and political reasons for the prevalent and predominating passive attitude of many, towards issues those are critical to progress. Maybe, earlier form of neglect during the Chinese aggression, the Assam Agitation and the subsequent rise and fall of the Assam Accord impacted the general psyche to the extent that translated into, unfriendly and haughty behaviour amongst a section of the people that hardly helps marketing and tourism, earning without much doing attitude, misusing 'the student fraternity for organizing political melas that encourage many of them to go on donation collection spree (that is used for personal gains of a few and spoils the future of many) etc., have become order of the day. Therefore, it is high time that we reshaped our attitude. Never before the world was so small that right from education to medical treatment, can be accessible at the touch of a button. The world economy is growing and there is room for all sincere and hardworking people, whatever field to which he or she may belong to. Craftsmen now have more markets and hence practically sustainable respect. It is some efforts that can make our elegantly designed mekhela chadars to explode the international market, while albums of Bihu get to be seen on international channels. Some of us may feel that these are all threatening to the indigenous culture, but culture sustains when the economy sustains. And a good marketable culture (with safeguards) is good economics.

The authors teach Economics in DDR College, Chabua and write articles for The Assam Tribune.)

I. HDI rankings are based on information on-educational attainment that iricludes Literacy Rate and Gross Enrollment Ratio (GER) at all levels of education; health that includes Life Expectancy at Birth (longevity) and Infant Mortality Rate (IMR); and standard of living that is measured on the basis of Per Capita Gross Domestic Product (GDP) at purchasing power parity.

2. For easier understanding Per Capita Income and Per Capita Gross State Domestic Product (GSDP) are mentioned to mean the same, but technically they are different.

3. The central government transfers resources (read funds) as share of the centrally levied taxes (like the income tax), grants and special grants, to the states as per the recommendations of the Finance Commission of India constituted periodically.

4. The Special Category States (SCS) are Assam, Arunachal Pradesh, Manipur, Meghalaya, Mizoram, Nagaland, Sikkim, Tripura, Uttranchal, Himachal Pradesh and Jammu & Kashmir. They are given special fiscal status.

5. The social institutions include government institutions, universities, legislature, village bodies like the panchayat, etc.

6. The situation is gradually improving with a large number of youths foraying into the services sector in the recent times.

7. 'Revamp'Really"-Special Report; Down to Earth (July 15,2005)

References and Acknowledgement :

1. The Twelfth Finance Commission Report.
2. Lectures by Prof. D. K. Srivastava, Member, Twelfth Finance Commission.
3. Lectures by Prof. M. Govinda Rao, Director, NIPFP, New Delhi.
4. Lectures by Prof. Amaresh Bagchi, Professor Emiritus, NIPFP, New Delhi.
5. CMIE Reports.
6. India Development Reports-IGIDR, Mumbai.
7. Shri Dharmandra Nath, Sr. Lecturer in Economics, Goalpara College for discussions held with him.

> Academic freedom is a security against hazards to the pursuit of those persons whose lives are dedicated to conserving the intellectual heritage of the ages and to extending the realm of knowledge.
>
> - *Russell Kirk*

অসমীয়া ভাষালৈ অসমৰ জনজাতীয় ভাষাসমূহৰ অৱদান

উপেন ৰাভা হাকাচাম
অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

অসমীয়া ভাষা সমন্বয়ৰ ভাষা - 'অসম' [১] নামক দেশ এখনত বাস কৰা মানুহৰ ভাষা। অসমীয়া ভাষা সার্বভৌম ভাৰতৰ সংবিধানে স্বীকৃতি দিয়া আৰু সাহিত্য অকাডেমীয়ে অনুমোদন কৰা আঞ্চলিক ভাষাসমূহৰ অন্যতম ভাষা। অসমীয়া ভাষা বিশ্ববিদ্যালয় অনুদান আয়োগৰ (U.G.C.) দ্বাৰা স্বীকৃত এটা ৰাজ্যত প্ৰচলিত ৰাজ্যিক ভাষা। মন কৰিবলগীয়া যে অসমীয়া ভাষাৰ এটা চলতি ৰূপে (Jargon or broken Assamese) উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়বোৰ ৰাজ্যসমূহ এতিয়াও সংযোগী ভাষা (*lingua - franca*) ভূমিকা লৈ আছে।

অসমীয়া ভাষাৰ উদ্ভৱ, বিকাশ আৰু ইয়াৰ সমৃদ্ধিৰ ইতিহাস আছে। অসমীয়া ভাষাই এদিনতে গদ্য লোৱা নাছিল আৰু কোনোবা বিখ্যাত ভাষাবিদ নতুবা সাহিত্যিকে অধ্যয়ন-কলাত বহি এখন ব্যাকৰণ বা অভিধানত লিখি উদ্ভাৱন কৰাও নাছিল। অসমীয়া ভাষা কেৱল এটা সম্প্ৰদায় বা ৰাজতন্ত্ৰৰে একচেটীয়া সম্পত্তি নাছিল। অসমীয়া ভাষাক জোৰ কৰি কাৰো ওপৰত জাপিও দিয়া নাছিল। ই অসমৰ মাটিত জীপ লৈ, অসমীয়া মানুহৰ অমিয়া ৰবষা মাতত প্ৰাণৱন্ত আৰু সুৱদী-সুৰীয়া হৈ "চিৰ চেনেহী মোৰ ভাষা জননী" হিচাপে "জগত সভালৈ" যাবলৈ ইয়াক অসমৰ মানুহে ঐক্য আৰু সম্প্ৰীতিৰে বিকাশিত কৰি তুলিছিল।

অসমীয়া ভাষাৰ বিকাশৰ একোটাকৈ কেবাটাও স্তৰ আছে আৰু আছে ইয়াৰ আঞ্চলিক থলুৱা ৰূপ (যাক উপভাষা বা স্থানীয় উপভাষা বুলি কোৱা হয়) মূলতঃ সংস্কৃত ভাষাৰ পৰা উদ্ভৱ হৈও অসমীয়া ভাষা আন আন সহোদৰা বাংলা, উৰিয়া, মৈথিলী (হিন্দী) প্ৰভৃতি ভাষাত কৈ কিছু ক্ষেত্ৰত বেলেগ হ'বলৈ পালে কিয়? অসমীয়া ভাষাতো বাংলা প্ৰভৃতি কোনোবা এটা ভাষাৰেই আঞ্চলিক ৰূপ হিচাপে জনাজাত হ'ব লাগিছিল -নহ'ল কিয়? অসমীয়া ভাষাৰ এনে কি নিজস্ব ৰীতি (অসমীয়া ভাষাৰ কালিকা বুলিব পাৰি) আছে - যিহৰ বাবে অসমীয়া এটা স্বকীয় ভাষা হিচাপে পৰিগণিত হ'বলৈ পালে?

এনে প্ৰশ্নৰ সমিধান বিচাৰি পাশ্চাত্য আৰু প্ৰাচ্যৰ বহু পণ্ডিতৰ মাজত মত-বিনিময় হৈছিল, বাক বিতণ্ডাও হৈছিল আৰু অৱশেষত সর্ববাদীসম্মত সিদ্ধান্তও পোৱা গৈছিল। সেয়া হ'ল অসমীয়া এটা নব্য ভাৰতীয় আর্য ভাষাসমূহৰ অন্যতম ভাষা য'ত সংস্কৃত তৎসম, তদ্ভৱ আৰু অর্দ্ধতৎসম শব্দ আৰু অন্যান্য বৈয়াকৰণিক উপাদানৰ লগে লগে অন্যান্য থলুৱা ভাষাৰ (জনজাতীয়) উপাদানো অন্যতমভাবে সাঙোৰ খাই আছে। মূলৰ পৰা ফালৰি কাটি আহিবলৈ বাধ্য কৰা কাৰক হিচাপে এই জনজাতীয় অর্থাৎ আর্যভিন্ন ভাষা-ভাষাসমূহৰ অৱদানৰ কথা মুঠেই উলাই কৰিব পৰা বিধৰ নহয়।

নৃতাত্ত্বিক তথা সমাজ তাত্ত্বিকসকলৰ মতে অসমৰ প্ৰাচীন অধিবাসী আছিল জনজাতীয় [২] মূলৰ ঘাইকৈ অষ্ট্রিক আৰু মংগোলীয় প্ৰজাতিৰ লোক। তেওঁলোকৰ নিজা ভাষা আছিল (অষ্ট্রিকসকলৰ অষ্ট্রিক ভাষা আৰু মংগোলীয়সকলৰ চীন-তিব্বতীয় ভাষা; ভাৰতৰ ককেচীয়া প্ৰজাতিৰ আর্যসকলৰ ভাৰত-ইউৰোপীয় ভাষাৰ সমকক্ষ) আৰু নিজ মাতৃভাষাৰে প্ৰশাসন চলাইছিল একো একোখন ক্ষুদ্র ক্ষুদ্র গৃহভূমি। উদাহৰণ স্বৰূপে কছাৰী ৰাজ্য (প্ৰাচীন হিড়িম্বাপুৰ) চুতীয়া ৰাজ্য (প্ৰাচীন কৌণ্ডিলা), মণিপুৰ, জয়ন্তীয়া ৰাজ্য ইত্যাদি। এনেকুৱা সৰু-সুৰা পোৱালী ৰজাৰ ৰাজ্য জয় কৰি 'সাত ৰাজ মাৰি এক ৰাজ কৰি' বৃহত্তম অসমীয়া জাতিৰ বুনিয়াদ গঢ়িছিল ছশ বছৰে ৰাজত্ব কৰা, খৃষ্টীয় ত্রয়োদশ শতিকাত আগমন কৰা আহোমসকলে (মূলতঃ এওঁলোকো মংগোলীয় প্ৰজাতিৰ চীন-শ্যামীয় ভাষা-ভাষীয়ে আছিল)। থলুৱা লোকৰ সৈতে সামাজিক আৰু সাংস্কৃতিকভাৱে (বৈবাহিক সম্পর্কৰে) বান্ধ খাই বিশেষকৈ প্ৰশাসনীয় কাৰণত সার্বজনীন ভাষা (lingua-franca) হিচাপে সেই সময়ৰ সৰবৰহী অসমীয়া ভাষাই [৩] আহোম ৰাজ্যত পৃষ্ঠপোষকতা পাইছিল। আনকি বিভিন্ন জনজাতীয় মূলৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত উদাহৰণ স্বৰূপে ববাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলীয়ে আৰু কমতাপুৰৰ নৃপতি দুর্লভ নাৰায়ণ আদিৰ পৃষ্ঠপোষকতাত হৰিহৰ বিপ্ৰ, ৰত্ন কন্দলি আদি কবিয়ে চতুর্দ্দশ শতিকাতে ৰামায়ণ, মহাভাৰতৰ বহু কাণ্ড, পর্ব আদি অসমীয়ালৈ ভাঙনি কৰিবলৈ সুবিধা পাইছিল) অসমীয়া ভাষাই বিভিন্ন সাহিত্য সৃষ্টি কৰি বৃটিছৰ আমোলত অৰুণোদয় নামৰ কাকতৰ জৰিয়তে মান্য অসমীয়া ভাষালৈ (লিখিত অসমীয়া) উধাবলৈ সক্ষম হৈছিল।

অসমীয়া ভাষাত যেনেদৰে আধুনিকতম ইংৰাজী আদি বিদেশী ভাষাৰ বিভিন্ন শব্দ পোৱা যায় তেনেদৰে অতি প্ৰাচীন কালৰ পৰাই (আনকি অসমীয়া ভাষাৰ জননী সংস্কৃত ভাষাতো) অসমীয়া ভাষাত বিভিন্ন থলুৱা জনজাতীয় ভাষাৰ অর্থাৎ দেশী মূলৰ শব্দ-সম্ভাৰ প্ৰয়োগ হৈ অহাৰ দৃষ্টান্ত আছে। কেৱল শব্দগতভাৱেই নহও অসমীয়া ভাষাৰ মূল গাঁঠনি অর্থাৎ ব্যাকৰণিক ৰূপতো জনজাতীয় ভাষাৰ বহু উপাদান নিহিত হৈ আছে। ধ্বনিগতভাৱেও জনজাতীয় ভাষাই অসমীয়া ভাষাত উদ্ভৱ কালতে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। অসমীয়া ভাষাৰ বাক্য গাঁঠনি সেয়েহে বহু ক্ষেত্ৰত জনজাতীয় সুৰীয়া ভাষাৰ (intonation) বহু ক্ষেত্ৰত জনজাতীয় সুৰীয়া ভাষাৰ (tonal language) পৰোক্ষ প্ৰতিধ্বনি যেনহে শুনি (অসমীয়া ভাষাৰ সুৰ-লহৰ অঞ্চল ভেদে, সম্প্ৰদায় ভেদে আৰু ব্যক্তি ভেদে অৱশ্যেই তাৰতম্যতা আছে।) অসমীয়া ভাষাত জনজাতীয় ভাষাৰ বাক্য গাঁঠনি আৰু ৰূপৰচনাৰ উপাদান যে আছে তাক তলত দিয়া জনপ্রিয় বাক্যাংশ আৰু জতুৱা ঠাঁচ-খণ্ডবাক্যই প্ৰমাণ কৰিব। (আঁচ টনা অংশৰ সাদৃশ্য মনকৰিবলগীয়া) -

হিন্দী	ৰাংলা	অসমীয়া	জনজাতীয় ভাষা (বড়ো)
মেৰা পিতাজী	আমার বাবা	মোৰ দেউতাৰ	আংনি আফা
তুমহাৰা পিতাজী	তোমার বাবা	তোমাৰ দেউতাৰ	নাংনি নাংফা
উসকা পিতাজী	তার বাবা	তেওঁৰ দেউতাক	বিনি বিফা
মৈঁ তুমসে প্যার করতা হুঁ	আমি তোমাকে ভালবাসি	মই তোমাক ভাল পাওঁ	আং নাং খৌ মাজাং মুনা
ঘৰসে সড়ক তক	ঘর থেকে রাস্তা পর্যন্ত	ঘৰৰ পৰা আলিবাটলৈ	নোনি ফ্রায় লামাসাম
কভী নহী জানা	কখনো যেওনা	কেতিয়াও নাযাবা	জেব্রাবী দা থাং
উসকো কিসকী জৰুরত হ্যায়	ও কি চায়	তাক কি লাগে	বিখৌ মা নাংগৌ
এক লড়কা	একজন ছেলে	এজন লৰা	ছাহে গথ
এক লড়কী	একটি মেয়ে	এজনী ছোৱালী	ছাহে হানজাও
এক পেড়	একটা বৃক্ষ	এজোপা গছ	ফাংছে বিফাং
এক চীজ	একটা জিনিস	এটা বস্তু	গংছে মুরা
বড়া ভাই	বড় ভাই	ককাই, ককায়েক	আদা, বিদা
ছোটা ভাই	ছোট ভাই	ভাইটি, ভায়েক	আগৈ, ফংবায় ইত্যাদি।

অসমীয়া ভাষাত এনে ধৰণৰ অজস্র জনজাতীয় উপাদান আছে। এই সন্দর্ভত ইতিমধ্যে ছাৰ গ্রীয়েৰছন চাহাব, ভাষাচার্য্য সুনীতি কুমাৰ চেটার্জী, ডঃ বাণীকান্ত কাকতি, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, কালিৰাম মেধী, দেৱানন্দ ভৰালী, বিষ্ণুৰাভা প্ৰভৃতি পণ্ডিত, ভাষাবিদসকলে যথেষ্ট চিন্তা-চর্চ্চা কৰি তেখেতসকলৰ বহুমূলীয়া মন্তব্য আৰু বক্তব্য বিভিন্ন গৱেষণা গ্রন্থ আৰু প্রৱন্ধৰাজিত লিখি থৈ গৈছে। সাম্প্রতিক কালত তেখেতসকলে দি যোৱা ইংগিত আৰু আনুমানিক সিদ্ধান্তৰাজি নকৈ চালি-জাৰি চাই ডঃ প্রমোদ চন্দ্র ভট্টাচার্য, ডঃ উপেন্দ্র নাথ গোস্বামী আদি ভাষা বিশেষজ্ঞসকলে সর্ববাদী সম্মত কৰিবলৈ যৎপৰোনাস্তি প্রচেষ্টা চলাইছে। তদুপৰি এতিয়ালৈকে পোহৰত নহা মিছিং, নগা, কার্বি, দেউৰী, তিৰা, ৰাভা প্রভৃতি বিভিন্ন থলুৱা জনজাতীয় ভাষাৰ উপাদান সন্দর্ভত ডঃ ভীমকান্ত বৰুৱা, অধ্যাপক নাহেন্দ্র পাদুন, অধ্যাপক মধু বড়ো আদি ভাষা বিশেষজ্ঞ সকলে নেৰা-নেপেৰাকৈ লাগি থকাটো অসমীয়া আৰু অসমৰ জনজাতীয় ভাষা উভয়ৰ বাবে এক সুনিশ্চিত শুভ দিগ্ দর্শন।

১। অসমীয়া ভাষাৰ জনজাতীয় ধ্বনিগত উপাদান ঃ

(ক) অসমীয়া ভাষাত মূল সংস্কৃত ভাষাৰ দন্ত্য আৰু মূর্দ্ধণ্য বগীয় ধ্বনিবোৰ জনজাতীয় ভাষাৰ নিচিনা দন্তমূলীয়া ধ্বনি হিচাপে উচ্চাৰণ।

(খ) সেইদৰে দন্ত্য, তালব্য আৰু মূর্দ্ধণ্য উষ্ম ধ্বনি বোৰ অসমীয়া ভাষাত একপ্রকাৰৰ অর্থাৎ উষ্ম ধ্বনি হিচাপে উচ্চাৰণ (উদাহৰণ - সংস্কৃত 'সবিশেষ' অসমীয়াত উচ্চাৰিত হয় 'সবিসেস' নতুবা 'সবিখেখ' হিচাপে।)

(গ) অসমীয়া ভাষাত জনজাতীয় ভাষাৰ নিচিনাকৈ স্বৰ ধ্বনিসমূহৰ হ্ৰস্ব আৰু দীৰ্ঘৰূপ নথকা। (বানানৰ ক্ষেত্ৰত মূলৰ নিচিনাকৈ হ্ৰস্ব বা দীৰ্ঘস্বৰ লিখিলেও উচ্চাৰণৰ বেলিকা এই দুটা স্বৰ একে ধৰণে উচ্চাৰিত হয়।)

(ঘ) নাসিক্য ধ্বনিৰ প্ৰাধান্যত যাক স্বতঃ নাসিক্য ভৱন বোলা হয়। (মূলত নাসিক ধ্বনি নথকা সত্বেও অসমীয়া ভাষাত গাঁত < সং, গর্ত, ফেঁচা < সং, পেচক, ঘোঁৱা < সং, ঘোটক আদি শব্দৰ অনুনাসিক ধ্বনিৰ আগম হোৱা।)

(ঙ) মহাপ্ৰাণ ধ্বনিৰ প্ৰাধান্যতা অথচ একেলগে দুটা মহাপ্ৰাণ ধ্বনিৰ প্ৰয়োগ নোহোৱা। উদাহৰণ ঃ সংস্কৃত বুভুক্ষা > কামৰূপী ভোখ > অসমীয়া ভোক, সংস্কৃত চক্ষু > কামৰূপী চখু > অসমীয়া চকু ইত্যাদি)

(চ) অসমীয়া ভাষাত সংস্কৃত তৎসম শব্দৰ (স্বৰান্ত) ব্যঞ্জনান্ত হিচাপে উচ্চাৰণ জনজাতীয় উচ্চাৰণ জনজাতীয় উচ্চাৰণ ৰীতিৰ অন্যতম বৈশিষ্ট্য।

২। অসমীয়া ভাষাৰ জনজাতীয় ৰূপগত উপাদান ঃ

ইতিমধ্যে দি অহা উদাহৰণৰাজিৰ পৰা এইটো স্পষ্ট হৈছে যে, অসমীয়া ভাষা সংস্কৃত ভাষাৰ পৰা উদ্ভূত অন্যতম ভগ্নীভাষা বাংলা বা হিন্দী ভাষাতকৈ কিছু ক্ষেত্ৰত বিশেষকৈ ব্যাকৰণিক দিশত সুকীয়া। ইয়াৰ একমাত্ৰ কাৰণ হৈছে অসমীয়া ভাষাৰ চৌপাশে তিৰ্বত বৰ্মীয় ভাষা-ভাষী লোক (জনজাতীয়) দ্বীপৰ দৰে অৱস্থান লৈ আছে বাবে আৰু তেওঁলোকৰ বেছিভাগে দ্বিভাষিক বা মাতৃভাষা হিচাপে উত্তৰ কালৰে পৰা অসমীয়া ভাষাক গ্ৰহণ কৰি অহাৰ বাবেই। এই ফালৰ পৰা চাবলৈ গ'লে অসমীয়া ভাষাক তিৰ্বত-বৰ্মীয় ভাষাৰ ব্যাকৰণৰ নিয়মেৰে বন্ধা আৰ্য ভাৰতীয় ভাষা হিচাপে বিবেচনা কৰিব পাৰি। অসমীয়া ভাষাত থকা জনজাতীয় ৰূপগত উপাদানসমূহৰ অন্যতম হ'ল - (ক) নিৰ্দিষ্টতাবাচক আৰু অনির্দিষ্টতাবাচক প্ৰত্যয় (জন, খন, ডাল, টো ইত্যাদি); (খ) সম্বন্ধ নির্দিষ্টতাবাচক প্ৰত্যয় (আই-এৰ/এৰা/আদি); (গ) দ্বিবচনৰ সলনি একমাত্ৰ বহু-বচনবাচক প্ৰত্যয় সংযোগৰ দ্বাৰা বচন নির্ণয় (হিন্দীৰ দৰে বচনে অসমীয়া ভাষাৰ শব্দ-ৰূপ নতুবা ধাতুৰূপৰ পৰিৱৰ্তন নাসাধে ঠিক জনজাতীয় ভাষাসমূহৰ দৰে); (ঘ) স্ত্ৰীবাচক শব্দৰ গঠনত স্ত্ৰী-প্ৰত্যয়ৰ ঠাইত বেলেগ বেলেগ শব্দৰ জৰিয়তে নতুবা মতা-মাইকী বুজোৱা শব্দৰ সংযোগ (লিংগই অসমীয়া ভাষাত বচনৰ নিচিনাকৈ ব্যাকৰণিক ৰূপৰ পৰিৱৰ্তন নাসাধে- এয়া জনজাতীয় ভাষাৰ লিংগ ৰূপৰ প্ৰভাৱ); (ঙ) বিশেষণ বা অবিজ্ঞাত নির্জীব পদার্থৰ লিংগভেদ নথকা; (চ) প্ৰতিধ্বন্যাত্মক শব্দৰ গঠন (মাছ-তাছ, গৰু-চৰু ইত্যাদি শব্দৰ প্ৰথমটো মূল শব্দৰ অক্ষৰ অনুযায়ী পিছৰটো অনুৰূপ শব্দৰ সমীভৱন হোৱা প্ৰক্ৰিয়া জনজাতীয় ভাষাতো পোৱা যায়); (ছ) নঞৰ্থকবাচক প্ৰত্যয়ৰ শব্দৰ আৰম্ভণিত প্ৰয়োগ আৰু মূল ক্ৰিয়াৰ আদ্যাক্ষৰৰ স্বৰধ্বনি অনুযায়ী হোৱা ৰূপান্তৰ (উদাহৰণ - নাযাবা, নেখেলিবা, নিকিনিবা, নুবুজোঁ, নাহোঁ, নধৰোঁ ইত্যাদি); (জ) কাৰক বিভক্তিৰ ক্ষেত্ৰত সংযোগাত্মকৰ ঠাইত পৰসর্গৰ দ্বাৰা বিয়োগাত্মক ৰূপ (উদাহৰণ -হিন্দী অন্দৰসে কিন্তু অসমীয়া ভিতৰৰ পৰা তদ্রূপ হিন্দী তুমসে অসমীয়া তোমাৰ সৈতে বা তোমাৰ লগত ইত্যাদি); (ঝ) স্বার্থিক প্ৰত্যয়ৰ ব্যৱহাৰ (উদাহৰণ - পালেগৈ, আহিবহি, যাবাছো, আহিবাদেই ইত্যাদি) ইত্যাদি।

৩। অসমীয়া ভাষাৰ জনজাতীয় শব্দগত উপাদান ঃ

অসমত এনে অজস্ৰ স্থানবাচক (নদ-নদী, পাহাৰ-পর্বত, ঠাই ইত্যাদি) শব্দ, জীৱ-জন্তু, চৰাই-চিৰিকতি, মাছ-মগৰ, আদিৰ নাম বুজোৱা শব্দ আছে- যিবোৰৰ মূল সংস্কৃত বা আন ভাৰতীয় আর্য ভাষাত পাবলৈ নাই অথচ অসমৰ থলুৱা ভাষাসমূহত পোৱা যায়। তদুপৰি কেতবোৰ সা-সঁজুলি, (তাঁতশাল, মাছ ধৰা, চিকাৰ কৰা, খেতি-বাতি, ঘৰ-দুৱাৰ আদিৰ লগত সম্পর্কান্বিত), সম্বন্ধ বাচক শব্দ, বিশেষ্য-বিশেষণ নতুবা ক্ৰিয়াবাচক শব্দসমূহ জনজাতীয় ভাষাৰ দ্বাৰা বিশ্লেষণ কৰি দেখুৱাব পাৰি। এনেধৰণৰ শব্দসমূহ জনজাতীয় মূলৰ পৰা অহা বুলি ঠাৱৰ কৰিব পাৰি। ডঃ বাণীকান্ত কাকতিয়ে তেখেতৰ গৱেষণা গ্ৰন্থত 'হা' যুক্ত স্থানবাচক শব্দ আৰু 'দি/দৈ' যুক্ত নদ-নদীৰ নাম বড়ো ভাষাৰপৰা অসমীয়া ভাষালৈ আহিছেবুলি দেখুৱাইছে। তদ্রূপ 'নাম' যুক্ত নদীবাচক আৰু 'টি' যুক্ত স্থানবাচক শব্দ আহোম ভাষাৰ পৰা আহিব পাৰে বুলি তেখেতে উল্লেখ কৰিছে। আনহাতে প্ৰাগজ্যোতিষপুৰ, কামাখ্যা, কামৰূপ, দৰং, বকতা, চামতা, ধৰমতুল আদি স্থান আৰু দিহং, দিবং আদি 'আং/হোং' যুক্ত নদ-নদী খাচী প্ৰভৃতি অন্যান্য অষ্ট্রিক ভাষাৰ প্ৰভাৱত গঢ়ি উঠা বুলি সন্দেহ প্ৰকাশ কৰিছে। এইদৰে ডঃ কাকতি, ডঃ চেটার্জী আৰু ডঃ বিৰিঞ্চি কুমাৰ মেধিয়ে অষ্ট্রিক ভাষাৰ লগত অসমীয়া ভাষাৰ সামঞ্জস্য দেখুৱাই বহুতো শব্দ যুগুতাইছে। সেইবোৰ - (ক) খাচী ভাষাৰ -কাকৌ, খামোচ, খং, কমা, ডিঙা, দোং, হেনো (স্বার্থিক প্ৰত্যয়), জপা, জঞ্জাল, জহা, মেথোন, চোকোৰা, নোদোকা; (খ) কোল-মুণ্ডাৰ পৰা অহা - এৰা (হয়) লাটুম, আটোম - টোকাৰী, ডঙুৱা, মুগা, মুঠন, (জোখ বিশেষ), উতনুৱা, লেখীয়া (নিচিনা); চাওঁতালীৰ

পৰা অহা - ঢোপ, ভোদা, বোকা, চফল, গোহাৰি, পাহাৰ, টিপ; মালয় ভাষাৰ-বগা, বুটল, চেলাউৰি, সাঁফৰ, ডিঙি, গাহৰি, হোলোঙা, নাহৰ ফুটুকী, উঁই ইত্যাদি। কালিৰাম মেধিয়ে কুৰাং (কুকুৰ), কাবু, বাখৰ (বাবাঙ্গ), লিতিকাই আদি শব্দ খাচী ভাষাৰ পৰা; আলহী, কেৰেপ, হোৰা (বোকোচা), কাকডোঙা, কলং (নৈ), লামডিং, মেংকুলি (মেকুৰী) আদি শব্দ মিকিৰ (কার্বি) ভাষাৰ পৰা; কুৰুৱা কেটেঙা, জিকা, হজুৱা দৰং আদি শব্দ দেউৰী-চুতীয়া ভাষাৰ পৰা; আই, দোং, পেংলাই, ফতিকা, ফাইদাং, বৰলা, হোজাই (ঠাই) আদি শব্দ কছাৰী (বড়ো) ভাষাৰ পৰা আৰু চিচি (নৈ) শব্দ মিচিং ভাষাৰ পৰা অহা বুলি দেখুৱাইছে।

ডঃ কাকতি আৰু ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে টাই আহোম ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিব পৰা শব্দৰ বিস্তৃত তালিকা দাঙি ধৰিছে। ইয়াৰে কেতবোৰ হ'ল - খাং, ফাং (ফাং-ফুং), লাং (লাংখাই পৰ), পুং, জান, টুপ (ঘৰৰ আগভাগ), ফাক (দা-তবোৱালৰ বাহ), পম, কাৰেং, ৰংঘৰ, মৈদাম, বুৰঞ্জী, চাওদাং ইত্যাদি। এইবোৰ শব্দ কিছুমান পোনপটীয়াকৈ অর্থৰ আৰু শব্দবো কোনো বিজুতি নঘটাকৈ আহিছে আৰু কিছুমান হয় অর্থৰ নতুবা শব্দৰ বিকৃতি ঘটি অসমীয়াত ব্যৱহাৰ হৈছে। কেতবোৰ শব্দ আকৌ পোনপটীয়াকৈ ব্যৱহাৰ নহৈ অনুবাদগত ধাৰৰ নিচিনাকৈহে ব্যৱহাৰ হৈছে। যেনে হাজৰিকা (আহোম ৰিঙ, ৰু = মূৰ, ৰিঙা = হেজাৰ); শইকীয়া (ৰুপাক, পাক = শ), বৰুৱা, (ফুকে, ফু = পুৰুষ, কে = বুঢ়া), স্বর্গদেও (চাওফা, চাও = দেৱতা, ফা = স্বর্গ) ইত্যাদি।

অসমীয়া ভাষাত থলুৱা জনজাতীয় লোকৰ কথিত ভাষাৰ ভিতৰত বড়ো ভাষাৰ প্ৰভাৱেই সর্বাধিক, বড়ো ভাষাৰ সমধর্মী ৰাভা, তিৰা, দেউৰী ভাষাৰ প্ৰভাৱো উলাই কৰিব পৰা বিধৰ নহয়। তুলনামূলকভাৱে পর্বতীয়া অঞ্চলত বসবাস কৰা গাৰো আৰু ডিমাছাসকলৰ প্ৰভাৱ অসমীয়াত নাই বুলিবই পাৰি। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই গাৰো ভাষাৰ জংক্রেবক, জাবোল শব্দৰ পৰা অসমীয়া জবকা আৰু জাবোৰ শব্দৰ আৰু ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে ডিমাছা দাঁই (কাট) শব্দৰ পৰা অসমীয়া দা ধাতুৰ ব্যুৎপত্তি দেখুৱাইছে। ডঃ গোস্বামীয়ে তেখেতৰ সদ্য প্ৰকাশিত 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' নামৰ গ্ৰন্থত কম বেছি পৰিমাণে প্ৰতিটো জনজাতীয় ভাষাৰ পৰাই দুই - এটাকৈ হ'লেও অসমীয়া ভাষালৈ শব্দ সম্ভাৰৰ ওৰাদানি ঘটিছে বুলি দেখুৱাইছে। সেইমতে - দেউৰী-চুতীয়া ভাষাৰ পৰা ডেকা (দে'কাগু), লেখীয়া (লাকিয়া), টঙালি (তঙা) চিৰিং চাপৰি স্থান বাচকী, তিৰা ভাষাৰ পৰা চুঙা অৰ (ওৰ), আন (আল-পৈচান), থৰক (কঁপি থকা), দোৱান, লৰ্ (দৌৰ); গাৰো ভাষাৰ পৰা জেং, জাবোৰ, থেকেৰা; ৰাভা ভাষাৰ পৰা পোনা (মাছ), বাকৰি/বাক্রা; কার্বি ভাষাৰ পৰা মেজি (মে = জুই), লেং (লেং মাৰ) ইত্যাদি। ডঃ বাণীকান্ত কাকতিয়েও অসমীয়া ভাষালৈ তিব্বত-বর্মীয় বড়ো ভাষাৰ পৰা কিছুমান সৰল আৰু মিশ্র ধাতু (উদাহৰণ - চেলেক্, ৰেপ্, আগচ্, চেপ; খাম বান্ধ, গৰা মাৰ্, বিৰ দি, ইত্যাদি) আৰু কেতবোৰ শব্দ (হাঁফলু, জোং, হেঙাৰ, হাওঁ-ফাওঁ, লফা, ডাউক আদি) লগতে স্থানবাচক শব্দ কিছুমান আহিছে বুলি উল্লেখ কৰিছে। ডঃ কাকতিয়ে দিয়া বড়ো ভাষাৰ শব্দমূলক ওপৰঞ্চি ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে বড়ো ভাষাৰ সৈতে সাদৃশ্য থকা অসমীয়া শব্দ বিশেষকৈ কামৰূপী উপভাষাৰ শব্দৰ বিস্তৃত তালিকা দাঙি ধৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য কিছুমান হ'ল - গমা, মুদ, জোকা, কলমৌ, কাচি, গৰকা, টেকেলি, টেমা, তৌ, দল (ঘাঁহ), দাঙৰি, ডাবৰ, ডুলি, পঠা (ফান্থা), ফান্দী, পালেং (শাক), বোন্দা (মতা মেকুৰী), মাকো (মাখু), মৈ, মোনা, ৰাঁচ, লফা, চাঙ, জাকৈ (জাখায়), জখলা, জালি (তিয়ঁহৰ জালি), জহামাল, হাল্ ইত্যাদি। ইয়াৰ উপৰিও অধ্যাপক নাহেন্দ্ৰ পাদুনে - আলহী, আউলি-বাউলি, আঁঠু, আওখাল, বৰলা, কলমৌ, ভাটৌ, বাওনা, দদাই, এৰা (গছা), গাৰু, খাৰ, কেঁকাই, খন্টি, কুচিয়া, ফেঁচা, পিঠা (ফিথা), টোকোন, উদং, জিকা, জুম (জাক) আদি শব্দৰ সৈতে বড়ো ভাষাৰ ঘনিষ্ঠ সম্পর্ক থকাৰ বিষয়ে অৱগত কৰাইছে।

অসমীয়া কৃষ্টিৰ আঁকৰৰ অন্বেষক কলাগুৰু বিষ্ণু ৰাভাই ডঃ কাকতিয়ে অষ্ট্রিক মূলীয়া বুলি সন্দেহ কৰা বহু সংখ্যক নামবাচক আৰু স্থানবাচক শব্দৰ উৎপত্তি যে কিৰাত - কছাৰীৰ অৱদান নিচেই সামান্য নহয় তাক সদর্থে দোহাৰি ফুৰিছিল। তেনে কিছুমান শব্দৰ ব্যাখ্যা প্রাচ্যতত্ত্ববিদ্ ডঃ চেটার্জীয়েও দুই-এঠাইত উল্লেখ নকৰাকৈ থকা নাছিল। কামৰূপ (খাম = ৰ, উৱ = মনোহৰ), কমতা (খাম = জ্বল, থা = থাক), লৌহিত্য (গীলাও গীঠো > লাওঠো), ব্রহ্মপুত্র (ভল্লম্ বুথুৰ = কল্ কল্ নাদকাৰিণী), ভৰলী/ভৰলু (ভল্লীবুঢ়ী = দেওপানী), কামাখ্যা (খাম + মাই + খা = কেঁচাইখাতী শাল), নৰক (নাৰখু) ভগদত্ত (ডুগডাঠ = সাহসী), ব্রজগত্ত (বুর্জ্জাড্ঠ = অতি সাহসী), বৰদৈচিলা (বীৰ + দৈ + চিখ্লা = কিম্বদন্তিৰ এগৰাকী ছোৱালী) ইত্যাদি শব্দৰ ব্যুপত্তি যথেষ্ট চিন্তা উদ্রেককাৰী আৰু সেইবাবেই বিতর্কমূলকো আছিল।

বড়ো প্রভৃতি তিব্বত-বর্মীয় ভাষাৰ শব্দ সম্ভাৰৰ অন্যতম মন কৰিবলগীয়া বৈশিষ্ট্য হৈছে যে শব্দৰ শ্রেণী অনুযায়ী একো একোটা সাধাৰণ পদ প্রত্যয়ৰ দৰে আগে পিছে বহি ভিন্ ভিন্ শব্দৰ সাধন কৰে। শব্দ - সাধনৰ এনে নমুনাৰ সৈতে ৰিজাই সংস্কৃতি বা অন্য ভাৰতীয় আর্য ভাষাৰে ব্যাখ্যা কৰিব নোৱাৰা অসমীয়া জতুৱা শব্দবিলকাৰ প্রায়বিলাকৰে মূল বৰো প্রভৃতি তিব্বত বর্মীয় শব্দ বুলি মানি ল'ব পৰা যায়। উদাহাৰণস্বৰূপে - (ক) মা-যুক্ত প্রাণী ঃ মাইকী, মাখুন্দী, মখনা, মাউথ মেকুৰী, মেথোন, মেনা/মেনী, মোগোৰা ইত্যাদি; (খ) না-যুক্ত মাছ-কাছ ঃ নাৰ, ডঁবিকনা, পোনা, চেলেকনা, খলিহনা, লালুকী (তু. ৰাভা নালুক) গঙ্গাটোপ ইত্যাদি; (গ) দাও (দ-ত-ছ) যুক্ত চৰাই-চিৰিকতি ঃ ডাউক/ডাউকী, ডঁবিক (তু. তিৰা তুৰিক), দহিকতৰা, হুদু (তু, বড়ো দাওহুদু), বাদুলি (তু, বড়ো বাদামালি), ডেকেৰী, টোকোৰা, টিপচী, বটা, ভাটৌ, বাঢ়ৈ, টোকা, বৰটোকোলা, ঘন-চিৰিকা, শৰালি, চকৰি (তু, বড়ো ছিখিৰি) ইত্যাদি; (ঘ) ফাং লাই-যুক্ত গছ-গছনি ঃ লাই, লফা (তু, ডঃ কাকতি লাই ফাং), পালং (তু, বড়ো ফালেং) জালি (তু, বড়ো জালাই), পচলা, পাচলি, ফেৰেঙ্গনি, (তু. বড়ো ফেৰেঙ্গা) আদি; (ঙ) মৈ/ছাম - যুক্ত শাক-পাচলি (ঔষধি) ঃ কলমৌ (তু. বড়ো খলমৈ), মেস্তা (বড়ো মৈথা), মেজেঙা, মেচাকি, মেমেধু, মেথি, মেটেকা, মেদেলুৰা, মানিমুণি, মাঠুক-ঠুকা, চামশলখা ইত্যাদি; (চ) থায়/থে/থি-যুক্ত ফল - মূল ঃ থেকেৰা, থেৰেজু, সোণতৰা (তু. ৰাভা ছনথ্রায়), তিয়ঁহ, লেতেকু, তেতেলী (তু. তিৰি থিদিলি) ইত্যাদি; (ছ) মায়/মা-যুক্ত ধান বা ধানৰ লগত জড়িত শব্দ ঃ মাইগুটিয়া, মাগুৰি শালি, মইনগিৰি, মাণিকীমধুৰী, ফৰমা, মাকৈ (তু. কোচ মাকায় মাইহাং মাইৰাং (ধানখেতি হোৱা ঠাই) মাইনা তু. বড়ো মাইনাও = লখিমী) ইত্যাদি; (জ) দৈ/দি/চি/জি - যুক্তপানী বাচক শব্দ ঃ ডিঙা, ডিঙৰা, ডুব ডোবা, ডুবি, দোং, দল, দলং, ডাবি, ডাবৰ, ডঁহেচীয়া, ডাৱৰ আৰু এই সাধাৰণ পদযুক্ত নদ-নদীৰ নামসমূহ যেনে- দিখৌ, মঙ্গলদৈ, চিবিনাং, জিনাৰি, চিকনাঝাৰ ইত্যাদি; (ঞ) হা/আ-যুক্ত মাটিবাচক শব্দ ঃ হাফলু, হাদাম, হালিছা হা-গিৰি, হালধি (তু. মিছিং অলদি), হাবুৰুকা, হেঙাৰ, হেঁদালি আৰু হা/আ-যুক্ত ঠাইৰ নাম যেনে - হাজো, হাফলং, আজাৰা, আগিয়া ইত্যাদি (দ্রষ্টব্য ঃ ৰাভা হাকা-চাম, উপেন ঃ অসমীয়া ভাষা তিব্বত-বর্মীয় উপাদান ঃ কিছু নতুন চিন্তাৰ উন্মেষ (প্রৱন্ধ), অনুচ্ছেদ ৬·২ ভাষাৰ তত্ত্বকথা, ১৯৯৩।

ডঃ ভীমকান্ত বৰুৱাই অসমীয়া ভাষাৰ 'উৰা' আসক্তি অর্থত ব্যৱহাৰ হোৱা তদ্ধিত প্রত্যয়ৰ উৎস দেশজ আৰু মিছিং আৰু বড়ো ভাষাত এনে প্রত্যয়ৰ প্রয়োগ আছে বুলি দেখুৱাইছে -

অসমীয়া	মিছিং	বড়ো
টোপনি গুদুৰা	ইউপ্‌দুৰা	উন্দু গাদুৰা
টোপনি গুদুৰী (স্ত্রী)	ইউপ্‌দুৰী	উন্দু পাদুৰী
কান্দুৰা	কাপ্ দুৰা	
মুতুৰা	য়েচি দুৰা	

তেখেতে অসমীয়া অফলাছিলা (বানপানীয়ে ছিঙা মাথাউৰিৰ স্থান বিশেষ), দলপা (ডাঠ হাবি), অগৰং-বগৰং, দলনি, ডাকুৰ (ছাগলীৰ ডিঙিত আঁৰি দিয়া মাৰি বিশেষ) আদি শব্দৰ সৈতে মিছিং ভাষাৰ সাদৃশ্য দেখুৱাইছে। সেইদৰে অধ্যাপক নাহেন্দ্র পাদুনে - চি-যুক্ত নদীবাচক শব্দ (চিলাপথাৰ, চিয়াং আদি), পেঁপা (পেম্পা), গগনা (গুংগাং), কনেং (কনৌং = সৰু ছোৱালী) > চেনাই; ককাই, বাই, জেকা, টোকোন, লা, তৰপ, শলখ (গছ), বাদু (কঠালৰ বাদু), কেবাং, আপং, মুৰং (ডেকাচাং) আদি মিছিং ভাষাৰ পৰা আহিব পৰা শব্দ বুলি দেখুৱাইছে। ডঃ উপেন্দ্র নাথ গোস্বামীয়েও অসমীয়া শব্দৰ লগত ৰিজাব পৰা মিছিং শব্দ কিছুমান উল্লেখ কৰিছে। সেইবোৰ হ'ল - কানি (মাছ মৰা এবিধ সঁজুলি), উৰুকা, চেঁউৰী, টোকাৰী, তিয়ঁহ, মুজুং-মাজাং, আজে-বাজে (অদৰকাৰী), তামোল-ছালি ইত্যাদি।

বাক্যতত্ত্বৰ আলোচনাতো একে কথাই খাটে। অসমীয়া আৰু জনজাতীয় ভাষাৰ বিশেষকৈ ভৈয়ামৰ বড়ো ভাষাৰ সুৰ, লহৰ আৰু বাক্য গাঁথনিৰ ইমানেই সাদৃশ্য পোৱা যায় যে বিদেশী এজনৰ বাবে এই দুটা ভাষাৰ মূল যে ভিন্ন তাক থাউকতে উমান কৰিব পৰা বিধৰ হৈ নাথাকে। এই ক্ষেত্রত লোক-সংস্কৃতিবিদ এণ্ডাৰছনৰ এফাঁকি উদ্ধৃতি খুবেই স্মৰণীয় হৈ আছে -

"I can think of no other two languages in which it would be possible to translate a long statement word for word out of one into the other and yet be idiomatic." (Anderson, J.D.. : A collection of Kachara Folktales and Rhymes, 1895)

অকল অসমীয়া ভাষালৈহে যে জনজাতীয় ভাষাৰ বিভিন্ন উপাদান গৈছে এনে নহয় অসমীয়া ভাষাৰ বহু উপাদানো জনজাতীয় ভাষাত সোমাই পৰিছে। যুগ যুগ ধৰি ঐক্য আৰু সম্প্রীতিৰে সহ অৱস্থান কৰি থকাৰ গুণে উত্তৰ-পূৰ্ব অঞ্চলত এক উমৈহতীয়া ভাষাগত ক্ষেত্র (liniuistic area) গঢ়ি উঠিছে আৰু সেয়েহে বিভিন্ন থলুৱা ভাষাসমূহৰ মাজত ভাৰ প্রকাশক অভিব্যক্তিৰ এক সমান্তৰাল ৰূপ পৰিলক্ষিত হয়।

(বিশেষ দ্রষ্টব্য ঃ ইয়াত আলোচিত জনজাতীয় উপাদান মাত্রে বিতর্কৰ উর্দ্ধত নোহোৱা নহয়; বিশেষকৈ তিব্বত-বর্মীয় মূলৰ নে অষ্ট্রিক মূলৰ এই সম্পর্কে খাটাং সিদ্ধান্ত দিয়াতো। আনকি এটা শব্দৰে কেবাটাও বিষমমূলীয়া ভাষাত প্রয়োগ পোৱা যায় আৰু তেনে কিছুমান শব্দৰ সংস্কৃতৰ পৰা পালি-প্রাকৃত অপভ্রংশ স্তৰৰ মাজেদি বিকাশ হোৱাৰো নির্দেশন পোৱা গৈছে। সেইবাবেই এনে উমৈহতীয়া উপাদানক সাদৃশ্যমূলক প্রয়োগ নতুবা ভাষাগত ক্ষেত্রৰ উমৈহতীয়া উপাদান বোলাটোহে অধিক ভাষা বিজ্ঞানসম্মত হয়। - লেখক) ■

সহায়ক গ্রন্থপঞ্জী ঃ

